বিশ্বমহাকাব্য
পৰিচয়

বিশ্বমহাকাব্য পৰিচয়

শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা

অৱসৰপ্ৰাপ্ত ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰাধ্যাপক
গুৱাহাটী বিশ্ববিদ্যালয়

সৌমাৰ প্ৰকাশ

গুৱাহাটী : অসম

প্রকাশিকা ঃ
শ্ৰীমতি প্ৰতিমা দেৱী
সোমাৰ প্ৰকাশ
গুৱাহাটী

© শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা

প্ৰথম প্ৰকাশ ঃ জুন, ১৯৯০

মূল্য ঃ পঞ্চাশ টকা

মুদ্ৰণ ঃ
শ্ৰীনাৰায়ণ চন্দ্ৰ দাস
এম. এন. প্ৰিণ্টাৰ্ছ
৪৮, আমহাৰ্ষ্ট ৰো
কলিকতা—৭০০ ০০৯

প্ৰসিদ্ধ ক্ৰীড়াবিদ আৰু বিশিষ্ট
আইনজীৱী ৺মাণিকচন্দ্ৰ বৰুৱা
শহুৰ দেউতাৰ পবিত্ৰ স্মৃতিত—

সূচীপত্ৰ

	বিষয়	পৃষ্ঠা
১।	লেখকৰ বক্তব্য	
২।	পৰিচয়াত্মক পাতনি	i—xviii
৩।	গিলগামেছ	১—১৩
৪।	ইলিয়াড	১৫—৩৮
৫।	ওডিছি	৩৯—৫৩
৬।	দুয়োকাব্যৰ তুলনামূলক বিচাৰ	৫৪—৬০
৭।	ৰামায়ণ	৬১—৭৭
৮।	জয়কাব্য মহাভাৰত	৭৯—১০১
৯।	দুয়ো কাব্যৰ তুলনামূলক বিচাৰ	১০৩—১১৬
১০।	বেওৱাল্‌ফ	১১৭—১৩০
১১।	ৰোঁলাৰ গীত	১৩১—১৫৩
১২।	নিবেলুংগেটলিয়েট	১৩৫—১৬৭
১৩।	ইনীড	১৬৯—১৯২
১৪।	চিলপ্পদিকৰম	১৯৩—২১১
১৫।	ডিভাইন কমেডি	২১৩—২৩১
১৬।	জেৰুজালেমৰ উদ্ধাৰ	২৩৩—২৫২
১৭।	পেৰেডাইজ লষ্ট	২৫৩—২৭৬
১৮।	গ্ৰন্থপঞ্জী	২৭৭
১৯।	বিষয় নিৰ্দেশিকা	২৭৮—২৮৩

লেখকৰ বক্তব্য

১৯৮৬ চন মানতে মহাকাব্য সম্পৰ্কে এখন গ্ৰন্থ ৰচনা কৰিবলৈ মনস্থ কৰি সংস্কৃত প্ৰাথমিক আৰু দ্বৈতীয়ক মহাকাব্য কেইখনৰ আলোচনা কৰিবলৈ লৈ শেহান্তৰত সেই আঁচনি পৰিত্যাগ কৰি অসমীয়া পাঠকৰ অপৰিচিত পাশ্চাত্য মহাকাব্য ভালে কেইখন সামৰি ললোঁ। শ্ৰীঅমূল্য চক্ৰৱৰ্তীয়ে হোমাৰৰ মহাকাব্য দুখন আৰু ভাৰ্জিলৰ মহাকাব্যখন ইংৰাজী অনুবাদৰ পৰা অসমীয়া গদ্যলৈ অনুবাদ কৰি আৰু প্ৰকাশন পৰিষদে তাক প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ মহৎ উপকাৰ সাধন কৰিছে। কিন্তু অনুবাদৰ পৰা অনুবাদৰ ওপৰত নিৰ্ভৰ নকৰি মূল ভাষাৰপৰা ইংৰাজীলৈ অনুবাদ কৰা সংস্কৰণৰ ভেটিত আলোচনা কৰা হৈছে। প্ৰথমতে ১২খন পাশ্চাত্য আৰু তিনিখন ভাৰতীয় মহাকাব্য আলোচনা কৰিম বুলি ইংৰাজী Verse translation যোগাৰ কৰি লৈছিলোঁ। কেৱল মহাভাৰত আৰু ৰামায়ণৰ সংস্কৃত সংস্কৰণ মোৰ হাতত আগৰ পৰা আছিল। স্পেইন ভাষাৰ মহাকাব্য, *Cid* আৰু পৰ্তুগীজ ভাষাৰ মহাকাব্য ***Os Lusiadas* (*1572*)** আৰু ইটালীয় মধ্যযুগীয় মহাকাব্য Orlando Furioso শেহান্তৰত আঁচনিৰ পৰা বাদ দিব লগা হয় দুটা কাৰণত। এই কেইখন কাব্যৰ আলোচনাই গ্ৰন্থখনৰ কলেৱৰ যথেষ্ট ডাঙৰ কৰি খৰচ সাপেক্ষ কৰিলেহেঁতেন। ***Orlando Furioso*** কাব্যখনতে ৪৬টা সৰ্গ (cantos) আৰু প্ৰায় ৪৫ হেজাৰ লাইন আছে। গতিকে ইয়াৰ কাহিনীৰ ৰূপৰেখায়ে যথেষ্ট ঠাই আগুৰি লব। সেইদৰে স্পেনীয় ভাষাৰ *Cid* উল্লেখযোগ্য মহাকাব্য। এই কেইখন কাব্যৰ ইংৰাজী অনুবাদ থকা সত্ত্বেও শেহান্তৰত প্ৰতিকূল স্বাস্থ্য আৰু খৰচৰ প্ৰতি লক্ষ্য ৰাখি আলোচনাৰ পৰা বাদ দিব লগা হ'ল। অসমীয়া সাহিত্যত এনে ধৰণৰ প্ৰচেষ্টা মোৰ চকুত পৰা নাই। মিল্টন সম্পৰ্কে সমালোচক কবি ডঃ হীৰেন গোহাঁঞিৰ গৱেষণাপ্ৰসূত ইংৰাজী গ্ৰন্থখন পলমকৈ হাতত পৰাত ব্যৱহাৰ কৰিব পৰা নগ'ল। মোৰ এই দীনতম প্ৰচেষ্টাই পাঠকৰ উদাৰ দৃষ্টি লাভ কৰিলে আৰু ভগৱানে সুস্থ কৰি ৰাখিলে দ্বিতীয় সংস্কৰণত দুখনমান মহাকাব্যৰ আলোচনা সংযোগ কৰিবলৈ আশা ৰাখিলোঁ। এই গ্ৰন্থ লেখোঁতে দুই এখন সহায়কাৰী গ্ৰন্থেৰে সহায় কৰা লণ্ডননিবাসী শ্ৰীমতী এনী দাস, ডঃ পূৰ্ণানন্দ শইকীয়া, অধ্যাপক প্ৰদীপজ্যোতি মহন্ত আৰু অধ্যাপক ৰণজিৎদেৱ গোস্বামীক ধন্যবাদ জ্ঞাপন কৰিলোঁ। প্ৰেছৰ কাৰণে পাণ্ডুলিপি তৈয়াৰ কৰি দিয়া কাৰণে শ্ৰীহৰকান্ত তালুকদাৰৰ শলাগ ললোঁ।

আজি এবছৰ ধৰি ইটোৰ পাছত সিটো অসুখ হৈ শৰীৰ দুৰ্বল কৰি তুলিছে। বিশেষকৈ যোৱা জানুৱাৰী মাহৰ পৰা বেমাৰে বেৰি ধৰি একপ্ৰকাৰ শয্যাশায়ী কৰি পেলাইছে। গতিকে যি দুই-এটা আঁচনিৰ কথা চিন্তা কৰিছিলোঁ সিও বাদ দিব লগা হৈছে। গ্ৰন্থখনৰ প্ৰকাশক সোমাৰ প্ৰিন্টিং আৰু পাব্লিছিং কোং আৰু ছপাৰ কাৰণে এম. এন. প্ৰিণ্টাৰ্ছৰ শলাগ ললোঁ। হাতীমাৰি ভুৰুকাত ভৰাবলৈ কৰা দুঃসাহসিক প্ৰচেষ্টাৰ কাৰণে পাঠকে যেন ক্ষমা কৰে।

শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা
২০।৬।৯০

আগকথা ঃ পৰিচয়াত্মক পাতনি

মহাকাব্যৰ স্বৰূপ

জগতৰ প্ৰাচীনতম সমালোচক এৰিষ্টটোলে 'পয়েটিকচ'ত ট্ৰেজেডিৰ বিচাৰ প্ৰসঙ্গত মহাকাব্যৰো প্ৰকৃতি নিৰ্দেশ কৰিছে। তেখেতৰ মতে মহাকাব্য কোনো গম্ভীৰ, উদাত্ত আৰু পূৰ্ণ ঘটনাৰ কাব্যময় অনুকৃতি। ইয়াৰ ভাষাশৈলী মনোৰম তথা অলংকৃত হোৱা উচিত আৰু আদিৰপৰা অন্তলৈকে একেটা ছন্দৰ প্ৰয়োগ বাঞ্ছনীয়। আদি, মধ্য আৰু অন্ত্য ঘটনাৰ মাজত ঐক্যৰ প্ৰয়োজন। ব্যাপক কথাবস্তু আৰু মহান চৰিত্ৰই ইয়াত স্থান লাভ কৰে। মহাকাব্যৰ লগত ট্ৰেজেডিৰ প্ৰভেদ দেখুৱাই তেওঁ আৰু কৈছে যে ট্ৰেজেডিৰ নিচিনাকৈ মহাকাব্যতো ভাষাৰ মাধ্যমেদি মহান লোকৰ চৰিত্ৰ আৰু কাৰ্যাৱলীৰ অনুকৃতি প্ৰকাশ কৰা হয়। কিন্তু ট্ৰেজেডিৰ বিপৰীতে ইয়াত মাত্ৰ একজাতীয় ছন্দ ব্যৱহাৰ কৰা হয় আৰু ই পূৰ্ণমাত্ৰাই বৰ্ণনাত্মক (narrative)। দীৰ্ঘত্বৰ ক্ষেত্ৰতো ট্ৰেজেডিৰ লগত ইয়াৰ প্ৰভেদ লক্ষ্য কৰা যায়, কাৰণ ট্ৰেজিডিত এদিনৰ ঘটনা কিন্তু মহাকাব্যত অনিৰ্দিষ্ট সময়ৰ ঘটনা ৰূপায়িত হয়।[1]

কোনো আখ্যান-কাব্যৰ বিষয়বস্তু যেতিয়া কবিৰ পূৰ্ণমাত্ৰাই স্বকপোলকল্পিত নহয়, প্ৰাচীন বীৰগাঁথা আৰু পৰম্পৰাগত কাহিনী যাৰ উপজীব্য, বৰ্ণনাত্মক কিন্তু ধীৰ ৰাজকীয় পদক্ষেপত যি কাব্য আগবাঢ়ে, য'ত মহান চৰিত্ৰ আৰু

১। The epic poetry agrees so far with the tragic as it is imitation of great characters and actions by means of words, but in this it differs that it makes use of only one kind of metre throughout and that it is narrative. It also differs in length, for tragedy endeavours as far as possible to confine its action within the limit of a single revolution of the sum or nearly so, but the time of epic action is indefinite.

কাৰ্য্যৰ প্ৰকাশ ঘটে, য'ত বিষয়বস্তুৱে নানা শাখা-প্ৰশাখাৰ মাজেদি বিস্তৃতি লাভ কৰিলেও বটবৃক্ষৰ গা-গছৰ দৰে এটা প্ৰধান একীভূত কাহিনী থাকে, যাৰ সুৰ উদাত্ত সুৰত বন্ধা, য'ত মূল কাহিনীৰ লগত সংশ্লিষ্ট হৈ নানা কথা আৰু আদৰ্শ প্ৰতিভাত হয়, নানা উপকাহিনী শাখা-প্ৰশাখাত পল্লৱিত হয়, যাৰ পৰিধি বিশাল আৰু বীৰত্বই য'ত প্ৰধান ৰসৰূপে অভিব্যক্ত হয়—তেনে কাব্যকে সাধাৰণতে মহাকাব্য আখ্যা দিয়া হয়। এই প্ৰসঙ্গত এম ডিক্সনে তেওঁৰ 'ইংলিচ এপিক এণ্ড হিৰ'ইক পয়েট্ৰি' নামৰ গ্ৰন্থৰ বিভিন্ন স্থানত মহাকাব্য সম্পৰ্কে যি অভিমত দাঙি ধৰিছে তাৰে দুটামান তলত উদ্ধৃত কৰা হ'ল ঃ

(i) The epic, one notices, usually depicts a victorious hero. It cannot do otherwise, for, in such a poem the interest is rather national than individual. The hero represents a country or a cause which triumphs with his triumph, whose honour wouid suffer from his defeat.
(P. 21)

(ii) ·········In epic the action moves slowly, with a kind of unhurried stateliness and can only achieve elevation, grandeur by the mass or volume of interests. It may seek to enlarge the volume of these interest by the introduction of numerous subsidiary characters or by the diversity of minor incidents, or by variety of episodes, or by the romantic charm of its scenery,—by any or all of these. (P. 22)

মহাকাব্যৰ লক্ষণসমূহ জুকিয়াই থোৰতে প্ৰকাশ কৰিবলৈ হ'লে এইখিনিকেই প্ৰধান বুলি ধৰিব পাৰি ঃ (১) বিষয়ৰ ব্যাপকতা (২) বহু শাখা-প্ৰশাখাৰ লগত মূলৰ সম্বন্ধ নিৰ্বাহ (৩) চৰিত্ৰৰ বহুলতা (৪) বৰ্ণনাত্মকতা (৫) বহুৰসাত্মকতা (৬) বীৰত্ব আৰু ঔদাৰ্য্যৰ প্ৰাধান্য (৭) মানৱ জীৱনৰ বিচিত্ৰ অভিব্যক্তি (৮) আদৰ্শ আৰু চিৰন্তন সত্যৰ ৰূপায়ণ (৯) উদাত্ত

ভাষাশৈলী (১০) জাতীয় সাংস্কৃতিক চেতনা (১১) নৈসৰ্গিক শোভাচিত্ৰণ (১২) মহৎ উদ্দেশ্য (১৩) সৰ্গ ৰচনা।

ওপৰত থোৰতে যিবোৰ লক্ষণ দিয়া হ'ল সেই সকলোবোৰ লক্ষণ মহাকাব্য নামে অভিহিত সকলোবোৰ আখ্যান-কাব্যতে পোৱা যায় নে নাযায় সিও বিচাৰ্য। সাহিত্যিক বা কৃত্ৰিম মহাকাব্যত ওপৰত উল্লেখ কৰা সকলোবোৰ লক্ষণ নাথাকিবও পাৰে, এইবোৰ লক্ষণ স্বাভাৱিক বা ক্ৰমবিকাশলব্ধ মহাকাব্যকেইখনতহে বিশেষভাৱে পৰিলক্ষিত হয়। এইখিনিতে ওপৰত উল্লেখ কৰা দুই শ্ৰেণীৰ মহাকাব্যৰ প্ৰভেদ আলোচনা কৰাও প্ৰয়োজন। আদিম বীৰগাঁথা বা লোকাখ্যানৰ ভেটিত যুগ-যুগান্তৰৰ সঞ্চিত অভিজ্ঞতা লৈ বহু অখ্যাত, অনামী কবিৰ পৰশলাভ কৰি, সমস্ত জাতিৰ আদৰ্শ আৰু চেতনা ৰূপ দি কোনো কাব্যই 'স্বে মহিম্নি' ৰূপত যি কাব্যই আত্মপ্ৰকাশ কৰে তেনে কাব্যই স্বাভাৱিক আৰু ক্ৰমবিকাশপ্ৰাপ্ত প্ৰাথমিক (primary) মহাকাব্য। হোমাৰৰ নামত প্ৰচলিত 'ইলিয়াড' আৰু 'ওডিছি' বাল্মিকী আৰু ব্যাসৰ নামত প্ৰচলিত 'ৰামায়ণ' আৰু 'মহাভাৰত' এনে ধৰণৰ স্বাভাৱিক মহাকাব্য। হাডচন চাহাবে এই শ্ৰেণীৰ মহাকাব্যকে (epic of growth) বুলিছে। ৰবীন্দ্ৰনাথে এঠাইত কৈছে,—"আমাদেৰ জানা সাহিত্যেৰ মধ্যে কেবল চাৰিটি মহাকাব্য আছে—ইলিয়াড, ওডিসি, ৰামায়ণ ও মহাভাৰত। অলংকাৰশাস্ত্ৰেৰ কৃত্ৰিম আইনেৰ জোৰেই 'ৰঘুবংশ' 'ভাৰবি' 'মাঘ' বা মিল্টনেৰ 'প্যোৰেডাইজ লষ্ট', ভল্টেয়াৰেৰ 'হেৰিয়াড' প্ৰভৃতিকে মহাকাব্যেৰ পংক্তিতে জোৰ কৰিয়া বসান হইয়া থাকে।" আদিম বীৰগাঁথাক কেন্দ্ৰ কৰি এই শ্ৰেণীৰ মহাকাব্যই ডাল-পাত শাখা-প্ৰশাখা মেলি বিশাল বটবৃক্ষৰ দৰে বহু বছৰ জুৰি ই বিস্তৃতি লাভ কৰে। বহু কাহিনী, উপকাহিনী, বিভিন্ন আদৰ্শ, ৰাজনীতি, দেশাচাৰ, ধৰ্মবিশ্বাস, দাৰ্শনিক ধাৰণা, জীৱনায়ন আদিয়ে ইয়াত আশ্ৰয় লাভ কৰে।

মুঠতে এই শ্ৰেণীৰ মহাকাব্য একোখনত একোটা জাতিৰ সামগ্ৰিক ৰূপ এটি প্ৰতিফলিত হয়। 'মহাভাৰত' কেৱল কুৰু-পাণ্ডৱৰ ৰাজ্যলাভৰ কাৰণে কৰা ভ্ৰাতৃকলহৰ চিত্ৰই নহয়, প্ৰাচীন ভাৰতৰ ভূগোল, ৰাজনীতি, দাৰ্শনিক ধাৰণা, ধৰ্মসম্প্ৰদায়, নৈতিক আদৰ্শ, জীৱনচৰ্যা—সকলোবোৰ কথাৰ ই আকৰ।

আন একশ্ৰেণীৰ মহাকাব্য আছে যিবোৰৰ পৰিধি ইমান ব্যাপক বা বিশাল নহয়। এই ধৰণৰ মহাকাব্য বিশেষ একোজন কবিৰ স্বকীয় প্ৰতিভাৰ ফল, বহুজনৰ হাতৰ পৰশ ইয়াত নাই। হাডচনে ইয়াকে বুলিছে 'এপিক অব আৰ্ট'। একেজন কবিৰ ৰচনা কাৰণে ই অধিক সুসংবদ্ধ, বিৰোধ বা অসঙ্গতিহীন আৰু ৰচনাৰীতিও অধিক পৰিপাটি। কিন্তু গাম্ভীৰ্য, বিস্তৃতি আৰু উদাত্তশৈলী এইশ্ৰেণী কাব্যৰো প্ৰধান আৰু অবধাৰিত বৈশিষ্ট্য। ডান্টেৰ 'ডিভাইন কমেডি', টাচোৰ 'জেৰুজালেম্ ডেলিভাৰড্,' মিল্টনৰ 'পেৰেডাইজ লষ্ট', কালিদাস, মাঘ, ভাৰবিৰ কাব্য কেইখন এই দ্বিতীয় শ্ৰেণীৰ মহাকাব্য। লেচ্ছেলি এবাৰক্ৰম্বিয়ে দুই শ্ৰেণীৰ মহাকাব্যৰ পাৰ্থক্যলৈ আঙুলিয়াই কৈছে—"স্বাভাৱিক মহাকাব্যৰ উদ্দেশ্য হ'ল আবৃত্তি (recitation) আৰু সাহিত্যিক মহাকাব্য ৰচিত হয় পঠনৰ কাৰণে।"[২] আমাৰ মহাভাৰত আৰু ৰামায়ণলৈ লক্ষ্য কৰিলেই ওপৰৰ মন্তব্যৰ সত্যতা উপলব্ধি কৰিব পাৰি। ৰামায়ণ লৱ-কুশই আবৃত্তি বা গান কৰিছিল। জন্মেজয়ৰ সৰ্পসত্ৰৰ পিছত ৰজা আৰু ঋষিসকলৰ আগত বৈশম্পায়ানে মহাভাৰত আবৃত্তি তথা ব্যাখ্যা কৰিছিল। কিন্তু কালিদাসৰ 'ৰঘুবংশ' নাইবা মাঘৰ 'শিশুপাল বধ' আবৃত্তি কৰাৰ উল্লেখ ক'তো নাই, এইবোৰ বিদ্বানমণ্ডলীৰ পঠনৰ কাৰণেহে ৰচিত হৈছিল। হোমাৰে

২। *The authentic epics are intended for recitation, the literary epic is meant to be read.* —*The Epic, An Essay, P. 39*

বোলে 'ইলিয়াড'ৰ কাহিনী আবৃত্তি কৰি জীৱিকা নিৰ্বাহ কৰিছিল।

ই. এম. টিলয়াৰ্ডে তেওঁৰ 'ইংলিচ এপিক এণ্ড ইটচ্ বেকগ্ৰাউণ্ড' নামৰ গ্ৰন্থত মহাকাব্যৰ চাৰিটা প্ৰধান লক্ষণলৈ আঙুলিয়াইছে। সেই চাৰিটাৰ প্ৰথমটো হ'ল যে মহাকাব্য উচ্চ গুণ আৰু গাম্ভীৰ্যসম্পন্ন হব লাগিব।[3] প্ৰশস্ততা, বিশালতা আৰু সৰ্বগ্ৰাসিতা ইয়াৰ দ্বিতীয় লক্ষণ।[4] মহাকাব্যৰ তৃতীয় লক্ষণ সম্পৰ্কে টিলয়াৰ্ডে কৈছে যে ইয়াৰ ঘটনাপৰম্পৰা স্বভাৱিকভাৱে শিকলিৰ আঙঠিৰ দৰে সংলগ্ন হব লাগিব। আন কথাত কাহিনী বিস্তৃত, বিশাল আৰু শাখা-প্ৰশাখাযুক্ত হ'লেও পৰস্পৰ অন্বিত হব লাগিব। মহাকাব্যৰ চতুৰ্থ বৈশিষ্ট্য হ'ল ইয়াৰ বৃন্দমানস। এই শ্ৰেণীৰ কাব্যই কবিৰ সময়ৰ বা তেওঁৰ জীৱৎকালক কেন্দ্ৰ কৰি ঘেৰি থকা জনমানসক প্ৰকাশ কৰিব লাগিব। বিশেষ বিশেষ নাৰী-পুৰুষ তাৰ নায়ক-নায়িকা ৰূপে চিত্ৰিত হ'লেও সেই সময়ৰ সৰহ মানুহৰ অনুভৱ আৰু ধাৰণা প্ৰতিফলিত কৰিব লাগিব।[5] টিলয়াৰ্ডৰ শেষৰ লক্ষণটো সাহিত্যিক মহাকাব্যতকৈ বিকাশপ্ৰাপ্ত মহাকাব্যতহে অধিক পৰিমাণে খাটে। এবাৰক্ৰম্বিয়ে এই চতুৰ্থ লক্ষণটোকে অলপ আন ধৰণে প্ৰকাশ কৰিছে। তেওঁৰ মতে মহাকাব্যত accepted unconscious metaphysics of time প্ৰকাশ হব লাগে। মিল্টনৰ 'পেৰেডাইজ লষ্ট' বা ডাণ্টেৰ 'ডিভাইন কমেডি'

৩। The first epic quality is one of high quality and high seriousness.
— P. 5.

৪। The second epic requirement can beroughed out by vogue words like amplitude, breadth and inclusiveness and so on. Ibid, P. 6

৫। The prime material of the epic poet, must be real and not invented. . . . . The reality of the central subject is, to be understood broadly. It means that the story must be founded deep in the general experience of men.
—The Epic, An Essay, P. 55

সাহিত্যিক মহাকাব্য হ'লেও তেওঁলোকৰ সময়ত গৃহীত অজানা-জন দাৰ্শনিক প্ৰকাশ নকৰিৰ থকা নাই।

লেশ্চলি এবাৰক্ৰুম্বিয়ে মহাকাব্য সম্পৰ্কে আৰু এটা বৈশিষ্ট্যলৈ আঙুলিয়াইছে। তেওঁৰ মতে মহাকাব্যৰ কাহিনী লোকপ্ৰসিদ্ধ বা পৰম্পৰাগত হোৱা দেখা যায়, ই সাধাৰণতে কবিকল্পিত নহয়।[6] এই লক্ষণ প্ৰকৃত মহাকাব্যৰ অন্যতম বৈশিষ্ট্য হ'লেও সাহিত্যিক মহাকাব্যৰ অপৰিহাৰ্য বৈশিষ্ট্য নহয়। এই ক্ষেত্ৰত ডান্টেৰ 'ডিভাইন কমেডি'লৈকে আঙুলিয়াব পাৰি। কিন্তু ভাৰতীয় মহাকাব্য প্ৰখ্যাত ইতিবৃত্তৰ পৰা আঁতৰি যোৱা উদাহৰণ পোৱা নাযায়।

ওপৰত চমুকৈ পাশ্চাত্য সমালোচকৰ দৃষ্টিত মহাকাব্যৰ স্বৰূপ প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে। এতিয়া প্ৰাচীন ভাৰতীয় সমালোচকৰ মহাকাব্যৰ ধাৰণা সম্পৰ্কে আলোচনা কৰা যাওক। বিশ্বনাথ চক্ৰৱৰ্ত্তীৰ 'সাহিত্য দৰ্পণ'ত মহাকাব্যৰ লক্ষণ এনেদৰে দিছে ঃ

সৰ্গবন্ধো মহাকাব্যং তত্ৰৈকো নায়কঃ সুৰঃ।
সদ্বংশঃ ক্ষত্ৰিয়ো বাপি ধীৰোদাত্ত গুণান্বিতঃ ।।
একবংশভবা ভূপাঃ কুলজা বহবোহপি বা।
শৃঙ্গাৰ বীৰ শান্তনামেকোহঙ্গী ৰস ইষ্যতে ।।
অঙ্গানি সৰ্বেহপি ৰসাঃ সৰ্বে নাটকসন্ধয়ঃ।
ইতিহাসোদ্ভৱং বৃত্তমন্যদ্বা সজ্জনাশ্ৰয়ম্ ।।
চত্বাৰস্তস্য বৰ্গাঃ স্যুস্তেষ্বেকঞ্চ ফলং ভবেৎ।
আদৌ নমস্ক্ৰিয়াশীৰ্বা বস্তুনিৰ্দেশ এৱ ৱা ।।

৬। The fourth requirement can be called choric. The epic writer, must express the feelings of a large group of people living in or near his own time. ** But that feelings must include the condition that behind the epic author is a big multitude of men of whose most serious convictions and dear habits he is the mouth piece. —Ibid, P. 12

কৰ্চিন্নিন্দা খলাদীনং সতাঞ্চ গুণকীৰ্ত্তনম্ ।
একবৃত্তময়ৈঃ পদৈৰৱসানেহন্যবৃত্তকৈঃ ।।
নাতি স্বল্পা নাতি দীৰ্ঘাঃ সৰ্গা অষ্টাধিকা ইহ ।
নানাবৃত্তময়ঃ কাপি সৰ্গঃ কশ্চন দৃশ্যতে ।।
সৰ্গান্তে ভাবিসৰ্গস্য কথায়াঃ সূচনং ভবেৎ ।
সন্ধ্যাসূৰ্যেন্দুৰজনী প্ৰদোষধ্বান্তবাসৰাঃ ।।
প্ৰাতৰ্মধ্যাহ্নমৃগয়াশৈলৰ্তুবনসাগৰাঃ ।
সম্ভোগবিপ্ৰলম্ভৌচ মুনিস্বৰ্গপুৰাধ্বৰাঃ ।।
ৰণপ্ৰয়াণোপযমমন্ত্ৰ পুত্ৰোদয়াদয়ঃ ।
বৰ্ণনীয়া যথাযোগং সাঙ্গোপাঙ্গা অমী ইহ ।।
কৰ্বেবৃত্তস্য বা নাম্না নায়কস্যেতৰস্য বা ।
নামস্যাৎ সৰ্গোপাদেয়কথয়া সৰ্গনাম তু ।।

মহাকাব্য সৰ্গবন্ধ হব লাগে, অৰ্থাৎ বহু সৰ্গত বিভক্ত হব লাগে। ইয়াত এক বা একাধিক সম্বংশজাত, উদাত্তগুণসম্পন্ন নায়ক থাকে। এওঁলোক একবংশোদ্ভৱ হবও পাৰে নাইবা ভিন্নবংশীও হব পাৰে। শৃঙ্গাৰ, বীৰ, শান্ত আদি ৰসৰ এটাৰ প্ৰাধান্য থাকিব লাগে। নাটকৰ দৰে মুখ প্ৰতিমুখাদি সন্ধিও পৰিলক্ষিত হয়। ইতিহাসোদ্ভৱ নাইবা সজ্জনক আশ্ৰয় কৰি ইয়াৰ কাহিনী ৰচিত হব লাগে। ধৰ্ম-অৰ্থ-কাম-মোক্ষ এই চতুৰ্বৰ্গৰ বা অন্ততঃ এটাৰ চৰিতাৰ্থ প্ৰদৰ্শন কৰিব লাগে। আশীৰ্বাদ-নমস্কাৰ আৰু বস্তুনিৰ্দেশেৰে কাব্য আৰম্ভ কৰিব লাগে। খলাদিৰ নিন্দা, সৎলোকৰ গুণকীৰ্ত্তন থাকিব লাগে। একোটা সৰ্গত এটা ছন্দৰ প্ৰয়োগ আৰু সৰ্গৰ শেষৰফালে অন্য বৃত্ত বা ছন্দৰ প্ৰয়োগ ঘটিব লাগে। অতি দীৰ্ঘও নহয় অথচ অতি চুটিও নহয়—এনে ধৰণৰ অষ্টাধিক সৰ্গ থাকিব লাগে। প্ৰত্যেক সৰ্গৰ অন্তত ভাবি (তৎপৰৱৰ্ত্তী) সৰ্গৰ সূচনা, চন্দ্ৰসূৰ্য্যৰ উদয়াস্তৰ বৰ্ণনা, ৰাতিপুৱা মধ্যাহ্ন, পৰ্বত-বনানি-সাগৰ-মৃগয়াদিৰ বিৱৰণ থাকিব লাগে। সম্ভোগ-বিপ্ৰলম্ভ শৃঙ্গাৰৰ

বৰ্ণনা, দেৱঋষি আকাশচাৰীৰ কাৰ্যকলাপ, ৰণপ্ৰয়াণ, বিবাহ আদিৰ বৰ্ণনাও মহাকাব্যৰ বিষয়ীভূত হব লাগে। কবি, নায়ক নাইবা বিষয়বস্তু অনুসৰি কাব্যৰ নামাকৰণ হয়।

বিশ্বনাথৰ মহাকাব্যৰ যি সংজ্ঞা ওপৰত দিয়া হ'ল, দণ্ডী আদি তেওঁৰ পূৰ্বসূৰীসকলৰ সংজ্ঞাও প্ৰায় তদ্ৰূপ, বিশেষ প্ৰভেদ লক্ষ্য কৰা নাযায়। সেই লক্ষণসমূহলৈ মন কৰিলে দেখা যায় যে প্ৰাচীন ভাৰতীয় আলংকাৰিকসকল প্ৰধানকৈ মহাকাব্যৰ বাহিৰঙ্গলৈহে দৃষ্টিনিক্ষেপ কৰিছিল। অবয়বৰ আকাৰ, ছন্দ, নায়ক-নায়িকাৰ প্ৰকৃতি, ৰসৰ প্ৰয়োগ, নৈসৰ্গিক শোভাৰ স্থান, সজ আদৰ্শ বা নীতিৰ প্ৰয়োগ—আদি বিভিন্ন সাঙ্গোপাঙ্গলৈ চকু দিছে যদিও এইবোৰে মহাকাব্যৰ প্ৰকৃতি নিৰ্ণয় কৰাত আমাক পূৰ্ণমাত্ৰাই সহায় নকৰে। মহাকাব্যৰ অটল প্ৰসন্ন গাম্ভীৰ্য আৰু বিস্তৃতি, যি দুটাক মহাকাব্যৰ প্ৰধান লক্ষণ বুলিব পাৰি, সেই সম্পৰ্কে আলংকাৰিক মৌন। অৱশ্যে যিবোৰ লক্ষণলৈ তেওঁলোকে আঙুলিয়াইছে সেই সকলোবোৰ যদি কোনো এখন কাব্যত থাকে তেন্তে গাম্ভীৰ্য আৰু প্ৰশস্ততা আপোনাআপুনিয়ে অহাৰ সম্ভাৱনা থাকে।

সংস্কৃত আলংকাৰিকসকলে মহাকাব্যৰ যি লক্ষণ দৰ্শাইছে সেইখিনি সাহিত্যিক মহাকাব্যৰ ক্ষেত্ৰতহে বিশেষভাবে প্ৰযোজ্য। ৰামায়ণক আদিকাব্য বুলি সাধাৰণতে অভিহিত কৰিলেও ৰামায়ণক আৰু মহাভাৰতক ইতিহাস পুৰাণৰ শাৰীতহে থৈছে। তদুপৰি এই দুখন মহাকাব্যত ধৰ্মীয় আদৰ্শই প্ৰাধান্য লাভ কৰা কাৰণেও হয়তো লৌকিক সাহিত্যৰ পৰ্যায়ত পেলাবলৈ আলংকাৰিকসকলে কুণ্ঠাবোধ কৰে। গতিকে **epic of growth** বা **genuine epic** সম্পৰ্কে প্ৰাচীন ভাৰতীয় আলংকাৰিকসকল নিমাত। কালিদাস, মাঘ, ভাৰবি, শ্ৰীহৰ্ষ আদিৰ দীৰ্ঘাৱয়বী কাব্যসমূহকহে মহাকাব্য সংজ্ঞাৰে সামৰি লৈছে।

স্বতঃস্ফূৰ্ত মহাকাব্য এটা বিশেষ যুগৰ প্ৰতিনিধি। যিকোনো সময়ত বা যুগত মহাকাব্যৰ সৃষ্টি নহয় আৰু হোৱাও নাই। ই এনে এটা যুগক অপেক্ষা কৰে যিটো যুগত বীৰত্ব, ঔদাৰ্য, সাহস আদিক সুকুমাৰ প্ৰবৃত্তিতকৈ অধিক মূল্য দিছিল, যিটো যুগত বুদ্ধিতকৈ শাৰীৰিক শক্তি, স্পষ্ট খোলা ব্যৱহাৰ আৰু উদাৰ হৃদয়ৰ আদৰ বেছি আছিল। প্ৰেম সম্পৰ্কেও ধাৰণা ৰহস্যময় নাছিল। দেহসম্পৰ্ক বিচ্যুত অনিৰ্বচনীয় অনুভূতিৰূপে যেতিয়া প্ৰেমক দৃষ্টি নকৰি স্বাভাৱিক স্ত্ৰী-পুৰুষৰ সম্পৰ্ক-ৰূপেই গ্ৰহণ কৰিছিল। স্বতঃস্ফূৰ্ত্ত মহাকাব্য বীৰযুগৰ (heroic age) অভিব্যক্তি, কিন্তু সাহিত্যিক মহাকাব্য জাতীয় ভাবসচেতনতাৰ অভিব্যক্তি।

মহাভাৰত, ৰামায়ণ আৰু ইলিয়াডে অতি প্ৰাচীন বীৰযুগৰ ঐতিহ্য বহন কৰে। কিন্তু আনহাতে সাহিত্যিক মহাকাব্য সাধাৰণতে জাতীয় অভ্যুত্থানৰ নিম্নাভিমুখী যুগৰ ফল। ভাৰ্জিলৰ 'ইনিয়াড' আৰু মিল্টনৰ 'পেৰেডাইজ লষ্ট'এ ৰোম আৰু বৃটেইনৰ জাতীয় ভাবাদৰ্শৰ অপসৃয়মান গৌৰৱ বহন কৰে। সেইদৰে কালিদাসৰ 'ৰঘুবংশ' 'কুমাৰ সম্ভৱ' মাঘৰ 'শিশুপাল বধ', ভাৰবিৰ 'কিৰাত' হিন্দু অভ্যুত্থানৰ ক্ৰমাপসাৰিত জোৱাৰৰ ঐতিহ্য বহন কৰিছে। দুয়ো শ্ৰেণীৰ মহাকাব্যতে ব্যক্তিপ্ৰধান নহয়, আদৰ্শহে প্ৰধান। ব্যক্তিস্বাতন্ত্ৰ্য মহাকাব্যৰ বিশেষত্ব নহয়, কাৰণ সেই যুগত ব্যক্তিস্বাতন্ত্ৰ্যৰ উদ্ভৱ হোৱা নাছিল।[7] স্বতঃস্ফূৰ্ত্ত মহাকাব্য কিছু পৰিমাণে নিসৰ্গধৰ্মী, ইয়াৰ ৰচয়িতা বৃহত্তৰ যুগমানস। নিৰ্দিষ্ট কবিৰ মানসজাত ই নহয়। কিন্তু সাহিত্যিক মহাকাব্য সচেতন

৭। Literary epic. if we judge by its best examples, flourishes not in the heyday of a nation, or of course, but in its last days or in its aftermath . . . . . . *Periclean* Athens, Elizabethan England, France under Louis XIV, had their superb literature, but not literary epic. —C.M. Bowra : From virgil to Milton.

কবিৰ ৰচনা। প্ৰথম শ্ৰেণীৰ গঠন অবিন্যস্ত আৰু শিথিলবন্ধ। ইয়াৰ তুলনাত সাহিত্যিক মহাকাব্যৰ গঠনৰীতি নিটোল, সুবিন্যস্ত আৰু সুনিৰ্দিষ্ট। ইয়াৰ প্ৰত্যেকটো শব্দ আৰু অলংকাৰৰ প্ৰয়োগৰ অন্তৰালত শিল্পীৰ সজাগদৃষ্টি অনুভৱ কৰা যায়।

গঠনৰীতিৰ উপৰিও দুয়ো শ্ৰেণীৰ মহাকাব্যৰ মাজত অন্য পাৰ্থক্যও পৰিলক্ষিত হয়। স্বতঃস্ফূৰ্ত্ত মহাকাব্যৰ বীৰকাহিনী সৰল আৰু স্বাভাৱিক ৰূপত বিকাশ লাভ কৰে। বীৰভাৱ সেই বিশেষ যুগৰ সমাজ জীৱনৰ স্বাভাৱিক বিকাশ। কিন্তু কালৰ বিৱৰ্ত্তনত মানৱ সত্তাৰ এক স্বতন্ত্ৰ মহিমা আৱিষ্কৃত হ'ল। মানুহৰ শৌৰ্যবীৰ্য আৰু অফুৰন্ত প্ৰাণশক্তিৰ এটা বাস্তৱ তাৎপৰ্য আৰু কল্যাণকৰ ৰূপান্তৰ সাধনৰ প্ৰতি মানৱৰ দৃষ্টি নিক্ষেপ হ'ল। সাহিত্যিক মহাকাব্যসমূহত মানৱৰ এই নতুন মহিমা অনুৰণিত হ'ল। বীৰ নায়কসকলৰ গৌৰৱদীপ্তি সাহিত্যিক মহাকাব্যত জাতীয় বা দেশচেতনাৰ লগত সংযুক্ত হৈ মহিমান্বিত হৈ উঠিল। এই কথা ভাৰতীয় সাহিত্যিক মহাকাব্যতকৈ অধিকভাৱে পৰিস্ফুট হৈ উঠিল পাশ্চাত্য সাহিত্যিক মহাকাব্যসমূহত। ভাৰতীয় সাহিত্যিক মহাকাব্যত জাতীয় সচেতনতা অন্তঃসলিলা ফল্গুৰ দৰে অন্তঃপ্ৰবাহী। পাশ্চাত্য সাহিত্যিক মহাকাব্যত যি জাতীয় সুৰ অনুৰণিত হৈছে, দেশ আৰু জাতি এটা অখণ্ড ভাবাদৰ্শৰূপে প্ৰতিফলিত হৈছে, প্ৰাচীন ভাৰতীয় মহাকাব্যত সেই ভাব আৰু দৃষ্টি বিৰল, কাৰণ স্পষ্টৰূপত জাতীয়তাবোধ (mationalism) প্ৰাচীন ভাৰতত নাছিল। প্ৰাচীন ভাৰতীয় মহাকাব্যত সত্য, শিৱ আৰু সুন্দৰৰ প্ৰকাশ ঘটিছে আৰু যুদ্ধবিগ্ৰহ, শৌৰ্যবীৰ্যৰ মাজেদি জীৱনৰ শ্ৰেয়স সম্পদ ব্যঞ্জিত হৈছে। কিন্তু ব্যক্তিসত্তা আৰু ব্যক্তিস্বাতন্ত্ৰ্যৰ প্ৰকাশ আৰু সচেতন জাতীয়তাবোধ ইয়াৰ আদৰ্শ নাছিল। ৰামায়ণত ৰামে জন্মভূমিক স্বৰ্গতকৈও গৰীয়সী বুলি কৈছে, কালিদাসৰ ৰচনাত

হিমালয়ৰ বন্দনা, ভাৰতভূমিৰ যশোগান ইত্যাদি হয়তো আছে, কিন্তু এই দেশপ্ৰীতিৰ উক্তিসমূহৰ অন্তৰালত যুগমানসৰ সচেতন অনুপ্ৰেৰণা আছে বুলি কব নোৱাৰি। কাৰণ তেনে হোৱা হ'লে অশ্বঘোষৰ পৰা আৰম্ভ কৰি শ্ৰীহৰ্ষৰ 'নৈষধচৰিত্ৰ' লৈকে কাব্যৰূপ একে সাঁচত ঢলা নহ'লহেঁতেন আৰু সমসাময়িক যুগমানস ইয়াত প্ৰতিফলিত হ'লহেঁতেন। সংস্কৃত সাহিত্যত লঘুকাব্যক খণ্ডকাব্য বোলা হৈছে। এনেধৰণৰ কাব্য হ'ল কালিদাসৰ 'মেঘদূত', ধোয়ী কবিৰ 'পৱনদূত', জয়দেৱৰ 'গীতগোবিন্দ' আৰু বহুতো। এটা সম্পূৰ্ণ কাহিনী ইয়াত প্ৰতিফলিত নহয়, কাহিনীৰ একোটি খণ্ডৰূপহে চিত্ৰিত হয়। মহাকাব্যৰ দীৰ্ঘায়তন বা প্ৰশস্ততাও ইয়াত নাথাকে। খ্ৰিষ্টীয় প্ৰথম শতিকাৰ পৰা মুছলমান ৰাজত্বৰ আগমুহূৰ্ত্তলৈকে সংস্কৃত মহাকাব্যই প্ৰকাশ আৰু বিস্তৃতি লাভ কৰিছিল। ইয়াৰ পৰৱৰ্ত্তী কালছোৱাত মহাকাব্য দুই-চাৰিখন ঠায়ে ঠায়ে ৰচিত হৈছিল যদিও সেই মহাকাব্য অনুকৰণপ্ৰধান আৰু বিশেষত্ববৰ্জিত। লঘুকাব্য বা খণ্ডকাব্য প্ৰথম হেজাৰ বছৰত সৰহ ৰচিত হোৱাৰ প্ৰমাণ পোৱা নাযায়। সৰহভাগেই দশম শতাব্দীৰ পৰৱৰ্ত্তী ৰচনা। খণ্ডকাব্যৰ উপৰিও প্ৰকীৰ্ণকাব্য বা কোষকাব্য ৰচনা সংস্কৃত আৰু প্ৰাকৃত কবিসকলৰ প্ৰিয় বিষয় আছিল। প্ৰকীৰ্ণ-কবিতা বুলিলে এক, দুই বা অতি বেছি—তিনিটা শ্লোকত আধৃত একোটি স্বয়ংসম্পূৰ্ণ ভাৱৰ প্ৰকাশ। হালৰ 'গাথাসপ্তশতী', অমৰু কবিৰ 'অমৰুশতক', লীলাশুকৰ 'কৃষ্ণকৰ্ণামৃত', শ্ৰীধৰদাসৰ 'সদুক্তিকৰ্ণামৃত'—এই শ্ৰেণীৰ ৰচনা। এই শ্ৰেণীৰ ৰচনাক প্ৰকৃত কাব্য নুবুলি খণ্ড কবিতাৰ সংগ্ৰহ বুলিব পাৰি। কোনো কাহিনীৰ 'বালাই' ইয়াত নাই। সংস্কৃত ভাষা ক্ৰমে জনসাধাৰণৰ কাৰণে দুৰ্বোধ্য হৈ অহাৰ কাৰণে মহাকাব্যৰ সমাসবন্ধ দীৰ্ঘ বৰ্ণনা পাঢ় ঘোৱা যেনেকৈ ক্লান্তিকৰ তেনেকৈ কবিসকলৰ পক্ষেও বিৰাটকায় এখন

কাব্য সংস্কৃত ভাষাত প্ৰণয়ন কৰাও কষ্টসাধ্য হৈ পৰিল। ফলত খণ্ডকাব্য আৰু প্ৰকীৰ্ণকাব্যৰ জনপ্ৰিয়তা বাঢ়িল। কিন্তু নব্য ভাৰতীয় ভাষাসমূহৰ বিকাশৰ লগে লগে সংস্কৃত কাব্যচৰ্চাৰ ক্ষেত্ৰ আৰু সীমিত হৈ পৰিল। মুছলমান সাম্ৰাজ্য স্থাপনৰ ফলত সংস্কৃত কাব্যৰ অনুশীলনত কিছু বাধা নহাকৈ নাথাকিল। এই সময়তে সদৌ ভাৰতজুৰি ভক্তিধৰ্মৰ আন্দোলনৰ সূত্ৰপাত হয়! ভক্তিধৰ্মপ্ৰচাৰকসকলে সংস্কৃত পৰিহাৰ কৰি জনসমাজৰ ভাষাক প্ৰকাশৰ মাধ্যমৰূপে গ্ৰহণ কৰে। সংস্কৃত ভাষাত নিবন্ধ গীতা, ভাগৱত, ৰামায়ণ, ভাৰত আদি জনসমাজৰ বোধগম্য আৰু ৰুচি অনুসৰি আঞ্চলিক ভাষাসমূহলৈ অনূদিত হ'ল। শ্লোকানুসৰণ কৰি অনুবাদ কৰাৰ উপৰিও পুৰাণৰ একোটি আখ্যানক ভেটি কৰি একোখন স্বতন্ত্ৰ কাব্য প্ৰণয়ন কৰাৰ প্ৰচেষ্টাও সমানভাৱে চলিল। নিজ নিজ সম্প্ৰদায়ৰ উপাস্য দেৱতাৰ গৌৰৱ আৰু মাহাত্ম্য প্ৰকাশ কৰাই প্ৰধানকৈ এইশ্ৰেণী কাব্যৰ উদ্দেশ্য আছিল। বঙ্গদেশৰ 'ধৰ্মমঙ্গল' 'চণ্ডীমঙ্গল' কাব্যসমূহ, আমাৰ অসমৰ 'মনসাপুৰাণ' আৰু বৈষ্ণৱ কাব্যসমূহ উপাস্য দেৱতাৰ গৌৰৱমাহাত্ম্য প্ৰচাৰৰে আনুষঙ্গিক ফল।

সংস্কৃত অলংকাৰ শাস্ত্ৰৰ মহাকাব্য আৰু খণ্ডকাব্যৰ সংজ্ঞাৰে প্ৰান্তীয় ভাষাত ৰচনা কৰা আখ্যান কাব্যসমূহৰ প্ৰকৃতি নিৰ্ণয় কৰিব নোৱাৰি। এইবোৰত মহাকাব্যৰ সম্পূৰ্ণ লক্ষণ যেনেকৈ নাই তেনেকৈ খণ্ডকাব্যৰ দৰে খণ্ডকাহিনীযুক্ত বা একদেশৈকচাৰিণী নহয়। মহাকাব্যৰ ব্যপকতা, বহুসৰ্গবিভক্ততা, উদাৰ গাম্ভীৰ্য এই লক্ষণবোৰ নাথাকিলেও পূৰ্ণ আখ্যান, বিভিন্ন ৰসৰ সমাবেশ, নৈসৰ্গিক শোভা, সৎলোকৰ প্ৰশংসা, খলৰ নিন্দা, উদাত্ত গুণসম্পন্ন নায়কৰ কীৰ্ত্তিকলাপ, ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাভৱ আদি কিছুমান লক্ষণ আঞ্চলিক ভাষাত ৰচিত এই মহাকাব্যসমূহতো পোৱা যায়। গতিকে এইবোৰক মহাকাব্য

বোলা সমীচীন নহয় যদিও সাধাৰণ কাব্যৰূপে আখ্যা দিব পাৰি। ৰুক্মিণীহৰণক সি অৰ্থত আমি 'কাব্য' বুলিছোঁ, তেনে অৰ্থত ভীমচৰিতক কাব্য বোলা টান, কাৰণ পাছৰখনত সুনিৰ্মিত কাহিনী এটা নাই। ভীমৰ চৰিত্ৰৰ আলম লৈ কিছুমান আমোদজনক পৰিস্থিতিৰ ই সমাবেশ মাত্ৰ। ইয়াৰ পৰিসৰো ঠেক। সেইকাৰণে ইয়াক উপকাব্য বোলা হয়। ইংৰাজী সাহিত্যত epics আৰু longer narrative poetry এই দুটা শ্ৰেণী দেখা পাওঁ। কিন্তু 'এপিক' আৰু 'লংগাৰ নেৰেটিভ পয়েট্ৰি'ৰ মধ্যৱৰ্ত্তী স্থানত অৱস্থান কৰা কোনো কাব্যৰ স্বতন্ত্ৰ নাম আমি দেখা নাপাওঁ। 'লংগাৰ নেৰেটিভ পয়েট্ৰি' খণ্ড কবিতাৰে এটা দীৰ্ঘাৱয়বী ৰূপ বুলিহে স্বীকৃত হৈছে।

পুনশ্চ

আধুনিক যুগত মহাকাব্য একপ্ৰকাৰ অচল বুলিব পাৰি। একোটা যুগত, একোটা বিশেষ পৰিৱেশত একপ্ৰকাৰ সাহিত্য সৃষ্টি হয়। সেই যুগ-পৰিৱেশৰ পৰিৱৰ্ত্তনৰ লগে লগে আৰু কবি-পাঠকৰ ৰুচিও পৰিৱৰ্ত্তন হয়। বহুক্ষেত্ৰত ৰাজনৈতিক, ধৰ্মীয় সাংস্কৃতিক জাগৰণে পৰিৱেশৰ পৰিৱৰ্ত্তন ঘটাই সাহিত্যক নতুন ৰূপ দিয়ে। প্ৰকৃত মহাকাব্য সৃষ্টি পটভূমি হৈছে বীৰযুগ (heroic age)। বীৰযুগৰ অৱসানৰ লগে লগে প্ৰকৃত মহাকাব্য সৃষ্টিৰো যুগ-পৰিৱেশ অন্তপৰে। অৱশ্যে ৰজা-মহাৰাজা-সামন্তসকলৰ অনুপ্ৰেৰণাত আৰু যুগমানসৰ প্ৰভাৱত ৰীতিগত একশ্ৰেণীৰ মহাকাব্য সৃষ্টি হয়। প্ৰথম বিধত কোনো এক বিশেষ কৱিৰ নাম কোনো কোনো ক্ষেত্ৰত কালক্ৰমত জড়িত হৈ পৰে যদিও প্ৰকৃততে ভ্ৰাম্যমান চাৰণ, ৰাজসভাৰ সূতমাগধ, আদিয়ে অজ্ঞাত বা পৰম্পৰাগত একোজন কৱিৰ নামত একোটা বীৰগাথাক ভিত্তি কৰি নিজ নিজ ৰচনা সুমুৱাই দি সেই প্ৰাচীন

বীৰগাথাক ক্ৰমান্বয়ে পৰিপুষ্ট কৰি তোলে আৰু দেশকালৰ প্ৰতিচ্ছবিয়ে ইয়াক জাতীয় কাব্যেতিহাসলৈ পৰিণত কৰে। এনে ক্ৰমবৰ্দ্ধমান বীৰকাব্যৰ কলেবৰ বৃদ্ধি হৈ এটা সময়ত পৰিসমাপ্তিৰ ৰূপ পৰিগ্ৰহ কৰে। এই শ্ৰেণীৰ বৃহৎকাব্যকে বোলা হয় প্ৰাথমিক মহাকাব্য (Primary epics) বা ক্ৰমবৰ্দ্ধিত মহাকাব্য (epic of growth)। বীৰযুগ পাৰ হৈ যোৱাৰ পাছত অতীত শৌৰ্যবীৰ্যৰ কাহিনী বা ধৰ্মীয় গ্ৰন্থৰ কাহিনীক ভিত্তি কৰি নিৰ্দিষ্ট ৰীতিগত আদৰ্শত ব্যক্তিগত কৱিৰ বহুসৰ্গবিভক্ত কাব্যক দ্বৈতীয়ক (Secondary) মহাকাব্য বা সাহিত্যিক মহাকাব্য বোলা হয়। ৰামায়ণ, মহাভাৰত, ইলিয়াড আদি প্ৰাথমিক মহাকাব্য, ইনীড, পেৰেডাইজ লষ্ট, নৈষধচৰিত্ৰ দ্বৈতীয়ক মহাকাব্য। চি এচ্ লিউচে (C. S. Lewis) প্ৰাথমিক মহাকাব্য সম্পৰ্কে কেইটামান বিশেষত্ব দাঙি ধৰিছে। সেই কেইটা এনে ধৰণৰ ঃ

(১) বীৰৰসাত্মক, (২) ৰাজসভা বা সামন্ত নেতাৰ পৰিৱেশত উৎপত্তি, (৩) চাৰণ, ভ্ৰাম্যমান গায়কৰ মুখত বিকাশ, (৪) গাম্ভীৰ্য আৰু উচ্চ আদৰ্শাত্মক, (৫) ৰজা, ৰাজপুৰুষ, বীৰনেতাকেন্দ্ৰিক বিষয়বস্তু, (৬) বীৰত্বই ইয়াৰ প্ৰধান উপজীব্য, অন্যবোৰ গৌণ, (৭) মহত্ত্ব (greatness).

চি· এম্ বাওৰাই প্ৰাথমিক আৰু দ্বৈতীয়ক মহাকাব্যৰ প্ৰভেদ আৰু বৈশিষ্ট্য দেখুৱাই লিখিছে এনে ধৰণে ঃ

(ক) প্ৰাথমিক মহাকাব্য

(১) ৰাজসভাত বা সম্ভ্ৰান্ত ডা-ডাঙৰীয়াৰ সভাত আবৃত্তি বা গোৱাৰ লগত ইয়াৰ উৎপত্তি আৰু বিকাশ জড়িত।

(২) চাৰণ বা ভ্ৰাম্যমান গায়কে প্ৰয়োজন অনুসাৰে তৎকালিক গীতপদ সংযোজনা (improvisation)

(৩) বৰ্ণনাৰ সৰলতা আৰু পোনপটীয়া প্ৰকাশ।

(৪) ঠাই বিশেষে বিষয়ান্তৰলৈ পৰিসৰ্পণ।

(৫) নিৰ্দিষ্ট খণ্ডবাক্য, পটন্তৰ, উপমা আদিৰ পুনঃপৌনিক ব্যৱহাৰ।

(৬) পুনৰুক্তি (repetition) আৰু স্থানবিশেষে আগতে কৰি অহা উক্তি বা বিবৃতিৰ বিৰোধী উক্তি।

(৭) কাহিনীৰ শিথিলবন্ধতা।

(৮) সৰুসৰা বা গৌণ বিষয়ৰ প্ৰতি বিশেষ মনোযোগ নিদিয়া প্ৰৱণতা।

(৯) আওপকীয়া বা বুদ্ধিদীপ্ত প্ৰকাশৰ পৰিবৰ্ত্তে পোনপটীয়া আবেদন।

(১০) বীৰৰসাত্মক, শক্তি, সন্মান, যশ আদিৰ প্ৰতি চৰিত্ৰৰ আকাংক্ষা।

(খ) দ্বৈবতীয়ক মহাকাব্য

(১) পঠনৰ উদ্দেশ্যে প্ৰধানকৈ ৰচিত।

(২) গঠনৰ দৃঢ়বন্ধতা আৰু কাৰ্যকাৰণভিত্তিক বিকাশ।

(৩) অলংকৃত প্ৰকাশৰীতি।

(৪) প্ৰকাশন-ভঙ্গি আৰু শব্দ বাছনিত সাৱধানতা।

(৫) কবিৰ পৰা বৰ্ণিত বিষয়ৰ বহু দূৰসময়ৰ ব্যৱধান।

(৬) বীৰভাৱৰ মাত্ৰাল্পতা।

(৭) আদৰ্শৰ কাৰণে বীৰসকলৰ যুদ্ধত অৱতীৰ্ণ।

(৮) প্ৰেমৰ প্ৰতি আকৰ্ষণ আৰু প্ৰেমৰ বিশেষ স্থান।

(৯) ৰোমাণ্টিক আৰু Chivalric ভাৱৰ প্ৰাধান্য।

(১০) হাস্যজনক ঘটনা আৰু পৰিৱেশৰ অভাৱ।

(১১) সাধাৰণতে গৌৰৱমণ্ডিত যুগৰ পাছতে এনে মহাকাব্য ৰচিত হয়।

(১২) ভাষা আৰু কল্পচিত্ৰ বিদগ্ধ আৰু জটিল।

(১৩) পাণ্ডিত্যপূৰ্ণ references & allusions.

ওপৰত যদিও দুয়োবিধ মহাকাব্যৰ প্ৰভেদসমূহ দেখুওৱা হৈছে এই সকলোবোৰ পাৰ্থক্য পানী-নসৰকা বুলি কব নোৱাৰি। উদাহৰণ স্বৰূপে বীৰৰসৰ প্ৰাধান্য, বিশেষকৈ বীৰসকলৰ যুদ্ধ জয়ৰ আকাঙ্ক্ষা, যশমান গৌৰৱৰ প্ৰতি হেপাঁহ দুয়োবিধ কাব্যতে লক্ষ্য কৰা যায়। সেইদৰে প্ৰাথমিক কাব্যৰ ক্ষেত্ৰত দেখুওৱা কাহিনীৰ শিথিলবন্ধতা দ্বৈতীয়ক কোনো কোনো কাব্যতো লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে 'জেৰুছালেমৰ মুক্তি' 'অৰ্লেণ্ড ফিউৰিঅ'ছ' আদি দ্বৈতীয়ক মহাকাব্যত যথেষ্ট বিক্ষিপ্ততা লক্ষ্য কৰা যায়। এইখিনিতে এটা কথা মনত ৰাখিব লাগিব যে উপৰ্যুক্ত সমালোচক দুগৰাকীয়ে পাশ্চাত্য মহাকাব্যৰ প্ৰতি লক্ষ্য ৰাখিহে বৈশিষ্ট্যসমূহ দাঙি ধৰিছে, ভাৰতীয় মহাকাব্যৰ প্ৰতি তেখেত-দুজনে দৃষ্টি ৰখা নাই। ভাৰতীয় সংস্কৃত, প্ৰাকৃত ভাষাত ৰচিত দ্বৈতীয়ক মহাকাব্যসমূহৰ ৰচনাবিধান কাব্যশাস্ত্ৰত নিৰ্দেশ কৰা আছে আৰু সেইমতে কৱিসকলে মহাকাব্য ৰচনা কৰি গৈছে। ভৰতকে প্ৰমুখ্য কৰি বিশ্বনাথলৈ কাব্যশাস্ত্ৰ (poetics) প্ৰণেতা-সকলে ৰামায়ণ আৰু মহাভাৰতক মহাকাব্য বুলি ধৰা নাই আৰু তেওঁলোকে মহাকাব্যৰ লক্ষণ বৰ্ণনা কৰোঁতে উক্ত গ্ৰন্থদুখনক আদৰ্শৰূপে গ্ৰহণ কৰা নাই। তাৰ বিপৰীতে পাশ্চাত্ত্য কাব্যশাস্ত্ৰৰ জনক এৰিষ্টটলে মহাকাব্যৰ সংজ্ঞা-লক্ষণ নিৰ্ণয় কৰোঁতে হোমাৰৰ কাব্য দুখনৰ প্ৰতি দৃষ্টি ৰাখিছে। গতিকে পাশ্চাত্ত্য মহাকাব্য আৰু ভাৰতীয় মহাকাব্যৰ লক্ষণ বহুক্ষেত্ৰত মিল থাকিলেও অমিলো নথকা নহয়। ভাৰতীয় মহাকাব্যত মূল কাহিনী বা বিষয়বস্তুৰ লগত সাধাৰণতে উপবস্তু (sub plot or subsidiary plot) সংযোগ কৰি দিয়া দেখা নাযায়। কিন্তু পাশ্চাত্ত্য দ্বৈতীয়ক মহাকাব্যত মূল কাহিনীৰ লগত সংশ্লিষ্ট এক বা একাধিক চৰিত্ৰৰ লগত প্ৰেম বা অন্য বিষয় সংক্ৰান্ত উপকাহিনী মূল কাহিনীৰ লগত জড়িত কৰি দিয়া দেখা যায়। ভাৰতীয় মহাকাব্য নায়ককেন্দ্ৰিক, আন হাতে পাশ্চাত্ত্য মহাকাব্যত

এজনক কেন্দ্ৰ কৰি আনবোৰ চৰিত্ৰ বিচৰণ নকৰে। 'জেৰুছালেম ডেলিভাৰ্ড", 'অৰ্লেণ্ড ফিউৰিঅ'ছ', 'ডিভাইন কমেডি' 'পেৰেডাইজ লষ্ট'ৰ, নায়ক কোন আমি সহজে কব নোৱাৰো অৱশ্যে 'ইনীড' দ্বৈতীয়ক কাব্য হ'লেও নায়কৰ প্ৰাধান্য অব্যাহত আছে। ভাৰতীয় মহাকাব্যত প্ৰাসংগিক বৰ্ণনাই যথেষ্ট স্থান অধিকাৰ কৰে আৰু কাব্যিক প্ৰতিভা আৰু পাণ্ডিত্য প্ৰদৰ্শনৰ প্ৰতি কৱিসকল অধিক সজাগ। উদাহৰণ স্বৰূপে নৈষধচৰিতৰ দশম সৰ্গৰ পৰা চতুৰ্দশ সৰ্গলৈকে পাঁচটা সৰ্গ দয়মন্তীৰ স্বয়ংবৰ দৃশ্য বৰ্ণনা কৰিছে। সেইদৰে মাঘৰ 'শিশুপাল বধ'ৰ চতুৰ্থ সৰ্গৰ পৰা একাদশ সৰ্গলৈকে আঠোটা সৰ্গ যাদৱসকলৰ ৰৈৱতক যাত্ৰা, ৰৈৱতকৰ প্ৰাকৃতিক সৌন্দৰ্য, যাদৱসকলৰ বিভিন্ন প্ৰকাৰ বিহাৰ, জলক্ৰীড়া, ঋতু সৌন্দৰ্য আদি বৰ্ণনা কৰিছে। ভাৰৱিৰ 'কিৰাতৰ্জুনীয়ম' মহাকাব্যো চতুৰ্থ সৰ্গৰ পৰা একাদশ সৰ্গলৈকে মূল কাহিনীক তল পেলাই প্ৰাসংগিক বৰ্ণনাই ঠাই লৈছে—অৰ্জুনৰ হিমালয় যাত্ৰা, পথৰ বিবিধ দৃশ্য, গ্ৰাম্যচিত্ৰ, হিমালয়ৰ বৰ্ণনা, গন্ধৰ্ব অপ্সৰাৰ বিৱৰণ, ৰাতিপুৱা সন্ধ্যাদিৰ বিবিধ বৰ্ণনা, প্ৰাকৃতিক শোভা, অৰ্জুনক তপস্যাৰ পৰা বিচলিত কৰিবলৈ ইন্দ্ৰ আৰু অপ্সৰাসকলৰ বৃথা চেষ্টা—এইবোৰ কবিত্বপূৰ্ণ প্ৰাসংগিক বৰ্ণনাই সৰ্গ ৮টাত প্ৰাধান্য লাভ কৰিছে। কিন্তু পাশ্চাত্ত্য মহাকাব্যত ঔপচাৰিক বৰ্ণনাতকৈ ক্ৰিয়াশীলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা যায়। 'জেৰুছালেম ডেলিভাৰ্ড' 'অৰ্লেণ্ড' ফিউৰিছিঅ'ছ আদি বেনেছাঁ যুগৰ কাব্যত কল্পনাৰ আতিশয্য লক্ষ্য কৰা যায় যদিও আৰু কাহিনী শাখা-প্ৰশাখাযুক্ত হ'লেও বৰ্ণনাবহুল, পাণ্ডিত্য প্ৰকাশক, শব্দব্ৰহ্মৰ মাহাত্মসূচক সৰ্গৰ পাছত সৰ্গ ৰচনা কৰাৰ প্ৰৱণতা পাশ্চাত্ত্য মহাকাব্যত দেখা নাযায়। নৈসৰ্গিক শোভাবৰ্ণনা নথকা নহয়, কিন্তু ঘটনাৰ বা কাহিনীৰ অন্তৰঙ্গ ৰূপে সংশ্লিষ্ট কৰি প্ৰকাশ কৰা দেখা যায়। আন এটা প্ৰভেদ হৈছে এৰিষ্টটোলৰ মতে

এটা বৃত্তত (ছন্দ) মহাকাব্যখন লিখিব লাগে, কিন্তু ভাৰতীয় নির্দেশ হৈছে সৰ্গান্তে ছন্দৰ পৰিৱৰ্ত্তন ঘটাব লাগে। ভাৰতীয় মহাকাব্য ৰচনাৰ আন এটা উল্লেখনীয় বিধান হৈছে যে মহাকাব্যত চতুৰ্বৰ্গ সাধনৰ আদৰ্শ আৰু প্ৰক্ৰিয়া থাকিব লাগে, কিন্তু পাশ্চাত্ত্য ৰচনাবিধানত তেনে কোনো স্পষ্ট ইঙ্গিত নাই যদিও মোক্ষৰ বাদে বাকী কেইটাৰ চৰিতাৰ্থ কাব্যত প্ৰতিফলিত কৰা দেখা যায়! ভাৰতীয় কাব্য-নাটক শোকান্তক (tragic) হব নালাগে কিন্তু পাশ্চাত্ত্য মহাকাব্য সুখান্তক দুখান্তক বা দুয়োৰে সংমিশ্ৰণান্তকো হ'ব পাৰে। মাঘৰ 'শিশুপালবধ' দেখাত tragedy যেন লাগিলেও শিশুপালৰ মৃত্যু প্ৰাসংগিকহে, ৰাজসূয়যজ্ঞহে আধিকাৰিক বিষয়। এৰিষ্টটোলে যেনেকৈ 'ইলিয়াড', 'ওডিছি'ক আগত ৰাখি মহাকাব্যৰ সংজ্ঞা নিৰ্ণয় কৰিছিল ভাৰতীয় আলংকাৰিকসকলে 'ৰামায়ণ', মহাভাৰত'ক বাদ দি অশ্বঘোষ, কালিদাস আদিৰ মহাকাব্য কেইখনৰ ভিত্তিতহে মহাকাব্যৰ সংজ্ঞা নিৰ্ণয় কৰা বুলি ধাৰণা হয়।

প্রথম অধ্যায়

গিলগামেছ

প্ৰথম অধ্যায়

গিলগামেছ

পশ্চিম এছিয়াৰ বৰ্ত্তমান ইৰাক, ছিৰিয়া, পেলেষ্টাইন, ইৰান আৰু লীবিয়া অঞ্চলত কেবা হেজাৰ শতাব্দীৰ আগতে উচ্চ সভ্যতা গঢ়ি উঠিছিল। দুখন প্ৰধান নৈ আৰু সৰু সৰু দুই চাৰিখন নৈৰ পানী আৰু পলসে এই অঞ্চলটো সাৰুৱা কৰিছিল, ফলত খেতি-বাতি ভাল হৈছিল, বেহাবেপাৰ সুচল কৰিছিল। প্ৰধান নদী দুখনৰ নাম ইউফ্ৰেটিছ আৰু টাইগ্ৰিছ। মিছৰ দেশত যেনেকৈ নীল নদীক কেন্দ্ৰ কৰি প্ৰাচীন পীৰামিডীয় সভ্যতা গঢ়ি উঠিছিল, সিন্ধু নদীৰ পাৰত যেনেকৈ মহেঞ্জদৰো-হৰপ্পাৰ নাগৰিক সভ্যতা গঢ়ি উঠিছিল, তেনেকৈ ইউফ্ৰেটিছ আৰু টাইগ্ৰিছ নদীৰ অৱবাহিকাত খ্ৰিষ্ট জন্মৰ তিনি হেজাৰ পাঁচ শ বছৰৰ আগতে অৰ্থাৎ এতিয়াৰ পৰা পাঁচ হাজাৰ বছৰৰ আগতে অন্ততঃ তিনিটা প্ৰাচীন সভ্যতাৰ বিকাশ ঘটিছিল। এই তিনিটা সভ্যতা সৃষ্টি কৰিছিল ছুমেৰিয়ান, বেবিলনিয়ান আৰু এছিৰিয়ানসকলে। এই তিনিটা জাতিয়ে খ্ৰিষ্টপূৰ্ব তিনি হাজাৰ পাঁচ শ বছৰ মানৰ পৰা খ্ৰিষ্টপূৰ্ব সপ্তম শতাব্দীমানলৈকে পশ্চিম এছিয়াৰ সাৰুৱা নদী উপত্যকাত একাদিক্ৰমে প্ৰভুত্ব বিস্তাৰ কৰিছিল। কিছু বছৰৰ আগলৈকে নদী দুখনে ঢৌৱাই থকা উপত্যকাটোক বোলা হৈছিল মেছ'পটেমিয়া, এতিয়া সেই ঠাইত কেবাখনো স্বতন্ত্ৰ ৰাজ্য গঢ়ি উঠাত সেই নাম লোপ পালে। এই মেছ'পটেমিয়াৰ উত্তৰ অঞ্চলক বোলা হৈছিল এছিৰিয়া আৰু দক্ষিণ অঞ্চল বেবিলনিয়া। এছিৰিয়াত অসুৰ বা এছিৰিয়ান সকলে প্ৰভুত্ব কৰিছিল। এছিৰিয়াৰ প্ৰধান নগৰ কেইখন আছিল নিনেভ, আচ্ছুৰ আৰু অৰ্বিলা। দক্ষিণত অৰ্থাৎ বেবিলনিয়াৰ প্ৰধান নগৰসমূহ আছিল বেবিলন, কিছ, ছিপাৰ, অক্কাদ, নিপ্পুৰ, লাগাছ, উৰ, এৰেখ ইত্যাদি। এই নগৰসমূহ বিভিন্ন সময়ত গঢ়ি উঠিছিল আৰু প্ৰসিদ্ধি লাভ কৰিছিল। এইবোৰৰ ভিতৰত উত্তৰৰ নিনেভ আৰু দক্ষিণৰ বেবিলন, নিপ্পুৰ আৰু উৰ বিশেষ প্ৰখ্যাত আছিল। ছুমেৰিয়ান বা ছুমেৰসকলেই প্ৰথম সভ্যতাৰ বাহক আছিল। সেই সভ্যতাকে পৰৱৰ্তী বেবিলনিয়ান আৰু এছিৰিয়ানসকলে কিছু পৰিবৰ্ত্তন কৰি আগুৱাই নিছিল। তেওঁলোকে বাণমুখী আখৰ পোৰামাটিৰ ফলকত লিখি অথবা শিলত সেই আখৰ কাটি বহুকথা লিপিবদ্ধ কৰি গৈছে। বোকা মাটিৰ ফলকত (tablets) বাণমুখী আখৰ লিখি সেই ফলকবোৰ ৰ'দত শুকুৱাই বা জুইত পুৰি টান আৰু স্থায়ী কৰিছিল। এনে ৰ'দত শুকুৱা বা জুইত পোৰা ফলক বহুতো উদ্ধাৰ হৈছে। এইবোৰৰ পৰাই মেছ'পটেমিয়া তথা প্ৰাচীন বেবিলনিয়া-

এছিৰিয়া আৰু ছুমেৰ সভ্যতা, সাহিত্য-সংস্কৃতিৰ বহুতো সম্ভেদ পোৱা সম্ভৱ হৈছে।

প্ৰাচীন বেবিলনিয়া আৰু এছিৰিয়া সাহিত্যৰ বহুখিনি নিদৰ্শন আৱিষ্কৃত হৈছে এছিৰিয়ান সম্ৰাট অসুৰবনিপালৰ (খ্ৰিঃ পূঃ ৬৬৮-৬৬২) নিনেভ নগৰত থকা গ্ৰন্থাগাৰ আংশিক ভাৱে উদ্ধাৰ হোৱাৰ ফলত। ইয়াত প্ৰাৰ্থনা, স্তোত্ৰ, শুভাশুভ বিচাৰ, চিকিৎসা আৰু জ্যোতিষ বিষয়ক অজস্ৰ লিপিফলক পোৱা গৈছে। এইবোৰৰ বাহিৰেও এখন মহাকাব্য বৰ্ণনা কৰা কিছুমান ফলক উদ্ধাৰ হৈছে। এই মহাকাব্যখনকে পৃথিবীৰ প্ৰাচীনতম মহাকাব্য বুলিব পাৰি। কাব্যখন গিলগামেছৰ কাহিনী ৰূপে পৰিচিত। এই মহাকাব্যখন বহুলাংশে উদ্ধাৰ হৈছে যদিও মাজে মাজে দুই-চাৰিখন ফলক নোপোৱাত বা নষ্ট পোৱাত কাহিনীটোৰ ঠায়ে ঠায়ে সুৰুঙা হৈ গৈছে। অসুৰবনিপালৰ ফলকসমূহত লিপিবদ্ধ হোৱা কাহিনীটো দৰাচলতে শেষ সংস্কৰণ বা পাঠহে বুলিব পাৰি। ইয়াৰ আগতে এই কাহিনীৰ কেবাটাও সংস্কৰণ ৰচিত হোৱাৰ প্ৰমাণ পোৱা যায়। খ্ৰিষ্টপূৰ্ব দুহেজাৰ বছৰ মানত লিপিবদ্ধ কৰা ছুমেৰীয় ভাষাত ৰচিত কাহিনীটোৰ কিছু অংশ থকা কেইখনমান ফলক উদ্ধাৰ হৈছে। এই কাহিনীটোৰ পাঁচটা অংশ আছে— (১) জীৱিতৰ ৰাজ্যত গিলগামেছ, (২) গিলগামেছ আৰু দেৱীপ্ৰেৰিত বৃষ, (৩) গিলগামেছ আৰু কিছৰ আগ্‌গা, (৪) গিলগামেছ এনকিদু আৰু প্ৰেতলোক, (৫) গিলগামেছৰ মৃত্যু। পৰৱৰ্তী এছিৰীয় সংস্কৰণত নং ৩ আৰু ৫ অংশ নাই। অষ্টাদশ খ্ৰিষ্টপূৰ্ব শতাব্দীত বেবিলনিয়াৰ ছিপাৰ নগৰৰ ধ্বংসাৱশেষত গিলগামেছৰ কাহিনীৰ কিছু অংশ থকা এখন ডাঙৰ ফলক পোৱা যায়। খ্ৰিষ্টপূৰ্বাব্দ চতুৰ্দশ শতাব্দীত হিট্টাইট আৰু অক্কাদীয় ভাষাত ৰচিত এই কাহিনীৰ কিছু অংশ থকা কেইখনমান ফলক আৱিষ্কৃত হৈছে। খ্ৰিষ্টপূৰ্ব দ্বাদশ শতাব্দীত ছিন-লেগ-উন্নীনি নামে এজন কবিয়ে এছিৰীয় কাহিনীৰ ভেটিত নতুন কাব্যখনৰ এটা ৰূপ ৰচনা কৰে। ইৰেখ, অস্সুৰ, ছু আদি প্ৰাচীন নগৰত গিলগামেছ কাব্যৰ ষষ্ঠ-সপ্তম খৃষ্টপূৰ্ব শতাব্দীত ৰচনা কৰা কিছু অংশ আৱিষ্কৃত হৈছে। এইদৰে দেখা যায় খৃষ্ট-পূৰ্ব দুহেজাৰ শতাব্দীত মহাকাব্যখনে প্ৰথম ৰূপ পায় আৰু তাৰ পাছৰ পোন্ধৰ শতাব্দীত এই কাব্যৰ ভালে কেইটা সংস্কৰণ টালি (খাপৰি) ফলকত লিপিবদ্ধ হয়। ছুমেৰীয়, বেবিলনীয়, এছিৰীয় আৰু অক্কাদীয় আদি জনগোষ্ঠী একে প্ৰজাতিৰ লোক নহ'লেও তেওঁলোক সভ্যতা-সংস্কৃতি আৰু ধৰ্মবিশ্বাসত প্ৰায় সমধৰ্মী আছিল। গিলগামেছ মহাকাব্যই ওপৰত উল্লেখ কৰা সকলো কেইটা জনগোষ্ঠীৰ বিশ্বাস আৰু আদৰ্শক প্ৰতিফলিত কৰে। মহাকাব্যখনৰ কাহিনীৰ এটি চমু বিৱৰণ তলত দাঙি ধৰা হ'ল।

কাহিনীৰ ৰূপৰেখা ঃ মহাকাব্যখন আৰম্ভ হৈছে অৰ্ধমানৱ আৰু অৰ্ধপশু এনকিদুৰ অসাধাৰণ শক্তি আৰু প্ৰতাপৰ বিৱৰণৰ যোগেদি। কাহিনীৰ সূচনা

হৈছে ইৰেখ নগৰৰ পটভূমিত। এন্‌কিদুৰ ভয়ত সন্ত্রস্ত ইৰেখনগৰবাসী। সি নগৰৰ উপকণ্ঠৰ বনত বাস কৰে। বনৰীয়া জন্তু এওঁৰ লগৰীয়া। আনফালে এৰেখ নগৰৰ ৰজা গিলগামেছ। এওঁ ৰজা লাগিলবান্দাৰ পুত্র বা আশ্রিত। ৰজাক বোলা হৈছিল ইশ্বাক। গিলগামেছো আছিল প্রবল পৰাক্রমী, শক্তিধৰ কিন্তু স্বেচ্ছাচাৰী। বনৰ সিংহকো তেওঁ শুদা হাতে বশ কৰিব পাৰিছিল। গিলগামেছৰ অত্যাচাৰত অতিষ্ঠ হৈ প্রজাসকলে দেৱীক পৰিত্রাণৰ কাৰণে প্রার্থনা কৰাত দেৱীয়ে এন্‌কিদুক গিলগামেছৰ প্রতিদ্বন্দ্বী ৰূপে পাঠালে। এন্‌কিদু হাবিত থকা কাৰণে তেওঁক এৰেখ নগৰলৈ অনাৰ ব্যৱস্থা কৰে এজন চিকাৰীয়ে। ৰামায়ণত যেনেকৈ বিভাণ্ডক ঋষিৰ পুত্র মুনিকুমাৰ ঋষ্যশৃঙ্গক সুন্দৰী নর্তকীয়ে শাৰীৰিক সৌন্দর্য আৰু নৃত্যগীতেৰে ভুলাই লোমপাদ ৰজাৰ ৰাজ্যলৈ আনি ৰাজ্যৰ অনাবৃষ্টি দূৰ কৰিছিল, তেনেকৈ চিকাৰী এজনেও এগৰাকী সুন্দৰী যুৱতীৰ সৌন্দর্যৰ প্রলোভন দেখুৱাই এন্‌কিদুক এৰেখ নগৰলৈ আকর্ষণ কৰি আনে। গিলগামেছৰ লগত এন্‌কিদুৰ সংঘর্ষৰ পৰিবর্তে স্থাপিত হ'ল আজীৱন বন্ধুত্ব। এন্‌কিদুৰ সুপ্রভাৱত গিলগামেছ হৈ পৰিল বিবেচক আৰু প্রজাহিতকাৰী ৰজা। দেৱতা শ্বামাছৰ উপদেশক্রমে এন্‌কিদুৱে গিলগামেছৰ লগত বন্ধুভাৱে নগৰতে বাস কৰিবলৈ ললে। তেওঁ কিন্তু নগৰতকৈ বনত থাকিহে ভাল পাইছিল।

কিছুদিন অতিবাহিত হোৱাৰ পাছত বেবিলনিয়াৰ পূৱ সীমান্তৰ এলাম প্রদেশৰ ৰজাই ইৰেখ নগৰ আক্রমণ কৰে, গিলগামেছ আৰু এন্‌কিদু লগলাগি সেই আক্রমণ প্রতিহত কৰে আৰু নগৰবাসীক বিদেশীৰ অত্যাচাৰৰ পৰা সুৰক্ষা দিয়ে।

গিলগামেছ যে কেৱল বাহুবলী, শকত-আৱত পুৰুষ আছিল এনে নহয়, তেওঁ দেখিবলৈকো সুপুৰুষ, ধুনীয়া, গঢ়ে-পিতে দেখনিয়াৰ লোক আছিল। বহুতো দৈত্যাকাৰ পুৰুষ আছে যাৰ শাৰীৰিক শক্তি অসীম, কিন্তু দেখাত ভয়লগা কদাকাৰ চেহেৰা তেওঁলোকৰ। গিলগামেছ তেনে নাছিল, অৱশ্যে তেওঁৰ বন্ধু এন্‌কিদুৰ ৰূপ ভয়লগা বিধৰ আছিল। গিলগামেছ যেন ৰামায়ণৰ ৰাম আৰু এন্‌কিদু হনুমান।

গিলগামেছৰ ৰূপ আৰু গুণত মোহ গ'ল দেৱী ইস্তাৰ। ইস্তাৰ আছিল সৌন্দর্য আৰু প্রেমৰ দেৱী। গ্রীকসকলে প্রেম আৰু সৌন্দর্যৰ দেৱীক বুলিছিল এফ্রোডাইট। এদিন গিলগামেছে অকলশৰে ৰাজ উদ্যানত ফুৰি ফুৰোঁতে ইস্তাৰ দেৱীয়ে গিলগামেছক দেখা দি কয়, "গিলগামেছ, মই তোমাৰ ৰূপ আৰু গুণত ভোল গৈছো। তুমি মোক পত্নী ৰূপে গ্রহণ কৰা। তাকে কৰিলে তোমাৰ সুখ-সম্পদ বৃদ্ধি পাব। স্বর্গ আৰু মর্ত্ত্যৰ দুয়ো প্রকাৰ সুখ উপভোগ কৰিবলৈ পাবা।"

R. C. Thomson : The Epic of Gilgamesh (1930)

N. K. Sanders : Gilgamesh (Pelican)

গিলগামেছ দেৱীৰ প্ৰণয় নিৱেদন শুনি বিনয় সুৰত উত্তৰ দিলে, "আপোনাৰ অনুগ্ৰহৰ কাৰণে মই অশেষ কৃতজ্ঞ, কিন্তু দেৱী, দেৱতা আৰু মানুহৰ মাজত স্থায়ী প্ৰেম হ'ব নোৱাৰে। আপুনি কোন মুহূৰ্ত্তত মোৰ প্ৰতি অসন্তুষ্ট হৈ স্বৰ্গলৈ গুচি যায় তাৰ ঠিক নাই। ইতিপূৰ্বে বহুজনক স্বামী বৰণ কৰি পৰিত্যাগ কৰিছে। মোক ক্ষমা কৰিব, মই আপোনাৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিম।" গিলগামেছৰ উত্তৰ শুনি দেৱী ইস্তাৰ খঙত অধীৰ হৈ পোতক লবলৈ প্ৰতিজ্ঞা কৰি তৎক্ষণাত অন্তৰ্ধান হ'ল। পোন-চাতেই গৈ বাপেক আনু দেৱতাৰে ওচৰত উপস্থিত হ'ল আৰু গিলগামেছৰ দ্বাৰা অপমানিত হোৱাৰ কথা কৈ গিলগামেছক বধ কৰিব পৰা এটা প্ৰাণী সৃষ্টি কৰিবলৈ জেউৰ ধৰে। দেৱতা আনুৱে গিলগামেছৰ দৰে সৎপুৰুষক অন্যায় কৰিব নোখোজাত ইস্তাৰে নেৰোকপানি হৈ লাগে। উপায় নাপাই এটা ভয়াৱহ আৰু খঙাল ষাড়গৰু স্ৰজন কৰি নগৰলৈ পঠাই দিয়ে।

ষাড়গৰুটোৱে এৰেখত (উৰুকত) সন্ত্ৰাসৰ সৃষ্টি কৰাত গিলগামেছ আৰু এনকিদু লগলাগি দেৱতাপ্ৰেৰিত ষাড়টো বধ কৰে। কোনো সংস্কৰণত গিলগামেছে নিজেই বধ কৰা বুলি বৰ্ণনা কৰিছে। এইবাৰ দেৱীয়ে নিজেই গিলগামেছক দেখা দি কলে "তুমি যি শৰীৰৰ শক্তি আৰু সৌন্দৰ্যক লৈ গৰ্ব কৰি মোক প্ৰত্যাখ্যান কৰিলা, তোমাৰ সেই শৰীৰ কদাকাৰ আৰু বীভৎস হ'ব। তোমাক দেখিলে মানুহ আঁতৰি পলাব।" এই বুলি অভিশাপ দি ইস্তাৰ নোহোৱা হ'ল। এনকিদুৱে দেৱীক বধ কৰিব বুলি ভয় খুৱালে, ফলত তেওঁ নিজেও অভিশপ্ত হ'ল। অভিশপ্ত এনকিদু সৰহ দিন জীয়াই নাথাকিল, তেওঁ মৃত্যু মুখত পৰিল।

গিলগামেছ এতিয়া অকলশৰীয়া, বন্ধু এনকিদুৰেও তেওঁক এৰি সিপুৰীলৈ যাত্ৰা কৰিলে। গিলগামেছে মৃত্যুৰ ক্ষণ গণি তেওঁৰ পূৰ্বপুৰুষ উৎনাপিশ্তিমৰ সন্ধানত (কোনো সংস্কৰণত নাপিশ্তিম) অনিৰ্দিষ্ট যাত্ৰা আৰম্ভ কৰে। ৰাজপ্ৰাসাদ এৰি তেওঁ গভীৰ অৰণ্যত প্ৰৱেশ কৰে। বনৰীয়া জন্তু, নানা ভয়াৱহ প্ৰাণীৰে ভৰা, ভৰ দুপৰতো সূৰ্যৰ পোহৰ নপৰা গভীৰ অৰণ্যৰ মাজেদি গিলগামেছ আগবাঢ়ি গৈ থাকে। উদ্দেশ্য পূৰ্বপুৰুষ উৎনাপিশ্তিমৰ সহায়ত মৃতসঞ্জীৱনীৰ সন্ধান লাভ। পথ অতি দুৰ্গম, পদে পদে মৃত্যুৰ আশংকা। গিলগামেছে সাহায্য বিচাৰি চন্দ্ৰ দেৱতাক (সিন বা নন্না দেৱতা) প্ৰাৰ্থনা কৰে। চন্দ্ৰদেৱতাই কৃপা কৰি তেওঁক সূৰ্য অস্ত যোৱাৰ পৰ্বত অতিক্ৰম কৰাত সহায় কৰে। পৃথিৱীৰ শেষ সীমা পাৰ হৈ স্বৰ্গক সংযোগ কৰা বাৰ মাইল দীঘল সুৰঙ্গ পাহাৰৰ মুখত তেওঁ উপস্থিত হয়গৈ। সুৰঙ্গ পাহাৰৰ দুৱাৰমুখ বিছাৰ আকৃতিৰ, কিন্তু মুখখন মানুহৰ দৰে এহাল দানৱ-দানৱীয়ে ৰক্ষা কৰে। কিন্তু আচৰিত কথা পহৰাদাৰ বিছা-দানৱ-দানৱীয়ে গিলগামেছক বাধা নিদিলে। গিলগামেছ অতি কষ্টে অন্ধকাৰ সুৰঙ্গ পথেদি বাৰ মাইল অতিক্ৰম কৰি মৃত্যু সাগৰৰ তীৰত উপস্থিত হ'ল।

অকূল সাগৰ, ঢৌৰ ওপৰেদি ঢৌ বাগৰি সাগৰ হেন্দূলি আছে। দেৱী সবিতুৰ (কোনো পাঠত সিদুৰী বোলা হৈছে, তেওঁ সুৰাৰ দেৱী) দেৱীক স্তুতি-নতি কৰি সন্তুষ্ট কৰে। দেৱীয়ে গিলগামেছক মৃত্যু সাগৰ পাৰ হবলৈ সহায় কৰে। দেবীয়ে উৰ্‌শ্বনবি (কোনো সংস্কৰণত নাম আৰবেল), নামে নাৱৰীয়াক গিলগামেছক পাৰ কৰাই দিবলৈ আদেশ দিয়ে। দেৱীৰ আদেশত এখন ক'লা ৰঙৰ নাও লৈ আপাদমস্তক ক'লা কাপোৰেৰে গা ঢকা নাৱৰীয়াই ৰজাক নাৱত তুলি ললে। সাগৰৰ মাজত এটা সুন্দৰ দ্বীপ (কোনো পাঠত নদীৰ মোহনাত) য'ত বাস কৰিছিল গিলগামেছৰ আদিম পুৰুষ উংনাপিষ্টিম আৰু তেওঁৰ পত্নী। সেই সোণালী দ্বীপৰ তীৰত নাও চপাই দিয়াৰ লগে লগে এজন দীৰ্ঘকায়, বহুমূলীয়া পোছাক পিন্ধি থকা সুপুৰুষক নাৱৰ ফালে আগুৱাই অহা গিলগামেছে দেখা পালে। তেওঁ গিলগামেছক এটা ফটিক যেন পানীৰ জুৰিত গা ধুবলৈ দেখুৱাই দিয়ে। গা ধুই নতুন পোছাক পিন্ধি ৰজা গিলগামেছে আদিম পুৰুষক মৃতসঞ্জীৱনীৰ কথা সোধে। নাপিষ্টিমে সান্ত্বনা দি কয় যে মানুহৰ জন্মৰ লগে লগে মৃত্যু লগতে লাগিয়ে আছে, কোনেও মৰণৰ হাত সাৰিব নোৱাৰে। গতিকে মৰণক বাধা দিয় পৰা মৃতসঞ্জীৱনী আছে বুলি তেওঁ নাভাবে আৰু তাৰ সন্ধানো দিব নোৱাৰে। কিন্তু পিতৃপুৰুষে অলৌকিক শক্তিসম্পন্ন এজোপা সৰু গছ দিলে যাৰ স্পৰ্শত মানুহৰ হেৰোৱা ৰূপ, যৌৱন, আৰু শ্ৰী ঘূৰাই পায়। সেই গছৰ পৰশত গিলগামেছৰ কদাকাৰ ৰূপ নোহোৱা হ'ল। তেওঁ ৰোগমুক্ত হ'ল আৰু আগতকৈয়ো অধিক ৰূপহ ডেকাটি যেন হৈ পৰিল। সেই যাদুকৰী গছডাল লৈ গিলগামেছ পৃথিবীলৈ উভতি আহিবলৈ সাজু হ'ল আগৰদৰে ক'লা পোছাক পিন্ধা নাৱৰীয়াই ৰজাক মৃত্যু সাগৰ পাৰ কৰি দিলে। পৃথিবীৰ সীমান্তত গিলগামেছে ভাবি দিলে। মনত অপাৰ আনন্দ, পৃথিবীৰ পৰা জৰা-বাৰ্দ্ধক্য আঁতৰ কৰিব পাৰিব। কিছুদূৰ আগবাঢ়ি সুৰঙ্গ পৰ্বত পাৰ হ'ল। সুৰঙ্গ পথৰ পহৰাদাৰ বিছা-মানৱ আকৃতিৰ দৈত্যক লগ পায়। পহৰাদাৰে পথ এৰি দি গিলগামেছক মৃত্যুৰ দেশৰ পৰা সফলকাম হৈ অহাৰ কাৰণে অভিনন্দন জনায়। কিন্তু গিলগামেছৰ অপাৰ আশা আকস্মিক ভাবে নিৰাশাত পৰিণত হ'ল। পথৰ ভাগৰত গিলগামেছে সেই অলৌকিক ক্ষমতাসম্পন্ন সৰু গছ-জোপা মাটিত নমাই থৈ পানী খাবলৈ বুলি জুৰি এটাত নামোতেই আকস্মিক ভাবে এটা সিংহ আহি গছজোপা লৈ হাবিত অন্তৰ্ধান হয়। দৰাচলতে এইটো আছিল সিংহৰূপী এটা দানৱ। গিলগামেছে সমস্ত হাবি-বন চলাথ কৰিও সিংহটোৰ কোনো সন্ধান নাপাই বিষাদ মনে ইৰেখ ৰাজ্যলৈ উভতি আহে। প্ৰজাসকলে আগতকৈয়ো ধুনীয়া হৈ অহা ৰজাক বিপুল সম্বৰ্দ্ধনা জনায়। তেওঁ আকৌ ৰাজ্য শাসন কৰিবলৈ লয়। ইস্তাৰ দেৱীৰ ওচৰত ক্ষমা খুজি তেওঁৰ পূজা প্ৰৱৰ্ত্তন কৰে। দেৱীয়েও ক্ষমা কৰে।

জীৱনৰ বাকী ছোৱা কাল গিলগামেছে অকলশৰে কটায়। এই কালছোৱাত তেওঁৰ বন্ধু এন্‌কিদুৰ সান্নিধ্যৰ অভাৱ বৰকৈ অনুভৱ কৰে। এন্‌কিদুক ঘূৰাই পাবলৈ দেৱতাসকলক প্ৰাৰ্থনা জনায়। তেওঁৰ আকুল প্ৰাৰ্থনাত নগৰ দেৱতা সন্তুষ্ট হৈ এন্‌কিদুৰ প্ৰেতাত্মাক গিলগামেছৰ কাষলৈ পঠাই দিয়ে। এন্‌কিদুৰ আত্মাৰ সঙ্গ পাই গিলগামেছৰ নিঃসঙ্গতা কিছু আঁতৰ হ'ল। তেওঁ এন্‌কিদুক পৰলোকৰ কথা অৰ্থাৎ মৃত্যুৰ পাছৰ জীৱনৰ কথা সুবিধলৈ ধৰে। এন্‌কিদুৱে প্ৰথমতে পৰলোকৰ কথা কবলৈ ইচ্ছা নকৰিছিল, কাৰণ সেইবোৰ কথা শুনি জীয়াই থকা সকলৰ কোনো লাভ নহয় বৰং দুখহে পাবলৈ আছে। কিন্তু গিলগামেছৰ নেৰানেপেৰা অনুৰোধ এৰাব নোৱাৰি এন্‌কিদুৱে কবলৈ ৰাজী হ'ল। এন্‌কিদুৱে কি কলে সেই বিষয়ে জানিবৰ উপায় নাই. কাৰণ পৰৱৰ্ত্তী অংশ আৱিষ্কৃত হোৱা নাই। যি বাৰখন বৃহৎ ফলকত গিলগামেছৰ কাহিনীটো লিপিবন্ধ আছে তাত কাহিনীৰ উপৰিও সৃষ্টিপাতন আৰু প্ৰলয়ৰ কাহিনীও বৰ্ণনা কৰা আছে। একাদশ ফলকত এই প্ৰলয়জলৰ বা প্ৰলয়ংকৰ বানপানীৰ উল্লেখ আছে। এই প্ৰলয়ৰ বানপানীৰ কথা আদিপুৰুষ নাপিষ্টিমে গিলগামেছক কৈছিল। জ্ঞানৰ দেৱতা ইয়াই নাপিষ্টিমক প্ৰলয়ৰ বানপানীৰ জাননী দি সকলো প্ৰাণী আৰু শস্যৰ বীজ সংৰক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। সেই মতে নাপিষ্টিমে এখন প্ৰকাণ্ড জাহাজ তৈয়াৰ কৰি সকলো প্ৰাণী আৰু গছলতাৰ বীজসহ জাহাজত আশ্ৰয় লোৱাৰ লগে লগে প্ৰলয়গৰ্জনেৰে ধুমুহা বৰষুণ হবলৈ ধৰে। ধাৰাসাৰে সাতদিন সাতৰাতি অবিৰাম মুষলধাৰে বাৰিপাতৰ ফলত সমস্ত জগত পানীত ডুব গ'ল, মৰা জীৱজন্তু আৰু গাছ-গছনিৰে প্ৰলয়জল ভৰি পৰিল। দেৱতাসকলেও পৃথিবী এৰি স্বৰ্গত আশ্ৰয় ললে। নাপিষ্টিমে সাত দিন জাহাজত উটি-ভাহি ফুৰি পানী কমা যেন দেখি ক'ৰবাত মাটি ওলাইছেনে চাবলৈ কপৌ চৰাইকে আদি কেবাটাও চৰাই এৰি দিলে। সকলো কেইটা উভতি আহিল, থল বিচাৰি নাপাই। শেষত বাদুলি এটা এৰি দিলে, এই বাৰ কিন্তু বাদুলি উভতি নাহিল। নাপিষ্টিমে অদূৰত স্থলভাগ ওলাইছে বুলি অনুমান কৰিলে। অৱশেষত এটা পৰ্বতৰ চূড়া ওলোৱা দেখা পাই তাতে জাহাজ বান্ধি দেৱতাৰ উদ্দেশ্যে সুৰা উছৰ্গা কৰে। দেৱতা সন্তুষ্ট হৈ নাপিষ্টিমক আশীৰ্বাদ দিলে। এই জলপ্লাৱনৰ লগত বাইবেল শাস্ত্ৰত বৰ্ণনা কৰা জলপ্লাবন আৰু নোৱাৰ দ্বাৰা সকলো প্ৰাণী আৰু শস্যৰ বীজ নাৱত সংৰক্ষণ কৰা কথাৰ মিল দেখা যায়।

গিলগামেছৰ কাব্যত সৃষ্টি কাহিনীৰ কথাও পোৱা যায়। এই কাহিনীৰ মতে সৃষ্টিৰ আদিতে কেৱল পানীয়েই আছিল। পানীৰ শান্ত অৱস্থাৰ দেৱতা আপসু আৰু অশান্ত অৱস্থাৰ দেৱতা হ'ল টিয়ামৎ। দেৱৰাজ মাৰ্দুকে টিয়ামতক পৰাজয় কৰি অশান্ত জলৰাশীক শান্ত কৰি সৃষ্টিৰ পাতনি মেলে। জলৰাশীক

ভেদ কৰি স্থলভাগে দেখা দিয়ে। গিলগামেছ কাব্যৰ কিছু বিশ্বাসৰ লগত ঋকবেদ আৰু বাইবেলৰ বিশ্বাসৰ সাদৃশ্য দেখা যায়। সম্ভৱতঃ ছুমেৰিয়ান-এছিৰিয়ান বিশ্বাসেই প্ৰাচীনতম, আৰু ইয়ে পৰৱৰ্ত্তী ভাৰতীয় আৰু ইহুদি বিশ্বাসত প্ৰভাৱ পেলায়। ভাৰতীয় পুৰাণসমূহত উল্লিখিত 'অসুৰ' জাতিৰ আদি মূল এছিৰিয়ান 'অসুৰ' শব্দই। জৰথুস্ত্ৰ বা পাৰ্চী সম্প্ৰদায়ৰ ধৰ্মগ্ৰন্থ আবেস্তা গ্ৰন্থত 'অসুৰ' বা 'অহুৰ' শব্দই সদ্‌গুণ সম্পন্ন দেৱতাক বুজায়। এওঁলোকেও আদিতে ইৰান-ইৰাক অঞ্চলতে বাস কৰিছিল।

গিলগামেছৰ কাহিনীত মানুহতকৈ দেৱতাৰ প্ৰাধান্য বেছি। গিলগামেছ যদিও মানৱ তথাপি তেওঁৰ ঘটনাৱলী আলৌকিক দেৱমাহাত্ম্যৰে ভৰা। সভ্যতাৰ বুৰঞ্জীত যিমানেই উজাই যোৱা যায় সিমানেই দেখা যায় যে আদি অৱস্থাত মানুহ অত্যন্ত দেৱনিৰ্ভৰশীল আছিল আৰু প্ৰকৃতিৰ বিভিন্ন পদাৰ্থ বা সত্তাত একোজন অলৌকিক দেৱক প্ৰতিষ্ঠা কৰি মানুহক তেওঁলোকৰ অনুগ্ৰহপ্ৰাৰ্থীৰূপে প্ৰদৰ্শিত কৰিছে। কিন্তু সভ্যতা যিমানেই আগুৱাই আহে সিমানেই মানুহৰ আত্মনিৰ্ভৰশীলতা বাঢ়ি আহে আৰু দেৱদেৱীও ক্ৰমে পটভূমিলৈ আঁতৰি যায়। এই কাৰণেই মধ্যযুগৰ কাব্য বা মহাকাব্যত দেৱতাতকৈ মানুহক অধিক প্ৰাধান্য দিয়া দেখা যায়। 'বেওৱাল্ফ', 'নিবেলুঙ্গেন্‌লিয়েট' আদি কাব্যত সেই কাৰণেই দেৱতাতকৈ মানুহে অধিক আকৰ্ষণ লাভ কৰিছে।

গিলগামেছ উৰুক চহৰৰ (বাইবেলৰ এৰেখ) ৰজা আছিল। তেওঁ আছিল সাহসী যোদ্ধা, সৌষ্ঠৱশীল যুৱক যাৰ সমকক্ষ বীৰ অথবা পত্নী হবৰ উপযুক্তা সৌন্দৰ্যৱতী যুৱতী সমস্ত সুমেৰ ৰাজ্যত নাছিল, কিন্তু যৌৱনৰ প্ৰাৰম্ভত তেওঁ আছিল অত্যাচাৰী। উৰুক ৰাজ্যৰ প্ৰজাই তেওঁৰ অত্যাচাৰত থাকিব নোৱাৰি দেৱতাক প্ৰাৰ্থনা কৰাত আনু দেৱতাই সৃষ্টিকৰ্ত্তী অৰুৰুক গিলগামেছৰ উপযুক্ত প্ৰতিযোদ্ধা সৃষ্টি কৰিবলৈ কোৱাত সেই মতে আৰুৰুকে দেৱতাৰ গুণ, দৈহিক বল আৰু সৌন্দৰ্য দান কৰি কিন্তু মৃত্যুৰ বশগত এন্‌কিদু নামে এজন বনবাসী, নাগৰিক সমাজৰ আওভাও নজনা, মানৱ সৃষ্টি কৰে। বনৰ পশুপক্ষীৰ লগত তেওঁ বিচৰণ কৰিছিল আৰু অৰণ্যৰ ফলমূল বনপাত খাই জীৱন ধাৰণ কৰিছিল।

উজ্জ্বল শ্বামাছ, স্বৰ্গৰ দেৱতা আনু, পৃথিবীৰ দেৱতা এনলিল আৰু ইআই এন্‌কিদুক জ্ঞান আৰু শক্তিদান কৰে। গিলগামেছৰ মাতৃ, দেৱী নিনসুনে পুতেকক এন্‌কিদুৰ সাহস, শক্তি, জ্ঞান আৰু দৃঢ় বন্ধুত্বৰ কথা কৈ বন্ধুভাবে সাদৰি লবলৈ কয়। কিন্তু বন্ধুত্ব স্থাপন হোৱাৰ আগতে এন্‌কিদুৰ লগত এখন্দা যুঁজি শক্তিৰ পৰীক্ষা লৈ গাঢ় বন্ধুত্বত আবদ্ধ হয়। এই বন্ধুত্ব আমৰণ-কাল স্থায়ী হয়।

কাব্যখনৰ অন্যতম প্ৰধান ঘটনা হৈছে উৰুক (এৰেখ) চহৰৰ বহু উত্তৰ-পশ্চিমত অৱস্থিত চেদাৰ (*Cedar*) অৰণ্যত দুই বন্ধুৰ ভ্ৰমণ, উৰুক চহৰ নতুনকৈ

নিৰ্মাণ কৰিবলৈ চেদাৰ কাঠ আহৰণ আৰু সেই প্ৰসংগত অৰণ্যৰ ৰক্ষক হুমবাবা নামৰ দৈত্যৰ লগত সংঘৰ্ষ, হুমবাবাৰ পৰাজয় আৰু জীৱন ৰক্ষাৰ্থে প্ৰাৰ্থনা আৰু শেষত এনকিদুৰ পৰামৰ্শমতে দৈত্যবধ। এই প্ৰসংগত সূৰ্য দেৱতা শ্বামাছৰ সহায় উল্লেখযোগ্য। চেদাৰবন ভয়াৱহ, বিস্তীৰ্ণ, ভয়ংকৰ জীৱজন্তুৰে পৰিকীৰ্ণ আৰু দৈত্যকায় হুমবাবাৰ দ্বাৰা পৰিৰক্ষিত। এই কাৰণে উৰুকৰ প্ৰজাসমূহে আৰু মন্ত্ৰীমণ্ডলে বাধা দান কৰাত মাক নিনসুনে সূৰ্যদেৱতা শ্বামাছক প্ৰাৰ্থনা জনোৱাত দেৱতাই সহায় কৰিবলৈ আশ্বাস দিয়ে। এনকিদুৱে চেদাৰ বনলৈ পথ দেখুৱাই গিলগামেছক লৈ যায়। হুমবাবাৰ লগত যুদ্ধত এনকিদুৱে সমান দক্ষতাৰে দানৱক বধ কৰাত গিলগামেছক সহায় কৰে। এই কাৰ্যত হুমবাবাৰ ৰক্ষক দেবতা এনলিল বিতুষ্ট হয়। এনকিদুৰ ওপৰত তেওঁ পাছত প্ৰতিশোধ লয়।

দেৱসৃষ্ট ষাড়গৰুক বধ কৰাৰ পাছত এনকিদুৱে মৃত্যুসূচক ভয়াৱহ স্বপ্ন দেখা পায়। তাৰ পাছতে বেমাৰত পৰি তেওঁৰ মৃত্যু হয়। মৃত্যুৰ আগে আগে তেওঁক প্ৰকৃতিৰ নিৰ্জন-সৰল জীৱনৰ পৰা সভ্য সমাজলৈ ফুচুলাই অনা চিকাৰীটোক আৰু গণিকাজনীক অভিশাপ দিয়ে যদিও দেৱতাৰ মধ্যস্থতাত অভিশাপ প্ৰত্যাহাৰ কৰে। অকৃত্ৰিম অন্তৰঙ্গ বন্ধু এনকিদুৰ মৃত্যুত গিলগামেছ শোকত অধীৰ হৈ পৰে। তেওঁৰ শোক প্ৰকাশৰ নমুনা তলত অনূদিত ৰূপত উদ্ধৃত কৰা হ'ল।

উৰুকবাসী শুনা, কাণপাতি শুনা,
বন্ধু এনকিদুৰ বিয়োগত মই কান্দিছো।
শোকত বিহ্বল হোৱা নাৰীৰ দৰে মই কান্দিছো,
মোৰ ভাই এনকিদু !
তুমি মোৰ হাতৰ কুঠাৰ, মোৰ শক্তি,
মোৰ ক'কালত খুচি থোৱা তৰোৱাল,
মোক ৰক্ষা কৰা ঢাল, উজ্জ্বল পৰিচ্ছদ,
আৰু মোৰ হৃদয়ৰ সৰ্বোত্তম অলংকাৰ।
দুষ্টা নিয়তিয়ে তোমাক কাঢ়ি নিলে।
বনৰীয়া গাধ, সৰল হৰিণ আৰু
যিবোৰ জন্তুৱে তোমাক পোষণ কৰিছিল
সেই সকলোৱে তোমাৰ কাৰণে কান্দিছে।
চেদাৰ বনত বিচৰণ কৰা অৰণ্যপথে
দিনে ৰাতিয়ে শোকৰ গুঞ্জন তুলিছে।
দৃঢ় প্ৰাচীৰযুক্ত উৰুক নগৰবাসীয়ে
তোমাৰ কাৰণে শোকৰ বিলাপ তুলি
চিৰশান্তিৰ নিমিত্তে প্ৰাৰ্থনা জনাওক।

এনকিদু, ভাই মোৰ, তুমি শুনি যোৱা—
পুত্ৰহাৰা মাতৃৰ শোকৰ প্ৰতিধ্বনিৰ দৰে
সমস্ত দেশ আজি মুখৰিত।
আমি বিচৰণ কৰা অৰণ্য পথ
আমি খোজকাঢ়ি ফুৰা নদীৰ পাৰ,
আমি চিকাৰ কৰা বন্য পশুপক্ষী,
এই সকলোবোৰ তোমাৰ নিমিত্তে সন্তপ্ত।
প্ৰিয় ইউফ্ৰেটিছ আৰু উলা নদী
যাৰ জলধাৰা আমি পান কৰিছিলো,
সেই নদী আজি শোকত উত্তাল।
আমি আৰোহণ কৰা পৰ্বতমালা,
দৃঢ়প্ৰাচীৰ উৰুকৰ যোদ্ধাসকল
এৰিদু-নগৰবাসীসকল,
তোমাৰ বিয়োগত শোকসন্তপ্ত।
যিসকলে তোমাক আহাৰ যোগাইছিল
যিসকলে তোমাৰ শৰীৰ মালিচ কৰিছিল
যিসকলে তোমাক সুৰা বাকি দিছিল
যিসকল গণিকাই তোমাক সুবাসিত কৰিছিল,
প্ৰাসাদৰ যি সকল নাৰীয়ে তোমাক পত্নী বাছি দিছিল
আৰু শুভ পৰামৰ্শৰে তোমাক উৎসাহ দিছিল,
তোমাৰ ভাই স্বৰূপ নগৰৰ যুৱকসকলে
মুক্তকেশে বেজাৰত ঘূৰি ফুৰিছে।
এই সকলোৱে তোমাৰ নিমিত্তে চকুলো টুকিছে,
ই কেনে নিদ্ৰা যি তোমাক এৰা নিদিয়ে ?
তুমি অন্ধকাৰত হেৰাই গৈছা
মোৰ কথা, মোৰ শোকৰ ধ্বনি,
তোমাৰ কাণত পৰা নাইনে ?

এই শোকৰ বৰ্ণনাত আন্তৰিক, গভীৰ বেদনাবোধ আৰু বন্ধুপ্ৰীতি প্ৰকাশ পাইছে। 'ইলিয়াড'ৰ একিলিছ আৰু পেট্ৰক্লাছৰ বন্ধুত্বৰ ই যেন পূৰ্ব নিদৰ্শন।

'গিলগামেছ' কাব্যত মহাপ্ৰলয়ৰ উল্লেখ পোৱা যায়। উৎনাপিশ্‌তিমে মৃত্যু ৰহস্যভেদ কৰিবলৈ যোৱা গিলগামেছক এই প্ৰলয়ৰ বিৱৰণ দিছে। দেৱতাৰ ক্ৰোধৰ ফলত সৃষ্টিত প্ৰলয়ৰ বান হয়। ইআ দেৱতাই স্বপ্নত উৎনাপিশ্‌তিমক পূৰ্বসূচনা দি প্ৰলয়ৰ বানৰ পৰা ৰক্ষা পাবলৈ এখন বিৰাট নাও নিৰ্মাণ কৰি তাত সকলো জীৱজন্তু-গছলতাৰ সঁচ ৰাখি আত্মৰক্ষাৰ্থে সাজু হৈ থাকিবলৈ নিৰ্দেশ

দিয়ে। প্ৰলয়ৰ অহাৰ লগে লগে উৎনাপিশতিমে নাও এৰি দিয়ে আৰু নাও উটি গৈ পৰ্বতৰ টিঙত লাগি ধৰে। দেৱতাসকলৰ উদ্দেশ্যে তেওঁ ধূপ-ধূনা জ্বলাই, বলিবিধান দি সুৰাৰে তেওঁলোকক তৰ্পণ কৰে। তেওঁৰ কাৰ্যত দেৱতাসকল সন্তুষ্ট হৈ প্ৰলয়কাৰী দেৱতা এনলিলক ভৎসনা কৰাত উক্ত দেৱতাই উৎনাপিশতিম আৰু তেওঁৰ পত্নীক সৃষ্টিৰ বীজ ৰক্ষা কৰা কাৰণে ধন্যবাদ দি দুয়োকে অমৰত্ব দান কৰে। এই প্ৰলয়ৰ কাহিনী আমি সামান্য বেলেগ ৰূপত Old Testament-ৰ নোৱাৰ কাহিনীত দেখা পাওঁ।

গিলগামেছৰ মৃত্যুৰহস্যভেদৰ ব্যৰ্থ প্ৰয়াসত দেৱতাৰ শ্ৰেষ্ঠতা প্ৰদৰ্শিত হৈছে। গিলগামেছৰ চৰিত্ৰই মানৱৰ বীৰত্ব আৰু মহত্ত্বৰ যেন চানেকি দাঙি ধৰিছে। দেৱী ইষ্টাৰৰ প্ৰণয়-যাচ্ঞা তেওঁ সবল-সাহসী যুক্তিৰে প্ৰত্যাখ্যান কৰি নিজৰ বিপদ চপাই লৈছে যদিও তাৰ যোগেদি তেওঁৰ চাৰিত্ৰিক দৃঢ়তাও প্ৰকাশ পাইছে। সুৰাৰ দেবী সিদুৰীয়ে মৰণশীল জীৱনত যি পোৱা যায় তাকে গ্ৰহণ কৰি সন্তুষ্ট থাকিবলৈ উপদেশ দিছিল যদিও গিলগামেছে অমৰত্ব সন্ধানৰ দৃঢ় আদৰ্শৰ পৰা বিচ্যুত হোৱা নাই। দেৱতাৰ অনুগ্ৰহত অমৰত্ব লাভ কৰা উত্নাপিস্তিমে দেৱতাৰ অনুগ্ৰহক প্ৰাধান্য দি গিলগামেছক দেৱতাৰ অনুগ্ৰহ লাভ কৰিবলৈ উপদেশ দি দেৱ মহিমাকে ঘোষণা কৰিছে। অমৰত্ব অন্বেষণত বিফল হৈ প্ৰয়াত বন্ধু এনকিদুক স্মৰণ কৰোতে বন্ধুৰ প্ৰেতাত্মাই স্বপনত দেখা দি এইদৰে কৈছিল।

"He who dies in war, hast thou seen him ?
I have seen him.
His mother and father lift his head, his wife is bowed over him.
He whose body lies in the desert, hast thou seen him ?
I have seen him.
His spirit does not rest in the earth in peace,
He whose ghost has none to tend him, has thou seen him ?
I have seen him.
He drinks the lees from cups and eats crumbs thrown on the street."

কিন্তু এই নিৰাশা আৰু বিফলতাৰ মাজতে মানুহৰ গৌৰৱ, প্ৰতিকূল শক্তিক প্ৰত্যাহ্বান কৰিব পৰা ক্ষমতাত; নিয়তিৰ বিৰুদ্ধে কৰা বিফল কিন্তু পৌৰুষপূৰ্ণ যুদ্ধত মানৱৰ মহত্ত্ব। গিলগামেছ এনে এজন মহৎ মানৱ।

ওপৰাঞ্চি : গিলগামেছৰ কাহিনী বা কাব্যখন স্পূনৰ গঠন কৰা হয় খনন কাৰ্যৰ ফলত উদ্ধাৰ হোৱা কেবাটা পাঠৰ (versions) ভেটিত। এই খনন কাৰ্য অনুষ্ঠিত হৈছিল প্ৰাচীন বেবীলনৰ নিনেভ, উৰুক, নিপ্পুৰ আৰু উৰ চহৰত।

ফলত পোৱা যায়—(১) ছুমেৰীয়, (২) বেবীলনীয়, (৩) ছেমিটিক অক্কাডীয়, আৰু (৪) বাঘাজকোইৰ হিট্টাইট পাঠ। কোনোটো পাঠেই সম্পূর্ণ নহয়। কিন্তু খ্রিঃ পূঃ সপ্তম এছিৰীয় সম্রাট অসুৰবনিপালৰ নিনেভ চহৰত খনন কার্যৰ ফলত আংশিক ভাবে উদ্ধাৰ হোৱা বিৰাট গ্রন্থালয়ত 'গিলগামেছ' কাব্যৰ শেহতীয়া এটা পূর্ণ পাঠ পোৱা যায়। ইয়াৰ পূর্বৰ খণ্ডিত পাঠ কেইটাত কাব্যখনৰ দুই-চাৰিটা episode সংৰক্ষিত হৈছে। উদাহৰণস্বৰূপে চুলতানটেপৰ অক্কাডীয় দুখন ফলকত এনকিদুৰ বেমাৰ, মৃত্যুত গিলগামেছৰ শোক আৰু বন্ধুৰ স্মাৰক প্রতিমূর্ত্তি নির্মাণৰ বর্ণনা আছে। হিট্টাইত ৰাজ্যৰ বাঘাজকোইত উদ্ধাৰ হোৱা খ্রিঃ পূঃ পঞ্চদশ শতিকামানৰ খণ্ডিতাংশ ছেমিটিক ভাষাত ৰচিত। এই পাঠত গিলগামেছৰ পৰিচয়, চেদাৰ বনৰ ঘটনা, এনকিদুৰ স্বপ্ন, ব্যাধি আৰু মৃত্যু আৰু গিলগামেছৰ উৎনাপিশ্তিমক লগ ধৰিবলৈ যাত্রা কৰাৰ কিছু বিৱৰণ পোৱা যায়। সকলো কেইটা পাঠৰ ভিতৰত বাৰখন ফলকত লিখিত এছিৰিয়ান পাঠটোৱেই পূর্ণাংশ বুলি ক'ব পাৰি। নিনেভৰ ধ্বংসাৱশেষত এই ফলকসমূহ পোৱা যায়। কিন্তু পাঠত গিলগামেছৰ মৃত্যু প্রদর্শিত হোৱা নাই। খ্রিঃ পূঃ দ্বিতীয় হেজাৰ বছৰৰ পূর্বার্দ্ধত (খৃঃ পূঃ ১৫০০-২০০০) বেবীলনীয় পাঠত এনকিদুৰ আগমন, গিলগামেছৰ স্বপ্ন, দুই বন্ধুৰ চেদাৰ বনলৈ যাত্রা, হুমবাবাৰ বধ, এনকিদুৰ বেমাৰ আৰু মৃত্যুৰ বর্ণনা আছে। নিপ্পুৰ চহৰ খানি পোৱা চৌধ্যখন ফলক, কিছ চহৰৰ (kish) এখন, আৰু আন ঠাইত পোৱা দুখন ফলক—সর্বমুঠ সোতৰখন ছুমেৰীয় ফলকত এনকিদু বলগত গিলগামেছৰ বিচৰণ, চেদাৰ বনত শৰামাছ দেৱতাৰ দুই বন্ধুক সহায়, দুই-বন্ধুৰ পৰামর্শ, স্বপ্ন দর্শন, গিলগামেছৰ সাময়িক মানসিক দুর্বলতা, হুমবাবাৰ লগত যুদ্ধ আৰু এনকিদুৰ কথামতে বধ—এইখিনি কথা ছুমেৰীয় পাঠত পোৱা যায়। এই পাঠো খ্রিঃ পূঃ দুহেজাৰ বছৰৰ আগৰ বুলি প্রমাণিত হৈছে। এই ছুমেৰীয় পাঠৰ দ্বিতীয় অংশত গিলগামেছৰ মৃত্যু আৰু তেওঁৰ মৃত্যুত প্রজাৰ শোক আৰু শৱ সৎকাৰৰ বিৱৰণ দিছে। মহাজলপ্লাৱনৰ কথা প্রাচীনতম পাঠত নাই ; শেষ পাঠৰ অর্থাৎ অসুৰবনিপালৰ গ্রন্থাগাৰত পোৱা, খৃঃ পূঃ সপ্তম শতিকাৰ ফলকত পোৱা গৈছে। পুৰাতত্ত্ববিদসকলৰ মতে গিলগামেছৰ কাহিনীটো মৌখিক ৰূপৰ খৃঃ পূঃ তিনি হাজাৰ বছৰৰ আগৰ পৰাই প্রচলিত আছিল, কিন্তু লিখিত ৰূপ (বাণমুখী লিপি) পায় তাৰ কেবা শতিকাৰ পাছত।

যদিও কিছু বছৰৰ আগলৈকে গিলগামেছক এগৰাকী কাল্পনিক বীৰ ৰজা বুলি ধাৰণা কৰা হৈছিল, এতিয়া কিন্তু সেই ধাৰণা সলনি হৈ তেওঁক এজন ঐতিহাসিক ৰজা বুলি স্বীকৃতি দিয়া হৈছে। উৰুখ নগৰত প্রায় পাঁচ হাজাৰ বছৰৰ কিছু আগতে এওঁ ৰাজত্ব কৰিছিল। এওঁ উত্তৰাঞ্চলৰ চেদাৰ বনৰ পৰা বিৰাট বিৰাট গছ কাটি উৰুখ নগৰৰ চৌপাশে দৃঢ় প্রাচীৰ নির্মাণ কৰিছিল।

তেওঁ দেৱতাসকলৰ উদ্দেশ্যে মন্দিৰ নিৰ্মাণ কৰিছিল। কাহিনীৰ মতে তেওঁৰ মাক এগৰাকী নিম্নশ্ৰেণীৰ দেৱী আৰু বাপেক মানৱ আছিল, যেনেকৈ একিলিছৰ মাক থেটিছ জলকুঁৱৰী আৰু বাপেক মানৱ আছিল। থেটিছে পুতেকক যুদ্ধত সহায় কৰাৰ দৰে এই কাব্যতো গিলগামেছৰ মাক নিনছুনে পুতেকক সংকট মুহূৰ্তত সহায় কৰিছে।

মহাকাব্যখনৰ কাহিনী দুখজনক। মানৱৰ শক্তি সত্ত্বেও অসাহয়তা আৰু দৈৱশক্তি বা দেৱতাৰ মানৱৰ প্ৰতি ৰহস্যময় বিধান কাব্যখনত বাৰম্বাৰ দোহাৰিছে। ব্যাধি, মৃত্যু, বিচ্ছেদ আদিৰ লগত জড়িত হৈ আছে মানৱৰ শক্তি, পৌৰুষ, কীৰ্ত্তি আৰু দেৱবিধানৰ বিৰুদ্ধে বিফল বিদ্ৰোহ। দেৱীয়ে যাচি দিয়া প্ৰেম প্ৰত্যাখ্যান কৰি গিলগামেছ নানা বিপদৰ সম্মুখীন হ'ব লগা হৈছিল। দেৱতাক উপেক্ষা কৰা কাৰণে এনকিদুৱে ৰোগত কষ্ট পাই অৱশেষত মৃত্যুৰ মুখত পৰিছিল। প্ৰাচীন বীৰগাঁথাৰ কবিসকলে দেৱজগত আৰু মানৱ জগতৰ পাৰস্পৰিক পৰিপূৰক চিত্ৰ আঁকি বিশ্বজগতৰ এক পূৰ্ণৰূপ দাঙি ধৰাৰ প্ৰয়াস কৰা যেন ধাৰণা হয়। এই উক্তি প্ৰাক্-খ্ৰিষ্টীয় কাব্যসমূহৰ ক্ষেত্ৰত বিশেষভাবে প্ৰযোজ্য। 'গিলগামেছ' কাব্যতো মানৱ আৰু দেৱতাই গা ঘঁহাই ঘটনাক পৰিণতিৰ পথত আগুৱাই নিছে।

মহাকাব্যখনৰ চৰিত্ৰ চিনাকি

আদাদ (Adad) : ধুমুহা বৰষুণৰ দেৱতা।
আন্তুন (Antun) : আনু দেৱতাৰ পত্নী।
আনু (Anu) : আকাশৰ দেৱতা ; দেৱসমাজৰ পিতৃ।
আপ্সু (Apsu) : সৃষ্টিৰ আদিম জলপ্ৰৱাহ।
আয়া (Aya) : ঊষা।
ইআ (Ea) : জ্ঞানৰ দেৱতা, মানৱৰ।
এনকিদু (Enkidu) : গিলগামেছৰ বন্ধু।
এনলিল (Enlil) : বায়ু আৰু পৃথিবীৰ দেৱতা, আনুৰ কাৰ্যপালক।
এৰেছকিগেল (Ereshkigel) : অধস্তল বা পাতালৰ ৰাণী।
ইস্তাৰ (Ishtar) : উৰ্বৰতা আৰু প্ৰেমৰ দেৱী, আনুৰ দুহিতা।
লাগুলবান্দা (Lagulbanda) : উৰুকৰ ৰজা, গিলগামেছৰ পিতৃ আৰু ৰক্ষক। এওঁ ছুমেৰিয়ান লোকগীতচক্ৰৰ নায়ক।
নামতাৰ (Namtar) : ভাগ্যদেৱী।
নেৰ্গেল (Nergel) : পাতালৰ দেৱতা।
নিনহৰছাগ (Ninhursag) : ছুমেৰিয়ান মাতৃ দেৱী, এনকি দেৱতাৰ পত্নী।

নিনলিল (Ninlil) ঃ এনলিল দেৱতাৰ পত্নী, স্বৰ্গ, অন্তৰীক্ষ আৰু পৃথিবীৰ দেৱী।

নিনছুন (Ninsun) ঃ গিলগামেছৰ মাতৃ।

শ্বামাছ (Shamash) ঃ সূৰ্যদেৱতা, ইষ্টাৰৰ দেৱীৰ পতি।

ছিদুৰী (Siduri) ঃ দেৱতাৰ সুৰাপ্ৰস্তুকাৰিণী।

ছিন (Sin) ঃ চন্দ্ৰদেৱতা।

উৰুক (Uruk) ঃ বেবীলনৰ নগৰৰাষ্ট্ৰ এখন। বাইবেলত এই নগৰৰ নাম এৰেখ।

উৎনাপিষ্টিম (Utnapishtim) ঃ সুৰুপাক চহৰ আৰু মন্দিৰৰ ৰজা আৰু পুৰোহিত। ইআ দেৱতাই তেওঁক জলপ্লাৱনৰ সংকেত দি নাও সাজি সকলো জীৱজন্তুৰ সচ সংৰক্ষণ কৰি আত্মৰক্ষাৰ্থে সাজু হৈ থাকিবলৈ কয় আৰু সেই মতে কাম কৰে।

ওপৰত উল্লেখ কৰা নামবোৰ এছিৰিয়ান ভাষাৰ। এই নামবোৰ ছুমেৰিয়ান ভাষাত অলপ বেলেগ ৰূপত পোৱা যায়। গিলগামেছৰ আশ্ৰয়দাতা অথবা পিতৃ লাগুলবান্দা সম্পৰ্কেও কিছু বৰ্ণনা আৰু ঘটনা থকা কিছুমান ফলক উদ্ধাৰ হৈছে। সেইবোৰ বৰ্ণনা ইয়াত নিষ্প্ৰয়োজন।

দ্বিতীয় অধ্যায়

ইলিয়াড

দ্বিতীয় অধ্যায়

ইলিয়াড

পাশ্চাত্য জগতৰ প্ৰাচীনতম কাব্য দুখন হৈছে 'ইলিয়াড' আৰু 'ওডিছি'। এই মহাকাব্য দুখন গ্ৰীক সাহিত্যৰ অৱদান। দুয়োখন কাব্য হোমাৰ নামৰ মহাকবিৰ ৰচনা বুলি ধৰা হয়। হোমাৰ কেতিয়া উদ্ভৱ হৈছিল তাৰ সঠিক সময় নিৰ্দ্ধাৰণ কৰা টান, তথাপি গ্ৰীক ভাষাৰ পণ্ডিতসকলে তেওঁৰ উদ্ভৱৰ সম্ভাব্য কাল মোটামুটিভাবে নিৰ্ণয় কৰিছে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰা উচিত যে পাশ্চাত্য জগতৰ সভ্যতা, সংস্কৃতি, দৰ্শন, বিজ্ঞান আৰু সাহিত্যৰ জন্মস্থান হৈছে গ্ৰীচ। খ্ৰিষ্টপূৰ্ব দশম শতাব্দীমানলৈ এই সভ্যতা-সংস্কৃতিৰ ইতিহাস টানি নিব পাৰি। প্ৰাচীন কালত গ্ৰীচৰ নাম আছিল হেলাছ। গ্ৰীকসকলৰ আগতে ইজিয়ানসকলে গ্ৰীচৰ দ্বীপসমূহত এটা সুসভ্য সংস্কৃতি গঢ়ি তুলিছিল। গ্ৰীকসকলে এই অঞ্চল অধিকাৰ কৰি আধিপত্য প্ৰতিষ্ঠা কৰে যদিও পুৰণি ইজিয়ান সভ্যতা তেওঁলোকে আত্মসাৎ কৰি লয়। গ্ৰীক সভ্যতাৰ প্ৰভাৱ যে গ্ৰীচ উপদ্বীপতে সীমাবদ্ধ আছিল এনে নহয়, এছিয়া মাইনৰ (বৰ্তমান তুৰস্কৰ পশ্চিমাংশ) বল্কান উপদ্বীপ, আয়নিয়ান আৰু ঈজিয়ান সাগৰৰ দ্বীপবোৰতো প্ৰভাৱ বিস্তাৰ কৰে।

গ্ৰীক সাহিত্যৰ প্ৰাচীনতম মহাকাব্য দুখনৰ কবি হোমাৰৰ কাল খ্ৰিষ্টপূৰ্ব নৱম শতাব্দী বুলি ধৰা হয়। গ্ৰীক ঐতিহাসিক হিৰোডটাছে তেওঁকে হোমাৰ চাৰিশ বছৰ আগতে উদ্ভৱ হৈছিল বুলি উল্লেখ কৰি গৈছে। হিৰোডোটাছ খ্ৰিষ্টপূৰ্ব পঞ্চম শতিকাৰ (৪৮৪-৪২৫) লোক আছিল। সেইমতে হোমাৰৰ উদ্ভৱ কাল নৱম শতিকা বুলি ধৰা হয়। সাতখন নগৰে এওঁৰ জন্মস্থান বুলি দাবী কৰে। এই নগৰ কেইখন হ'ল—এথেন্স, ৰোডছ, কলোফন, ছালামিছ, স্মাৰ্না, চিঅ'ছ আৰু আৰ্গ'ছ। বহুতেই তেওঁক এছিয়া মাইনৰ অঞ্চলৰ স্মাৰ্না নগৰ তেওঁৰ জন্মস্থান বুলি ভাবে। আনহাতে আকৌ তেওঁক আই'অনীয় গ্ৰীক বুলিও ধাৰণা কৰে। হোমাৰৰ বাপেকৰ নাম আছিল মেলেছ। হোমাৰ অন্ধ আছিল বুলি জনপ্ৰবাদ হৈ আহিছে। দুয়োখন কাব্যৰ অংশবিশেষ ভ্ৰাম্যমান গায়ক (moving rhapsodist) দলে বিভিন্ন গাই ফুৰিছিল। দৰাচলতে মহাকাব্য দুখনৰ যি পাঠ পোৱা যায় সি পূৰ্ণমাত্ৰাই হোমাৰৰ ৰচনা হয়নে নহয় সেই বিষয়ে সন্দেহৰ অৱকাশ নথকা নহয়। হোমাৰৰ মূল ৰচনাত পৰৱৰ্ত্তী কবি-গায়কে কিছু যোগবিয়োগ আৰু পৰিবৰ্ত্তন নকৰাকৈ থকা নাই। হোমাৰ যদি অন্ধ আছিল তেন্তে বুঢ়া বয়সতহে অন্ধ হৈছিল। আজন্ম অন্ধ হোৱাহেঁতেন সাগৰ, নদী, পৰ্ব্বত, উপত্যকা, বিজুলী আদি প্ৰাকৃতিক সৌন্দৰ্য আৰু দৃশ্যৰ আকৰ্ষণীয় চিত্ৰ অংকন কৰিব

নোৱাৰিলেহেঁতেন। আমাৰ দেশত বাল্মীকি আৰু কৃষ্ণদ্বৈপায়ন ব্যাসে ৰামায়ণ আৰু মহাভাৰত ৰচনা কৰা বুলি সকলোৱে জানে, কিন্তু এই দুখন মহাকাব্য সম্পৰ্কে আলোচনা কৰা পণ্ডিতসকলে কিন্তু এই কথা মানি লব নোখোজে। দুইখন মহাকাব্যত অন্য কবিৰ ৰচনাও সোমাই আছে বুলি তেওঁলোকে কয়। সেই-দৰে হোমাৰৰ মূল ৰচনাতো আন কবিয়ে সংযোগ নকৰাকৈ থকা নাই।

হোমাৰৰ কাব্য দুখন সংৰক্ষণৰ কাৰণে গ্ৰীক প্ৰশাসক ছ'লন আৰু পিছিষ্ট্ৰেটাছে (খ্রিঃ পূঃ ৬ষ্ঠ শতাব্দী) বিশেষ চেষ্টা কৰিছিল আৰু তাৰ ফলতে মহাকাব্য দুখন নষ্ট নোপোৱাকৈ ৰক্ষা পায়। 'ইলিয়াড' আৰু 'ওডিছি' দুইখন মহাকাব্য ২ টাকৈ সৰ্গত বিভক্ত। প্ৰথমতে 'ইলিয়াড'ৰ কাহিনীৰ চমু পৰিচয় দিয়া যাওক।

ইলিয়াম বা ট্ৰয় নগৰৰ অৱৰোধ আৰু ধ্বংসৰ কাহিনীয়েই হ'ল মহাকাব্যখনৰ বিষয়। ইলিয়ামৰ কথা, সেই কাৰণে ইয়াৰ নাম 'ইলিয়াড'। দৰাচলতে কাব্য-খনত কাহিনীটোৰ শেষ স্তৰহে বৰ্ণনা কৰিছে, অৰ্থাৎ ট্ৰয় অৱৰোধৰ দশম বছৰৰ ঘটনাহে কাব্যখনত ৰূপায়িত হৈছে। গ্ৰীক নাটকৰ ট্ৰেজেডিবোৰৰ দৰেই ঘটনাৰ শেষ স্তৰত কাহিনী আৰম্ভ হৈছে। গ্ৰীকসকলে ট্ৰয় অৱৰোধ কিয় কৰিলে আৰু অৱৰোধৰ প্ৰথম নটা বছৰ কি ঘটিল আৰু অৱশেষত ট্ৰয় নগৰৰ প্ৰধান বীৰ হেক্টৰৰ মৃত্যুৰ পাছত গ্ৰীকসকলে ট্ৰয় কেনেকৈ অধিকাৰ কৰিলে সেইবোৰ কথা কিন্তু কাব্যখনত প্ৰত্যক্ষভাৱে বৰ্ণনা কৰা নাই। পৰৱৰ্ত্তী মহাকাব্য 'ওডিছি'ৰ পৰাহে বহুত কথা জনা যায় আৰু কিছু কথা মহাকাব্যখনৰ (ইলিয়াড) প্ৰাসঙ্গিক বৰ্ণনাৰ পৰা জনা যায়। মহাকাব্যখনৰ সেই কাৰণে প্ৰধান উদ্দেশ্য ট্ৰয় অৱৰোধ, ধ্বংস আৰু হেলেনৰ উদ্ধাৰ নহয়, বৰং প্ৰধান উদ্দেশ্য হ'ল—গ্ৰীকসকলৰ শ্ৰেষ্ঠ বীৰ যোদ্ধা একিলিছৰ ক্ৰোধ আৰু ক্ৰোধৰ উপশান্তি। সেই কাৰণেই মহাকাব্যখন গ্ৰীক কাহিনীৰ নেতা আগামেমননৰ লগত এজনী ৰূপহী গাভৰুক লৈ একিলিছে কৰা কন্দলৰ বৰ্ণনাৰে আৰম্ভ হৈছে। ফল-স্বৰূপে তেওঁ যুদ্ধৰ পৰা আঁতৰি থাকে। তেওঁৰ অনুপস্থিতিত যুদ্ধত গ্ৰীক বাহিনীৰ অৱস্থা কাহিল হয় আৰু প্ৰাণসম বন্ধু পেট্ৰ'ক্লাছ (Petroclus) হেক্টৰৰ হাতত নিহত হয়। বন্ধু হত্যাৰ প্ৰতিশোধ লবলৈ একিলিছে যুদ্ধত নামে আৰু হেক্টৰক বধ কৰে। হেক্টৰৰ অন্ত্যেষ্টি ক্ৰিয়াৰ বৰ্ণনাতে মহাকাব্যখনৰ পৰিসমাপ্তি ঘটিছে।

এতিয়া মহাকাব্যখনৰ ঘটনাৰ উৎপত্তি কেনেকৈ হ'ল তাক কোৱা যাওক। কাব্যখনত কিন্তু এইখিনি কথা নাই। পাছৰ কোনো কবিয়ে এই পূৰ্ব কথা স্বতন্ত্ৰ পুথিত সংযোগ কৰিছে, আনকি হোমাৰৰ নিজস্ব ৰচনা 'ওডিছি'তো এই পূৰ্ব কাহিনী পোৱা নাযায়। কাহিনীটো এনেধৰণৰ ঃ তিনি গৰাকী দেৱী—হেৰা (দেৱৰাজ জিউছৰ পত্নী), এথেনী (জ্ঞান আৰু বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী) আৰু এফ্ৰোডাইট (প্ৰেমৰ দেৱী)। এওঁলোকৰ মাজত কোন সুন্দৰীশ্ৰেষ্ঠা এইটো বিচাৰ কৰি দিবলৈ ট্ৰয় নগৰৰ ৰাজপুত্ৰ, পেৰিছৰ ওচৰ চাপে। প্ৰত্যেক দেৱীয়েই ৰাজকুমাৰক প্ৰলোভন দেখুৱাই প্ৰতিযোগিতাত জয়ী হ'বলৈ চেষ্টা কৰে। প্ৰেমৰ দেৱী

এফ্রোডাইটে টোপ দিলে যে জগতৰ শ্ৰেষ্ঠ সুন্দৰীক পোৰিছৰ পত্নী কৰি দিব। ডেকা ৰাজকুমাৰ প্ৰলোভনত ভোল গৈ এফ্রোডাইটৰ অনুকূলে মত দিয়ে। ইয়াৰ পাছত দেৱীৰ অনুপ্ৰেৰণাতে ৰাজকুমাৰ জাহাজত উঠি স্পাৰ্টা ৰাজ্যৰ ৰজা মেনেলাউছৰ অতিথি হয়গৈ। মেনেলাউছৰ অপূৰ্ব সুন্দৰী পত্নী হেলেনক দেখি মুগ্ধ হয় আৰু হেলেনো আকৃষ্টা হয়। মেনেলাউছৰ অনুপস্থিতিৰ সুযোগ লৈ জাহাজত উঠি দুয়ো ট্ৰয় নগৰ পায়হি। কথিত আছে হেলেনৰ বিয়াৰ সময়ত তেওঁৰ যিসকল পাণিপ্ৰাৰ্থী আছিল তেওঁলোকে বোলে হেলেনক কথা দিছিল যে হেলেনৰ বিপদৰ সময়ত তেওঁলোকে সহায়ৰ হাত আগবঢ়াব। হেলেন অপহৰণ হোৱাৰ পাছত মেনিলাউছ আৰু তেওঁৰ ককায়েক মাইচিনৰ ৰজা আগামেমননে গ্ৰীচৰ ৰজা আৰু বীৰসকললৈ আবেদন জনোৱাত সকলো গ্ৰীচ দেশীয় ৰজা সৈন্যসামন্ত সহ হেলেনক উদ্ধাৰ কৰিবলৈ আগবাঢ়ি আহিল। হাজাৰো অধিক জাহাজ সমবেত হ'ল। গ্ৰীক বাহিনীৰ অধ্যক্ষৰূপে আগামেমনন নিৰ্বাচিত হয়। হাজাৰখন জাহাজত উঠি গ্ৰীকবাহিনী ট্ৰয় নগৰ অভিমুখে যাত্ৰা কৰিছে। তেতিয়াৰ ট্ৰয় নগৰ এতিয়াৰ তুৰস্কৰ সাগৰপাৰৰ কোনো এঠাইত অৱস্থিত আছিল। গ্ৰীক সৈন্য বাহিনীয়ে অৱৰোধ কৰে কিন্তু ন বছৰ চেষ্টা কৰিও ট্ৰয় নগৰ লব নোৱাৰিলে। 'ইলিয়াড' কাব্যৰ কাহিনী আৰু ঘটনা আৰম্ভ হৈছে দশম বছৰৰ প্ৰাৰম্ভতে।

'ইলিয়াড' চৌবিছটা সৰ্গত বিভক্ত। প্ৰথম সৰ্গত গ্ৰীক মহাবীৰ একিলিছৰ ক্ৰোধৰ কাৰণ আৰু তাৰ বৰ্ণনা পোৱাযায়। এপ'ল দেৱতাৰ (সূৰ্য) মন্দিৰৰ প্ৰধান পুৰোহিতৰ কন্যা ক্ৰাইছিছক আগামেমননে পৰিচাৰিকা ৰূপে বন্দী কৰে। বৃদ্ধ পুৰোহিতে আগামেমননৰ পৰা সুবিচাৰ নাপাই এপ'ল দেৱতাৰ ওচৰত প্ৰাৰ্থনা জনোৱাত দেৱতা ক্ৰুদ্ধ হৈ গ্ৰীক সৈন্য বাহিনীক ৰাতি ৰাতি শৰবৰ্ষণ কৰিবলৈ ধৰাত বহুতো মাৰিমৰকত ভুগি মৃত্যুৰ মুখত পৰিবলৈ ধৰে। সৈন্যাধ্যক্ষসকলৰ আলোচনা সভাত ভৱিষ্যদ্বক্তা কেলকাছে এপ'ল দেৱতাৰ পুৰোহিতৰ কন্যাক আগামেমননে প্ৰত্যাৰ্পণ নকৰাৰ কাৰণেই দেৱতাৰ ক্ৰোধত গ্ৰীক বাহিনীৰ শোচনীয় অৱস্থা হোৱা বুলি কোৱাত প্ৰধান সৈন্যাধ্যক্ষ আগামেমনন জিকাৰ্জিকাই উঠে। তেওঁৰ দপদপনি শুনি গ্ৰীক বাহিনীৰ বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ নেষ্টৰে বুজনি দি আগামেমননক গ্ৰীক বাহিনীৰ মংগলাৰ্থে ত্যাগ স্বীকাৰ কৰিবলৈ কোৱাত তেওঁ একিলিছে যুদ্ধজয়ৰ বটা স্বৰূপে লাভ কৰা ব্ৰাইছিছ নামৰ ৰূপহী গাভৰুক পালেহে পুৰোহিতৰ কন্যাক এৰি দিব বুলি কয়। এই অন্যায় দাবীত মহাবীৰ একিলিছ জ্বলি উঠে আৰু আগামেমননৰ লগত তেওঁৰ এখন ভালকৈ কাজিয়া লাগে। অৱশেষত সকলোৰে মধ্যস্থতাত একিলিছে গাভৰু গৰাকীক এৰি দিবলৈ অনিচ্ছা-সত্ত্বেও মান্তি হয়, কিন্তু তেওঁ খঙত যুদ্ধত অংশ গ্ৰহণ নকৰিবলৈ প্ৰতিজ্ঞা কৰে। আগামেমননে ক্ৰাইছিছক মুক্তি দিলে, কিন্তু সৈন্য পঠিয়াই একিলিছৰ প্ৰিয় লিগিৰী ব্ৰাইছিছক নিজৰ জাহাজলৈ লৈ গ'ল।

(২) একিলিছৰ সমকক্ষ যোদ্ধা গ্ৰীকবাহিনীত নাছিল, তেওঁৰ অনুচৰ মাৰ্‌মিডন সৈন্যবোৰো যুদ্ধত দুৰ্দ্ধৰ্ষ আছিল। এওঁলোক যুদ্ধৰ পৰা আঁতৰি থকাত গ্ৰীকবাহিনী নিৰুৎসাহ হৈ পৰিল। তেওঁলোকে যুদ্ধ পৰিহাৰ কৰি, হেলেনক উদ্ধাৰ কৰাৰ আশা পৰিত্যাগ কৰি উভতি যাবলৈকে মনস্থ কৰিছিল। এনেতে একিলিছৰ মাক জলকুঁৱৰী থেটিছৰ অনুৰোধত দেৱৰাজ জিউছে আগামেমননক স্বপ্নত যুদ্ধ জয়ৰ মিছা স্বপ্ন দেখুৱাই যুদ্ধত নামিবলৈ প্ৰৰোচিত কৰে। দেৱৰাজৰ ইচ্ছা আছিল গ্ৰীকবোৰক যুদ্ধত নমাই একিলিছৰ অনুপস্থিতিত এসেকা দিওৱা। (৩) যুদ্ধক্ষেত্ৰত হেলেন অপহৰণকাৰী পেৰিছক দেখা পাই মেনেলাউছ সিংহবিক্ৰমে তেওঁলৈ খেদি অহাত ভয়ত পেৰিছ পলাবলৈ উপক্ৰম কৰোঁতে ট্ৰজান শ্ৰেষ্ঠ হেক্টৰে ভায়েকক কদৰ্থনা কৰি যুদ্ধলৈ আগবঢ়াই পঠায়। পেৰিছে ঘোষণা কৰে যে তেওঁ মেনেলাউছৰ লগত দ্বন্দ্ব যুদ্ধ কৰিব। যেয়ে জিকে সেয়ে ধনসোণসহ হেলেনক লাভ কৰিব, যুদ্ধৰ অৱসানো ঘটিব। সেই চৰ্ত্তমতে যুদ্ধ আৰম্ভ হ'ল, কিন্তু পেৰিছক পৰাজয় হওঁ হওঁ অৱস্থাত দেৱী ভেনাছে পলুৱাই নিয়ে। (৪) ট্ৰজানসকলে দ্বন্দযুদ্ধৰ চৰ্ত্ত ভঙ্গ কৰি হেলেনক প্ৰত্যাৰ্পণতো নকৰিলেই বৰং দেৱী হেৰা আৰু আটেমিছৰ প্ৰৰোচনা আৰু চাতুৰিত ভোল গৈ পেণ্ডাৰাছ নামৰ এজন ট্ৰজান বীৰে একিয়ান বা গ্ৰীকসৈন্যৰ ওপৰত শৰবৰ্ষণ কৰি যুদ্ধ বিৰতিও ভঙ্গ কৰে। (৫) ট্ৰজানসকলৰ ব্যৱহাৰত ক্ষুণ্ণ হৈ ডাইঅমিডিছ নামে প্ৰখ্যাত বীৰৰ নেতৃত্বত গ্ৰীক বাহিনীয়ে প্ৰচণ্ড আক্ৰমণ চলায়। ডাইঅমিডিছৰ বীৰত্ব এই অধ্যায়ৰ বিশেষত্ব, আনকি ট্ৰজান সৈন্যক সহায় কৰিবলৈ আহি দেৱী এফ্ৰোডাইট আৰু ৰনদেৱতা আৰেছ আঘাতপ্ৰাপ্ত হৈ ৰণক্ষেত্ৰ পৰিত্যাগ কৰে। (৬) এনে অৱস্থাত ট্ৰয়বাহিনীৰ সৰ্বশ্ৰেষ্ঠ বীৰ আদৰ্শ চৰিত্ৰ হেক্টৰ যুদ্ধক্ষেত্ৰত নামিব লগা হয়। যুদ্ধলৈ অহাৰ সময়ত প্ৰিয়তমা পত্নী আৰু শিশুপুত্ৰৰ পৰা বিদায় লওতে এন্দ্ৰমেকী শোকত অভিভূত হয়। (৭) হেক্টৰৰ উপস্থিতিয়ে ট্ৰজান সৈন্যৰ উদ্যম ঘূৰাই আনে। প্ৰবল পৰাক্ৰমে শত্ৰুপক্ষক আক্ৰমণ কৰাত গ্ৰীকবাহিনী পিছুৱাবলৈ বাধ্য হয়, কেৱল গ্ৰীক বীৰ এজাক্সে শত্ৰুক বাধা দি ৰাখিবলৈ চেষ্টা চলায়। হেক্টৰ আৰু এজাক্সৰ মাজত হোৱা দ্বন্দ্ব যুদ্ধত কোনেও কাকো পৰাজয় কৰিব নোৱাৰি প্ৰীতিপূৰ্বক অস্ত্ৰবিনিময় কৰি সাময়িকভাৱে যুদ্ধ স্থগিত ৰাখে। (৮) দেৱৰাজ জিউছে দেৱতাসকলক কোনো পক্ষৰ সপক্ষে বা বিপক্ষে যুদ্ধত অৱতীৰ্ণ নহবলৈ সাৱধান বাণী শুনায় আৰু লগতে এই কথাও জনায় যে শেহান্তৰত গ্ৰীকসকলৰে জয় হ'ব। (৯) ৰণক্ষেত্ৰত হেক্টৰৰ নেতৃত্বত ট্ৰজানবোৰে গ্ৰীক বাহিনীৰ অৱস্থা কাহিল কৰি তোলাত প্ৰধান গ্ৰীকদলপতি আগামেমননে গ্ৰীচলৈ উভতি যোৱাৰ প্ৰস্তাৱ তোলাত গ্ৰীকবাহিনীৰ বৃদ্ধৰথী নেষ্টৰৰ উপদেশ অনুসৰি একিলিছৰ ক্ৰোধ উপশম কৰাহে উচিত হ'ব বুলি আলোচনা সভাত স্থিৰ হয়। আগামেমননে বহুমূলীয়া উপঢৌকন সহ ব্ৰাইছিছক ওভতাই দি একিলিছক শান্ত কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। কিন্তু একিলিছক যথাবিধি এই প্ৰস্তাৱ জনোৱাত

তেওঁ প্ৰত্যাখ্যান কৰে। (১০) ওডিছিউছ আৰু ডায়মিডিছে ৰাতি গ্ৰীক শিবিৰ-সমূহ পৰিদৰ্শন কৰোঁতে ডলন নামে ট্ৰজান গুপ্তচৰ এজনক বন্দী কৰি শত্ৰুশিবিৰৰ বহুতো সম্ভেদ লয় আৰু পাছত গুপ্তচৰ ডলনক বধ কৰে। তাৰ পাছত তেওঁলোকে শুই থকা ট্ৰজান শিবিৰত অতৰ্কিতে প্ৰৱেশ কৰি হত্যাকাণ্ড চলাই ঘোৰা লৈ নিজ শিবিৰলৈ উভতি আহে। (১১) নৈশ আক্ৰমণৰ পাছৰ দিনত যি ভীষণ যুদ্ধ হয় সেই যুদ্ধত ধনুৰ্দ্ধাৰ দলে আক্ৰমণ কৰা ট্ৰজান বাহিনীক ৰজা আগামেমননে অশেষ বিক্ৰমেৰে নিজে আহত নোহোৱা পৰ্যন্ত প্ৰতিৰোধ কৰে। কিন্তু এজন এজনকৈ গ্ৰীকবীৰ যুদ্ধত নিহত হোৱা দেখি নেষ্টৰে একিলিছৰ বন্ধু পেট্ৰ'ক্লাছক সম্মত কৰাই যুদ্ধত নমাবলৈ চেষ্টা চলায়। (১২) হেক্টৰৰ দক্ষ সেনাপতিত্বত ট্ৰজান সৈন্যই গ্ৰীক সেনাক বিপৰ্যস্ত কৰি সাগৰৰ দাঁতিত লংগৰ থোৱা নৌবহৰৰ ফালে আগুৱাই গৈ থাকে। (১৩) অগ্ৰগামী শত্ৰুক বাধা দিবলৈ গ্ৰীকসকলে প্ৰাণপণে চেষ্টা কৰে, বিশেষকৈ টেলামন পুত্ৰ মহাবীৰ এজাক্স, তেওঁৰ ভ্ৰাতৃ আৰু ইডোমেনাছ আদি বীৰে প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰে। এজাক্স ভ্ৰাতৃদ্বয়ৰ অসামান্য প্ৰতিৰোধৰ কাৰণেই ট্ৰজানবোৰে গ্ৰীক শিবিৰ অধিকাৰ কৰাৰ পৰা বঞ্চিত হয়। (১৪ আলিম্পাছ দেৱসমাজত ষড়যন্ত্ৰ আৰম্ভ হয়। জিউছৰ পত্নী হেৰা আছিল গ্ৰীক বাহিনীৰ প্ৰতি সহানুভূতিশীলা, তেওঁৰ লগত সমানে সহায়ৰ হাত আগবঢ়ায় দেৱী এথেনী আৰু সাগৰদেৱতা পজেইডনে। আনফালে দেৱৰাজ জিউছ, এফ্ৰোডাইট, এপ'ল আদি দেৱতা ট্ৰজানবিলাকৰ অনুকূলে। দেৱৰাণী হেৰাই জিউছক কামবশীভূত কৰি শয্যালৈ নি টোপনিত লালকাল অৱস্থাত ৰাখে আৰু সেই অৱসৰতে জলদেৱতা পজেইডনক গ্ৰীক বাহিনীৰ সাহায্যাৰ্থে পঠায়। দেৱতাৰ সহায়ত গ্ৰীক বাহিনী ৰক্ষা পৰে। (১৫) তাৰ বিপৰীতে পোহৰৰ দেৱতা এপ'লই ট্ৰজান দলক অনুপ্ৰেৰণা আৰু শক্তিদান কৰাৰ ফলত গ্ৰীক বাহিনী ক্ৰমে পিছুৱাই যাবলৈ বাধ্য হয়। এজাক্স আৰু ভায়েক টিউচাৰৰ নেতৃত্বই গ্ৰীকবাহিনীক কিছু সকাহ দিলেও বিপদমুক্ত কৰিব পৰা নাছিল, হেক্টৰৰ দল জাহাজবোৰৰ কাষ চাপি গৈছিল। (১৬) ট্ৰজানবোৰে যেতিয়া গ্ৰীক নৌবহৰৰ কাষ চাপি জাহাজত জুই জ্বলাই দিবলৈ উপক্ৰম কৰিলে আৰু এজাক্সে অকলশৰে বাধা দি পৰিশ্ৰান্ত হৈ পৰিছিল সেই সময়ত একিলিছৰ প্ৰিয় বন্ধু পেট্ৰ'ক্লাছে গ্ৰীক বাহিনীক ৰক্ষা কৰিবলৈ বন্ধুক যুক্তিপূৰ্ণ অনুৰোধ জনায়। একিলিছে গ্ৰীক জাহাজত জুই দেখি তেওঁৰ পোছাক কবচ আৰু অস্ত্ৰশস্ত্ৰৰে পেট্ৰ'ক্লাছক সজ্জিত কৰি যুদ্ধলৈ পঠায়। তেওঁৰ ধাৰণা আছিল যে ট্ৰজান বাহিনীয়ে পেট্ৰ'ক্লাছকে একিলিছ বুলি ভুল কৰি ভয়ত পিছ হুহকি যাব। পেট্ৰ'ক্লাছক সহায় কৰিবলৈ তেওঁৰ অনুচৰ মাৰ্মিডন বাহিনীকো লগত দিলে। বন্ধুৰ বৰ্ম আৰু অস্ত্ৰেৰে শক্তিমান হৈ পেট্ৰ'ক্লাছে ট্ৰজান বাহিনীক প্ৰবল পৰাক্ৰম দেখুৱাই নৌবহৰৰ কাষৰ পৰা হটাই নিলে যদিও শেষান্তৰত হেক্টৰৰ হাতত মৃত্যু বৰণ কৰে। (১৭) পেট্ৰ'ক্লাছৰ মৃতদেহ, বৰ্মকবচ আৰু অস্ত্ৰশস্ত্ৰ

হস্তগত কৰিবলৈ দুয়োদলৰ মাজত ভীষণ যুদ্ধ চলে, হেক্টৰে একিলিছৰ অস্ত্ৰশস্ত্ৰ আৰু বৰ্ম মৃতদেহৰ পৰা খুলি ললেও মেনেলাউছ আৰু এজাক্সৰ অশেষ প্ৰতিৰোধৰ কাৰণে মৃতদেহ হস্তগত কৰিব নোৱাৰিলে। যুদ্ধ অবিৰাম চলি থাকিল। পেট্ৰ'ক্লাছৰ মৃতদেহ উদ্ধাৰ কৰি একিলিছক হাতত সমৰ্পণ কৰা হ'ল যদিও একিয়ান বা গ্ৰীক সৈন্যবাহিনীৰ অৱস্থা কাহিল হৈ পৰিল। (১৮) বন্ধুৰ মৃত্যুত একিলিছ অধীৰ হ'ল। তেওঁ পূৰ্বৰ প্ৰতিজ্ঞা ভঙ্গ কৰি যুদ্ধত নামিবলৈ সিদ্ধান্ত লয়। বন্ধুহত্যাৰ প্ৰতিশোধ লবলৈ তেওঁ উম্বাউল হৈ পৰে। মাতৃ থেটিছৰ অনুৰোধত দেৱকুলৰ বিশ্বকৰ্মা হিফিষ্টাছে ৰাতিৰ ভিতৰতে একিলিছৰ কাৰণে দুৰ্ভেদ্য কবচ আৰু ঢাল নিৰ্মাণ কৰি দিয়ে। (১৯) নতুন অস্ত্ৰ, কবচ আৰু ঢাল আদিৰে সুৰক্ষিত হৈ একিলিছ যুদ্ধ ক্ষেত্ৰত নামে আৰু হেক্টৰক নিহত নকৰাকৈ তেওঁ যুদ্ধ ক্ষেত্ৰৰ পৰা প্ৰত্যাৱৰ্ত্তন নকৰিবলৈ প্ৰতিজ্ঞা কৰে। আগামেমননৰ লগত বিৰোধ মিটমাট কৰে আৰু এট্ৰিউছনন্দন আগামেমননেও ব্ৰাইছিছ নামৰ সুন্দৰী গাভৰু গৰাকী সহ প্ৰচুৰ উপহাৰ দি একিলিছক সন্তুষ্ট কৰে। (২০) ইফালে অলিম্পাছৰ দেৱদেৱীসকলৰ এখন সভাত দেৱৰাজ জিউছে, আগতে দেৱতাসকলক যুদ্ধত নিৰপেক্ষ হৈ থাকিবলৈ দিয়া আদেশ ৰদ কৰি ইচ্ছানুসাৰে যি কোনো এটা দলত যোগ দিব পাৰে বুলি অনুমতি প্ৰদান কৰে। এই অনুমতিৰ ফলত দেৱদেৱীসকল দুটা দলত বিভক্ত হয়। দেৱৰাজ-পত্নী হেৰা, এথেনী, সাগৰদেৱতা পছেইডন, বিশ্বকৰ্মা হিফিষ্টাছ আৰু হাৰ্মিছে একিয়ান অৰ্থাৎ গ্ৰীকবাহিনীৰ সপক্ষে যুদ্ধত নামে। আনহাতে ৰণদেৱতা আৰিছ বা মাৰ্ছ, এপ'ল বা ফিবাছ, ধনুৰ্দ্ধাৰিণী আৰ্টেমিছ বা ডায়েনা, প্ৰেমৰ দেৱী এফ্ৰোডাইট বা ভেনাছ, নদীদেৱতা জেন্হাছে ট্ৰজানসকলৰ অনুকূলে যুদ্ধত যোগ দিয়ে। তেওঁলোকে ৰণহুংকাৰ কৰি যুদ্ধক্ষেত্ৰ কঁপাই তুলিছিল। কিন্তু গ্ৰীক বা ট্ৰজান বীৰৰ বিৰুদ্ধে যুজাতকৈ দেৱদেৱীয়ে পৰম্পৰেহে যুদ্ধত লিপ্ত হ'ল। ইতিমধ্যে একিলিছে যুদ্ধক্ষেত্ৰত প্ৰৱেশ কৰি ট্ৰজান সৈন্যৰ মাজত ত্ৰাসৰ সঞ্চাৰ কৰে। তেওঁক বাধা দিবলৈ চেষ্টা কৰে ইনিয়াছে, কিন্তু একিলিছৰ হাতৰপৰা দেৱতাই তেওঁক ৰক্ষা কৰি আঁতৰাই লৈ যায়। হেক্টৰৰ ভায়েক পলিডৰাছে একিলিছক বাধা দিবলৈ গৈ নিহত হয়। হেক্টৰে ট্ৰজানসকলক উৎসাহ দি যুদ্ধ কৰি আছিল যদিও একিলিছৰ সন্মুখত কোনো থিৰেৰে থাকিব নোৱাৰাত পৰিল। (২১) একিলিছৰ হেচাঁত ট্ৰজান সৈন্য জেন্হাছ, নদীৰ পাৰলৈ হুহঁকি যায় আৰু পানীত জাঁপিয়াই পৰে। কিন্তু তাতো একিলিছ গৈ হত্যাকাণ্ড আৰম্ভ কৰাত নদী দেৱতা জেন্হাছ অসন্তুষ্ট হ'ল। তদুপৰি একিলিছে নদীৰ বুকুতে প্ৰায়ামৰ অন্যতম পুত্ৰ লিকাৱন আৰু ৰাজকুমাৰ আষ্টেৰ-পিউচক যুদ্ধত নৃশংসভাবে বধ কৰে। জেন্হাছে দুকূলডকা পানীৰে একিলিছক আক্ৰমণ কৰাত তেওঁ পলাবলৈ বাধ্য হয় আৰু শেষ মুহূৰ্ত্তত পানীত বুৰি মৰাৰ পৰা পছেইডন আৰু এথেনী দেৱীয়ে ৰক্ষা কৰে। তাৰ পাছত দেৱতাবোৰে

পৰস্পৰে যুদ্ধ কৰিবলৈ লাগি যায়। একিলিছৰ আক্ৰমণত ট্ৰজানসৈন্য থাৰবিৰ নোৱাৰাত দেৱতা ফিবাচে (এপ'ল) এজন পলৰীয়া ট্ৰজান বীৰৰ ৰূপ ধৰি আগে আগে দৌৰাত একিলিছে পাছে পাছে খেদি ৰণক্ষেত্ৰৰ প্ৰৰা কিছু আঁতৰি যোৱাত ট্ৰজান সৈন্যই নগৰৰ প্ৰাচীৰৰ ভিতৰত আশ্ৰয় লয়। (২২) বাপেক প্ৰায়াম, মাক হেকুবা আৰু পত্নী এন্দ্ৰ'মেকীৰ বাধা সত্ত্বেও হেক্টৰে একিলিছক বাধা দিবলৈ আগবাঢ়ি যায়। দেৱনির্মিত ঢাল আৰু বৰ্মাৰ দ্বাৰা সুৰক্ষিত একিলিছৰ লগত হেক্টৰ যুদ্ধত নামিল যদিও প্ৰথম অৱস্থাত একিলিছৰ ভয়ংকৰ ৰূপ দেখি আত্মৰক্ষাৰ্থে পলায়ন কৰে, কিন্তু অলপ পাছতে এথেনী দেবীৰ ছলনাত মতিভ্ৰম হৈ একিলিছৰ সন্মুখীন হয় আৰু বীৰৰ দৰে যুদ্ধ কৰি, দেৱতাৰ দ্বাৰা প্ৰতাৰিত হৈ যুদ্ধক্ষেত্ৰত প্ৰাণ এৰে। একিলিছে নৃশংসভাৱে মৃতদেহটোৰ ওপৰত অত্যাচাৰ কৰি শৰীৰৰ আভৰণ আৰু অস্ত্ৰশস্ত্ৰ সোলোকাই মৃতদেহটো চোচৰাই নি তেওঁৰ শিৱিৰত থলে, যাতে ট্ৰজানসকলে অন্ত্যেষ্টিক্ৰিয়া কৰিব নোৱাৰে। ট্ৰয় নগৰত শোকৰ বিননি উঠিল। (২৩) একিলিছে হেক্টৰক বধ কৰি মৃত বন্ধু পেট্ৰ'ক্লাছৰ হত্যাকাৰীৰ প্ৰতিশোধ ললে। তাৰ পাছত একিলিছৰ নিৰ্দেশক্ৰমে পেট্ৰ'ক্লাছৰ যথাবিধি সংকাৰ (দাহকাৰ্য) আৰু অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰা হ'ল। তাৰ পাছত গ্ৰীকবীৰসকলৰ মাজত খেলধেমালীৰ প্ৰতিযোগিতাৰে অনুষ্ঠানৰ সামৰণি পেলায়। (২৪) কাব্যখনৰ শেষ সৰ্গত দেখা পাওঁ পুত্ৰশোকাতুৰ বৃদ্ধ ৰজা প্ৰায়ামৰ দ্বাৰা নিহত হেক্টৰৰ মৃতদেহটো একিলিছৰ শিৱিৰৰ পৰা উদ্ধাৰ কৰি যথাবিধি সংকাৰ কৰাৰ করুণ প্ৰচেষ্টা। হেক্টৰৰ মৃত্যুৰ দ্বাদশ দিনা দেৱসভাত হেক্টৰৰ মৃতদেহ সম্পৰ্কে আলোচনা হয় আৰু একিলিছৰ মাক জলকুৱৰী থেটিছৰ যোগেদি পুতেকক দেৱৰাজৰ ইচ্ছা জনাই হেক্টৰৰ মৃতদেহটো ক্ষতিপূৰণ লৈ ট্ৰজানসকলক ওভতাই দিবলৈ কৈ পঠায় আৰু ৰজা প্ৰায়ামকো মৃত পুত্ৰৰ শটো উদ্ধাৰ কৰিবলৈ উপদেশ দিয়ে। বহুত উপঢৌকন সহ বৃদ্ধ প্ৰায়াম একিলিছৰ শিৱিৰত উপস্থিত হৈ পুতেকৰ শটো প্ৰাৰ্থনা কৰে। একিলিছে স্বাভাৱিক ক্ৰোধ আৰু নৃশংসতা এৰি বৃদ্ধ ৰজাক অভ্যৰ্থনা কৰে আৰু মৃতদেহটো ওভতাই দিয়ে। ট্ৰয় নগৰৰ শোকসন্তপ্ত নাগৰিক আৰু পৰিজনে হেক্টৰৰ শটোৰ সংকাৰ কৰে। ইয়াতেই মহাকাব্যখনৰ সামৰণি পৰিছে।

খ্ৰিষ্ট পূৰ্বাব্দ নৱম শতকত ৰচনা কৰা 'ইলিয়াড'ত সেই সময়ৰ গ্ৰীক সভ্যতা, গ্ৰীক জাতিৰ বৈশিষ্ট্য, ধৰ্মবিশ্বাস, আচৰণপদ্ধতি, যুদ্ধনীতি, পোছাক-পৰিচ্ছদ, গ্ৰীচদেশৰ ৰাজ্যবোৰৰ পৰিচয় আৰু গ্ৰীক জীৱন দৰ্শনৰ বহুখিনি কথা সংৰক্ষিত আছে। হোমাৰ আছিল মহাকবি; মহাকবিৰ দিব্যদৃষ্টিত কেৱল সমাজখনেই ধৰা দিয়া নাছিল, গ্ৰীচৰ ভূ-প্ৰকৃতি, প্ৰাকৃতিক সৌন্দৰ্যয়ো মাজে মাজে উজ্জ্বল আৰু সংবেদনক্ষম ৰূপত ধৰা দিছে। হোমাৰৰ কাব্যিক সৌন্দৰ্য নিহিত আছে পাঠকৰ মানসপটত প্ৰত্যক্ষবৎ প্ৰতিফলন কৰিব পৰা শক্তিশালী চিত্ৰত। **Homeric simile** বা **epic simile** বুলি তেওঁৰ উপমা-উৎপ্ৰেক্ষাৰ এটা স্বকীয় বৈশিষ্ট্য

আছে, যিবোৰ উপমাত একোটি পূৰ্ণচিত্ৰ অংকিত হোৱা দেখা যায়। হোমাৰ মহাকাব্যৰ আন বৈশিষ্ট্য হ'ল চৰিত্ৰ বা প্ৰাকৃতিক সত্তাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা বিশেষণসমূহৰ আকৰ্ষণীয়তাত। ক্ষিপ্ৰগতিৰ একিলিছ, বজ্ৰধাৰী জিউছ, ৰঙাচুলীয়া মেনেলাউছ, সোণালী কাড়ৰ ফিবাচ, কৃষ্ণলোচনা তথা বৃষভনেত্ৰা দেৱী হেৰা, উজ্জ্বলনেত্ৰা এথেনী, দীৰ্ঘ কেশী একিয়ান, যশস্বী হেক্টৰ—এইদৰে প্ৰত্যেক চৰিত্ৰক চিনিব পৰাকৈ একোটি আলোকসম্পাতী বিশেষণ আৰোপ কৰিছে। আনকি ৰাজ্য একোখন বা গ্ৰীচৰ একোটা অঞ্চল বৰ্ণনা কৰোঁতেও বিশেষণ আৰোপ নকৰাকৈ থকা নাই। সাগৰবেষ্টিত গ্ৰীচ উপদ্বীপৰ ভূপ্ৰকৃতি, বিভিন্ন ৰাজ্য বা অঞ্চলৰ প্ৰাকৃতিক তথা কাৰ্ষিক সম্পদৰ বৰ্ণনা মহাকাব্যখনত প্ৰসংগক্ৰমে দি গৈছে। এনে বৰ্ণনা অবান্তৰভাবে জাপি দিব দিয়া নাই। দ্বিতীয় সৰ্গত ট্ৰয়নগৰৰ ৰণক্ষেত্ৰত অৱতীৰ্ণ হোৱা গ্ৰীক-যোদ্ধা আৰু সমৰনায়কসকলৰ ৰণসজ্জা কবিয়ে বৰ্ণনা কৰিছে আৰু এই প্ৰসংগত প্ৰত্যেকৰ জন্মভূমি, সেই স্থানৰ প্ৰধান বৈশিষ্ট্য, যুদ্ধত যোগ দিবলৈ যোৱা বীৰজনৰ আঁতিগুৰি, বংশগৌৰৱ বৰ্ণনা কৰিছে। কেতিয়াবা ৰণক্ষেত্ৰত, বিৰুদ্ধ পক্ষৰ দুজন বীৰে আকস্মিক ভাবে পৰস্পৰৰ প্ৰতি আকৃষ্ট হৈ আত্মপৰিচয়ৰ যোগেদি যুদ্ধৰপৰা বিৰত হোৱা দেখুৱাইছে। গ্ৰীকবীৰ ডায়মিডিছ আৰু ট্ৰজান বীৰ গ্লকাছ অস্ত্ৰবিনিময় কৰি এনেকৈয়ে বন্ধুত্বভাৱত পৰস্পৰে আঘাত নকৰি আঁতৰি গৈছে। আমাৰ ভাৰতীয় কাব্যত থকাৰ দৰে গ্ৰীক মহাকাব্যত চৰিত্ৰবোৰৰ দৈহিক অৱয়বৰ বৰ্ণনা নাই বুলিলেও হয়! সাধাৰণতে এটা বিশেষণেৰেই তেওঁক সামৰি থৈ দিয়া দেখা যায়, অথচ সেই এটা বিশেষণেই চৰিত্ৰটোৰ আভাস দিবৰ কাৰণে যথেষ্ট। আনকি যি অসাধাৰণ সুন্দৰী হেলেনৰ কাৰণে হাজাৰখন জাহাজে সমুদ্ৰত পাৰি দিছিল সেই হেলেনৰো ৰূপৰ বৰ্ণনা হোমাৰে 'দীৰ্ঘবসনা' বা 'শ্বেত-চৰণা' এনে দুই এটা বিশেষণেৰেই শেষ কৰিছে। কিন্তু এঠাইত ট্ৰয়নগৰৰ বৃদ্ধ-সকলে যাৰ ইষ্ট-কুটুম্ব, পুত্ৰাদি যুদ্ধত মৃত্যুৰ মুখত পৰিছিল, যাৰ জন্মভূমি বিপদগ্ৰস্ত সেই বৃদ্ধ নাগৰিকসকলে হেলেনক প্ৰথম দেখা পাই স্বতস্ফূৰ্তভাৱে স্বীকাৰ কৰিছিল যে সেই সৰ্বনশীয়া নাৰীৰ কাৰণে ট্ৰয়বাসীয়ে কষ্ট, শোক আৰু দুখ কৰা সাৰ্থক হৈছে। এই বৃদ্ধ নাগৰিকৰ মন্তব্যই হেলেনৰ ৰূপৰ অসাধাৰণত্ব সূচনা কৰে।

'ইলিয়াড' আৰু পৰৱৰ্তী মহাকাব্য 'ওডিছি'য়ে হোমাৰৰ সাগৰৰ লগত গভীৰ পৰিচয় থকাৰ স্বাক্ষৰ বহন কৰে। সাগৰৰ বিশালতা, প্ৰশান্ত আৰু অশান্ত চিত্ৰ, সাগৰীয় বতাহ, ঢৌৰ আস্ফালন, সাগৰীয় পক্ষী আদিৰ অভিজ্ঞতালব্ধ আকৰ্ষণীয় চিত্ৰ দুয়োখন কাব্যতে পোৱা যায় যদিও 'ওডিছি'ত ইয়াৰ মাত্ৰাধিক্য লক্ষ্য কৰা যায়। তাৰ বিপৰীতে ভাৰতীয় মহাকাব্য দুখনত সাগৰৰ বৰ্ণনা অতি কম। 'ৰামায়ণ'ৰ সুন্দৰকাণ্ডত সেতুবন্ধনৰ বৰ্ণনা আছে যদিও সাগৰৰ প্ৰত্যক্ষ বৰ্ণনা বৰ কম। গ্ৰীক সাহিত্যত সাগৰে যেনেকৈ প্ৰধান্য লাভ কৰিছে, ভাৰতৰ তিনিফালে

সাগৰে আগুৰি আছে যদিও সেই অনুপাতে সাহিত্যত সমুদ্ৰই স্থান পোৱা নাই। কালিদাসৰ 'ৰঘুবংশ'ৰ ত্ৰয়োদশ সৰ্গত, প্ৰৱৰ সেনৰ 'সেতুবন্ধ' আদি পৰৱৰ্ত্তী কাব্যত কিছু বৰ্ণনা আছে যদিও পৰ্যাপ্ত বুলি কব নোৱাৰি।

ভাৰতীয় ৰামায়ণ আৰু মহাভাৰতত মূল কাহিনীৰ ওপৰত বা প্ৰাসঙ্গিক বা অপ্ৰাসঙ্গিকভাৱে বহু কাহিনী, উপকাহিনী, ধৰ্ম-সাম্প্ৰদায়িক মতবাদ আৰু অন্যান্য কথা জাপি দিয়া হৈছে। তুলনামূলক ভাবে ৰামায়ণতকৈ মহাভাৰতত আৰোপণৰ মাত্ৰা অধিক। ইয়াৰ বিপৰীতে হোমাৰৰ 'ইলিয়াড'ত আনকি 'ওডিছি'তো অপ্ৰাসঙ্গিক কাহিনী সংযোগ কৰা দেখা নাযায়। আনকি মূল কাহিনীৰ আঁতিগুৰি বা পৰিসমাপ্তিও 'ইলিয়াড'ত নিদি 'ওডিছি'ত প্ৰসংগক্ৰমে উল্লেখ কৰিছে। এই দিশৰ পৰা পাশ্চাত্য প্ৰাচীন মহাকাব্য দুখন অধিক সংহত আৰু অভিকেন্দ্ৰিক বুলিব পাৰি। ভাৰ্জিলৰ 'ইনীড' মহাকাব্যতো ট্ৰয় অধিকাৰ আৰু ধ্বংসৰ বিৱৰণ পোৱা যায়।

গ্ৰীক মহাকাব্য দুখনত দেৱ-দেৱীৰ যি ভূমিকা লক্ষ্য কৰা যায় তাৰ পৰা সহজে অনুমেয় যে তেওঁলোক দৈৱীশক্তিসম্পন্ন হলেও মানবীয় নীচতা, ঈৰ্ষা, ষড়যন্ত্ৰ-প্ৰৱণতা আৰু প্ৰতিশোধপৰায়ণতাৰ বশৱৰ্তী। তেওঁলোক মহা কামপৰায়ণ। গ্ৰীক আৰু ট্ৰজানসকলৰ কন্দলত দেৱকুলে অবাধে হস্তক্ষেপ কৰিছে। কেতিয়াবা চৰিত্ৰ বিশেষৰ মতিভ্ৰম ঘটাইছে, কেতিয়াবা চৰিত্ৰক ভৱিষ্যত কৰ্ত্তব্যৰ আগজাননী দিছে, কেতিয়াবা যুদ্ধত প্ৰত্যক্ষ হৈ উৎসাহ প্ৰদান কৰিছে, কেতিয়াবা কোনোবা চিনাকি বীৰ বা সৈনিকৰ ছদ্মৰূপ ধৰি গ্ৰীক বা ট্ৰজান বীৰক আসন্ন বিপদৰ পৰা ৰক্ষা কৰিছে, অথবা মৃত্যুৰ মুখলৈ আগুৱাই নিছে। ট্ৰজান বীৰশ্ৰেষ্ঠ হেক্টৰক দেৱী এথেনীয়ে এনেকৈয়ে ছদ্মৰূপত এঁকিলিছৰ সম্মুখীন কৰাইছে। দেৱ-দেৱীসকলে ট্ৰয়যুদ্ধত বিভিন্ন পৰিস্থিতিত কি কৰা উচিত এই বিষয়ে একাধিকবাৰ দেৱসভা আহ্বান কৰিছে। যুদ্ধৰ শেষৰ ফালে দেৱকুল দুটা দলত বিভক্ত হৈ প্ৰত্যক্ষভাৱে গ্ৰীক বা ট্ৰজান বাহিনীত যোগ দিছে। কেৱল দেৱৰাজ জিউছ যুদ্ধত প্ৰত্যক্ষভাৱে লিপ্ত হোৱা নাই। মুঠতে গ্ৰীক দেৱদেৱী নামত দেৱতা হলেও আৰু দৈৱশক্তিৰ অধিকাৰী হলেও চিন্তাচৰ্চ্চা, মানসিকতা আৰু ব্যৱহাৰত তেওঁলোক মানুহতকৈ কোনো প্ৰকাৰে উচ্চ নহয়। মানুহে নিজৰ ছায়াতে দেৱতাৰ কল্পনা কৰে। গ্ৰীক-সকলেও তেওঁলোকৰ মানসিকতাৰ আধাৰতে দেৱবৃন্দৰ কল্পনা কৰি লৈছিল। এইখিনিতে মনত ৰখা উচিত হ'ব যে কোনো গ্ৰীক বা ট্ৰজান সৈনিক বা বীৰে দেৱ বা দেৱীক স্বকীয় প্ৰত্যক্ষৰূপত বিৰল ভাবেহে দেখা পাইছে। প্ৰায়ে ছদ্মৰূপত দেখা পাই দেৱ বা দেৱী বুলি অনুমান কৰিছে। নিজৰূপত একেবাৰে দেখা দিয়া নাই এনে নহয়, কিন্তু এনে উদাহৰণ বিৰল।

ভাৰতীয় মহাকাব্য দুখনতো দেৱতাই মানুহৰ কাৰ্য আৰু ভাগ্যনিয়ন্ত্ৰণত মাজে মাজে হেতাওপৰা নকৰাকৈ থকা নাই। কিন্তু 'ইলিয়াডৰ' দেৱদেৱীসকলৰ দৰে

ৰাম-ৰাৱণ আৰু কুৰু-পাণ্ডৱৰ যুদ্ধকে লৈ ব্যস্ত থকা নাই। ভাৰতীয় দেৱকুলে প্ৰত্যক্ষভাৱে যুদ্ধতো লিপ্ত হোৱা নাই। দেৱতাসকলে য'ত হস্তক্ষেপ কৰা দেখুৱাইছে তাৰ সৰহ ভাগেই পৰৱৰ্ত্তী প্ৰক্ষিপ্ত বুলি বিবেচিত হৈছে। উদাহৰণ-স্বৰূপে ৰামায়ণৰ আদি আৰু উত্তৰাকাণ্ডতে দেৱতাৰ হস্তক্ষেপ বিশেষভাৱে চকুত পৰে, কিন্তু দুয়োটা কাণ্ডৰ সৰহভাগ কথাই পৰৱৰ্ত্তী সংযোজনা বুলি গণ্য কৰা হয়। গ্ৰীক দেৱদেৱীৰ দৰে কেৱল ট্ৰয় যুদ্ধ বা ইউলিছিছৰ ভয়াৱহ সাগৰ পৰিভ্ৰমণতে সকলো দৃষ্টি নিবদ্ধ কৰাৰ অনুৰূপ চিত্ৰ ভাৰতীয় মহাকাব্য দুখনৰ দেৱদেৱীৰ কাৰ্যত নাপাওঁ। অৱশ্যে মহাভাৰতৰ প্ৰাসঙ্গিক আখ্যান দুই চাৰিটাত দেৱতা কোপান্বিত হৈ মৰ্ত্ত্যৰ মানৱক বিপদত পেলোৱাৰ কথা পোৱা যায়। শ্ৰীবৎসচিন্তা, নলদময়ন্তী আদি আখ্যান এই শ্ৰেণীৰ।

'ইলিয়াড'ত যি ৰণৰ বিৱৰণ পাওঁ তাৰ পৰা এইটো ধৰি লব পাৰি গ্ৰীক আৰু ট্ৰজানবিলাকৰ ৰণনীতি ৰামায়ণ বা মহাভাৰতীয় ৰণনীতিৰ তুলনাত বৰ্বৰ আছিল। ভাৰতীয় মহাকাব্যৰ ৰণনীতি অনুসাৰে শত্ৰুক কঁকালৰ তলছোৱাত আঘাত কৰিব নাপায়, পলায়নপৰ সৈন্যক অনুসৰণ কৰি বধ কৰিব নাপায়, প্ৰাণভিক্ষা কৰা পৰাজিত সৈন্যক বধ কৰা অনুচিত, মৃত সৈনিকৰ মৰা শটো অপমান কৰা ৰণনীতিৰ বিপৰীত কাৰ্য। আনকি মৃত সৈনিকক উলংগত কৰি বস্ত্ৰাভৰণ-অস্ত্ৰশস্ত্ৰাদিও কাঢ়ি লোৱাও ৰণনীতিয়ে সমৰ্থন নকৰে। ৰামায়ণৰ ৰাম-ৰাৱণৰ যুদ্ধৰ বৰ্ণনা প্ৰসঙ্গত পোৱা যায় যে ৰামৰ শৰাঘাতত ব্যথিত আৰু বিপৰ্যস্ত ৰাৱণক লক্ষ্য কৰি ৰামে এই দৰে কৈছে ঃ

কৃতংত্বয়া কৰ্মমহৎ সুভীমং হতপ্ৰৱীৰশ্চ কৃতস্ত্বয়াহম।
তস্মাৎ পৰিশ্ৰান্ত ইতি ব্যবস্য ন ত্বাং শৰৈৰ্মৃত্যুৱশং নয়ামি।
প্ৰযাহি জানামি ৰণাৰ্দিতস্বং প্ৰৱিশ্য ৰাত্ৰিঞ্চ ৰৰাজ লংকাম্।
অশ্বস্য নিৰ্যাহি ৰথী চ ধন্বী তদাবলং প্ৰেক্ষ্যসি মে ৰথস্থঃ ॥

৬/৫৯/১৪২—১৪৩

হে ৰাৱণ, তুমি আজি ভয়ানক বীৰত্ব প্ৰদৰ্শন কৰি মোৰ প্ৰধান প্ৰধান বীৰক নিহত কৰিলা। সেই কাৰণে তুমি অতিশয় পৰিশ্ৰান্ত। এই কথা জানি আজি তোমাক বধ নকৰো। হে নিশাচৰ-পতি, তুমি যুদ্ধত পীড়িত বুলি জানিছো। গতিকে উভতি যোৱা লংকাত গৈ কিছু বিশ্ৰাম লোৱা। পাছত ৰথী ধনুধাৰী আৰু সেনাসহ আহি মোৰ শক্তি পৰীক্ষা কৰিবাহি।

ৰাৱণেও এই সুযোগ গ্ৰহণ কৰি লংকালৈ পলায়ন কৰে। আৰু এটা উদাহৰণ লোৱা যাওক, ৰাৱণৰ মৃত্যুৰ পাছত বিভীষণে ককায়েকৰ অন্ত্যেষ্টিক্ৰিয়া কৰিব নুখুজিছিল, কিন্তু ৰামে কলে—মৰণ পৰ্যন্তহে শত্ৰুতা থাকে মৰণৰ পাছত শত্ৰুতা ৰখা অনুচিত। এই বুলি ৰাজকীয়ভাৱে ৰাৱণৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰায়। মহাভাৰতত ৰণনীতি উলংঘা কৰি সপ্তৰথীয়ে বেৰি অভিমন্যুক বধ কৰা কাৰণে

সপ্তৰথী তিৰস্কৃত হৈছে, ভীমে দুৰ্যোধনক ক'কালৰ তলত উৰুত আঘাত কৰা কাৰণে বলৰামে ভীমক মাৰিবলৈ খেদি গৈছে। ধৃষ্টদ্যুম্নৰ লগত দ্বন্দ্ব যুদ্ধত লিপ্ত থকা ভূৰিশ্ৰবাৰ হাত এখন অৰ্জুনে কটা কাৰণে সকলোৱে অৰ্জুনক তিৰস্কাৰ কৰিছে। এইদৰে মহাভাৰতত অন্যায় যুদ্ধৰ নিদৰ্শন নথকা নহয়, কিন্তু মহাভাৰতে তেনে কাৰ্য সমৰ্থন কৰা নাই।

আনহাতে 'ইলিয়াড'ত আমি কি দেখা পাওঁ ? যুদ্ধনীতিৰ কোনো অস্তিত্ব থকা যেন অনুভৱ নহয়। বৰ্বৰতা আৰু নৃশংসতাৰ চূড়ান্ত প্ৰকাশ দেখিবলৈ পাওঁ। প্ৰাণৰ ভয়ত পলায়নৰত সৈন্যক বিনাসংকোচে হত্যা কৰা সঘনে দেখা যায়। জীৱন ৰক্ষাৰ কাৰণে বিজয়ী বীৰৰ ওচৰত আত্মসমৰ্পণ কৰি কাকুতি মিনতি কৰা সত্ত্বেও নৃশংসভাৱে বধ কৰা উদাহৰণ বিৰল নহয়। কেৱল বধ কৰিয়ে ক্ষান্ত নাথাকি মৃত শৰীৰটোৰ অঙ্গ ছেদ কৰি, গাৰ বসন-ভূষণ, ৰক্ষাকবচ বৰ্ম, শিৰস্ত্ৰাণ আৰু অস্ত্ৰ-শস্ত্ৰ কাঢ়ি লোৱা যুদ্ধৰ সাধাৰণ ৰীতি আছিল বুলি 'ইলিয়াড' আৰু 'ইনীড'ৰ বৰ্ণনাৰ পৰা জনা যায়। 'ইলিয়াড'ত দেখা যায় যে ডাঙৰ ডাঙৰ বীৰসকলৰ মৰাশবোৰ শত্ৰুপক্ষই চোচৰাই বা টানি নিজ নিজ শিৱিৰলৈ নি কাউৰী-কুকুৰে খাবলৈ পেলাই থোৱা দেখা যায়। ফলত আত্মীয়সকলে শৱ সৎকাৰ বা অন্ত্যেষ্টি-ক্ৰিয়া কৰিব নোৱাৰে। হেক্টৰে একিলিছৰ বন্ধু বীৰাগ্ৰণী পেট্ৰ'ক্লাছক যুদ্ধত বধ কৰি নিহত বীৰৰ বৰ্ম, শিৰস্ত্ৰাণ কটীবন্ধন খুলি নিজে পৰিধান কৰিছিল আৰু মৰাশটো হস্তগত কৰিবলৈ গ্ৰীক আৰু ট্ৰজানবিলাকৰ তুমুল সংঘৰ্ষ হৈছিল। অৱশ্যে গ্ৰীকসকলে অৱশেষত পেট্ৰ'ক্লাছৰ মৃতদেহ উদ্ধাৰ কৰি শিৱিৰলৈ লৈ যায়। একিলিছে মৃতকল্প হেক্টৰৰ সানুনয় অনুৰোধ ঘৃণাভৰে অৱজ্ঞা কৰি মৃতদেহটোৰ সকলো বস্ত্ৰাভৰণ খুলি, অস্ত্ৰ-শস্ত্ৰ হস্তগত কৰি, নগ্নদেহটো ক্ষতবিক্ষত কৰি ৰথৰ পাছত বান্ধি ৰণক্ষেত্ৰত চোচোৰাই ফুৰে আৰু অৱশেষত নিজ শিৱিৰলৈ চোচোৰাই নিয়ে আৰু তাতে বাৰ দিন সৎকাৰ নকৰাকৈ পেলাই থয়। শত্ৰুক পৰাজয় বা ধ্বংস কৰিবৰ কাৰণে কোনো উপায়কে তেওঁলোকে অন্যায় বুলি নাভাবিছিল। ট্ৰয় নগৰ যুদ্ধৰ দ্বাৰা অধিকাৰ কৰিব নোৱাৰি ছলনাৰ আশ্ৰয় লৈ গ্ৰীকসকলে নগৰখন অধিকাৰ কৰি ধ্বংস কৰে।

যুদ্ধ-অধিকৃত নগৰৰ পুৰুষক দাস আৰু সুন্দৰী নাৰীবোৰক শয্যাসঙ্গিনী দাসীৰূপে লৈ যোৱা হৈছিল। একিলিছ আৰু আগামেমননৰ কাজিয়াৰ কাৰণ হ'ল দুজনী সুন্দৰী দাসীক লৈয়ে। আমি জানো যে হোমাৰৰ কেবা শ বছৰৰ পাছৰ গ্ৰীক সমাজত দাসদাসী ৰখা প্ৰথা প্ৰচলিত আছিল। এইবোৰক গৰাকীৰ ইচ্ছামতে বেচাকিণা কৰিব পাৰিছিল। ট্ৰয় নগৰ অধিকাৰ কৰি গ্ৰীকসকলে হেলেনক উদ্ধাৰ কৰাৰ লগতে ট্ৰয়ৰ বহুতো যুৱতীক আনকি ৰজা প্ৰায়ামৰ দুহিতা কেছেন্দ্ৰাকে প্ৰমুখ্য কৰি সম্ভ্ৰান্ত বংশীয় নাৰীক দাসীৰূপে ট্ৰয়ৰ পৰা গ্ৰীচলৈ লৈ গৈছিল।

হোমাৰৰ মহাকাব্যত যি যুদ্ধৰ বিৱৰণ পোৱা যায় তাৰ পৰা ৰণদুৱো আৰু বীৰ-

সকলে ব্যৱহাৰ কৰা সাজ-পোছাক, অস্ত্ৰশস্ত্ৰ আদিৰ সম্ভেদ সংগ্ৰহ কৰিব পাৰি। খ্ৰিষ্ট পূৰ্বাব্দ চতুৰ্থ পঞ্চম শতিকাত পাৰস্যৰ নৌ আক্ৰমণ গ্ৰীচৰ সম্মিলিত নৌ বাহিনীয়ে ছেলামিছৰ নৌযুদ্ধত সফলভাবে প্ৰতিহত কৰিছিল। 'ইলিয়াড'তো হেজাৰখন কলীয়া জাহাজেৰে ঈজিয়ান সাগৰ অতিক্ৰম কৰি ট্ৰয় নগৰৰ কাষত, সাগৰৰ পাৰত, এিকিয়ানসকলে লঙ্গৰ পেলাইছিল। কিন্তু ট্ৰয় নগৰ সাগৰৰ পাৰত অৱস্থিত আছিল যদিও নৌ শক্তিত সম্ভৱতঃ ট্ৰজানসকল দুৰ্বল আছিল। সেই কাৰণেই নৌ সংঘৰ্ষৰ কোনো চিত্ৰ বা ঘটনা আমি কাব্যখনত নাপাওঁ। কিন্তু সাগৰত জাহাজ চলাচল কৰাত, সমুদ্ৰ পাৰি দিয়াত যে গ্ৰীকসকল সুদক্ষ আছিল তাৰ প্ৰমাণ হোমাৰৰ দুখন মহাকাব্য আৰু লেটিন কবি ভাৰ্জিলৰ মহাকাব্যখনে দাঙি ধৰে। ইউলিছিছ আৰু ইনিয়াছৰ নৌবহৰ সহ সাগৰ পৰিভ্ৰমণৰ বিশদ আৰু ভয়াৱহ বৰ্ণনাই গ্ৰীকসকলৰ সমুদ্ৰ যাত্ৰাৰ বিচক্ষণতাৰ পৰিচয় দিয়ে।

'ইলিয়াড'ৰ যুদ্ধ বিৱৰণৰ পৰা জনা যায় যে গ্ৰীক আৰু ট্ৰজানসকলে বুকুত ৰক্ষাবৰ্ম, মূৰত শীৰস্ত্ৰাণ, কঁকালত কটীবন্ধ বা পটুকা, কলাফুলক অস্ত্ৰাঘাতৰ পৰা ৰক্ষা কৰিবলৈ জংঘাৰক্ষা পৰিধান কৰিছিল। সাধাৰণতে ডিঙি আৰু মুখ অনাবৃত আছিল। সেই কাৰণে বহুতো বীৰক ডিঙি বা মুখত বৰ্শা বা যাঠিৰে খুচি মৰা দেখিবলৈ পাওঁ। ধনুকাড়, বৰ্শা বা শেল আৰু তৰোৱাল—এই তিনিবিধ অস্ত্ৰৰ ব্যৱহাৰহে দেখা পোৱা যায়। বৰ্শা আৰু তৰোৱালৰ আঘাতৰ পৰা আত্মৰক্ষা কৰিবলৈ ব্ৰঞ্জৰ ঢাল ব্যৱহাৰ কৰিছিল। এিকিলিছে ব্যৱহাৰ কৰা দেৱকাৰিকৰ ভালকানে নিৰ্মাণ কৰা অভেদ্য ঢালখনৰ সবিশেষ বৰ্ণনা হোমাৰে কাব্যখনৰ অষ্টাদশ সৰ্গত দিছে। এই ঢালখনৰ শিল্প কাৰ্যৰ বৰ্ণনাৰ পৰা সেই সময়ৰ গ্ৰাম্য আৰু নাগৰিক জীৱনৰ বিভিন্ন চিত্ৰ তথা বিবাহৰ চিত্ৰ, তাৰ লগত জড়িত নৃত্যগীত, বিচাৰ সভাৰ (law suit) দৃশ্য, নগৰ অৱৰোধকাৰী আৰু প্ৰতিৰক্ষাকাৰী সৈন্যৰ সংঘৰ্ষ, গৰু-ভেৰা ৰখা চৰণীয়া পথাৰ আৰু গৰখীয়াৰ দল, শস্যৰ কাৰণে চহোৱা পথাৰ আৰু ফলভৰত আন্দোলিত আঙুৰ, যব-ঘেহুৰ পথাৰ, কৃষক দাৱনী গৰুৰ জাকৰ মাজত সোমাই চিকাৰ কৰা সিংহ, ডেকা গাভৰুৰ প্ৰেম-ৰাগ ৰঞ্জিত নৃত্য-গীত, আকাশৰ গ্ৰহ-নক্ষত্ৰ আৰু সমুদ্ৰ আদি শিল্প কৌশল খটুৱাই প্ৰতিফলিত কৰিছে বিন্দুতে সিন্ধুৰ চিত্ৰ।

ভাৰতীয় মহাকাব্যত অশ্বাৰোহী, গজাৰোহী, ৰথাৰোহী আৰু পদাতিক সৈন্যৰ প্ৰয়োগ যুদ্ধত হৈছিল, তাকে কোৱা হয় যুদ্ধৰ চতুৰঙ্গ। গ্ৰীক মহাকাব্যত ৰথ আৰু পদাতিকৰহে প্ৰয়োগ হোৱা দেখা যায়। অশ্বাৰোহী আৰু গজাৰোহী সৈন্যৰ উল্লেখ নাই। ঘোৰাৰ ব্যৱহাৰ হৈছিল ৰথ টনাত আৰু ক্ষিপ্ৰগতিত এঠাইৰ পৰা আন ঠাইলৈ যোৱাৰ বাহন ৰূপে।

নৃত্যগীত আৰু খেলধেমালীৰ বিৱৰণ ঠায়ে ঠায়ে পোৱা যায়। বীণা জাতীয় হাৰ্প, বা লায়াৰ বাঁহী, শিঙা, যুৱক-যুৱতীৰ দ্বৈত নৃত্যৰ উল্লেখ দুয়োখন

কাব্যৰ অনেক ঠাইত পোৱা যায়। চাৰণ সঙ্গীত বা বীৰগাথা গোৱা বাৰ্ড (bard) বা ৰেপসডিষ্ট (rhapshodist) প্ৰায়বোৰ ৰাজসভাতে অতীত কীৰ্ত্তি কাহিনী গাই অতিথি-অভ্যাগত আৰু ৰাজপাৰিষদক আপ্যায়ন কৰা দেখা যায়। গ্ৰীকসকল শৰীৰ চৰ্চাত বিশেষ তৎপৰ আছিল। যুদ্ধৰ মাজতো সুবিধা বুজি নানাধৰণৰ খেল-ধেমালীৰ প্ৰতিযোগিতা তেওঁলোকে অনুষ্ঠিত কৰিছিল। (ইলিয়াড সৰ্গ ১১, ওডিছি সৰ্গ ৮) যশস্বী হেক্টৰক বধ কৰি একিলিছে প্ৰিয়বন্ধু পেট্ৰ'ক্লাছক যথাবিধি সমাধিস্থ কৰি গ্ৰীক বীৰসকলৰ মাজত ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰি বিজয়ী প্ৰথম আৰু দ্বিতীয়জনক পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিছিল। এই ক্ৰীড়া-সমূহ আছিল –ৰথ দৌৰ, মুষ্টি যুদ্ধ, মল্ল যুদ্ধ, ধেনুকাড় মৰাত প্ৰতিযোগিতা, বৰ্শা নিক্ষেপ, দ্বৈত যুদ্ধ (duel fight), দৌৰ প্ৰতিযোগিতা, লোহাৰ বল (গোলোক) নিক্ষেপ (shot put)। ওডিছি'তো এনে প্ৰতিযোগিতাৰ বৰ্ণনা পোৱা যায়। ফিচিয়ান দেশত সাগৰৰ ধুমুহাত জাহাজ ধ্বংস হৈ ইউলিছছ বা ওডিছিউছে আশ্ৰয় লয় আৰু ৰজা আলচিনাছে অভ্যাগতৰ প্ৰীত্যাৰ্থে নৃত্য-গীত আৰু ক্ৰীড়া উৎসৱৰ আয়োজন কৰে। এই ক্ৰীড়া-অনুষ্ঠানত দৌৰ প্ৰতিযোগিতা, মল্লযুদ্ধ, জাঁপ মৰা চক্ৰ নিক্ষেপ (discus throw), মুষ্টি যুদ্ধ আদিৰ আয়োজন হৈছিল। মহাকাব্য-খনৰ অষ্টম সৰ্গত ইয়াৰ বিৱৰণ পোৱা যায়। বাধ্যত পৰি ইউলিছিছেও ইয়াত যোগ দি শক্তি সামৰ্থ্যৰ পৰিচয় দিছিল।

গ্ৰীকসকলৰ মাজত শৱদাহ প্ৰথা প্ৰচলিত আছিল। মৃতদেহ পুৰি জুইত মদ ঢালি মৃতকক তৰ্পণ আৰু দেৱতাৰ উদ্দেশ্যে মদিৰা আৰু বলি দিয়া বা পশু উচ্ছৰ্গা কৰা প্ৰথা প্ৰচলিত আছিল।

আগতে উল্লেখ কৰি অহা হৈছে যে 'ইলিয়াড'ৰ কাহিনী সংহত আৰু অভিকেন্দ্ৰিক। কাহিনীৰ মূলবস্তু হৈছে একিলিছৰ অভিমান, ক্ৰোধ আৰু ক্ৰোধৰ উপশম। **'Sing, Heavenly Muse, the wrath of peleus son'** এই বুলিয়েই হোমাৰে কাহিনী আৰম্ভ কৰিছে। গতিকে, একিলিছৰ ক্ৰোধ নিৰ্বাপনৰ লগে লগে কাব্যৰ সামৰণি পৰিছে, হেলেনৰ উদ্ধাৰ হ'লনে ন'হল, একিলিছ আৰু গ্ৰীক বীৰ-সকলে হেক্টৰৰ মৃত্যুৰ পাছত কি কৰিলে সেই বিষয়ে কাব্য নিমাত। কাব্যখনত ট্ৰয় ৰাজকুমাৰ পেৰিছে হেলেনক হৰণ কৰি অনাৰ বিৱৰণো নাই, আৰু আগামেমননৰ নেতৃত্বত গ্ৰীক বাহিনীৰ সংগঠন, ট্ৰয় যাত্ৰা আৰু প্ৰথম নটা বছৰৰ ঘটনাৰ সম্যক বিৱৰণো নাই। প্ৰাসঙ্গিকভাৱে কথাৰ মাজত ঠায়ে ঠায়ে উল্লেখমাত্ৰ কৰিছে। 'একিলিছৰ ভেদ্য গেৰোৱা' (**Achilles' heels**) বুলি এটা প্ৰৱচন প্ৰচলিত আছে। পৰৱৰ্ত্তী ৰচনাত উল্লেখ কৰিছে যে মাক জলকুঁৱৰী থেটিছে পুত্ৰেকক অকাল মৃত্যুৰ পৰা ৰক্ষা কৰিবলৈ দেৱৰাজৰ আশীৰ্বাদত সমস্ত শৰীৰত হাত বুলাই অঙ্গসমূহ বজ্ৰসদৃশ অভেদ্য কৰিলে যদিও গেৰোৱা দুটাত হাত বুলাব নোৱাৰা কাৰণে সেই অঙ্গ সহজভেদ্য হৈ থাকিল। পেৰিছে শৰ মাৰি তেওঁৰ

গেৰোৱাত আঘাত কৰি মৃত্যু ঘটায়। এইবোৰ কথা কিন্তু 'ইলিয়াড'ত নাই। অৱশ্যে ৰণত একিলিছৰ অকাল মৃত্যুৰ সূচনা মহাকাব্যখনত নথকা নহয়। ইয়াৰে সুবিধা পৰৱৰ্ত্তী কোনো কবিয়ে গ্ৰহণ কৰি ওপৰত কোৱা কাহিনীৰ সৃষ্টি কৰে।

হেক্টৰৰ অন্ত্যেষ্টিক্ৰিয়াৰ পাছত গ্ৰীকবাহিনীয়ে অশেষ কষ্ট কৰিও ট্ৰয় নগৰ লব নোৱাৰি অৱশেষত যি কৌশল-ছলনাৰে নগৰখন অধিকাৰ কৰে সেই ঘটনাও 'ইলিয়াড'ত বৰ্ণিত হোৱা নাই। পৰবৰ্ত্তী কাব্য 'ওডিছি'ত প্ৰসঙ্গক্ৰমে উল্লিখিত হৈছে। গ্ৰীকসকলে ট্ৰয় লোৱাৰ কোনো সম্ভাৱনা নেদেখি ইউলিছছৰ বুদ্ধিমতে নিজ নিজ দেশলৈ উভতি যাব বুলি ঢৌ তুলি দি জাহাজবোৰ সাগৰ যাত্ৰাৰ কাৰণে সাজু হৈ থকা দেখুৱায়। চকৰি লগোৱা বৃহৎ কাঠৰ ঘোঁৰা এটা সাঁজি তাৰ ভিতৰত বছা বছা বীৰ সুমুৱাই ট্ৰয় নগৰৰ সিংহ দুৱাৰৰ কাষত এৰি আহিল। এজন ছদ্মবেশী গ্ৰীকৰ কথাত বিশ্বাস কৰি গ্ৰীক বাহিনী উভতি যোৱা বুলি ভাবি ট্ৰয়ৰ এচাম ডেকাই কাঠৰ ঘোঁৰাটো টানি নি নগৰৰ ভিতৰত সুমুৱালে। ইফালে দিনত সাগৰলৈ ওলাই যোৱা জাহাজবোৰ ৰাতি পুনৰ নগৰৰ কাষ চাপি আহিল। কাঠৰ ঘোঁৰাত সোমাই থকা সৈনাই ঘোঁৰাৰ পেটৰ পৰা ওলাই আহি নগৰৰ দুৱাৰ খুলি দিয়াত গ্ৰীক বাহিনী নগৰত প্ৰৱেশ কৰে। যুদ্ধৰ কাৰণে সাজু হৈ নথকা ট্ৰয়বাসীক পৰাজয় কৰি নগৰ অধিকাৰ পূৰ্বক হেলেনক উদ্ধাৰ কৰে আৰু ট্ৰয় নগৰ লটুপাত কৰি বহুতকে বন্দী কৰি নিয়ে। আনকি ৰাজপৰিয়ালৰ নাৰী-সকলকো ধৰি লৈ যায়। ট্ৰয় ধ্বংস কৰি হেলেনসহ গ্ৰীক বীৰসকল গ্ৰীচলৈ উভতি যায়।

ওপৰৰ ঘটনাখিনি 'ইলিয়াড'ত নাই।

'ইলিয়াড'ৰ প্ৰকৃত নায়ক একিলিছ, কিন্তু একিলিছৰ কাৰ্যই মহাকাব্যখনৰ সৰহ ঠাই আগুৰা নাই। একিলিছৰ লগতে, বৰং নায়কতকৈ অধিক ভূমিকা লোৱা চৰিত্ৰ মহাকাব্যখনত ভালে কেইজন আছে। এই সকলৰ ভিতৰত বিশেষভাবে নাম লব পাৰি ইউলিছিছ বা ওডিছিউছ, আগামেমনন, জ্ঞানবৃদ্ধ নেষ্টৰ, মেনেলাউছ, আজাক্স বা আয়াস (**Ajax**), ডায়েমেডিছ, পেট্ৰক্লাছ আদি গ্ৰীক বীৰ। ট্ৰজান-সকলৰ ভিতৰত উল্লেখযোগ্য চৰিত্ৰ হৈছে হেক্টৰ, ইনিয়াছ, গ্লকাছ, পেৰিছ আৰু বৃদ্ধ ৰজা প্ৰায়াম। স্ত্ৰী চৰিত্ৰৰ প্ৰাধান্য নাই যদিও হেক্টৰ পত্নী এন্দ্ৰমেকী আৰু হেলেনে মাজে মাজে ভুমুকি মাৰিছে। প্ৰধান চৰিত্ৰসমূহ হোমাৰে স্বকীয় বৈশিষ্ট্য দান নকৰাকৈ থকা নাই।

একিলিছৰ পিতৃ মানৱ, কিন্তু মাতৃ দেৱৰাজ জিউছৰ স্নেহভাজন জলকুঁৱৰী থেটিছ। বীৰত্ব, পৰাক্ৰম, শক্তি আৰু সাহসত গ্ৰীকবাহিনীত তেওঁৰ সমকক্ষ কোনো নাছিল। কিন্তু তেওঁ আছিল অত্যন্ত অভিমানী আৰু আত্মমৰ্যাদা সম্পৰ্কে সচেতন। আগামেমননে যেতিয়া তেওঁৰ প্ৰিয় পৰিচাৰিকাক দাবী কৰি

নিবলৈ আয়োজন কৰে তেতিয়া তেওঁৰ আত্মসন্মানত আঘাত কৰা যেন পাই সিংহৰ দৰে গৰ্জি উঠে। পৰিচাৰিকাৰ মোহত নহয়, তেওঁৰ আত্মসন্মান আৰু বীৰত্বত আঘাত লগা কাৰণেহে। জ্ঞানবৃদ্ধ নেষ্টৰৰ শান্তিৰ প্ৰলেপ সনা উপদেশে তেওঁক কিছু শাম্য কৰিলেও যুদ্ধত অংশ গ্ৰহণ নকৰিবলৈ যি প্ৰতিজ্ঞা ললে সেই প্ৰতিজ্ঞা গ্ৰীক সৈন্য বাহিনীৰ ভয়ানক বিপদেও টলাব পৰা নাছিল, আগামেমননৰ অজস্ৰ উপঢৌকন সহ ব্ৰাইছিছক প্ৰত্যাৰ্পণ কৰাৰ প্ৰতিশ্ৰুতিকো তেওঁ প্ৰত্যাখ্যান কৰিছিল। আত্মসম বন্ধু পেট্ৰ'ক্লাছৰ মৃত্যুৱে কিন্তু তেওঁক প্ৰতিজ্ঞা ভঙ্গ কৰাই বন্ধুহত্যাৰ প্ৰতিশোধ লবলৈ ব্যাকুল কৰি তোলে। ইয়াৰ মাজেদি তেওঁৰ অসাধাৰণ বন্ধুপ্ৰীতি প্ৰকাশ পাইছে। যুদ্ধত তেওঁ দুৰ্ধৰ্ষ, নিৰ্মম আৰু নৃশংস। শত্ৰুক ক্ষমা বা আশ্ৰয় প্ৰাৰ্থীক অভয়দান, অনুকম্পা ভিক্ষাৰ্থীক অনুকম্পা প্ৰদৰ্শন কৰা তেওঁৰ ৰণনীতি নহয়। হেক্টৰক যুদ্ধত বধ কৰিয়ে তেওঁ ক্ষান্ত থকা নাই, মৰাশটোৰ ওপৰতো অকথ্য অত্যাচাৰ কৰিছে। জিউছৰ আদেশত মাক থেটিছে আগতে আহি পুত্ৰেকক হেক্টৰৰ মৃতদেহ প্ৰায়ামক ঘূৰাই দিবলৈ নোকোৱাহেঁতেন তেওঁ শোকাতুৰ বৃদ্ধ প্ৰায়ামক পুত্ৰেকৰ মৃতদেহ ভিক্ষা কৰিবলৈ যাওঁতে কেনে ব্যৱহাৰ কৰিলেহেঁতেন সেইটো কোৱা টান। কিন্তু বৃদ্ধ প্ৰায়ামক যথোচিত সম্মানসহ অভ্যৰ্থনা কৰি ৰাতিটো নিজৰ তম্বুত ৰাখি মৃতদেহটো ধুৱাই ওপৰত তেলপ্ৰলেপ সানি পাছ দিনা সৎকাৰ কৰিবৰ কাৰণে প্ৰত্যাৰ্পণ কৰে। হেক্টৰৰ মৃত্যুৰ পাছত একিলিছে গ্ৰীক যোদ্ধাসকলৰ মাজত উৎসাহ উদগনি বঢ়াবৰ কাৰণে যি খেল-ধেমালিৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছিল তাত নিজে অংশ গ্ৰহণ নকৰি একিয়ান (গ্ৰীক) যোদ্ধাসকলক পুৰস্কৃত কৰি উদাৰতাৰ পৰিচয় দিছে। হেক্টৰ আৰু আগামেমননৰ ক্ষেত্ৰত তেওঁ অনমনীয়, আত্মাভিমানী, আৰু দুৰ্ধৰ্ষ নিষ্ঠুৰতাৰ পৰিচয় দিলেও আনসকলৰ প্ৰতি তেওঁ বন্ধুত্বপূৰ্ণ সজ আচৰণেই কৰা দেখা যায়। কিন্তু দেৱৰাজ জিউছৰ তৰ্জুৰ জোখত তেওঁ বিজয়ী বীৰৰূপে নিজ দেশলৈ উভতি যোৱা সম্ভৱ নহ'ল। এপ'ল দেৱতাৰ অনুগ্ৰহত পেৰিছে শৰাঘাতত (গেৰোৱাত আঘাত) তেওঁক ট্ৰয় যুদ্ধতে মৃত্যু ঘটায়। ওডিছিউছে তেওঁক প্ৰেতপুৰীত লগ পাই পুত্ৰেক আৰু পৰৱৰ্ত্তী ঘটনাৰ সম্ভেদ দিছিল।

গ্ৰীকসকলৰ প্ৰধান সেনাপতি আছিল মেনালাউছৰ ককায়েক মাইচেনি ৰাজ্যৰ ৰজা, উচ্চ ব্যক্তিত্বসম্পন্ন, জাকতজিলিকা দৈহিক সৌষ্ঠৱসম্পন্ন আগামেমনন। একিলিছৰ সমান যোদ্ধা নহলেও বীৰত্বত অগ্ৰণী, সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ আগা-মেমননৰ নেতৃত্বত এটা ডাঙৰ খুত হৈছে, যে সামান্য এজনী বান্দনী পৰিচাৰিকাৰ কাৰণে সমস্ত অভিযান ব্যৰ্থ কৰিবলৈ ওলাইছিল। পাছত অৱশ্যে নিজৰ ভুল উপলব্ধি কৰি বহু উপঢৌকন সহ ব্ৰাইছিছক ওভতাই দিয়াৰ প্ৰস্তাৱ দিছিল যদিও অভিমানী একিলিছে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। হেক্টৰৰ নেতৃত্বত ট্ৰজান সৈন্যই গ্ৰীক বাহিনীক ঘটুৱাই অৱশেষত জাহাজত জুই জ্বলাই দিবলৈ আহোঁতে বন্ধু

পেট্ৰ'ক্লাছক (Petroclus) তেওঁৰ পোছাক, শিৰস্ত্ৰাণ আদি পিন্ধাই একিলিছে ট্ৰজান সৈন্যক ভয় দেখুৱাবলৈ যুদ্ধক্ষেত্ৰলৈ পঠাই দিয়ে। সাময়িকভাবে গ্ৰীক বাহিনীৰ ওপৰত হেচাঁ কমিলে যদিও হেক্টৰৰ হাতত পেট্ৰ'ক্লাছৰ মৃত্যু হোৱাত বন্ধু শোকত ক্ষিপ্ত একিলিছে পূৰ্বৰ প্ৰতিজ্ঞা পৰিহাৰ কৰি যুদ্ধ ক্ষেত্ৰত নামে আৰু দেৱী এথেনীৰ সহায়ত হেক্টৰক বধ কৰে আৰু মৰা শটো ৰথৰ পাছত চোচোৰাই গ্ৰীক শিৱিৰত গেলিপচিবলৈ পেলাই থয়। 'ইনীড' কাব্যৰ ইনিয়াছৰ দৰে আগামেমননৰ নেতৃত্বৰ পাৰদৰ্শিতা দেখা নাযায় যদিও বিপৰ্যয়ৰ সময়ে সময়ে প্ৰধান যোদ্ধাসকলক আহ্বান কৰি শলাপৰামৰ্শ কৰি যথোচিত ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। একিলিছক শেষত তেওঁ ব্ৰাইছিছক প্ৰত্যৰ্পণ কৰি, তেওঁ যে গাভৰু গৰাকীৰ কুমাৰীত্ব হৰণ কৰা নাই সেইটো পতিয়ন নিয়াই বহুমূলীয়া উপঢৌকন দিয়ে।

দ্বিতীয় উল্লেখযোগ্য চৰিত্ৰ ওডিছিউছ। ইথাকা নামৰ পৰ্বতীয়া ৰাজ্যৰ ৰজা ওডিছিউছ, চতুৰ কৌশলী, বুদ্ধিমান, প্ৰাজ্ঞ আৰু অসাধাৰণ বীৰ। এই চৰিত্ৰই নিজে যুদ্ধক্ষেত্ৰত যুদ্ধকৌশল প্ৰদৰ্শন কৰি বহু শত্ৰুক বধ কৰাৰ উপৰিও আপৎকালত বা যুদ্ধৰ সংকট অৱস্থাত বুদ্ধি পৰামৰ্শ দি গ্ৰীক বাহিনীক বিজয় লাভত সহায় কৰিছিল। গ্ৰীক war-council-ৰ তেওঁ আৰু বৃদ্ধজ্ঞানী আৰু উচিত পৰামৰ্শদাতা নেষ্টৰ প্ৰধান সদস্য আছিল। ট্ৰজান নৈশ-গুপ্তচৰ দলনক বন্দী কৰি শত্ৰু শিৱিৰৰ সকলো সন্ধেদ লৈ তাক বধ কৰি ডায়'মিডিছৰ লগত ৰাতি ট্ৰজান শিৱিৰ আক্ৰমণ কৰে আৰু শুই থকা বহুতো সৈন্যক বধ কৰি নিজ শিৱিৰলৈ ওডিছিউছ উভতি আহিবলৈ সক্ষম হৈছিল। বিৰাট আকাৰৰ চকৰি লগোৱা ঘোঁৰাটোৰ পেটত বছা বছা সৈন্য লৈ সোমাই থাকি সুৰক্ষিত ট্ৰয় নগৰ ধ্বংসত পৰিণত কৰাৰ কুটকৌশলৰ উদ্ভাৱনো ওডিছিউছৰ। অৱশ্যে বহুত ক্ষেত্ৰত দেৱী এথেনীয়ে তেওঁক সহায় কৰিছিল।

তৃতীয় প্ৰধান চৰিত্ৰ হৈছে বৃদ্ধ নেষ্টৰ। এসময়ত তেওঁ অপ্ৰতিদ্বন্দ্বী ৰথচালক ৰূপে খ্যাত আছিল। গ্ৰীক নেতা সকলোৰে আছিল তেওঁ শ্ৰদ্ধাভাজন। তেওঁৰ পুতেকেও এই অভিযানত অন্যতম গ্ৰীকবীৰ ৰূপে খ্যাতি অৰ্জন কৰিছিল। দশবৰ্ষীয় অভিযানত ৰণকৌশল, আত্মবিৰোধ, প্ৰতিৰক্ষা ব্যৱস্থা, সংকটাপন্ন অৱস্থাত কৰণীয় কাৰ্য সম্পৰ্কে আলোচনা কৰিবলৈ সময়ে সময়ে বীৰ গ্ৰীকসকলৰ যি সভা আহ্বান কৰা হৈছিল সেই সভাবোৰত প্ৰাজ্ঞ নেষ্টৰ প্ৰায়ে প্ৰধান বক্তা আৰু পৰামৰ্শদাতা আছিল। কিন্তু বৃদ্ধ বয়সৰ যিটো সাধাৰণ দোষ অৰ্থাৎ তেওঁৰ ডেকা বয়সৰ বীৰত্ব, ক্ষমতা, গুণ-গৰিমা আদি প্ৰসংগক্ৰমে উত্থাপন কৰি আত্মযশ প্ৰচাৰ কৰিছিল। তথাপি নেষ্টৰৰ জ্ঞানগৰ্ভ উপদেশৰ দ্বাৰা গ্ৰীকসকল উপকৃত হৈছিল।

হেলেনৰ বিবাহিত পতি মেনেলাউছৰ ভূমিকা যেনে হ'ব বুলি পাঠকে আশা কৰে তেনে নহয়, অৱশ্যে নগণ্যও বুলি কব নোৱাৰি। মহাকাব্যখনৰ তৃতীয় সৰ্গত পেৰিছৰ আহ্বানক্ৰমে মেনেলাউছে দ্বৈত যুদ্ধত নামে। চৰ্ত আছিল যেয়ে জিকিব

সেয়ে হেলেনক লাভ কৰিব। মেনেলাউছৰ হাতত পৰিছৰ মৃত্যু অথবা পৰাজয় হোৱাৰ সম্ভাৱনা দেখি দেবী এফ্রোডাইটে (ভেনাচ) শেষ মুহূর্তত পেৰিছক ৰণথলিৰ পৰা আঁতৰাই নিয়ে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে পেৰিছে দ্বৈত যুদ্ধত অৱতীৰ্ণ হৈছিল ককায়েক দেৱপ্ৰতিম (godlike) হেক্টৰৰ তিৰস্কাৰপূৰ্ণ বাক্য আৰু উদ্দীপনাত সহাঁৰি দি (৩।৪০-)। মেনেলাউছে অৱশ্যে দহ বছৰীয়া যুদ্ধৰ শেষ পৰ্যায়ত যথেষ্ট বীৰত্ব প্ৰদৰ্শন কৰি গ্ৰীক বাহিনীৰ বিপৰ্যয়ৰ সমুখত আত্মপক্ষ ৰক্ষা কৰাত যথেষ্ট সহায় কৰিছিল। তেওঁ এজন ভাল ৰথচালকো আছিল (সৰ্গ ২৩)।

গ্ৰীক বাহিনীত এজন উল্লেখযোগ্য যুদ্ধনেতা আৰু বীৰ হৈছে ডায়মেডিছ (Diomedes)। কাব্যখনৰ চতুৰ্থ সৰ্গৰ পৰা ষষ্ঠ সৰ্গলৈকে ডায়েমেডিছে গ্ৰীক বাহিনীক পৰিচালনা কৰি ট্ৰজানবোৰক প্ৰাচীৰ বেষ্টিত, সুৰক্ষিত ট্ৰয় নগৰৰ দুৱাৰ মুখলৈকে খেদি নিছিল। দৰাচলতে একিলিছৰ অনুপস্থিতিত ডায়মেডিছে সাময়িক ভাবে তেওঁৰ স্থান পূৰণ কৰিছিল। গ্ৰীক দেৱ-দেৱীকো যুদ্ধক্ষেত্ৰত দেখি অস্ত্ৰ-নিক্ষেপ কৰিবলৈ সংকোচ কৰা নাছিল। এওঁৰ বাহিৰেও গ্ৰীক বাহিনীৰ প্ৰধান যোদ্ধা আয়াছ (Aias) দ্বয় যুদ্ধত সদায় আগৰণুৱা আৰু দুৰ্ধৰ্ষ আছিল। এজন ছেলামিছৰ ৰজা তেলামনৰ পুতেক আৰু আনজন লোক্ৰিছৰ ৰজা অয়লিয়াছৰ সন্তান।

ট্ৰজানসকলৰ নগৰ সুৰক্ষিত থকাৰ কাৰণে গ্ৰীক সৈন্য নগৰৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰাত বাহিৰৰ মুকলি সাগৰ পাৰত যুদ্ধ হৈছিল। অশ্বাৰোহী (cavalry) সৈন্যৰ প্ৰয়োগ হোৱা দেখা নাযায়। কিন্তু ৰথ যুদ্ধত প্ৰয়োগ হৈছিল।

আগতে উল্লেখ কৰি অহা হৈছে যে গ্ৰীক দেৱ-দেৱীয়ে হোমাৰ আৰু ভাৰ্জিলৰ কাব্যৰ অনেক ঠাইত হস্তক্ষেপ কৰি ঘটনাৰ স্ৰোত বিপৰীতে ঘোৰাই দিয়াৰ উদাহৰণ আছে। দেৱতাৰ হস্তক্ষেপ পৃথিবীৰ প্ৰাচীনতম মহাকাব্য খ্ৰিঃ পূঃ তিনিহাজাৰ বছৰৰ আগতে ৰচনা কৰা 'গিলগামেছ'তো দেখা পাওঁ। গ্ৰীক দেৱ-দেৱীসকল এটা পৰিয়ালৰ অন্তৰ্ভুক্ত আৰু তেওঁলোকক শাসন আৰু নিয়ন্ত্ৰিত কৰিছিল বজ্ৰধাৰী দেৱৰাজ জিউছে। কিন্তু কাৰ্যক্ষেত্ৰত জিউছক অমান্য কৰি অথবা জেউৰ ধৰি, বিশেষকৈ পত্নী হেৰা, এথেনী আৰু এফ্রোডাইটে নিজৰ অভীষ্ট সিদ্ধি কৰা দেখা যায়। দেৱতাসকলৰ এভাগে গ্ৰীক বা একিয়ানসকলক সকলো প্ৰকাৰে সহায় কৰিছিল। এওঁলোক হ'ল—এথেনী, হেৰা, সাগৰ ধুমুহাৰ দেৱতা পজেইডন, একিলিছৰ মাক জলকুঁৱৰী থেটিছ। আনফালে অৰ্থাৎ ট্ৰজানসকলৰ পক্ষে আছিল সূৰ্যদেৱতা এপ'ল, ৰণদেৱতা আৰেছ, প্ৰেমৰ দেৱী এফ্রোডাইট, নদীকোঁৱৰ স্কেমেণ্ডাৰ। জিউছে দেখাত নিৰপেক্ষতা অৱলম্বন কৰা যেন লাগিলেও তেওঁৰ তুলাচনিত কিন্তু শেষত গ্ৰীক পক্ষৰ ওজন বাঢ়িছে। ফলত, সাময়িকভাৱে ট্ৰজান

বিজয় হোৱাত সহায় কৰি অৱশেষত একিয়ান বাহিনীক জয়যুক্ত কৰিছে আৰু হেলেনৰ পুনৰুদ্ধাৰত ছদ্মৰূপত প্ৰিয় পক্ষক সহায় কৰা দেখা যায়। 'ওডিছি'ত দেৱী এথেনীয়ে এনে ধৰণৰ দুই ৰূপতে টেলিমেকাছ আৰু ওডিছিউছক সহায় কৰিছে। সেইদৰে 'ইলিয়াড'তো এথেনী, এফ্ৰোডাইট, এপ'ল আদিয়ে নিজ ৰূপতে হওক বা ছদ্মৰূপতে হওক বিভিন্ন বীৰ বা ব্যক্তিক সহায় কৰিছে।

'ইলিয়াড'ত মানৱ নাৰীচৰিত্ৰ প্ৰধানকৈ দুগৰাকী—হেলেন আৰু এন্দ্ৰমেকী। দ্বাবিংশ সৰ্গত হেক্টৰৰ মাতৃ ৰাণী হেকুবাক শোক সন্তপ্তা ৰূপত উলিয়াইছে। হেলেনৰ ৰূপ অনুমান কৰি লবলৈহে হোমাৰে পাঠক বা শ্ৰোতালৈ এৰি দিছে। অৱশ্যে হোমাৰে সঘনে ব্যৱহাৰ কৰা বিশেষণ প্ৰায়ে নামৰ আগত দেখা যায় (fair Helen, white footed Helen etc.)। কিন্তু হোমাৰে এটা অতি প্ৰভাৱপাতী চিত্ৰৰ যোগেদি হেলেনৰ ৰূপ অনুমান কৰিবলৈ সুবিধা দিছে। তৃতীয় সৰ্গত ট্ৰয়-নগৰৰ প্ৰাচীৰত উঠি ৰজা প্ৰায়েম আৰু ৰাজ্যৰ বয়সস্থ নাগৰিকসকলক হেলেনে গ্ৰীকবীৰসকলক চিনাক্ত কৰি দিয়ে আৰু সেই প্ৰসংগত এই বয়সস্থ নাগৰিক কেইজনে, যাৰ হয়তো যুদ্ধত প্ৰিয় পুত্ৰ, ভতিজা, ভাগিন নিহত হৈছে, হেলেন সম্পৰ্কে যি অভিমত দাঙি ধৰিছে সেইটোৱেই তেওঁৰ ৰূপ সৌন্দৰ্যৰ অভিব্যঞ্জনা সূচিত কৰে।

And watching Helen as she climbed the stairs
in undertones they said to one another ;
"we cannot rage at her, it is no wonder
that Trojans and Achaeans under arms
should for so long have borne the pains of war for one like this ?
unearthliness, a goddess the woman is to look at".

হোমাৰে হেলেনক ধ্বংসকাৰী যুদ্ধৰ কাৰণে দুই এঠাইত নিজকে দায়ী কৰি অনুতাপ কৰা দেখুৱাইছে যদিও এফ্ৰোডাইটৰ প্ৰভাৱৰ ফলত পেৰিছৰ সংশ্ৰৱ এৰিব পৰা নাই। মেনেলাউছৰ লগত দ্বন্দ্ব যুদ্ধত থাকিব নোৱাৰি পলাই আহোঁতে হেলেনে পেৰিছক তিৰস্কাৰ কৰি কৈছে—

Helen, daughter of Zeus beyond the stormcloud
took her sit with downcast eyes and greeted him :
"Home from the war ? You should have perished there,
brought down by that strong soldier, once my husband.
you used to say you were the better man,
more skilfull with your hands, your spear, so, why not challenge him to fight ?"

(ডাৱৰৰ সিপাৰে থকা দেৱৰাজ জিউছৰ কন্যা হেলেন বিষণ্ন দৃষ্টিৰে পেৰিছক অভিবাদন কৰি কলে, "যুদ্ধৰ পৰা ঘৰলৈ উভতি আহিলা, ৰণক্ষেত্ৰতে মোৰ পূৰ্বৰ বীৰ স্বামীৰ হাতত তুমি নষ্ট যোৱা উচিত আছিল। তুমি নিজকে শ্ৰেষ্ঠ পুৰুষ বুলি যহাইছিলা, বৰ্শা নিক্ষেপত তোমাৰ হাত নিপুণ বুলি কৈছিলা? এতিয়া তেওঁক যুদ্ধলৈ প্ৰত্যাহ্বান নকৰা কিয় ?)

'ওডিছি' গ্ৰন্থত টেলিমেকাছে পিতাকৰ অন্বেষণত মেনেলাউছৰ স্পাৰ্টালৈ যাওঁতে মেনেলাউছ হেলেনক সুখী পতি-পত্নীৰূপেই দেখা পাইছিল আৰু ওডিছিউছৰ দুঃসাহসিক এটা উদাহৰণ দাঙি ধৰিছিল (চতুৰ্থ সৰ্গ)। মুঠতে কব পাৰি দেখাত আৰু কাৰ্যত হেলেন ব্যভিচাৰিণী আৰু কামপৰৱশা যেন লাগিলেও দৰাচালতে তেওঁ আছিল প্ৰেমৰ দেৱী এফ্ৰোডাইটৰ পুতলা। দেৱীয়ে নিজ উদ্দেশ্য সিদ্ধিৰ কাৰণে হেলেনক প্ৰয়োগ কৰিছে। 'ইলিয়াড'ৰ এঠাইত হেলেনে তাঁত বৈ থকা দেখুৱাইছে।

'ইলিয়াড'ৰ নাৰীচৰিত্ৰৰ ভিতৰত সকলোৰে সহানুভূতি আকৰ্ষণ কৰে হেক্টৰ পত্নী এন্দ্ৰমেকীয়ে। তেওঁক আমি মাত্ৰ দুটা দৃশ্যত দেখা পাওঁ।

ষষ্ঠ সৰ্গত কেচুৱা পুত্ৰসন্তানটো লৈ এন্দ্ৰমেকীয়ে হেক্টৰক লগ ধৰি যুদ্ধৰ পৰা, কেচুৱাটোৰ ভবিষ্যতৰ কথা চিন্তা কৰি, বিৰত কৰিবলৈ চেষ্টা কৰে। তেওঁৰ পতিৰ কান্ধত হাত দুখন থৈ একিলিছৰ বিৰুদ্ধে যুদ্ধলৈ নাযাবলৈ সাশ্ৰুনয়নে, সকাতৰে অনুৰোধ কৰা দেখা পাওঁ। একিলিছে তেওঁৰ পিতৃৰাজ্য থিব আক্ৰমণ কৰি সবংশে নিধন কৰিছিল সেই কথা সোঁৱৰাই দি শেষত কৈছিল ঃ

Father and mother, I have none but you,
Be merciful ! Stay here upon the tower
Do'nt bereave your child and widow me.

পত্নীৰ বাধা নামানি হেক্টৰ যুদ্ধলৈ যায়, কিন্তু সুৰক্ষিত প্ৰাচীৰৰ ভিতৰত আত্মৰক্ষা কৰিবলৈ বন্ধুসকলৰ দ্বাৰা বাৰম্বাৰ অনুৰোধ সত্ত্বেও আত্মসন্মান ৰক্ষা কৰি একিলিছৰ সন্মুখীন হৈ আৰু শেষ মুহূৰ্তত দেৱতাৰ দ্বাৰা প্ৰতাৰিত হৈ হেক্টৰে পত্নীপুত্ৰক এৰি যুদ্ধত প্ৰাণ এৰে। হেক্টৰৰ মৃত্যুত কেৱল এন্দ্ৰমেকীয়েই অনাথা হোৱা নাই, ট্ৰয়নগৰীও অনাথা হ'ল। মহাকাব্যখনৰ দ্বাবিংশ সৰ্গ বৃদ্ধ ৰজা প্ৰায়েম, ৰাণী হেকুবা আৰু সদ্যবিধবা এন্দ্ৰমেকীৰ বিননিৰে অশ্ৰুভাৰাক্ৰান্ত। এন্দ্ৰমেকীৰ শোক হোমাৰে চতুৰ্বিংশ সৰ্গত ৮০ লাইনত ব্যথাতুৰ হৃদয়েৰে বৰ্ণনা কৰিছে। একিলিছৰ পুত্ৰ পলিঅ'ডৰাছে এন্দ্ৰমেকীক বন্দিনী কৰি লৈ যায়। এমুৱে সাধ্বী পত্নী এন্দ্ৰমেকী আৰু আনমুৱত একে প্ৰাসাদত বাস কৰা উপপতি বা প্ৰেমিকৰ লগত স্বামীক পৰিত্যাগ কৰি পলাই অহা সুন্দৰী হেলেন, যি বিনা দ্বিধাই গ্ৰীক বাহিনীক ট্ৰয় ধ্বংস কৰাত সহায় কৰি মেনেলাউছৰ লগত গ্ৰীচলৈ উভতি যায়।

ট্ৰজান বীৰৰ ভিতৰত প্ৰথমেই আমাৰ দৃষ্টি পৰিলে আহে ট্ৰয়ৰ যুৱৰাজ, দেশপ্ৰেমিক, অসামান্য যোদ্ধা আৰু একপত্নীক হেক্টৰ। নবছৰ গ্ৰীকসকলে ট্ৰয় অৱৰোধ কৰিও একো কৰিব নোৱাৰি অৱশেষত গ্ৰীচলৈ উভতি যোৱাৰ চিন্তা কৰিব লগা হৈছিল হেক্টৰৰ বীৰত্ব আৰু সৈন্যাধ্যক্ষতাৰ পাৰদৰ্শিতাৰ কাৰণে। দশম বছৰত মুকলি প্ৰান্তত যেতিয়া যুদ্ধ হ'ল, কিন্তু একিলিছ যুদ্ধৰ পৰা বিৰত থাকিল, তেতিয়া হেক্টৰৰ বীৰত্ব আৰু সৈন্য পৰিচালনাত ট্ৰজান সৈন্যদলে গ্ৰীক বাহিনীৰ সকলো প্ৰতিৰক্ষা ব্যৱস্থা ভেদ কৰি জাহাজবোৰত জুই লগাই দিবলৈ আৰম্ভ কৰে। প্ৰাণসমবন্ধু পেট্ৰক্লাছৰ কাতৰ অনুৰোধ এৰাব নোৱাৰি, তদুপৰি গ্ৰীক বাহিনীৰ শোচনীয় অৱস্থা দেখি নিজে যুদ্ধত নানামি তেওঁৰ ৰণপোছাক পিন্ধাই একিলিছে বন্ধুক যুদ্ধলৈ পঠাই দিয়ে। পেট্ৰক্লাছে একিলিছৰ বেশত ট্ৰজান সৈন্যৰ ভীতি উৎপাদন কৰি সাময়িক ভাবে বীৰত্ব প্ৰদৰ্শন কৰি শত্ৰু সৈন্যক উপকূলৰ পৰা বিতাৰিত কৰিবলৈ সক্ষম হয় যদিও অৱশেষত হেক্টৰৰ হাতত মৃত্যু বৰণ কৰে। এই মৃত্যু হেক্টৰৰো মৃত্যুৰ কাৰণ হয়। বন্ধু বিয়োগত সন্তপ্ত একিলিছে প্ৰতিশোধ লবলৈ প্ৰতিজ্ঞা ভংগ কৰি যুদ্ধত নামে আৰু তেওঁ দুৰ্দ্ধৰ্ষ মাৰ্মিডন সৈন্যবাহিনীৰে ট্ৰজানদলক ধুমুহাৰ দৰে আক্ৰমণ কৰি ছেদেলি-ভেদেলি কৰি পেলায়। যুদ্ধত তিষ্ঠিব নোৱাৰি ট্ৰজানবিলাকে দুৰ্গৰ ভিতৰত আশ্ৰয় লয়, কিন্তু হেক্টৰে পিতৃ-মাতৃ-পত্নীৰ অনুৰোধ উপেক্ষা কৰি অৱশ্যম্ভাবী মৃত্যুৰ সম্মুখীন হয়। অকলশৰে ৰণপ্ৰাংগণত থিয় হৈ হেক্টৰে পিতৃমাতৃক যি প্ৰত্যুত্তৰ দিয়ে সেইখিনি উদ্ধৃতব্য।

"এতিয়া মই অকলশৰীয়া, বিপাঙগত পৰা অৱস্থা। এই অৱস্হাত যদি মই নগৰদুৰ্গৰ ভিতৰত আশ্ৰয় লওঁ মোক প্ৰথমতে দুষিব পলিডেমাছে, কাৰণ তেওঁ মোক প্ৰথমতেই সৈন্যবাহিনীসহ নগৰৰ ভিতৰত আশ্ৰয় লবলৈ কৈছিল। কিন্তু মই তেওঁৰ কথা নামানি সৈন্যবোৰক যুদ্ধত প্ৰবৃত্ত কৰালোঁ। ফলত বহু সৈন্য একিলিছৰ হাতত মৰা পৰিল মোৰ বীৰত্বাভিমানৰ কাৰণে। মই এতিয়া নগৰদুৰ্গত আশ্ৰয় ললে সাধাৰণত সৈনিক এজনেও কব, 'এই হেক্টৰে নিজৰ অহংকাৰ ৰাখিবলৈ আত্মসৈন্যদলক মৃত্যুৰ মুখলৈ ঠেলি দিছিল।' এই কাৰণেই দ্বন্দযুদ্ধত হয় মই একিলিছক বধ কৰিম, নহয় একিলিছৰ লগত শেষলৈকে যুদ্ধ কৰি প্ৰাণত্যাগ কৰিম।" (সৰ্গ ২২/১০২—১১০)

একিলিছক যদি দেৱশিল্পী হেফেষ্টাছে মানৱাস্ত্ৰৰ অভেদ্য দৈৱ ঢাল দি সহায় নকৰিলেহেঁতেন, অথবা দেৱী এথেনীয়ে হেক্টৰৰ ভায়েকৰ ছদ্মবেশত প্ৰয়োজনমতে অস্ত্ৰাদি সহায় কৰিব বুলি প্ৰতাৰণা নকৰিলেহেঁতেন আৰু একিলিছৰ নিক্ষেপিত লক্ষ্যব্যৰ্থ বৰ্শা যদি পুনৰ একিলিছৰ হাতত অৰ্পণ নকৰিলেহেঁতেন তেন্তে হেক্টৰক বধ কৰা সহজ নাছিল। সংকটপূৰ্ণ মুহূৰ্তত ছদ্মবেশী ভাই ঠাইতে নোহোৱা হয়। হেক্টৰক বধ কৰাত একিলিছৰ বীৰত্ব দেৱ সাহায্যৰ ফলত হ্ৰাস পাইছে।

হেলেনৰ প্ৰতিও হেক্টৰ সহানুভূতিশীল আছিল। ট্ৰয়ধ্বংসকাৰী মাৰাত্মক যুদ্ধৰ কাৰণে আনৰ দৰে তেওঁ হেলেনক দোষাৰোপ কৰা নাছিল, বৰং মহাকাব্যৰ একাধিক ঠাইত ভায়েক পেৰিছক বিলাসপ্ৰিয়তা আৰু যুদ্ধবিমুখ মানসিকতাৰ কাৰণে কটূক্তি কৰা দেখা যায়। মুঠতে হেক্টৰৰ ব্যক্তিত্বত প্ৰকৃত বীৰৰ প্ৰায়বোৰ লক্ষণ প্ৰকাশ পাইছে।

হেক্টৰৰ মৃত্যুত পিতৃ প্ৰায়াম, মাতৃ হেকুবা আৰু পত্নী এন্দ্ৰমেকীৰ শোকৰ বিননি কাব্যখনৰ শেষ সৰ্গত কবিয়ে বিশদভাবে বৰ্ণনা কৰিছে। হেকুবাক একপ্ৰকাৰে গান্ধাৰীৰ লগত তুলনা কৰিব পাৰি, গান্ধাৰীয়ে এশ পুত্ৰ যুদ্ধত হেৰুৱাইছিল, হেকুবাই পঞ্চাশ পুত্ৰ হেৰুৱায়। তাৰে ১২ জনক একিলিছে পেট্ৰ'ক্লাছৰ শৱ সংকাৰ উপলক্ষে বলি দিছিল। বৃদ্ধ ৰজা প্ৰায়াম আৰু ৰাণী হেকুবা কাব্যখনৰ অত্যন্ত দুৰ্ভগীয়া কৰুণ চৰিত্ৰ। প্ৰায়ামে তৃতীয় সৰ্গত হেলেনৰ সহায়ত গ্ৰীকবীৰসকলৰ পৰিচয় লওঁতে সেই মহামাৰী যুদ্ধৰ কাৰণে হেলেনক দোষ নিদি দেৱতাকহে দায়ী কৰিছে।

> come here, dear child, sit here
> beside me, you shall see your one-time lord
> and your dear kinsmem. You are not to blame,
> I hold the gods to blame for bringing on
> this war against the Achaeans to our sorrow.
>
> (III/160 165)

হেক্টৰৰ মৃত্যুত বৃদ্ধ ৰজা আৰু ৰাণী অতিশয় ব্যথিত হৈছিল; সেই কাৰণে একিলিছৰ শিবিৰলৈ নিজৰ জীৱন বিপন্ন কৰিও মৃত পুত্ৰৰ মৰা শটো উদ্ধাৰ কৰিবলৈ ৰাতি যাত্ৰা কৰিছিল, মৃতকৰ শটো যথাবিধি সংকাৰ কৰিব নোৱাৰিলে মৃতকৰ সদ্‌গতি নহয় বুলি গ্ৰীক আৰু ট্ৰজানসকলে বিশ্বাস কৰিছিল। সেই কাৰণে প্ৰিয়পুত্ৰৰ শৱ ভিক্ষা কৰি বৃদ্ধ ৰজা নিজৰ সম্ভাব্য মৃত্যুলৈ আওকাণ কৰি পুত্ৰহন্তাৰ ওচৰত দীনবেশে উপস্থিত হৈছিল। শৱসংকাৰৰ কাৰণে যুদ্ধবিৰতিও ঘোষণা কৰা হৈছিল। ইলিয়াড ইয়াতে অন্ত পৰাত পৰৱৰ্তী ঘটনাৱলী আৰু চৰিত্ৰৰ পৰিণতি প্ৰসংগক্ৰমে ওডিছি আৰু ইনীডত বৰ্ণনা কৰিছে।

ট্ৰজান যুদ্ধৰ কাৰণে প্ৰধানকৈ দায়ী ৰাজকোঁৱৰ পেৰিছ। এথেনী, হেৰা আৰু এফ্ৰোডাইটৰ মাজত কোন অধিকতম সুন্দৰী বিচাৰ কৰিবলৈ গৈ জগতৰ শ্ৰেষ্ঠা সুন্দৰী লাভৰ আশাত প্ৰেমৰ দেৱী এফ্ৰোডাইটক বছাত হেৰা আৰু এথেনীৰ অপ্ৰিয়ভাজন হয়। এফ্ৰোডাইটে পুৰস্কাৰ স্বৰূপে হেলেনক লাভ কৰাত সহায় কৰে। পেৰিছে মেনেলাউছৰ আতিথ্যৰ সুযোগ লৈ পৰমাসুন্দৰী হেলেনক লৈ উধাও হয়। ফলত হেলেনক উদ্ধাৰকল্পে গ্ৰীক অভিযান। ট্ৰয়নগৰত ধ্বংসৰ কাৰণে পেৰিছ প্ৰত্যক্ষভাবে দায়ী। তেওঁ হেক্টৰৰ দ্বাৰা তিৰস্কৃত হৈ যুদ্ধলৈ গৈছে যদিও হেক্টৰৰ দৰে

দেহেগেহে যুদ্ধত লিপ্ত হোৱা নাই। সুবিধা পালেই যুদ্ধক্ষেত্ৰ এৰি হেলেনৰ কাষ চাপিছে। ধনুৰ্বিদ্যাত তেওঁৰ পাৰদৰ্শিতা আছিল। একিলিছৰ গোৰালিত বাণ নিক্ষেপ কৰি তেওঁৱেই গ্ৰীক মহাবীৰজনৰ মৃত্যু ঘটায়। আনকি হেলেনেও তেওঁক যুদ্ধৰ পৰা পলাই অহা কাৰণে তিৰস্কাৰ নকৰাকৈ থকা নাই।

Helen, daughter of Zeus beyond the storm cloud,
took her seat with downcast eyes and greeted him.
"Home from the war ? You should have perished there,
brought down by that strong soldier, once my husband
you used to say you were the better man,
more skilful with your hands, your spear,
So why not challange him to fight again."

(Book III/425-30)

ট্ৰজানসকলৰ মাজত আন এজন উল্লেখযোগ্য বীৰ হৈছে ইনিয়াছ যি ভাৰ্জিলৰ 'ইনীড' মহাকাব্যৰ নায়ক। এওঁ ট্ৰজান বংশীয় ৰাজকোঁৱৰ। বীৰত্বত হেক্টৰৰ পাছতে এওঁৰ স্থান। জন্মৰ ফালৰ পৰা একিলিছৰ দৰে দেৱীপুত্ৰ। প্ৰেমৰ দেৱী এফ্ৰোডাইট তেওঁৰ মাক। একিলিছৰ যুদ্ধত অনুপস্থিতিৰ সুবিধা লৈ হেক্টৰ আৰু ইনিয়াছৰ নেতৃত্বত গ্ৰীক বাহিনীক পৰাভূত কৰি সাগৰৰ উপকূললৈ ঠেলি পঠোৱাত হেক্টৰৰ পাছতে এওঁ আগভাগ লৈছে। যেতিয়া একিলিছ যুদ্ধত নামি ট্ৰজান সৈন্যক ছেদেলি-ভেদেলি কৰে তেতিয়া ইনিয়াছে নিৰ্ভয়ে একিলিছৰ সন্মুখীন হৈছে। যুদ্ধৰ সময়ত একিলিছে যেতিয়া ইনিয়াছৰ বীৰত্বক আঘাত কৰি কটুবাক্য প্ৰয়োগ কৰিছিল তেতিয়া তেওঁ একিলিছক চুঙা চাই সোপা দিছিল।

Men have twisty tongues, and on them speech
of all kinds, wide is the growing land of words,
both east and west. The manner of speech you use,
the same you are apt to hear, By what necessity
must we goad one another face to face
with provocation ? Like two city women
ruffling into the middle of a street
to wrangle, bitter by rage,
with many a true words—and some false, for anger
calls out those as well. My mind is set
on honour. Words of yours cannot throw me off
not till our spears have crossed.

এয়ে ইনিয়াছ যি ট্ৰয়ৰ পতনৰ পাছত ইটালীত ৰাজ্যস্থাপন কৰে।

তৃতীয় অধ্যায়

ওডিছি

তৃতীয় অধ্যায়

ওডিছি

হোমাৰৰ পৰৱৰ্ত্তী ৰচনা 'ওডিছি'। ট্ৰয়-অভিযানত অংশ গ্ৰহণ কৰা শল-শিয়ান গ্ৰীকবীৰ, ইথাকা নামৰ পৰ্বতীয়া ৰাজ্যৰ ৰজা ওডিছিউছৰ দৈবকোপত সাগৰত নানা বিপৰ্যয়ৰ মাজেদি পৰিভ্ৰমণ, ইথাকাত সাধ্বী পত্নী পেনিল'পীৰ পাণিপ্ৰাৰ্থী উদ্ধত যুৱক দলৰ উম্ভন্দালি, ওডিছিউছৰ পুত্ৰ টেলিমেকিছাৰ পিতৃ অন্বেষণত সাগৰেদি বিভিন্ন ৰাজ্যত ভ্ৰমণ আৰু দেবী এথেনীৰ নিদেৰ্শত নিজ ৰাজ্যলৈ গোপনে প্ৰত্যাৱৰ্ত্তন আৰু অৱশেষত ইথাকা ৰাজ্য এৰি যোৱা উনৈশ বছৰৰ মূৰত ওডিছিউছৰ ছদ্মবেশত নিজ ৰাজ্যলৈ প্ৰত্যাৱৰ্ত্তন আৰু উদণ্ড পাণিপ্ৰাৰ্থীসমূহক বধ কৰি পত্নী পেনিল'পীৰ লগত মিলন—এইখিনিয়েই মহাকাব্যখনৰ থুলমূল কথা। মহাকাব্যখনৰ চৌবিশটা সৰ্গৰ চমু বিৱৰণ তলত দাঙি ধৰা হ'ল।

(১) দেৱৰাজ জিউছৰ অনুমতিক্ৰমে দেৱী এথেনী ওডিছিউছৰ এসময়ৰ বন্ধু সামন্তৰাজ মেণ্টিছৰ বেশত দেবী এথেনী ইথাকাত উপস্থিত হয় আৰু পেনিল'পীৰ পানিপ্ৰাৰ্থী মুৰে-ভৰিয়ে কঢ়া উদণ্ড যুৱকদলৰ ব্যৱহাৰত অতিস্থ হোৱা ইউলিছিছ-পুত্ৰ টেলিমেকাছক সান্ত্বনা আৰু উৎসাহ দি পিতাকৰ সন্ধানত নেণ্টৰৰ ৰাজ্য পাইলছ আৰু মেনেলাউছৰ ৰাজ্য স্পাৰ্টালৈ যাবলৈ নিৰ্দেশ দিয়ে। (২) পাছদিনা টেলিমেকাছে পাণিপ্ৰাৰ্থী যুৱকসকলক গোটখুৱাই তেওঁলোকৰ অসৎ আচৰণৰ কাৰণে তিৰস্কাৰ কৰি সাৱধান বাণী শুনায়; ইয়াৰ ফলত তৰ্ক-বিতৰ্কৰ সৃষ্টি হয়। টেলিমেকাছে সিহঁতক কিছুদিন ধৈৰ্য ধৰিবলৈ কৈ মেণ্টৰৰ ছদ্মবেশত দেখা দিয়া এথেনীৰ উপদেশমতে বিশ্বস্ত অনুচৰ লগত লৈ ৰাতিয়েই জাহাজত উঠি পাইলছলৈ বুলি যাত্ৰা কৰে। (৩) টেলিমেকাছৰ জাহাজে জ্ঞানবৃদ্ধ ৰজা নেষ্টৰৰ পাইলছ ৰাজ্যত লংগৰ পেলালে। সেই সময়ত ৰাজ্যত দেৱতা পছেইডনৰ উদ্দেশ্যে পূজা-উৎসৱ হৈছিল। নেষ্টৰ আৰু পুতেক পিছিষ্ট্ৰেটাছে অভ্যাগত দুজনক স্বাগত জনাই পৰিচয় ললে। তাৰ পাছত ট্ৰয়ৰ পৰা নিজ ৰাজ্যলৈ উভতি অহা ৰজা আৰু বীৰসকলৰ বিশেষকৈ মেনেলাউছ আৰু আগামেমননৰ কি দুৰ্দশা হৈছিল তাক নেষ্টৰে বিৱৰি কয়, কিন্তু ওডিছিউছৰ কোনো সম্ভেদ দিব নোৱাৰি, টেলিমেকাছক স্পাৰ্টাৰ লেচিডিমনলৈ যাবলৈ নিৰ্দেশ দিয়ে। সেই নগৰত মেনেলাউছ আৰু হেলেন আছিল। (৪) ৰাতিটো নেষ্টৰৰ ৰাজপ্ৰাসাদত কটাই পাছদিনা ৰজাই দিয়া ৰথত উঠি টেলিমেকাছ লেচিডিমনত উপস্থিত হয় আৰু ৰজা মেনেলাউছ আৰু হেলেনক লগ ধৰে। তেওঁৰ লগত নেষ্টৰৰ পুতেকো গৈছিল। আদৰ-অভ্যৰ্থনাৰ পাছত তেওঁলোকে পৰিচয় প্ৰদান কৰাত মেনেলাউছ আৰু হেলেনে ওডিছিউছৰ বহুতো

বুদ্ধি কৌশল আৰু বীৰত্বৰ বৰ্ণনা দিয়ে। প্ৰসংগক্ৰমে মেনেলাউছে সাগৰ দেৱতা প্ৰতিউছৰ পৰা শুনা কেলিপ্স দেৱীৰ দ্বীপত বন্দী হৈ থকা ওডিছিউছৰ সংবাদ প্ৰদান কৰে। ইফালে ইথাকাত উদণ্ড যুৱকবোৰে টেলিমেকিছক উভতি আহোঁতে বাটতে বধ কৰিবলৈ ষড়যন্ত্ৰ কৰে। (৫) পঞ্চম খন্ডৰ পৰা ওডিছিউছৰ বিৱৰণ আৰম্ভ হৈছে। ট্ৰয়ৰ পৰা স্বদেশাভিমুখে যাত্ৰা কৰি ওডিছিউছ ভগ্নতৰি হৈ যিটো দ্বীপত আশ্ৰয় লয় সেই দ্বীপটোত গৰাকিণী এজনী অপেচৰী নাম কেলিপ্স। তাই ইউলিছছক প্ৰণয় যাচি দ্বীপটোত আবদ্ধ কৰি ৰাখে। এথেনীৰ অনুৰোধত দেৱৰাজে হাৰ্মিছ দেৱতাক পঠাই ওডিছিউছক মুকলি কৰি দিবলৈ কেলিপ্সক আদেশ দিয়ে। দেৱৰাজৰ আদেশ মানি অনিচ্ছা সত্বেও কেলিপ্স'ই ওডিছিউছক নিজে এখন নাও সাঁজি দেশলৈ উভতি যাবলৈ অনুমতি দিয়ে আৰু সাগৰ যাত্ৰাত ভৱিষ্য বিপদবো সংকেত দিয়ে। জিউছৰ আদেশত ওডিছিউছক কেলিপ্সই মুকলি কৰি দিয়া দেখি জলদেৱতা পছেইডন ক্ৰোধত জ্বলি উঠিল। সাগৰত ভীষণ ধুমুহা তুলি ইউলিছিছৰ নাওঁ ডুবাই জ্বলাকলা কৰে আৰু দুদিন সাগৰত উটিবুৰি তৃতীয় দিনা পাৰত উঠি ভাগৰত লেবেজান হৈ মৃত সদৃশ গভীৰ টোপনিত পৰি থাকিল। (৬-৭) ওডিছিউছ উঠা ঠাইখন ফিচিয়ান (ফিনিচিয়ান ?) বিলাকৰ দেশ, ৰজাৰ নাম আলচিনাছ। ৰজাৰ জীয়েক নৌছিকাই সাগৰ পাৰত কাপোৰ ধুবলৈ গৈ পাৰত ধোৱা কাপোৰবোৰ শুকাবলৈ দি লগৰীয়াৰ লগত ধেমালি কৰি থাকোঁতে সাৰ পাই ওডিছিউছে ৰাজকুমাৰীৰ আগত দেখা দি নিজৰ দুখদুৰ্গতিৰ কথা প্ৰকাশ কৰে আৰু ৰাজকুমাৰীৰ করুণা প্ৰাৰ্থনা কৰে। নৌছিকাই ওডিছিউছক সহায় কৰাৰ মানসে তেওঁ কি কৰিব লাগিব বুজাই দিয়াত সেই মতেই তেওঁ নগৰত প্ৰৱেশ কৰি ৰাজপ্ৰাসাদত সোমায়। ছদ্মবেশী দেৱী এথেনীৰ নিৰ্দেশক্ৰমে আলচিনাছৰ ৰাণীক লগ ধৰি ওডিছিউছে আশ্ৰয় আৰু দেশলৈ উভতি যোৱাৰ সুবিধা ভিক্ষা কৰে। ছদ্ম পৰিচয় দিয়াত ৰজা-ৰাণীয়ে তেওঁক যথোচিত অভ্যাৰ্থনা কৰে আৰু দেশলৈ যোৱাৰ সুবিধা দিবলৈ স্বীকাৰ কৰে। (৮) ফিচিয়ানসকল ৰজা আলচিনাছৰ আহ্বানক্ৰমে প্ৰধান নগৰবাসী পাছ-দিনা সমবেত হ'ল। ৰজাই অচিনাকি অতিথিজনক ছদ্মৰূপতে পৰিচয় কৰি দিয়ে। অভ্যাৰ্থনাৰ পাছত নাচগান আৰু অৱশেষত খেলধেমালিৰে অতিথিক আপ্যায়িত কৰা হয়। বাধ্যত পৰি ওডিছিউছেও ক্ৰীড়া প্ৰাঙ্গণত নিজৰ শক্তিৰ পৰিচয় দি সকলোকে আচৰিত কৰে। ৰজাৰ নিৰ্দেশক্ৰমে ফিচিয়ানসকলে অতিথিক বিভিন্ন উপহাৰেৰে সন্তোষ কৰে। চাৰণে ট্ৰয় অভিযান আৰু কাঠৰ ঘোঁৰাৰ কৌশলৰ সহায়ত ট্ৰয় বিজয়ৰ গীত গায়। (৯-১২) ট্ৰয় অভিযানৰ গীত শুনি ওডিছিউছ ব্যথিত হোৱা যেন দেখি ৰজা আলচিনাছে তেওঁৰ (ওডিছিউছৰ) প্ৰকৃত পৰিচয় জানিব খোজাত ওডিছিউছে ট্ৰয় নগৰ এৰাৰ পৰা একাদিক্ৰমে যিবিলাক ঘটনা আৰু বিপদৰ সম্মুখীন হৈছিল সকলোবোৰ বিবৰি কবলৈ আৰম্ভ কৰে। নৱম সৰ্গৰ পৰা দ্বাদশ সৰ্গলৈকে

ওডিছিউছৰ আত্মকথা বৰ্ণিত হৈছে। ট্ৰয় বিজয়ী বীৰজনৰ নিজ মুখে প্ৰকাশ হোৱা কাহিনী এনেধৰণৰ ঃ

ট্ৰয় নগৰ ধ্বংস কৰি ওডিছিউছে তেওঁৰ অনুগামীসকলৰ সৈতে মাতৃভূমি ইথাকালৈ বুলি জাহাজত পাৰি দিয়ে। প্ৰথমতে তেওঁলোক ইছমেৰাছ নামে ঠাইত নামি নগৰখন লুটপাত কৰে আৰু ধুনীয়া নাৰীবোৰক আত্মসাৎ কৰি পুৰুষ বহুতকে হত্যা কৰে। কিন্তু ওচৰৰ প্ৰতিবেশী ৰাজ্যই সৈন্য পঠোৱাত ওডিছিউছ আৰু লগৰীয়াবোৰে কোনোমতে প্ৰাণ লৈ জাহাজ মেলি দিয়ে। দেৱৰাজ জিউছৰ কোপত সাগৰত ধুমুহা উঠি ওডিছিউছৰ জাহাজ দশম দিনা নানা বিপৰ্যয়ৰ মাজেদি পদ্মৰ পাপৰি খোৱা (country of lotas eaters) দেশত উপনীত হয়। সেই দেশৰ বাসিন্দাসকলে নিজেও পদ্মৰ পাপৰি খাই সকলো কথা পাহৰি থাকে আৰু আনকো খুৱাই নিজ দেশ, ল'ৰা-তিৰোতাৰ কথা পাহৰি যাবলৈ বাধ্য কৰে। পাৰত দেশখনৰ সম্ভেদ লবলৈ পঠোৱা অনুচৰবো তেনে অৱস্থা দেখি সিহঁতক ধৰি বান্ধি জাহাজত তুলি পুনৰ যাত্ৰা কৰে। এইবাৰ জাহাজ গৈ এচকুৱা দৈত্য চাইক্লপ্‌ছবোৰৰ দেশত লাগিল। এই অসভ্য দৈত্যাকাৰ প্ৰাণীবোৰে ছাগলী পুহি মাংস আৰু দুগ্ধজাত আহাৰ খাই জীয়াই থাকে। ওডিছিউছে কিছু সংখ্যক লগৰীয়া লৈ সাগৰৰ পাৰৰ বাস কৰা চাইক্লপ্‌ছ এটাৰ গুহাত সোমাই আলেখলেখ চাওঁতেই দৈত্যটো সোমাই গুহাৰ মুখ প্ৰকাণ্ড শিলেৰে বন্ধ কৰি ওডিছিউছৰ লগৰীয়া দুটাক বধ কৰি ৰাতিৰ আহাৰ সম্পূৰ্ণ কৰে। ওডিছিউছে তাক চোকা মদ খুৱাই বেহুচ কৰি ৰাখে আৰু শুই থাকোঁতে জ্বলা কাঠ এডাল তাৰ চকুত সুমুৱাই চকুটো ফুটাই দিলে। দৈত্যটোৰ নাম আছিল পলিফেমাছ। ৰাতিপুৱা ছাগলীবোৰ ওলাবলৈ বুলি গুহাৰ মুখৰ শিলটো আঁতৰ কৰি দিওঁতে ছাগলীৰ পালৰ মাজত আত্মগোপন কৰি পলিফেমাছৰ হাতৰ পৰা ৰক্ষা পাই ওলাই আহি জাহাজ এৰি দিলে। পলিফেমাছ দৰাচলতে আছিল সাগৰ-ভূমিকম্প আদিৰ দেৱতা পছেইডনৰ পুত্ৰ। ওডিছিউছৰ ওপৰত সেই কাৰণেই এই দেৱতাজনৰ খং।

তাৰ পৰা ওডিছিউছৰ জাহাজ ইঅ'লিয়া দ্বীপত জিৰাই স্বদেশ অভিমুখে যাত্ৰা কৰে। দূৰত টিলাময় ইথাকা ৰাজ্য দেখা পোৱা গৈছিল। এনেতে সাগৰত প্ৰচণ্ড ধুমুহা বলি জাহাজবোৰ ওলোটাই টানি নি পুনৰ ইঅ'লিয়া দ্বীপ লগায়। কিন্তু সেই দেশৰ ৰজাই দেৱতা বিতুষ্ট ওডিছিউছক পুনৰ আশ্ৰয় নিদিয়াত পুনৰ জাহাজ মেলি লেষ্ট্ৰিগনিয়াৰ টেলিপাইলছত জাহাজ বান্ধে কিন্তু সেই দেশৰ ৰজাকে প্ৰমুখ্য কৰি বাসিন্দাবোৰ নৰখাদক হোৱা কাৰণে তাত তিষ্ঠিব নোৱাৰি আকৌ জাহাজ এৰিব লগা হয়। তাৰ পাছত তেওঁলোক উপস্থিত হয় অপেচৰী চাৰ্চীৰ দ্বীপত। এওঁ যাদুকৰী মোহিনী। ওডিছিউছে দ্বীপটো পৰ্যবেক্ষণ কৰিবলৈ গৈ কুহকিনী দেৱী চাৰ্চীৰ (circe) আবাস পালেগৈ। কুহকিনীয়ে তেওঁৰ ঘৰত আশ্ৰয় বিচাৰি যোৱা সকলোকে যাদুৰ বলত বাঘ, সিংহলৈ পৰিণত

কৰি ঘৰচীয়া জন্তুৰ দৰে পুহি ৰাখিছিল। ওডিছিউছৰ পৰ্যবেক্ষণকাৰী দলটোক আদৰ সাদৰ কৰি এবিধ পানীয় খুৱাই গাহৰিলৈ পৰিণত কৰে। ওডিছিউছে সংবাদ পাই চাচীৰ ঘৰলৈ বুলি যাত্ৰা কৰোঁতে দেৱদূত হাৰ্মিছে বাটত তেওঁক এটা ঔষধ দিয়ে যিটোৰ বলত চাচীৰ পানীয়ৰ গুণ ব্যৰ্থ কৰিবলৈ সক্ষম হয়, বৰং চাচীহে তেওঁৰ বশগত হ'ল। গাহৰিত পৰিণত হোৱা লগৰীয়াবোৰক পুনৰ মানুহলৈ পৰিণত কৰিলে। চাচীৰ ঘৰত কিছুদিন আহাৰ বিহাৰ কৰি স্বদেশলৈ উভতিবলৈ ইচ্ছা প্ৰকাশ কৰি মায়াবিনীক জনোৱাত তেওঁ ওডিছিউছক যাবলৈ অনুমতি দি সকলো যোগাৰ কৰি দিয়ে আৰু লগতে কয় যে স্বদেশলৈ ওভতাৰ আগতে প্ৰেতপুৰী হেড্‌ছ পৰিদৰ্শন কৰিব লাগিব। তাৰ পাছতে স্বদেশলৈ উভতিব পাৰিব। সেই মতে দলটোৱে চাচীয়ে নিৰ্দেশ কৰা মতে প্ৰেতপুৰীৰ দুৱাৰ মুখত ৰয়, য'ত ইউলিছিছে ট্ৰজান যুদ্ধৰ মৃত সহযোগী আগামেমনন, একিলিছ, আজাক্স আৰু অন্যান্য বহুতো নৰনাৰীক লগ পায়। মাককো তাতে ল'গ পায়। গ্ৰীক বীৰ হাৰকিউলিছকে আদি কৰি প্ৰাচীন বীৰসকলকো দেখা পালে। প্ৰেতপুৰীৰ ভৱিষ্যদ্বক্তা টাইৰিছিয়াছে ওডিছিউছক তেওঁ ভৱিষ্যতে কেনে সমস্যা আৰু বিপদৰ সম্মুখীন হব আৰু স্বদেশলৈ কেতিয়া উভতিব পাৰিব সেই বিষয়ে কোৱাত প্ৰেতপুৰী ত্যাগ কৰি স্বদেশৰ মুখে যাত্ৰা আৰম্ভ কৰে। প্ৰথমতে চাচীৰ দ্বীপত জাহাজ বান্ধি দেৱীক সকলো কথা জনালে। চাচীয়ে তেওঁক উভতি যাওঁতে কি বিপদৰ মাজেদি যাব লাগিব আৰু সেই বিপদ কেনেকৈ পাৰ হব পাৰিব তাৰ সবিশেষ নিৰ্দেশ দি যাত্ৰাৰ সকলো সুবিধা কৰি দিলে।

চাচীৰ পৰা বিদায় লৈ অডিছিউছে সদলবলে সাগৰত জাহাজ পাৰি দিলে। প্ৰথমতে ছাইৰেন নামৰ দুজনী ডাইনী থকা উপকূলেদি পাৰ হ'ব লগা হয়। সিহঁতে সুমধুৰ সুৰে গীত গাই নাবিকবোৰক সন্মোহন কৰি আকৰ্ষণ কৰে আৰু তাৰ পাছত সিহঁতৰ হাড়-মূৰবিলাক মাত্ৰ অৱশিষ্ট থাকে। চাচীয়ে কৈ পঠোৱা মতে ইউলিছিছে নাবিকবোৰৰ কাণত থিলা মাৰি জাহাজৰ খুটাত বান্ধি থলে আৰু বেগেৰে জাহাজ চলাই সেই বিপদীয়া ঠাই অতিক্ৰম কৰিলে। তাৰ পাছত তেওঁলোকে পালেগৈ দুটা পাহাৰৰ মাজৰ ঠেক অংশটো। এটাত আছিল ছিলা নামে এজনী ৰাক্ষসী। তাইৰ ঠেং বাৰটা, মুখ ছখন। কাষেদি জাহাজ বা নাও গলে নাবিক বা নাৱৰীয়াক থপিয়াই নি উদৰপূৰণ কৰে। আনটো পাহাৰত আছিল চেৰিৱডিছ নামে আন এজনী ৰাক্ষসী। তাই সাগৰৰ প্ৰাণী, নাও, জাহাজ সকলো সোহা মাৰি পানী দিনে তিনিবাৰ খায়। তাইৰ কবলত পৰিলে কাৰো ৰক্ষা নাই। ওডিছিউছে চেৰিৱডিছৰ টিলাৰ কাষেদি পাৰ হবলৈ বৃথা চেষ্টা নকৰি ছিলাৰ কাষেদি যোৱাই সমীচীন বুলি ভাবি কোবাকুবিকৈ তাৰ কাষেদি জাহাজ চলাই দিয়ে। তথাপি ছিলাই জাহাজৰ পৰা কেবাজনো নাবিকক থপিয়াই নিয়ে।

তাৰ পাছত ওডিছিউছৰ জাহাজ, গৰু আৰু ভেড়াৰ জাক চৰি থকা সূৰ্যদেৱতাৰ প্ৰিয় দ্বীপটোৰ ওচৰ পাওঁতে পৰিশ্ৰান্ত নাবিকবিলাকে তাত জিৰণি লবলৈ প্ৰবল ইচ্ছা প্ৰকাশ কৰে। বাধ্যত পৰি ওডিছিউছ মান্তি হয়। দ্বীপৰ কাষতে জাহাজে লংগৰ পেলালে। চাৰ্চীয়ে শুনোৱা সাৱধান বাণীলৈ মনত পেলাই তেওঁ লগৰীয়া-বোৰক সতৰ্ক কৰি দিলে যাতে সেই দ্বীপৰ পৱিত্ৰ গৰু-ছাগলী কোনেও হত্যা নকৰে। কিন্তু দুৰ্ভাগ্যক্ৰমে সাগৰ অশান্ত হৈ থকাৰ কাৰণে জাহাজ মেলিব নোৱাৰাত লগত নিয়া খোৱা বস্তু শেষ হোৱাত ওডিছিউছৰ অজ্ঞাতে গৰু মাৰি ভোজ খালে। সূৰ্যদেৱতা ৰুষ্ট হ'ল, দেৱৰাজ জিউছে অপৰাধীক শাস্তি দিব বুলি আশ্বাস দিলে। ফলত সাগৰ শান্ত যেন দেখি জাহাজ এৰি দিয়াত মাজ সাগৰত জিউছে ধুমুহা তুলি, বজ্ৰ নিক্ষেপ কৰি জাহাজ ভাঙি টুকুৰা-টুকুৰ কৰে। কোনোমতে ন-দহ দিন সাগৰত উটি বুৰি কেলিপ্স দ্বীপত উঠে আৰু দেৱীগৰাকীয়ে ওডিছিউছক কিছুদিন ৰাখি দেৱতাৰ নিৰ্দেশক্ৰমে দেশলৈ বুলি নাৱত উঠাই দিয়ে।

(১৩) ইথাকাৰ ৰজাৰ বিৱৰণ শেষ হ'ল, ৰজা আলচিনাছে যথেষ্ট উপহাৰসহ জাহাজ আৰু নাবিক দি ওডিছিউছক স্বদেশলৈ প্ৰত্যাৱৰ্ত্তন কৰাৰ সুবিধা কৰি দিলে। জাহাজ নি ইথাকাৰ নিৰ্জন ঠাইত ৰজা ওডিছিউছক নমাই দিলে। জাহাজখন উভতি ফিচিয়ান দেশলৈ যাত্ৰা কৰিলে। ওডিছিউছে কি কৰিব নকৰিব চিন্তা কৰি থাকোঁতেই দেৱী এথেনীয়ে আত্মপ্ৰকাশ কৰি কি কৰিব লাগিব নিৰ্দেশ দিয়ে আৰু সেই মতেই বুঢ়া ভিক্ষাৰীৰ ৰূপত ৰজাই পুৰণি বিশ্বাসী গাহৰি ৰখীয়া ইউমিউছৰ কুটীৰলৈ যাত্ৰা কৰে। (১৪) গাহৰি ৰখীয়া ইউমিউছৰ ঘৰত ছদ্মবেশে থাকি ৰজা-ঘৰত তেওঁৰ অনুপস্থিতিত কি ঘটিছে সকলো খবৰ লয় আৰু পুতেক টেলিমেকাছ আৰু পত্নী পেনিল'পীৰ সকলো সংবাদ সংগ্ৰহ কৰে। ৰজাই নিজকে ক্ৰীটদেশৰ এজন দুৰ্ভগীয়া বুলি পৰিচয় দি ওডিছিউছ যে এদিন উভতি আহিব সেই বিষয়ে আশ্বাস দি গাহৰি ৰখীয়াৰ বিশ্বাসৰ পাত্ৰ হয়। (১৫) ইফালে দেৱী এথেনীয়ে ৰজা মেনিলাউছৰ ঘৰত আতিথ্য লাভ কৰা টেলিমেকাছৰ ওচৰত উপস্থিত হৈ ঘৰলৈ উভতিবলৈ নিৰ্দেশ দিয়ে আৰু পাণিপ্ৰাৰ্থীবোৰে কৰা হত্যাৰ ষড়যন্ত্ৰ কেনেকৈ ব্যৰ্থ কৰি ইথাকাত উপস্থিত হব পাৰিব তাৰো উপায় কৈ দিয়ে। টেলিমেকাছে ৰজা মেনিলাউছক প্ৰত্যাৱৰ্ত্তনৰ কথা কৈ তেওঁ দিয়া উপহাৰ লৈ নেষ্টৰৰ পুত্ৰ পিছিষ্ট্ৰেটাছৰ সৈতে পাইলছলৈ যাত্ৰা কৰে। তাত নেষ্টৰনন্দনে এখন জাহাজত তেওঁক তুলি দিলে, জাহাজ, ইথাকা অভিমুখে ৰাওনা হ'ল। টেলিমেকাছ ইথাকাত নামি ভেৰাৰখীয়াৰ পামলৈ গ'ল। (১৬) ভেৰাৰখীয়াক তেওঁ উভতি অহাৰ খবৰটো গোপনে মাক পেনিল'পীক দিবলৈ অনুৰোধ কৰিলে। গাহৰিৰখীয়া ওলাই যোৱাৰ পাছত এথেনীৰ মহিমাত ওডিছিউছে নিজৰূপ ধৰি পুতেকৰ ওচৰত আত্মপ্ৰকাশ কৰি উদ্ধত, খাই পাত ফলা পেনিল'পীৰ বিবাহপ্ৰাৰ্থীবোৰক কেনেকৈ ধ্বংস কৰিব পাৰি আলোচনা কৰে। তাৰ পাছত টেলিমেকাছক কি কৰা প্ৰয়োজন,

কেনেদৰে গোপনে ধ্বংস যজ্ঞৰ আয়োজন কৰিব লাগিব সেই বিষয়ে উপদেশ দিলে। ইতিমধ্যে টেলিমেকাছক বাটতে ধৰি বধ কৰিবলৈ যোৱা উদ্ধত-উদণ্ড ডেকাৰ দলটো ঘূৰি আহি আলোচনাত বহিল, কিন্তু পেনিল'পীৰ তেজস্বী অনুৰোধত তেওঁলোক সধ্যে শাম কাটি ৰ'ল। (১৭) ওডিছিউছে পাছদিনা ভেৰাৰখীয়াৰ লগত বৃদ্ধ ভিক্ষাৰীৰ বেশত ৰাজকাৰেঙলৈ গ'ল। তাৰ ভোজসভাত মদ-ভাত খাই টকছালি পাৰি থকা ডেকাবোৰক পৰীক্ষা কৰাৰ মানসেৰে প্ৰত্যেকৰ ওচৰলৈ গৈ ভিক্ষা খোজে। কিছুমানৰ পৰা ভিক্ষা পায় আৰু কিছুমানৰ পৰা গালি আনকি মাৰো খায়। ডেকাবোৰক টেলিমেকাছে তিৰস্কাৰ কৰে। পেনিল'পীয়ে বহুত দেশ বিদেশত ঘূৰা ভিক্ষাৰীৰ পৰা স্বামীৰ কিবা সম্ভেদ পায়নে কি সুধিবলৈ ছদ্মবেশী ভিক্ষাৰীক মাতি পঠায়। (১৮) ৰাজপ্ৰাসাদত ওডিছিউছে ইৰাছ নামৰ এটা দুৰ্দান্ত মগনীয়াক ভালকৈ এসেকা দিয়ে। কিন্তু উদণ্ড পাণিপ্ৰাৰ্থীবোৰক চতাই লোৱাত দুই এজনে তেওঁক সামান্য মগনীয়া বুলি অপমান কৰিবলৈকো চেষ্টা কৰে। ইতিমধ্যে যেনিবা পেনিল'পী ভোজকক্ষত সোমাই যুৱকবোৰক তিৰস্কাৰ কৰাত সিহঁত শাম কাটে। অৱশেষত টেলিমেকাছে সকলোকে বুজাই শুবলৈ পঠাই দিয়ে। (১৯) পেনিল'পীৰ প্ৰণয়ভিক্ষাৰী যুৱকবোৰ শুবলৈ যোৱাত ওডিছিউছৰ নিৰ্দেশমতে টেলিমেকাছে সভাকক্ষত সজাই থোৱা অস্ত্ৰশস্ত্ৰবোৰ আঁতৰ কৰি থলে। তাৰ পাছত তেওঁ পত্নী পেনিল'পীৰ ওচৰত আত্মপ্ৰকাশ কৰিবৰ কাৰণে বাট চাই থাকিলে। ইতিমধ্যে ৰাণী আহি জুহালৰ কাষত বহিল আৰু ছদ্মবেশী ওডিছিউছক বেয়া ব্যৱহাৰ কৰা লিগিৰীক তিৰস্কাৰ কৰি তেওঁক মাতিবলৈ কলে। ওডিছিউছ ওচৰ চপাত ৰাণীয়ে তেওঁৰ পৰিচয় সোধে, কিন্তু চতুৰ ভিক্ষাৰীবেশী ৰজাজনে পোনে পোনে আত্মপৰিচয় নিদি কলে যে ক্ৰীট দেশৰ দুৰ্ভাগ্যই লগ নেপা এজন ৰাজকোঁৱৰ। ওডিছিউছক তেওঁ লগ পাইছিল আৰু সোনকালেই উভতি নিজ দেশত উপস্থিত হব বুলি ৰাণীক আশ্বাস দিয়ে। ৰাণীয়ে নিজৰ দুখৰ কথা কৈ আলহিজনক শুশ্ৰূষা কৰিবলৈ ওডিছিউছক ডাঙৰ কৰা বৃদ্ধা পৰিচাৰিকা ইউৰীক্লিয়াক নিয়োগ কৰে। ইউৰীক্লিয়াই ওডিছিউছৰ ভৰি ধুৱাওতে দাগ এটা দেখি চিনিব পৰা দেখি তেওঁক কথাটো প্ৰকাশ নকৰিবলৈ কঠোৰভাবে আদেশ দিয়ে। (২০) ৰাতিটো সভাকক্ষতে ছদ্মবেশী ৰজাজনে কোনোমতে কটাই দিয়ে। পত্নী পেনিল'পী শোকত বিনিদ্ৰ ৰজনী কটাই শেষ নিশা চিলমিলকৈ টোপনি গ'ল। ৰাতিপুৱা ওডিছিউছে ৰাজহাউলীৰ পুৰণি গৰুৰখীয়াজন আৰু গাহৰি ৰখীয়াজনক লগ পালে আৰু তেওঁলোকৰ আনুগত্যও উপলব্ধি কৰিলে। ভোজসভাত ডেক্যুবোৰ আকৌ লগহৈ মদপানী খাই চিঞৰবাখৰ আৰম্ভ কৰিলে। দুই এজন উতনুৱা ডেকাই ছদ্মবেশী বাপেকক অপমান কৰা যেন দেখি টেলিমেকাছে সিহঁতক সাৱধান কৰি দিয়ে। (২১) দেৱী এথেনীৰ দ্বাৰা আদিষ্ট হৈ পেনিল'পী সভাগৃহলৈ আহি প্ৰাৰ্থীবোৰৰ

আগত এটা পণ দাঙি ধৰে। যিজন প্ৰাৰ্থীয়ে ৰাজকোষত থকা ওডিছিউছৰ প্ৰকাণ্ড ধনুখনত কাঁড় লগাই শাৰী পাতি সজাই থোৱা বাৰখন কুঠাৰৰ জলঙাইদি কাঁড়পাট সৰকাব পাৰিব তেওঁকেই পেনিলপীয়ে স্বামীৰূপে বৰণ কৰিব। পাণিপ্ৰাৰ্থীবোৰে চেষ্টা কৰি বিফল হৈ গোৰগোৰাই উঠিল। এনেতে ওডিছিউছ তাত উপস্থিত হৈ নিজে এবাৰ চেষ্টা কৰি চাবলৈ প্ৰাৰ্থনা জনালে। প্ৰাৰ্থীবোৰে ইয়াত আপত্তি কৰিলে যদিও পেনিলপী আৰু টেলিমেকাছে দৃঢ়ভাবে ওডিছিউছক সমৰ্থন জনোৱাত অৱলীলাক্ৰমে ভিক্ষাৰীয়ে বাৰখন কুঠাৰৰ জলঙাৰ মাজেদি শৰসন্ধান কৰি সকলোকে আচৰিত আৰু ভ্ৰান্ত কৰিলে। (২২) ওডিছিউছৰ নিৰ্দেশক্ৰমে তেওঁৰ অনুগত গাহৰিৰখীয়া আৰু ৰৰগৰখীয়াজনে সভাকক্ষৰ পৰা ওলোৱা সোমোৱা বাট দুটা ইতিমধ্যে বাহিৰৰ পৰা বন্ধ কৰি ৰাখিছিল। তেওঁ ধনুত শৰ সংযোগ কৰি এজন এজনকৈ পৰজীৱী উদণ্ড ডেকাবোৰক বধ কৰিবলৈ ধৰে। প্ৰাৰ্থীবোৰৰ অনুগত, ৰজাঘৰৰ অকৃতজ্ঞ ভেৰাৰখীয়া মেলেন্হিয়াছে অস্ত্ৰ যোগাৰ কৰিবলৈ অস্ত্ৰগৃহত সোমাওঁতে তেওঁক তাতে বান্ধি চ'তিত ওলমাই থোৱা হ'ল। পাণিপ্ৰাৰ্থীবোৰৰ প্ৰতি আক্ৰমণ ব্যৰ্থ কৰি ওডিছিউছ, টেলিমেকাছ আৰু গাহৰি আৰু গৰুৰখীয়া ইউমিউছ আৰু ফিলটিয়াছ—এই চাৰিজনে পাণিপ্ৰাৰ্থীবোৰক নিঃশেষ কৰে। চাৰণ আৰু ঘোষকজনক মাত্ৰ বধ নকৰাকৈ এৰি দিয়ে। নিৰ্লজ্জ ডেকাবোৰৰ লগত গুপুত প্ৰণয়ত লিপ্ত থকা লিগিৰীবোৰকো মৃত্যুদণ্ড দিয়ে। (২৩) বুঢ়ী ধাত্ৰী ইউৰিক্লিয়াই ওডিছিউছৰ প্ৰত্যাগমন আৰু হত্যাকাণ্ডৰ কথা ওপৰ মহলত থকা পেনিলপীক যথাসময়ত জনোৱাত আনন্দ আৰু শংকাত উগুল-থুগুল ভাবে ৰাণী আহি ওডিছিউছৰ আগত উপস্থিত হ'ল। কথা-বতৰাৰ মাজেদি যিকণ সন্দেহ আছিল আঁতৰ হোৱাত স্বামীস্ত্ৰীৰ উনৈশ বছৰৰ মূৰত পুনৰ মিলম ঘটিল। ৰাতিটো একে শয্যাত কুৰিবছৰৰ ব্যৱধানৰ সুখ-দুখৰ কথা পাতি, মিলনানন্দৰ চকুলো টুকি অতিবাহিত কৰে। (২৪) ৰাতিপুৱা অস্ত্ৰশস্ত্ৰেৰে সুসজ্জিত হৈ ইউলিছিছ, টেলিমেকাছ, গাহৰি ৰখীয়া ইউমিউছ আৰু ৰৰগৰখীয়া ফিলটিয়াছ—এওঁলোক সকলোৱে নগৰৰ কোনো নো-উঠোতেই ওডিছিউছৰ বৃদ্ধ পিতৃ লাৰ্টিছৰ পামঘৰত উপস্থিত হ'ল। বৃদ্ধ লাৰ্টিছে পুতেকৰ বহুদিনীয়া অনুপস্থিতিত ৰাজপ্ৰাসাদ এৰি নগৰৰ বাহিৰত খেতিৰ পামঘৰত থাকিবলৈ লৈছিল। বনুৱাৰ লগতে তেওঁ নিজেও ফলৰ বাগানত কাম কৰি পুত্ৰশোক পাহৰি শান্তিৰে শেষ জীৱন অতিবাহিত কৰিছিল। ওডিছিউছ পামঘৰত উপস্থিত হৈ লগৰীয়া কেইজনক আহাৰ প্ৰস্তুত কৰিবলৈ কৈ বাপেকক বিচাৰি বাগানত সোমাল। বাপেকক লগ পাই প্ৰথমতে প্ৰকৃত পৰিচয় নিদি বুঢ়াৰ মনটো জুখি চালে। তাৰ পাছত বুঢ়াক পুতেকৰ স্মৃতিয়ে ব্যাকুল কৰা দেখি আত্মপৰিচয় দিলে। মনৰ আবেগত বুঢ়াই পুতেকক সাৱটি ধৰে। ইয়াৰ পাছত তেওঁলোকে পামঘৰলৈ গৈ খোৱাবোৱা শেষ কৰে। নগৰৰ যিবোৰ উদ্ধত ডেকাক ওডিছিউছে বধ কৰিছিল তেওঁলোকৰ আত্মীয়সকলে

কথাটো গম পাই অস্ত্ৰ-শস্ত্ৰ লৈ পামঘৰতে ওডিছিউছক আক্ৰমণ কৰিবলৈ যায়। কিন্তু বুঢ়া লাৰ্টিছকে ধৰি ওডিছিউছৰ সহযোগীসকলে সেই আক্ৰমণ প্ৰতিহত কৰে আৰু শেষত দেৱী এথেনীৰ মধ্যস্থতাত দুয়োদলৰ মাজত শান্তি স্থাপন হয়। ইয়াতেই মহাকাব্যখন শেষ হৈছে।

মহাকাব্যখনৰ বৈশিষ্ট্য আৰু পৰ্যালোচনা ঃ

'ইলিয়াড'ৰ তুলনাত 'ওডিছি'ৰ কাহিনী জটিল। প্ৰধান চৰিত্ৰ ওডিছিউছক কেন্দ্ৰ কৰি বহুতো লোমহৰ্ষক, ভয়াৱহ, উদ্দীপক আৰু চমৎকাৰী পৰিস্থিতি কাব্যখনত সংযোজিত হৈছে। 'ইলিয়াড'ৰ দৰে ইয়াৰ কাহিনী দৃঢ়বন্ধ আৰু সংহত নহয়। ইউলিছিছ ট্ৰয় নগৰীৰ পৰা সমুদ্ৰ পথেদি নিজ পৰ্বতীয়া ৰাজ্য ইথাকালৈ প্ৰত্যাৱৰ্ত্তন কৰোঁতে দেৱতাৰ ক্ৰোধৰ ফলত যি বিপৰ্যয়ত উনৈশটা বছৰ অনাই বনাই ফুৰিব লগা হৈছিল তাৰ ভিত্তিত কবিয়ে পৰিস্থিতিসমূহ কেন্দ্ৰীয় চৰিত্ৰৰ গাত আঁৰি দিছে। কাহিনীটো তিনিটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডত কবিয়ে ওডিছিউছৰ অনুপস্থিতিত ইথাকাৰ ৰাজপ্ৰাসাদত ওডিছিউছৰ বহু বছৰীয়া অনুপস্থিতিৰ সুবিধা লৈ ইথাকা আৰু ওচৰ চুবুৰীয়া ৰাজ্যৰ কোঁৱৰ আৰু ডা-ডাঙৰীয়াৰ অবিবাহিত যুৱকসকলে মদভাত খাই পেনিল'পীক পুনৰ বিবাহ কৰিবলৈ আমনি কৰাৰ পৰা আৰম্ভ কৰি পুত্ৰ টেলিমেকাছৰ পিতৃ সন্ধানত পাইলছ-লেচিডেমন ভ্ৰমণত কাহিনীৰ প্ৰথম স্তৰ শেষ হৈছে। প্ৰথমৰ পৰা চতুৰ্থ সৰ্গই এইখিনি সামৰি লৈছে। কাহিনীৰ দ্বিতীয় স্তৰে দেৱতাৰ ক্ৰোধত ওডিছিউছৰ ট্ৰয় ধ্বংসৰ পৰা সাগৰেদি নিজ ৰাজ্যলৈ উভতি আহোঁতে নাজল-নাথল অৱস্থা, ভয়াবহ বিপদ আৰু অৱশেষত ১৯ বছৰৰ মূৰত ৰজা এলচিনাছৰ অনুগ্ৰহত নিজ ৰাজ্যত উপস্থিতি, পঞ্চমৰ পৰা ত্ৰয়োদশ সৰ্গলৈ সামৰি লৈছে। শেষৰ এঘাৰটা সৰ্গত টেলিমেকাছৰ লগত গাহৰিৰখীয়াৰ ঘৰত ছদ্মবেশী ওডিছিউছৰ মিলন আৰু পাণিপ্ৰাৰ্থী উদণ্ড যুৱকসকলৰ সৈতে ৰাজ প্ৰাসাদৰ অকৃতজ্ঞ দাস-দাসীবোৰক, হত্যা আৰু অৱশেষত পত্নীৰ লগত পুনৰ মিলনত মহাকাব্যখন শেষ হৈছে। তিনিওটা স্তৰত বহুতো দৃশ্য, ঘটনা, ৰোমহৰ্ষক পৰিস্থিতি, অলৌকিক পৰিৱেশ, মানৱৰ ভাগ্য লৈ দেৱতাৰ হেতা-ওপৰা, ট্ৰয় নগৰ অৱৰোধকাৰী প্ৰধান যোদ্ধাসকলৰ ট্ৰয় অভিযানৰ পাছত হোৱা ভাগ্যবিপৰ্যয় আদি বহুতো মুখ্য আৰু গৌণ আৰু প্ৰাসঙ্গিক কাহিনী-উপকাহিনী সংযোজিত হৈছে। উদাহৰণ স্বৰূপে ট্ৰয় নগৰৰ পৰা নিজ ৰাজ্যত উপস্থিত হোৱাৰ লগে লগে আগামেমননক তেওঁৰ অসতী পত্নী ক্লাইটেমেনষ্ট্ৰাই উপপতি এজিস্থাছৰ দ্বাৰা হত্যা কৰোৱা, পুত্ৰ অৰেষ্টিছৰ মাতৃ আৰু তেওঁৰ উপপতিক হত্যা কৰি প্ৰতিশোধ গ্ৰহণৰ বিৱৰণ (১১শ সৰ্গ) মূল ঘটনাৰ ঔপসৰ্গিক অংশহে অংগাংগী বস্তু নহয়। এনেধৰণৰ প্ৰসংগক্ৰমে উত্থাপিত হোৱা গৌণ আৰু প্ৰাসংগিক কথা কাব্যখনত যথেষ্ট আছে। অৱশ্যে এনেবোৰ কথা চমুৰূপতে প্ৰকাশ কৰা হৈছে।

মহাকাব্যখনত, ইয়াৰ অগ্ৰজ 'ইলিয়াড'ৰ দৰেই দেৱ-দেৱীৰ হেতুক-অহেতুক হস্তক্ষেপ মন কৰিবলগীয়া বিশেষত্ব। কাব্যখনৰ আদিৰ পৰা অন্তলৈকে জ্ঞান-শক্তিৰ দেৱী এথেনীৰ টেলিমেকাছ আৰু ওডিছিউছৰ প্ৰতি অশেষ-কৰুণা প্ৰদৰ্শিত হৈছে। কেতিয়াবা ছদ্মবেশত আৰু কেতিয়াবা দেৱীৰ স্বৰূপত তেওঁলোকক দেখা দি কৰ্ত্তব্যাকৰ্ত্তব্য সম্পৰ্কে উপদেশ দিছে, কেতিয়াবা নিজেই হয়তো কিছুমান কাম কৰিছে। কিন্তু অন্য দেৱতাৰ ক্ৰোধত পৰি ককবকোৱা দুৰ্দশাগ্ৰস্ত ওডিছিউছক বিশেষ সহায় কৰিব পৰা নাই। সাগৰ দেৱতা পজেইডনৰ পুত্ৰ ভেৰাৰথীয়া দৈত্য ছাইক্লপছ পলিফেমাচক কণা কৰা কাৰণে উক্ত দেৱতাই ওডিছিউছক সাগৰৰ ধুমুহাত পেলাই নাকনি-চাকনি অৱস্থাত উনৈশ বছৰ ঘূৰাই ফুৰাইছে। দেৱতাৰ ক্ৰোধ এথেনীয়ে শাম কটাব পৰা নাই। দেৱতা, বিশেষকৈ দেবাধীশ জিউছে নিৰ্দ্ধাৰণ কৰা ভাগ্য বিধান পৰিৱৰ্ত্তন কৰা ক্ষমতা মানৱ নেলাগে দেৱতাৰো নাছিল। ভাগ্য বা নিয়তি গ্ৰীক বিশ্বাসত অপৰিজ্ঞেয় আৰু অনতিক্ৰম্য।

মহাকাব্যখনত দেৱতাসকলৰ উপৰিও অৰ্দ্ধদেৱত্ব লাভ কৰা চাৰ্চী', কেলিপ্স', জলকুঁৱৰী, বনদেৱী আদিৰ অমানবীয়, যাদুকৰী প্ৰভাৱ ঠায়ে ঠায়ে প্ৰদৰ্শন কৰিছে। দুয়োখন মহাকাব্যত দাস প্ৰথাৰ প্ৰচলন থকাৰ উদাহৰণ যথেষ্ট পৰিমাণে পোৱা যায়। যুদ্ধৰ বন্দীবোৰক দাস আৰু নগৰ অধিকাৰ কৰি পোৱা গাভৰুবোৰক পৰিচাৰিকা অথবা উপপত্নী ৰূপে ব্যৱহাৰ কৰিছিল। কেৱল ওডিছিউছৰ ঘৰতে এনে ধৰণৰ পঞ্চাশজনী পৰিচাৰিকা থকাৰ উল্লেখ আছে। ওডিছিকাব্যত পতিব্ৰতা পেনিল'পী আৰু ভ্ৰষ্টা অসতী ক্লাইটেমেনেষ্ট্ৰাক বিপৰীতধৰ্মী ৰূপে দাঙি ধৰি সতীত্বৰ মহিমা ঘোষণা কৰিছে। গণতান্ত্ৰিক নীতিয়ে গ্ৰীক ৰাজ্যবোৰত প্ৰভাৱ বিস্তাৰ কৰাৰ প্ৰকৃষ্ট উদাহৰণ দাঙি ধৰে ফেচিয়ানসকলৰ ৰজা এলচিনাছে ৰাজ্যৰ মুখিয়ালসকলৰ লগত কৰা সঘন আলোচনা আৰু সৰ্ব্বসম্মত সিদ্ধান্তসমূহে। তেওঁৰ নিজা অভিমত মুখিয়ালসকলৰ সভাত দাঙি ধৰিছে আৰু তেওঁলোকৰ অনুমতি লৈহে সিদ্ধান্ত কাৰ্যত পৰিণত কৰিছে। ওডিছিউছৰ ইথাকাতো গণতান্ত্ৰিক প্ৰথা থকা কাৰণেহে নগৰৰ সম্ভ্ৰান্ত বংশীয় যুৱকসকলে পেনিলপীৰ পাণিপ্ৰাৰ্থী হবলৈ সাহস কৰিছিল। কাব্যৰ শেষত নগৰৰ অভিজাত সম্প্ৰদায়ৰ লগত বিৰোধ পৰিত্যাগ কৰি সন্ধি স্থাপন কৰিছে। টেলিমেকাছে বাপেকক বিচাৰি যাবৰ সময়ত আহ্বান কৰা সম্ভ্ৰান্ত লোকসকলৰ সভাত কৈছিল যে ওডিছিউছৰ মৃত্যু সংবাদ পালে অথবা উভতি অহাৰ কোনো সম্ভাৱনা নেদেখিলে ইথাকাৰ নেতৃবৰ্গই যাকে ইচ্ছা তাকে ৰজাৰূপে বাছি ল'ব পাৰিব। এই কথাই সূচায় ৰাজপদ পুৰুষানুক্ৰমে লব্ধ পদ নাছিল।

দুয়োখন কাব্যত সাধাৰণ নাৰীৰ পৰা ৰাজ মহিষীলৈকে সূতা কটা, তাঁতবোৱা, কাপোৰত ফুল-বছা আদি শিপিনীকামত ব্যস্ত থকা দেখা যায়। 'ইলিয়াড'ত স্বয়ং হেলেন আৰু হেক্টৰ পত্নী এন্দ্ৰমেকীয়ে তাঁত শালত সময়ে সময়ে ব্যস্ত

হোৱা দেখুৱাইছে। ওডিছিত পেনিল’পীয়ে পাণিপ্ৰাৰ্থীসকলক ভুৱা দি সময় লবলৈ দিনত বোৱা কাপোৰখন ৰাতি খুলি থৈছিল; তেওঁ প্ৰাৰ্থীসকলক কৈছিল যে তাঁতত লগোৱা কাপোৰখন শেষ হলেই তেওঁ পুনৰ বিবাহ সম্পৰ্কে এটা সিদ্ধান্ত ল’ব। ওডিছিউছ ট্ৰয় অভিযানত যাবলৈ ওলাওঁতে তেওঁ নিজ হাতে এটা tunic আৰু টুপি চিলাই কৰি দিছিল। গ্ৰীচৰ দ্বীপ ৰাজ্যসমূহত গণতান্ত্ৰিক ভাৱধাৰাৰ ধাৰণা থকাৰ কাৰণেই ৰজা এলচিনাছৰ কন্যা নৌচিকাই গাড়ীত বোজাই কৰি সমনীয়া পৰিচাৰিকাক লগত লৈ সাগৰৰ কাষৰ নদীৰ মোহনাত কাপোৰ ধুবলৈ গৈ সাগৰৰ পাৰত দুৰ্দশাপ্ৰাপ্ত ওডিছিউছক লগ পাই ৰাজপ্ৰাসাদলৈ মাতি আনিছে। ৰাজকুমাৰীয়ে কাপোৰ ধোৱাটো হীন কাম বুলি নাভাবিছিল।

এই কাব্যৰ প্ৰধান চৰিত্ৰ হৈছে, কাব্যৰ নায়ক ওডিছিউছ, পুত্ৰ টেলিমেকিছ, পত্নী পেনি’লপী, পিতৃ লাৰেটাছ, গাহৰিৰখীয়া ইউমিউছ, ধাত্ৰী ইউৰিক্লিয়া আৰু পেনিল’পীৰ পাণিপ্ৰাৰ্থী ডেকাবোৰৰ নেতা এন্টিনাছ, ইউৰিমেকাছ, থিঅ’ক্লাইমেনাছ আদি। ইয়াৰ উপৰিও ওডিছিউছে বিপদসংকুল সাগৰ অতিক্ৰম কৰোঁতে প্ৰত্যাৱৰ্ত্তনৰ বিভিন্ন স্তৰত লগ পোৱা এচকুৱা দানৱ পলিফেমাছ, যাদুকৰী চাৰ্চী, অৰ্দ্ধ’দেৱী কেলিপ্স’ আদি অমানৱীয় চৰিত্ৰ কেইটা অবান্তৰ কাৰণে আলোচনাৰ থল নাই। এওঁলোকৰ মাজত কেলিপ্স’ৰ ওডিছিউছৰ প্ৰতি আকৰ্ষণত মানৱীয় অনুভূতিৰ প্ৰতিফলন হোৱা দেখা যায়। তাই সোণৰ সূতাৰ কাপোৰ বয়, ইউলিছিছক জিউছৰ নিৰ্দেশত বিদায় দিব লগা হোৱাত চকুলো টুকিছে; নিৰাপদে কেনেকৈ পথৰ বিপদ অতিক্ৰম কৰি ইথাকাত উপনীত হব পাৰিব তাৰ নিৰ্দেশ দিছে। ভাৰ্জিলৰ ডিড’ চৰিত্ৰ সৃষ্টিত কেলিপ্স’ৰ প্ৰভাৱ নপৰাকৈ থকা নাই। অন্য এক প্ৰাসংগিক আকৰ্ষণীয় নাৰীচৰিত্ৰ হৈছে ৰজা এলচিনিয়াছৰ কন্যা নৌচিকা। গাধৰ পিঠিত কাপোৰৰ বোজা দি নদীৰ মোহনাত পৰিচাৰিকাৰ সৈতে কাপোৰ ধুবলৈ যোৱা ৰাজকন্যা নৌচিকাৰ চিত্ৰই পাঠকৰ দৃষ্টি আৰু সহানুভূতি লাভ নকৰাকৈ নাথাকে। অথচ কাব্যৰ বৰ্ণনা মতে যথেস্ট সংখ্যক পৰিচাৰিকা এওঁৰ লগত গৈছে। কাপোৰ ধুই পাৰত মেলি দি অপেক্ষা কৰোঁতে দীনহীন, নগ্নবেশত ওডিছিউছে এওঁৰ আশ্ৰয় বিচৰাত, লগৰ পৰিচাৰিকাবোৰ ভয়ত পলালেও ৰাজকুমাৰীয়ে নিৰ্ভয়চিত্তে অচিন পুৰুষজনৰ দুখৰ কথা শুনি, তেওঁক আশ্ৰয় দিবলৈ প্ৰতিশ্ৰুতি দি, ধুবলৈ অনা কাপোৰ তেওঁক দান কৰে আৰু কেনেকৈ কোন পথে গৈ ৰাজপ্ৰাসাদত সোমাব আৰু কাৰ ওচৰত প্ৰথমে আশ্ৰয় ভিক্ষা কৰিব সেইবোৰ কথাও শিকাই দিয়ে। ইয়াৰ পাছত নৌচিকা পাঠকৰ দৃষ্টিপথৰ পৰা আঁতৰি গৈছে। কিন্তু অচিন পুৰুষজনৰ শাৰীৰিক সৌষ্ঠৱ দেখি তেনে এজন পুৰুষকে স্বামী বৰণ কৰিবলৈ ইচ্ছা প্ৰকট কৰিছে যদিও ওডিছিউছৰ সমস্ত কাহিনী শুনাৰ পাছত সেই বাসনা অন্তৰতে মাৰ গৈছে। সকলো কেইটা নাৰী চৰিত্ৰৰ ভিতৰত ব্যক্তিত্ব, গাম্ভীৰ্য, সৌন্দৰ্য, পতিপৰায়ণতা আৰু বুদ্ধি-কৌশলৰ

দিশতঃ পেনিলʼপীয়ে স্বাভাৱিকতে শীৰ্ষস্থান লাভ কৰিছে। তেওঁ বোৱন-কাটনতো পাৰ্গত। উনৈশ বছৰ নিৰুদ্দেশ স্বামীলৈ অপেক্ষা কৰি পাণিপ্ৰাৰ্থীবোৰক কৌশলেৰে ভুলাই ৰাখিছিল। প্ৰয়োজন অনুসৰি নিজে সহচৰীপৰিবৃত হৈ পাণিপ্ৰাৰ্থীসকল গোটখোৱা মণ্ডপলৈ গৈ ব্যক্তিত্বৰ দ্বাৰা উদণ্ড ডেকাবোৰক শান্ত-কৰাও দেখা পাওঁ। ভিক্ষাৰীবেশী ওডিছিউছক প্ৰথমে চিনিব নোৱাৰিলেও তেওঁক কিহবাৰ প্ৰেৰণাই ভিক্ষাৰীক আশ্ৰয় দিবলৈ আৰু তেওঁৰ পৰা স্বামীৰ কিবা সম্ভেদ পাবঃ বুলি ধাৰণা কৰি শুশ্ৰূষা কৰিবলৈ নিৰ্দেশ দিছে। ভিক্ষাৰীৰ অৱয়বে নিশ্চয় তেওঁৰ মনত সন্দেহৰ ভাব জগাইছিল, নহলে এজন বিশেষ ভিক্ষাৰীক অনুগ্ৰহ প্ৰদৰ্শন কৰাৰ যুক্তি বিচাৰি পোৱা নাযায়। পেনিলʼপীৰ সাহস আৰু বুদ্ধিমত্তাৰ পৰিচয় পোৱা যায় পাণিপ্ৰাৰ্থীসকলৰ দাবীৰ সমুচিত প্ৰতিবিধান কৰা কাৰ্যত। কোনোবা এজনক স্বেচ্ছাই বাছিলৈ বিয়া কৰাবলৈ যেতিয়া যুৱকসকলে তেওঁক হেঁচি ধৰে (সৰ্গ ২১) তেতিয়া উপস্থিত বুদ্ধিৰে পণ দাঙি ধৰে যে তেওঁৰে ঘৰত থকা পুৰণি ধনুখনত গুণলগাই একেশাৰীত বিভিন্ন দূৰত্বত ৰখা বাৰখন কুঠাৰৰ জলঙাৰ মাজেদি যিজনে শৰ নিক্ষেপ কৰিব পাৰিব তেওঁকেই বিয়া কৰাব। তেওঁ ভালকৈ জানিছিল যে ওডিছিউছৰ বাহিৰে উপস্থিত কোনেও সেই কাম কৰিব নোৱাৰে। যুৱকবিলাকে চেষ্টা কৰি বিফল হোৱাত ছদ্মবেশী ইউলিছিছে চেষ্টা কৰিব খোজাত যুৱকসকলৰ বাধা সত্ত্বেও তেওঁক অনুমতি প্ৰদান কৰে, কাৰণ তেওঁ অপৰিচিত আশ্ৰয়প্ৰাৰ্থীৰ অংগসৌষ্ঠৱলৈ লক্ষ্য কৰি তেওঁৰ দ্বাৰা সেই কাৰ্য সম্ভৱ হলে পাণিপ্ৰাৰ্থীবিলাকৰ দম্ভ লয় পাব আৰু তেৰোঁ ভিক্ষাৰীক বিয়া কৰিবলগীয়া অৱস্থাত নপৰে, কাৰণ তেওঁৰ পণটো আছিল উদণ্ড যুৱকবিলাকক উদ্দেশ্য কৰিহে, আনক সেই পণৰ অন্তৰ্ভুক্ত কৰা নাছিল। গতিকে পেনিলʼপীয়ে বিশেষ চাতুৰ্য প্ৰদৰ্শন কৰি উদ্ধত যুৱকবোৰৰ কিস্তি মাত কৰিছে। ভিক্ষাৰীজন ইউলিছিছ বুলি ঘুষিত হোৱাৰ পাছতো পেনিলʼপীয়ে প্ৰমাণ নোলোৱাকৈ তেওঁক স্বামীৰূপে গ্ৰহণ কৰা নাই। ইউলিছিছে তেওঁলোকৰ উনৈছ বছৰৰ আগৰ বৈৱাহিক জীৱনৰ কিছু কথা সোঁৱৰাই দিয়াত আৰু ভৰিত থকা বনৰীয়া গাহৰিৰ খুন্দাৰ চিন প্ৰদৰ্শন কৰাতহে ওডিছিউছক স্বামীৰূপে মিলনাশ্ৰুৰে গ্ৰহণ কৰিছে। পাশ্চাত্য সাহিত্যত এনে স্ত্ৰী চৰিত্ৰ বিৰল। পেনিলʼপীৰ পণে ৰামায়ণৰ সীতালাভৰ আৰু মহাভাৰতৰ দ্ৰৌপদী স্বয়ংবৰৰ পণলৈ মনত পেলাই দিয়ে আৰু সুগ্ৰীৱক ৰামে তেওঁৰ অব্যৰ্থ লক্ষ্য প্ৰমাণ কৰিবলৈ শাৰীপাতি থকা সাতজোপা তালগছ ভেদ কৰা কথাও মনত নেপেলাই নাথাকে।

ওডিছিউছৰ চৰিত্ৰ সম্পৰ্কে 'ইলিয়াড'ত কিছু আলোচনা কৰা হৈছে। দুয়োখন মহাকাব্যতে wily, stratagist, wise, brave, nimble-witted, warrior আদি বিভিন্ন বিশেষণেৰে তেওঁক বিভূষিত কৰা দেখা যায়। শাৰীৰিক শক্তিত যেনেকৈ বলিষ্ঠ, যুদ্ধবিদ্যাত পাৰ্গত, তেনেকৈ বুদ্ধি, কৌশল, চাতুৰ্য, উপস্থিত বুদ্ধি

আদি মানসিক শক্তিতো তেওঁ আছিল অসাধাৰণ। উনৈশ বছৰ কাল সাগৰ-দেৱতা পছেইডনৰ কোপত বিপৰ্যস্ত জীৱন অতিবাহিত কৰিব লগা হোৱাতো তেওঁ ধৈৰ্য হেৰুওৱা নাছিল, অথবা চাৰ্চী আৰু কেলিপ্সৰ মোহিনী ৰূপ আৰু বিলাসী জীৱনৰ সুখ সুবিধায়ো স্বদেশলৈ উভতি অহাৰ অদম্য হেঁপাহ ম্লান কৰিব নোৱাৰিছিল। স্বদেশপ্ৰীতি আৰু পত্নীপ্ৰেমে তেওঁক নিজ পাহাৰী ৰাজ্য ইথাকালৈ আকৰ্ষণ কৰিছিল। একচকুৱা নৰখাদক দৈত্য, পলিফেমাছৰ মৰণগুহাৰ পৰা আত্মৰক্ষা, মানুহক জন্তুলৈ পৰিণত কৰা কুহকনী-যাদুকৰী চাৰ্চীৰ মায়াজালৰ পৰা নিজকে বিচ্ছিন্ন কৰি ভয়াৱহ প্ৰেতপুৰী দৰ্শনলৈকে আৰু ইথাকাত ছদ্মৱেশ ধাৰণ কৰি উদণ্ড যুৱকবোৰক হত্যাৰ আয়োজন কৰি গোপনে পুতেক আৰু গাহৰিপালকৰ সহায়ত সম্পূৰ্ণ কৰি তোলা কাৰ্য আদিত তেওঁৰ বিচক্ষণ বুদ্ধি, অসাধাৰণ মনোবল আৰু শাৰীৰিক শক্তিৰ পৰিচয় পোৱা যায়। বাধ্যত পৰি চাৰ্চী আৰু উপদেৱী কেলিপ্সক শয্যাশায়িনী ৰূপে গ্ৰহণ কৰিব লগীয়া হৈছিল যদিও পত্নী পেনিল'পীলৈ এক মুহূৰ্তও পাহৰা নাছিল। অৱশ্যে এথেনী দেৱীৰ সহায়ো উপেক্ষণীয় নহয়।

বাপেক ট্ৰয়ৰ যুদ্ধলৈ যাওঁতে টেলিমেকিছ কেচুৱা, বাপেকৰ চেহেৰা মনত নপৰে। তেওঁৰ কোমল বয়সৰ সুযোগ লৈ ইথাকাৰ সম্ভ্ৰান্তবংশীয় উদ্ধত-উদণ্ড যুৱক বোৰে মাকক বিয়া কৰাবৰ আশাত তেওঁৰ ঘৰতে থিতাপি লৈ তেওঁৰে অন্ন আৰু সা-সম্পত্তি ধ্বংস কৰা যেতিয়া তেওঁ উপলব্ধি কৰিলে তেতিয়া প্ৰতিকাৰৰ উপায় চিন্তিলে। নাবালক টেলিমেকাছ সাবালক হৈ উঠিল, লগতে ব্যক্তিত্ব সাহস আৰু বুদ্ধিৰো বিকাশ হোৱা প্ৰথম চাৰিটা সৰ্গত দেখা পাওঁ। পৈতৃক সা-সম্পত্তি ৰক্ষা কৰিবলৈ হ'লে প্ৰথমতে সংভেদ নোপোৱা পিতৃৰ সম্ভেদ ল'ব লাগিব। যদি পিতৃৰ মৃত্যু অথবা দেশলৈ উভতি অহাৰ কোনো সম্ভাৱনা দেখা নাপায়, তেন্তে দেশদস্তুৰ মতে মাকৰ বিয়াৰ ব্যৱস্থা কৰি ঘৰখন ধ্বংসৰ পৰা ৰক্ষা কৰিব লাগিব। সেই কাৰণেই পিতৃসন্ধানত, পাণিপ্ৰাৰ্থী যুৱকসকলৰ অজ্ঞাতে পাইলছ আৰু স্পাৰ্টালৈ গৈ বাপেক যে যুদ্ধত মৰা নাই, হয়তো ক'ৰবাত আবদ্ধ হৈ আছে সেই সংবাদ লৈ গোপনে গাহৰিৰখীয়াৰ পামঘৰত নামে। উভতি অহাৰ লগে লগে যুৱকদলে তেওঁক বধ কৰাৰ যি ষড়যন্ত্ৰ কৰিছিল সেই কথা দেৱীৰ সহায়ত তেওঁ জানিবলৈ পাইছিল। এই পামতে পিতৃপৰিচয় ঘটে। ইয়াৰ পাছৰ ছোৱা পিতৃৰ সোঁহাত ৰূপে ৰাজ্য-ঘৰসম্পত্তি আৰু মাতৃক ৰক্ষা কৰাত আত্মবিশ্বাসী যুৱকৰূপে কাৰ্য কৰিছে। প্ৰয়োজন অনুসৰি উদ্ধত যুৱকবোৰক চোকা ভাষাৰে শাসন কৰিছে। টেলিমেকাছ বয়সত নবীন হলেও প্ৰবীণৰ দৰে কাৰ্য কৰিছে।

গৌণ মানৱ চৰিত্ৰৰ ভিতৰত যুৱক দলৰ নেতা এন্টিন'আছ, ইউৰিমেকাছকে প্ৰমুখ্য কৰি প্ৰায় সকলোবোৰ পেনিল'পীৰ পাণিপ্ৰাৰ্থী ব্যৱহাৰত উদ্ধত, মদ্যপ, দুৰ্মুখ, অকৃতজ্ঞ আৰু সাধাৰণ মানুহৰ প্ৰতি অৱজ্ঞামতি। অৱশ্যে তাৰ মাজৰে

দুই-এজনৰ হিতাহিত জ্ঞান নোহোৱা নহয়, কিন্তু তেনে লোক মাত্র দুই-এজন। শেষত উলুৰ লগত বগৰি পোৱাৰ দৰে এওঁলোকৰো শেষ দশা একেই হয়।

'ইলিয়াড'ত নিম্নবৰ্গৰ চৰিত্র নাই বুলিলেও হয়, তাৰ বিষয়বস্তুয়ে নিম্নবৰ্গৰ চৰিত্রই বিশেষ ভূমিকা গ্রহণ কৰিবলৈ কোনো অৱকাশ দিয়া নাই। কিন্তু 'ওডিছি'ৰ বিষয়বস্তু পাৰিবাৰিক। স্বাভাৱিকতে এনে বিষয়বস্তুত নিম্নবৰ্গৰ চৰিত্রক দৃষ্টিপথলৈ অনাৰ সুযোগ পোৱা যায়। নিম্নবৰ্গৰ চৰিত্রাৱলীৰ মাজত দুই শ্রেণীৰ চৰিত্র পোৱা যায়। গৃহস্বামীৰ বহু বছৰ অনুপস্থিতিৰ সুবিধা লৈ একশ্রেণীয়ে ভিতৰি বা দেখাকৈ গৃহস্থৰ দ্রোহ আচৰণ কৰিছে। ছাগলীপালক মেলেন্হাছে এই শ্রেণীক প্রতিনিধিত্ব কৰিছে। তেওঁ ছদ্মবেশী ইউলিছিছকো অপমান কৰি যুদ্ধৰ সময়ত মনে মনে অস্ত্রাগাৰ সোমাই শত্রুপক্ষক অস্ত্ৰৰ যোগান ধৰিছে। আন শ্রেণীক প্রতিনিধিত্ব কৰে গাহৰিপালক ইউমিউছ, বুঢ়ী-ধাত্রী ইউৰিক্লিয়া, গৃহপালিকা ইউৰিনমী, আৰু গোপালক ফলাটিয়াছ আৰু বুঢ়া ফাঁপৰে খোৱা কুকুৰটো। ওডিছিউছৰ ঘৰত পোন প্রথম ইউৰিক্লিয়াই ছদ্মবেশী ভিক্ষাৰীক গৃহস্বামী বুলি চিনিব পাৰিছে, কিন্তু জানিও ওডিছিউছৰ আদেশত শেষলৈক মনে মনে আছে।

'ইলিয়াড'ৰ যদি প্রধান নাৰীচৰিত্র অসতী, 'ওডিছি'ৰ প্রধান নাৰীচৰিত্র পতিপৰায়ণা।

উপ-অধ্যায়

ইলিয়াড আৰু ওডিছিৰ অন্যান্য বিচাৰ

হোমাৰৰ ৰচনাত পত্নী-গ্ৰহণ কৰা কেবাটাও ৰীতি লক্ষ্য কৰা যায়। ইয়াৰ লগত ভাৰতীয় স্মৃতিশাস্ত্ৰত উল্লিখিত আঠ প্ৰকাৰৰ বিবাহৰ সাদৃশ্য পৰিলক্ষিত হয়। হোমাৰৰ কাব্য দুখনত যুদ্ধত বন্দিনী কৰি নিয়া কন্যাৰ বিবাহ (marraige by capture), শুল্ক দি কন্যা লাভ কৰা প্ৰথা (এন্দ্ৰমেকীক হেক্টৰে এই প্ৰথাৰে লাভ কৰিছিল), যৌতুক দি কন্যাদান কৰা ৰীতি (আগামেমননে একিলিছৰ ক্ৰোধ উপশম ঘটাবলৈ এনে প্ৰস্তাৱ দিছিল), কন্যাৰ সাধন দি বিবাহ কৰা ৰীতি (ইফিডেমাছৰ কথা, একাদশ সৰ্গ) আৰু কন্যা আৰু দৰাঘৰৰ পাৰস্পৰিক প্ৰীতি বন্ধন আৰু পৰামৰ্শৰ যোগেদি হোৱা বিবাহ ৰীতি (negotiated marriage) আৰু প্ৰীতিপ্ৰণয়ৰ ফলত পলাই গৈ পতিপত্নীৰূপে থকা ৰীতিৰ (elopment, হেলেন পেৰিছ) উল্লেখ পোৱা যায়।

হোমাৰৰ কাব্য দুখনত মহাকাব্যিক উপমাৰ (epic or homeric simile) সঘন প্ৰয়োগে কাব্য দুখনৰ কাব্যিক সৌন্দৰ্য বৃদ্ধি কৰাৰ উপৰিও বিভিন্ন পৰিস্থিতি, পৰিৱেশ, অৱস্থা আৰু কাৰ্য উজ্জ্বল মনোগ্ৰাহী ৰূপত প্ৰকাশ হোৱাত সহায় কৰিছে। এনে ধৰণৰ একোটা পূৰ্ণ চিত্ৰাত্মক উপমাৰ প্ৰথম প্ৰয়োগ হোমাৰৰ ৰচনাত দেখা যায় কাৰণে এই শ্ৰেণীৰ উপমাই হোমাৰীয় উপমা বুলি প্ৰসিদ্ধি লাভ কৰে আৰু পৰৱৰ্তী ইউৰোপৰ মহাকাব্য ৰচনা কৰা কবিসকলে এই শ্ৰেণী উপমাৰ বহুল প্ৰয়োগ কৰি মহাকাব্যৰ ই এক অন্যতম বৈশিষ্ট্য ৰূপে কৰি প্ৰসিদ্ধি প্ৰতিষ্ঠা কৰে। হোমাৰৰ উপমাসমূহ পাৰ্থিৱ জগতৰ বৰ্ণবৈচিত্ৰ উৎসৰ পৰা সংগৃহীত কাৰণে চিত্ৰবৈভৱ এইবোৰৰ বৈশিষ্ট্য। উপমাসমূহলৈ লক্ষ্য কৰিলে হোমাৰৰ অন্ধতাৰ কোনো ইংগিত পোৱা নাযায়, বৰং প্ৰকৃতি আৰু মানৱজগতৰ এগৰাকী সূক্ষ্ম পৰ্যবেক্ষক ৰূপেহে আমাৰ আগত প্ৰতিভাত হয়। সাগৰৰ বিভিন্ন ৰূপ-দৃশ্য, চিকাৰ, গভীৰ অৰণ্য, জন্তু জগত, উৰণীয়া চৰাই, ঋতুশোভা, তৰালি আকাশ, চিকাৰী পক্ষী, জ্বলন্ত অগ্নি, বনপোৰা জুই, প্ৰচণ্ড ধুমুহা, মাছমৰা দৃশ্য, শস্য আৰু শস্যচপোৱা চিত্ৰ, বিবাহ, কন্দল বিচাৰৰ মেল আদি বিভিন্ন চিত্ৰ তেওঁৰ উপমাত পোৱা যায়। তেওঁৰ উপমাবোৰ বিস্তৃত জীৱন আৰু জগতৰ পৰা আহৰণ কৰা, নেদেখা অতীত, অপাৰ্থিৱ, কাল্পনিক বা দেৱলোকৰ আশ্ৰয় তেওঁ কমেইহে লোৱা দেখা যায়। 'ইলিয়াড'ৰ তুলনাত 'ওডিছি'ত প্ৰয়োগ কৰা উপমাৰ সংখ্যা কম, প্ৰথমখনত দ্বিতীয়খনতকৈ চাৰিগুণ উপমা প্ৰয়োগ হৈছে। ইয়াৰ প্ৰধান কাৰণ এয়ে যে,

'ইলিয়াড'ৰ পটভূমি হৈছে যুদ্ধক্ষেত্ৰ য'ত সামূহিক যুদ্ধৰ উপৰিও বহুতো দ্বন্দ্বযুদ্ধও বৰ্ণিত হৈছে। এইখিনিতে এটা হোমাৰীয় উপমাৰ চানেকি দাঙি ধৰা হৈছে যাতে পাঠকে উপমাৰ প্ৰকৃতি সম্বন্ধে অনুমান কৰিবলৈ কিছু সমৰ্থবান হয়। কম বয়সীয়া, সুদৰ্শন যুৱক ইউফৰবাচক মেনেলাউছে বৰ্শা নিক্ষেপৰ দ্বাৰা ডিঙি-বিন্ধ কৰি ভূলুণ্ঠিত কৰি বৰ্শাডাল মৃত বীৰৰ তেজেৰে ৰাঙলি হোৱা ডিঙিৰ পৰা উলিয়াই অনাৰ দৃশ্য হোমাৰে এনেকৈ দিছে।

Think how a man might tend a comely shoot of olive in a lonely place, well watered, so that it flourished, being blown upon by all winds, putting out silvery green leaves, till suddenly a great wind in a storm uprooted it, and 'cast it down, so beautiful had Panthons' son, Euphorbus, been, when Menelaus killed him and bent over to take his spear.

And as a mountain lion cut out a yearling from a grazing herd, the plumpest one, clamping with his great jaws upon her neck to break it and then feeds on blood vitals rending her around him dogs and herds men raise a mighty din but keep away unwilling to attack him as pale dread takes possession of them all; so not one Trojan had the heart to face Menelaus in his pride (XVII 60-74). ওপৰত ক্ৰমাগত দুটা চিত্ৰই ইউফৰবাচৰ মৃত্যু আৰু নিহতকাৰী মেনেলাউছক আক্ৰমণ কৰিবলৈ ট্ৰজান সৈন্যৰ ভয় সংকোচ প্ৰকাশ কৰিছে। প্ৰথমটোত কুমলীয়া যুৱক ইউফৰবাচক ধুমুহাই উঘালি পেলোৱা অলাইভ গছৰ পুলিৰ লগত আৰু দ্বিতীয় উপমাটোত নিপোটল, ঘাঁহ খাই থকা গৰু পোৱালি এটা চৰি থকা দলৰ মাজৰ পৰা সিংহই কামুৰি ডিঙি ছিঙি তেজ খাই থকা আৰু কুকুৰ আৰু ৰাখিয়াবোৰে ভয়ত চাই থকা অৱস্থাৰ লগত মেনেলাউছ আৰু ট্ৰজান সৈন্যক তুলনা কৰিছে। এনেধৰণৰ পূৰ্ণ চিত্ৰাত্মক উপমাবোৰক হোমাৰীয় উপমা বোলা হয়। এনে উপমা কাব্য দুখনত যথেষ্ট পৰিমাণে কবিয়ে প্ৰয়োগ কৰিছে। ইয়াৰ উপৰিও কোনো চৰিত্ৰৰ আংশিক দিশ, ঘটনা বা পৰিস্থিতিৰ পাৰ্শ্বিক চিত্ৰ প্ৰকাশ কৰা চুটি উপমাৰে কাব্য দুখন সমৃদ্ধ। উদাহৰণ স্বৰূপে, চৰিত্ৰবোৰৰ উল্লেখ প্ৰসংগতে একোটি বিশেষণ লগাই প্ৰধান চৰিত্ৰবোৰৰ চাৰিত্ৰিক আভাস দিয়া দেখা যায়। তীব্ৰবেগী একিলিছ (fleet-footed Achilles) শ্বেতচৰণা হেলেন (white-footed Helen), পিঙলাক্ষী এথেনী (grey-eyed Athene), শ্বেতবাহু হেৰা (white armed Hera), দেৱপ্ৰতীম হেক্টৰ (God-like Hector), ৰঙাচুলীয়া মেনেলাউচ (red-haired Menelaus), কূটকৌশলী ও'ডিছিয়াছ (stratagist-Odysseus) ইত্যাদি। হোমাৰৰ প্ৰকৃতি-চিত্ৰণ স্বাভাৱিক

তাত মানৱৰ মানসিকতা আৰোপ কৰা দেখা নাযায় (attribution of human qualities) বীৰৰ ভয়াৱহ আক্ৰমণ ব্যৱহাৰ বুজাবলৈ ধুমুহা, সিংহ, বনৰীয়া বৰা গাহৰি, সৈন্যৰ প্ৰতি প্ৰতি-আক্ৰমণ বুজাবলৈ সাগৰৰ ঢৌৰ পাছত ঢৌৰ পাৰৰ শিলনিত খুন্দা, নাইবা হিলদলভঙা ধুমুহাৰ উপমা অনেক ঠাইত লক্ষ্য কৰা যায়। এই উপমাবোৰৰ পৰা স্পষ্টভাৱে অনুমান কৰিব পাৰি যে হোমাৰ বুঢ়া বয়সত অন্ধ হলেও যৌৱন অৱস্থাত অন্ধ নাছিল। হয়টো মিল্টনৰ দৰে শেষ বয়সত অন্ধ হৈছিল।

যুদ্ধৰ ধাৰাবাহিক আৰু আমনি লগা বৰ্ণনাৰ মাজত বৈচিত্ৰ সম্পাদন কৰিবৰ উদ্দেশ্যে হেক্টৰ-এন্দ্ৰমেকীৰ দাম্পত্য জীৱন, গ্ৰীক-বীৰসকলৰ পৰিচয়, দেৱতাসকলৰ মাজত ষড়যন্ত্ৰ, থেটিছৰ পুত্ৰস্নেহ, প্লকাছ-ডাঅ'মেডিছৰ যুদ্ধত পাৰস্পৰিক পৰিচয় আৰু বন্ধুতা আদি সৰু সৰু ঘটনা মাজে মাজে উপস্থাপন কৰা দেখা যায়। কাব্য দুখনত ব্যক্তিৰ পুৰুষাৰ্থ আৰু দৈবিক বিধান সমান্তৰালভাৱে উপস্থাপন কৰা হৈছে। বীৰসকলৰো যুদ্ধত বিজয় আৰু গৌৰৱ অৰ্জন কৰাই প্ৰধান লক্ষ্য আছিল।

হোমাৰৰ ৰচনাত ৰাজকুমাৰ, বীৰ, ৰজা দেৱ-দেৱীৰ কাৰ্যৰ প্ৰাধান্যই লক্ষ্য কৰা যায়। সৰ্বসাধাৰণ জনতাৰ সুখ-দুখ প্ৰদৰ্শন কৰা উদ্দেশ্য নহয়। উপমাৰ ক্ষেত্ৰত সাধাৰণ জীৱনৰ চিত্ৰ ঠায়ে ঠায়ে উত্থাপন নকৰাকৈ থকা নাই, কিন্তু মূল কাহিনীয়ে সাধাৰণ জীৱনচিত্ৰণৰ সুবিধা বিশেষ দিয়া নাই। হোমাৰৰ মানবী চৰিত্ৰসমূহ আকৰ্ষণীয়; দেৱী বা অৰ্ধদেৱীৰ ক্ষেত্ৰত কিন্তু সেইটো সাধাৰণতে দেখা নাযায়, তেওঁলোক স্বাৰ্থপৰ, জেদী, কন্দলপ্ৰিয়। 'ওডিছি'ৰ পেনিলপী, নৌচিকা, 'ইলিয়াড'ৰ এন্দ্ৰমেকী, হেকুবা আৰু হেলেন আকৰ্ষণীয় চৰিত্ৰ; তেওঁলোকৰ চৰিত্ৰত নাৰীসুলভ কমনীয়তা, স্নেহ, মমতা আদি লক্ষ্য কৰা যায়।

জীৱন আৰু জগতৰ সকলো দিশৰ লগত হোমাৰৰ পৰিচয় থকাৰ প্ৰমাণ মহাকাব্য দুখনে দাঙি ধৰে। যদিও দুয়োখন কাব্যৰে বিষয়বস্তু অসাধাৰণ আৰু বীৰত্ব প্ৰকাশক, সাগৰৰ বিভিন্ন অৱস্থা, ঢৌৰ আস্ফালনত নাৱিকৰ কাহিল অৱস্থা, জাহাজ বা সাগৰোপযোগী নাও নিৰ্মাণ আদিৰ বৰ্ণনা, সিংহ, বনৰীয়া গাহৰি, কুকুৰনেচিয়া বাঘ আদি হিংস্ৰ জন্তুৰ আচৰণ, ৰাজপথত কাজিয়া কৰা নাৰীৰ ব্যৱহাৰ, মাখিয়ে আমনি কৰা কেচুৱাৰ গাৰ পৰা মাখি খেদোৱা মৰমিয়াল মাকৰ চিত্ৰ, আসন্ন মৃত্যুৰ মুখলৈ যোৱা স্বামীৰ পত্নী আৰু পোনাকনৰ পৰা শেষ বিদায়ৰ কৰুণ দৃশ্য, ঢৌ-নিক্ষিপ্ত অচিনাকি দুঃস্থ পুৰুষক পুতৌ কৰি ৰাজকন্যাই কৰুণাপৰবশ হৈ আশ্ৰয় দিয়া আদি বৰ্ণনাই নাৰীহৃদয়ৰ কোমলতা, কৰুণতা আৰু কমনীয়তা প্ৰকাশ চিত্ৰ, প্ৰসৱ সময়ৰ নাৰীৰ বেদনা, মাছমৰীয়াই সাগৰত মাছমৰা দৃশ্য, খালকাটি খেতিয়কে খেতিলৈ পানী বোৱাই অনাৰ চিত্ৰ আদিয়ে কবিৰ সাৰ্বতোপ্ৰসাৰী দৃষ্টিৰ পৰিচয় দিয়ে।

'ওডিছি' কাব্যত ঘৰুৱা জীৱনৰ চিত্ৰ অধিক পৰিস্ফুট। ৰজা, ডা-ডাঙৰীয়া

(nobles) সকলৰ ঘৰ, দাসদাসী, পৰিচাৰক-পৰিচাৰিকা আৰু আত্মীয়স্বজনৰে পূৰ্ণ আছিল। সোণাৰি, বাঢ়ৈ, ধাতুৰ কাম কৰা কমাৰ আদি, ভৱিষ্যবাণী কৰা ভৱিষ্যবক্তা (soothsayer), চিকিৎসক আদি বিভিন্ন বৃত্তিয়াল আদিৰ উল্লেখ পোৱা যায়। সূতা কটা, তাঁত বোৱা নাৰীৰ কাম আছিল। পেনিলপী আৰু নৌছিকা, এন্দ্ৰমেকী, আনকি হেলেনেও সূতাৰ কাম কৰা কাব্য দুখনত দেখা যায়। অতিথি সৎকাৰ আৰু বিদায়ৰ সময়ত নানা উপঢৌকন দিয়া ৰীতি প্ৰচলন আছিল। পামপাতি ফলমূল আদি শস্যৰ খেতি কৰাৰ উল্লেখ দুয়োখন কাব্যতে পোৱা যায়। ফিনিচিয়ানসকলে সাগৰেদি বেপাৰ-বাণিজ্য কৰাৰ উল্লেখ 'ওডিছি'ত পোৱা যায়, কিন্তু প্ৰতিযোগিতামূলক খেল ধেমালী, শাৰীৰিক কৌশল প্ৰদৰ্শন কৰা আৰু পুৰস্কাৰ লাভ কৰা কাৰ্যত গ্ৰীকবিলাকৰ উৎসাহ প্ৰকাশ পাইছিল। একিলিছৰ ঢালখনত দেৱশিল্পীয়ে সেই সময়ৰ গ্ৰীকসমাজৰ এক দৰ্পণ স্বৰূপে ৰূপ দিছে য'ত নগৰ অৱৰোধ কৰা, যুদ্ধ, বিবাহ, ন্যায়বিচাৰ, কৃষিজীৱন ইত্যাদি বিভিন্ন স্তৰৰ গ্ৰীক সমাজ প্ৰতিফলিত কৰিছে।

হোমাৰেও ভুল কৰে (even Homer nods), মুনিৰো মতিভ্ৰম হয়। উদাহৰণ স্বৰূপে হেলেনে বুদ্ধ প্ৰায়েমক গ্ৰীক সৈন্যাধ্যক্ষসকলক প্ৰাচীৰৰ ওপৰৰ পৰা চিনাকি কৰি দিয়া দৃশ্যটোলৈকে আঙুলিয়াব পাৰি। যুদ্ধৰ দশম বছৰত গ্ৰীকবীৰসকলক ৰজা প্ৰায়েমে চিনি নোপোৱা, বা দশম বছৰলৈকে চিনি পাবলৈ অপেক্ষা কৰি থকা বিশ্বাসযোগ্য হোৱা নাই। এনে ধৰণৰ ভ্ৰমাত্মক উদাহৰণ আৰু দুই এটা চকুত নপৰাকৈ নাথাকে। গ্ৰীক বীৰ ডায়মেডিছে দেৱ-দেৱীৰ বিৰুদ্ধে অস্ত্ৰ নধৰে বুলি স্পষ্টভাবে কৈয়ো পাছত এফ্ৰ'ডাইট আৰু মাৰ্ছক (Mars, the war god) অস্ত্ৰৰ দ্বাৰা ঘাইল কৰিছে ; এবাৰ মৃত বুলি কৈ পৰবৰ্ত্তী সৰ্গত সেই মৃত সৈন্যজনক যুদ্ধ কৰা দেখুৱাইছে। গ্ৰীকসকলে নিৰ্মাণ কৰা গড় ট্ৰজানে বিজয় যাত্ৰাত নষ্ট কৰে বুলি বৰ্ণনা দি পৰৱৰ্ত্তী সৰ্গত সেই গড় অক্ষুণ্ণ অৱস্থাত থকা বুলি দেখুৱাইছে। এনে ধৰণৰ পৰস্পৰ বিৰোধী উক্তি বেছি নহ'লেও কবিৰ অনৱধানতাৰ কাৰণে ৰৈ গৈছে।

হোমাৰৰ কাব্য দুখনত মানৱৰ চেষ্টা আৰু দৈৱ শক্তিৰ প্ৰভাৱে ব্যক্তিৰ ভাগ্য নিয়ন্ত্ৰণ কৰা দেখুৱাইছে। বহুক্ষেত্ৰত স্বপ্ন, ভৱিষ্য বাণীৰ উপৰিও দেৱতাৰ প্ৰত্যক্ষ হস্তক্ষেপে চৰিত্ৰৰ ভাগ্য নিৰ্ণয় কৰা দুয়োখন কাব্যতে লক্ষ্য কৰা যায়। 'ইলিয়াড' ট্ৰেজেডি ; ইয়াত ট্ৰয়নগৰ সমূলে ধ্বংস দেখুৱাৰ উপৰিও সৰহভাগ পুৰুষৰ মৃত্যু আৰু নাৰীৰ বন্দিনী অৱস্থা প্ৰদৰ্শন কৰিছে। বহু নাৰীপুৰুষ জুইত পুৰি মৰিছে। ইয়াৰ বিপৰীতে 'ওডিছি' কাব্য কমেডি বা মিলনান্তক। উনৈশ বছৰৰ মূৰত প্ৰধান নায়ক-নায়িকাৰ মিলন ঘটিছে আৰু পৰস্ত্ৰী আৰু পৰসম্পত্তি ধ্বংস কৰা উদন্ড যুৱকবোৰৰ মৃত্যু ঘটিছে। পাপৰ পৰিণাম কবিয়ে প্ৰদৰ্শন কৰিছে। 'ইলিয়াড'ৰ উপমা দুই-এটাত ঘৰুৱা চিত্ৰৰ আংশিক ৰূপ প্ৰকাশ কৰিছে যদিও

সামাজিক বা পাৰিবাৰিক জীৱনৰ সামগ্ৰিক ৰূপ পোৱা নাযায়। কিন্তু 'ওডিছি'ত পাৰিবাৰিক জীৱনৰ বিশেষকৈ ইউলিছছৰ আৰু সাধাৰণ মানুহৰ জীৱন প্ৰৱাহৰ সুন্দৰ চিত্ৰ অংকিত হৈছে। দাস-দাসী, পামখেত, ভেৰাৰখীয়া, গৰুৰখীয়া, তাঁতশাল, ভোজভাত, পৰিচাৰিকাৰ নৈশ অভিসাৰ, খেলধেমালি, স্বৰ্ণকাৰ, সূত্ৰধাৰ (কাঠমিস্ত্ৰী), কমাৰ ভৱিষ্যবক্তা, বেজজ্ঞানী, (১৭শ সৰ্গ দ্ৰষ্টব্য) অতিথি সংকাৰ, অতিথি বিদায়, বিদায়-প্ৰসংগত দিয়া উপহাৰ, বিভিন্ন ধাতুৰ সাজবাছন, আদিৰ উল্লেখেৰে 'ওডিছি' কাব্য সমৃদ্ধ।

'ইলিয়াড'ত একিলিছৰ ক্ৰোধ আৰু ক্ৰোধৰ উপশান্তি প্ৰধান কথা হ'লেও একিলিছে কাব্যখনত একাধিপত্য বিস্তাৰ কৰা নাই, আন ভালেখিনি চৰিত্ৰই স্থান বিশেষে আধিপত্য বিস্তাৰ কৰিছে। সেই কাৰণে এই কাব্যক একক নায়কৰ কাব্য বুলি কব নোৱাৰি। কিন্তু 'ওডিছি' একক নায়কৰ কাব্য, সমস্ত কাব্যখনত ওডিছিউছৰ প্ৰাধান্য অব্যাহত আছে। টেলিমেকাছৰ পিতৃ-অন্বেষণতো ওডিছিউছ নেপথ্যলৈ যোৱা নাই। নেষ্টৰ আৰু মেনেলাউছৰ বিৱৰণতো তেওঁ পাঠকৰ সন্মুখৰ পৰা আঁতৰি যোৱা নাই।

দুয়োখন কাব্যৰ প্ৰধান নাৰীচৰিত্ৰ কেইটাই পাঠকৰ সহানুভূতি আকৰ্ষণ কৰে। 'ইলিয়াড'ৰ হেকুবা, এন্দ্ৰমেকী, হেলেন আৰু 'ওডিছি'ৰ পেনিল'পী নৌচিকা মোহনীয়া চৰিত্ৰ। দেখা যায় হোমাৰ নাৰীৰ প্ৰতি অধিক সহানুভূতিশীল আছিল। সেই বুলি দুষ্টা চৰিত্ৰা নাৰীযে নাই এনে নহয়। পেনিল'পীৰ পৰিচাৰিকাৰ কেইজনীমানক ভ্ৰষ্টা আৰু বিশ্বাসঘাতকিনী ৰূপে চিত্ৰিত কৰিছে। যাদুকাৰিণী নাৰী ৰূপে চাৰ্চী উল্লেখযোগ্য। চাৰ্চী প্ৰথমতে নিষ্ঠুৰা নাৰী ৰূপে প্ৰকাশ পাইছে যদিও পাছলৈ তেওঁৰ প্ৰতি পাঠকৰ সহানুভূতি নাজাগি নাথাকে।

'ইলিয়াড'ৰ প্ৰধান নাৰী হেলেন পতিপৰায়ণা নহয়, ব্যাভিচাৰিণীহে, কিন্তু 'ওডিছি'ৰ পেনিলপী অসাধাৰণ পতিপৰায়ণা যাৰ তুলনা পাশ্চাত্য সাহিত্যত বিৰল। 'ওডিছি'ৰ কাহিনী একেজন চৰিত্ৰক কেন্দ্ৰ কৰি ঘটা স্বতন্ত্ৰ ঘটনা কিছুমানৰ সমষ্টি, কিন্তু 'ইলিয়াড'ৰ এটা কেন্দ্ৰস্থ বিষয়ক ভেটি কৰি সৃষ্টি হোৱা সংহতিপূৰ্ণ কাহিনী। 'ইলিয়াড'ৰ গ্ৰীক অভিযানৰ উদ্দেশ্য হেলেন উদ্ধাৰ যদিও কাব্যত হেলেনৰ উদ্ধাৰ দেখুওৱা নাই, কিন্তু 'ওডিছি'ত স্বামী-স্ত্ৰীৰ মিলনত পৰিসমাপ্তি ঘটিছে।

গ্ৰীক আৰু ৰোমান দেৱ-দেৱীৰ নাম।

ৰোমানসকলে গ্ৰীক সভ্যতা অনুকৰণ কৰি নিজৰ প্ৰাচীন সংস্কৃতি সভ্যতাৰ লগত সমন্বয় ঘটাই এক নতুন সভ্যতা গঢ়ি তুলিছিল। ৰোমানসকলে এক বিৰাট সাম্ৰাজ্য স্থাপন কৰাৰ লগতে প্ৰশাসন ৰীতি আৰু শৃংখলাবদ্ধ আইন (সংবিধান বিধি) প্ৰণয়ণ কৰিছিল। দেৱ-দেৱী ধৰ্মীয় সংস্কাৰ আদিৰ ক্ষেত্ৰতো গ্ৰীক-

সকলৰ ধাৰণাকে পোষণ আৰু পালন কৰিছিল । কিন্তু খৃষ্টধৰ্ম গ্ৰহণ কৰাৰ পাছত ‘বাইবেল’ সমৰ্থিত ঈশ্বৰ, ঈশ্বৰপুত্ৰ যীশু, কুমাৰী মেৰী, স্বৰ্গ-নৰক, দেৱদূত (angels, archangels) কবৰ দিয়া প্ৰথা আদি গ্ৰহণ কৰি পূৰ্বৰ গ্ৰীকপ্ৰভাৱিত ধৰ্মীয় বিশ্বাস আৰু আচাৰ-নীতি পৰিহাৰ কৰে। খৃষ্টধৰ্মই ৰোম আৰু ইটালীত খোপনি পুতি লোৱাৰ আগতেই ভাৰ্জিলে তেওঁৰ অমৰ কাব্য ৰচনা কৰে। গতিকে এই কাব্যত গ্ৰীক ধৰ্মীয় বিশ্বাস আৰু আচাৰ-নীতি প্ৰতিফলিত হোৱা দেখা যায়। তলত গ্ৰীক দেৱ-দেৱীয়ে ৰোমানসকলৰ ভাষাত কি ৰূপে প্ৰকাশ পালে দেখুওৱা হৈছে।

গ্ৰীক নাম	ৰোমান নাম
ফিবাচ (Phoebus) সূৰ্য	এপল’ (Apollo)
ডাইঅ’নীচিছ (Dionysus) সুৰাৰ দেৱতা	বেকাছ (Bacchus)
আৰ্টিমিছ (Artemis) চিকাৰ আৰু কৌমাৰ্যৰ দেৱী, আকাশত চন্দ্ৰৰ দেৱী, পাতালত হিকেট নামে।	ডিয়ানা (Diana)
জিউছ (Zeus) দেৱৰাজ, স্বৰ্গৰ অধীশ্বৰ	জুপিটাৰ, জ’ভ (Zupiter, Jove)
হাৰ্মিছ (Hermes) দেৱদূত	মাৰ্কুৰি (Mercury)
পালাছ এথেনা (Pallas Athena) গৃহ আৰু নগৰদেৱী।	মিনাৰ্ভা (Minerva)
এৰেছ (Ares) ৰনদেৱতা	মাৰ্ছ (Mars)
পজেইডন (Poseidon) জল, সাগৰদেৱতা	নেপচুন (Neptune)
হেডছ (Hades) পাতাল, নৰকৰ দেৱতা	প্লুট’ (Pluto)
ক্ৰ’ন’ছ (Kronos), জিউছ আৰু হেৰাৰ, পিতৃ শনি।	ছেটাৰ্ন (Saturn)
এফ্ৰ’ডাইট (Aphrodite) প্ৰেমৰ দেৱী	ভেনাছ (Venus)
হেফেষ্টাছ (Hephaestus) দেৱতাৰ শিল্পী, বিশ্বকৰ্মা	ভালকান (Vulcan)

চতুর্থ অধ্যায়

রামায়ণ

চতুৰ্থ অধ্যায়

ৰামায়ণ

মহাভাৰতৰ বিপৰীতে ৰামায়ণ বহু পৰিমাণে সংহত কাব্য, এই কাৰণেই ৰামায়ণক কাব্য আৰু মহাভাৰতক ইতিহাস বোলা হয়। ৰামায়ণক আদি কাব্যও বোলা হয়, কাৰণ পৰৱৰ্তী আলংকাৰিকসকলে দিয়া কাব্যৰ সংজ্ঞা ৰামায়ণে বহু দূৰ পূৰণ কৰে। বৰং ওলোটাভাৱে কব পাৰি ৰামায়ণৰ কাব্যিক বৈশিষ্ট্যসমূহৰ প্ৰতি লক্ষ্য ৰাখিয়েই অলংকাৰিকসকলে মহাকাব্যৰ সংজ্ঞা আৰু লক্ষণ নিৰ্ণয় কৰিছে। কিন্তু ভাৰতীয় প্ৰাচীন নন্দনতত্ত্ববিদসকলে ৰামায়ণ আৰু মহাভাৰতক মহাকাব্য বোলা নাই। ৰামায়ণক 'আদিকাব্য' আখ্যাৰে বিভূষিত কৰিলেও মহাকাব্যৰ লেখত ৰামায়ণ নপৰে। পাশ্চাত্য প্ৰাথমিক মহাকাব্যৰ (Western primary epics) সংজ্ঞাৰে মহাভাৰত আৰু ৰামায়ণক জাতীয় মহাকাব্য বোলা হৈছে। মহাভাৰতক ইতিহাস, আদি পুৰাণ, পঞ্চম বেদ আদি বিভিন্ন আখ্যাৰে জনা যায়, কাব্যৰূপে, কাব্য-উপাদান থকা সত্ত্বেও, কোনো কালে ই পৰিচিত হোৱা নাই। কিন্তু ৰামায়ণ আদিকাব্য আৰু বাল্মীকি আদি কবি ৰূপে প্ৰাচীন কালৰ পৰাই জনাজাত। কাব্যৰ প্ৰয়োজনীয় কাহিনীৰ সংহতি, সৰ্গবিভাগ, প্ৰাকৃতিক বা নৈসৰ্গিক শোভা, ঋতু-পৰ্যায়ৰ বৈচিত্ৰ্য আৰু মানৱ মনত তাৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া আৰু অনবদ্য চৰিত্ৰ সৃষ্টিয়ে ৰামায়ণক কাব্যিক মহত্ত্ব দান কৰিছে। বিৰাটত্ব, বিক্ষিপ্ততা, অপ্ৰাসঙ্গিকতা আদি কিছুমান লক্ষণে মহাভাৰতক কাব্যলৈ উন্নীত হোৱাত বাধা জন্মায়। ৰামায়ণৰ কাব্যত্ব স্বীকাৰ কৰি লোৱা হৈছে যদিও সৰ্বসাধাৰণ কাব্য বা মহাকাব্যৰ লেখত ইয়াক ধৰা নহয়, ই নিজেই এক স্বতন্ত্ৰ শ্ৰেণী। মহাভাৰতৰ দৰে ব্যাপকভাৱে নহ'লেও প্ৰাচীন ভাৰতৰ এক সামগ্ৰিক ৰূপ ই দাঙি ধৰে। ৰবীন্দ্ৰনাথ ঠাকুৰে দুখন জাতীয় মহাকাব্যকে 'ভাৰতবৰ্ষেৰ চিৰন্তন ইতিহাস' বুলি মন্তব্য কৰিছে।

ৰামায়ণৰ কবি মহৰ্ষি বাল্মীকি। এই মহৰ্ষি বাল্মীকি সম্পৰ্কে ৰামায়ণ ৰচনাৰ এহেজাৰমান বছৰৰ পাছত এক নতুন কাহিনী গঢ়ি উঠে। এই কাহিনীটো সম্ভৱতঃ প্ৰথম গঢ় দিয়ে স্কন্দ পুৰাণ আৰু অন্যান্য-ৰামায়ণে। ৰাম নামৰ মহাত্ম্য প্ৰদৰ্শন কৰিবলৈ এই কাহিনীটো সৃষ্টি কৰা হয়। এই কাহিনী অনুসৰি জীৱনৰ আগ বয়সত বাল্মীকি ৰত্নাকৰ নামে দস্যু আছিল। ব্ৰহ্মা আৰু নাৰদৰ উপদেশ মতে 'মৰা, মৰা' উচ্চাৰণ কৰি সেয়ে পাছত 'ৰাম ৰাম'ত পৰিণত হৈ তেও' বহু বছৰ তপস্যা কৰি ঋষিত্ব পায়। তপস্যা কৰোঁতে তেওঁৰ গাত উঁই পকৱাই বাহ লৈ

হাফলু তুলি তেওঁক চিনিব নোৱাৰা কৰি থয়। বল্মীক অর্থাৎ উঁই পৰুৱাই গাত বাহ লোৱাৰ কাৰণে পূৰ্ব্ব নাম লুপ্ত হৈ বাল্মীকি ৰূপে পৰিচিত হয়। এই কাহিনীটো প্ৰকৃত ৰামায়ণত নাই। সম্ভৱতঃ বাল্মীকি চ্যবন ঋষিৰ বংশৰ লোক। মহাভাৰতৰ বনপৰ্বত চ্যবন মুনি আৰু সুকন্যাৰ আখ্যান প্ৰসংগত কেনেকৈ শৰ্যাতি নামে ৰজাই জীয়েক সুকন্যাসহ বনত বিচৰণ কৰোঁতে এটা উঁই হাফলুৰ মাজত দুটা জিলিকি থকা ৰন্ধ্ৰ দেখি সুকন্যাই চপলতা আৰু ঔৎসুক্যবশতঃ কাঁইট এডাল লৈ ফুটাই দিয়াত তাৰ পৰা তেজ ওলায় আৰু তপোভঙ্গ হৈ চ্যবন হাফলুৰ মাজৰ পৰা ওলাই আহে তাৰ বৰ্ণনা পোৱা যায়। ঋষিক সন্তুষ্ট কৰিবলৈ শৰ্যাতিয়ে সুকন্যাক তেওঁলৈ বিয়া দিয়ে। মহাভাৰতৰ এই কাহিনীটো 'স্কন্দ পুৰাণ' আৰু চতুৰ্দশ শতিকাত ৰচিত 'অধ্যাত্ম ৰামায়ণত' বাল্মীকিত আৰোপ কৰি ৰামনামৰ মাহাত্ম্য বিস্তাৰ কৰে। চ্যবনৰ শৰীৰত বল্মীকে ঠাই লোৱা কাৰণে তেওঁ আৰু সেই বংশৰ লোক বাল্মীকি নামে জনাজাত হয়। এইটো ব্যক্তিগত নাম নহয়, বংশগত বা ঔপচাৰিক নামহে যেন ধাৰণা হয়।

বৰ্ত্তমান বাল্মীকীয় ৰামায়ণ অনুসৰি এদিন আশ্ৰমৰ দাঁতিৰ তমসা নদীত স্নান কৰিবলৈ যাওঁতে এটা ব্যাধে কামমগ্ন এযোৰ কৰচন (ক্ৰৌঞ্চ) চৰাইৰ এটাক কাঁড়েৰে মৰা আৰু লগৰটোৱে আৰ্ত্তনাদ কৰি উৰি ফুৰা দেখা পায়। ঋষিৰ বেদনাহত অন্তৰত শোক উথলি উঠে। তেওঁৰ অজানিতেই মুখৰ পৰা এটা শ্লোক নিগৰি ওলাই আহে। শ্লোকটোৰ ভাবাৰ্থ হ'ল,—"হে ব্যাধ তই যিহেতুকে কামমোহিত যোৰপাতি থকা এটা চৰাইক বধ কৰিলি সেই কাৰণে তই কোনো কালে স্থায়ী প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰিবি"। ঋষিয়ে শ্লোকটো বাৰে বাৰে আবৃত্তি কৰিও তাৰ নিহিতাৰ্থ বুজিব নোৱাৰাত বিষাদমনে থাকোঁতে ব্ৰহ্মা আহি তাৰ গূঢ়াৰ্থ বুজাই সেই শ্লোক ছন্দতে ৰামায়ণ ৰচনা কৰিবলৈ উপদেশ দিয়ে, কাৰণ তাৰ আগতে নাৰদে বাল্মীকিক ৰামায়ণৰ এটি চমু বিৱৰণো দিছিল। এই পূৰ্ব কথাখিনি দৰাচলতে প্ৰকৃত ৰামায়ণৰ অঙ্গ নহয়, উপৰুৱা কথাহে। মূল ৰামায়ণৰ কাহিনীটো চমুকৈ এনে ঃ

কোশল ৰাজ্যৰ অযোধ্যাৰ ৰজা দশৰথৰ তিনিগৰাকী পত্নী, কৌশল্যা, কৈকেয়ী আৰু সুমিত্ৰা, কিন্তু তেওঁলোক সন্তানহীন। ঋষি ঋষ্যশৃঙ্গক আনি সন্তান হবলৈ যজ্ঞ কৰাৰ ফলস্বৰূপে ৰাণী তিনিগৰাকীৰ চাৰিটি পুত্ৰ হয়। কৌশল্যাৰ ৰাম, কৈকেয়ীৰ ভৰত আৰু সুমিত্ৰাৰ যমজ সন্তান লক্ষ্মণ আৰু শত্ৰুঘ্ন। উপযুক্ত শিক্ষাৰ গুণত ল'ৰা কেইটি ধৰ্ম্মজ্ঞ, নীতিজ্ঞ আৰু যুদ্ধবিশাৰদ হৈ উঠে। ৰামৰ শক্তি সামৰ্থ্যৰ কথা শুনি ঋষি বিশ্বামিত্ৰই দশৰথক খুজি ৰাম-লক্ষ্মণক ৰাক্ষসৰ উৎপাতৰ পৰা যজ্ঞ ৰক্ষাৰ্থে সিদ্ধাশ্ৰমলৈ লৈ যায়। বাটত যাওঁতে ৰামে সকলোৰে বিভীষিকাৰ কাৰণ তাড়কা ৰাক্ষসীক বধ কৰে আৰু ঋষিৰ যজ্ঞ ৰক্ষা কৰোঁতে মাৰীচ-সুবাহু আদিক পৰাজয় কৰি যজ্ঞ ৰক্ষা কৰে। সুবাহুৰ ৰামৰ হাতত মৃত্যু

হয় আৰু মাৰীচক শৰ নিক্ষেপৰ দ্বাৰা সাগৰ পাৰ কৰি অজান ঠাইত পেলাই দিয়ে। ঋষিয়ে সন্তুষ্ট হৈ ৰামক বিবিধ দৈৱ অস্ত্র প্রদান কৰে আৰু জনকৰ বিৰাট ধনুখন দেখুৱাবলৈ বুলি মিথিলালৈ তেওঁলোকক লৈ যায়। বাটত গৌতমৰ আশ্রমত পদাৰ্পণ কৰি অদৃশ্যপূৰ্বক কেৱল বায়ু ভক্ষণ কৰি থকা অহল্যাক শাপমুক্ত কৰে আৰু নিজৰূপ ধৰি অহল্যা স্বামীৰ লগত মিলিত হয়।

বিশ্বামিত্ৰৰ সৈতে ৰাম লক্ষ্মণে মিথিলাৰ ৰাজপুৰীত প্ৰৱেশ কৰি জনকৰ ধনুখন দৰ্শন কৰে আৰু বিশ্বামিত্ৰ আৰু জনকৰ অনুমতি ক্ৰমে ধনুত গুণ লগাব খোজোঁতে ধনুখন ভাগি থাকে। সীতাক দান কৰাৰ চৰ্ত্ত পালন পূৰণ কৰাত জনকে সানন্দচিত্তে সীতাক ৰামৰ হাতত অৰ্পণ কৰিবলৈ দিহা কৰে আৰু সেই উদ্দেশ্যে দশৰথক নিমন্ত্ৰণ জনায়। যথাসময়ত সৈন্য সামন্ত আৰু আন দুটি পুত্ৰসহ দশৰথ মিথিলাত উপস্থিত হয়হি। জনকে কন্যা সীতা আৰু উৰ্মিলাক ৰাম আৰু লক্ষ্মণক আৰু ভায়েক কুশধ্বজৰ কন্যাদ্বয় মাণ্ডৱী আৰু শ্ৰুতকীৰ্ত্তিক ক্ৰমে ভৰত আৰু শত্ৰুঘ্নক বিয়াহ দিয়ে। অযোধ্যালৈ উভতি আহোঁতে পৰশুৰামে গুৰুৰ ধনু ভঙ্গ কৰা কাৰণে বাটত ৰামক শক্তিৰ পৰীক্ষালৈ আহ্বান কৰে। ৰামে পৰশুৰামৰ তেজ হৰণ কৰি তেওঁৰ তপস্যালব্ধ দিব্যস্থান নাশ কৰে।

অযোধ্যাকাণ্ড আৰম্ভ হৈছে ৰামক যুৱৰাজ পদত অভিষেক কৰিবলৈ কৰা আয়োজনেৰে। উৎসৱমুখৰ অযোধ্যাৰ কাৰণ বুজিব পাৰি কৈকেয়ীৰ যৌতুকদাসী কুজী মন্থৰাই কৈকেয়ীক সেই সংবাদ দি অভিষেক বন্ধ কৰাৰ উপায় নিৰ্দেশ দি আগতে দশৰথে প্ৰতিশ্ৰুতি দি থোৱা বৰ দুটা প্ৰাৰ্থনা কৰিবলৈ কয়। এটা বৰৰ দ্বাৰা ৰামৰ চৌধ্য বছৰ নিৰ্বাসন আৰু আনটো বৰৰ দ্বাৰা ভৰতক যুৱৰাজ পদত অভিষেক কৰি ভৱিষ্যতে সিংহাসনৰ উত্তৰাধিকাৰ কৰাবলৈ কুমন্ত্ৰণা দিয়ে। প্ৰথমতে কৈকেয়ী তেনে কৰাৰ পক্ষপাতী নাছিল যদিও কুজীৰ পাকত পৰি শেষত ৰজাক সত্যপাশত আবদ্ধ কৰি ওপৰত কোৱা দুটা বৰ প্ৰাৰ্থনা কৰে। কৈকেয়ীৰ প্ৰাৰ্থনা পূৰণ কৰা ৰজাৰ পক্ষে কেনে মৰণান্তিক বেদনাদায়ক আছিল সি অবৰ্ণনীয়। ৰামে কৈকেয়ীৰ মুখৰ পৰাই সকলো শুনি পিতৃৰ প্ৰতিজ্ঞা ৰক্ষা কৰিবলৈ বনলৈ যাবলৈ সাজু হ'ল। লগত ওলাল সোঁহাত স্বৰূপ লক্ষ্মণ আৰু আত্মছায়াৰ দৰে পত্নী সীতা। ৰামৰ অনুৰক্ত প্ৰজাসকলো ৰামৰ অনুগামী হয়। তমসাৰ পাৰত বনবাসৰ প্ৰথম ৰাতি যাপন কৰি আলৈ-আথানি হৈ পৰি থকা প্ৰজাসকলৰ বিলৈ দেখি ৰথৰ সাৰথি সুমন্ত্ৰক অযোধ্যা অভিমুখে ৰথখন কিছুদূৰ ঘূৰাই নি অন্য পথেদি তেওঁলোক বনত প্ৰৱেশ কৰে। ৰাতিপুৱা শুই উঠি প্ৰজাবৰ্গই ৰথ অযোধ্যাৰ ফালে উভতি যোৱাৰ চিন পাই ৰাজধানীলৈ পুনৰ প্ৰত্যাগমন কৰে। ৰাজধানীত ৰামক নেদেখি হাকুল ব্যাকুল কৰি শোক কৰে। ইফালে ৰামে গঙ্গা পাৰ হৈ ভৰদ্বাজ মুনিৰ আশ্ৰমত আতিথ্য লাভ কৰি পাছদিনা চিত্ৰকূট বনলৈ যাত্ৰা কৰে।

ৰামৰ বনগমনৰ পঞ্চম ৰাতি পুত্ৰশোকত দশৰথৰ মৃত্যু ঘটে। মৃত্যুৰ আগে

আগে ৰামক আগবঢ়াই থবলৈ যোৱা সুমন্ত্ৰ উভতি আহি ৰাম সীতাৰ সংবাদ প্ৰদান কৰি স্ত্ৰৈণ দশৰথক তিৰস্কাৰ কৰে। কৌশল্যায়ো মনৰ দুখত ৰজাক কদৰ্থনা কৰি পাছত ক্ষমা খোজে। দশৰথৰ মৃত্যুত ৰাজসিংহাসন খালি ৰখা উচিত নহয় বুলি ভাবি মাতুলগৃহত থকা ভৰত আৰু শত্ৰুঘ্নক অনিবলৈ বশিষ্ঠই দূত পঠায়। নানা বিমঙ্গল দৰ্শন কৰি ভৰত-শত্ৰুঘ্ন অযোধ্যালৈ উভতি আহি নিৰানন্দ পুৰী দেখা পাই কৈকেয়ীৰ ভৱনত উপস্থিত হয় আৰু তেওঁৰ পৰা সকলো সংবাদ পাই ভৰতে মাকক নানা প্ৰকাৰে ভৰ্ৎসনা কৰি ৰামক বনৰ পৰা আনিবলৈ বুলি সদলবলে বশিষ্ঠ আৰু মাতৃসকলক লৈ চিত্ৰকূটলৈ যাত্ৰা কৰে। ভৰদ্বাজ ঋষিৰ আশ্ৰমত ৰাতি কটাই পাছ দিনা চিত্ৰকূট বনত ৰামক লগ ধৰি অযোধ্যালৈ উলটি ৰাজ্যভাৰ গ্ৰহণ কৰিবলৈ কাকুতি মিনতি কৰে। কিন্তু সত্য-পাশত আবদ্ধ ৰামে ভৰতৰ অনুৰোধ অগ্ৰাহ্য কৰে। উপায় নাপাই ভৰতে ৰামৰ খৰমযোৰকে সিংহাসনত বহুৱাই ৰাজপ্ৰতিনিধিৰূপে ৰাজ্যশাসন কৰিবলৈ প্ৰাৰ্থনা কৰাত ৰামে সানন্দচিত্তে দান কৰে। ভৰত বেজাৰমনে উভতি আহি অযোধ্যাত নোসোমাই নন্দীগ্ৰাম নামে এখন নগৰৰ ওচৰৰ গাৱঁত ৰামৰ পাদুকাযোৰ সিংহাসনত স্থাপন কৰি ৰাজ্যশাসন কৰিবলৈ ধৰে।

ৰামসীতা লক্ষ্মণে চিত্ৰকূট এৰি যোৱাৰ পৰা অৰণ্যকাণ্ড আৰম্ভ হৈছে। তেওঁলোকে আহি ঋষিৰ আশ্ৰমত আতিথ্য গ্ৰহণ কৰি দণ্ডকাৰণ্যত প্ৰৱেশ কৰে। বাটত বিৰাধ ৰাক্ষসৰ কবলৰ পৰা সীতাক উদ্ধাৰ কৰি ৰাক্ষসক ৰধ কৰে আৰু তাৰ পাছত তেওঁলোক পঞ্চবটীত সোমায়। ইয়াতেই ৰামক পতিবৰণ কৰিবলৈ অহা ৰাৱণৰ ভনী ৰাক্ষসী শূৰ্পনখাৰ লক্ষ্মণৰ দ্বাৰা নাক-কাণ ছেদন, ৰাৱণৰ সীমান্ত-ৰক্ষী বাহিনীৰ লগত ৰামলক্ষ্মণৰ যুদ্ধ, খৰদূষণ ৰাক্ষস সেনাপতি দুজনৰ নিধন, মাৰীচ ৰাক্ষসৰ স্বৰ্ণমৃগ ৰূপ ধাৰণ আৰু ৰামক সীতাৰ কাষৰ পৰা আঁতৰাই নি ৰাৱণক সীতাহৰণৰ সুবিধা দান, মাৰীচ বধ, সীতাৰ কৰ্কশ বাক্যত লক্ষ্মণৰ ৰামক বিচাৰি পৰ্ণকুটীৰ এৰি যাত্ৰা আৰু সেই অৱসৰতে ৰাৱণৰ দ্বাৰা সীতাহৰণ আদি ঘটনা সংঘটিত হয়। সীতাৰ আৰ্তনাদ শুনি বৃদ্ধ জটায়ু পক্ষীয়ে ৰাৱণক বাধা-দান কৰে, কিন্তু ৰাৱণে পক্ষীৰ নখ ঠোটৰ দ্বাৰা ক্ষতবিক্ষত হৈয়ো শেষত পক্ষীক মাৰাত্মকভাবে আহত কৰি আকাশ মাৰ্গেদি পুষ্পক বিমানত লংকালৈ যাত্ৰা কৰে। মাৰীচক বধ কৰি ৰাম উভতি আহোঁতে বাটত লক্ষ্মণক লগ পায় আৰু অমঙ্গল-সূচক চিন দেখা পাই উৎকণ্ঠিত ভাবে পৰ্ণকুটীৰলৈ খোজ লয়। পৰ্ণকুটীৰত সীতাক দেখা নাপাই ৰাম বিহ্বল হৈ পৰে, লক্ষ্মণে সান্তনা বাক্যেৰে ৰামক প্ৰবোধ দিয়ে। সীতাৰ অন্বেষণত আগবাঢ়ি যাওঁতে আহত হৈ পৰি থকা জটায়ুক লগ পায়, আৰু জটায়ুৰ পৰা ৰাৱণে সীতাহৰণ কৰি নিয়াৰ সবিশেষ সংবাদ পায়। সংবাদ দি জটায়ুৰ মৃত্যু হয় আৰু ৰামলক্ষ্মণে তেওঁৰ সৎকাৰ কৰে। ইতিমধ্যে পৰ্যায়ক্ৰমে ঋতুৰ পৰিবৰ্ত্তন ঘটি প্ৰকৃতিয়ে ন ন সাজ পিন্ধি বিৰহী ৰামৰ অন্তৰত

সীতাবিচ্ছেদ দুখ তীব্ৰ কৰি তোলে। লক্ষ্মণৰ প্ৰবোধবাক্যত আশ্বস্ত হৈ আকৌ অন্বেষণ আৰম্ভ কৰে। কবন্ধৰ গ্ৰাসত পৰে যদিও শেষত মুক্ত হৈ তাক বধ কৰি পুনৰ তি থয়। এনেকৈ যাওঁতে পম্পা সৰোবৰৰ তীৰত উপস্থিত হয়। তাতে শবৰীয়ে ৰামক অভ্যৰ্থনা কৰি স্বৰ্গগামী হয়। পম্পাৰ পৰা কবন্ধৰ নিৰ্দেশ মতে ৰাম-লক্ষ্মণ ঋষ্যমুক পৰ্বতৰ দাঁতিত উপস্থিত হয়।

কিষ্কিন্ধা কাণ্ড আৰম্ভ হৈছে হনুমানৰ যোগেদি সুগ্ৰীৱৰ লগত ৰামলক্ষ্মণৰ পৰিচয় প্ৰসংগৰ পৰা। বালী সুগ্ৰীৱৰ বিবাদৰ কাৰণ বৰ্ণনা প্ৰসঙ্গত বালীৰ লগত দুন্দুভি অসুৰৰ যুদ্ধ, দুন্দুভিক বধাৰ্থে বালীৰ গহ্বৰত প্ৰৱেশ, বহুতদিন উভতি নহা দেখি বালীৰ জীৱন সম্পৰ্কে ভায়েক সুগ্ৰীৱৰ সন্দেহ আৰু গহ্বৰৰ মুখ বন্ধ কৰি কিষ্কিন্ধাৰ ৰাজপদ গ্ৰহণ, দুন্দুভিক বধ কৰি বালীৰ প্ৰত্যাবৰ্তন আৰু সুগ্ৰীৱৰ কাৰ্য আৰু ব্যৱহাৰত অসন্তুষ্টি, সুগ্ৰীৱৰ নিৰ্বাসন. বালীৰ ভয়ত সুগ্ৰীৱৰ বালীৰ অগম্য ঋষ্যমুক পৰ্বতত চাৰিজন অনুচৰসহ নিবাস, সুগ্ৰীৱপত্নী ৰুমাক বালীৰ দ্বিতীয়া পত্নীৰূপে বলপূৰ্বক গ্ৰহণ—এই গোটেইবোৰ কথা ৰামৰ লগত পৰিচয় হওঁতে আৰু বন্ধুত্বৰ সত্যপাশত আবদ্ধ হওঁতে সুগ্ৰীৱে প্ৰকাশ কৰি ৰামৰ সহায় প্ৰাৰ্থনা কৰিছিল। উভয়ে বিপদত পৰস্পৰে সহায় কৰিবলৈ শপত গ্ৰহণ কৰি বন্ধুত্বৰ পাশত আবদ্ধ হয়। ৰামে বালীক বধ কৰি সুগ্ৰীৱক ৰজা পাতিবলৈ প্ৰতিশ্ৰুত হয় আৰু সুগ্ৰীৱেও ৰজা হ'লে সীতা-অন্বেষণ আৰু উদ্ধাৰত সহায় কৰিবলৈ কথা দিয়ে।

ৰামৰ আশ্বাস পাই সুগ্ৰীৱে বালীৰ ৰাজপ্ৰাসাদৰ আগত গৰ্জন কৰি যুদ্ধলৈ আহ্বান কৰে। সুগ্ৰীৱৰ যুদ্ধাহ্বানত বালী যুদ্ধলৈ ওলাওঁতে ধৰ্মপত্নী তাৰাই ৰাতি অমঙ্গলীয়া স্বপ্ন দেখি স্বামীক বাধা প্ৰদান কৰে যদিও সেই বাধা নমানি বালী যুদ্ধলৈ যায়। বালীৰ হাতত পৰাজয় হৈ কোনোমতে আত্মৰক্ষা কৰি সুগ্ৰীৱ পলাই সাৰে। ৰামে বালীক মাৰিম বুলি আশ্বাস দিও শৰ নমৰা দেখি সুগ্ৰীৱে ৰামক দোষাৰোপ কৰে। ৰামে দুই ভায়েকৰ মাজত যুদ্ধ কৰি থাকোঁতে বালীৰ লগত ভায়েকৰ প্ৰভেদ ধৰিব নোৱাৰা কাৰণে শৰ কৰাৰ পৰা বিৰত থকা বুলি কয়। সেই কাৰণে পাছদিনা সুগ্ৰীৱক এধাৰ মালা পিন্ধাই আকৌ যুদ্ধলৈ পঠাই। এইবাৰ ৰামৰ শৰত বালী ধৰাশায়ী হয়। বালীয়ে ৰামক ব্যাধৰ দৰে আঁৰত থাকি শৰ কৰাত তিৰস্কাৰ কৰে কিন্তু শেষ সময়ত পত্নী তাৰা আৰু একমাত্ৰ পুত্ৰ অঙ্গদক ৰামৰ হাতত সঁপি প্ৰাণ এৰে।

কিষ্কিন্ধাত সুগ্ৰীৱ ৰজা হয়, তাৰাক মহাৰাণী পাতে, অঙ্গদক যুৱৰাজ পদত স্থাপন কৰে। তাৰ পাছত দলে দলে বানৰ সৈন্য বিভিন্ন দিশে সীতান্বেষণ কৰিবলৈ পঠায়। দক্ষিণ দিশে জম্বুবান, অঙ্গদ, হনুমানকে প্ৰমুখ্য কৰি এদল শক্তিশালী সৈন্য গৈ অৱশেষত সম্পাতি পক্ষীৰ নিৰ্দেশ মতে লংকা উদ্দেশ্য কৰি সাগৰ পাৰত উপস্থিত হয়।

হনুমানে সাগৰ অতিক্ৰম কৰি লংকাত প্ৰবেশ কৰাৰ পৰা সুন্দৰকাণ্ড আৰম্ভ হৈছে। হনুমানে দিনত লংকাত প্ৰবেশ নকৰি চন্দ্ৰাৱলী ৰজনীত নগৰ সোমাই নগৰৰ বিচিত্ৰ সৌন্দৰ্য, বিলাস বৈভৱৰ দৃশ্য পৰিদৰ্শন কৰি, ৰাৱণৰ পত্নীসকলৰ গৃহাভ্যন্তৰত সীতাক অন্বেষণ কৰি অৱশেষত ৰাক্ষসী পৰিবৃতা, মলিন-বসনা সীতাক দেখিবলৈ পায়। তেতিয়া নিশা শেষ প্ৰায়। এনে সময়ত ৰাৱণে পত্নীসহ আহি সীতাক নানা প্ৰলোভন আৰু ভীতি প্ৰদৰ্শন কৰি তেওঁৰ পত্নীত্ব গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হনুমানে দেখা পায়। কিন্তু সীতাই ৰাৱণৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি ৰাৱণক উভতি যাবলৈ বাধ্য কৰে। ৰাৱণ উভতি যোৱাৰ পাছত ৰাক্ষসীবোৰৰ নিদ্ৰাৰ সুযোগ লৈ হনুমানে সীতাক আত্মপৰিচয় দিয়ে আৰু ৰামৰ হাতৰ আঙঠি প্ৰদান কৰি সীতাৰ সন্দেহ দূৰ কৰে। হনুমানে সীতাহৰণৰ আগৰ আৰু পাছৰ গোটেইখিনি কথাকৈ সীতাক প্ৰবোধ দিয়ে আৰু অচিৰেই যে ৰামে সীতাক উদ্ধাৰ কৰিব তাৰো আশ্বাস দিয়ে। সীতাই এমাহৰ ভিতৰত ৰামে তেওঁক উদ্ধাৰ নকৰিলে আত্মঘাতী হব বুলিও কয়। প্ৰসংগক্ৰমে সীতাই দিয়া ফল খাই সেই ফল খাবলৈ ইচ্ছা কৰি ৰাৱণৰ অশোক বনত প্ৰৱেশ কৰি মধুফল খাই গছ তহিলং কৰাত ৰাক্ষস সৈন্যই হনুক ধৰিবলৈ চেষ্টা কৰে। কিন্তু ৰাক্ষস সৈন্য আৰু ৰাৱণৰ অন্যতম পুত্ৰ অক্ষয়কুমাৰক বধ কৰাত ইন্দ্ৰজিতে নাগপাশত হনুক বন্ধন কৰি ৰাৱণৰ ৰাজসভাত হনুক উপস্থিত কৰায়। ৰাজসভাত হনুক পৰিচয় সোধাত হনুৱে ৰামৰ বিক্ৰমৰ কথা কৈ ৰাৱণক সীতাক মুৰত তুলি ৰামক প্ৰত্যাপৰ্ণ কৰিবলৈ কোৱাত ৰাৱণে খঙত হনুক বধ কৰিবলৈ কয়, কিন্তু বিভীষণৰ মধ্যস্থতাত বধ নকৰি নেজত জুই জ্বলাই এৰি দিয়াই ঠিক হয়। সেইমতে হনুৰ নেজত জুই দিয়াত হনুৱে জঁপিয়াই ঘৰত উঠি সমস্ত স্বৰ্ণলংকাপুৰী ভস্মসাৎ কৰে। সীতাৰ প্ৰাৰ্থনাত অগ্নিদেৱতাই হনুৰ অনা অংগ নোপোৰাত মুখেৰে নেজৰ জুই নুমুৱাই সীতাৰ অভিজ্ঞান স্বৰূপ চূড়ামণি লৈ সাগৰ পাৰ হৈ মহেন্দ্ৰ পৰ্বতত অপেক্ষা কৰি থকা লগৰীয়াসকলৰ লগত কিষ্কিন্ধালৈ উভতি আহে। ৰামক সীতাৰ সংবাদ আৰু চূড়ামণি প্ৰদান কৰি লংকাৰ সবিশেষ সংবাদ দিয়ে।

হনুৰ সংবাদত সন্তুষ্ট হৈ ৰাম সদলবলে বানৰ সৈন্যসহ লংকালৈ যাত্ৰা কৰি সাগৰৰ তীৰত উপস্থিত হয়।

লংকাকাণ্ড আৰম্ভ হৈছে ৰামসৈন্যৰ সাগৰ অতিক্ৰম কৰা বিৱৰণেৰে। ইতিমধ্যে ৰাৱণে ৰামৰ যুদ্ধযাত্ৰাৰ সংবাদ পাই কি কৰা উচিত সেই বিষয়ে ৰাজসভাত আলোচনা কৰে। বিভীষণে ৰাৱণৰ পৰস্ত্ৰীহৰণ কাৰ্য নিন্দা কৰি সীতাক প্ৰত্যাৰ্পণ কৰিবলৈ বাৰে বাৰে কোৱাত খং উঠি ৰাৱণে বিভীষণক অপমান কৰি ৰাজসভাৰ পৰা খেদাই দিয়ে। ইয়াত বেজাৰ আৰু অপমান পাই কেইজনমান বিশ্বস্ত অনুচৰ সহ বিভীষণ সাগৰ পাৰ হৈ ৰামৰ শৰণাপন্ন হয়হি। বিভীষণৰ উপদেশ মতে ৰামে সাগৰদেৱতাক স্তুতি কৰাত তেওঁ সন্তুষ্ট হৈ নলবানৰৰ দ্বাৰা সাগৰত শিলাৰ সেতু

নির্মাণ কৰিবলৈ কয়, কাৰণ নলৰ হাতৰ স্পৰ্শত শিলো ওপঙে। সেই মতে নলৰ তত্ত্বাৱধানত সাগৰৰ ওপৰত সেতু নির্মাণ কৰাই সদলবলে ৰাম সাগৰ পাৰ হৈ লংকাত ভৰি দিয়ে। লংকানগৰৰ চাৰিও দুৱাৰ বন্ধ কৰি দিয়ে আৰু এজন এজনকৈ লংকাৰ বীৰ ৰাক্ষসসৈন্য লগত লৈ ৰণক্ষেত্ৰত নামি প্ৰাণ এৰে। যুদ্ধ আৰম্ভ কৰাৰ আগতে ৰামে কৌৰৱ অঙ্গদক দূতৰূপে ৰাৱণৰ ৰাজসভালৈ পঠাইছিল, কিজানিবা ৰাৱণে যুদ্ধ নকৰি সীতাক প্ৰত্যাৰ্পণ কৰি সন্ধিয়েই কৰে। কিন্তু তাৰ পৰা একো লাভ নোহোৱাত যুদ্ধই শেষ মীমাংসাৰ উপায় বুলি যুদ্ধত প্ৰবৃত্ত হ'ল। ৰাৱণে মায়া ৰাম লক্ষ্মণৰ ছিন্ন শিৰ দেখুৱাই সীতাক ছলনা কৰিবলৈ চেষ্টা কৰে যদিও বিভীষণপত্নী সৰমাই ৰাৱণৰ চাতুৰি উদঙাই দি সীতাক প্ৰবোধ দিয়ে। ৰাৱণপুত্ৰ ইন্দ্ৰজিতে মায়াযুদ্ধ কৰি ৰামলক্ষ্মণক নাগ পাশত বন্ধন কৰে যদিও গৰুড়ৰ দ্বাৰা তেওঁলোক নাগপাশৰ পৰা মুক্ত হয়। ইয়াৰ পাছত ধূম্ৰাক্ষ, প্ৰহস্ত, অকম্পন, বজ্ৰদংষ্ট্ৰ, অতিকায় আদি ৰাক্ষস সেনাধ্যক্ষসকলৰ যুদ্ধ আৰু মৃত্যু বৰ্ণিত হৈছে। উপায়বিহীন হৈ ৰাৱণে ছমাহ শুই থকা ভায়েক কুম্ভকৰ্ণক জগাই যুদ্ধলৈ পঠায়। কুম্ভকৰ্ণই ৰাৱণক সীতাহৰণ কৰা কাৰণে দোষাৰোপ কৰি জ্যেষ্ঠজনৰ আজ্ঞা পালন কৰিবলৈ যুদ্ধলৈ যায় আৰু অশেষ পৰাক্ৰম দেখুৱাই অৱশেষত ৰামৰ হাতত মৃত্যু বৰণ কৰে। ইন্দ্ৰজিতে মায়া সীতাৰ শিৰচ্ছেদ কৰি ৰামলক্ষ্মণৰ মোহ উৎপাদন কৰিবলৈ চেষ্টা কৰে কিন্তু বিভীষণৰ ৰহস্যোদ্ঘাটনৰ ফলত উদ্দেশ্য সিদ্ধি কৰিব নোৱাৰে। ইয়াৰ আগতেও ইন্দ্ৰজিতে মায়াযুদ্ধ কৰি ৰামলক্ষ্মণক যুদ্ধত অচেতন কৰিছিল, হনুমানে ঔষধ আনি তেওঁলোকক সচেতন কৰে। অৱশেষত বিভীষণৰ পৰামৰ্শ মতে লক্ষ্মণে ইন্দ্ৰজিতক যজ্ঞভূমিতে আক্ৰমণ কৰি বধ কৰে। যজ্ঞ অসম্পূৰ্ণ হোৱাত ইন্দ্ৰজিতে মায়া প্ৰয়োগ কৰিব নোৱাৰিলে। ইন্দ্ৰজিতৰ মৃত্যুত শোক আৰু ক্ৰোধত কালান্তক মূৰ্তি ধৰি ৰাৱণে যুদ্ধত লক্ষ্মণক মাৰাত্মক ৰূপে শক্তিশেলেৰে আহত কৰি ৰামৰ হাতত পৰাজিত হৈ ৰাজপুৰীত প্ৰৱেশ কৰে। সুষেণ বৈদ্যৰ নিৰ্দেশক্ৰমে হনুমন্তই হিমালয়ৰ পৰা গন্ধমাদন চূড়া দাঙি আনি আৰু তাৰ পৰা ঔষধ বিচাৰি বৈদ্যই বিশল্যাকৰণী ঔষধ প্ৰয়োগ কৰি লক্ষ্মণক সুস্থ কৰে। এইবাৰ ৰাৱণ শেষবাৰলৈ যুদ্ধক্ষেত্ৰলৈ যাত্ৰা কৰে। মৃত্যুসূচক নানা অমঙ্গল দৰ্শন সত্বেও ৰাক্ষসৰাজে যুদ্ধত অশেষ পৰাক্ৰম দেখুৱাই ৰামৰ হাতত মৃত্যু বৰণ কৰে। ৰামৰ কথামতেই বিভীষণে ৰাৱণক ৰাজকীয় ধৰণে শৱ সংকাৰ কৰি ঔৰ্দ্ধদৈহিক কাৰ্য সম্পন্ন কৰে। ৰামে বিভীষণক লংকাৰ ৰাজপদত অভিষিক্ত কৰে।

ৰাৱণৰ মৃত্যুৰ পাছত সীতাক অশোকবনত ৰাৱণবধৰ সংবাদ প্ৰদান কৰি শিবিকাত তুলি ৰাম-লক্ষ্মণ আৰু অন্যান্য সকলোৰে আগত উপস্থিত কৰোৱা হয়। ৰামে আপাত-দৃষ্টিত নিষ্ঠুৰভাৱে সীতাক কয় যে তেওঁ আত্মসম্মান আৰু বংশৰ গৌৰৱ ৰক্ষা কৰিবলৈ ৰাৱণক বধ কৰিলে, তেওঁক অৰ্থাৎ সীতাক পুনৰ গ্ৰহণ

কৰিবলৈ নহয়। কাৰণ, ৰাৱণে হৰণ কৰোঁতে তেওঁৰ দেহ স্পৰ্শ কৰি অপৱিত্ৰ কৰে আৰু ইমান দিন ৰাক্ষসৰ গৃহত থকা কাৰণেও সতীত্বত সন্দেহৰ অৱকাশ আছে। সীতাই ৰামৰ নিষ্ঠুৰ কথা শুনি লক্ষ্মণক অগ্নিকুণ্ড জ্বলাবলৈ নিৰ্দেশ দিয়ে আৰু ৰামেও তাত সন্মতি দিয়াত লক্ষ্মণে অগ্নি জ্বলায়। সীতাই ৰামক প্ৰদক্ষিণ কৰি অগ্নিত প্ৰৱেশ কৰে, কিন্তু অগ্নিদেৱতা নিজে আৱিৰ্ভাব হৈ অক্ষত অৱস্থাত সীতাক পৱিত্ৰ বুলি ঘোষণা কৰি ৰামৰ হাতত অৰ্পণ কৰে। ৰামে তেতিয়া কয় যে যদিও তেওঁ সীতা নিষ্কলংকা বুলি জানে তথাপি সমাজক প্ৰত্যয় নিয়াবৰ কাৰণে পৰীক্ষা কৰিব লগা হ'ল।

ইয়াৰ পাছত বানৰ সৈন্যসহ ৰাম সীতা-লক্ষ্মণ অযোধ্যালৈ প্ৰত্যাৱৰ্ত্তন কৰে আৰু ভৰতশত্ৰুঘ্নই ৰাম-সীতা-লক্ষ্মণক সসম্ভ্ৰমে চৰণবন্দনা কৰি যথা সময়ত ৰামক ৰাজপদত অভিষিক্ত কৰে। ইয়াতে লংকাকাণ্ড আৰু ৰামায়ণৰ আচল ঘটনাৰ পৰিসমাপ্তি বুলি কব পাৰি।

উত্তৰকাণ্ড ৰামায়ণৰ পৰৱৰ্ত্তী সংযোজনা বুলি কয়। ইয়াৰ প্ৰথম কেইটামান সৰ্গত ৰাক্ষস বংশৰ উৎপত্তি, ৰাৱণৰ জন্মকৰ্ম, দিগ্বিজয়, ইন্দ্ৰৰ লগত যুদ্ধ, তাৰ পাছত হনুমানৰ জন্মবৃত্তান্ত আৰু কাৰ্য্য বৰ্ণনা কৰি ৰামকাহিনীলৈ আহিছে। দৰাচলতে এই কাণ্ডৰ এক-তৃতীয়াংশহে ৰামকাহিনীৰ লগত জড়িত। তদুপৰি ৰামকাহিনী আৰম্ভ কৰিও তাৰ মাজতে যযাতি, নহুষ আদি ৰজাৰ বৃত্তান্ত, বৃত্ৰাসুৰ বধ, বশিষ্ঠ, অগস্ত্য ঋষিৰ জন্ম বৃত্তান্ত, পুৰুৰবা-ইলাৰ কাহিনীও সংযোগ কৰি দিছে। এই বিক্ষিপ্ত ঘটনাৰাজিৰ মাজত ৰামচৰিত্ৰ এনেদৰে পোৱা যায়।

এদিন ৰামে চৰৰ মুখে শুনিবলৈ পায় যে প্ৰজাবোৰৰ মাজত সীতাৰ পৱিত্ৰতা আৰু সতীত্ব সম্পৰ্কে সন্দেহৰ ভাব প্ৰকাশ হৈছে। আৰু সীতাক গ্ৰহণ কৰি ৰামে অযোধ্যাৰ নাৰীৰ নৈতিক চৰিত্ৰত বেয়া প্ৰভাৱ পোলেৱাৰ সম্ভাৱনাও আছে। প্ৰজাৰ আগত ৰজাৰ আদৰ্শ অব্যাহত ৰাখিবলৈ ৰামে লক্ষ্মণক মাতি আনি সীতাক বনত এৰি আহিবলৈ নিৰ্দেশ দিয়ে। গধুৰ মনে লক্ষ্মণে ৰামৰ আদেশ পালন কৰি সীতাক গঙ্গাৰ পাৰৰ অৰণ্যত ৰথৰ পৰা নমাই প্ৰকৃত সত্য জানিবলৈ দিয়ে। সীতাই নিঃসহায় অৱস্থাত শোকত ব্যাকুল হৈ কেৱল ৰামৰ কুশল কামনা কৰি লক্ষ্মণক বিদায় দিয়ে। ৰোদনৰতা সীতাক বাল্মীকিয়ে নিজৰ আশ্ৰমত আশ্ৰয় দিয়ে আৰু তাতে সীতাই লৱ আৰু কুশ নামৰ দুটা যমজ সন্তান জন্ম দিয়ে।

ইতিমধ্যে কেবা বছৰো পাৰ হৈ যায়। লৱ কুশই কিশোৰ অৱস্থা পায়। বাল্মীকিয়ে তেওঁলোকক তন্ত্ৰীৰ লগত ৰামায়ণ গান গাবলৈ শিকায়। ৰামৰ অশ্বমেধ যজ্ঞত লৱ-কুশই বাল্মীকিয়ে ৰচনা কৰা ৰামায়ণৰ গীত গাই সভাস্থ সকলোকে মোহিত কৰে আৰু ৰামে তেওঁলোক সীতাৰ সন্তান বুলি জানিব পাৰি সীতাক আনিবলৈ বাল্মীকিক অনুৰোধ কৰি লোক প্ৰেৰণ কৰে। বাল্মীকিয়ে সীতাসহ ৰাজসভাত উপস্থিত হৈ সীতাৰ পৱিত্ৰতাৰ কথা ঘোষণা কৰে। তাতো

ৰাম সন্তুষ্ট নহৈ সীতাকে শপথ গ্ৰহণ কৰিবলৈ কোৱাত সীতাই "মই যদি ৰামৰ বাহিৰে আন কাকো মনেৰেও চিন্তা কৰা নাই, তেন্তে আই বসুমতীয়ে ফাট মেলি মোক আশ্ৰয় দিব"—এই বুলি কোৱাৰ লগে লগে বসুমতী দ্বিধাবিভক্ত হৈ এক সিংহাসন আবিৰ্ভাব হয় আৰু বসুমতীয়ে সীতাক আকোঁৱালি লৈ পাতালপুৰলৈ প্ৰস্থান কৰে। ৰামে নানা কাকুতি-মিনতি কৰা সত্ত্বেও কোনো সঁহাৰি নাপালে। ৰামক ব্ৰহ্মাই সান্তনা দি ৰামক পাতাললৈ অস্ত্ৰনিক্ষেপ কৰাৰ পৰা বিৰত কৰে। ইয়াৰ পাছত ৰামে প্ৰতিকূল অৱস্থাত পৰি সত্য ৰক্ষাৰ্থে প্ৰাণসম ভ্ৰাতৃ লক্ষ্মণকো বিসৰ্জন দিব লগা হোৱাত পৃথিৱী এৰাৰ সংকল্প গ্ৰহণ কৰে। পুত্ৰেক ভ্ৰাতৃপুত্ৰহঁতক ৰাজ্য বিভাগ কৰি দি ভৰত শত্ৰুঘ্নক লৈ স্বৰ্গগামী হয়।

ওপৰত ৰামায়ণৰ মূল কাহিনীটোৰ ৰূপৰেখাহে অংকন কৰা গ'ল। গ্ৰন্থহিচাপে অৰ্থাৎ ২৪০০০ শ্লোকৰ মহাকাব্যৰূপে ইয়াত বহুতো উপকৰা প্ৰক্ষিপ্ত আখ্যান-উপাখ্যান সংযোজিত হৈছে। তথাপি মহাভাৰততকৈ কাব্যৰূপে যে ৰামায়ণ অধিক সংহত আৰু কাব্যগুণসম্পন্ন সেই বিষয়ে আগতে উল্লেখ কৰি অহা হৈছে। ৰামায়ণ সম্পৰ্কে আলোচনা কৰা প্ৰাচ্য আৰু পাশ্চাত্য পণ্ডিত-গৱেষকসকলৰ মতে বাল্মীকিৰ নামত যিখন ৰামায়ণ অন্ততঃ দ্বিতীয় শতিকামানৰ পৰা এতিয়ালৈকে প্ৰচলিত হৈ আহিছে সেইখনৰ আদি আৰু উত্তৰাকাণ্ডৰ সৰহভাগেই বাল্মীকি ৰচিত নহয়, পাছত প্ৰক্ষিপ্ত (interpolated)। এইচ. য়াকোবি (Jacobi), চি. ভি বৈদ্য (C V. Vaidya), ৱেবাৰ (Waber), এম. ভিণ্টাৰনিংস (Winternitz), বুল্কে (Bulcke) আদি সৰহভাগ পণ্ডিতেই এই দুটা কাণ্ডৰ প্ৰক্ষিপ্ততা সম্পৰ্কে একমত। এই দুটা কাণ্ডত মাজৰ পাঁচটা কাণ্ডৰ বিপৰীতে ৰামৰ বিষ্ণুৰ অৱতাৰৰূপে উল্লেখ কৰিছে, বাকী পাঁচটা ৰামৰ কাৰ্য আদৰ্শ মানৱৰ স্তৰতে আবদ্ধ আছে। এই দুটা কাণ্ডত ৰামায়ণৰ ঘটনাৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নথকা প্ৰাচীন ৰজাৰ বংশানুচৰিত (heroic bard poetry), ব্ৰাহ্মণ্যধৰ্মৰ পোষক আখ্যান (brahminical legends) নীতিকথা আৰু বৰ্ণনা সুমুৱাই দিয়া হৈছে। মাজৰ পাঁচকাণ্ডত এনে অবান্তৰ কাহিনীৰ মাত্ৰা বৰ কম। বাল্মীকিৰ ৰচনা বহুকাল সম্ভৱতঃ ভাট, চাৰণবিলাকৰ মুখে মুখে প্ৰচলিত হৈ ৰসিক সমাজ আৰু ৰাজদৰবাৰক আনন্দ দিছিল আৰু তেওঁলোকৰ যোগেদিয়েই বহুতো প্ৰক্ষিপ্ত কাহিনী আৰু বৰ্ণনা সোমাবা আচৰিত নহয়। আদি আৰু উত্তৰকাণ্ডৰ ৰচনাৰীতিও মাজৰ পাঁচ কাণ্ডৰ ৰচনাশৈলীতকৈ নিম্ন পৰ্যায়ৰ। আদি আৰু উত্তৰকাণ্ডতে প্ৰক্ষিপ্ত কাহিনী আৰু কথাৰ মাত্ৰা অধিক, প্ৰায় সমস্ত কাণ্ড দুটাই বুলিব পাৰি, কিন্তু সেই বুলি আন কাণ্ডত যে একেবাৰে নাই তেনে নহয়। উদাহৰণ স্বৰূপে সুন্দৰকাণ্ডত হনুমানে জ্যোৎস্নাবিধৌত লংকানগৰৰ শোভা দৰ্শন কৰাৰ যি কবিত্বপূৰ্ণ বৰ্ণনা দিছে য়াকোবিৰ মতে সেইখিনি প্ৰক্ষিপ্ত। তেনেকৈ অৰণ্যকাণ্ডৰ বাতাপি-ইল্বলৰ কাহিনীও ঋষি অগস্ত্যৰ মাহাত্ম্য প্ৰদৰ্শনৰ উদ্দেশ্যেই ৰামায়ণত প্ৰক্ষিপ্ত হোৱা বুলি কয়। কিন্তু এই কথা সম্বন্ধে

মনত ৰাখিব লাগিব যে ৰামায়ণৰ যি সামগ্ৰিক আবেদনে প্ৰায় দুহেজাৰ বছৰ ধৰি শ্ৰোতা পাঠকক প্ৰভাৱিত কৰি আহিছে সেই ৰামায়ণ প্ৰক্ষিপ্ত-অপ্ৰক্ষিপ্ত দুয়োটা উপাদানলৈহে গঠিত।

ৰামায়ণত যে বিভিন্ন সময়ৰ কবিৰ ৰচনা সোমাই তাৰ এটা প্ৰমাণ হ'ল বিভিন্ন পাঠ আৰু সেই পাঠত থকা কথা আৰু বৰ্ণনাৰ বিভিন্নতা। গোটেই ভাৰতত ৰামায়ণৰ এটা সৰ্বজনগ্ৰহণীয় পাঠ পোৱা নাযায়। পূৰ্বী, দাক্ষিণী আৰু উত্তৰ-পশ্চিম অঞ্চলত বাল্মীকি-ৰামায়ণ যি পাঠ (recension) প্ৰচলিত হৈ আহিছে তাৰ মাজত সৰহভাগ ক্ষেত্ৰত মিল থাকিলেও ইটো পাঠৰ লগত সিটো সৰ্গৰ কম-বেছ, ঘটনাৰ হেৰফেৰ আৰু বৰ্ণনাৰ ইফাল-সিফাল লক্ষ্য কৰা যায়। অৱশেষে আজি কিছুদিনৰ আগতে বিভিন্ন পাঠ আৰু উপপাঠ (versions) মিলাই পাঠ সমীক্ষাৰ ভেটিত বৰোদা বিশ্ববিদ্যালয়ে এটা প্ৰামাণ্য পাঠ প্ৰকাশ কৰিছে। এই সমীক্ষাত্মক পাঠটোত প্ৰক্ষিপ্ত অংশবোৰলৈ আঙুলিয়াই দিছে। কিন্তু আগতে কৈ অহাৰ দৰে প্ৰক্ষিপ্ত অংশসহ ৰামায়ণে ধৰ্মগ্ৰন্থ, আদি কাব্য আৰু বৈষ্ণৱভাৱৰ মহাগ্ৰন্থ ৰূপে অন্ততঃ দুহেজাৰ বছৰ সমাদৰ পাই আহিছে। মধ্যযুগীয় ভাষা ৰামায়ণসমূহ' আদি-উত্তৰকাণ্ড সমন্বিত ৰামায়ণৰ ভিত্তিতহে ৰচিত হয়, আদি ৰামায়ণৰ (Ur Ramayana) নহয়।

ৰামায়ণত মহাভাৰত বা মহাভাৰতীয় চৰিত্ৰৰ কোনো উল্লেখ পোৱা নাযায়। তাৰ বিপৰীতে মহাভাৰতৰ বনপৰ্বত মাৰ্কণ্ডেয় মুনিয়ে যুধিষ্ঠিৰক প্ৰায় কুৰিটা অধ্যায়ত ৰামায়ণৰ কাহিনী বৰ্ণনা কৰিছে। তদুপৰি বিভিন্ন পৰ্বতো চমুকৈ ৰামকথাৰ বিৱৰণ পোৱা যায়। ইয়াৰ পৰা এইটো অনুমেয় যে মহাভাৰত পূৰ্ণাঙ্গ ৰূপ পোৱাৰ আগতেই ৰামায়ণে প্ৰসিদ্ধি লাভ কৰিছিল।

ভাৰতীয় ঐতিহ্য মতে ৰামৰ উদ্ভৱ হৈছিল ত্ৰেতা যুগত আৰু মহাভাৰতৰ অন্যতম প্ৰধান চৰিত্ৰ কৃষ্ণৰ আবিৰ্ভাৱ হৈছিল দ্বাপৰ যুগৰ শেষত। ঐতিহ্যৰ ফালৰ পৰাও মহাভাৰতকৈ ৰামায়ণ আগৰ ৰচনা। ৰামায়ণত দক্ষিণ ভাৰতৰ বৰ্ণনাত আৰ্য সংস্কৃতি প্ৰৱেশৰ সূচনা হৈছে যদিও আৰ্য সংস্কৃতিয়ে তেতিয়াও থিতাপি লব পৰা নাছিল। আৰ্য সংস্কৃতিৰ বাহক ঋষি-মুনিয়ে ঠায়ে ঠায়ে আশ্ৰম পাতিছিল যদিও অনাৰ্য আদিবাসীয়ে, যাক ৰামায়ণত ৰাক্ষস বুলিছে, মাজে মাজে উৎপাত নকৰাকৈ নাছিল। আনফালে মহাভাৰতত আৰ্য সংস্কৃতিয়ে সমস্ত ভাৰতত শিপাই লোৱা দেখা পাওঁ। অলংকৃত কাব্যৰূপে (ornate poetry) ৰামায়ণ মহাভাৰততকৈ পাছৰ কাব্যধাৰাক সূচনা কৰা যেন ধৰা হয়, মহাভাৰতে সেই ফালৰ পৰা প্ৰাচীনতৰ ৰচনাৰীতিক প্ৰতিনিধিত্ব কৰে।

মহাভাৰতৰ প্ৰাচীনতাৰ ছাপ বহন কৰে ইয়াৰ সামগ্ৰিক বাতাৱৰণে। এই প্ৰসঙ্গত অধ্যাপক ভিণ্টাৰ্নিৎসৰ তলৰ কথাখিনি প্ৰণিধানযোগ্য :

"The battle scenes of the *Mahabharata* read quite differently from those described in the *Ramayana*. Those in the *Mahabharata* give the impression that the poet belonged to a rough race of warriors and had himself seen bloody battle fields. While those in the *Ramayana* sound rather as though a story-teller is relating battles of which his only source of information is the report he has heard. There is not embittered, hatred, that fierce resentment between Rama and Ravana, Lakshmana and Indrajit as in the *Mahabharata* when we read the battle between Arjuna and Karna or Bhima and Duryodhana. Sita of the *Ramayana* when she is stolen, abducted and persecuted by Ravana always maintains a certain calmness and meekness in her accusation and lamentations and in her speeches there is not a trace of the wild passion which we so often find in Draupadi in the *Mahabharata*. Kunti and Gandhari, too, are true hero-mothers of a war-like race, while Kausalya and Kaikeyi in the *Ramayana* can rather be compared with the stereotyped queens of the classical dramas. This seems to indicate that the *Mahabharata* belongs to a ruder, more war-like age, while the *Ramayana* shows traces of a more refined civilization.[1]

ওপৰৰ উদ্ধৃতিৰ চমু সাৰাংশ হ'ল এয়ে যে মহাভাৰতৰ কবি নিজে কোনো যুদ্ধপ্ৰিয় জাতিৰ আছিল আৰু যুদ্ধৰ প্ৰত্যক্ষ অভিজ্ঞতাও তেওঁৰ আছিল, কিন্তু ৰামায়ণৰ কবিয়ে যেন আনৰ পৰা যুদ্ধৰ বৰ্ণনা শুনিহে কাব্যত লিপিবদ্ধ কৰিছে। ৰাম আৰু ৰাৱণ, লক্ষ্মণ আৰু ইন্দ্ৰজিতৰ মাজত, অৰ্জুন আৰু কৰ্ণ, ভীম আৰু দুৰ্যোধনৰ মাজত থকাৰ দৰে তিক্ত ঘৃণা আৰু ভয়াল ক্ৰোধ দেখা নাপাওঁ। ৰাৱণৰ দ্বাৰা অপহৃতা আৰু উৎপীড়িতা আৰু উদ্ধাৰৰ পাছত ৰামৰ দ্বাৰাও পৰিত্যক্তা সীতাৰ পৰিদেৱনা, দোষাৰোপৰ আৰু অভিযোগত যি সংযম আৰু মৃদুতা লক্ষ্য কৰা যায় দ্ৰৌপদীৰ বন্য উগ্ৰ তেজস্বী আৱেগ প্ৰকাশত তাৰ লেশমানো চকুত নপৰে। সেই দৰে, গান্ধাৰী আৰু কুন্তীও বীৰমাতা কিন্তু তাৰ তুলনাত কৌশল্যা আৰু কৈকেয়ী ধ্ৰুপদী নাটৰ ৰাজমহিষীৰ দৰে গতানুগতিক। এইবোৰে ইঙ্গিত দিয়ে যে মহাভাৰতে এটা ৰূঢ়, ৰুক্ষ আৰু যুদ্ধপ্ৰধান যুগ আৰু ৰামায়ণে এক পৰিমাৰ্জিত সভ্যতাৰ কিছু চানেকি দাঙি ধৰে।

ওপৰৰ কথাখিনিৰ ভিত্তিতে হপকিন্সে ৰামায়ণ সম্বন্ধে কৈছে যে "Whatever may have been the date of its germ as a story, as an

---

1. History of Indian Life, Vol. I., P—507

art-product it is later than the ***Mahabharata.*****[2]** খৃষ্টীয় দ্বিতীয় শতিকামনত ৰচিত 'কল্পনামণ্ডিতিকা'নামৰ গ্ৰন্থত ৰামায়ণ পাঠ-আবৃত্তি কৰা কথাৰ উল্লেখ পোৱা যায়। কণিষ্ক দ্বিতীয় শতিকাৰ প্ৰথমাৰ্দ্ধৰ ৰজা, তেওঁৰে সমসাময়িক বৌদ্ধ কবি অশ্বঘোষৰ 'বুদ্ধ চৰিত'ৰ ওপৰত ৰামায়ণৰ বৰ্ণনাৰ প্ৰভাব লক্ষ্য কৰা যায়। জৈন কবি বিমল সূৰিৰ 'পউমচৰিতঅ' ৰামায়ণৰ কাহিনীকে জৈন পৰিধান কৰাই খৃষ্টীয় তৃতীয় শতিকাত ৰচনা কৰে। এইবোৰ প্ৰমাণৰ ভিত্তিতে সিদ্ধান্তত উপনীত হৈছে যে সম্ভবতঃ খৃষ্টীয় দ্বিতীয় শতিকাত ৰামায়ণে সপ্তকাণ্ড বিশিষ্ট পূৰ্ণাঙ্গ ৰূপ লয়, কিন্তু ইয়াৰ আদি ৰূপটো (**the original form**) খৃষ্টপূৰ্ব তৃতীয় শতিকা মানত ৰচিত হৈছিল।

ৰামায়ণ এহাতে যেনেকৈ এখন উৎকৃষ্ট কাব্য আন ফালৰ পৰা তেনেকৈ পাৰিবাৰিক, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ মহৎ আদৰ্শ প্ৰকাশক গ্ৰন্থ। এই প্ৰসংগত ৰবীন্দ্ৰনাথ ঠাকুৰৰ তলত উদ্ধৃত কৰা মন্তব্য প্ৰণিধানযোগ্য ঃ "রামায়ণের বিশেষত্ব এই যে তাহা ঘরের কথাকেই অত্যন্ত বৃহৎ করিয়া দেখাইয়াছে। পিতা-পুত্রে, ভ্রাতায়-ভ্রাতায়, স্বামী-স্ত্রীতে যে ধর্মের বন্ধন, যে প্রীতি-ভক্তির সম্বন্ধ, রামায়ণ তাহাকে এত' মহৎ করিয়া তুলিয়াছে যে তাহা অতি সহজেই মহাকাব্যের উপযুক্ত হইয়াছে। দেশজয়, শত্রুবিনাশ, দুই প্রবল বিরোধী পক্ষের প্রচণ্ড আঘাত-সংঘাত এই সমস্ত ব্যাপারই সাধারণতঃ মহাকাব্যের মধ্যে আন্দোলন ও উদ্দীপন সঞ্চার করিয়া থাকে। কিন্তু রামায়ণের মহিমা রাম-রাবণের যুদ্ধকে আশ্রয় করিয়া নাই, সে যুদ্ধ ঘটনা রাম ও সীতার দাম্পত্য প্রীতিকেই উজ্জ্বল করিয়া দেখাইবার উপলক্ষ্যমাত্র। পিতার প্রতি পুত্রের বশ্যতা, ভ্রাতার জন্য ভ্রাতার আত্মত্যাগ, পতি-পত্নীর পরস্পরের মধ্যে নিষ্ঠা ও প্রজার প্রতি রাজার কর্ত্তব্য কত দূৰ পর্যন্ত যাইতে পারে রামায়ণ তাহাই দেখাইয়াছে। এইরূপ ব্যক্তিবিশেষের প্রধানতঃ ঘরের সম্পর্কগুলি কোনো দেশের মহাকাব্যে এমনভাবে বর্ণনীয় বিষয় বলিয়া গণ্য হয় নাই"।[3]

ৰামায়ণ জাতীয় মহাকাব্য যদিও পৰবৰ্ত্তী অলংকৃত কাব্যৰ (**ornate poetry**) ই আদৰ্শস্বৰূপে আৰু অলংকাৰিকসকলেও সম্ভৱত সাহিত্যিক বা পৰিমণ্ডিত মহাকাব্যৰ (**literary epic**) সংজ্ঞা আৰু লক্ষণ নিৰ্ণয় কৰোঁতে ৰামায়ণৰ আদৰ্শকে গ্ৰহণ কৰিছিল। আলংকাৰিকসকলে পৰিমণ্ডিত মহাকাব্যৰ নায়কৰ চৰিত্ৰ, বিষয়-বস্তু, প্ৰকৃতি, সৰ্গ বিভাগ, সৰ্গান্তত ছন্দ পৰিবৰ্তন, ঋতুসৌন্দৰ্য, নদী-বন-সৰোবৰ চন্দ্ৰোদয়-উদয়াস্ত আদিৰ বিচিত্ৰ ৰূপ বৰ্ণনা আদি মহাকাব্যৰ যিবোৰ লক্ষণ আলংকাৰিকসকলে দাঙি ধৰিছে, ৰামায়ণত সেইবোৰৰ আদৰ্শ বিদ্যমান। সেই কাৰণেই ৰামায়ণক আদি কাব্য আৰু বাল্মীকিক আদি কবি বোলা হয়।

---

2. **Cambridge** ***History of India Vol. I., P—251***
3. 'প্ৰাচীন সাহিত্য'ৰ অন্তৰ্ভুক্ত ৰামায়ণ শীৰ্ষক প্ৰবন্ধ।

ৰামায়ণৰ মহত্ত্ব, গাম্ভীৰ্য, কাব্যিক সৌন্দৰ্য আৰু আদৰ্শই ইয়াক পৃথিৱীৰ অন্যতম মহৎ গ্ৰন্থৰূপে প্ৰতিষ্ঠা কৰিছে। এফালে বিলাস-বাসনাৰ অপৰিসীম উৎসভূমি স্বৰ্ণলংকা, আনফালে সংযত, ধৰ্মনিৰত, স্বধৰ্মপৰায়ণ, দানাধ্যয়নশীলবৃত্তিৰ ভূমি অযোধ্যা, এফালে ভোগবাদী, ইন্দ্ৰিয়পৰায়ণ, স্বেচ্ছাচাৰী, দুৰ্দান্ত, অমিতপৰাক্ৰমী দশভুজ ৰাৱণ, আনফালে পিতৃভক্ত, সত্যপৰায়ণ, ভ্ৰাতৃ-মাতৃ-পত্নী-প্ৰজাৰঞ্জক, আত্মত্যাগী আৰু প্ৰতিজ্ঞাপালক ৰামচন্দ্ৰ। এই দুয়োটা বিপৰীতধৰ্মী, পৰস্পৰবিৰোধীভাৱ আৰু শক্তিৰ মাজত সংঘৰ্ষ আৰু শেহান্তৰত ত্যাগ, সংযম আদি সৎগুণৰ অধিকাৰী অযোধ্যাপতি ৰামৰ জয়, মহিমা আৰু গৌৰৱ ঘুষিত হৈছে। প্ৰাচীন ভাৰতবৰ্ষই চিৰকালেই ভোগতকৈ ত্যাগক অধিক মূল্য দিছিল। এই ত্যাগ দেখা পাওঁ পিতৃসত্য ৰক্ষাৰ কাৰণে ৰামৰ বনগমনত, প্ৰজাৰঞ্জনৰ কাৰণে পতিব্ৰতা পত্নীত্যাগত, জ্যেষ্ঠভ্ৰাতৃৰ বনবাসত পিতৃদত্ত ৰাজ্য গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি চৌদ্ধ বছৰ জটাবল্কল ধাৰণ কৰি অযোধ্যাৰ বাহিৰত ৰামৰ পাদুকাযুৰিৰ সেৱা কৰি ৰামৰ প্ৰতিনিধি ৰূপে ভৰতৰ ৰাজ্যপালনত, বনবাস নিদিয়া সত্বেও ভ্ৰাতৃপ্ৰেমত লক্ষ্মণৰ ৰামৰ অনুগমনত, বনবাসৰ দুখকষ্ট আৰু ভয়াবহতা আওকাণ কৰি সুকোমলী সীতাৰ পতি সহগামিতাত আৰু পাতিব্ৰত্যত, প্ৰতিশ্ৰুতি ৰক্ষা কৰি প্ৰিয় জ্যেষ্ঠ পুত্ৰ ৰামক নিজে মৃতকল্প হৈও বৃদ্ধ দশৰথৰ ৰাম বিসৰ্জন, সত্যৰক্ষা কৰি আশৈশৱ কায়াৰ লগত ছায়াৰ দৰে থকা লক্ষ্মণ বৰ্জনত, পুত্ৰ বিচ্ছেদত কাতৰ কৌশল্যাৰ পতিৰ হিতকামনাত ত্যাগৰ জ্বলন্ত-আদৰ্শ ৰামায়ণে প্ৰদৰ্শন কৰিছে।

সেই কাৰণেই কবিয়ে ৰামৰ মুখেদি সত্যৰক্ষাৰ মহত্ত্ব প্ৰকাশ কৰি কোৱাইছে: "হে পিতা, মই ৰাজ্য পাবলৈ ইচ্ছা নকৰোঁ, সুখ নিবিচাৰোঁ, এই পৃথিৱীৰ সকলো কাম্য বস্তু, আনকি স্বৰ্গ লাভ কৰিবলৈ বা জীয়াই থাকিবলৈকো ইচ্ছা নকৰোঁ। মই বিচাৰোঁ কেৱল আপুনি সত্যৰক্ষা কৰাটোহে, অসত্যক গ্ৰহণ কৰাটো মই আপোনাৰ পৰা কামনা নকৰোঁ।"[4] সেই দৰে ভৰতে কৈকেয়ীৰ আগত, অযোধ্যাত ৰামক দেখা নাপাই সুধিছিল" যিজন জ্যেষ্ঠ ভ্ৰাতৃ, পিতৃসদৃশ, বন্ধুসম আৰু যাৰ মই মাত্ৰ দাস সেই অক্লিষ্টকৰ্মা ৰাম ক'ত শীঘ্ৰে মোক কোৱা"। সীতাই দুবাৰ পবিত্ৰতাৰ প্ৰমাণ দিব লগা হৈছে। দুয়োবাৰ লোকাপবাদৰ পৰা সীতাক ৰক্ষা কৰিবৰ কাৰণে ৰামে সীতাক শান্তিকন্যা বুলি জানিও পৰীক্ষা লৈছে। দুয়োবাৰ একেটা শপথকে গ্ৰহণ কৰি পৰীক্ষাত উত্তীৰ্ণ হৈছে। প্ৰথমবাৰ, অগ্নি পৰীক্ষাত সীতাই কৈছে "কৰ্মণা মনসা বাচা যথা নাতিচৰাম্যহম। ৰাঘৱং সৰ্বধৰ্মজ্ঞং তথা মে পাতু পাৱকঃ"। যদি কৰ্ম, মন আৰু কথাৰে ধৰ্মজ্ঞ ৰাঘৱৰ পৰা আঁতৰি যোৱা নাই তেন্তে হে অগ্নিদেৱ মোক ৰক্ষা কৰিব"। অগ্নিয়ে তেওঁক ৰক্ষা কৰিছে। দ্বিতীয়বাৰ অযোধ্যাৰ ৰাজসভাত জনাপবাদৰ পৰা মুক্ত হবলৈ সীতাক ৰামে সতীত্বৰ প্ৰমাণ

4. অযোধ্যাকাণ্ড, ৩৪ শ সৰ্গ।
৭১ তম সৰ্গ।

দিবলৈ কয়, তেতিয়া সীতাই তেওঁ যদি সতী হৈ আছে তেন্তে বসুধাৰ বুকুত স্থান দিবলৈ অনুৰোধ কৰে। "কৰ্মণা মনসা বাচা যথা ৰামং সমৰ্চয়ে তথা মে মাধৱী দেৱী বিৱৰং দাতুমৰ্হসি।" যদি মই কৰ্ম, মন আৰু বাক্যেৰে ৰাঘৱক সেৱা কৰিছো, তেন্তে হে পৃথিবীদেৱী, তোমাৰ গৰ্ভত মোক স্থান দিয়া। পৃথিবীয়ে সীতাৰ সতীত্বৰ প্ৰমাণ দি দুখিনী সীতাক গৰ্ভত স্থান দিয়ে। এইদৰেই দেখা যায় যে জুইত পোৰা সোণৰ দৰে ৰাম, সীতা, ভৰত, দশৰথ, লক্ষ্মণ আদি চৰিত্ৰই বিভিন্ন পৰিস্থিতি আৰু অনুকূল-প্ৰতিকূল পৰিৱেশত আত্মস্থ থাকি, উচ্চ মানবীয় আদৰ্শৰ অনুসৰণ কৰি উজ্জ্বল ৰূপত আত্মপ্ৰকাশ কৰিছে। এই ৰাম চৰিত্ৰৰ বিপৰীতে থিয় কৰোৱা হৈছে ৰাৱণ আৰু তেওঁৰ সহযোগীসকল। ৰাৱণ নাৰীধৰ্ষণকাৰী (ৰম্ভা আৰু বেদৱতীৰ কথাও মনত ৰখা উচিত), স্বৰ্গলুণ্ঠনকাৰী, দেৱতাসকলৰ বিভীষিকাস্বৰূপ, বৈমাত্ৰেয় ভাই কুবেৰৰ ৰাজ্য অপহৰণকাৰী, ভোগ-বিলাসত মত্ত, কিন্তু শাস্ত্ৰজ্ঞ, বীৰ, বিৰাট ব্যক্তিত্বসম্পন্ন, অকুতোভয় আৰু ভয়ংকৰ। স্বৰ্গ, মৰ্ত্ত্য আৰু পাতাল লুণ্ঠন কৰি স্বৰ্ণলংকাপুৰী সমৃদ্ধ আৰু বৈভৱশালী কৰিছিল। গতিকে ৰামায়ণে দুটা পথৰ সন্ধান দিছে—এটা ত্যাগৰ আৰু মানবীয় সদ্‌গুণাৱলীৰ কৰ্ষণৰ পথ, আৰু আনটো ভোগবিলাস আৰু জান্তৱ প্ৰবৃত্তি অনুসৰণৰ পথ, আৰু শেষত ভোগবাদৰ পথ পৰিহাৰৰ ইঙ্গিত দিছে। ৰামাদিয়েও সাংসাৰিক ভোগ ত্যাগ কৰি সন্ন্যাস গ্ৰহণ কৰা নাই কিন্তু সেয়ে হৈছে সমাজৰ কল্যাণকামী ত্যাগৰ মাজেদি ভোগ। কালিদাসৰ ভাষাত কলৈ গলে ৰঘুবংশীসকলে ত্যাগৰ অৰ্থে ধন সঞ্চয় কৰিছিল, সত্যৰ খাটিৰত মিতভাষী আছিল, যশৰ কাৰণে দেশজয়, শৈশৱত বিদ্যা-অৰ্জন, বাৰ্ধক্যত মুনিবৃত্তি গ্ৰহণ কৰিছিল।

কাব্যসম্পদত ৰামায়ণ যথেষ্ট সমৃদ্ধ। বাল্মীকিৰ ঋষিসুলভ দৃষ্টিত ব্যক্তিচৰিত্ৰ, মানৱ সমাজ, নৈসৰ্গিক প্ৰকৃতিৰ বিভিন্ন ঋতুৰ বাৰে বৰণীয়া ৰং, মানৱ মনৰ ওপৰত বিভিন্ন ঋতু সৌন্দৰ্যৰ প্ৰভাৱ, একাধিক তলাবিশিষ্ট চুনকাম কৰা (ধৱল গৃহ) সৌধ, তোৰণ, উদ্যান, চৌপন্থা, মাংগলিক চিহ্নাংকন, বাদ্যভাণ্ড সহ উৎসৱ—এই সকলোবোৰ উজ্জ্বলৰূপত ধৰা দিছে। বিভিন্ন অনুকূল-প্ৰতিকূল পৰিস্থিতিত পৰি বিভিন্ন লোকে কেনে মানসিক প্ৰতিক্ৰিয়া আৰু ব্যৱহাৰ কৰে তাৰ বিভিন্ন উদাহৰণ মহাকাব্যখনত প্ৰতিফলিত হৈছে।

ৰামায়ণ কৰুণ ৰসাত্মক মহাকাব্য। দৰাচলতে মহাকাব্যখন আৰম্ভ হৈছে ৰামৰ নিৰ্বাসনত আৰু শেষ হৈছে সীতাৰ পাতাল প্ৰৱেশত। ইয়াৰ আগত বা পাছত কিছু কথা অৱশ্যে সংযোজিত নোহোৱাকৈ থকা নাই, কিন্তু মূল কাহিনীৰ সি অতিৰিক্ত কথাহে। ৰামৰ নিৰ্বাসন, সীতাহৰণ, ৰাৱণবধ আৰু লংকাপুৰী ধ্বংস আৰু সীতাউদ্ধাৰ ৰামায়ণৰ প্ৰকৃত ঘটনা কিন্তু আদি কাণ্ডত সংযোগ কৰি দিয়া ৰঘুবংশৰ বিৱৰণ, দশৰথৰ অশ্বমেধযজ্ঞ, সগৰ ৰজাৰ উপাখ্যান, বিশ্বামিত্ৰৰ বংশাৱলী, ভগীৰথৰ কাহিনী, গংগাৰ উৎপত্তি আৰু অৱতৰণ, মৰুদ্‌গণৰ উৎপত্তি,

অহল্যাৰ আখ্যান, বশিষ্ঠ-বিশ্বামিত্ৰৰ কন্দল, ত্ৰিশংকুৰ উপাখ্যান, ৰজা অম্বৰীষৰ কথা, শুনঃশেফৰ বিৱৰণ আদি বৰ্ণনা অবান্তৰ। ৰামৰ জন্ম, শিক্ষা আৰু বিবাহৰ বিৱৰণ প্ৰক্ষিপ্ত বুলি ধৰিলেও ৰাম কথাৰ অবান্তৰ বুলি কব নোৱাৰি। এই দৰেই উত্তৰ কাণ্ডৰ ৰাক্ষস বংশৰ উৎপত্তি আৰু প্ৰতিপত্তি দিগ্বিজয়, বানৰ বংশ আৰু হনুমানৰ জন্মকৰ্ম, নৃগোপাখ্যান, যযাতিৰ আখ্যান, নিমি-বশিষ্ঠ সংবাদ, লৱণাসুৰৰ কাহিনী, শূদ্ৰ তপস্বীৰ কথা, দণ্ডৰজাৰ কথা, বৃত্ৰাসুৰৰ কাহিনী, ইলা পুৰুৰবাৰ কথা আদি বহুতো কথা তথা অধ্যায় ৰামকথাৰ লগত জৰিত নহয়। আনকি ৰামৰ অশ্বমেধ যজ্ঞ, সীতানিৰ্বাসন, পাতাল প্ৰৱেশ আদি ঘটনাও পাছৰ সংযোগ বুলিহে পাঠসমীক্ষাই নিৰ্দ্ধাৰণ কৰিছে। ৰামক বিষ্ণুৰ অৱতাৰ বুলি দেখুৱাবলৈ এনেবোৰ কথা-কাহিনী সংযোগ কৰা হৈছে।

ৰামায়ণত ভ্ৰাতৃপ্ৰেমৰ অমৃতময় ফল আৰু ভ্ৰাতৃবিৰোধৰ বিষময় পৰিণতি প্ৰদৰ্শন কৰিছে। বালী-সুগ্ৰীৱৰ কন্দলৰ ফলত বালীৰ মৃত্যু, ৰাৱণ-বিভীষণৰ বিৰোধৰ ফলত ৰাৱণৰ মৃত্যু আৰু ৰক্ষকুলসহ লংকা ধ্বংস আৰু ভ্ৰাতৃপ্ৰেমৰ কাৰণে অযোধ্যাত ৰামৰাজ্য প্ৰতিষ্ঠা সম্ভৱ হৈছে।

ৰামৰ আদৰ্শাত্মক গুণাৱলী, ৰামায়ণত প্ৰদৰ্শিত ত্যাগ আৰু কাব্যিক সৌন্দৰ্য্যৰ কাৰণেই পৰৱৰ্ত্তী শতাব্দী কেইটাত সংস্কৃতে ৰচিত ভালেখিনি সাম্প্ৰদায়িক ৰামায়ণ ৰচিত হৈছিল। যোগবাশিষ্ঠ ৰামায়ণ, অধ্যাত্ম-ৰামায়ণ, আনন্দ ৰামায়ণ অদ্ভুত ৰামায়ণ, ভুশুণ্ডি ৰামায়ণ, জৈন ৰামায়ণ আদি বহুতো ৰামায়ণ ৰচিত হৈ ৰামভক্তিমাৰ্গ সৃষ্টি হোৱাত সহায় কৰে। কিন্তু মহাভাৰতৰ কোনো পৰৱৰ্ত্তী, নতুন সংস্কৃত ভাষাত ৰচনা কৰা অনুকৃতি পোৱা নাযায়। ইয়াৰ একমাত্ৰ ব্যতিক্ৰম জৈমিনীয় ভাৰত, ইয়াৰো কেৱল আশ্বমেধিক পৰ্বহে পোৱা যায়। অৱশ্যে মহাভাৰতৰ চমু ঘটনা পৰৱৰ্তী দুই চাৰিখন পুৰাণত নিদিয়াকৈ থকা নাই। ৰামায়ণৰ জনপ্ৰিয়তাৰ কাৰণে কি সংস্কৃত, কি প্ৰাকৃত, কি অপভ্ৰংশ বা আঞ্চলিক ভাষা—এই সকলোৰে ৰামায়ণৰ অনুবাদ, কাব্য, চম্পু নাটক মহাভাৰতীয় আখ্যানতকৈ বেছি।

পঞ্চম অধ্যায়

জয়কাব্য মহাভারত

পঞ্চম অধ্যায়

জয়কাব্য মহাভাৰত

মহাভাৰত ভাৰতবৰ্ষৰ জাতীয় মহাকাব্য। এই মহাকাব্যৰ আদি পৰ্বৰ এটা শ্লোকত কোৱা হৈছে ভূ-ভাৰতৰ সকলো কথা ইয়াত সন্নিবিষ্ট হৈছে, ইয়াত নথকা কথা আন ক'তো নাপায়।' এইটো কাবিক অতিৰঞ্জন নহয়, প্ৰাচীন ভাৰতীয় মণীষাই চুকি পোৱা সমস্ত জ্ঞানভাণ্ডাৰ ইয়াত স্তুপীকৃত হৈ আছে। একলাখ শ্লোকৰ এই বিৰাট গ্ৰন্থই এটা সীমাবদ্ধ বিশেষ সময়ত ৰচিত হোৱা নাছিল, নাইবা এজন বা দুজন কবিয়ে ইয়াক ৰচনা কৰা নাছিল। এই মহাকাব্য সম্পূৰ্ণ হবলৈ প্ৰায় আঠ শ বছৰ লাগিছিল। মহৰ্ষি কৃষ্ণ-দ্বৈপায়ন ব্যাসে মহাভাৰত ৰচনা কৰা বুলি মহাকাব্যখনতে উল্লেখ আছে। কিন্তু এই কথা আংশিকভাবেহে সত্য, সম্পূৰ্ণ সত্য নহয়। পৰাশৰ মুনিয়ে এখন নদীৰ দ্বীপত দাসৰাজৰ কন্যা মৎস্যগন্ধা সত্যৱতীত বীৰ্যাধান কৰাৰ ফলত সেই কন্যাৰ গৰ্ভত কৃষ্ণ দ্বৈপায়নৰ জন্ম হয়। গাৰ বৰণ শ্যাম আছিল, সেই কাৰণে নাম হয় কৃষ্ণ আৰু দ্বীপত জন্ম গ্ৰহণ কৰা কাৰণে দ্বৈপায়ন বোলা হয়। বেদ বিভাগ কৰি শৃংখলাবদ্ধ কৰা কাৰণে তেওঁক ব্যাস বোলা হয়। গতিকে ব্যাস শব্দটো নামবাচক নহয়, আজি-কালিৰ সংগ্ৰাহক-সম্পাদকৰ অৰ্থতহে ব্যাস শব্দটো প্ৰাচীনকালত ব্যৱহাৰ হৈছিল। কৃষ্ণ-দ্বৈপায়নে কৌৰৱ আৰু পাণ্ডৱৰ যুদ্ধ আৰু পাণ্ডৱৰ বিজয়ৰ ভেটিত মূল কাহিনীটো ৰচনা কৰিছিল।[1]

মহাকাব্যখন 'শতসাহস্ৰী' হবলৈ অন্ততঃ তিনিটা স্তৰ পাৰ হৈ আহিছিল। পণ্ডিতসকলৰ মতে মহাকাব্যখনৰ যিটো শাহ (Kernel) সেইটো 'জয়' কাব্যনামে প্ৰথম স্তৰত পৰিচিত আছিল।[2] এই স্তৰত কাব্যখনত আঠ হেজাৰ মান শ্লোক আছিল। দ্বিতীয় স্তৰত ভাৰত বংশৰ বংশাৱলী, ৰজাসকলৰ কীৰ্ত্তি কাহিনী, গুণানুকীৰ্ত্তন আৰু যুদ্ধাদিৰ ব্যাপক বিৱৰণসহ কাব্যখনে চৌবিশ হাজাৰ শ্লোক সামৰি ললে। এই স্তৰত কাব্যখন বোলা হৈছিল 'ভাৰত কাব্য'। শেষ স্তৰত

---

5. ১। ১/৫৬/৩৩

২। মহাভাৰতৰ অগত 'জয়' আখ্যাটো দিয়া হৈছে মংগলাচৰণ শ্লোকটোৰ ভেটিত।

নাৰায়ণং নমস্কৃত্য নৰঞ্চৈব নৰোত্তমম্।

দেৱীং সৰস্বতীং চৈব ততো জয়মুদীৰয়েৎ।

এই শ্লোকটো প্ৰত্যেক পৰ্বৰ মংগলাচৰণ শ্লোক।

কাব্যখনে সৃষ্টিতত্ব, ধৰ্মতত্ব, দৰ্শন, আচাৰ, ৰাজনীতি, গাৰ্হস্থ্য নীতি, দেৱবাদ, সন্যাসধৰ্ম, ব্ৰাহ্মণাধৰ্ম, পৰম্পৰাগত আখ্যান আৰু উপাখ্যান, কল্পকথা (myths) আৰু কিংবদন্তিমূলক (legendary) কাহিনী সামৰি লৈ 'মহাভাৰত' নাম পালে আৰু এই স্তৰত শ্লোকৰ সংখ্যা বৃদ্ধি পালে একলাখলৈ। আশ্বলায়ন গৃহ্যসূত্ৰত 'ভাৰত' আৰু 'মহাভাৰত' দুয়োখনৰে উল্লেখ পোৱা যায়।

মহাকাব্যখনৰ বিকাশত যেনেকৈ তিনিটা স্তৰ পাওঁ তেনেকৈ কাহিনীৰ আৰম্ভণৰো তিনিটা স্থান কাব্যখনত উল্লেখ কৰিছে। সূত উগ্ৰশ্ৰবাই জনমেজয়ৰ সৰ্পসত্ৰত বৈশম্পায়নৰ মুখৰ পৰা মহাভাৰত শুনে। বৈশম্পায়নে তাৰ আগতে কৃষ্ণ-দ্বৈপায়ন ব্যাসৰ পৰা 'জয়' কাব্য শুনিছিল। সূত উগ্ৰশ্ৰবাই নৈমেষাৰণ্যত ঋষিসমাজত মহাভাৰত ব্যাখ্যা কৰে। এই সমাজতে ভৃগুবংশীয় শৌনকে যজ্ঞ কৰিছিল আৰু যজ্ঞৰ অন্তত সূতে মহাভাৰত কৈছিল। মহাভাৰতত কাহিনী ক'ৰ পৰা আৰম্ভ কৰা হয় সেই বিষয়ে তিনিটা আৰম্ভৰ কথা এনেদৰে কৈছে ঃ

মন্বাদি ভাৰতং কেচিৎ আস্তিকাদি তথাপৰে।
তথোপৰিচৰাদ্যন্যে বিপ্ৰাঃ সম্যগ্ অধীয়তে ॥

১।১।৫০

মন্বাদিৰ পৰা অৰ্থাৎ বৰ্ত্তমান 'শতসাহস্ৰী' মহাভাৰত য'ৰ পৰা আৰম্ভ হৈছে তাৰ পৰা (সূতে য'ৰ পৰা আৰম্ভ কৰিছে), দ্বিতীয়তে আস্তিকৰ কথাৰ পৰা অৰ্থাৎ জনমেজয়ৰ সৰ্পযজ্ঞৰ পৰা (বৈশাম্পায়নে য'ৰ পৰা আৰম্ভ কৰিছিল), তৃতীয়তে ৰজা উপৰিচৰৰ কথাৰ পৰা, অৰ্থাৎ য'ৰ পৰা ভাৰতবংশৰ কাহিনী আৰম্ভ হৈছে তাৰ পৰা বিপ্ৰসকলে বিভিন্নভাৱে ভাৰত পাঠ কৰে। এই তিনি স্থানত আৰম্ভ কৰা কথাই মহাভাৰতৰ আগতে উল্লেখ কৰি অহা কাব্যবিকাশৰ তিনিটা স্তৰ সম্ভৱতঃ নিৰ্দেশ কৰে। সূতে সমীক্ষিত সংস্কৰণৰ প্ৰথম অধ্যায়ৰ পৰা, বৈশম্পায়নে ত্ৰয়োদশ অধ্যায়ৰ পৰা, আৰু ব্যাসে সমীক্ষিত সংস্কৰণৰ চতুঃপঞ্চাশৎ (৫৪ অধ্যায়) অধ্যায়ৰ পৰা মহাভাৰত কৈছিল। ব্যাসে য'ৰ পৰা আৰম্ভ কৰিছে তাতে 'জয়কাব্য', বৈশম্পায়নে যি ঠাইৰ পৰা কৰে তাৰ পৰাই 'ভাৰতকাব্য' আৰু সূত উগ্ৰশ্ৰবাই য'ৰ পৰা আৰম্ভ কৰে তাৰ পৰাই আৰম্ভ হৈছে 'মহাভাৰত মহাকাব্য'।

মহাকাব্যখনৰ মূল কাহিনীৰ আলম লৈ কেনেকৈ বিভিন্ন উপাদান ইয়াত সংযোজিত হ'ল সেই বিষয়ে জাৰ্মান পণ্ডিত ডিণ্টাৰ্নিৎসে উল্লেখ কৰা উপাদানবোৰ এনে ধৰণৰ ঃ (১) পৰম্পৰাগতভাৱে সূতবোৰে বহন কৰি অনা কিংবদন্তিমূলক আখ্যান-উপাখ্যানসমূহ, (২) ব্ৰাহ্মণ্য ঐতিহ্যৰ কথা-কাহিনী, উপদেশ আৰু তত্ত্বমূলক গল্প, দাৰ্শনিক আৰু নৈতিক কাহিনী য'ত ব্ৰাহ্মণৰ প্ৰাধান্য সূচীত হৈছে, (৩) সৃষ্টিপ্ৰকৰণ, সৃষ্টিতত্ত্ব, বংশানুচৰিত আৰু ভৌগোলিক বিৱৰণবোৰ, (৪) বিষ্ণু আৰু শিৱ সম্পৰ্কীয় মিথ্ (myth)বোৰ, (৫) সাধুকথা (fables and parables) আৰু ৰূপকথা (fairy tales) আৰু নৈতিক কাহিনী,

(৬) সন্যাস, তপস্যা, বানপ্ৰস্থবিষয়ক ৰচনা, (৭) গদ্যাত্মক কাহিনী আৰু গদ্যত ৰচনা কৰা নৈতিক কথাবোৰ।[3]

মহাভাৰতৰ পাঠসমীক্ষাত্মক ভিত্তিত প্ৰামাণ্যপাঠ তৈয়াৰ কৰাত আগভাগলোৱা ডঃ সুকথংকাৰে 'ভাৰত'ক 'মহাভাৰত'লৈ ৰূপান্তৰিত কৰাত ভৃগুবংশীয় গাথাগায়কসকলৰ অৱদান বিশেষভাৱে উল্লেখ কৰিছে। তেওঁ মৌখিক বীৰগাথা আৰু নীতি উপাদানৰ সংমিশ্ৰণত ভাৰ্গৱসকলৰ বৰঙণি আছে বুলি মত প্ৰকাশ কৰিছে। প্ৰধান বা মূল কাহিনী বা আখ্যানৰ লগত নীতিপ্ৰধান উপাখ্যানবোৰ সংযোগ কৰাত ধৰ্ম (ৰাজধৰ্ম, গাৰ্হস্থ্য ধৰ্ম, আপদ্ ধৰ্ম ইত্যাদি) আৰু নীতি সম্পৰ্কে বিশেষ জ্ঞানসম্পন্ন ভাৰ্গৱসকলে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। ব্যাসে, অথবা বৈশম্পায়নে অথবা সূত উগ্ৰশ্ৰৱাই ধৰ্মীয় আৰু নৈতিক উপাখ্যানবোৰ মূল আখ্যানৰ পৰা আঁতৰি থৈ নিশ্চয় কোৱা নাছিল। ভৃগুবংশীয় শৌনকে সূতৰ পৰা কাহিনীটো শুনি পাছত ভ্ৰাম্যমান চাৰণসকলৰ যোগেদি মূল আখ্যানৰ লগত উপাখ্যানসমূহ সংযোগ কৰি 'ভাৰত'ক মহাভাৰতলৈ পৰিণত কৰে। বিশেষকৈ শান্তিপৰ্ব আৰু অনুশাসন পৰ্বৰ নীতি আৰু ধৰ্মমূলক উপাখ্যানবোৰ যোগ দি মহাভাৰতক একেধাৰে মহাকাব্য, ইতিহাস আৰু স্মৃতিশাস্ত্ৰৰূপে প্ৰতিষ্ঠা কৰে। এই প্ৰসঙ্গত সুকথংকাৰে কৈছে, "The Bhrgus have to all appearances swallowed up the epic nucleus such as it was, and digested it completely, and it would be a hazardous venture now to reconstruct the lost Ksatriya ballad of love and war."[4]

বৰ্ত্তমান মহাভাৰত ওঠৰটা পৰ্বত বিভক্ত; তদুপৰি 'হৰিবংশ' পুৰাণকো মহাভাৰতৰ অংগ বুলি ধৰা হয়। 'হৰিবংশ' মহাভাৰতৰ পৰিপূৰক অংশ ৰূপে গণ্য কৰা হয়, সেই কাৰণে 'হৰিবংশ'ক খিল হৰিবংশ বুলি কোৱা হয়। 'খিল' শব্দৰ অৰ্থ হ'ল অংশ বা খণ্ড। প্ৰসঙ্গক্ৰমে 'অখিল' শব্দটো মনকৰিলেই 'খিল' শব্দৰ অৰ্থ পৰিষ্কাৰ হয়। মহাভাৰতীয় পণ্ডিতসকলে অনুমান কৰে যে প্ৰথম স্তৰত অৰ্থাৎ 'জয়কাব্য'ৰ স্তৰত কোনো পৰ্ব বিভাগ নাছিল, 'ভাৰত' কাব্যস্তৰত কেইটামান পৰ্ব হয়তো আছিল কুৰুক্ষেত্ৰযুদ্ধ ওঠৰ দিন চলিছিল, তাৰ লগত সঙ্গতি ৰাখিয়েই বিকাশৰ শেষস্তৰত ওঠৰটা পৰ্বৰ বিভাগ কৰা হয়। এই পৰ্ববোৰৰ দৈৰ্ঘ্য সমান নহয়। সকলোতকৈ দীঘল শান্তিপৰ্বত ১৪,৭৩২টা শ্লোক আছে। তাৰ বিপৰীতে মহাপ্ৰস্থানিক পৰ্বত মাত্ৰ ১২৩টা শ্লোক আছে। পৰ্ববোৰৰ শ্লোকসংখ্যা তলত দিয়া হ'ল :

---

6. উইণ্টাৰনিৎস : ভাৰতীয় সাহিত্যৰ ইতিহাস (Histoy of Indian Literature) প্ৰথম খণ্ড, পৃঃ ৩১০—৩৪২।

7. Sukthankar, *Meaning of the Mahabharata*, P—110

পৰ্বৰ নাম	অধ্যায়ৰ সংখ্যা	শ্লোকসংখ্যা
আদিপৰ্ব	২২৭	৮৮৮৪
সভাপৰ্ব	৭৮	২৫১১
বনপৰ্ব	২৬৯	১১৬৬৪
বিৰাট	৬৭	২০৫০
উদ্যোগ	১৮৬	৬৬৯৮
ভীষ্মপৰ্ব	১১৭	৫৮৮৪
দ্ৰোণপৰ্ব	১৭০	৮৯০৯
কৰ্ণপৰ্ব	৬৯	৪৯৬৪
শৈলপৰ্ব	৫৯	৩২২০
সৌপ্তিকপৰ্ব	১৮	৮৭০
স্ত্ৰীপৰ্ব	২৭	৭৭৫
শান্তিপৰ্ব	৩২৯	১৪,৭৩২
অনুশাসন	১৪৬	৮০০০
আশ্বমেধিকপৰ্ব	১০৩	৩৩২০
আশ্ৰমিকপৰ্ব	৪২	১৫০৬
মৌষলপৰ্ব	৮	৩২০
মহাপ্ৰস্থানিক	৩	১২৩
স্বৰ্গাৰোহণ	৮	২০৯

'হৰিবংশ'ত ১৬,০০০ হেজাৰ শ্লোক আছে।

'ৰামায়ণ'ৰ দৰেই মহাভাৰতৰো প্ৰধানকৈ দুটা পাঠ (recensions) পোৱা যায়, এটা উত্তৰী পাঠ (northern recension) আৰু আনটো দাক্ষিণী পাঠ (southern recension) তদুপৰি আঞ্চলিক অনুসাৰে উপপাঠ (versions) পোৱা যায়। উদাহৰণ স্বৰূপে উত্তৰ ভাৰতীয় পাঠৰ শাৰদা (কাশ্মীৰী), নেপালী, মৈথিলী, গৌড়ী (বঙ্গ) দেৱনাগৰী আদি কেবাটাও লিপিভেদে উপপাঠ পোৱা যায়। পুনাৰ ভাণ্ডাৰকাৰ গৱেষণা অনুষ্ঠানৰ পৰা বিভিন্ন পাঠ উপপাঠৰ তুলনামূলক অধ্যয়ন আৰু পাঠসমীক্ষাৰ ভিত্তিত এটা প্ৰামাণিক সংস্কৰণ প্ৰকাশ কৰিছে। এই নিৰ্মিত পাঠক মূল আদিম পাঠ (Ur Bharata or Ur Mahabharata) বুলি কব নোৱাৰিলেও এই পাঠ অন্য প্ৰচলিত পাঠ আৰু উপপাঠতকৈ যে প্ৰামাণিক আৰু আদিম পাঠৰ ওচৰ চপা সেই বিষয়ে সন্দেহ নাই।

মহাভাৰতৰ কাহিনীৰ অন্তৰালৰ তাৎপৰ্য সম্পৰ্কে নানা মুনিৰ নানা মত। কাহিনীটো সহজভাৱে গ্ৰহণ নকৰি তাৰ অন্তৰালত তাৎপৰ্য বা তত্ত্ব বিচাৰি কোনো কোনো পণ্ডিতে হাবাথুৰি খোৱাও দেখা গৈছে। এইসকলৰ ভিতৰত ডালমান (Dahlmann), লুড্‌উইগ (Ludwing), লাসেন (Lassen) বিশেষভাৱে উল্লেখযোগ্য।

তেওঁলোকে মহাভাৰত-কাহিনীৰ ঐতিহাসিক সত্যতা অস্বীকাৰ কৰি ৰূপকাত্মক বা প্ৰতীকাত্মক অৰ্থহে প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছে। কিন্তু আধুনিক গৱেষকসকলে মহাভাৰতৰ ৰূপকাত্মক (allegorical) অৰ্থত বা তাৎপৰ্যত মূল্য দিব নোখোজে। তেওঁলোকে মহাভাৰতক ঐতিহাসিক ঘটনাৰ কাব্যিক, নৈতিক আৰু ধৰ্মীয় প্ৰকাশ আৰু ব্যাখ্যা বুলিহে কব খোজে। তথাপি আপাত দৃষ্টিত মনত লগা কৌৰৱ-পাণ্ডৱৰ আখ্যান আৰু যুদ্ধৰ বিবৰণ ভেদ কৰি আন্তৰিক অৰ্থ যে মহাকাব্যখনত নাই এনে কথা কব নোৱাৰি। সকলো মহান গ্ৰন্থৰ বাহ্যিক আৱৰণৰ অন্তৰালত এক বা একাধিক তত্ত্বাৰ্থ নিহিত থকা দেখা যায়। প্ৰসিদ্ধ মহাভাৰতীয় গৱেষক ড° সুকথংকাৰে তেওঁৰ 'মহাভাৰতৰ তাৎপৰ্য' (On the Meaning of the Mahabharata) নামৰ গ্ৰন্থত মহাকাব্যখনৰ ত্ৰৈমাত্ৰিক তাৎপৰ্য প্ৰদৰ্শন কৰিছে। মহাকাব্যখন বিশ্লেষণ কৰিলে লৌকিক (mundane), নৈতিক (ethical) আৰু আধ্যাত্মিক (metaphysical) তিনিটা স্তৰ লক্ষ্য কৰা যায়। লৌকিক স্তৰত ৰাজ্যৰ দাবীত একে বংশৰ দুটা পৰিয়ালৰ মাজত হোৱা কন্দলক কেন্দ্ৰ কৰি হোৱা বিৰাট যুদ্ধ আৰু হত্যাকাণ্ড, নৈতিক স্তৰত যুদ্ধখন ধৰ্ম আৰু অধৰ্মৰ মাজত, ন্যায় আৰু অন্যায়ৰ মাজত আৰু সৎ আৰু অসতৰ মাজত সংঘৰ্ষ, এই নৈতিক সংঘৰ্ষত ধৰ্মৰ জয় প্ৰদৰ্শন কৰা হৈছে। পাণ্ডৱসকলক যেনেকৈ দেৱতাৰ অংশস্বৰূপে দেখুৱাইছে তেনেকৈ কৃষ্ণক বিষ্ণু-নাৰায়ণ অৰ্থাৎ জগতনিয়ন্তা ৰূপে মহাকাব্যত চিত্ৰিত কৰিছে। আনহাতে মোহৰ প্ৰতীকস্বৰূপ ধৃতৰাষ্ট্ৰকে প্ৰমুখ্য কৰি কৌৰৱৰ শত ভাই শকুনি, কৰ্ণ আদিক দৈত্যৰ অৱতাৰ ৰূপে অনকে ঠাইত কোৱা হেছে। কোনো ঠাইত দুৰ্যোধনক কলি বুলিও আখ্যা দিছে। আধ্যাত্মিক তথা লোকাতীত স্তৰত (transcendental plane) মহাযুদ্ধখন আমাৰ মনৰ যুদ্ধ, সৎ মই আৰু অসৎ মইৰ চিৰন্তন যুদ্ধ, সৎ প্ৰবৃত্তি সমূহৰ লগত অসৎ প্ৰবৃত্তিবোৰৰ দেহৰ ওপৰত আধিপত্য বিস্তাৰৰ নিমিত্তে সংঘৰ্ষ। পৰমাত্মাৰূপী কৃষ্ণৰ উপদেশ আৰু সাৰথিত্বত জীৱাত্মাস্বৰূপ অৰ্জুনে জ্ঞানখড়্গেৰে আকৰ্ষণ, মোহ, ৰাগ, দ্বেষৰ উৰ্ধত উঠি তেওঁৰ আভ্যন্তৰীণ সংঘাতত জয়যুক্ত হোৱা দেখুৱাইছে। মহাকাব্যখনত ধৃতৰাষ্ট্ৰ দ্বিধাগ্ৰস্ত অহংকেন্দ্ৰিক জীৱৰ আৰু তেওঁৰ পুত্ৰসকল অহংকেন্দ্ৰিক কামনাবাসনাৰ প্ৰতীকৰূপে চিত্ৰিত হৈছে। বিদুৰ সক্ষম বুদ্ধিৰ প্ৰতীক আৰু ভীষ্ম ঐতিহাভিত্তিক জ্ঞানৰ প্ৰতিনিধি। মহাকাব্যৰ সকলো ক্ষেত্ৰতে অৱশ্যে প্ৰতীকদ্যোকতা দেখুওৱা সম্ভৱ নহয়।[5]

মহাভাৰত একেধাৰে কাব্য, ইতিহাস, পুৰাণ, আখ্যান, ধৰ্মশাস্ত্ৰ, নীতিশাস্ত্ৰ, অৰ্থশাস্ত্ৰ, কামশাস্ত্ৰ আৰু মোক্ষশাস্ত্ৰ। আন কথাত কবলৈ গলে এই মহৎ গ্ৰন্থ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ-চাৰি পুৰুষাৰ্থসাধক বুলি বহু ঠাইত কোৱা হৈছে।

5. V. S. Suktankar, *On the Meaning of Mahabharata* P. 90 f.

প্ৰাচীন ভাৰতৰ মহাভাৰত এখন বিশ্বকোষ। সেই কাৰণেই কৈছে—"যদ্ ইহাস্তি তদ্ অন্যত্ৰ, যদ্ নেহাস্তি ন তত্ ক্বচিৎ।" মহাভাৰতখন সম্পূৰ্ণ হওঁতে প্ৰায় এহেজাৰমান বছৰ লাগিছিল, গতিকে এই দীৰ্ঘ সময়ছোৱাত ভাৰতবৰ্ষত যি ৰাজনৈতিক, ধাৰ্মিক, দাৰ্শনিক, পাৰমাৰ্থিক, আধ্যাত্মিক, আনুষ্ঠানিক, বিকাশ ঘটিছিল সেই সকলোবোৰ মহাভাৰতত সংৰক্ষিত হৈছে। বৃহৎ বটবৃক্ষৰ বিস্তীৰ্ণ শাখা-প্ৰশাখাৰ দৰে প্ৰাচীন ভাৰতবৰ্ষৰ সকলো দিশ সামৰি, সকলো নদ-নদী সাগৰত লীন যোৱাৰ দৰে, সমস্ত চিন্তা, সকলো সাংস্কৃতিক বিকাশ গৰ্ভস্থ কৰি মহাভাৰত মহাসাগৰত পৰিণত হৈছে। মহাভাৰতৰ মূল কাহিনীটোৰ ৰূপৰেখা তলত দিয়া হ'ল যাতে পাঠকে আলোচনা অনুধাৱন কৰাত সহায়ক হয়।

আদি পৰ্ব ঃ কুৰু বংশৰ ৰজা শান্তনুৰ প্ৰথমা পত্নী গংগাৰ সন্তান দেৱব্ৰত। বাপেকৰ দ্বিতীয় দাৰপৰিগ্ৰহ কৰা ইচ্ছা পূৰণ কৰিবলৈ দাসৰজাৰ কন্যাদানৰ চৰ্ত্ত মানি লৈ দেৱব্ৰতে আজীৱন কুমাৰ হৈ থাকিবলৈ আৰু ৰাজপদ গ্ৰহণ নকৰিবলৈ প্ৰতিজ্ঞা কৰে। শান্তনুৰ দ্বিতীয়া পত্নী সত্যৱতীৰ সন্তান চিত্ৰাংগদ আৰু বিচিত্ৰবীৰ্য। চিত্ৰাংগদৰ যুদ্ধত অকাল মৃত্যু হয়। বিচিত্ৰবীৰ্য ৰজা হয় আৰু তেওঁৰো অকাল মৃত্যু হোৱাত ব্যাসৰ যোগেদি দুই পত্নীৰ গৰ্ভত ক্ৰমে জন্মান্ধ ধৃতৰাষ্ট্ৰ আৰু শ্বেতা বা পাণ্ডুবৰ্ণৰ পাণ্ডুৰ জন্ম হয় আৰু ৰজাঘৰীয়া দাসী এজনীৰ গৰ্ভত মহাত্মা বিদুৰৰ জন্ম হয়। ধৃতৰাষ্ট্ৰ অন্ধ হেতুকে পাণ্ডুৱে ৰাজ্য পৰিচালনা কৰে। শাপগ্ৰস্ত পাণ্ডুৰ সন্তান উৎপাদন ক্ষমতা নথকা কাৰণে দুই পত্নী কুন্তী আৰু মাদ্ৰী সহ অৰণ্যবাসী হয় আৰু দেৱতাৰ বীৰ্যধাৰণ কৰি কুন্তীৰ যুধিষ্ঠিৰ, ভীম আৰু অৰ্জুন তিনি পুত্ৰ আৰু মাদ্ৰীৰ নকুল আৰু সহদেৱ নামৰ দুই পুত্ৰ জন্ম হয়। অৰণ্যতে ঋষিৰ শাপৰ ফলত পাণ্ডুৰ মৃত্যু হয় আৰু মাদ্ৰীয়ে পতিৰ সহগমন কৰে। পাঁচজন সন্তান সহ কুন্তী ৰাজধানী হস্তিনাপুৰলৈ উভতি আহে।

পাণ্ডুৰ মৃত্যুত ধৃতৰাষ্ট্ৰই দেৱব্ৰত বা ভীষ্মৰ উপদেশত ৰাজ্যশাসন কৰিবলৈ লয়। ধৃতৰাষ্ট্ৰৰ পত্নী গান্ধাৰীৰ এশ পুত্ৰ আৰু এজনী ছোৱালী জন্ম হয়। কৌৰৱৰ এ শ আৰু পাণ্ডৱৰ পাঁচজন ৰাজপুত্ৰ একেলগে ডাঙৰ হয়, কিন্তু পাণ্ডৱৰ বলবীৰ্যৰ তুলনাত কৌৰৱসকল হীনপ্ৰভ হোৱাত কৌৰৱৰ জ্যেষ্ঠ দুৰ্যোধন ঈৰ্ষান্বিত হৈ কেনেকৈ পান্ডৱ কেইজনক ৰাজ্যৰ পৰা বঞ্চিত কৰিব পাৰে তাকে সততে চিন্তা কৰিছিল। ভীষ্মই পান্ডৱ আৰু কৌৰৱৰ ৰাজপুত্ৰসকলক অস্ত্ৰশিক্ষাৰ উদ্দেশ্যে প্ৰথমতে কৃপাচাৰ্য নামে এজন ব্ৰাহ্মণ অস্ত্ৰবিশাৰদ আৰু পাছত দ্ৰোণাচাৰ্য নামে ততোধিক অস্ত্ৰবিশেষজ্ঞক নিয়োগ কৰে। তেওঁলোকৰ শিক্ষাৰ ফলত ভীম আৰু দুৰ্যোধন গদাযুদ্ধত, নকুল-সহদেৱ অসীযুদ্ধত, যুধিষ্ঠিৰ ৰথ-যুদ্ধত আৰু অৰ্জুন সকলো বিদ্যাতে নিপুণ হৈ উঠে। আন ৰাজপুত্ৰ সকলো কম বেছি পৰিমাণে যুদ্ধবিদ্যাত পাৰদৰ্শী হৈ উঠে। এনেতে অধিৰথ নামে সূতৰ পুত্ৰ বুলি পৰিচিত,

পৰশুৰামৰ পৰা অস্ত্ৰশিক্ষা লাভ কৰা কৰ্ণ দুৰ্যোধনৰ লগ লাগে আৰু বন্ধুত্ব ডোলত বান্ধ খায়। দৰাচলতে তেওঁ কুন্তীৰ বিবাহৰ পূৰ্বত হোৱা সন্তান আছিল।

কৌৰৱ-পাণ্ডৱৰ ৰাজকোঁৱৰসকলৰ ভিতৰত সকলোতকৈ ডাঙৰ কাৰণে যুধিষ্ঠিৰক যুৱৰাজপদত অভিষিক্ত কৰা হয়। কিন্তু পাণ্ডৱৰ শক্তি আৰু ক্ষমতা দিনে দিনে বৃদ্ধি পোৱাত দুৰ্যোধন, দুঃশাসন, মোমায়েক শকুনি আৰু বন্ধু কৰ্ণই ষড়যন্ত্ৰ কৰি বাৰণাৱত নামে ঠাইত লাৰ প্ৰাসাদ এটা সাজি পাণ্ডৱক ফুচুলাই তালৈ পঠাই দিয়ে। কিন্তু খুড়াক বিদুৰৰ পৰা সম্ভেদ পাই পাণ্ডৱসকল সেই প্ৰাসাদৰ সুৰংগখানি ৰাতি ওলাই যায়। দুৰ্যোধনৰ মন্ত্ৰীয়ে ৰাতি ঘৰটো জ্বলাই দিলে যদিও পাণ্ডৱ নমৰিল। তেওঁলোক ৰাতিয়ে ওলাই গৈ বনত আশ্ৰয় লয়। পাণ্ডৱ জুইত পুৰি মৰিল বুলি দুৰ্যোধন আশ্বস্ত হয়।

পাণ্ডৱসকলে বনত কাল কটাবলৈ ধৰে। মাজে মাজে ঋষিৰ আশ্ৰমত আশ্ৰয় লয় আৰু মাজে মাজে অসুৰ-ৰাক্ষসক বধ কৰি বনবাসীসকলক নিৰ্ভয় দান কৰে। হিড়িম্ব আৰু বকাসুৰক ভীমে বধ কৰি জনগণক অভয় দান কৰে। এনেতে পাঞ্চাল ৰাজ দ্ৰুপদৰ কন্যা দ্ৰৌপদীৰ স্বয়ম্বৰৰ কথা শুনি ব্ৰাহ্মণসকলৰ লগত স্বয়ম্বৰ সভাত তেওঁলোক উপস্থিত হয়। দ্ৰুপদে দ্ৰৌপদীক দান কৰাৰ যি পণ বা চৰ্ত ঘোষণা কৰিছিল সেই পণ বা চৰ্ত কোনো ৰজা বা ৰাজকোঁৱৰে ৰক্ষা কৰিব নোৱাৰাত ৰজাই স্বয়ম্বৰত উপস্থিত থকা সকলোকে চেষ্টা কৰিবলৈ কোৱাত অৰ্জুনে ওপৰত যান্ত্ৰিক উপায়েৰে ঘূৰি থকা মাছ এটা তলৰ পানীৰ পৰা তাৰ প্ৰতিবিম্ব চাই শৰেৰে ভেদ কৰিবলৈ সক্ষম হোৱাত দ্ৰৌপদীক লাভ কৰে। কিন্তু মাক কুন্তীৰ কথা পেলাব নোৱাৰি পাঁচজন পাণ্ডৱে দ্ৰৌপদীক পত্নীৰূপে গ্ৰহণ কৰে।

ভীষ্ম আৰু ধৃতৰাষ্ট্ৰই পাণ্ডৱ জীয়াই থকা শুনি, বিশেষকৈ পাঞ্চালৰাজৰ আশ্ৰয় লাভ কৰা জানি তেওঁলোকক মাতি আনে আৰু ইন্দ্ৰপ্ৰস্থ নামে নগৰ নিৰ্মাণ কৰি কুৰু ৰাজ্যৰ এভাগ পাণ্ডৱক দি যুধিষ্ঠিৰক তাত ৰজা পাতে। অগ্নিদেৱতাৰ অনুৰোধত কৃষ্ণ আৰু অৰ্জুনে খাণ্ডৱবন দাহ কৰোঁতে ময় নামে অসুৰৰ দক্ষ কাৰিকৰক নিৰ্ভয় দান কৰাত প্ৰতিদান স্বৰূপে ময়দানবে যুধিষ্ঠিৰৰ ৰাজসভাঘৰ নিৰ্মাণ কৰি দিয়ে। ইয়াৰ পাছত কৃষ্ণ আৰু নাৰদৰ কথামতে যুধিষ্ঠিৰে সকলো ৰজাক বশ কৰি চক্ৰবৰ্তী ৰজা হবলৈ ইচ্ছা প্ৰকাশ কৰাত পাণ্ডৱসকলে দিগ্বিজয় কৰি সকলো ৰজাক পৰাজয় কৰি ৰাজসূয় যজ্ঞ সম্পন্ন কৰে আৰু যজ্ঞৰ অন্তত কৃষ্ণক প্ৰথম সম্মানাৰ্ঘ্য প্ৰদান কৰে। ইয়াত বাধা প্ৰদান কৰাত কৃষ্ণই চেদিৰাজ শিশুপালক বধ কৰে।

যজ্ঞৰ অন্তত দুৰ্যোধনে ৰাজসভাঘৰত চাই ফুৰোঁতে নিজৰ অজ্ঞতাবশতঃ অপমান পায়। তাৰ প্ৰতিশোধ লবলৈ ধৃতৰাষ্ট্ৰৰ অনুজ্ঞা লৈ যুধিষ্ঠিৰক পাশাখেললৈ নিমন্ত্ৰণ কৰে। শকুনিৰ কূট পাশাখেলত যুধিষ্ঠিৰ পৰাজিত হৈ

পণত ৰাজ্য হেৰুৱায় আৰু বাৰ বছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাস খাটিবলৈ পণবন্ধ হয়। আনকি নিজকে ধৰি চাৰি ভাই আৰু পত্নী দ্ৰৌপদীকো পণত হেৰুৱায়। ৰজস্বলা অৱস্থাত দৌপদীক দুৰ্যোধনৰ ভায়েক দুঃশাসনে ৰাজসভালৈ টানি নি উলংগত কৰিব খোজে, কিন্তু কৃষ্ণৰ প্ৰভাৱত বিফল হয়। পাণ্ডৱসকলে অপমানিত বোধ কৰি দুৰ্যোধন, দুঃশাসনকে প্ৰমুখ্য কৰি কৌৰৱৰ শতভাইক মোমায়েক শকুনি সহ বধ কৰিবলৈ প্ৰতিজ্ঞা কৰি বনলৈ প্ৰস্থান কৰে। এইখিনিতে উল্লেখযোগ্য যে পাশাখেল দুবাৰ হয়, প্ৰথমবাৰত যুধিষ্ঠিৰে পণত ৰাজ্য, চাৰি ভাই সহ দ্ৰৌপদীক হেৰুৱায়, কিন্তু বিদুৰ, ভীষ্ম, বিকৰ্ণ আদিৰ মধ্যস্থতাত আৰু দৌপদ্ৰীক সান্তনা দিবলৈ ধৃতৰাষ্ট্ৰই পাণ্ডৱক কৌৰৱৰ দাসত্বৰ পৰা মুকলি কৰি দি ৰাজ্য ঘুৰাই দিয়ে। কিন্তু শকুনি, দুৰ্যোধন আৰু কৰ্ণৰ প্ৰৰোচিত বাক্যত প্ৰভাৱিত হৈ অন্ধৰাজে দ্বিতীয়বাৰ পাশা খেলিবলৈ অনুমতি দিয়ে। দ্বিতীয়বাৰ পাশাৰ পণ আছিল যে পৰাজিত দলে বাৰ বছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাস খাটিব লাগিব। অজ্ঞাতবাসত ধৰা পৰিলে আকৌ বাৰ বছৰ বনলৈ যাব লাগিব। গতিকে দ্বিতীয় বাৰো যুধিষ্ঠিৰ পৰাজিত হৈ বনলৈ যাব লগা হয়।

বনত পাণ্ডৱসকলক ব্যাস, লোমস আদি ঋষি, বান্ধৱ কৃষ্ণ আৰু অৰণ্যবাসী ব্ৰাহ্মণসকলে মাজে মাজে সংগ দান কৰি উপদেশ, প্ৰবোধ বাক্যেৰে সান্তনা দিছিল। বনত ভীমে বকাসুৰৰ ভায়েক কিৰ্মীৰক বধ কৰে, নানা বিপদ অতিক্ৰম কৰি স্বৰ্গীয় পদুম দ্ৰৌপদীক আনি দিয়ে। অৰ্জুনে কিৰাতবেশী শিৱক যুদ্ধত সন্তুষ্ট কৰি পাশুপাত অস্ত্ৰ লাভ কৰে, ইন্দ্ৰপুৰীলৈ গৈ দেৱতাৰ শত্ৰু দানৱবোৰক বধ কৰি প্ৰতিদান স্বৰূপে দিব্যাস্ত্ৰসমূহ লাভ কৰে। চিত্ৰৰথ গন্ধৰ্বৰ ওচৰত নৃত্যগীত শিকে আৰু পাঁচ বছৰৰ মূৰত বনলৈ উভতি আহি পাণ্ডৱৰ লগ লাগে। ইতিমধ্যে ভীমে কুবেৰৰ যক্ষবোৰক যুদ্ধত ঘটুৱাই কুবেৰক অগস্ত্য ঋষিৰ শাপৰ পৰা মুক্ত কৰে আৰু কুবেৰৰ দ্বাৰা পাণ্ডৱসকল সম্মানিত হয়। বনত ভীমক অজগৰে সোধা প্ৰশ্নাৱলীৰ যথোচিত উত্তৰ যুধিষ্ঠিৰে দিয়াত ভীমক এৰি দিয়ে। অগস্ত্য ঋষিৰ শাপত ৰজা নহুষে অজগৰ হৈ বনত কালাতিপাত কৰিছিল।

বনবাসী পাণ্ডৱক লঘু কৰি আত্মমহিমা প্ৰকাশ কৰিবলৈ বনত ৰখা গৰুৰ খুটি (ঘোষ) পৰিদৰ্শন কৰাৰ চলেৰে সসৈন্যে কৌৰৱ পাণ্ডৱ থকা বনত উপস্থিত হয়, কিন্তু গন্ধৰ্বসকলৰ দ্বাৰা আক্ৰান্ত হয়। চিত্ৰৰথ গন্ধৰ্বই কৰ্ণাদি সকলো বীৰক পৰাজয় কৰি দুৰ্যোধনক বান্ধি লৈ যায়। কৌৰৱ নাৰীয়ে পাণ্ডৱৰ সহায় খোজাত অৰ্জুনে চিত্ৰৰথক পৰাজয় কৰি দুৰ্যোধনক মুক্ত কৰে। মনৰ বেজাৰত কৌৰৱপক্ষ ৰাজধানীলৈ উভতি যায়।

দুৰ্যোধনৰ দ্বাৰা প্ৰৰোচিত হৈ ধৃতৰাষ্ট্ৰৰ জোঁৱাই জয়দ্ৰথে পাণ্ডৱৰ অনুপস্থিতিত দ্ৰৌপদ্ৰীক হৰণ কৰি নিওঁতে আৰ্তনাদ শুনি জয়দ্ৰথক ভালকৈ এশিকনি দি দ্ৰৌপদীক ভীম-অৰ্জুনে উদ্ধাৰ কৰে। দ্ৰৌপদীৰ অপহৰণ প্ৰচেষ্টাৰ

পাছত পাণ্ডৱসকল কাম্যক বন এৰি দ্বৈত বনলৈ যায়। তাত থাকোঁতে পিয়াহত যুধিষ্ঠিৰে নকুলক পানী বিচাৰিবলৈ পঠায়। বগলি চৰায়ে উপচি থকা এখন নির্মল পানীৰ সৰোবৰ পাই নকুলে পানীত নামিব খোজোঁতে বকৰূপী ধর্মই বাধা দিয়ে আৰু বকৰ প্রশ্নাৱলীৰ সঠিক উত্তৰ দিব পাৰিলে পানী খাবলৈ দিব পাৰিব বুলি কয়। বকৰ কথালৈ কাণ নিদি পানীত নমাত নকুল মৃত্যুৰ মুখত পৰে। এই দশা সহদেৱ, ভীম আৰু অর্জুনৰো হয়। অৱশেষত যুধিষ্ঠিৰে বকৰ সকলোবোৰ প্রশ্নৰ যথোচিত উত্তৰ দিয়াত বকৰূপী ধর্মই আত্মপ্রকাশ কৰে আৰু যুধিষ্ঠিৰ সত্যনিষ্ঠ আৰু ন্যায়নিষ্ঠ দেখি ভ্রাতৃসকলক জীয়াই দিয়ে।

বাৰ বছৰ এই দৰে অতিবাহিত হ'ল, এতিয়া এবছৰ অজ্ঞাতবাসৰ কাল। পাণ্ডৱসকলে ভেশছন কৰি বেলেগ নাম লৈ মৎস্যদেশৰ ৰজা বিৰাটৰ ৰাজসভাত উপস্থিত হয়। যুধিষ্ঠিৰে কংক নামলৈ পাশাখেলত পটু বুলি পৰিচয় দি বিৰাটৰ সভাসদ হয়, ভীমে ৰন্ধনবিদ্যাত পার্গত বুলি সুপকাৰ হয়, অর্জুনে উর্বশীৰ শাপত এবছৰ নপুংসক হৈ নাচগান শিকোৱাত পাৰদর্শী বুলি বৃহন্নলা নাম লৈ ৰাজকন্যা উত্তৰাৰ শিক্ষক হয়, নকুলে অশ্বপ্রশিক্ষণত পার্গত আৰু সহদেৱে গোপালনত বিশেষজ্ঞ ৰূপে বিৰাটৰ ৰাজহাউলীত বাসা লয়। দ্রৌপদীয়ে সৈৰিন্ধ্রী ৰূপত ৰাণী সুদেষ্ণাৰ লিগিৰী বাব লয়। ইয়াত থাকোঁতেই দ্রৌপদী বিৰাটৰ সেনাপতি কীচকৰ দৃষ্টিত পৰে আৰু কামপ্রবৃত্তিৰ বশৱর্তী হৈ পাঞ্চালীক অপমান কৰে। ভীমে কীচকক ভ্রাতৃবৃন্দসহ বধ কৰে। কীচকৰ মৃত্যুৰ সুবিধা লৈ ত্রিগর্তৰাজ সুশর্মাই কৌৰৱৰ লগ লাগি মৎস্যৰাজ্য আক্রমণ কৰি বিৰাটক বন্দী কৰি নিয়াত ছদ্মবেশী পাণ্ডৱ কেইজনে যুদ্ধ কৰি বিৰাটক মুক্ত কৰে। ইফালে কৌৰৱসকলে বিৰাট ৰজাৰ সকলোবোৰ গৰু অপহৰণ কৰি নিয়ে। ৰাজকোঁৱৰ উত্তৰে বৃহন্নলাক ৰথৰ সাৰথিৰূপে লৈ কৌৰৱৰ হাতৰ পৰা গৰু উদ্ধাৰ কৰিবলৈ গৈ বিশাল কৌৰৱ বাহিনী দেখি ভয় খোৱাত বৃহন্নলাই (অর্জুনে) যুদ্ধ কৰি, কৌৰৱক পৰাস্ত কৰি গৰু উদ্ধাৰ কৰে, কিন্তু বৃহন্নলাৰ প্রকৃত পৰিচয় গোপন কৰি ৰাখে। ইয়াৰ কেইদিনমানৰ পাছতে অজ্ঞাতবাসৰ এবছৰ পূৰ হোৱাত পাণ্ডৱে আত্মপৰিচয় প্রদান কৰে। বিৰাট ৰজাই আনন্দতে জীয়েক উত্তৰাক অর্জুনপুত্র, কৃষ্ণৰ ভাগিন অভিমন্যুলৈ বিয়া দি আত্মীয়তাসূত্র দৃঢ় কৰে।

বিৰাট ৰজাৰ আশ্রয়ত থাকি পাণ্ডৱে প্রাপ্য অর্ধৰাজ্য বিচাৰি ধৃতৰাষ্ট্রৰ ওচৰলৈ প্রথমতে পুৰোহিত ধৌম্যক পঠায়, কিন্তু দুর্বল, দুর্যোধনৰ হাতৰ পুতলা স্বৰূপ ধৃতৰাষ্ট্রই কোনো সমাধানৰ পথ দাঙি ধৰিব নোৱাৰিলে। গতিকে কৃষ্ণক দ্বিতীয়বাৰ শান্তিস্থাপনৰ পথ উলিয়াবলৈ কৌৰৱসভালৈ পঠোৱা হ'ল। কিন্তু কৃষ্ণৰ চেষ্টা, ভীষ্ম, দ্রোণ আৰু বিদুৰৰ উপদেশ, আনকি গান্ধাৰীৰ অনুৰোধো দুর্যোধনৰ ওচৰত বিফল হ'ল। ৰাজ্যৰ নামত দুর্যোধনে পাণ্ডৱক বেজিৰ আগত উঠাৰ পৰা মাটি এচিকটাও দিবলৈ অস্বীকাৰ কৰিলে। কৃষ্ণৰ

দৌত্য বিফল হ'ল। যুদ্ধ অনিৰ্বায হৈ উঠিল। দয়ো পক্ষ সৈন্য আৰু সহায় সংগ্ৰহত ব্যস্ত হ'ল। দুৰ্যোধনে কৃষ্ণৰ ব্যক্তিগত সহায়ৰ পৰিৱৰ্তে সংসপ্তক নাৰায়ণী সৈন্যদলটোকে লোৱাকে পচণ্ড কৰাত কৃষ্ণই অৰ্জুনৰ ৰথৰ সাৰথি আৰু পাণ্ডৱৰ পৰামৰ্শদাতাৰ ভূমিকা গ্ৰহণ কৰে। কৌৰৱে এঘাৰ অক্ষৌহিণী আৰু পাণ্ডৱে সাত অক্ষৌহিনী সৈন্য লৈ যুদ্ধক্ষেত্ৰ কুৰুক্ষেত্ৰত সমবেত হ'ল। অন্ধ ধৃতৰাষ্ট্ৰক যুদ্ধৰ বাৰ্তাৰ যোগাই থাকিবলৈ ধৃতৰাষ্ট্ৰৰ সাৰথি সঞ্জয়ক ব্যাস ঋষিয়ে দিব্যচক্ষু দান কৰে।

কৌৰৱৰ সেনাপতি হ'ল পিতামহ ভীষ্ম। দহ দিন যুদ্ধ কৰি অলেখ পাণ্ডৱসৈন্য নিহত কৰি তেওঁ শৰশয্যা গ্ৰহণ কৰিলে। ভীষ্মৰ প্ৰতিজ্ঞা আছিল যে তেওঁ কেতিয়াও নাৰীৰ বিৰুদ্ধে অস্ত্ৰ প্ৰয়োগ নকৰে। দ্ৰুপদ ৰজাৰ এজন ল'ৰা আছিল, নাম শিখণ্ডী। তেওঁ এসময়ত ছোৱালী আছিল, পাছত পুৰুষলৈ ৰূপান্তৰিত হয়। শিখণ্ডীক ৰথৰ সন্মুখত বহুৱাই অৰ্জুনে তেওঁৰ গাৰ আঁৰত থাকি ভীষ্মক শৰ মাৰি থকাসৰকা কৰে। ফলত ভীষ্ম ক্ষতবিক্ষত হৈ ঢলি পৰে, কিন্তু শৰীৰটো মাটিত নালাগি শৰৰ ওপৰতে ওলমি থাকে। ভীষ্মৰ পতনত দুয়ো পক্ষ শোকত ম্ৰিয়মান হয়, কাৰণ তেওঁ আছিল সকলোৰে পূজ্য, সত্যনিষ্ঠ আৰু ন্যায়বাদী পিতামহ।

ভীষ্মৰ পাছত গুৰু দ্ৰোণই কৌৰৱ বাহিনীৰ সেনাপতিত্ব গ্ৰহণ কৰি পাঁচ দিন পাণ্ডৱপক্ষক যুদ্ধত ব্যতিব্যস্ত কৰি তোলে। তৃতীয় দিনা সাতজন ৰথীয়ে আগুৰি ধৰি অৰ্জুনৰ পুতেক ষোল বছৰীয়া শিশু অভিমন্যুক বধ কৰে। এই অন্যায় যুদ্ধত প্ৰধান ভূমিকা গ্ৰহণ কৰা জয়দ্ৰথক পাছদিনা সূৰ্য অস্ত যোৱাৰ আগতে বধ কৰিবলৈ অৰ্জুনে প্ৰতিজ্ঞা কৰে। সেইমতে পাছ দিনা কৌৰৱীৰসকলে জয়দ্ৰথক বেৰি থকা সত্বেও কৃষ্ণই বিশেষ কৌশলেৰে জয়দ্ৰথক ব্যূহৰ পৰা উলিয়াই আনে আৰু অৰ্জুনে সূৰ্য অস্ত যোৱাৰ আগতে জয়দ্ৰথক বধ কৰে। অভিমন্যুৰ পাছত ভীমৰ পুতেক ঘটোৎকচে ৰাক্ষসী মায়াৰে যুদ্ধ কৰি কৌৰৱপক্ষত হাহাকাৰ সৃষ্টি কৰে। কোনো প্ৰকাৰে ঘটোৎকচক বধ কৰিব নোৱাৰি দুৰ্যোধন কৰ্ণৰ শৰণাপন্ন হয়। কৰ্ণই বন্ধুৰ অনুৰোধ পেলাব নোৱাৰি অৰ্জুনক বধ কৰিবলৈ থোৱা ইন্দ্ৰদত্ত একাঘ্নী অস্ত্ৰেৰে ঘটোৎকচক বধ কৰে। সেই দিনা যুদ্ধ দিনে-ৰাতিয়ে চলে। পঞ্চম দিনা যুদ্ধত পাণ্ডৱপক্ষীয় বিৰাট আৰু দ্ৰুপদ ৰজাৰ দ্ৰোণৰ হাতত মৰণ হয়। দ্ৰোণৰ সৈন্য পৰিচালনা আৰু পৰাক্ৰমত পাণ্ডৱপক্ষ তিষ্ঠিব নোৱৰা হ'ল। এনেতে ভীমে অশ্বত্থমা নামে হাতী এটা বধ কৰে। কৃষ্ণই সেই সুবিধা লৈ প্ৰচাৰ কৰি দিয়ে দ্ৰোণপুত্ৰ অশ্বত্থমাৰ মৃত্যু ঘটিল। পুত্ৰৰ মৃত্যুৰ বাৰ্তাৰ শুনি সত্যাসত্য নিৰ্ণয় কৰিবলৈ দ্ৰোণই সত্যবাদী বুলি পৰিচিত যুধিষ্ঠিৰক সোধে। যুধিষ্ঠিৰেও 'অশ্বত্থমা মৰিল, কিন্তু এটা হাতীহে' বুলি কয়।-বাক্যৰ পাছৰ ছোৱা পাণ্ডৱপক্ষৰ কিৰিলিত বুদ্ধ দ্ৰোণই শুনিবলৈ নাপালে। পুতেক মৰিল বুলি শৰধনু এৰি শোকত অভিভূত হৈ থকা অৱস্থাত ধৃষ্টদ্যুম্নই দ্ৰোণাচাৰ্যক বধ কৰে।

দ্ৰোণাচাৰ্যৰ মৃত্যুত দুৰ্যোধনে কৰ্ণক সেনাপতিৰ পদত বৰণ কৰে। কৰ্ণৰ সেনাপতিত্বত কোনো পক্ষৰ নিশ্চিত জয় পৰাজয় নঘটি সমানে দুদিন যুদ্ধ চলে। কৰ্ণই অৰ্জুনক বধ কৰিবলৈ হলে এজন উপযুক্ত ৰথৰ সাৰথিৰ প্ৰয়োজন বুলি কোৱাত দুৰ্যোধনে মহাৰাজ শল্যক কৰ্ণৰ সাৰথি হবলৈ অনুৰোধ কৰে, কাৰণ শল্যই ৰথ চালনা ভালকৈ জানিছিল। শল্য মহাৰাজা, কৰ্ণ সুতপুত্ৰ বুলি পৰিচিত। গতিকে শল্যই এটা চৰ্ত্তত সাৰথি হবলৈ মান্তি হ'ল যে তেওঁৰ যি ইচ্ছা তাকে প্ৰকাশ কৰিবলৈ স্বাধীনতা দিব লাগিব। কৰ্ণ মান্তি হ'ল। ৰথ চলাওঁতে শল্যই কৰ্ণক যি ইচ্ছা তাকে কৈ মতিভ্ৰম কৰিবলৈ চেষ্টা চলালে। ইফালে ভীমে দুৰ্যোধনৰ ভায়েক দুঃশাসন মাটিত পেলাই বুকু চিৰি ৰক্তপান কৰে। ইফালে কৰ্ণই অৰ্জুনৰ লগত যুদ্ধ কৰি থাকোঁতে তেওঁৰ ৰথৰ চকা মাটিত সোমাই যোৱাত চকা টানি উলিয়াবলৈ ৰথৰ পৰা নামে। সেই সুযোগতে কৃষ্ণৰ উপদেশ মতে অৰ্জুনে কৰ্ণক বধ কৰে।

কৰ্ণৰ পাছত শল্য সেনাপতি হয়, যুদ্ধৰ অষ্টাদশ দিনত। সেই দিনৰ যুদ্ধত সহদেৱে শকুনিক যুদ্ধত বধ কৰে। যুধিষ্ঠিৰে পৰাক্ৰম প্ৰদৰ্শন কৰি অৱশেষত মদ্ৰৰাজ শল্যক বধ কৰে। কৌৰৱৰ এঘাৰ অক্ষৌহিনী সৈন্যৰ কেইজনমানৰ বাহিৰে সকলো নিহত হয়। বাকী থাকিল দুৰ্যোধন, অশ্বত্থামা, কৃপাচাৰ্য আৰু কৃতবৰ্মা। দুৰ্যোধনে দ্বৈপায়ন হ্ৰদত আশ্ৰয় ললে। তাতে পাণ্ডৱে দুৰ্যোধনক বিচাৰি যুদ্ধলৈ আহ্বান কৰে। দুৰ্যোধনে প্ৰত্যাহ্বান গ্ৰহণ কৰি ভীমক প্ৰতিযোদ্ধা ৰূপে বাছি লয়। ভীষণ গদাযুদ্ধত ন্যায়সঙ্গত উপায়ে দুৰ্যোধনক বলে নোৱাৰি দুৰ্যোধনে ভীমক আঘাত কৰিবলৈ জাঁপ মাৰি ওপৰলৈ উঠোঁতে ভীমে তেওঁৰ বাম উৰুত আঘাত কৰি ধৰাশায়ী কৰে। কৰঙণ ভাগি দুৰ্যোধন পৰি যায়। কৃষ্ণৰ ককায়েক বলৰামে ভীমক তিৰস্কাৰ কৰি খঙত আঁতৰি যায়। অশ্বত্থামা, কৃপাচাৰ্য আৰু কৃতবৰ্মাই দুৰ্যোধনৰ লগ লাগে আৰু অশ্বত্থামাই সেই ৰাতিয়েই পাণ্ডৱ ধ্বংস কৰিবলৈ প্ৰতিজ্ঞা কৰি দুপৰ নিশা পাণ্ডৱ শিবিৰলৈ যাত্ৰা কৰে। শিবিৰত প্ৰৱেশ কৰি শুই থকা ধৃষ্টদ্যুম্নক জগাই নিৰস্ত্ৰ অৱস্থাত হত্যা কৰে। এইদৰে শিখণ্ডী, পাণ্ডৱৰ শুই থকা পাঁচজন পুত্ৰক আৰু বহুতো সুপ্ত সৈন্যক বধ কৰি ৰণক্ষেত্ৰত পৰি থকা দুৰ্যোধনৰ ওচৰত উপস্থিত হয়। অশ্বত্থামাৰ নৈশ অভিযানৰ চমৎকাৰ বিৱৰণ শুনি দুৰ্যোধনে স্বস্তিৰে শেষ নিশ্বাস এৰে।

ইতিমধ্যে ধৃষ্টদ্যুম্নৰ সাৰথিয়ে ভীষণ হত্যাকাণ্ডৰ বাতৰি শিবিৰৰ বাহিৰত থকা পাণ্ডৱসকলক দিয়াত পাণ্ডৱসকল আৰু দ্ৰৌপদী শিবিৰত উপস্থিত হৈ নাৰকীয় হত্যাকাণ্ড দেখি শোকত ম্ৰিয়মান হয়। দ্ৰৌপদীয়ে কঠোৰ ভাষাত যুধিষ্ঠিৰক আৰু আন চাৰিজনক তিৰস্কাৰ কৰে আৰু প্ৰতিশোধ নোলোৱা পৰ্যন্ত আহাৰ গ্ৰহণ নকৰিবলৈ শপত গ্ৰহণ কৰে। ভীমে অশ্বত্থামাক বিচাৰি যায়, কিন্তু অশ্বত্থামাক পৰাজয় কৰিব নোৱাৰে। বৰং অশ্বত্থামাই স্বেচ্ছাই

চূড়ামণিটো কাটি ভীমক উপহাৰ দিয়ে।৬ পাণ্ডৱক নিৰ্বংশ কৰিবলৈ অশ্বত্থামাই উত্তৰাৰ গৰ্ভত থকা অভিমন্যুৰ সন্তানক বিনষ্ট কৰে। উত্তৰাই মৃত সন্তান জন্ম দিয়াত কৃষ্ণই ঐশী শক্তিৰে তাক সঞ্জীৱিত কৰে। এই সন্তানেই পৰীক্ষিত। কৃষ্ণই অশ্বত্থামাক অমানবীয় কাৰ্যৰ কাৰণে তিনি হাজাৰ বছৰ কোনো থানথিত নোহোৱাকৈ অনাই বনাই ফুৰিবলৈ শাপ দিয়ে।

ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীয়ে শতপুত্ৰৰ মৃত্যু আৰু কৌৰৱ পক্ষৰ ধ্বংসৰ কথা শুনি শোক বেজাৰত অচেতন হয় আৰু চেতন পাইয়ো অধীৰ হোৱাত বিদুৰ, সঞ্জয় আৰু ব্যাসে সান্তনা দিবলৈ চেষ্টা কৰে। বিধবা নাৰীসকলক লগত লৈ ধৃতৰাষ্ট্ৰ-গান্ধাৰী ৰণক্ষেত্ৰত উপস্থিত হয় আৰু মৃত পতি-পুত্ৰসকলক আগত লৈ বিলাপ বিননিৰ ৰাউচি তোলে। কৃষ্ণই পাণ্ডৱসকলক লগত লৈ বৃদ্ধ অন্ধৰাজ আৰু গান্ধাৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। পাণ্ডৱসকলৰো প্ৰিয়জনৰ মৃত্যু সংবাদ শুনি ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীয়ে তেওঁলোকক ক্ষমা কৰে। গান্ধাৰীয়ে কৃষ্ণকেই ধ্বংসলীলাৰ কাৰণে দায়ী কৰি যাদৱ বংশও আত্মকলহত ধ্বংস হবলৈ অভিশাপ দিয়ে। তাৰ পাছত যুধিষ্ঠিৰৰ নিৰ্দেশত মৃতসকলৰ অন্ত্যেষ্টি ক্ৰিয়া সম্পন্ন কৰা হয়। সেই প্ৰসংগত কুন্তীয়ে কৰ্ণও যে তেওঁৰে সন্তান সেই কথা প্ৰকাশ কৰে আৰু কৰ্ণৰ প্ৰতিও তৰ্পণ দিয়ে। (স্ত্ৰীপৰ্ব)

আত্মীয়সকলক যুদ্ধত বধ কৰি যুধিষ্ঠিৰে মনত বৰ অশান্তি পোৱাত ব্যাসৰ নিৰ্দেশ মতে কৃষ্ণৰ লগত শৰশয্যাত পৰি উত্তৰায়ণ হবলৈ বাট চাই থকা ভীষ্মৰ ওচৰলৈ সান্ত্বনা বিচাৰি যায়। ভীষ্মই যুধিষ্ঠিৰক প্ৰথমতে ৰাজধৰ্ম অৰ্থাৎ ৰাজনীতি সম্পৰ্কে উপদেশ দিয়ে। তাৰ পাছত আপদধৰ্ম অৰ্থাৎ বিপদ-আপদ, সংকট আৰু আকস্মিক সংকুল অৱস্থাত কেনে আচৰণ কৰিব লাগে সেই বিষয়ে জ্ঞানগৰ্ভ উপদেশ দিয়ে। অৱশেষত মোক্ষধৰ্ম অৰ্থাৎ মোক্ষলাভ কৰিবলৈ কি কৰ্ত্তব্য আৰু আচৰণ বিধেয় সেই সম্পৰ্কে বহলাই উপদেশ দিয়ে। ভীষ্মই উপদেশ দিওঁতে বহুতো কাহিনী অৱতাৰণা কৰিছে। ভীষ্মৰ উপদেশ শুনি যুধিষ্ঠিৰৰ মনলৈ সুস্থিৰতা আহে। মহাভাৰতৰ ভিতৰত এইটোৱেই সকলোতকৈ ডাঙৰ পৰ্ব। (শান্তিপৰ্ব)

শান্তিপৰ্বৰ পাছত ত্ৰয়োদশ পৰ্বৰ নাম অনুশাসন পৰ্ব। এই পৰ্ব একপ্ৰকাৰ শান্তিপৰ্বৰে বিস্তৃতি (extension) বুলিব পাৰি। অৱশ্যে ভীষ্মৰ সলনি ব্যাসে উচিত কাৰ্য, অনুচিত কাৰ্য, বিধি-নিষেধ, সংযম, ইন্দ্ৰিয়দমন আদিৰ তাৎপৰ্য যুধিষ্ঠিৰক ব্যাখ্যা কৰিছে।

---

6. ভাগৱত পুৰাণত এইখিনি কথা অলপ বেলেগ ধৰণে আছে। ইয়াত ভীমে নহয়, অৰ্জুনেহে কৃষ্ণৰ সহায়ত অশ্বত্থামাক বন্দী কৰি আনি দ্ৰৌপদীৰ আগত উপস্থিত কৰোঁতাত গুৰু পুত্ৰক অপমান নকৰি মুক্ত কৰি দিবলৈ কোৱাত চূড়ামণিটো কাটি গুৰুপুত্ৰক এৰি দিয়ে।

ইয়াৰ পাছত স্বজনবধৰ পাপ ক্ষালন কৰিবলৈ ব্যাসৰ নিৰ্দেশ অনুসৰি যুধিষ্ঠিৰে অশ্বমেধ যজ্ঞৰ আয়োজন কৰে। এটা বিশাল সৈন্যবাহিনী লৈ অৰ্জুন মেলি দিয়া ঘোঁৰাৰ পাছে পাছে যায় আৰু যেয়ে সেই ঘোঁৰা আবদ্ধ কৰে তেওঁক যুদ্ধত পৰাজয় কৰি ঘোঁৰা মোকলাই আগবাঢ়ে। এই অশ্বৰ অনুধাৱন প্ৰসংগত বহুতো কাহিনী আৰু যুদ্ধৰ বিৱৰণ আশ্বমেধিক পৰ্বত সন্নিৱিষ্ট হৈছে। এবছৰৰ মূৰত ঘোঁৰা উভতি অহাত অশ্বমেধযজ্ঞ যথাবিধি সম্পন্ন কৰে। (আশ্বমেধিক পৰ্ব)

কুৰুক্ষেত্ৰৰ যুদ্ধৰ পাছত ধৃতৰাষ্ট্ৰ, গান্ধাৰী আৰু বিদুৰক পাণ্ডৱসকলে সম্মানপূৰ্বক ভৰণ-পোষণ দি ইন্দ্ৰপ্ৰস্থত ৰাখিছিল। ভীমৰ বাহিৰে বাকী পাণ্ডৱ-পৰিজনৰ লগত ধৃতৰাষ্ট্ৰ-গান্ধাৰীৰ সম্পৰ্ক সৌহাৰ্দ্যপূৰ্ণই আছিল। পোন্ধৰ বছৰ পাণ্ডৱৰ লগত থাকি ধৃতৰাষ্ট্ৰ, গান্ধাৰী, বিদুৰ, সঞ্জয় আৰু কুন্তীয়ে বানপ্ৰস্থ অৱলম্বন কৰি বনত আশ্ৰয় লয়। বনত বিদুৰৰ মৃত্যু হয়, ধৃতৰাষ্ট্ৰ, গান্ধাৰী আৰু কুন্তীক বনজুয়ে দগ্ধ কৰে আৰু সঞ্জয় হিমালয়লৈ প্ৰস্থান কৰে। (আশ্ৰমিক পৰ্ব)

কুৰুক্ষেত্ৰ যুদ্ধৰ ছয়ত্ৰিশ বছৰৰ পাছত দ্বাৰকাৰ যাদৱসকলে সাগৰৰ পাৰত মদ খাই মতোৱাল হৈ পৰস্পৰে মৰামৰি কটাকটি কৰি শ্ৰীকৃষ্ণ আৰু বলৰামৰ বাহিৰে সকলো নিঃশেষ হয়। বলৰামে যোগস্থ হৈ প্ৰাণ এৰে। শ্ৰীকৃষ্ণক অৰণ্যত ধ্যানস্থ অৱস্থাত জৰা নামৰ ব্যাধে ভুলক্ৰমে কাঁড়য়াই ইহধাম এৰিবলৈ চেলু দিয়ে। (মুষলপৰ্ব)

কৃষ্ণৰ মহাপ্ৰয়াণৰ পাছত পাণ্ডৱসকলে ৰাজ্য এৰি হিমালয়লৈ যোৱাৰ স্থিৰ কৰি নাতিয়েক পৰীক্ষিতক সিংহাসনত স্থাপন কৰে। তাৰ পাছত বাকলি বসন পৰিধান কৰি পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীয়ে ৰাজ্য এৰি হিমালয়লৈ প্ৰস্থান কৰে। তেওঁলোকৰ লগৰীয়া হ'ল এটা কুকুৰ। যাওঁতে হিমালয়ত এজন এজনকৈ চাৰিজন পাণ্ডৱ আৰু দ্ৰৌপদী মৃত্যুৰ মুখত পৰিল। অৱশেষত কুকুৰটোৰ সৈতে যাওঁতে যুধিষ্ঠিৰক ইন্দ্ৰই স্বৰ্গলৈ নিবলৈ আহিল। কুকুৰটোক এৰি যুধিষ্ঠিৰ যাবলৈ অমান্তি হোৱাত ধৰ্মৰাজ যমে আত্মপ্ৰকাশ কৰি কয় যে তেওঁৱেই কুকুৰৰ ৰূপত যুধিষ্ঠিৰক অনুগমন কৰিছিল। স্বৰ্গত ভ্ৰাতৃসকলক দেখা নাপাই তেওঁ নৰকলৈ যাত্ৰা কৰে আৰু তাত ভায়েকহঁতক দেখা পাই স্বৰ্গীয় বিধানৰ অসংগতিত ক্ষোভ প্ৰকাশ কৰে। তেওঁক সান্তনা দিয়া হয় যে অধিক পাপ আৰু কম পুণ্য কৰাসকলক প্ৰথমতে স্বৰ্গত বাস কৰিবলৈ দি পাছত নৰকলৈ পঠোৱা হয়। তাৰ বিপৰীতে কম পাপ কাৰীসকলক প্ৰথমতে নৰক ভোগ কৰাই পাছত স্বৰ্গলৈ যাবলৈ দিয়া হয়। দ্ৰোণাচাৰ্যৰ মৃত্যু প্ৰসংগত দ্ব্যৰ্থক বাক্য কোৱাৰ কাৰণে যুধিষ্ঠিৰে নৰক দৰ্শন কৰিব লগা হয়। ইয়াৰ পাছত পাণ্ডৱসকল স্বৰ্গলৈ যাত্ৰা কৰে। ইয়াতে মহাভাৰতৰ সামৰণি পৰিছে। 'হৰিবংশ'ক মহাভাৰতৰ অংশ বুলি প্ৰাচীন ঐতিহ্যই স্বীকাৰ কৰিলেও ই এখন স্বতন্ত্ৰ পুৰাণ, মহাভাৰতৰ লগত কোনো আংগিক (organic) সম্পৰ্ক নাই। (স্বৰ্গাৰোহণ পৰ্ব)

ওপৰত মূল কাহিনীটোৰ কেৱলমাত্ৰ ৰূপৰেখা এটা দাঙি ধৰা হ'ল। শাখা-প্ৰশাখাস্বৰূপ অজস্ৰ কাহিনীৰ পৰিচয় দিয়া, আনকি তাৰ নামবোৰৰ লেখ দিয়াও এটা প্ৰবন্ধত সম্ভৱ নহয়। তথাপি আগতে কৈ অহা ছয়টা উপস্মৃতিৰ কিছু আভাস দিবলৈ চেষ্টা কৰা হ'ল।

মহাভাৰতত মূল কাহিনীক উপলক্ষ্য কৰি আৰু বহুত ক্ষেত্ৰত মূল কাহিনীত ভেজা দি সূতসকলে পৰম্পৰাগতভাৱে বহন কৰি অনা বীৰগাথা আৰু বংশানুচৰিত কোৱা হৈছে। প্ৰথম আদি পৰ্বতে অন্যতম উপপৰ্ব হ'ল 'সম্ভৱপৰ্ব', য'ত বীৰ-সকলৰ বংশ, পূৰ্বপুৰুষসকলৰ গৌৰৱ আৰু কীৰ্ত্তিকাহিনী ব্যাখ্যান কৰা হৈছে। এনে পূৰ্বপুৰুষসকলৰ কীৰ্ত্তি গাথাৰ ভিতৰত আদিপৰ্বতে শকুন্তলাৰ আখ্যান, যযাতি-দেৱযানীৰ কাহিনী বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ বাহিৰেও বনপৰ্বৰ নল দময়ন্তীৰ কথা, সাগৰ, ধুন্ধুমাৰ, মান্ধাতৃ, নহুষ, ভৰত শিবি আৰু ৰামৰ আখ্যান, উদ্যোগপৰ্বৰ বিদুলা-সঞ্জয় আখ্যান, ভীষ্মপৰ্বৰ অম্বা-উপাখ্যান আদি বীৰগাথা আৰু বংশানুকীৰ্ত্তনৰ নিদৰ্শন।

দ্বিতীয়তে ব্ৰাহ্মণ-ঐতিহ্যৰ আখ্যান, ৰূপাখ্যান (myths) পৰংপৰাগত কথাই মহাভাৰতৰ এক বিশিষ্ট অংশ অধিকাৰ কৰিছে। দৰাচলতে মহাভাৰতৰ কাহিনী সংৰক্ষণকাৰী ব্ৰাহ্মণসকলে কাহিনী সংৰক্ষণ আৰু বিস্তাৰ কৰাৰ লগতে নিজস্ব ঐতিহ্যৰ বহু আখ্যান-উপাখ্যান আৰু ৰূপকথা বা কল্পকথা তাত সুমুৱাই দিয়ে। বিভিন্ন দেৱ-দেৱীৰ উৎপত্তি, দেৱমহিমা, পূজা-অৰ্চ্চনা আৰু জ্ঞানগৰ্ভ তত্ত্ব কথাই প্ৰাচীন ভাৰতীয় দেৱবাদ আৰু দেৱতত্ত্বৰ ঐতিহ্য বহন কৰে। ৰজা জনমেজয়ৰ সৰ্পযজ্ঞৰ লগত জড়িত হৈ আছে নাগসকলৰ উৎপত্তিৰ কাহিনী, নাগমাতা কদ্ৰু আৰু গৰুড়মাতা বিনতাৰ কন্দল, অমৃত মন্থনৰ বিৱৰণ। ঋষি চ্যৱন আৰু সুকন্যাৰ কথা আৰু চ্যৱনৰ যৌৱনপ্ৰাপ্তিও ব্ৰাহ্মণ ঐতিহ্যৰে গল্প। ব্ৰাহ্মণ, তপস্বী আৰু ঋষিমুনিসকলৰ গৌৰৱ আৰু মহিমা ঘোষণা কৰি সৃষ্টি কৰিছে বহুতো কাহিনী, সেইবোৰৰ ভিতৰত ব্ৰাহ্মণতেজ থকা বৃত্ৰাসুৰক বধ কৰি ইন্দ্ৰৰ লটিঘটি হোৱাৰ বিৱৰণ, ভৃগুমুনিৰ শাপত অগ্নিদেৱতা সৰ্বভুক হোৱা, জল, অৰণি আদিত অগ্নিৰ আত্মগোপন, অগস্তিৰ এক গণ্ডূষত সাগৰৰ জলপান, বিশ্বামিত্ৰ আৰু বশিষ্ঠৰ বৃত্তান্ত, বিশ্বামিত্ৰৰ ব্ৰাহ্মণত্ব লাভ, দধিচীৰ আত্মত্যাগ, ঋষ্যশৃঙ্গ মুনিৰ কথা, জনমেজয়ৰ সৰ্পযজ্ঞত ব্ৰাহ্মণ, বিশেষকৈ আস্তিকৰ ভূমিকা আদি বহুতো ব্ৰাহ্মণৰ মাহাত্ম্য আৰু প্ৰভাৱপ্ৰদৰ্শনকাৰী আখ্যান আৰু উপাখ্যান। অৱশ্যে ব্ৰাহ্মণৰ মাহাত্ম্যৰ লগে লগে এই আখ্যান-উপাখ্যানবোৰত ব্ৰাহ্মণ্যধৰ্মৰ অন্যান্য বৈশিষ্ট্য কিছুমানো প্ৰকাশ নোহোৱাকৈ থকা নাই। যাগ-যজ্ঞ, দান, ত্যাগ, দয়া, সংযম, তীৰ্থভ্ৰমণ আদিৰ প্ৰশংসা প্ৰাসঙ্গিকভাৱে বৰ্ণিত হোৱা দেখা যায়।

শান্তিপৰ্ব আৰু অনুশাসন পৰ্বত প্ৰধানকৈ আৰু আন পৰ্বৰো ঠাইবিশেষে ধৰ্মনীতি আলোচিত হৈছে। ৰাজধৰ্ম (Polity), গাৰ্হস্থ্য ধৰ্ম, বৰ্ণাশ্ৰমধৰ্ম,

আচাৰ-সদাচাৰধৰ্ম, নীতিধৰ্ম (codes of conduct), সমাজধৰ্ম (social laws) আৰু সৰ্বোপৰি মোক্ষধৰ্ম বহলভাৱে আখ্যান উপাখ্যান আৰু সাধুকথা আদিৰ মাধ্যমেদি আলোচিত হৈছে। মনুসংহিতাত আলোচিত হোৱা বহুকথাই মহাভাৰততো সমসাময়িকভাৱেই ব্যাখ্যাত হৈছে। সেই কাৰণে মহাভাৰতৰ ধৰ্ম-শাস্ত্ৰৰূপেও প্ৰাচীন কালৰ পৰাই খ্যাতি আছে। ৰাজধৰ্ম : ৰজাৰ উৎপত্তি, ৰজাৰ লক্ষণ, কৰ্ত্তব্য, মন্ত্ৰী সেনাপতি আদিৰ অৰ্হতা আৰু কৰ্তব্য, ৰাজ্যৰ বিভিন্ন অংগ, ৰাজ্যশাসনৰ বিভিন্ন উপায়-পদ্ধতি, ৰাজ্যজয় আৰু প্ৰতিৰক্ষাৰ ব্যৱস্থা, চৰনিয়োগ আদি যাবতীয় ৰাজ্যশাসননীতি আলোচিত হৈছে।

মহাভাৰত সাধুকথা বা উপকথা (fables), ৰূপক কাহিনী (parables) আৰু নীতিকথাৰ (moral narration) ভঁৰাল। ইয়াৰ বহুতো এনে গল্প পৰৱৰ্তী 'পঞ্চতন্ত্ৰ' 'হিতোপদেশ' আদিতো পোৱা যায়। দয়া, অহিংসা, সংযম, ত্যাগ, পৰোপকাৰ, কুটিলতা, বিশ্বাসঘাতকতা, হিংসা-দ্বেষ, সমদৃষ্টি, অনাসক্তি আদি নৈতিক গুণবোৰৰ আদৰ্শ দাঙি ধৰি এই আখ্যানবোৰ ৰচনা হৈছে। 'বিড়াল তপস্বী', 'পুনঃ মুষিক ভৱ' 'মৰাপাখি গুজি লোৱা কাউৰী' আদি নৈতিক আখ্যানৰ মূল মহাভাৰতেই বুলিব পাৰি। শান্তিপৰ্ব আৰু অনুশাসন পৰ্বৰ বাহিৰেও আন ঠাইতো এনে ধৰণৰ (fables and parables) সিঁচৰতি হৈ আছে। অৱশ্যে, এইবোৰৰ লগত মহাভাৰতৰ মূল কাহিনীৰ সম্পৰ্ক বহুক্ষেত্ৰতে নাই, কচিত্‌ ক'ৰবাতহে দেখা যায়। এইবোৰ ডালেপাতে আঁৰি দিয়া কথা আৰু কাহিনী। ভাৰতীয় জীৱনদৰ্শনত কৰ্মফলবাদে প্ৰাচীন কালৰ পৰাই প্ৰতিপত্তি লাভ কৰি আহিছে। মহাভাৰতৰ দ্বাদশ (শান্তি) আৰু ত্ৰয়োদশ (অনুশাসন) পৰ্বত কৰ্মফলৰ প্ৰভাৱ কেবাটা আখ্যানত আৰু অন্য পৰ্বতো স্থান বিশেষে প্ৰদৰ্শন কৰিছে। এনে কাহিনীৰ ভিতৰত গৌতমী নামৰ ব্ৰাহ্মণীৰ একমাত্ৰ সন্তানক সাপে খাই মৃত্যু ঘটোৱাৰ ফলত হোৱা ব্ৰাহ্মণী, ব্যাধ, দংশনকাৰী সৰ্প, কাল আৰু মৃত্যুৰ মাজত হোৱা সংবাদ (অনুশাসন) আৰু শিয়াল, শগুণ আৰু মৃতপুত্ৰিক ব্ৰাহ্মণৰ মাজত হোৱা সংবাদে কৰ্মফলৰ প্ৰাধান্য প্ৰদৰ্শন কৰিছে।

মহাভাৰতত খৃষ্টজন্মৰ অব্যৱহিত আগে পাছে উদ্ভৱ হোৱা ধৰ্মীয় সম্প্ৰদায়ৰ উল্লেখ আৰু সাম্প্ৰদায়িক মতাদৰ্শ আৰু দৰ্শনৰ পৰিচয় পোৱা যায়। বিশেষকৈ ভাগৱত সম্প্ৰদায়ৰ প্ৰাধান্য 'গীতা' আৰু শান্তিপৰ্বত থকা 'নাৰায়ণীয় আখ্যান' (১২/৩৩৪-৩৫১ অধ্যায়) এই প্ৰসংগত উল্লেখযোগ্য। তদুপৰি বিষ্ণুৰ অৱতাৰ ৰূপে কৃষ্ণৰ ভূমিকায়ো মহাভাৰতক বৈষ্ণৱভাব-প্ৰধান গ্ৰন্থৰূপে পৰিচয় দিয়ে, তথাপি ধৰ্ম সম্পৰ্কে মহাভাৰতৰ দৃষ্টিভঙ্গি অতি উদাৰ। সেই কাৰণে শৈৱ, শাক্ত, সৌৰ, গাণপত্য আদি সম্প্ৰদায়কো ইয়াৰ বুকুত ঠাই দিছে। এনে উদাৰ, সামঞ্জস্যিক দৃষ্টিৰ কাৰণেই মহাভাৰত মহাগ্ৰন্থ, মহাকাব্য আৰু মহাজাতীয় ইতিহাস বুলি স্বীকৃতি লাভ কৰি আহিছে। 'গীতা' প্ৰধানকৈ একেশ্বৰবাদী ভক্তিপ্ৰধান দাৰ্শনিক

গ্ৰন্থ হলেও কৰ্মমাৰ্গ আৰু জ্ঞানমাৰ্গৰ লগত ভক্তিৰ সমন্বয় সাধনা কৰিছে, এটাক এৰি আনটো স্বয়ংসম্পূৰ্ণ নহয়। 'ভগৱদ্‌গীতা'ৰ আদৰ্শতে আকৌ 'অনুগীতা' অশ্বমেধ পৰ্বত পাওঁ।

মহাভাৰতত সাংখ্যদৰ্শন, যোগদৰ্শন আৰু ঠাই বিশেষে বেদান্তদৰ্শনৰ আলোচনাও পোৱা যায়। ষড়দৰ্শনৰ অন্য তিনিটা মতবাদ ন্যায়, বৈশেষিক আৰু মীমাংসা তেতিয়াও প্ৰসিদ্ধি লাভ কৰা নাছিল যেন অনুমান হয়। কোনো কোনো পণ্ডিতৰ মতে বেদান্তদৰ্শনৰ কথা পৰৱৰ্তী প্ৰক্ষেপণ **"We nevertheless find everywhere interpolated passages where the Vedanta is taught, and a few passages like *Sanatsujatiya* have been inserted with entirely Vedantic teaching" (winternity vol. I. p. 440.).**

মহাভাৰতত বেদৰ দেৱতাসমূহৰ প্ৰাধান্য কমি যায়, দেৱতাসকলৰ প্ৰভাৱ কমিলেও নতুন ৰূপ বা পৰিচ্ছদত তেওঁলোকে মৰ্ত্ত্যৰ মানৱৰ কাৰ্যৰ ওপৰত ক্ৰিয়া নকৰাকৈ নাথাকিল। স্কন্দ (কাৰ্তিক), গণেশ, বৈশ্ৰৱণ আদি দুই চাৰিজন নতুন দেৱতাৰো সৃষ্টি হ'ল। বেদৰ ইন্দ্ৰ, আদিত্য, অগ্নি, বৰুণ, অশ্বীন্বয়, সোম আদি দেৱতাৰথুল অব্যাহত ৰ'ল যদিও উষাৰ দৰে দুই এগৰাকী দেৱতাৰ অন্তৰ্ধানো ঘটিল। তদুপৰি গন্ধৰ্ব, যক্ষ, বিদ্যাধৰ, কিন্নৰ, অপ্সৰা আদি অৰ্দ্ধদেৱতাৰ শাৰীৰ অপাৰ্থিৱ প্ৰাণীৰো সৃষ্টি হ'ল। এই সকলো দেৱতাক চেৰ পেলাই তিনি গৰাকী দেৱতাই প্ৰতিপত্তি লাভ কৰে—বিষ্ণু, শিৱ আৰু ব্ৰহ্মা। ব্ৰহ্মাক সৃষ্টিকৰ ৰূপে, বিষ্ণুক জগতপালক ৰূপে আৰু শিৱক জগতনাশী ৰূপে থিয় কৰোৱা হ'ল। আভীৰসকলৰ গোপালকৃষ্ণ আৰু পাণ্ডৰাত্ৰসকলৰ নাৰায়ণ বিষ্ণুৰ লগত অভেদ হৈ আন দুজনতকৈ বিষ্ণু ক্ৰমে অধিক প্ৰতিপত্তিশালী হ'ল। কিন্তু সকলোৰে কাৰণস্বৰূপ এগৰাকী অচিন্ত্য, অপৰিচ্ছিন্ন, উপাধিৰহিত ব্ৰহ্মৰ ধাৰণাই ক্ৰমে প্ৰতিষ্ঠা লাভ কৰে। সকলোদেৱতা, 'যত জীৱ জঙ্গম' তেওঁৰেই অভিব্যক্তিৰূপে স্বীকৃত হ'ল। ব্ৰহ্মক উপলব্ধিয়েই ব্ৰহ্মলাভ বা মুক্তি। ভক্তি, ত্যাগ, সংযম, অনাসক্তি, আৰু নিষ্কাম কৰ্ম, দয়া, অহিংসা আদি গুণ আৰু কাৰ্যাৱলীৰ যোগেদি মুক্তি লাভ সম্ভৱ। কিন্তু মোক্ষ শেষ পুৰুষাৰ্থহে। সাংসাৰিক মানৱৰ পক্ষে মহাভাৰতে অনেক ঠাইত চাৰি পুৰুষাৰ্থ আচৰণ কৰাৰ কথা কৈছে। ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ, সফল আৰু সামাজিক অৰ্থৱহ জীৱন যাপন কৰিবৰ কাৰণে অপৰিহাৰ্য চৰ্যা।

ওপৰত থূলমূলকৈ মহাভাৰতৰ প্ৰাসঙ্গিক বিষয়সমূহৰ আভাস দাঙি ধৰা হ'ল। কলিকতাৰ বোটানিকেল উদ্যানত এজোপা পাকৰি গছ আছে। গছজোপাই তিনিবিঘামান মাটি জুৰি আছে। প্ৰত্যেকটো ডালৰ পৰা ওলমি অহা জৰিবোৰ মাটিত লাগি শিপাধৰি গছ জোপাক পালিধুটোৰ দৰে অৱলম্বন দি বিস্তৃতি লাভ কৰাত সহায় কৰিছে। মহাভাৰতক তেনে এজোপা পাকৰি গছৰ লগতে তুলনা

কৰিব পাৰি। মহাভাৰতৰ আখ্যান, উপাখ্যান, কথাকাহিনী, সাধু-ৰূপকথা পাকৰি গছৰ জৰিৰ দৰে ওলমি কলেৱৰ বৃহদায়তন কৰাত সহায় কৰিছে। নলদময়ন্তী, শকুন্তলা, সাবিত্ৰী, তপতী সম্বৰণ. আদিকে ধৰি বহুতো স্বয়ংসম্পূৰ্ণ আখ্যান আছে যিবোৰ কাব্যিক দৃষ্টি আৰু নৈতিক আদৰ্শ আৰু বৰ্ণনাৰ ফালৰ পৰা অনবদ্য সৃষ্টি। কিন্তু মূল কৌৰৱ-পাণ্ডৱৰ সংঘৰ্ষৰ লগত এইবোৰৰ প্ৰত্যক্ষ সম্পৰ্ক নাই।

ৰামায়ণৰ তুলনাত মহাভাৰতৰ মূল বা প্ৰধান কাহিনীটো অধিক বীৰত্বৰ সাঁচত (heroic mould) ঢলা। ৰামায়ণত শৌৰ্যবীৰ্যৰ অভাৱ নাই, কিন্তু স্নেহপ্ৰীতি আদি মানৱীয় গুণাৱলীৰ অভিব্যক্তিত এই মহাকাব্যই অধিক দৃষ্টি নিক্ষেপ কৰিছে। ৰামায়ণৰ সাধাৰণ পৰিৱেশতকৈ মহাভাৰতৰ সাধাৰণ পৰিৱেশ তুলনামূলক ভাৱে অধিক ৰুক্ষ আৰু প্ৰতিহিংসা. প্ৰতিশোধ, ৰণলিপ্সামত্ততা আদি আদিম প্ৰবৃত্তিবোৰৰ ক্ৰিয়া প্ৰতিক্ৰিয়াও প্ৰকট ৰূপত প্ৰকাশ পাইছে। এই কাৰণেই ভিণ্টাৰনিট্‌ছ, হপ্‌কিন্স আদি পণ্ডিতে মহাভাৰতৰ শাহটো (nucleus) ৰামায়ণতকৈ প্ৰাচীন বুলি অভিমত দিছে। মহাভাৰতৰ পৰা যি ৰাজনৈতিক ভূগোল পোৱা যায় যে যিবিলাক ৰজাই কুৰুক্ষেত্ৰৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল সেই ৰজাসমূহৰ ৰাজ্য উত্তৰভাৰত, উত্তৰ-পশ্চিম ভাৰত আৰু মধ্যভাৰততে সীমাবদ্ধ আছিল, দক্ষিণ ভাৰতৰ ৰাজ্যৰ উল্লেখ পোৱা নাযায়। অথচ ৰামায়ণত ভাৰতৰ দক্ষিণ অঞ্চলৰ বিৱৰণো পোৱা যায়। গতিকে মূল কাহিনীৰ আদিম ৰূপটো যে আৰ্যসকলৰ দক্ষিণাভাৰত প্ৰব্ৰজনৰ আগতে ৰচিত সেই বিষয়ে সন্দেহ নাই। মহাভাৰত সম্পূৰ্ণ হওতে অৰ্থাৎ 'শতসাহস্ৰী' ৰূপ লওঁতে কেবা শ বছৰ লাগিছিল। ভিণ্টাৰনিট্‌ছৰ মতে, "Between the 4th century B. C. and the 4th century A. D. the transformation of the epic Mahabharata into our present compilation took place. probably gradually." কিন্তু ভাৰতীয় পণ্ডিত এচামে ৰচনাৰ আৰু আগুৱাই নিব খোজে যদিও সেই মত সকলোৱে গ্ৰহণীয় নহয়। কোনো কোনো ভাৰতীয় পণ্ডিতৰ মতে মহাভাৰতৰ যুদ্ধখন খৃষ্টপূৰ্ব দ্বাদশ শতিকামানত সংঘটিত হৈছিল। বিৱৰণ পাছত লিপিবদ্ধ হয়।

ৰামায়ণৰ দৰে ব্যাপকভাৱত কাব্যিক বৰ্ণনা মহাভাৰতত নাই যদিও বহু অংশ কাব্যসম্পদৰে ভৰপূৰ। বৰ্ণনীয় বিষয় আৰু পৰিস্থিতিৰ প্ৰকৃতি অনুসাৰে কাব্যগুণ প্ৰকট আৰু উজ্জ্বল হৈ পৰিছে। যুদ্ধৰ ভয়াবহ লোমহৰ্ষক বোৰা বৰ্ণনা, অপমানিত বীৰৰ ক্ৰোধ আৰু প্ৰতিশোধ গ্ৰহণৰ ভীষণ প্ৰতিজ্ঞা, লাঞ্ছিতা ক্ষত্ৰিয়া নাৰীৰ ক্ষোভ আৰু অপমান জৰ্জৰিত হৃদয়ৰ প্ৰতিশোধৰ কাৰণে প্ৰোৎসাহমূলক বাণী, ফেনিল, তাণ্ডৱ নৃত্যশীল গৰ্জনপৰায়ণ সাগৰ, শান্ত, স্নিগ্ধ সুসমাহিত ঋষিৰ আশ্ৰম, কামোদ্দীপক সৌন্দৰ্যময়ী প্ৰাকৃতিক পৰিৱেশ, পতি-

পুত্ৰ আত্মীয় স্বজন হেৰুওৱা নাৰীৰ কৰুণ বিলাপ, বনৰ ভয়াৱহতা আৰু ঋতুশোভা আৰু মানৱ মনত তাৰ প্ৰতিক্ৰিয়া, গভীৰ তত্ত্বোপদেশ, নীতিগৰ্ভ সুভাষিতাৱলী, দাৰ্শনিক দৃষ্টি—এই সকলোবোৰে মহাভাৰতক কাব্যিক গুৰুত্ব আৰু সৌন্দৰ্যও দান কৰিছে। ভাৰতীয় পাঠকৰ কথাই নাই, পাশ্চাত্য সমালোচকসকলেও 'নলদময়ন্তী', 'সাবিত্ৰী আখ্যান' 'শকুন্তলা-আখ্যান'কে প্ৰমুখ্য কৰি বহুতো কাহিনী আখ্যানক সমস্ত পৃথিৱীৰ সাহিত্যৰ অমূল্য সম্পদ ৰূপে প্ৰশংসা কৰিছে।

মহাভাৰতৰ চৰিত্ৰ সৃষ্টিও এই প্ৰসংগত উল্লেখযোগ্য। ইয়াৰ হাজাৰ বিজাৰ চৰিত্ৰৰ ভিতৰত প্ৰধান কাহিনীৰ চৰিত্ৰখিনিকে মহাভাৰতৰ প্ৰকৃত চৰিত্ৰ বুলি ল'ব পাৰি। চৰিত্ৰবোৰৰ বৈশিষ্ট্য এইখিনিতে যে প্ৰত্যেকটো চৰিত্ৰ স্বমহিমাৰে উজ্বল। সেই বুলি সকলো চৰিত্ৰই যে সৎ বা দোষ বৰ্জিত সেইটো নহয়। আনকি যিটো চৰিত্ৰক সত্যনিষ্ঠাৰ মানৱমূৰ্তি ৰূপে চিত্ৰিত কৰিছে তেৱোঁ অৱস্থা বিপৰ্যয়ত প্ৰকাৰন্তৰে মিছাৰ আশ্ৰয় লব লগাত পৰে। চৰিত্ৰবোৰৰ কাৰ্যকলাপত স্থান বিশেষে প্ৰাচীন·কাব্যত সচৰাচৰ থকাৰ দৰে অতিৰঞ্জন নোহোৱা নহয়, কিন্তু আচৰণ-ব্যৱহাৰত তেওঁলোক সম্পূৰ্ণ মানৱ, গুণদোষ দুয়োটাই মাত্ৰাভেদে তেওঁলোকৰ চৰিত্ৰত প্ৰকাশ পোৱা দেখা যায়। প্ৰতিজ্ঞাত অটল জ্ঞানী আৰু অসাধাৰণ বীৰ আৰু ৰাজনীতিকুশল, 'অৰ্থৰ দাস পুৰুষ, অৰ্থ পুৰুষৰ দাস নহয়' ; উক্তি কৰোঁতা পিতামহ ভীষ্ম, শ্যামাঙ্গ, পলিতকেশ, পঁচাশী বছৰীয়া বৃদ্ধ কিন্তু যুদ্ধ ক্ষেত্ৰত ষোল বছৰীয়া ডেকাৰ দৰে বিচৰণ কৰা গুৰু দ্ৰোণ, কৌৰৱৰ চাউল খাই পাণ্ডৱৰ গুণগোৱা' বুলি অযথা দোষৰ ভাগী হোৱা ধৰ্মপ্ৰাণ ম্লেচ্ছভাষাবিদ আৰু নীতিজ্ঞ বিদুৰ, এফালে ন্যায় আৰু ধৰ্মৰ আকৰ্ষণ আৰু আনফালে পুত্ৰস্নেহ আৰু মইমতীয়া পুত্ৰৰ প্ৰভাৱত দিশহাৰা হোৱা অন্ধৰাজ ধৃতৰাষ্ট্ৰ, স্বামীৰ অন্ধত্বত সহানুভূতিপূৰ্বক নিজৰ চকু বান্ধি ৰখা, 'য'তে ধৰ্ম ম'তে জয়' বুলি নিজ পুত্ৰক আশীৰ্বাদ কিন্তু আওপকীয়াকৈ যুধিষ্ঠিৰৰ জয় কামনা কৰা শতপুত্ৰহাৰা মহিয়সী নাৰী গান্ধাৰী, বলিৰায়ৰ দৰে, দানশীল, বীৰাগ্ৰণী, আপদৰ বন্ধুৰ কাৰণে সৰ্বস্বত্যাগী কিন্তু অসৎ সঙ্গত পৰি বেয়া কাৰ্যবো ভাগী হোৱা মহাবীৰ কৰ্ণ, কুট কৌশলী 'মামা' শকুনি, সহিষ্ণু, সত্যপৰায়ণ ক্ষত্ৰবৃত্তিৰ প্ৰতি উদাসীন সমস্থ যুধিষ্ঠিৰ, শাৰীৰিক বলত অশেষ বলশালী, মল্ল আৰু গদা যুদ্ধত পাৰদৰ্শী, প্ৰতিশোধকামী ক্ৰোধপৰায়ণ কিন্তু জ্যেষ্ঠভ্ৰাতৃৰ অকুণ্ঠ অনুগামী ভীম, সৰ্বগুণী, ধনুৰ্বিদ্যাত অদ্বিতীয় বীৰ, নৃত্যগীতত কুশল মধ্যম পাণ্ডৱ অৰ্জুন, অশ্ববিদ্যা আৰু অসিযুদ্ধত নিপুণ সুদৰ্শন নকুল, জ্যোতিষশাস্ত্ৰজ্ঞ, পণ্ডিত কিন্তু যুদ্ধত পাছ ভৰি নকৰা সহদেৱ, আত্মমৰ্যাদা সচেতন ক্ষত্ৰিয়ৰমণী তেজস্বিনী দ্ৰৌপদী, গদা যুদ্ধত কুশল, পাণ্ডৱৰ প্ৰতি ঘোৰ ঈৰ্ষাপৰায়ণ, অসৎসঙ্গত মতিভ্ৰষ্ট, বংশগৌৰৱত মহাভিমানী আৰু কৌতিয়াও সেও নমনা জ্যেষ্ঠ কৌৰৱ দুৰ্যোধন, নীচমনা খলপ্ৰবৃত্তিপৰায়ণ অথচ জ্যেষ্ঠ ভ্ৰাতৃ দুৰ্যোধনৰ অনুগত, কৰ্ণ, শকুনি আৰু

দুৰ্যোধনৰ সততে অনুগামী দুঃশাসন, স্বামীৰ লগত গান্ধৰ্ব কালতে বনবাস খাটি বিধৱা হোৱা, সপত্নী পুত্ৰদ্বয়ক নিজপুত্ৰৰ লগত অভিন্নৰূপে তুলি তালি ডাঙৰ কৰি গোটেই জীৱন কষ্টত কাল কটোৱা আৰু প্ৰাক্-বিবাহকালৰ সন্তান কৰ্ণৰ প্ৰতি মাজে মাজে উদ্বিগ্ন হৈ পৰা পাণ্ডৱমাতা কুন্তী—এই সকলোখিনি প্ৰধান চৰিত্ৰই স্বকীয় বৈশিষ্ট্যৰে উজ্জ্বল। এওঁলোকৰ উপৰিও যিটো চৰিত্ৰই ভাৰতযুদ্ধৰ সূত্ৰধাৰ ৰূপে অন্তৰালত থাকি ঘটনাপ্ৰৱাহৰ গতি নিৰ্ণয়ত বহুখিনি বৰঙণি দিছে তেওঁ বাসুদেৱ কৃষ্ণ, যাৰ বুদ্ধি পৰামৰ্শ, বিপদত সহায়, সংকট মুহূৰ্তত সংকটমোচনৰ পথ নিৰ্দেশে পাণ্ডৱক সাত অক্ষৌহিনী সৈন্যৰে কৌৰৱৰ এঘাৰ অক্ষৌহিনী সৈন্যক ধ্বংস কৰি বিজয়ী হবলৈ সক্ষম কৰিছিল। মহাভাৰততেই অন্যতম প্ৰাচীনতম গ্ৰন্থ য'ত কৃষ্ণক ঈশ্বৰত্বৰ মৰ্যাদা দান কৰা হৈছে। এই গ্ৰন্থৰ পৰিশিষ্ট গ্ৰন্থ 'হৰিবংশ'ত 'কৃষ্ণস্তু ভগৱান্ স্বয়ম্', ৰূপে তেওঁ পৰিকীৰ্ত্তিত হৈছে।

মহাভাৰতত যি সমাজ চিত্ৰিত হৈছে সেই সমাজ কোনো এটা বিশেষ যুগৰ বা এটা শতাব্দীৰ সমাজ নহয়। ইয়াত প্ৰায় সহস্ৰ বছৰৰ বিভিন্ন স্তৰৰ সমাজ বিভিন্ন কাহিনী উপাখ্যান আৰু বৰ্ণনাত সোমাই আছে। সেই কাৰণে কেতিয়াবা পৰস্পৰ বিৰোধী অৱস্থা আৰু পৰিৱেশৰ সংযোগো ঠাই বিশেষে লক্ষ্য কৰা যায়। যদিও মহাভাৰত এক সংহত কাব্য নহয়, ইয়াতে কিন্তু সমস্ত প্ৰাচীন ভাৰতীয় জীৱন আৰু সংস্কৃতি সোমাই আছে। সেই কাৰণেই উইণ্টাৰনিৎসে লিখিছে "The very fact that the *Mahabharata* represents a whole literature, rather than one single and unified work and contains so many and so multifarious things, makes it more suited than any other book, to afford us an insight into the deapest depth of the soul of Indian people" (HIL, I. P. 326-327.)

মহাভাৰতৰ মূল কাহিনী দৰাচলতে স্ত্ৰীপৰ্বতে শেষ হৈছে বুলি কব পাৰি। স্ত্ৰীপৰ্বত যুদ্ধত নিহত বীৰসকলৰ বিধৱা পত্নী, আৰু সন্তানহীনা মাতৃৰ শোকৰ কৰুণ বিননি আৰু মৃতসকলৰ সংকাৰ অন্ত্যেষ্টিক্ৰিয়া বৰ্ণনা কৰি জীৱিত কৌৰৱসকলে পাণ্ডৱৰ আশ্ৰয় গ্ৰহণ কৰা দেখুৱাইছে। পাছৰ সাতোটা পৰ্ব-শান্তি, অনুশাসন, আশ্বমেধিক, আশ্ৰমিক, মৌষল, মহাপ্ৰস্থানিক আৰু স্বৰ্গাৰোহণ কাব্যৰ দৃষ্টিৰ ফালৰ পৰা প্ৰয়োজন নাই বুলি কব পাৰি। এই কেইটা পৰ্বক পৰিশিষ্ট বুলিয়ে কব পাৰি। কিন্তু মহাভাৰত যি হেতুকে কেৱল কাব্যই নহয়, ই এখন নীতিশাস্ত্ৰ আৰু ধৰ্মশাস্ত্ৰও, সেই কাৰণে পৰৱৰ্তী সাতোটা পৰ্ব ইয়াত সংযোজিত হৈছে।

যদিও পাছৰ সাতটা পৰ্ব কাহিনীৰ পক্ষে অবান্তৰ যেন লাগে, মানৱ জীৱনৰ সামগ্ৰিক দৃষ্টিকোণৰ ফালে চালে ইয়াক অবান্তৰ যেন নালাগে। ভাৰতীয় আদৰ্শ অনুসৰি জীৱনে পৰিপূৰ্ণতা লাভ কৰে চাৰি পদাৰ্থৰ উপলব্ধিৰ মাজেদিহে ধৰ্ম,

অর্থ, কাম আৰু মোক্ষৰ পৰিণতিত। কুৰুক্ষেত্ৰৰ যুদ্ধৰ পাছত কৌৰৱসকলক ধ্বংস কৰি যুধিষ্ঠিৰে ৰাজ্য লাভ কৰি যি আনন্দ আৰু তৃপ্তি লাভ কৰিব বুলি আশা কৰা হৈছিল কাৰ্যতঃ সি নঘটিল। সৌপ্তিক পৰ্ব আৰু শান্তি পৰ্বত যুধিষ্ঠিৰে শোকসন্তপ্ত চিত্তে কৈছে, "আমি যি জয় লাভ কৰিলো, সেয়ে আমাৰ পৰাজয়হে আৰু যিসকলক পৰাজয় কৰা বুলি ভাবিছো প্ৰকৃতপক্ষে তেওঁলোকৰেই জয় হৈছে। যি জয় লাভ কৰি অনুতপ্ত হব লগীয়া হয় সেই জয় প্ৰকৃততে পৰাজয়হে।"[6] "আমি আত্মঘাতী কাৰ্য কৰিছো, কৌৰৱসকলক ধ্বংস কৰি আমি নিজকে ধ্বংস কৰিছো, আমাৰ জয়লাভ হোৱা নাই, তেওঁলোকেও জয় লাভ কৰিব পৰা নাই। হেৰা অৰ্জুন, ৰাজ্যশাসন কৰাতকৈ আমি যাদৱৰাজ্যত গৈ ভিক্ষাবৃত্তি অৱলম্বন কৰি থকাই ভাল।..."আমি লোভ কৰিছিলো, আত্মীয়হনন পাপত লিপ্ত হৈছো। ত্যাগ অৱলম্বন কৰাই আমাৰ বিধেয়। মই ৰাজত্ব পৰিত্যাগ কৰিম। দুখ-তাপ-জন্ম মৃত্যুৰ যন্ত্ৰণাৰ পৰা মই মুক্তি বিচাৰো।"[7] মহাভাৰতৰ মূল কাহিনীটো সেই কাৰণে সুখান্তক বুলি কব নোৱাৰি। কিন্তু পাছৰ কেইটা পৰ্বৰ সংযোজনে ইয়াক সুখান্তক পৰ্যায়লৈ নিয়ত কিছু সহায় কৰিছে।

ওপৰৰ উদ্ধৃতিয়ে সূচনা কৰে ওঠৰ অক্ষৌহিনী সৈন্য ধ্বংসৰ বিনিময়ত যি ৰাজ্য লাভ হ'ল যি যুধিষ্ঠিৰৰ পক্ষে মৰিচীকা সদৃশ প্ৰতীয়মান হয়। মহাভাৰতে সেই কাৰণেই মানসিক শান্তিৰ পথ যে আত্মস্বাৰ্থ চৰিতাৰ্থ কৰা ধ্বংসকাৰী যুদ্ধ নহয়, বৰং আত্মসংযম, ত্যাগ, সৰ্বভূতহিতকামনা, অনাসক্তি আদি সদ্বৃত্তিসমূহ আৰু এই বোৰেই শেষত জীৱনৰ চৰম পুৰুষাৰ্থ মোক্ষৰ ফালে বা স্বৰ্গলাভৰ ফালে আগবঢ়াই নিয়ে। সেই কাৰণেই, প্ৰথম বাৰটা পৰ্বত ঐহিক সুখৰ আত্মপ্ৰতিষ্ঠাৰ উদ্দেশ্যে যি বিৰাট ধ্বংসকাৰ্যত লিপ্ত হৈছিল, পাছৰ আঠোটা পৰ্বত তাৰ বিপৰীতে ত্যাগ, তপস্যা, অহিংসা, আত্মসংযম, দয়া, দাক্ষিণ্য, তিতিক্ষা, আৰ্জৱ আদিক প্ৰাধান্য দি বানপ্ৰস্থৰ পথত জীৱিত চৰিত্ৰসমূহক আগুৱাই নি আত্মশান্তিৰ পথ ৰচনা কৰিছে। বিদুৰ, সঞ্জয়, ধৃতৰাষ্ট্ৰ, গান্ধাৰীয়ে বানপ্ৰস্থ অৱলম্বন কৰি বনত আশ্ৰয় লৈছে, পাণ্ডৱসকলে পৰীক্ষিতক ৰাজ্যসভাৰ গটাই দি হিমালয়ৰ পথত আগবাঢ়িছে। এই কাৰণেই মহাভাৰতক আমি বীৰগাথাৰ মহাকাব্য বুলি যথোচিত আখ্যা দিয়া নহব। যুদ্ধ, বিগ্ৰহ, ক্ষত্ৰতেজ, ৰাজবংশাৱলীৰ কীৰ্ত্তন, আদিৰ বৰ্ণনাই ইয়াৰ সৰহ ঠাই আগুৰি আছে যদিও তাতেই মহাকাব্যখন সন্তুষ্ট নাথাকি বৰ্ণনা আৰু ঘটনাৰ জেৰ টানি নিছে শেষ পৰম শান্তিৰ ফালে য'ত ইন্দ্ৰিয়সুখৰ আকৰ্ষণ নাই, প্ৰশান্তিৰ স্নিগ্ধ ছায়াই ত্ৰিতাপক্লিষ্ট মনৰ ধুমুহা উপশম ঘটাই মহাযাত্ৰাৰ পথত পাণ্ডৱসকলক আগবঢ়াই নিছে। এই যাত্ৰা আত্মাৰ যাত্ৰা, শাশ্বত জয়ৰ যাত্ৰা।

---

6. সৌপ্তিক, সপ্তম অধ্যায়.

7. শান্তি, সপ্তম অধ্যায়.

সাগৰৰ অতল তলীৰ পৰা ডুবৰীয়ে মুক্তা বিচাৰি অনাৰ দৰে মহাভাৰতৰূপী বিৰাট ৰত্নাকৰৰ পৰা সঞ্চিত অজস্ৰ মণিমুক্তা আহৰণ কৰা আপাত দৃষ্টিত সহজ যেন ধাৰণা হ'লেও অধিক মাছত বগলি কণা হোৱাৰ দৰে কোনটো ধৰা যাব আৰু কোনটো এৰা যাব এই লৈ বিবুদ্ধিত পৰিব লগা হয়। মনত ৰাখিব লাগে গ্ৰীক মহাকাব্য 'ইলিয়াড' আৰু 'ওডিছি'—দুয়োখন যোগ কৰিলেও মহাভাৰতৰ আঠভাগৰ একভাগহে হয়। মহাভাৰতৰ মূল কাহিনীৰ চৰিত্ৰসমূহৰ বাহিৰেও এনে সমুদ্ৰবাই দিয়া আখ্যান-উপাখ্যানবোৰত ইমানবোৰ আকৰ্ষণীয় চৰিত্ৰ আছে সেইবোৰৰ লেখলোৱা সম্ভৱ নহয়। সাবিত্ৰী-সত্যবান, নল-দময়ন্তী, দুষ্মন্ত-শকুন্তলা, যযাতি দেৱযানী, পুৰুৰৱা-উৰ্বশী, নহুষ-শচী, কচ-দেৱযানী, উতংক, ৰুৰু-প্ৰমদ্বৰা, জৰৎকাৰু-জৰৎকাৰী অমৃতমন্থন, কদ্ৰু-বিনতা আৰু নাগকুল, আস্তীকৰ কথা, ৰজা উপৰিচৰৰ কথা, বশিষ্ঠ-বিশ্বামিত্ৰৰ বিৰোধ, দেৱ-দানৱ যক্ষ-ৰক্ষৰ বহু কাহিনী ইয়াত সংযোজিত হৈছে।

উপ-অধ্যায়

ৰামায়ণ আৰু মহাভাৰত'ৰ তুলনামূলক আলোচনা

দুইখন মহাকাব্যই একেধাৰে হিন্দুসকলৰ প্ৰধান ধৰ্মগ্ৰন্থ আৰু প্ৰাচীন ভাৰতৰ জাতীয় মহাকাব্য। দুয়োখনতে প্ৰধান চৰিত্ৰ দুজনক বিষ্ণুৰ অৱতাৰ ৰূপে চিত্ৰিত কৰা হৈছে।

২। দুয়োখন মহাকাব্যতে যথেষ্ট পৰিমাণে প্ৰক্ষিপ্ত উপাদান সংযোজিত হৈছে, ফলত মূল বা আদি ৰূপতকৈ পৰৱৰ্তী কালত দুয়োখনৰ আকাৰ যথেষ্ট পৰিমাণে বৃদ্ধি পায়। এই পৰিবৰ্দ্ধিত ৰূপ খৃষ্টীয় তৃতীয় চতুৰ্থ শতিকাৰ ভিতৰতে সম্পূৰ্ণ হয়।

৩। মহাভাৰতৰ মূলকাহিনীৰ প্ৰধান চালক শক্তি হৈছে সম্পত্তি বা ৰাজ্য লৈ ভ্ৰাতৃবিৰোধ, কিন্তু ৰামায়ণ ৰাজ্যৰ উত্তৰাধিকাৰীক লৈ গৃহ-বিবাদ আৰম্ভ হ'লেও পাছলৈ ই আপোনা-আপুনি চাৰিত্ৰিক মহত্ত্ব আৰু ত্যাগৰ ফলত মাৰ গৈ অপহৃতা পত্নী উদ্ধাৰ আৰু অপহৰ্তাৰ যুদ্ধত মৃত্যুত শেষ হৈছে। সেই কালৰ পৰা ৰামায়ণ গাৰ্হস্থ্য জীৱনৰ সংঘৰ্ষতে আৱদ্ধ হৈ থকা নাই, বিস্তাৰিত হৈ আনকো সামৰি লৈছে।

৪। ৰামায়ণত মহাভাৰতৰ কোনো ঘটনা আৰু চৰিত্ৰৰ উল্লেখ নাই, কিন্তু মহাভাৰতৰ বনপৰ্বত বহু কেইটা অধ্যায় জুৰি 'ৰামোপাখ্যান' বৰ্ণিত হৈছে। এই আখ্যান পৰৱৰ্তী প্ৰক্ষিপ্ত বুলি ধৰি ললেও প্ৰায় দুহেজাৰ বছৰৰ আগতেই এই আখ্যান মহাভাৰতত সংযুক্ত হৈছে। ৰামোপাখ্যানৰ (বনপৰ্ব, অধ্যায় ১৭১-১৯০) উপৰিও আন কেবাঠাইতো ৰামায়ণৰ উল্লেখ পোৱা যায়। বাল্মীকিৰো নাম পোৱা যায়।

৫। মহাভাৰতত মূল কুৰু-পাণ্ডৱৰ যুদ্ধ আৰু কৌৰৱৰ সমূলঞ্চে ধ্বংস প্ৰধান কথা যদিও ইয়াৰ লগতে শিথিলবন্ধ ৰূপত সংযোজিত হৈ আছে বহু আখ্যান-উপাখ্যান, দাৰ্শনিক তথ্য, ৰাজনীতি, সমাজ নীতি, ধৰ্মসম্প্ৰদায়ৰ কথা, নীতিকথা, তীৰ্থযাত্ৰা, ব্ৰতকথা, যাগযজ্ঞৰ বিৱৰণ আৰু তাৰ ফলশ্ৰুতি বৰ্ণাশ্ৰমধৰ্ম, সন্যাসধৰ্ম, জপতপ আদি প্ৰাচীন ভাৰতীয় সামগ্ৰিক ৰূপ এটি। কিন্তু তাৰ বিপৰীতে ৰামায়ণৰ কাহিনী কিছু সুসংবদ্ধ। ৰাম সম্পৰ্কীয় ঘটনাৱলীৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত নথকা আখ্যান-উপাখ্যান আৰু অন্যান্য বিষয় অতি কম, মাজৰ পাঁচ কাণ্ডত য'ত মূল কাহিনীটোৱে বিকাশ লাভ কৰিছে তাত অবান্তৰ কথা নাই বুলিলেও হয়।

৬। ৰামায়ণত বৰ্ণিত দক্ষিণ ভাৰত অনাৰ্য অধ্যুষিত অঞ্চল, দুই-চাৰি ঋষিয়ে তাত আশ্ৰম পাতি নিবাস কৰিছিল যদিও সততে অনাৰ্য-অত্যাচাৰৰ বাবে সন্ত্ৰস্ত হৈ থাকিব লগা হৈছিল। ৰামে দণ্ডকাৰণ্যত নিবাস কৰা ঋষি-সত্ৰবোৰত খৰদূষণ ত্ৰিশিৰা আদিক দমন কৰি ৰাক্ষস ভীতিৰ পৰা ঋষিসকলক মুক্ত কৰিব লগীয়া হৈছিল। কিন্তু মহাভাৰতৰ যুদ্ধত গান্ধাৰৰ পৰা আৰম্ভ কৰি প্ৰাগ্‌জ্যোতিষলৈ, হিমাচলৰ পৰা দক্ষিণৰ উপকূললৈকে ৰজাসকলে দুয়োপক্ষক সহায় কৰিছিল। ইয়াৰ পৰা অনুমান কৰিব পৰা যায় সে বিন্ধ্যাচলৰ সিপাৰে আৰ্যসভ্যতাই ভালকৈ প্ৰৱেশ লাভ কৰিছিল। অৱশ্যে সৰহভাগ প্ৰাচ্যবিদ্যাবিদে স্বীকাৰ কৰে যে মহাভাৰতৰ কাহিনীৰ জন্মুঠিটো ৰামায়ণতকৈ প্ৰাচীনতৰ, কিন্তু ভাৰগ্ৰস্ত মহাভাৰত সম্পূৰ্ণ হয় ৰামায়ণতকৈ পাছত।

৭। সকলোতকৈ ডাঙৰ প্ৰভেদ হৈছে যে মহাভাৰতত বীৰকালীন ঐতিহ্য সংৰক্ষিত আৰু প্ৰৱাহিত হৈছে। ইয়াৰ চৰিত্ৰবোৰ বেলেগ ধাতুৰে গঢ়া, কঠিন লোহ ধাতুৰে গঢ়া। কোমল অনুভূতি, সুকুমাৰ প্ৰবৃত্তিবোৰতকৈ বীৰত্বৰ সহচৰী প্ৰবৃত্তিবোৰৰ পৰিস্ফুৰণ এই চৰিত্ৰবোৰত অধিক প্ৰোজ্জ্বল। ভীষ্মৰ অটল প্ৰতিজ্ঞা আৰু ৰণকৌশল, পঞ্চপাণ্ডৱৰ ভীষণ প্ৰতিজ্ঞা, প্ৰতিশোধপৰায়ণতা অথচ ন্যায়নিষ্ঠাত আস্থা, যুধিষ্ঠিৰৰ দুখ-দুৰ্ভোগৰ মাজতো সত্যবাচনত অটল দৃঢ়তা, দুৰ্যোধনৰ অহংকাৰ, বীৰত্ব আৰু নিজৰ ইচ্ছা আৰু কাৰ্যত অটল দৃঢ়তা, শকুনিৰ কুটকৌশল, কৰ্ণৰ বদান্য, কৃতজ্ঞতা গুণ, আৰু বাধ্য হৈ উপকাৰীৰ অসৎকাৰ্যত সহযোগ; ভীমৰ অসাধাৰণ শাৰীৰিক বল, গদাযুদ্ধকুশলতা আৰু নিষ্ঠুৰ প্ৰতিশোধপৰায়ণতা, পেটৰ দায়ত ব্ৰাহ্মণৰ ষট্-কৰ্ম পৰিহাৰ কৰি ক্ষত্ৰিয়বৃত্তি গ্ৰহণ কৰা পচাঁশী বছৰীয়া পকাচুলীয়া দ্ৰোণাচাৰ্যৰ অন্নদাতাৰ অৰ্থে যুদ্ধত ষোল বছৰীয়া ডেকাৰ দৰে বিপক্ষৰ ত্ৰাস জন্মোৱা ৰণকৌশল; অস্ত্ৰশস্ত্ৰত নৈপুণ্য, বহুমুখী প্ৰতিভা, বীৰত্ব, জ্ঞান, চাতুৰ্যৰ অধিকাৰী শ্ৰীকৃষ্ণৰ পাণ্ডৱৰ সাৰথ্যকাৰ্য আৰু অৰ্জুনৰ অসাধাৰণ ধনুৰ্বিদ্যাকৌশল, সংগীতজ্ঞান আৰু প্ৰেমভাৱনাই প্ৰত্যেকটো মহাভাৰতীয় চৰিত্ৰকে স্বকীয়তা দান কৰিছে। শ্ৰীকৃষ্ণ, অৰ্জুন—এনে দুই এটা চৰিত্ৰ বাদ দি মহাভাৰতৰ সৰহভাগ চৰিত্ৰই বীৰত্ব আৰু পৌৰুষৰ প্ৰতি ঢাল খোৱা। আনকি প্ৰধান নাৰী চৰিত্ৰ কেইটাৰো নাৰীসুলভ কমনীয়-নমনীয় গুণতকৈ ক্ষত্ৰিয়বীৰ নাৰীৰ লক্ষণহে অধিক পৰিস্ফুট। গান্ধাৰীয়ে চকু থাকিও স্বেচ্ছাই অন্ধস্বামীৰ সহানুভূতিত চকুত চিৰদিন কাপোৰ বান্ধি অন্ধত্ব বৰণ কৰিছিল। বৰপুত্ৰ দুৰ্যোধনে যুদ্ধৰ আগে আগে মাতৃৰ আশীৰ্বাদ লবলৈ যাওঁতে নিৰ্বিকাৰ চিত্তে গান্ধাৰীয়ে ক'ব পাৰিছিল—য'তে ধৰ্ম ত'তে জয়'। প্ৰকাৰন্তৰে এই আশীস বচন পান্ডৱৰ পক্ষেই যায়। জন্মান্ধ ধৃতৰাষ্ট্ৰ শাৰীৰিক অংগবৈকল্যৰ কাৰণেই হওক বা পুত্ৰ বাৎসল্যৰ কাৰণেই হওক মহাভাৰতৰ আন চৰিত্ৰৰ তুলনাত মানসিকতাত দুৰ্বল। এহাতে পুত্ৰৰ ইচ্ছা আৰু দাবী আৰু আনফালে ন্যায়বিচাৰ—এই দুই উভয়সংকটত পৰি তেওঁ দোদুল্যমান। তেও যদি দৃঢ়চেতা হলহেঁতেন ধ্বংসকাৰী মহাযুদ্ধখনৰ পৰা

বিৰোধী উভয় পক্ষক নিবৃত্ত কৰিব পাৰিলেহেঁতেন। এই ক্ষেত্ৰত তেওঁৰ অৱস্থা কিছু পৰিমাণে ৰামায়ণৰ দশৰথৰ অৱস্থাৰ লগত তুলনা কৰিব পাৰি যদিও দশৰথৰ সপক্ষে কবলৈ আছে যে তেওঁ সত্যপাশত আবদ্ধ আছিল। অৱশ্যে মহাভাৰতকাৰে ৰূপকাৰ্থতহে ধৃতৰাষ্ট্ৰক অন্ধ কৰিছেনে কি সিও বিচাৰ্য। দেখিও নেদেখা দোষৰ কাৰণে অন্ধৰূপে চিত্ৰিত কৰিছেনে সিও বিচাৰ্য। ৰাষ্ট্ৰক দৃঢ়ভাবে ধৰি থকা শক্তিও নাছিল।

৮। আমি আকৌ দুয়োখন মহাকাব্য দুখনৰ নাৰী চৰিত্ৰলৈ উভতি আহোঁ। ৰামায়ণৰ নাৰীচৰিত্ৰ কেইটাত নাৰীসুলভ কমনীয়তা, পাতিব্ৰত্য আছে, কিন্তু শোক-দুখ বিপদত অধীৰা আৰু ম্ৰিয়মানা হোৱাও পৰিলক্ষিত হয়। কৌশল্যা আৰু সীতালৈ এই ক্ষেত্ৰত আঙুলিয়াব পাৰি। কিন্তু সুমিত্ৰা কৌশল্যাৰ ছায়াস্বৰূপা হলেও কৌশল্যাৰ দৰে পুত্ৰশোকত অধীৰ হোৱা নাই। কৈকেয়ী চৰিত্ৰটোত ক্ষত্ৰিয়া ৰমণীৰ জেদ আৰু সাহস দুয়োটাই লক্ষ্য কৰা যায়। দশৰথৰ লগত তেওঁ যুদ্ধলৈকো গৈছিল আৰু আহত পতিক শুশ্ৰূষা কৰি সুস্থ কৰিছিল। মন্থৰাই নানা প্ৰলোভনাত্মক যুক্তিৰে মন বিহৰাই নেপোলোৱা হ'লে তেওঁৰ ৰামৰ অভিষেকত বাধাপ্ৰদান নকৰিলেহেঁতেন বৰং সুখী হ'লহেঁতেন। মন্থৰাই ৰাম-অভিষেকৰ প্ৰথম সংবাদ দিয়াত তেওঁ আনন্দত মন্থৰাক মুক্তাৰ মালা উপহাৰ দি কৈছিল যে ৰামে তেওঁক ভৰতত্তকৈয়ো অধিক মান সংকাৰ কৰে। ৰাম বয়সত ৰাজকুমাৰসকলৰ মাজত জ্যেষ্ঠ হেতুকে অভিষেক উৎসৱ ন্যায়মতেই হৈছে। সুমিত্ৰাই কৌশল্যাক শুশ্ৰূষাৰ লগতে সান্ত্বনাও দিছিল আৰু স্বপুত্ৰ লক্ষ্মণক ভ্ৰাতৃপ্ৰেমৰ কাৰণে প্ৰশংসা কৰি প্ৰসন্নচিত্তে বনলৈ বিদায় দিছিল। ৰামায়ণৰ প্ৰধান নাৰীচৰিত্ৰ সীতা। লক্ষ্মণ আৰু সীতাৰ বনবাস কৈকেয়ীয়ে বিচৰা নাছিল। তেওঁলোক স্বেচ্ছাই ভ্ৰাতৃপ্ৰেম আৰু পতিপ্ৰেমত আপ্লুত হৈ ৰামৰ সহগামী হৈছিল। পতিৰ সান্নিধ্যাই বনৰ ক্লেশকণ্টক আনন্দমনে গ্ৰহণ কৰিবলৈ প্ৰেৰণা দিছিল। তেওঁৰ নাৰীসুলভ দুৰ্বলতা প্ৰকাশ পাইছে অনাহকত লক্ষ্মণৰ চৰিত্ৰত সন্দেহ কৰি তিৰস্কাৰ কৰাত। পতিপ্ৰেমেই তেওঁৰ চাৰিত্ৰিক ধৰ্ম, ইয়াৰ বলতে ৰাৱণৰ শতপ্ৰলোভন, অশোকবনৰ নিৰ্যাতন উপেক্ষা কৰি পতিৰ আগমনলৈ অপেক্ষা কৰিছিল। পতিৰ সন্তোষাৰ্থেহি নিজে পতিব্ৰতা বুলি জানিও অগ্নিপৰীক্ষাত নামি সতীত্বৰ প্ৰমাণ দিছে। কিন্তু প্ৰজাৰ সন্তুষ্টিৰ কাৰণে বনত প্ৰিয়তমা পত্নীক এৰি আহিও ক্ষান্ত নাথাকি যেতিয়া দ্বিতীয়বাৰ পৰীক্ষালৈ ৰামে আহ্বান কৰিলে তেতিয়া আই বসুমতী বুকুত আশ্ৰয় লোৱাৰ বাহিৰে আত্মমৰ্যাদা ৰক্ষা কৰাৰ আন উপায় নাছিল। সীতাৰ চৰিত্ৰত ক্ষত্ৰিয় ৰমণীয় দৃঢ়তা আছে কিন্তু কাঠিন্য নাই।

ৰামায়ণৰ সকলোতকৈ আদৰ্শ চৰিত্ৰ হৈছে ভৰত, যাৰ চৰিত্ৰত ভ্ৰাতৃপ্ৰেম, ত্যাগ আৰু শ্ৰদ্ধাভক্তি মহিমোজ্জ্বলৰূপত প্ৰকাশ পাইছে। চন্দ্ৰতো কলংক থকাৰ দৰে সকলো সদগুণ আৰু পুৰুষোচিত বীৰ্যৰ অধিকাৰী হৈয়ো ৰামৰ আৰু সীতা-

নিৰ্বাসনৰ দোষে ৰামক স্পৰ্শ নকৰাকৈ থকা নাই। লক্ষ্মণৰ ভ্ৰাতৃপ্ৰেম অতুলনীয়, কিন্তু কোনো ক্ষেত্ৰত তেওঁ আবেগৰ দ্বাৰা পৰিচালিত; পিতৃ দশৰথ আৰু ভ্ৰাতৃ ভৰতক সন্দেহ কৰি বিপক্ষে অস্ত্ৰ লবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

৯। ৰামায়ণত ভ্ৰাতৃপ্ৰেম আৰু মহাভাৰতত ভ্ৰাতৃবিৰোধে প্ৰাধান্য লাভ কৰিছে। এই ক্ষেত্ৰত সুগ্ৰীৱ আৰু বিভীষণৰ প্ৰশ্ন আহিব পাৰে, কিন্তু ভ্ৰাতৃবিৰোধৰ পৰিণাম কি হব তাৰো ইঙ্গিত আছে। প্ৰসংগক্ৰমে লক্ষ্মণৰ শক্তিশেলত কৰা ৰামৰ উক্তিও প্ৰণিধানযোগ্য—

দেশে দেশে কলত্ৰাণি দেশে দেশেতু বান্ধৱাঃ
তং তুদেশং ন পশ্যামি যন্ত্ৰ ভ্ৰাতাসহোদৰাঃ ॥

১০। মহাভাৰতৰ মূল আখ্যানত নাৰী চৰিত্ৰ বৰ কম। গান্ধাৰী, দ্ৰৌপদী আৰু কুন্তীয়েই প্ৰধান নাৰী চৰিত্ৰ বুলিব পাৰি। গৌণ চৰিত্ৰ নথকা নহয়, সুভদ্ৰা, সত্যৱতী, উত্তৰা আদিয়ে মহাকাব্যৰ বিশেষ স্থান অধিকাৰ কৰা নাই, প্ৰয়োজনৰ সময়ত ওলাই নোহোৱা হৈছে। অৱশ্যে উপাখ্যানত কেবাগৰাকীও নাৰীয়ে বিশ্বসাহিত্যত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। সেই নাৰী চৰিত্ৰৰ ভিতৰত বিশেষভাবে উল্লেখযোগ্য সাবিত্ৰী, শকুন্তলা আৰু দময়ন্তী। এওঁলোক মূল মহাভাৰতীয় আখ্যানৰ চৰিত্ৰ নহয়, মহাকাব্যৰ লগত যুৰি দিয়া উপাখ্যানৰহে নায়িকা। সেই কাৰণে এই কেইটা চৰিত্ৰ অনবদ্য সৃষ্টি হ'লেও মূল মহাভাৰতীয় চৰিত্ৰকেইটাৰ পৰা প্ৰকৃতিও অলপ বেলেগ। আগতে গান্ধাৰী চৰিত্ৰৰ কিছু আভাস দি অহা হৈছে। গান্ধাৰী দুৰ্যোধনৰ মাতৃ হৈয়ো পুতেকৰ কোনো দুষ্কাৰ্য অভিসন্ধি আৰু কূটনীতিক সমৰ্থন কৰা নাই, বৰং সজ উপদেশ দি বিফল হৈ পুতেকহঁতৰ কাৰ্য নিন্দা কৰিছে। পাশাখেলৰ সময়ত তেওঁ বাৰে বাৰে দুৰ্যোধনক পৰিত্যাগ কৰিবলৈ ধৃতৰাষ্ট্ৰক উপদেশ দিছে আৰু তাকে নকৰিলে বিষময় ফলৰ কথা কৈছে। গান্ধাৰী শতপুত্ৰৰ মাতৃ। পুতেকৰ প্ৰতি মাতৃস্নেহৰ দুগ্ধ কেতিয়াও শুকাই নাযায়। স্ত্ৰীপৰ্বত সেই কাৰণেই পুত্ৰহাৰা মাতৃৰ হৃদয় বিননি শুনিবলৈ পাওঁ। যুধিষ্ঠিৰে মৃত কৌৰৱসকলৰ শেষকৃত্য কৰিবলৈ লোৱাত সন্তোষ প্ৰকাশ কৰিছে যদিও কৃষ্ণক তেওঁ ক্ষমা কৰিব পৰা নাই আৰু কুৰুকুল ধ্বংসৰ কাৰণে তেওঁকে দায়ী কৰি অভিশাপ দিছে। পুত্ৰহাৰা আৰু ৰাজ্যহাৰা ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীয়ে পুত্ৰনিধনকাৰী পাণ্ডৱৰ ঘৰত শেষ আশ্ৰয় লব লগা হোৱা অৱস্থা অত্যন্ত কৰুণ। অৱশ্যে শেষৰ আশ্ৰমিক পৰ্বত ধৃতৰাষ্ট্ৰ, গান্ধাৰী, কুন্তী, বিদুৰে বানপ্ৰস্থ অৱলম্বন কৰি আশ্ৰমত আশ্ৰয় লৈ কিছু শান্তি লাভ কৰা দেখুৱাইছে, কিন্তু বনাগ্নিয়ে বিদুৰৰ বাহিৰে বাকী কেইজনক গ্ৰাস কৰিছে।

কুন্তীৰ চৰিত্ৰতো ক্ষত্ৰিয় ৰমণীৰ বৈশিষ্ট্য প্ৰকাশ নোপোৱাকৈ থকা নাই।

মহাভাৰতৰ সকলো স্ত্ৰীচৰিত্ৰৰ ভিতৰত তেজস্বিনী মহিলা হৈছে দ্ৰৌপদী। দ্ৰুপদ ৰজাই যজ্ঞ কৰি পুত্ৰ ধৃষ্টদ্যুম্ন আৰু দ্ৰৌপদীক লাভ কৰে। সেই কাৰণে

অন্য নাম যাজ্ঞসেনী, অপৰ নাম কৃষ্ণা। তেওঁৰ গাৰ ৰং শাওঁ বৰণীয়া হেতুকে কৃষ্ণা নাম হয়। স্বয়ংবৰ সভাতে দ্ৰৌপদীয়ে তেজস্বীতাৰ পৰিচয় দিয়ে। কৰ্ণই যেতিয়া মৎস্যচক্ৰ ভেদ কৰিবলৈ ধনু দাণ্ডি লয় তেতিয়া দ্ৰৌপদীয়ে সূতপুত্ৰক স্বামী বৰণ নকৰো বুলি কৰ্ণক পুনৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ বাধ্য কৰে।

দৃষ্টা তু তং দ্ৰৌপদী বাক্য মুচ্চৈৰ্জগাদ 'নাহং বৰয়ামি সূতম'

সামৰ্ষহাসং প্ৰসমীক্ষ্য সূৰ্যং তত্যাজ কৰ্ণঃস্ফুৰিতং ধনুস্তত্

(কৰ্ণক লক্ষ্য ভেদ কৰিবলৈ উঠা দেখি দ্ৰৌপদীয়ে চিঞৰি কলে—"মই সূতপুত্ৰক বৰণ নকৰোঁ"। তেতিয়া বেজাৰত ঈষৎ হাস্য কৰি কৰ্ণ এবাৰ সূৰ্যলৈ চাই গুণ লগোৱা ধনুখন এৰি আহে।)

দ্যূতক্ৰীড়াত (পাশাখেলাত) আমি দ্ৰৌপদীৰ অসহায় অথচ সমস্ত বিবেকশালী সভাসদক স্তম্ভিত কৰি এনে প্ৰশ্ন কৰে যাৰ উত্তৰ ভীষ্মৰ দৰে বৰ্ষীয়ান, আৰু বহুদৰ্শী পুৰুষকো মৌনতা অৱলম্বন কৰিবলৈ বাধ্য কৰে আৰু শেষত 'ধৰ্মৰ গতি সূক্ষ্ম আৰু বুজা বৰ টান' বুলি গা সৰা উত্তৰ দিয়ে। ৰজস্বলা, একবস্ত্ৰপৰিহিতা দ্ৰৌপদীক কুৰু ৰাজসভালৈ প্ৰতিকামীয়ে পাণ্ডৱসকলে পাশাখেলাত দ্ৰৌপদী সমন্বিতে সমস্ত ৰাজ্য ধন, ৰত্ন আৰু নিজকো পণত হেৰুৱাই কৌৰৱৰ দাসত্ব বান্ধ খাইছে বুলি কৈ দ্ৰৌপদীক নিব খোজাত তেওঁ বাৰে বাৰে যাবলৈ অস্বীকাৰ কৰে। তেওঁ বাৰে বাৰে দূতেক সুধি আহিবলৈ কয় যে যুধিষ্ঠিৰে আগতে নিজক পণত ৰাখিছিলেনে দ্ৰৌপদীক আগতে পণত ৰাখিছিল? যদি আগতে নিজকহে পণত ৰাখিছিল তেন্তে দ্ৰৌপদীক পণত ৰখাৰ ক্ষমতা ধৰ্মতঃ তেওঁৰ নাছিল। নিজকে আত্মবিক্ৰয় কৰা এজনে আন এজনক বিক্ৰয় কৰাৰ অধিকাৰ ন্যায়তঃ তেওঁৰ নাথাকে প্ৰতিহাৰী বাৰে বাৰে গৈয়ো উভতি আহিব লগা হোৱাত দুৰ্যোধনে ক্ৰুৰমতি দুঃশাসনক পঠায়। তেওঁ কিন্তু দ্ৰৌপদীক প্ৰশ্ন কৰিবলৈ সুবিধা নিদি চুলিত ধৰি কুৰু ৰাজসভালৈ টানি আনে। দুৰ্যোধন, কৰ্ণ শকুনি আদিৰ নিৰ্লজ্জ মন্তব্য আৰু অশ্লীল ব্যৱহাৰ উপেক্ষা কৰি যুধিষ্ঠিৰ, ধৃতৰাষ্ট্ৰ, ভীষ্ম, বিদুৰ, দ্ৰোণাচাৰ্য – এই সকলোকে ধৰ্মতঃ তেওঁ দ্যূতক্ৰীড়াত কৌৰৱৰ দাসী হৈছে নে তাৰ উচিত সমিধান বিকৰ্ণ আৰু বিদুৰৰ বাহিৰে আনৰ পৰা নাপালে। কেৱল আওপকীয়া ভাবে দুৰ্যোধনাদিৰ অধৰ্মকৰ্মৰ নিন্দাবাদ শুনিলে। যাহওক দুঃশাসনে ৰাজসভাত তেওঁক নগ্ন কৰিবলৈ ব্যৰ্থ প্ৰয়াস কৰি ভাগৰি পৰাত ধৃতৰাষ্ট্ৰই বিদুৰৰ উপদেশত তেওঁক দুটা বৰ দি পাণ্ডৱক দাসত্বৰ পৰা মুকলি কৰি দি ৰাজ্য সম্পত্তিও ঘূৰাই দিয়ে। অৱশ্যে উভতি গৈ ইন্দ্ৰপ্ৰস্থ নো পাওঁতেই ধৃতৰাষ্ট্ৰই পুত্ৰেকহঁতৰ প্ৰৰোচনাত যুধিষ্ঠিৰক ওভতাই আনি যুধিষ্ঠিৰক পাশাখেলত প্ৰবৃত্ত কৰাই ১২ বছৰ বনলৈ খেদে আৰু এবছৰ অজ্ঞাত বাসৰ নিৰ্দেশ দিয়ে।

উদ্যোগ পৰ্বত দ্ৰৌপদীক উগ্ৰা ৰূপত আকৌ দেখিবলৈ পাওঁ। পাণ্ডৱে বনত ১২ বছৰ কাল কটাই আৰু অতিৰিক্ত অজ্ঞাত বাস খাটি উপপ্লব্যৰ (অৰ্থাৎ-

camps) পৰা আকৌ এবাৰ সন্ধিৰ প্ৰস্তাৱ দি শ্ৰীকৃষ্ণক দূত হিচাপে পঠাৱলৈ যেতিয়া স্থিৰ কৰে তেতিয়া দ্ৰৌপদীয়ে যি ৰণচণ্ডীৰ মূৰ্ত্তি ধৰি প্ৰকাশ্য ৰাজসভাত পাণ্ডৱসকলক ভীৰু কাপুৰুষ বুলি তিৰস্কাৰ কৰি কৃষ্ণক যিখিনি কথা কয় সেইখিনি উল্লেখযোগ্য। দ্ৰৌপদীয়ে কৃষ্ণক কৌৰৱসকলে কৰা লাঞ্ছনা, অত্যাচাৰ আৰু কুকাৰ্যসমূহ স্মৰণ কৰাই, দোষীৰ যাতে উচিত দণ্ডবিধান হয় পাণ্ডৱৰ দূতৰূপে তেনে প্ৰতিবিধান কৰিবলৈ কৈ পাণ্ডৱৰ সন্ধিস্থাপনৰ প্ৰস্তাৱক ধিক্কাৰ দিয়ে। মহাভাৰতৰ উদ্যোগ পৰ্বৰ ৭৬ তম অধ্যায়ত বৰ্ণিত হোৱা দ্ৰৌপদীৰ ৰণচণ্ডী মূৰ্ত্তিটো তলত উদ্ধৃত কৰি দিয়া হৈছে।

"ইত্যুক্তা মৃদুসংহাৰং বৃজিনাগ্ৰং সুদৰ্শনম্।
সুনীলমসিতাপাঙ্গী সৰ্বগন্ধাধিবাসিতম্॥
সৰ্বলক্ষণসম্পন্নং মহাভুজগৰ্বচসম্।
কেশপক্ষং বৰোৰোহা গৃহ্য বামেন পাণিনা॥
পদ্মাক্ষী পুণ্ডৰীকাক্ষমুপেত্য গজগামিনী।
অশ্ৰুপৰ্ণেক্ষণা কৃষ্ণা কৃষ্ণং বচনমব্ৰবীৎ॥
অয়ন্তু পুণ্ডৰীকাক্ষ, দুঃশাসনকৰোদ্ধৃতঃ।
স্মৰ্ত্তব্যঃ সৰ্বকাৰ্যেষু পৰেষাং সন্ধিমিচ্ছাতা॥
যদি ভীমাৰ্জুনৌ কৃষ্ণ, কৃপণৌ সন্ধিকামুকৌ।
পিতা মে যোৎস্যতে বৃদ্ধঃ সহপুত্ৰৈৰ্মহাৰথৈঃ॥
পঞ্চ চৈব মহাবীৰ্যাঃ পুত্ৰা মে মধুসূদন।
অভিমন্যুং পুৰস্কৃত্য যোৎস্যন্তে কুৰুভিঃসহ॥
দুঃশাসনভুজং শ্যামং সংছিন্নং পাংশুগুণ্ঠিতম্।
যদ্যহন্তু ন পশ্যামি কা শান্তি হৃদয়স্য মে॥
ত্ৰয়োদশ হি বৰ্ষানি প্ৰতীক্ষন্ত্যা গতানি মে।
নিধায় হৃদয়ে মন্যুং প্ৰদীপ্তমিৱ পাৱকম্॥
বিদীৰ্যতে মে হৃদয়ং ভীমবাক্শল্যপীড়িতম্।
যোহয়মদ্য মহাবাহুৰ্ধৰ্মং সমনুপশ্যতি॥
ইত্যুক্তা বাস্পৰুদ্ধেন কণ্ঠেনায়তলোচনা।
ৰুৰোদ কৃষ্ণা সোৎকম্পং সস্বৰং বাস্পগদ্গদম॥

(উদ্যোগ, ৭৬/৩৩-৪২)

এই কথা কৈ নীলনয়নপ্ৰান্তা, বৰাৰোহা, পদ্মাক্ষী আৰু গজগামিনী দ্ৰৌপদীয়ে সাশ্ৰুনেত্ৰে পুণ্ডৰীকাক্ষ শ্ৰীকৃষ্ণৰ কাষচাপি বাওঁহাতেৰে কোমল, কুটিল, মনোহৰ, ঘোৰকৃষ্ণবৰ্ণ, সৌৰভযুক্ত, সৰ্বসুলক্ষণ, মহাসৰ্পৰ দৰে কান্তিময় কেশকলাপ ধাৰণ কৰি কবলৈ ধৰে..." হে কৃষ্ণ, আপুনি কৌৰৱ সভালৈ গৈ সকলো সময়তে দুঃশাসনৰ দ্বাৰা আকৃষ্ট মোৰ এই চুলিটাৰ স্মৰণ কৰিব। ভীমাৰ্জুনে যুদ্ধলৈ ভয় কৰি যদি

সন্ধি প্ৰস্তাৱত সুৰ মিলায়, তেন্তে মোৰ বৃদ্ধ পিতা দ্ৰুপদ আৰু তেওঁৰ মহাৰথী পুত্ৰই যুদ্ধত নামিব। মোৰ পঞ্চপুত্ৰই মহাবীৰ অভিমন্যুক আগত লৈ যুদ্ধত অৱতীৰ্ণ হব। দুঃশাসনৰ শ্যাম হাতদুখন ছিন্ন হৈ-ধূলিত লুণ্ঠিত হোৱা নেদেখা পৰ্য্যন্ত মই মনত ক'ত সুখ পাম? মই প্ৰজ্জ্বলিত অগ্নিৰ দৰে অন্তৰ্দাহ আৰু ক্ৰোধ তেৰবছৰ হৃদয়ত পুহি ৰাখি প্ৰতীক্ষা কৰি আছোঁ। এতিয়া ধৰ্ম্মৰ প্ৰতি দৃষ্টিপাত কৰি সন্ধিকাৰী ভীমৰ বাকাই মোৰ হৃদয়ত শেল হনাদি (বিদীৰ্ণ) হানিছে। এইদৰে কৈ বাস্পৰুদ্ধ কণ্ঠে আয়তলোচনা দ্ৰৌপদীয়ে সস্বৰে কান্দিবলৈ ধৰে।"

এই দ্ৰৌপদীয়ে দুঃশাসনৰ তেজ চুলিত সানিব নোৱাৰালৈকে চুলি বন্ধা নাছিল। এনে তেজস্বিনী নাৰী ৰামায়ণত নাই। পাশ্চাত্য প্ৰাচীন মহাকাব্য ইলিয়াডৰ ৰাণী হেকুবা, হেলেন অথবা হেক্টৰ পত্নী এন্দ্ৰুমেকীত এই তেজস্বীতা দেখা নাযায়। ওডিছী কাব্যৰ নায়িকা পেনিল'পৰ গাম্ভীৰ্য মহত্ত্ব আৰু চাতুৰ্যও আছে, কিন্তু দ্ৰৌপদীৰ তেজস্বীতা নাই। ইনীড কাব্যৰ ৰাণী ডিড'ৰ লগত কিছু পৰিমাণে দ্ৰৌপদী অথবা বিদুলাক ৰিজাব পাৰি, কিন্তু সাদৃশ্য তৰাং। কিন্তু মধ্যযুগীয় নৰ্ডিক মহাকাব্য নেবুলেংগলিয়েটৰ নায়িকা দুৰ্গৰাকী কিন্তু বেলেগ প্ৰকৃতিৰ। তেওঁলোককো দ্ৰৌপদীৰ লগত বা ইলিয়াডৰ নাৰীচৰিত্ৰৰ লগত ৰিজাবৰ থল নাই।

শ্ৰীকৃষ্ণ শান্তিৰ দূতৰূপে কৌৰৱ সভাৰ পাণ্ডৱৰ উপপ্লব্যলৈ যাওঁতে মহাত্মা বিদুৰৰ ঘৰত পেহীয়েক কুন্তীক দেখা কৰি যায়। পাণ্ডৱ আৰু দ্ৰৌপদী বনলৈ যাওঁতে বিদুৰৰ ঘৰত থৈ গৈছিল। তেতিয়াৰ পৰা কুন্তী বিদুৰৰ ঘৰতে আছিল। কৃষ্ণক লগ পাই কুন্তীয় পাণ্ডৱসকলক নিজ প্ৰাপ্য ৰাজ্যাধিকাৰ বীৰোচিত কাৰ্যেৰে আদায় কৰি লবলৈ উপদেশ দি পঠাইছিল। লগতে কৈছিল "ক্ষত্ৰিয়া ৰমণীয়ে যি উদ্দেশ্য লৈ পুত্ৰ প্ৰসৱ কৰে সেই উদ্দেশ্য সফল কৰাৰ সময় আহিছে। যদি মোৰ পুত্ৰই অনুনয়-বিনয়পূৰ্বক ৰাজ্য লাভ কৰে তেনেহ'লে মই সিহঁতক চিৰকালৰ কাৰণে ত্যাগ কৰিম।" কৃষ্ণ কৌৰৱ সভাৰ পৰা ব্যৰ্থকাম হৈ উভতি আহোঁতেও কুন্তীক দেখা কৰি শান্তিৰ নিষ্ফল চেষ্টাৰ কয়। কুন্তীয়ে সেই প্ৰসংগত ক্ষত্ৰিয় স্বভাৱা বিদুষী বিদুলাৰ আখ্যান বৰ্ণনা কৰি পাণ্ডৱক ক্ষত্ৰধৰ্মানুসাৰে কাৰ্য কৰি হৃত ৰাজ্য উদ্ধাৰ কৰিবলৈ উৎসাহবাণী প্ৰেৰণ কৰে। বিদুলাৰ আখ্যান উদ্যোগ পৰ্ব্বৰ ১২৪, ১২৫ তম অধ্যায়ত বৰ্ণিত হৈছে। বিদুলাৰ চৰিত্ৰ প্ৰকাশ কৰিবলৈ তেওঁৰ উক্তিৰ উদ্ধৃতি প্ৰয়োজন। পুতেক সঞ্জয় সিন্ধুৰাজৰ দ্বাৰা যুদ্ধত পৰাজিত হৈ ভগ্নহৃদয় অৱস্থাত শুই থকা মাকে দেখা পাই বিদুলাই যেনে ধৰণে পুতেকক তিৰস্কাৰ কৰি যুদ্ধলৈ প্ৰোৎসাহিত কৰিছিল তাৰ কিছু নিদৰ্শন তলত দাঙি ধৰা হ'ল। শ্লোকৰ একাদিক্ৰমে অনুবাদ নিদি বাচি বাচি কেইটামানৰহে ভাৱাৰ্থ দিয়া হৈছে।

১। তুমি মোৰ গৰ্ভত জন্মিছা, অথচ মোৰ আনন্দ বিধান কৰা নাই, বৰং শত্ৰুপক্ষৰ আনন্দবৰ্দ্ধক হৈছা। পিতৃয়েও তোমাক উৎপাদন কৰা নাই।

২। তোমাৰ ক্ৰোধ নাই, ক্লীৱত্বক আশ্ৰয় কৰিছা, তুমি পুৰুষৰ গণিতাত নপৰা।

৩। কাপুৰুষ, উঠা, শত্ৰুক আনন্দিত কৰি, বন্ধুগণৰ শোকবৰ্দ্ধন কৰি শুই নাথাকি জাগি উঠা।

৪। তুমি তিন্দুক কাঠৰ দৰে দপদপকৈ খন্তেক জ্বলি নুমাই যোৱাও ভাল, কিন্তু শিখাশূন্য তুঁহ জুইৰ দৰে কেৱল ধোঁৱাই থকাৰ কোনো প্ৰয়োজন নাই।

৫। ফল পাওক বা নাপাওক বিচক্ষণ পণ্ডিত লোকে অনৱৰত শক্তিৰ কাৰ্য কৰি থাকে, ফলৰ আকাংক্ষা নকৰে।

৬। হে নপুংসক, তোমাৰ সকলো কীৰ্ত্তি নষ্ট পালে আৰু ৰাজ্যচ্যুত হ'লা। তেনেহলে, তুমি কি কৰিবলৈ জীয়াই আছা ?

৭। তুমি স্ত্ৰীও নোহোৱা, পুৰুষো নোহোৱা, কেৱল মানুহৰ সংখ্যা বৃদ্ধি কৰিছা।

৮। এই জগতত যিসকলে নাৰীৰ দৰে দুৰ্বলভাৱে, জীৱন ধাৰণ কৰে, পণ্ডিতে তেওঁলোকৰ পুৰুষ নামটো ব্যৰ্থ বুলি কয়।

৯। যি ক্ষত্ৰিয়ই শক্তি অনুসাৰে বিক্ৰম প্ৰদৰ্শন কৰি নিজৰ তেজ দেখুৱাব নোৱাৰে তাক চোৰ বুলি ভাবিবা।

১০। হে সঞ্জয়, তুমি অকূল দুঃখসাগৰত কূল হোৱা, ভেলাহীন বিপদসাগৰত নাও হোৱা, অস্থানত স্থান উলিয়াই দিয়া আৰু মৃতপ্ৰায় ৰাজ্যক তথা আমাক সঞ্জীৱিত কৰা।

বিদুলাৰ তিৰস্কাৰ আৰু উৎসাহসূচক বাণীত সঞ্জয় নতুন উদ্যমেৰে সৈন্য আৰু যুদ্ধৰ প্ৰয়োজনীয় বস্তু সংগ্ৰহ কৰি সিন্ধুৰাজক পৰাজয় কৰি নিজ ৰাজ্য উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কুন্তীয়েও বিদুলাৰ আখ্যানটো কৃষ্ণক বৰ্ণনা কৰি স্বাধিকাৰ প্ৰতিপন্ন কৰিবলৈ টানি নিৰ্দেশ দি পঠাইছে। কুন্তীৰ আত্মবিশ্বাস, সাহস আৰু ক্ষাত্ৰধৰ্ম ইয়াতে প্ৰকাশ পাইছে। কুন্তীৰ আৰু এটা বৈশিষ্ট্য লক্ষ্য কৰা যায় নকুল আৰু সহদেৱৰ প্ৰতি স্নেহাতিশয়পূৰ্ণ দৃষ্টিভঙ্গীত। নিজৰ গৰ্ভজ সন্তান যুধিষ্ঠিৰ ভীম আৰু অৰ্জুনৰ প্ৰতি যি স্নেহ, সৰুতেই মাতৃহাৰা হোৱা, সপত্নী মাদ্ৰীৰ সন্তান, নকুল আৰু সহদেৱক অধিক স্নেহ প্ৰকাশ কৰা দেখা যায়। বিদুলা, কুন্তী, গান্ধাৰী কেৱল যে তেজস্বিনী ৰমণী আছিল সেয়ে তেওঁলোকৰ একমাত্ৰ পৰিচয় নহয়, তেওঁলোকে সমানেই ৰাজধৰ্ম সম্পৰ্কে সাৱহিত আছিল। বিদুলাৰ উপদেশত ৰাজ্যভ্ৰষ্ট পৰাজিত ৰজাৰ কৰ্ত্তব্য, নীতি, প্ৰজা সংগঠন, শত্ৰুৰ প্ৰতি লব লগীয়া উপায়োদ্ভাৱন আদি বহুতো কথা শতাধিক শ্লোকত বৰ্ণনা কৰিছে। কিন্তু ৰামায়ণৰ, নাৰীচৰিত্ৰত এইবোৰ গুণৰ অভাৱ দেখা যায়।

১১। বিধৱা নাৰীয়ে দেৱৰক বিয়া কৰোৱা প্ৰথা সম্ভৱতঃ ৰামায়ণৰ দিনত আৰ্যেতৰ সমাজত প্ৰচলিত আছিল, আৰ্যসমাজত এসময়ত প্ৰচলিত আছিল যদিও

ক্ৰমে নোহোৱা হৈ আছে। দৰাচলতে সংস্কৃত 'দেৱৰ' শব্দটোৱে দ্বিতীয় বৰ বা স্বামী বুজায়। এই শব্দই সূচনা কৰে যে বৈদিক যুগত বা প্ৰাক্ বৈদিক যুগত বিৱাহিত স্বামীৰ মৃত্যু হলে স্বামীৰ ভায়েকক স্বামীৰূপে গ্ৰহণ কৰা প্ৰথা প্ৰচলিত আছিল। এতিয়াও কোনো কোনো জনজাতীয় সমাজত স্বামীৰ মৃত্যুত ভায়েকক বিয়া কৰোৱা ৰীতি প্ৰচলিত আছে। ৰামায়ণত বালীৰ মৃত্যুৰ পাছত পত্নী তাৰাই সুগ্ৰীৱক আৰু ৰাৱণৰ প্ৰধান পত্নী মন্দোদৰীয়ে বিভীষণক বিয়া কৰায়। মহাভাৰতত এনে উদাহৰণ অন্ততঃ মূল কাহিনীত নাই, উপাখ্যানতো চকুত পৰা নাই। আগতে উল্লেখ কৰি অহা হৈছে যে মহাভাৰতৰ শাহটো ৰামায়ণতকৈ প্ৰাচীন যদিও শতসহস্ৰ-শ্লোকী মহাভাৰত সম্পূৰ্ণ হয় ৰামায়ণতকৈ পাছত। সেই কাৰণে দেওৰেকে বিধৱা বৌৱেকক বিয়া কৰোৱা বা পত্নীৰূপে ৰখা প্ৰথাটো সম্ভৱতঃ অপ্ৰচলিত হবলৈ আৰম্ভ কৰে। কিন্তু বহুপতিৰ উদাহৰণ দ্ৰৌপদীৰ পঞ্চ স্বামীও এক বিৰল উদাহৰণ, ই হয়তো হিমালয়বাসী কোনো পৰ্বতীয়া প্ৰথাৰ প্ৰভাৱ।

১২। এই খিনিতে ৰামায়ণৰ লগত গ্ৰীক মহাকাব্য হোমাৰৰ ইলিয়াডৰ উপৰুৱা সাদৃশ্যলৈ দৃষ্টি ৰাখি দুই-এজন পাশ্চাত্য প্ৰাচ্যবিদে আৰু ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ দৰে প্ৰসিদ্ধ ভাৰতীয় পণ্ডিতে ৰামায়ণৰ সৃষ্টিত ইলিয়াডৰ প্ৰভাৱ পৰিছে বুলি অভিমত প্ৰকাশ কৰিছে। খৃঃ পূঃ ৩২৬ অব্দত আলেক্সাণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ পাছত গ্ৰীকসভ্যতাৰ লগত ভাৰতৰ পৰিচয় ঘটে আৰু গ্ৰীচীয় কলা-সংস্কৃতিৰ প্ৰভাৱৰো অনুপ্ৰৱেশ ঘটে। গান্ধাৰ কলা, জ্যোতিষ আদিত এই প্ৰভাৱ সুস্পষ্ট। কিন্তু ভাৰতৰ নিকটস্থ গ্ৰীক উপনিৱেশৰ পৰা ইলিয়াডৰ কাহিনীৰ পৰিচয় লাভ কৰি বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰা কথাটো মানিবলৈ টান হয়। গ্ৰীক মহাকাব্যখনত মেনেলাউছৰ সুন্দৰী পত্নী হেলেন স্বেচ্ছাই ট্ৰয় নগৰৰ ৰাজকোঁৱৰ পেৰিছৰ লগত পলাই যায়, কিন্তু সীতাক ৰাৱণে জোৰ কৰি অপহৰণ কৰি নিয়ে। ৰামসীতালক্ষ্মণৰ বনবাসৰ কোনো সাদৃশ্য গ্ৰীক কাব্যখনত নাই। গ্ৰীকনেতা আগামেমনৰ আৰু ভায়েক মেনেলাউছৰ চৰিত্ৰৰ লগত ৰামলক্ষ্মণৰ কোনো সাদৃশ্য নাই। ৰামৰ বালীবধ, সুগ্ৰীৱৰ লগত মিত্ৰতা আৰু বানৰ সৈন্য সংগ্ৰহৰ দ্বাৰা লংকা অৱৰোধৰ লগত গ্ৰীক confederacyৰ অন্তৰ্ভুক্ত গ্ৰীক ৰজাসকলৰ সসৈন্যে জাহাজত উঠি হেলেনক উদ্ধাৰ কল্পে ট্ৰয় নগৰ অৱৰোধ কৰাৰ সাদৃশ্য উপৰুৱা। হেলেন স্বিচাৰিণী, সীতা পতিব্ৰতা। হেলেনক উদ্ধাৰ কৰিবলৈ ট্ৰয় নগৰ অৱৰোধ কৰাৰ দৰে বানৰ সৈন্যসহ সাগৰ পাৰ হৈ সীতা উদ্ধাৰাৰ্থে লংকা নগৰ অৱৰোধ কৰাৰ সাদৃশ্য নথকা নহয়, কিন্তু বিভীষণৰ সমতুল্য চৰিত্ৰ (নিজ দেশৰ বিৰুদ্ধে যোৱা) ইলিয়াডত নাই। ইলিয়াডৰ প্ৰধান গ্ৰীক নায়কসকলৰ যৌন দুৰ্বলতাও ৰাৱণৰ বাহিৰে আন চৰিত্ৰবোৰত নাই। ৰাৱণেও শেষলৈকে সীতাৰ অনুমতিলৈ অপেক্ষা কৰি আছিল। ইচ্ছা কৰা হ'লে তেওঁ বলপূৰ্বক সীতাক পত্নীৰূপে গ্ৰহণ কৰিব পাৰিলেহেঁতেন। কিন্তু ৰাৱণে সেইটো কৰা নাই। তাৰ বিপৰীতে ইলিয়াড

আৰু গ্ৰীক আখ্যানত ধুনীয়া পৰিচাৰিকাক কোনে অংকশায়িনী কৰিব পাৰে সেই লৈ একিলিছ আৰু আগামেমনৰ ভিতৰত দুৰ্বাদল কাজিয়া, যাৰ ফলত একিলিছে যুদ্ধৰ পৰা আঁতৰি থাকে আৰু আগামেমনৰ বিবাহিতা পত্নী ক্লাইটেমেনেষ্ট্ৰাই উপপতিৰ সহায়ত পতিক ট্ৰয়ৰ পৰা উভতি অহাৰ লগে লগে হত্যা কৰে।

ৰামায়ণৰ মেঘনাদ বা ইন্দ্ৰজিতৰ লগত ট্ৰয়ৰ বীৰ ৰাজপুত্ৰ হেক্টৰৰ কিছু সাদৃশ্য নথকা নহয়। হেক্টৰ শেষ যুদ্ধলৈ ওলাই যাওঁতে সাধ্বী পত্নী এন্দ্ৰমেকী আৰু অকণমান পুত্ৰৰ লগত হোৱা শেষ দেখা বৰ করুণ। এনে দৃশ্য ৰামায়ণৰ অযোধ্যা কাণ্ডত দশৰথ-কৌশল্যাৰ ৰাম সীতাক বিদায় দিয়াৰ দৃশ্যৰ লগত কিছু বিজাব পাৰি, কিন্তু ৰামসীতাৰ বনৰ পৰা উভতি অহাৰ সম্ভাৱনা তাত আছে। ইলিয়াডৰ উপৰ্যুক্ত বৰ্ণনাটোত পত্নীপুত্ৰৰ লগত চিৰবিচ্ছেদৰ সম্ভাবনা শোক অতি সংযতভাৱে হোমাৰে বৰ্ণনা কৰিছে, আনহাতে ৰামায়ণত কৌশল্যা আৰু দশৰথ অতি বিহ্বল হৈ পৰিছে। বাল্মীকিৰ ৰচনাত মেঘনাদৰ পত্নীৰ কোনো উল্লেখ নাই, কিন্তু পৰবৰ্ত্তী কালত ৰচিত হোৱা কোনো কোনো ৰামায়ণত আৰু পুৰাণত বৰ্ণিত ৰামোপাখ্যানত মেঘনাদৰ পত্নী সুলোচনাই স্বামীৰ চিতাত সহগমন কৰা দেখুৱাইছে। ই পৰৱৰ্ত্তী সংযোজনা।

১৩। দুয়োখন মহাকাব্যত প্ৰাচ্য আৰু প্ৰাতীচ্য ৰণনীতিৰো মৌলিক প্ৰভেদ মন কৰিব লগীয়া। গ্ৰীক মহাকাব্যত শত্ৰুক যি কোনো প্ৰকাৰে বধ কৰি (পলৰীয়া সৈন্যক বধ কৰা, পাছফালৰ পৰা অস্ত্ৰহীন বধ কৰা, শৰণাগত শত্ৰুক বধ কৰা) জয়লাভ কৰাই একমাত্ৰ ৰণনীতি। ভাৰতীয় মহাকাব্য দুখনত কিন্তু ৰণনীতি বন্ধা আছিল, তাক উলংঘা কৰা দূষণীয় বুলি গণ্য কৰা হৈছিল। অৱশ্যে কেতিয়াবা তাৰ ব্যতিক্ৰম নঘটাকৈ আছে বুলি কব নোৱাৰি।

মহাভাৰতৰ ভীষ্মপৰ্বত ভীষ্মৰ সেনাপতিত্বত উভয় পক্ষই ৰণনীতি এই বুলি ঘোষণা কৰি শপত গ্ৰহণ কৰিছে ঃ

নিবৃত্তে বিহিতে যুদ্ধে স্যাৎ প্ৰীতিৰ্নঃ পৰস্পৰম।
যথা পুৰা যথাযোগং ন তৎ স্যাচ্ছলনং স্ম নঃ॥
বাচা যুদ্ধে প্ৰবৃত্তে নো বাচৈব প্ৰতিযোধনম্।
নিষ্ক্ৰান্তাঃ পৃতনামধ্যান্ন হন্তব্যাঃ কদাচন॥
ৰথী চ ৰথিনা যোধ্যা গজেন গজধূৰ্গতঃ।
অশ্বেনাশ্বী পদাতিশ্চ পাদাতেনৈৱ ভাৰত॥
যথাযোগং যথাকামং যথোৎসাহং যথাবলম্।
সমাভাষ্য প্ৰহৰ্ত্তব্যং ন বিশ্বস্তে ন বিহ্বলে॥
একেন সহ সংযুক্তঃ প্ৰপন্নো বিমুখস্তথা।
ক্ষীণশস্ত্ৰো বিবৰ্মা চ ন হন্তব্যঃ কদাচন॥

(৬।১।২৭-৩১)

(২৭) যুদ্ধৰ নিবৃত্তি হলে আমাৰ মাজত পূৰ্বৰ সদ্ভাৱ উভতি আহিব, কিন্তু কোনো প্ৰকাৰ ছলনা নহ'ব।

(২৮) বাক্যুদ্ধত প্ৰবৃত্ত হলে বাকযুদ্ধেৰে প্ৰতিকাৰ কৰিব লাগে আৰু যিবোৰে সৈন্যদল এৰি আঁতৰি যায় তেওঁ লোকক বধ কৰা উচিত নহয়।

(২৯) ৰথীয়ে ৰথীৰ লগত, গজাৰোহীয়ে গজাৰোহীৰ লগত, অশ্বাৰোহীয়ে অশ্বাৰোহীৰ লগত আৰু পদাতিকে পদাতিকৰ লগতহে যুদ্ধ কৰিব।

(৩০) যোগ্যতা, ইচ্ছা, উৎসাহ আৰু শক্তি বিচাৰ কৰিহে যুদ্ধত প্ৰবৃত্ত হ'ব, কিন্তু বিশ্বস্ত আৰু বিহ্বল লোকক আঘাত নকৰিব।

(৩১) আনৰ লগত যুদ্ধৰত, শৰণাগত, পলায়নকাৰী, অস্ত্ৰহীন আৰু যুদ্ধকবচ বা বৰ্মহীনক আঘাত নকৰিব।

ওপৰত উল্লেখ কৰা যুদ্ধনীতি কাৰ্যতঃ কেতিয়াবা ভংগ কৰাও দেখা যায় উদাহৰণ স্বৰূপে সাত্যকিৰ লগত যুদ্ধত প্ৰবৃত্ত ভূৰিশ্ৰবাৰ হাত এখন শৰ মাৰি কাটি পেলোৱাত অৰ্জুন নিন্দাভাজন হৈছিল। অভিমন্যুক ৰৈৰিকুৰি সপ্তৰথীয়ে বধ কৰা আন এটা উদাহৰণ। যুদ্ধৰ উন্মাত বহুত সময়ত নীতি পাহৰা যায়। তথাপি প্ৰাচীন ভাৰতৰ ৰণনীতিৰ তুলনাত পাশ্চাত্যৰ ৰণনীতি অধিক বৰ্বৰ আছিল। বৰং নীতি নাছিল বুলি কোৱাই ভাল।

ৰামায়ণ আৰু মহাভাৰতৰ ৰণকৌশল, অস্ত্ৰশস্ত্ৰ প্ৰায় একেই আছিল। ইলিয়াড আৰু ইনীডত ব্যৱহাৰ কৰা অস্ত্ৰ-সস্ত্ৰৰ লগত ভাৰতীয় অস্ত্ৰ-শস্ত্ৰৰ সাদৃশ্য আছে। কিন্তু ভাৰতীয় কাব্য দুখনত ধনুকাড়ৰ প্ৰয়োগ অধিক। তাৰ তুলনাত ইলিয়াড, ইনীড আদি প্ৰাচীন পাশ্চাত্য কাব্যত যাঠি, বৰ্শা, ঢাল আৰু তৰোৱালৰ প্ৰয়োগ অধিক। ধনুকাড়ৰ ব্যৱহাৰ আছিল, কিন্তু তাৰ ওপৰত গুৰুত্ব কম দিয়া হৈছিল।

১৪। মহাভাৰতত স্বামীৰ মৃত্যুত সতীযোৱা প্ৰথাৰ উল্লেখ পোৱা যায়। মাদ্ৰীয়ে পাণ্ডুৰ মৃত্যুত তেওঁৰ সহগমন কৰে, কিন্তু ৰামায়ণত সতীপ্ৰথাৰ উল্লেখ নাই। আকৌ জ্যেষ্ঠানুসাৰে ৰাজপদত বহুওৱা সাধাৰণ নিয়ম আছিল যদিও জ্যেষ্ঠজন অসৎচৰিত্ৰ, দুৰাৰোগ্য ৰোগত আক্ৰান্ত হ'লে ৰাজপদৰ বাবে অনুপযুক্ত বুলি বিবেচিত হৈছিল। মহাভাৰতৰ আদিপৰ্বত কুষ্ঠৰোগী দেৱাপিক, জ্যেষ্ঠ পুত্ৰ হোৱা সত্ত্বেও ৰাজ্য নিদি কনিষ্ঠ সান্তনুক ৰাজপদত অভিষিক্ত কৰা দেখা পাওঁ। তেনেকৈ ৰামায়ণত অত্যাচাৰী বৰ পুত্ৰ অসমঞ্জক ৰাজ্যৰ পৰা খেদি কনিষ্ঠ ভগীৰথক ৰাজপদ দিয়া হৈছিল।

পাশ্চাত্য মহাকাব্যৰ এটা সাধাৰণ বৈশিষ্ট্য হৈছে হোমাৰীয় উপমাৰ পৰম্পৰাগত ব্যৱহাৰ। ভাৰ্জিলৰ পৰা মিল্টনলৈকে এই শ্ৰেণীৰ উপমাৰ প্ৰচুৰ প্ৰয়োগ লক্ষ্য কৰা যায়। এই শ্ৰেণীৰ উপমাৰ এটা ডাঙৰ গুণ হৈছে যে ই কোনো পৰিস্থিতি, ঘটনা বা দৃশ্যৰ সাদৃশ্যৰ ভেটিত সম্পূৰ্ণ ৰূপত একোটি পূৰ্ণ চিত্ৰ দাঙি ধৰিব পাৰে। ইয়াক হোমাৰীয় বা মহাকাব্যিক উপমা বোলা হয়। ভাৰতীয় মহাকাব্য দুখনত এনে

পৰ্যায়ৰ উপমাৰ প্ৰয়োগ সাধাৰণতে দেখা নাযায়। উপমাভিত্তিক সাদৃশ্যগৰ্ভ অলংকাৰ বহু প্ৰকাৰ আছে যদিও কোনোবিধকে হোমাৰীয় উপমাৰ লগত মিলাব নোৱাৰি। মহাভাৰতত কিন্তু সাঙ্গ ৰূপক একশ্ৰেণীৰ প্ৰয়োগ দেখা যায় যত একোটি পূৰ্ণ চিত্ৰ অংকন কৰিছে। সাধাৰণতে সাগৰ, অথবা বটবৃক্ষক আশ্ৰয় কৰি এইবিধ ৰূপকৰ সৃষ্টি হৈছে। ৰামায়ণতকৈ মহাভাৰতত ইয়াৰ প্ৰয়োগ অধিক দেখা যায়। উদ্যোগ পৰ্বৰ পৰা দুটা উদাহৰণ দাঙি ধৰা হ'ল। উদ্যোগ পৰ্বৰ এটা পূৰ্ণৰূপক দুটা শ্লোকতহে পৰিপূৰ্ণতা লাভ কৰিছে।

১) জলৌঘসলিলাৱৰ্ত্তো ৰথনাগাশ্বমীনৱান।
শংখদুন্দুভিনিৰ্ঘোষঃ কোষসঞ্চয়ৰত্নৱান॥
চিত্ৰাভৰণবৰ্মোৰ্ম্মিঃ শস্ত্ৰনিৰ্মলফেনৱান।
প্ৰাসাদমালাদ্ৰিবৃতো ৰথ্যাপণমহাহ্ৰদঃ॥
যোধচন্দ্ৰোদয়োদ্ধৃতঃ কুৰুৰাজমহাৰ্ণৱ।
ব্যাদৃশ্যত তদা ৰাজন্ চন্দ্ৰোদয় ইৱোদধিঃ (১৪২।২৫-২৭

২। শাৰশ্বতমহামীনং বিবিংশতিমহোৰগম্
বৃহশ্বলমহোশ্বেলং সৌমদত্তিতিমিঙ্গিলম
ভীষ্মবেগমপৰ্যন্তং দ্ৰোণগ্ৰাহদুৰাসদম্
কৰ্ণশৈলকষাৱৰ্ত্তং কাম্ভোজবড়বামুখম্॥
দুঃশাসনোঘং শলশল্যমৎস্যং সুষেণচিত্ৰায়ুধনাগনক্ৰম্
জয়দ্ৰথাদ্ৰিং পুৰোমিত্ৰগাধং দুৰ্মৰ্ষণোদং শকুনিপ্ৰপাতম্
শাস্ত্ৰৌঘমক্ষয্যমভিপ্ৰবৃদ্ধং যদাহৱগ্ৰাহ্য শ্ৰমনষ্টচেতাঃ
ভৱিষ্যসি ত্বং হতসৰ্ববান্ধৱস্তদা মনস্তে পৰিতাপমেষ্যতি। ১৪৯।১২১-২৪

৩) দুৰ্যোধনো মন্যুময়ো মহাদ্ৰুমঃ স্কন্ধঃ কৰ্ণঃ শকুনিস্তস্য শাখাঃ।
দুঃশাসনঃ পুষ্পফলে সমৃদ্ধে মূলং ৰাজা ধৃতৰাষ্ট্ৰোহমনীষী॥
যুধিষ্ঠিৰো ধৰ্মময়ো মহাদ্ৰুমঃ স্কন্ধোহৰ্জুনো ভীমসেনোহস্য শাখাঃ
মাদ্ৰীসুতৌ পুষ্পফলে সমৃদ্ধে মূলং কৃষ্ণো ব্ৰহ্ম চ ব্ৰাহ্মণাশ্চ॥

২৯।৫২-৫৩

অনুবাদ ঃ

(১) চন্দ্ৰোদয়কালত সাগৰ যেনে দেখা যায়, তেনে ৰূপে দুৰ্যোধনৰূপী মহাসাগৰো প্ৰকাশ পালে, কাৰণ লোকসমূহ (অনুচৰ) আবৰ্ত্ত বা পকনীয়া, হস্তী ৰথ, আদি মৎস্যস্বৰূপ, শংখদুন্দুভিৰ শব্দ কল্লোল, ধনভাণ্ডসমূহ সাগৰতলীৰ মণিমুক্তা, বিচিত্ৰ ভূষণ, বৰ্ম আদি তৰংগ, অস্ত্ৰসমূহ ফেনৰাশি, অট্টালিকাবোৰ সাগৰৰ মাজৰ পৰ্বত শ্ৰেণী, পথৰ বিপণিবিলাক মহাহ্ৰদ। যোদ্ধাসকলৰ আৱিৰ্ভাৱত দুৰ্যোধনৰূপ মহাসমুদ্ৰ উদ্বেলিত হৈ উঠিছিল।

(২) আমাৰ এই সৈন্য এখন মহাসমুদ্ৰ, কৃপাচাৰ্য ইয়াৰ মহামৎস্য, বিবিংশতি মহাসৰ্প, বৃহদ্বলৰাজা জোৱাৰ, ভূৰিশ্ৰবা তিমিঙ্গিল, ভীষ্ম ইয়াৰ শক্তি (বেগ), দ্ৰোণৰূপ বিশাল জলজন্তু থকাত ই ভয়ানক, কৰ্ণ ইয়াৰ হিংস্ৰ মৎস্য, শল্য ইয়াৰ আৱৰ্ত্ত, কাম্বোজৰাজ বাড়বানল, দুঃশাসনো ইয়াৰ প্ৰবাহ, সুষেণ ইয়াৰ জলহস্তী, জয়দ্ৰথ তীৰবৰ্ত্তী পৰ্বত, পুৰামিত্ৰাদি জল, শকুনি জলপ্ৰপাত। এই সমুদ্ৰ অতি বিস্তীৰ্ণ। এই সমুদ্ৰত অৱগাহনৰ পাছত, সমস্ত বান্ধৱ যেতিয়া নিহত হ'ব তেতিয়া তোমাৰ অনুতাপ হ'ব।

(৩) দুৰ্যোধন এজোপা ক্ৰোধময় মহাবৃক্ষ, কৰ্ণ তাৰ প্ৰধান গা-গছ, শকুনি শাখা, দুঃশাসন পুষ্পফল আৰু মূল অমনীষী ধৃতৰাষ্ট্ৰ, কিন্তু যুধিষ্ঠিৰ ধৰ্মময় মহাবৃক্ষ, অৰ্জুন গা-গছ, ভীমসেন শাখা, মাদ্ৰীসুতদ্বয় পুষ্প-ফল আৰু মূল শ্ৰীকৃষ্ণ।

দেখা যায় ৰূপকবোৰ কৃত্ৰিম, হোমাৰীয় উপমা কৃত্ৰিম নহয়, স্বাভাৱিক আৰু সূক্ষ্ম পৰ্যাৱেক্ষণভিত্তিক। অৱশ্যে ৰামায়ণ-মহাভাৰতৰ হাজাৰ বিজাৰ চিত্ৰৰ বহুতো স্বাভাৱিক আৰু কবিত্বপূৰ্ণ।

১৫। ৰামায়ণক আদিকাব্য বুলি ধৰা হয়, সেই কাৰণে দাৰ্শনিক মতবাদ, সাম্প্ৰদায়িক বিশ্বাস-আচৰণ, অৰ্থশাস্ত্ৰৰ ব্যাখ্যা, যাগযজ্ঞাদিৰ বিৱৰণে গৌণ স্থান লাভ কৰিছে। কোনো কোনো ঠাইত উল্লেখ থাকিলেও সিও যৎসামান্য। কিন্তু মহাভাৰতত এইবোৰৰ পৰ্যাপ্ত বিৱৰণ পোৱা যায়, কাৰণ ইয়াক কাব্য বুলি ধৰা নহয়, ইতিহাস, সংহিতা বা পঞ্চম বেদ বুলিহে ভাৰতীয়সকলে গণ্য কৰি আহিছে। সেই কাৰণে ইয়াত দুহেজাৰ আঢ়ৈ হেজাৰ বছৰৰ আগৰ ভাৰতীয় বৈচিত্ৰ্যমূলক জীৱনধাৰাৰ সকলো দিশ সামৰি লোৱা হৈছে। কাব্যত্ব ইয়াৰ প্ৰধান বস্তু নহয়।

১৬। মহাভাৰতত বনপৰ্বত ৰামোপাখ্যান থকাৰ উপৰিও আন চাৰি পাছ ঠাইত ৰামকাহিনীৰ প্ৰাসংগিক উল্লেখ পোৱা যায়। তপস্বী বা ঋষিৰূপে বাল্মীকিৰ নামো মহাভাৰতত উল্লেখ আছে, ৰামায়ণ কবি ৰূপে পৰিচয় দিয়া নাই। তদুপৰি মহাভাৰতৰ তলত উদ্ধৃত কৰা শ্লোকটোৱে ৰামায়ণৰ পবিত্ৰতাৰ ইতিহাসো দাঙি ধৰে।

বেদে ৰামায়ণে পুণ্যে ভাৰতে ভৰতৰ্ষভ
আদৌ চান্তে চ মধ্যে চ হৰিঃ সৰ্বত্ৰ গীয়তে (১৮।৬।৯৩)

১৭। ই. ডব্লিউ. হপ্‌কিন্স (E. W. Hopkins) ডেওঁৰ প্ৰসিদ্ধ The Great Epic of India গ্ৰন্থৰ দ্বিতীয় অধ্যায় Interlation of the two

শান্তিপৰ্বৰ তলৰ শ্লোকটোত মন কৰিবলগীয়া—

শ্লোকশ্চাৱম্ পুৰাগীতো ভাৰ্গৱেন মহাত্মনা।
আখ্যাতে ৰামচৰিতে নৃপতিং প্ৰতিভাৰত।
ৰাজানং প্ৰথমং বিন্দেত ততো ভাৰ্যাং ততো ধনম্।
ৰাজন্যসতি লোকস্য কুতো ভাৰ্যা কুতো ধনম্। ১২।৫৭।৩০

এই শ্লোকটো ৰামায়ণতো (৬।৮১।২৮) পোৱা যায়।

Epics-ত দুৰ্য়োধন মহাকাব্যৰ পাৰস্পৰিক সম্পৰ্ক আলোচনা প্ৰসংগত বহুতো শ্লোকৰ শ্লোকাৰ্দ্ধৰ আৰু প্ৰকাশভংগীৰ সাদৃশ্য প্ৰদৰ্শন কৰি কৈছে যে সম্পূৰ্ণ ৰামায়ণ বা মহাভাৰতৰ পৰা এই সাদৃশ্যমূলক শ্লোকবোৰ হয়তো প্ৰক্ষিপ্তকাৰে সমুওৱা নাই, বৰং অলিখিত অৱস্থাত চাৰণ কবিসকলে পাৰস্পৰিক আদান-প্ৰদানৰ ফলত একে ধৰণৰ শ্লোক বা বাক্যাংশবোৰৰ প্ৰৱেশ ঘটিছে। দুৰ্য়োধন কাব্য প্ৰাথমিক অৱস্থাত চাৰণকবি (সূতমাগধ আদি) সকলে আবৃত্তি বা গীতৰূপত গাইছিল। পাছত সংকলন কৰোতে কিছু শ্লোকৰ বিনিময় হোৱা একো অস্বাভাৱিক নহয়। অৱশ্যে প্ৰক্ষিপ্তকাৰসকলো (interpolators) কিছু পৰিমাণে ইয়াৰ কাৰণে কিছু দায়ী।

১৮। গৃহ্যসূত্ৰ ৰচনাৰ আগতে কোনো এখন মহাকাব্যৰে বৈদিক সাহিত্যত উল্লেখ পোৱা নাযায়। গৃহ্যসূত্ৰত ভাৰত কাব্যৰ (মহাভাৰত নহয়) উল্লেখ পোৱা যায়, কিন্তু ৰামায়ণৰ কোনো উল্লেখ নাই। এই কথাই মহাভাৰতৰ শাহটো (**kernel**) যে ৰামায়ণতকৈ কিছু আগৰ সেই কথা প্ৰমাণিত কৰে। বশিষ্ঠ, বিশ্বামিত্ৰ, জনক আদি বৈদিক ঋষিৰ উল্লেখ দুৰ্য়োধন কাব্যত আছে যদিও প্ৰধান চৰিত্ৰবোৰৰ উল্লেখ (ৰামাদি, যুধিষ্ঠিৰাদি) বৈদিক সাহিত্যত নাই। মহাভাৰতৰ জনমেজয়ৰ উল্লেখ আছে যদিও সৰ্পযজ্ঞৰ কোনো কথা নাই। এইটোৰ পৰা অনুমান কৰা যায় যে বৈদিক যুগত মহাকাব্য দুখনে ৰূপ লোৱা নাছিল।

১৯। ৰামায়ণতকৈ মহাভাৰতত বৈদিক সাহিত্যৰ প্ৰভাৱ অধিক পৰিমাণে লক্ষ্য কৰা যায়। হপ্‌কিন্স চাহাবে এই বিষয়ে বহলাই আলোচনা কৰিছে। বেদ, উপনিষদ, ধৰ্মশাস্ত্ৰ, ধৰ্মসূত্ৰ, গৃহ্যসূত্ৰ আদিৰ বচন, সূক্ত, শ্লোক আদি কেতিয়াবা অবিকৃত ভাবে আৰু কেতিয়াবা অল্প ইফাল-সিফাল ৰূপত উপস্থাপিত কৰা দেখা যায়। ৰামায়ণক কাব্যৰূপে ৰচনা কৰা কাৰণেই উপৰ্যুক্ত বৈদিক ৰচনাৰ উদ্ধৃতি বা উল্লেখ নথকাত আচৰিত হব লগীয়া একো নাই। সেই বুলি বৈদিক সাহিত্য ৰামায়ণৰ অজ্ঞাত নাছিল। আদি আৰু উত্তৰকাণ্ডৰ উপৰিও অন্য কাণ্ডতো উল্লেখ স্থানবিশেষে পোৱা যায়।

২০। ৰামায়ণত দৰ্শনশাস্ত্ৰৰ প্ৰভাৱ লক্ষ্য কৰা যায়। আনকি জাবালিৰ লোকায়ত দৰ্শনৰ যৎকিঞ্চিত অযোধ্যা কাণ্ডত বৰ্ণিত হৈছে। কিন্তু বিভিন্ন দৰ্শনৰ আলোচনা ইয়াত পোৱা নাযায়। ইয়াৰ বিপৰীতে মহাভাৰতত ঔপনিষদিক দৰ্শনৰ পৰা ষড়্‌দৰ্শনলৈকে ব্যাপক আৰু কোনো ক্ষেত্ৰত বহল ৰূপত দৰ্শনসমূহৰ পৰিচয় পোৱা যায়। বেদান্ত, ন্যায়, বৈশেষিক, সাংখ্য, যোগ, পঞ্চৰাত্ৰ মত, সৃষ্টিপ্ৰকৰণ, জীৱ-জগত-ঈশ্বৰতত্ত্ব সম্বন্ধীয় বহুতো দাৰ্শনিক মতবাদৰ চমু অথবা দীৰ্ঘ আলোচনা বিভিন্ন প্ৰসংগত উপস্থাপন কৰিছে। উদাহৰণ স্বৰূপে উদ্যোগপৰ্বত অদ্বৈত বেদান্ত সনৎসুজাতীয় ঋষিৰ দ্বাৰা ব্যাখ্যাত হৈ পাঁচটা দীঘল অধ্যায় সামৰিছে। ৰামায়ণ মূলতঃ কাব্য কাৰণেই এনেবোৰ মতবাদ আলোচনা কৰাৰ থল নাই। কিন্তু মহাভাৰত কাব্য নহয়, ইতিহাসহে।

ষষ্ঠ অধ্যায়

বেওয়াল্‌ফ

ষষ্ঠ অধ্যায়

বেওৱাল্ফ

কিছু বছৰৰ আগলৈকে ইংৰাজী সাহিত্যৰ ইতিহাসৰ জেৰ খ্ৰিষ্টাব্দ চতুৰ্দশ শতিকাৰ কবি চচাৰৰ 'কেণ্টাৰবাৰী টেলছ' লৈকে টনা হৈছিল। ইয়াৰ আগতে 'এংগ্ল'ছেক্সন' যুগ এটা যে সাহিত্যত আছিল সেই বিষয়ে ঐতিহাসিকসকল সাৱহিত নাছিল। দৰাচলতে ইংৰাজী ভাষা আৰু সাহিত্যৰ গঠন আৰু বিকাশত তিনিটা উপাদানৰ প্ৰভাৱ লক্ষ্য কৰা যায়। ইয়াৰ আদিতম হৈছে কেল্টিক (celtic element) জাতীয় উপাদান। কেল্টিক জাতিয়েই যুক্তৰাজ্যৰ আদিম অধিবাসী। জুলিয়াছ চিজাৰৰ আক্ৰমণৰ সময়ত এওঁলোকেই বৃটেইনৰ আদিবাসী আছিল। কেল্টীয় সংস্কৃতিৰ লোকসকল প্ৰথম গ্ৰেট বৃটিয়েনলৈ আহে আইবেৰিয়া উপদ্বীপৰ পৰা। এই সংস্কৃতিৰ লোকসকল পৰৱৰ্তী প্ৰব্ৰজনকাৰী এংগ্ল'-ছেক্সন আৰু নৰ্মান সকলৰ লগত চিনিব নোৱৰাকৈ মিলি যায়, কিন্তু এওঁলোকৰ বংসধৰসকলৰ কিছু চিন এতিয়াও ৱেলছ আৰু আয়াৰলেণ্ডত ৰৈ গৈছে। কেল্টিক সংস্কৃতিৰ লোকসকলৰ সাহিত্য সৃষ্টিৰ নিদৰ্শন ৰজা আৰ্থাৰৰ কাহিনী চক্ৰত পোৱা যায়। কিন্তু আইৰিশ আৰু ৱেলছ সাহিত্যত ইয়াৰ যথেষ্ট প্ৰভাৱ সংৰক্ষিত আছে। কিন্তু ইংৰাজী সাহিত্যত কেল্টিক যুগৰ সাহিত্যৰ নিদৰ্শন নাথাকিলেও কেল্টিক বিশ্বাস, মানসিকতা আৰু ৰীতিৰ প্ৰভাৱ ইংৰাজী সাহিত্যত নথকা নহয়। দ্বিতীয় প্ৰভাৱৰ সুঁতিটো হৈছে এংগ্ল'ছেক্সন। খ্ৰিষ্টীয় ষষ্ঠ-সপ্তম শতিকামানৰ হুনবিলাকৰ তাড়নাত জাৰ্মান আৰু স্কেণ্ডিনেভীয় টিউটনিকসকল দলে দলে গ্ৰেট ব্ৰিটেইনত বসতি কৰিবলৈ আহে আৰু এওঁলোকেই এংগ্ল' ছেক্সন সংস্কৃতিৰ সৃষ্টিকাৰী। 'বেওৱাল্ফ' মহাকাব্যৰ সৃষ্টি হয় এংগ্ল'-ছেক্সনসকলৰ মাজত। খ্ৰিষ্টীয় সপ্তমৰ পৰা একাদশ শতিকাৰ যুগটোকে এংগ্ল'-ছেক্সন সাহিত্যৰ যুগ বুলি কোৱা হয়। খ্ৰিষ্টীয় একাদশ শতিকাত নৰ্মানসকলে বৃটেইন অধিকাৰ কৰি নৰ্মান সংস্কৃতিৰ সূচনা কৰে আৰু এই নৰ্মানসকলৰ সংস্কৃতি আৰু ভাষাই ইংৰাজী ভাষাৰ গঠন আৰু বিকাশত প্ৰভূত বৰঙণি যোগোৱাৰ উপৰিও সাহিত্যৰ সৃষ্টিতো এওঁলোকৰ অৱদান অনস্বীকাৰ্য। কালক্ৰমত এওঁলোকে আগৰ অধিবাসীসকলৰ লগত মিলি গৈ ইংৰাজ জাতি আৰু সংস্কৃতিৰ সৃষ্টি কৰে। এংগ্ল'-ছেক্সনৰ মাজত গঢ় লোৱা 'বেওৱাল্ফ' মহাকাব্য বহুকাল মুখে মুখে বাগৰি আহি খ্ৰিষ্টীয় দশম শতিকামানত লিপিবদ্ধ ৰূপ লয়। চচাৰৰ পাছৰ পৰা প্ৰচলিত ইংৰাজী ভাষাৰ লগত 'বেওৱাল্ফ'ৰ ভাষা একে নহয়; ইয়াৰ ভাষা এংগ্ল'-ছেক্সন

ভাষা। এই মহাকাব্যত টিউটনিক প্ৰভাৱ সুস্পষ্ট আৰু ইয়াৰ পটভূমি চৰিত্ৰাৱলীও স্কেণ্ডিনেভিয়ান প্ৰভাৱপুষ্ট। 'বেওৱাল্ফ'ৰ কাহিনীৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

টিউটনসকলৰ প্ৰাচীন পুৰাণ অনুসাৰে দেৱৰাজ অডিন তেওঁৰ পুত্ৰ বল্ডাৰৰ মৃত্যু শুনি অতিশয় ক্ৰোধান্বিত হয়। দেৱকুলৰ কুটচকুী লোকিৰ যড়যন্ত্ৰত বল্ডাৰৰ মৃত্যু হয়। অডিনে ইয়াৰ প্ৰতিশোধ কামনা কৰি দেৱকুলক আহ্বান কৰিছিল। এই প্ৰতিশোধ লৈছিল অডিনৰ মানৱপুত্ৰ বাওৱে। বাওৱে এটা কুকুৰনেচীয়া বাঘ অকলে বধ কৰা কাৰণে তেওঁক নাম বাওৱাল্ফ বা বেওৱাল্ফ। বেওৱাল্‌ফৰ প্ৰকৃত নাম আছিল ভেলি, তেওঁ দেৱৰাজ অডিনৰ অন্যতমা পত্নী ৰিণ্ডাৰ পুত্ৰ। দেৱৰাজ অডিনৰ স্বৰ্গৰ পত্নী ফ্ৰিগাৰ চাৰিজন পুত্ৰ, টিউ যাৰ নামানুসাৰে Tuesday, থৰ, যাৰ নামানুসাৰে Thursday, তৃতীয় বলডাৰ আৰু চতুৰ্থ হোডাৰ। বলডাৰ আছিল সূৰ্য, পোহৰ আৰু সৌন্দৰ্যৰ দেৱতাসকলোৰে প্ৰিয়পাত্ৰ। আনহাতে অগ্নিৰ দেৱতা লোকি আছিল দুষ্ট আৰু বলডাৰক শত্ৰুৰূপে গণ্য কৰিছিল। বলডাৰৰ যমজ ভ্ৰাতৃ হোডাৰ আছিল ৰাতি বা অন্ধকাৰৰ দেৱতা। লোকিয়ে হোডাৰক শিখণ্ডীৰূপে ব্যৱহাৰ কৰি বলডাৰক বধ কৰে। ভেলিয়ে (বেওৱাল্‌ফ) হোডাৰক বধ কৰি দেৱৰাজৰ প্ৰিয়পাত্ৰ হয়।

দৈৱিক বেওৱাল্‌ফৰ মানৱ কাহিনী 'বেওৱাল্‌ফ' মহাকাব্যত পৰিণত হৈছে। এই মানৱৰূপী বেওৱাল্‌ফ আছিল এজন সামন্তৰাজ। এওঁ গীটছ (Geats) ৰাজ্যৰ ৰজা হাইগেলাকৰ (Hygelac) ভতিজাক, অথবা ভাগিন আছিল। ডেনমাৰ্কৰ ৰজা হ্ৰোথগাৰ, তেওঁৰ মহাবিপদ। গ্ৰেণ্ডেল নামে এটা দৈত্যই প্ৰত্যেক নিশা ৰাজ-প্ৰাসাদত সোমাই শুই থকা বা জাগ্ৰত প্ৰহৰীক বধ কৰি খাই থয়। দিনৰ পাছত দিন এইদৰে ৰাজপ্ৰাসাদত বিভীষিকা সৃষ্টি কৰি সমস্ত ৰাজ্যত ত্ৰাসৰ সঞ্চাৰ কৰে। গ্ৰেণ্ডেল দৈত্যক বাধা দিয়াৰ সকলো চেষ্টা ব্যৰ্থ হয়। অনেক বীৰ আৰু সাহসী পুৰুষে তাৰ হাতত প্ৰাণ হেৰুৱায়। কোনো অস্ত্ৰৰ দ্বাৰা তাক আঘাত কৰা সম্ভৱ নাছিল। ৰজা হ্ৰোথগাৰ বিব্ৰত হৈ পৰে। গ্ৰেণ্ডেল আছিল 'বাইবল' শাস্ত্ৰত বৰ্ণনা কৰা প্ৰথম পুৰুষ আৰু নাৰী আদম আৰু ইভৰ সন্তান কেইনৰ বংশধৰ। এই কেইনে নিজ ভ্ৰাতৃ আবেলক হত্যা কৰি শাপগ্ৰস্ত হৈছিল। ৰজা হ্ৰোথগাৰে দৈত্যটোক বধ কৰিবলৈ বীৰসকলক আহ্বান কৰে আৰু পুৰস্কাৰো ঘোষণা কৰে।

ডেনমাৰ্কৰ এনে বিপদৰ কথা শুনি দক্ষিণ ছুইডেনৰ অন্তৰ্গত গীটছ ৰাজ্যৰ সামন্ত নেতা বেওৱাল্‌ফ সহায়ৰ কাৰণে আগবাঢ়ি আহিল। সেই সময়ত এওঁৰ সমান শক্তিশালী বীৰ দ্বিতীয় এজন নাছিল। বেওৱাল্‌ফক ডেনমাৰ্কৰ ৰজা হ্ৰুথগাৰে অভ্যৰ্থনা জনায়; বেওৱাল্‌ফৰ বাপেকৰ লগত হ্ৰুথগাৰৰ বন্ধুত্বও আছিল। বেওৱাল্‌ফ ৰাজভৱনত ৰাতি অপেক্ষা কৰি থাকিল। ক্ৰমে নিশা গভীৰ হৈ আহিল। হঠাতে ৰাজপ্ৰাসাদৰ বিতোপন হলঘৰত বিকট চিঞৰত

বেওৱাল্‌ফে সজাগ হৈ দেখিবলৈ পালে এক ভয়াৱহ আকৃতিৰ দানৱ। সি দুৱাৰ ভাঙি বেওৱাল্‌ফৰ এজন অনুচৰক ধৰি বধ কৰে। বেওৱাল্‌ফে খেদি গৈ তাক আক্রমণ কৰে আৰু বিনা অস্ত্রে তাক কৰায়ত্ত কৰি এখন হাত ছিঙি পেলায়। গতি বিষম দেখি ছিগা হাতখন এৰি দৈত্যই পলাই তাৰ গহ্বৰত আশ্রয় লয় আৰু তাতেই মৃত্যু আৰ্ত্তনাদ কৰি শেষ নিশ্বাস এৰে। বেওৱাল্‌ফৰ বীৰত্বত ডেনৰাজ হ্রথগাৰ আৰু সভাসদ, বীৰ নাইটসকল আৰু প্রজাবৰ্গই সন্তোষ প্রকাশ কৰি তেওঁক ধন্যবাদ জনায়। চাৰণ কবিয়ে পুৰণি বীৰগাথা শুনায়। আনন্দত ভোজভাত মদিৰা পৰিৱেশন কৰা হয়। বেওৱাল্‌ফক ৰজাই কৃতজ্ঞতাৰ চিন স্বৰূপে বহুমূলীয়া উপঢৌকন উপহাৰ দিয়ে। কিন্তু জানো বিপদ শেষ হ'ল ? তাতেই তেওঁৰ কাৰ্যৰ সামৰণি নপৰিল। গ্রেণ্ডেল দৈত্যৰ মাক পুতেকৰ সমানেই ভয়াৱহ শক্তিশালী আৰু ৰক্তপিপাসু আছিল। পুতেকৰ মৃত্যুৰ প্রতিশোধ লবলৈ মাকে নৈশ অভিযান চলাই হ্রথগাৰৰ প্রজাৰ মাজত বিভীষিকা সৃষ্টি কৰে আৰু ৰাজভৱনৰো ৰখীয়াক অপহৰণ কৰি হত্যা কৰে। বেওৱাল্‌ফে গ্রেণ্ডেল আৰু মাকে বাস কৰা হ্রদৰ তলীত থকা গুহাত লগৰীয়াসকলৰ সৈতে প্রবেশ কৰি ৰাক্ষসীকো বধ কৰে। পুতেকতকৈ (গ্রেণ্ডেল)মাক একোব চৰা আছিল। বাওৱাল্‌ফে সকলো চেষ্টা কৰিও মাকক মাৰাত্মক আঘাত কৰিব পৰা নাছিল ; তেওঁলোকৰ অস্ত্রয়ো তাইক বিশেষ ঘাইল কৰিব পৰা নাছিল। অৱশেষত গুহাতে আৰি থোৱা এখন কালিকা থকা তৰোৱালেৰে আঘাত কৰাত তাই মৃত্যমুখত পৰে। এই প্রসঙ্গত সাগৰৰ পানীয়ে ঢৌৰাই থকা ভয়াৱহ সৰ্প অধ্যুষিত, তেজৰঙা জলপ্লাৱিত গ্রেণ্ডেলৰ গহ্বৰটোৰ বৰ্ণনা উল্লেখযোগ্য। ফলস্বৰূপে ডেনসকল নিৰ্ভয়ে ৰাতি শুব পৰা হ'ল। ৰজা হ্রথগাৰে বীৰ যুৱকক ধনসোণেৰে পুৰস্কৃত কৰি নিজ ৰাজ্যলৈ উভতি যাবলৈ সকলো সুবিধা কৰি দিয়ে। বেওৱাল্‌ফ অনুচৰ কেইজন সহ সাগৰ অতিক্রম কৰি নিজ দেশৰ গীটছ ৰাজ্যত উপস্থিত হয়। গীটছৰ ৰজা হাইগেলাকে বেওৱাল্‌ফক সম্বৰ্ধনা জনাই বিশ্বস্ত সামন্ত ৰূপে স্বীকৃতি দিয়ে। ইয়াৰ পাছত ৰজা হাইগেলাকে ফ্রাঙ্কৰ ফ্রিছিয়ানবোৰৰ বিৰুদ্ধে যুদ্ধ যাত্রা কৰি তাতে মৃত্যু মুখত পৰে। বেওৱাল্‌ফে ত্রিশটা যুদ্ধৰ বৰ্ম আৰু আত্মৰক্ষাৰ আহিলা-পাতি সহ ফ্রাঙ্কৰ পৰা নিজক ৰক্ষা কৰি সাগৰ সাতুৰি নিজ দেশলৈ উভতি আহে। হাইগেলাকৰ মৃত্যুৰ পাছত ছুইডিছ আৰু গীটছবাসীৰ মাজত যি যুদ্ধ হয় সেই যুদ্ধত হাইগেলাকৰ পুতেকৰ সমৰ্থনত তেওঁ অস্ত্র ধৰি গীটছৰ স্বতন্ত্রতা ৰক্ষা কৰাত সহায় কৰে। হাইগেলাকৰ পুতেক হেয়াৰড্রেডৰ অভিভাৰকৰূপে ৰাজ্য পৰিচালনাত সহায় কৰে, কিন্তু গৃহযুদ্ধ হৈ এজন চক্রান্তকাৰীৰ হাতত কমবয়সীয়া হেয়াৰড্রেডৰ অপমৃত্যু ঘটে, বেওৱাল্‌ফে সেই চক্রান্তকাৰী দলটোক নিৰ্মূল কৰি গীটছত পুনৰ শান্তি প্রৱৰ্ত্তন কৰে। ইয়াৰ পাছত হাইগেলাকৰ বিধবা ৰাণী হাইগিডৰ অনুৰোধক্রমে গীটছৰ শাসনভাৰ নিজে গ্রহণ কৰে আৰু বিধবা ৰাণীক বিয়া কৰে।

পঞ্চাশ বছৰ বেওৱাল্‌ফে ৰাজ্য শাসন কৰি প্ৰজাবৰ্গক সুখে সন্তোষে ৰাখে। ন্যায়পৰায়ণ শাসক বুলি তেওঁ প্ৰজাৰ শ্ৰদ্ধা লাভ কৰিবলৈ সমৰ্থ হয়। কিন্তু বৃদ্ধ বয়সত নতুন বিপদৰ সম্মুখীন হব লগা হ'ল। মুখৰপৰা জুই বৰষা এটা সৰ্পাকৃতি ড্ৰেগনে গীটছৰ অধিবাসীসকলক এফালৰপৰা আক্ৰমণ কৰি শেষ কৰিবলৈ ধৰাত বুঢ়াবয়সত বেওৱাল্‌ফে সেই দৈত্যাকাৰ জন্তুটোক আক্ৰমণ কৰি অৱশেষত তেওঁৰ অনুচৰ উইগ্‌লাফৰ সহায়ত তাক বধ কৰে। ড্ৰেগনৰ মণিমুক্তা সঞ্চিত থকা গুহালৈ যাবলৈ বেওৱাল্‌ফে এঘাৰ জন বীৰ বাছি লৈছিল, কিন্তু শেষ মুহূৰ্তত দহজন প্ৰাণৰ ভয়ত পলাল। কেৱল বেওৱাল্‌ফৰ আত্মীয় উইগ্‌লাফ (wiglaf) লগত থাকি যুদ্ধত বৃদ্ধ ৰজাক সহায় কৰি জন্তুটো বধ কৰে আৰু মৃত ৰজাৰ সৎকাৰৰ দিহা কৰে। যুদ্ধত বেওৱাল্‌ফ মাৰাত্মকভাৱে আহত হয়, কিন্তু মৃত্যুৰ আগতে ড্ৰেগনৰ গুহাত সংৰক্ষিত হোৱা অজস্ৰ ধনসোণ-মণিমুক্তাৰ ভাণ্ডাৰটো পৰিদৰ্শন কৰে। মৃত্যুৰ আগতে দি যোৱা নিৰ্দেশ মতে তেওঁৰ শবাধাৰক প্ৰদক্ষিণ কৰি হাইগিড্‌ আদি আত্মীয়সকলে তেওঁৰ শেষকৃত্য সমাপন কৰে আৰু সেই ঠাইত বৃহৎ মৈদাম বান্ধি তেওঁৰ স্মৃতি যুগমীয়া কৰে। বেওৱাল্‌ফৰ মৃত্যুৰ পাছত গীটছসকলে নিজৰ স্বতন্ত্ৰ ৰজাই ৰাখিব নোৱাৰিলে, ছুইডিছসকলে ৰাজ্য অধিকাৰ কৰিলে। বেওৱাল্‌ফৰ মৃত্যুৰ পাছত চাৰণগীতৰ মাজেদি গীয়েটছৰ ভয়াৱহ ভৱিষ্যতৰ আগজাননি আছে।

বেওৱাল্‌ফ বীৰগাথা, অলংকৃত (ornate) কাব্য নহয়। বীৰগাথা হ'লেও টিউটনিক বা জাৰ্মানিক জাতীয় ঐতিহ্য ই বহন কৰিছে। সেই ফালৰ পৰা এই কাব্য 'ইলিয়াড' বা 'ওডিছি'ৰ সমপৰ্যায়ৰ নহলেও জাতীয় মহাকাব্যৰ কিছু বৈশিষ্ট্য ইয়াৰ মাজেদি প্ৰকাশ পাইছে। টিউটনজাতীয় পৰংপৰাগত কাহিনী, লোকগাথা, ঐতিহাসিক ঘটনা, প্ৰাক্‌খ্ৰিষ্টীয় বিশ্বাস আৰু খ্ৰিষ্ট ধৰ্মীয় মতবাদৰ সংমিশ্ৰণত এই কাব্যই খ্ৰিষ্টীয় সপ্তম আৰু নৱম শতিকাৰ ভিতৰত ৰূপ পৰিগ্ৰহ কৰে। বেওৱাল্‌ফৰ সমীক্ষকসকলৰ মতে ইংলণ্ডৰ নৰ্দাম্ব্ৰিয়াত (Northumbria) এই কাব্য ৰচিত হয়। কাব্যথন চাৰণকবিয়ে এগৰাকী জাৰ্মান কিংবদন্তীমূলক বীৰৰ কাহিনী খ্ৰিষ্টীয় আৰু অনাখ্ৰিষ্টীয় ভাবাদৰ্শ মিহলাই অভিজাত সম্প্ৰদায়ৰ বিনোদনাৰ্থে ৰচনা কৰে। চাৰণ কবিৰ (bard poet) ৰচনা কাৰণেই মূল কাহিনীত কোনো জটিলতা নাই, বহু চৰিত্ৰৰ সমাগমো নাই, উপকাহিনীৰ মেৰপাকো ইয়াত নাই। কিন্তু চাৰণকবিয়ে আবৃত্তি কৰোঁতে বা কীৰ্তন কৰোঁতে ঠায়ে ঠায়ে মূল কাহিনীৰ লগত সম্পৰ্ক নথকা প্ৰাসংগিক আখ্যান কেবাটাৰো উল্লেখ কৰিছে আৰু থূলমূল কৈ তাৰ পৰিচয়ো দিছে। এই উপাখ্যান কেইটাৰ লগত বেওৱাল্‌ফৰ জীৱনৰ কোনো পোনপটীয়া সম্পৰ্কও নাই। সেই প্ৰাসংগিক উপাখ্যান কেইটাৰ উল্লেখ পাছত যথাস্থানত কৰা হব আৰু তাৰ প্ৰাসংগিকতাও আলোচনা কৰা হ'ব।

মূল বা প্ৰধান কাহিনীটোত তিনি হাজাৰৰ কিঞ্চিৎ অধিক শাৰী (verse-lines) আছে। প্ৰধান কাহিনীটো দুটা অংশত বিভক্ত। প্ৰথম অংশ বা খণ্ডত হ্ৰোথগাৰৰ ৰাজ্যত গ্ৰেণ্ডেল দৈত্য আৰু মাকৰ অত্যাচাৰ, বেওৱালফৰ আগমন আৰু মাক আৰু পুতেক দুয়োজনকে যুদ্ধ কৰি নিধন কৰা দেখুৱাইছে। দ্বিতীয় খণ্ডত বেওৱালফৰ গীটছ ৰাজ্যত ৰাজ্য প্ৰশাসনত সক্ৰিয় অংশ গ্ৰহণ, ৰাজকুমাৰৰ হত্যাৰ পাছত সিংহাসন লাভ, পঞ্চাশ বছৰ সু-শাসন আৰু অৱশেষত ড্ৰেগনক বধ কৰি নিজেও মৃত্যুৰ মুখত পৰা ঘটনাসমূহ বৰ্ণনা কৰিছে। সমস্ত কাব্যখনত এজন নায়কৰ প্ৰাধান্য প্ৰদৰ্শন কৰিছে, বাকীবোৰ চৰিত্ৰৰ কাৰ্যকলাপ গৌণ। বেওৱালফ এজন ট্ৰেজিক নায়ক, তেওঁৰ যৌৱনৰ গৌৰৱপূৰ্ণ বীৰত্বই প্ৰৌঢ় বয়সত ৰাজ্য পৰিচালন আৰু শাসনত মহিমান্বিত হৈ বৃদ্ধ বয়সত শেষ শৌৰ্য প্ৰদৰ্শন কৰি বীৰৰ মৃত্যু বৰণ কৰে। কাব্যখনত বেওৱালফৰ জীৱনৰ সকলো ঘটনা একাদিক্ৰমে নেদেখুৱাই শ্ৰোতাক আকৰ্ষণ কৰিব পৰা প্ৰভাৱশালী ঘটনা কিছু বাছি লৈ ৰূপ দিছে। গ্ৰেণ্ডেল, তাৰ মাক আৰু শেষত বধ কৰা দৈত্যকায় জন্তুটো অসৎ শক্তি বা ডেভিলৰ প্ৰতীক আৰু বেওৱালফে মানৱৰ সংগুণ, শক্তি আৰু সীমাবদ্ধতাক প্ৰতিনিধিত্ব কৰে। অখ্ৰীষ্টীয় (Pagan) দৈব শক্তিৰ প্ৰভাৱেও কাব্যখনত গুৰুত্ব লাভ কৰিছে। বেওৱালফৰ চৰিত্ৰ জাৰ্মান বা স্কেণ্ডেনেভিয়ান জাতীয় আদৰ্শত পৰিকল্পিত হৈছে যদিও এংগ্ল'-ছেক্সন গোষ্ঠীৰ কাৰণে সি অপৰিচিত নাছিল, কাৰণ টিউটনিক ঐতিহ্য তেওঁলোকৰ মাজত তেতিয়াও সজীৱ আৰু সক্ৰিয় হৈ আছিল।

যি হেতুকে কাব্যখনৰ ৰচনাত চাৰণ বা ভাট কবিৰ (bard poet) অৱদান অনস্বীকাৰ্য, সেই হেতুকে লোকবিশ্বাস আৰু অতিপ্ৰাকৃত ধাৰণাই কাব্যখনৰ কাহিনী বিকাশত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। দৈত্য-ড্ৰেগনৰ প্ৰাদুৰ্ভাৱ, অলৌকিক পোহৰে আলোকিত কৰি ৰখা গ্ৰেণ্ডেলৰ বাসস্থান, ড্ৰেগনৰ গুহাৰ মণিমুক্তা, দৈৱিক প্ৰভাৱ আদি লৈ এই প্ৰসংগত আঙুলিয়াব পাৰি। কাব্যখনৰ ভাষাৰ লগত যোৱা কেই শ বছৰৰ ইংৰাজী ভাষাৰ বিশেষ সাদৃশ্য নাই, যদিও এই কাব্যৰ ভাষাক ইংৰাজী ভাষাৰ প্ৰাচীনতম নিদৰ্শন বুলি কোনো কোনোৱে কব খোজে। দৰাচলতে কাব্যখনৰ ভাষা হৈছে এংগ্ল'-ছেক্সনহে, ইংৰাজী বুলি কলে সম্পূৰ্ণ শুদ্ধ নহয়।

প্ৰধান বা আধিকাৰিক কাহিনীৰ বৰ্ণনা প্ৰসংগত গায়কে তলত উল্লেখ কৰা প্ৰাসংগিক উপকাহিনী বা ঘটনাসমূহ থূলমূলকৈ কৈ গৈছে। এইবোৰ কথাই মূল কাহিনীক প্ৰভাৱিত কৰা নাই, নাইবা প্ৰধান কাহিনীৰ গতিপ্ৰবাহত সহায় কৰা নাই। অৱশ্যে কোনো কোনো ক্ষেত্ৰত প্ৰধান কথাবস্তুৰ সমধৰ্মী বা বিপৰীতধৰ্মী উপকথা অৱতাৰণা কৰি প্ৰধান কথাবস্তুক প্ৰভাৱশালী কৰিবলৈ আওপকীয়াভাৱে চেষ্টা কৰিছে, অথবা চৰিত্ৰ বিশেষৰ অতীত বা ভৱিষ্যত জীৱনৰ লগত সংহতি বা

অসংগতি আৰু পৰিণতিৰ সূচনা কৰিছে। এনে ভাবে প্ৰসংগক্ৰমে উত্থাপন কৰা উপকথাৰ (episodes) লেখ এটি তলত দাঙি ধৰা হ'ল।

(১) হুথ্‌গাৰৰ পুতেক আৰু তেওঁৰ ভায়েক হুথ্‌-আল্‌ফৰ মাজত বিৰোধ আৰু হুথ্‌গাৰৰ পুতেকৰ হত্যা।

(২) হিথ'বাৰ্ডবোৰৰ (ডেনমাৰ্কৰ এটা প্ৰাচীন জনগোষ্ঠী) অধিনায়ক ইন্‌গেল্ডৰ (**Ingeld**) দ্বাৰা হুথ্‌গাৰৰ ৰাজ্য আক্ৰমণ আৰু ৰাজপ্ৰাসাদ ভস্মীভূৎ।

(৩) হাইগেলাকৰ ফ্ৰিছিয়ানৰ বিৰুদ্ধে অভিযান আৰু মৃত্যু।

(২৯০০—২৯৪৬)

(৪) ছুইডিছৰ গীট্‌ছ ৰাজ্য আক্ৰমণ আৰু চক্ৰান্তকাৰীৰ ষড়যন্ত্ৰত হাইগেলাকৰ দ্বিতীয় পুত্ৰ হিয়েৰ্‌ড্ৰেডৰ নিধন। (২৩৫৫—২৩৯৬)

(৫) ছিগেমাণ্ড গাঁথা (lay)। এই গাঁথাত হুথ্‌গাৰৰ এজন পূৰ্বপুৰুষ ছিগেমাণ্ডে প্ৰাচীন মণিমুক্তাৰ এটা সঞ্চয় ৰক্ষা কৰি থকা এটা ড্ৰেগন বধ কৰি ধনসোণ-মণিমুক্তাখিনি আত্মসাৎ কৰাৰ ফলত নিজে ধ্বংসৰ পথ মুকলি কৰি মৃত্যুৰ মুখত পৰা ঘটনা বৰ্ণিত হৈছে। এই কাহিনীৰ লগত বেওৱাল্‌ফৰ শেষ ড্ৰেগন বধ আৰু কালিকা লগা মণিমুক্তাৰ ভাণ্ডাৰ তুলনীয়।

(৬) ফ্ৰিছিয়ান আৰু ডেনছৰ মাজত থকা বহুদিনীয়া বিৰোধৰ কথা। এই বিৰোধ আৰু সংঘৰ্ষৰ ফলত দুয়ো পক্ষৰ বহুতো সৈন্য আৰু অনুগামীৰ মৃত্যু হয় আৰু সংঘৰ্ষৰ পৰিসমাপ্তি ঘটাবৰ কাৰণে ডেনছৰ ৰজা নীফৰ (Hneaf) ভনীয়েক হিল্ডেবুৰক ফ্ৰিছিয়ান নায়ক ফিন্‌ন (Finn) লৈ বিয়া দিয়ে, কিন্তু শান্তিৰ বিপৰীতে ফ্ৰিছিয়ান ৰাজপুৰীত অতিথি থৈ নীফক অনুচৰবৰ্গসহ নৃশংসভাবে হত্যা কৰি বংশানুক্ৰমে চলি থকা শত্ৰুতাৰ প্ৰতিশোধ লোৱা ঘটনা কথাপ্ৰসংগত বৰ্ণনা কৰিছে। (১০৬৪—)

(৭) ওপৰত হত্যা প্ৰতিশোধমূলক ঘটনাৰ সমান্তৰাল ঘটনা হৈছে ডেনছ (Danes) আৰু হিথ'বাৰ্ডৰ মাজত প্ৰচলিত থকা বহুদিনীয়া শত্ৰুতা বিবাহৰ যোগেদি সামৰণি মৰাৰ ব্যৰ্থ প্ৰচেষ্টা। হিথ'বাৰ্ডবিলাকৰ অধিপতি ইন্‌গেল্ডৰ বাপেক ফ্ৰ'ডাক ডেনছসকলে বিশ্বাসঘাতকতা কৰি হত্যা কৰিছিল, গতিকে শত্ৰুতা বংশানুক্ৰমে চলিছিল। কিন্তু হুথ্‌গাৰৰ দিনৰ এই শত্ৰুতাৰ অৱসান ঘটাবলৈ জীয়েক ফ্ৰীৱাৰুক ফ্ৰোডাৰ পুতেক ইন্‌গেল্ডলৈ বিয়া দিয়ে। কিন্তু এই বিবাহে শান্তি প্ৰতিষ্ঠা নকৰি প্ৰতিশোধৰ ভাৱ দুগুণে জ্বলাই তোলে। হিথ'বাৰ্ডবোৰে হুথগাৰৰ ৰাজ্য আক্ৰমণ কৰি ৰাজপ্ৰাসাদ 'হেৰট' জুই দি ভস্ম কৰে। (২০২৬—২০৬০)

(৮) ছুইডিছ ৰাজকোঁৱৰ হেথকিনে অজানিতে ভায়েক হেৰেবীল্ডক হত্যা কৰাৰ ঘটনা (২৪৭৮—২৪৮৮)।

(৯) ফ্ৰিছিয়ান ৰজা ফিন্‌ন আৰু ইংলণ্ডৰ কেণ্ট দখল কৰা জুটসকলৰ নায়ক হেন্‌জেষ্টৰ মাজৰ সংঘাতৰ বিৱৰণ (১১৪২—১১৬০)। নীফ্‌ হত্যাৰ প্ৰতিশোধ গ্ৰহণ আৰু নীফৰ ভনীয়েক হিল্ডেবুৰ্গৰ স্বদেশলৈ প্ৰত্যাবৰ্ত্তন।

প্ৰাসংগিক কথা বা ঘটনাবোৰৰ বিৱৰণ বাহুল্য ভাবে নাই। উদাহৰণ স্বৰূপে ছিগেমণ্ড গাঁথাই তেইশ শাৰী (lines), ফিন্‌ন আৰু হেন্‌জেষ্টৰৰ সংঘৰ্ষই চাৰি কুৰি লাইন, হিথ'বাৰ্ড আৰু ডেনিছবিলাকৰ বিৰোধৰ বৰ্ণনাই পঞ্চাশ লাইন (২০২০—২০৬৯) লৈছে। কাব্যখনৰ সৰ্বমুঠ তিনিহাজাৰ লাইনৰ ভিতৰত প্ৰাসংগিক কথাৰ বৰ্ণনাই প্ৰায় পাঁচশ লাইন মান সামৰি লৈছে। ইয়াৰ সৰহভাগেই চাৰণ (bard minstrel) কবিৰ সামূহিক সমাজত গোৱা গীতিমূলক বৰ্ণনাৰ মাধ্যমত প্ৰকাশ কৰিছে। 'বেওৱাল্‌ফ' মূলতঃ bard poetry আছিল পাছত তাক সংস্কৃত আৰু বৰ্দ্ধিত ৰূপত গঢ় দিয়ে। সমালোচক সকলে কয় যে ৰামায়ণ, মহাভাৰত, ইলিয়াড, ওডিছিও প্ৰাথমিক পৰ্যায়ত এনে চাৰণ কবিৰ ৰচনাৰ ভেটিতে ক্ৰমপৰিণতি লাভ কৰিছিল, এই কাৰণেই মূল বা আধিকাৰিক কাহিনীৰ লগত কিছুমান গৌণ প্ৰাসংগিক উপাখ্যান মূল কাহিনীৰ লগত অন্তৰংগতা স্থাপন নকৰাকৈ জাপি যোৱাৰ প্ৰৱণতা epic of growth কেইখনত লক্ষ্য কৰা যায়। অৱশ্যে এই প্ৰাসংগিক কথাই চৰম অৱস্থা পাইছে আমাৰ মহাভাৰতত। ইংৰাজীত কবলৈ গলে, এনে প্ৰাসংগিক উপাখ্যান অৱতাৰণা কৰাৰ প্ৰধান উদ্দেশ্য হৈছে to point a moral or adorn a tale. উদাহৰণ স্বৰূপে 'বেওৱাল্‌ফ'ত এংগ্‌লেছৰ ৰজা ওফা (Offa) আৰু তেওঁৰ দুন্দুৰী আৰু নিষ্ঠুৰা ৰাণী থ্ৰীঠ (Thryth)-ৰ কথা প্ৰসংগক্ৰমে উল্লেখ কৰিছে। ওফা ডেকা বয়সত আছিল অলস, কিন্তু লাহে লাহে চৰিত্ৰৰ পৰিৱৰ্ত্তন ঘটি কৰ্মঠ, সাহসী আৰু সংলোকত পৰিণত হয়। এওঁৰ চৰিত্ৰটোৰ লগত বেওৱাল্‌ফৰ যৌৱনৰ প্ৰাৰম্ভত কটোৱা অলস জীৱন, আৰু পাছত কৰ্মনিষ্ঠ, সৎসাহসী কৰ্ত্তব্যপৰায়ণ ব্যক্তি, ন্যায়নিষ্ঠ প্ৰশাসক, আৰু প্ৰজাৰঞ্জক ৰজাৰূপে প্ৰতিভাত হোৱা ভাৱমূৰ্ত্তিৰ সাদৃশ্য আছে। সেই দৰে, হাইগেলাকৰ পত্নী হাইগিডৰ লগত উচ্ছৃংখল; দুন্দুৰী ৰাণী থ্ৰীঠৰ বৈপৰীত্যও মন কৰিবলগীয়া। অৱশ্যে শেষৰ ফালে থ্ৰীঠৰ আমূল চাৰিত্ৰিক পৰিৱৰ্ত্তনো মন কৰিবলগীয়া বৈশিষ্ট্য। আমাৰ মহাভাৰতৰ নল-দময়ন্তী বা সাৱিত্ৰী-সত্যৱান কাহিনীৰ লগত যেনেকৈ কুৰুপাণ্ডৱৰ যুদ্ধৰ কোনো সম্পৰ্ক নাই, তেনেকৈ 'বেওৱাল্‌ফ' কাব্যতো ওপৰত উল্লেখ কৰা কাহিনীবোৰৰ প্ৰত্যক্ষ সংযোগ নাই। সেইবোৰে কাব্যখনৰ বৈচিত্ৰ্য সৃষ্টি কৰাৰ লগতে মূল বা কাব্যকাহিনীৰ ঘটনা বা চৰিত্ৰ সম্পৰ্কে একপ্ৰকাৰ পৰোক্ষ টিপ্পনী বুলি কব পাৰি।

ওপৰে ওপৰে খৃষ্টীয় ধৰ্মৰ বহণ এটা দশম শতাব্দীত লিপিবদ্ধ হোৱা কাব্যৰ প্ৰথম উদ্ধাৰ হোৱা পাঠটোত পোৱা যায়। অষ্টম শতাব্দীতে এই কাব্যই লিখিত

Beowalf, in fact, so full of anticipation, comparisons, and flashbacks which lends its vent fullnes and roundness(Introduction to Beowult, P. 42.

ৰূপ পায় বুলি কোৱা হৈছে যদিও অষ্টম নৱম শতাব্দীৰ কোনো প্ৰতিলিপি এতিয়াও উদ্ধাৰ হোৱা নাই। দশম শতাব্দীৰ প্ৰতিলিপিৰ ভিত্তিতে পৰৱৰ্ত্তী কালত ইংৰাজীলৈ অনূদিত হোৱা বিভিন্ন সংস্কৰণ (versions) পোৱা যায়। প্ৰকৃততে চাৰণ কবি বা ভ্ৰমণশীল গায়কৰ (wandering minstrel) দ্বাৰা ৰচিত মূল পাঠৰ পটভূমি প্ৰাক্-খৃষ্টিয়ান কালৰ টিউটনিক, স্কাণ্ডেনেভিয়া অৰ্থাৎ বৰ্ত্তমান নৰৱে, ডেনমাৰ্ক, ছুইডেন আৰু উত্তৰ জাৰ্মানীত প্ৰচলিত জনশ্ৰুতিমিশ্ৰিত ইতিহাসৰ ওপৰত প্ৰতিষ্ঠিত। যুক্তৰাজ্যৰ (United Kingdom) ইতিহাসৰ লগত ইয়াৰ সম্বন্ধ নাই বুলিলেও হয়। কাব্যখনত পাতল খৃষ্টিয়ান প্ৰলেপ এটা দিয়া সত্ত্বেও অখৃষ্টিয়ান বিশ্বাস, আচৰণ, প্ৰতিশোধপৰায়ণতা, গোষ্ঠীসংঘৰ্ষৰ অধঃক্ষেপ বৰ্ণনাৰ ঠায়ে ঠায়ে লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে বেওৱালফৰ মৃতদেহ দাহ কৰা দেখুৱাইছে আৰু চিতাভস্ম অস্থি সঞ্চয়ন কৰি তাৰ ওপৰত এটা বিৰাট মৈদাম (barrow), বহু দূৰৰ পৰা চকুত পৰাকৈ নিৰ্মাণ কৰে, খৃষ্টিয়ান প্ৰথা মতে কবৰ দিয়া নাই। তদুপৰি খৃষ্টপূৰ্ব প্ৰতিশোধনীতি, **an eye for an eye and a tooth for a tooth** (দাঁতৰ সলনি দাঁত, চকুৰ সলনি চকু লোৱা), যিটো 'পুৰণি নিয়ম' (Old **Testment**) ইহুদিবোৰৰ মাজত দেখা যায় সেই নীতিৰ প্ৰয়োগ কাব্যখনৰ প্ৰাসংগিক উপাখ্যান বা উপকথাৰ বৰ্ণনাত দেখা যায়। পুৰুষানুক্ৰমে চালি থকা বংশগত বা গোষ্ঠীগত শত্ৰুতা আৰু প্ৰতিশোধপৰায়ণতাৰ ওপৰত উল্লেখ কৰি অহা ৰীতিৰে এক অভিব্যক্তি।

কাব্যখনত দেখুওৱা তিনিটা অমানৱ দৈত্যই কাহিনীটোক আদিম লোক-বিশ্বাসৰ স্তৰলৈ আমাক লৈ যায়। গ্ৰীক লোক ঐতিহ্যত বা আন আন দেশৰ আদিম লোক বিশ্বাসত এনে দৈত্য, দানৱ, ৰাক্ষসৰ অস্তিত্ব মানি লোৱা দেখা যায়। ভাৰতীয় ৰামায়ণ, মহাভাৰত, পুৰাণ আদিত এনে ভয়াবহ অমানৱৰ অত্যাচাৰ-উৎপীড়ন আৰু শেহান্তৰত সিহঁতৰ নিধন প্ৰদৰ্শন নকৰাকৈ থকা নাই। গ্ৰেণ্ডেল, তাৰ মাক আৰু গীয়েছটত হত্যাকাণ্ড সংঘটিত কৰা সৰ্পাকৃতি ড্ৰেগনৰ ভয়ানক জিঘাংসাৰ কোনো যুক্তিসংগত কাৰণ নাই, ই সিহঁতৰ স্বভাৱজাত। সেই কাৰণেই কোনো সমালোচকৰ দৃষ্টিত বেওৱালফৰ কাহিনী ৰূপকাত্মক। ইয়াত প্ৰদৰ্শিত তিনিটা অদ্ভূত ৰাক্ষসৰ দৰে প্ৰাণী অসৎ আৰু অমানবীয় প্ৰবৃত্তিৰ প্ৰতীক আৰু বেওৱালফ মানবীয় সৎ প্ৰবৃত্তিৰ চাক্ষুষ প্ৰতীক বুলি গণ্য কৰিছে। খৃষ্টিয়ান **chivalry**-ত আৰ্ত্তজনক বিপদত উদ্ধাৰ কৰাৰ যি ব্ৰত **Knight** সকলে গ্ৰহণ কৰিছিল তাৰ স্পষ্ট প্ৰতিফলন নঘটিলেও সেই আদৰ্শ বহু পৰিমাণে দশম শতাব্দীৰ প্ৰতিলিপিত প্ৰতিধ্বনিত হৈছে। হ্ৰথ্‌গাৰ আৰু বেওৱালফৰ উক্তিত এনে জ্ঞানগৰ্ভ নীতিমূলক আদৰ্শৰ কথা ঠায়ে ঠায়ে প্ৰকাশ পাইছে (ভু-লাইন-১৭২৫—১৭৬৫, ২৭২৪—২৭৪০)। হ্ৰথ্‌গাৰৰ মুখেদি প্ৰকাশ পোৱা এনে ধৰণৰ উক্তি এটা উদ্ধৃত কৰা হ'ল।

"It is wonderful to recount
how in his magnanimity the Almighty God
deals out wisdom, dominion and lordship
among mankind. The Master of all things
well sometimes allow to the soul of man
of well-known kindred to wander in delight :
He will grant him earth's bliss in his own homeland
the sway of fortress city of his people,
and give him to rule regions of the world,
wide kingdome : he cannot imagine
in his unwisdom that an end will come.
His life of bounty is not blighted by hint
of age and ailment ; no evil care
darkens him mind, malice nowhere
bases his sword-edge : worse is not looked for,
At last his part of pride within him
waxes and climbs, the watchman of the soul
slumbering the while. That sleep is too deep
tangled in its cares ! Too close is its slayer
who shoots the wicked shaft from its low,
for all his armour he is unable to protect himself.
The insidious bolt buries in his chest
the crooked counsels of the accursed one'.
What he has so long enjoyed he rejects as too little ;
in niggardly anger renounces his lordly
gifts of guilt torque, forgets and misprises
his foreordained part, endowed thus by God,
the Master of Glory, with these great bounties.
And ultimately the end must come,
the frail house of flesh must crumble
and fall at its hour.
Beloved Beowulf, best of warriors,
resists the deadly taint, take what is better
your lasting profit. Put away arrogance,

noble fighter. The noon of your strength
shall last for a while now, but in a little time
sickness or sword will strip it from you,
either unfolding flame or a flood billow
or a knife stab or a stoop of a spear
or the ugliness of age. Death shall soon
have beaten you then, O brave worrior."

সমস্ত উদ্ধৃতিটোৰ অনুবাদ দিবলৈ নগৈ হুথগাৰৰ উপদেশৰ মৰ্মাৰ্থ দিলেই যথেষ্ট হব। মৃত্যু অনিবাৰ্য, ইয়াক, কোনেও এৰাই যাব নোৱাৰে। জৰা, ব্যাধি যুদ্ধ, আকস্মিক দুৰ্ঘটনা, বাৰ্দ্ধক্য আদি যি কোনো কাৰণতে নহওক এদিন মৃত্যুৱে গ্ৰাস কৰিবই। কিন্তু যৌৱন, দৈহিক শক্তি, ধন-সম্পদ আৰু ক্ষমতা আদিয়ে মানুহৰ মন এনেকৈ আচ্ছন্ন কৰি ৰাখে যে অহংকাৰ আৰু লোভৰ বশৱৰ্ত্তী হৈ স্ৰজনকৰ্ত্তাক পাঁহৰি যায়। তেওঁৰ অনুগ্ৰহ, দান আৰু দয়াৰ কথা স্মৰণ নকৰে। জ্ঞান-বিবেক আদি ঈশ্বৰদত্ত প্ৰবৃত্তিবোৰৰ সদ্ব্যৱহাৰ নকৰি মোহান্ধ হৈ নৰকগামী হয়। সেই কাৰণে, অহংকাৰ-গৰ্ব পৰিত্যাগ কৰি ভগৱানৰ দানৰ উচিত ব্যৱহাৰ কৰা উচিত। হুথ্গাৰৰ ওপৰৰ উপদেশখিনিত এগৰাকী অতিথি-পৰায়ণ অভিজ্ঞতালব্ধ ঈশ্বৰবিশ্বাসী আৰু কৃতজ্ঞ ৰজাৰ পৰিচয় পাওঁ। হুথ্গাৰৰ পত্নী ৱেলথীওৰ (Wealtheow) কাব্যখনৰ অন্যতম আকৰ্ষণীয় চৰিত্ৰ। তেওঁৰ ভূমিকা অতিথি-শুশ্ৰূষাতে সীমাবদ্ধ বুলি কব পাৰি। এই ক্ষণিক ভূমিকাতে বেওৱাল্ফ আৰু অন্য অতিথিসকলৰ মাজত হাতত সুৰা আৰু খাদ্যৰ পাত্ৰ লৈ ডেকা বয়সস্থ সকলোৰে মাজত সন্তোষ লগা কথাৰে অভ্যৰ্থনা জনাইছে। সেই কাৰণেই কবিয়ে ৰাণীক সৰ্বগুণ বিভূষিতা বুলি কৈছে (the flashing armed queen complete in all virtues) আন এটা সৰু কিন্তু আকৰ্ষণীয় চৰিত্ৰ হৈছে বেওৱাল্ফৰ শেষ যুদ্ধৰ সহযোগী উইগ্লাফ (wiglaf). শেষমুহূৰ্ত্তলৈকে ড্ৰেগনৰ মণিমুক্তাই পোহৰাই ৰখা জলগৃহাত বেওৱাল্ফৰ মাৰাত্মক যুদ্ধত সহযোগী ৰূপে সকলো বিপদৰ সম্মুখীন হৈছে। বেওৱাল্ফ মৃত্যুৰ পাছতো সংকাৰ কাৰ্য আদি সম্পন্ন কৰাত আগভাগ লৈছে।

Weoxtan's son Wiglaf
abides with Beowult there,
one earl waits on the other one lifeless.

বীৰগাঁথাৰ অন্যতম বৈশিষ্ট্য হৈছে বীৰসকলৰ, বিশেষকৈ প্ৰধান চৰিত্ৰৰ যশ, গৌৰৱ আৰু আত্মসম্মানৰ প্ৰতি সচেতনতা। বেওৱালফেও গোটেই জীৱনত, নিজৰ মৃত্যু আৰু বিপদলৈ আওকাণ কৰি ইয়াৰ সন্ধানতে ঘূৰিছে। এই শ্ৰেণীৰ কাব্যত হয় ভোজভাত, সুৰাপান, নহয় যুদ্ধ—এই দুইটাই প্ৰাধান্য লাভ কৰা দেখা যায়।

আন এটা বৈশিষ্ট্য এই কাব্যত লক্ষ্য কৰা যায়। গোষ্ঠীগত পুৰুষানুক্ৰমে চলি থকা শত্ৰুতা বিৱাহৰ সূত্ৰেৰে নিৰাময় কৰিবলৈ চেষ্টা কৰিলেও পুৰণা ক্ষতৰ দৰে বিৰোধে কোন সময়ত উক দিয়ে তাৰ স্থিৰতা নাই। স্কেণ্ডেনেভিয়ান বীৰগাঁথাৰ এইটো এটা বৈশিষ্ট্য। ইয়াৰে প্ৰতিধ্বনি বেওৱাল্ফৰ প্ৰাসংগিক কাহিনীত লক্ষ্য কৰা যায়।

বেওৱাল্‌ফৰ অন্যতম ইংৰাজী অনুবাদক মাইকেল এলেক্সজেণ্ডাৰে কাব্যখনত ৰূপকাৰ্থও নিহিত থকা লক্ষ্য কৰি লিখিছে—

"The main story of Beowulf is of a hero who braves two life or death ordeals against monsters who had killed all previous opponents and dies in a third encounter with a dragon whom he also succeeds in killing The three fights are encounters with death in different shapes ; they take place in extreme and strange situations where the hero is out of his natural elements. This folk tale may once have been a myth the ordeals may have related to rituals in which Beowulf was a shaman passing beyond the human limits or a culture hero dying to save the dragon's gold representing the grain in the earth—such speculation, if inconclusive, is inevitable. Much of the power of the story comes from the obscure level, but whatever it origin, the main subject of Beowulf as it stands, is the human challenge to death, and the glorious and tragic potentialities of that challenge. It is quite obvious why we are thrilled by Beowulf's challenge to the dragon." (Introduction, p-30)

ওপৰৰ উদ্ধৃতিটোৰ অনুবাদ এনে ধৰণৰ :

বেওৱাল্‌ফৰ প্ৰধান কাহিনীটো এনে এজন বীৰৰ কাহিনী যিজনে দুবাৰ হয় বিজয় নহয় মৃত্যুৰ ভয়াৱহ সংকটক সাহসেৰে সম্মুখীন হৈ দৈত্যক বধ কৰি তৃতীয়বাৰ মৃত্যু বৰণ কৰে। অৱশ্যে দৈত্যকো বধ কৰে। এই তিনিওখন যুদ্ধ মৃত্যুৰ লগত যুদ্ধ বুলিব পাৰি—বিভিন্ন ৰূপত। এই যুদ্ধ কেইখন আচৰিত আৰু অতিশয় অপৰিচিত পৰিবেশত অনুষ্ঠিত হৈছিল, স্বাভাৱিক অৱস্থাত নহয়। এই লোক কাহিনীটো হয়তো আদিতে ৰূপকথা বা myth আছিল, আৰু সম্মুখীন হোৱা ভয়াৱহ পৰীক্ষাও হয়তো যাদুধৰ্মী আচাৰ আছিল য'ত বেওৱাল্‌ফে দেওলম্ভা ব্যক্তিৰ কাম কৰিছিল যি সৰ্বসাধাৰণ মানৱৰ অভিজ্ঞতা বা সংসাৰ অতিক্ৰম

কৰি ড্ৰেগনৰ সঞ্চিত মণিমুক্তা অৰ্থাৎ শস্য ৰক্ষা কৰিছিল। এই অনুমানে স্থিৰ সিদ্ধান্ত নিদিলেও এনে অনুমান অৱশ্যম্ভাবী। কাহিনীটোৰ শক্তি আহৰণ কৰিছে অপৰিজ্ঞাত বা অপৰিচিত উৎসৰ পৰা। কিন্তু যিয়েই ইয়াৰ মূল উৎস নহওক। বেওৱাল্ফক এতিয়া আমি যেনে ধৰণে পাইছোঁ, সেয়া মানৱৰ মৃত্যুৰ প্ৰতি প্ৰত্যাহ্বান। এই কথা স্পষ্ট, কিয় আমি বেওৱাল্ফৰ ৰাক্ষসৰ প্ৰতি প্ৰত্যাহ্বানৰ দ্বাৰা ৰোমাঞ্চিত হও*।

সপ্তম অধ্যায়

ৰোলাগুৰগীত (ৰোলাঁৰ গীত)

সপ্তম অধ্যায়

ৰোলাণ্ডৰ গীত (ৰোলাঁৰ গীত)

'ৰ'লাণ্ডৰ গীত' (The song of Roland) প্ৰাচীন ফৰাচী ভাষাত ৰচিত এখন মহাকাব্য। ইয়াৰ ফৰাচী নাম হৈছে Chanson de Roland আৰু এই কাব্যত সৰ্বমুঠ২৯১টা স্তৱক আৰু চাৰি হাজাৰ দুটা লাইন বা শাৰী আছে। এই মহাকাব্যৰ কবি কোন সেই বিষয়ে সঠিক সিদ্ধান্ত কোনেও দিব পৰা নাই। কাব্যখনৰ শেষত এটা অসমাপ্ত বাক্যত টুৰোলদাস (Turoldus) নামৰ এজন ব্যক্তিৰ উল্লেখ আছে। লাইনটো এনে :

Here ends in the Geste, Turoldus would recite
(ci faut la Geste ke Turoldus declinet)

মূল ফৰাচী ভাষাত declinet শব্দৰ অৰ্থ ৰচনা কৰা, আবৃত্তি কৰা বা গোৱা দুয়োটা বুজায়, নাইবা নকল কৰাও বুজাব পাৰে বুলি ইংৰাজ অনুবাদিকা ডৰথী ছেয়াৰে মত প্ৰকাশ কৰিছে। গতিকে কাব্যখনৰ স্ৰষ্টা সম্পৰ্কে সঠিক ধাৰণা কৰা নাযায়। এই কাব্যখন খৃষ্টীয় একাদশ শতিকামানতে বৰ্ত্তমানপ্ৰাপ্ত ৰূপ পৰিগ্ৰহ কৰে বুলি ভাষা আৰু ইয়াত বৰ্ণিত পৰিৱেশে প্ৰমাণ দাঙি ধৰে। কিন্তু বৰ্ণনীয় বিষয়ৰ অৰ্থাৎ কাহিনীৰ আঁতি-গুৰি একাদশ শতাব্দীৰো যে তিনিশ বছৰৰ আগৰ সেই কথা ঐতিহাসিক তথ্যই দেখুৱাই দিয়ে।

ঐতিহাসিক পটভূমিটো দৰাচলতে অষ্টম শতিকাত সম্ৰাট চাৰ্লমেনৰ দিনত স্পেইন আৰু ফ্ৰান্সৰ মাজত হোৱা যুদ্ধ এখনৰ ভিত্তিত গঢ়ি উঠে। ৭৭৭ খৃষ্টীয় শকত স্পেইনত খোপনি পোতা ইছলাম ধৰ্মাৱলম্বী ছাৰাচেন (Saracen) ৰজাই তেওঁৰ শত্ৰুৰ বিৰুদ্ধে ফৰাচী সম্ৰাটলৈ সহায় খুজি এটা সংজাতি দল পঠায়। সম্ৰাট চাৰ্লমেনে সেই অনুৰোধ ৰক্ষা কৰি সৈন্য সামন্ত লৈ স্পেইনলৈ যাত্ৰা কৰে। সৈন্য বাহিনীক দুটা ভাগত বিভক্ত কৰি এটা পীৰেনিজ পাহাৰ অতিক্ৰম কৰি জেৰোনা চহৰৰ ফালে আক্ৰমণ কৰিবলৈ পঠায় আৰু আনটোক নিজৰ অধীনত পাম্পেলুনা চহৰৰ ফালে আগবঢ়াই নিয়ে। দুয়োটা দল নিৰ্দিষ্ট পথেদি আগবাঢ়ি গৈ ছাৰাগোছাত সংযুক্ত হয়, জেৰোনা আৰু পাম্পেলুনা যাওঁতে অধিকাৰ কৰি যায়। ছাৰাগোছা নগৰ অৱৰোধ কৰে, কিন্তু অৱৰোধ চলি থাকোতেই ফ্ৰান্সৰ সীমান্তবাসী ছেক্সনবিলাকে বিৰোধ বিদ্ৰোহ আৰম্ভ কৰাত ছাৰাগোছাৰ অৱৰোধ উঠাই ফ্ৰান্সৰ অভিমুখে প্ৰত্যাৱৰ্ত্তন কৰোঁতে পীৰেনিজ পৰ্বতত বিশ্বাসঘাতকতা কৰি

ছাৰাচেনবোৱে পাছফালৰ পৰা আক্ৰমণ কৰে। এটা গিৰিসংকটত আকস্মিক আক্ৰমণৰ ফলত চাৰ্লমেনৰ পশ্চাদগামী সৈন্যদল সমূলে ধ্বংস হয় আৰু বহুতো ৰছদপাতি, যুদ্ধ সমল বাছক সৈন্যই হস্তগত কৰে। এই ঘটনাটো নৱম শতিকাৰ এজিলহাৰ্ড নামৰ ঐতিহাসিকে বৰ্ণনা প্ৰসংগত উল্লেখ কৰিছে যে এগ্গিহাৰ্ড (Eggihardt), আনছেলাম আৰু বীৰ ৰোলাণ্ডকে আদি কৰি ভালে কেইজন ফৰাচী বীৰ সৈন্যাধ্যক্ষ বিশ্বাসঘাতক পশ্চাদঘাতীৰ আক্ৰমণত নিহত হয়।

ওপৰত চমুকৈ উল্লেখ কৰা ঘটনাৰ ভেটিটিতে একাদশ শতিকাৰ জনমহাকাব্যখনৰ সৌধ নিৰ্মিত হৈছে আৰু তিনিটা শতাব্দীত জমা হোৱা কিম্বদন্তী, জনশ্ৰুতিৰ সমল সুবিধামতে প্ৰয়োগ কৰি ইয়াক ৰচনা কৰা হৈছে। গতিকে প্ৰকৃত ঐতিহাসিক ঘটনাৰ পৰা ঠায়ে ঠায়ে কাব্যখন আঁতৰি অহাটো একো আচৰিত নহয়। কাব্যখনৰ কাহিনীৰ এটি বিৱৰণ তলত দাঙি ধৰা হ'ল।

চাৰ্লমেনে সাত বছৰ ধৰি কৰ্ডোভা নগৰ অৱৰোধ কৰিছে। এই নগৰৰ বাহিৰে স্পেইনৰ কোনো দুৰ্গ বা চহৰে তেওঁৰ বিজয় অভিযানক বাধা দিব পৰা নাই। মহম্মদ অনুগামী মাৰ্ছিলিয়ন ছাৰাগোছাৰ অধিপতি। চাৰ্লমেনৰ দীৰ্ঘকালীন আক্ৰমণ আৰু অৱৰোধত ভগ্নোৎসাহ হৈ মাৰ্ছিলিয়ানে তেওঁৰ সৈন্যাধ্যক্ষ মন্ত্ৰী সভাসদক মাতি যুদ্ধ নিবৃত্তিৰ উপায় বিচৰাত ব্লাংকেন্দ্ৰিন (Blancandrin) নামৰ চতুৰ জ্ঞানী সৈন্যপতিয়ে বুদ্ধি দিয়ে যে চাৰ্লমেনক বহু উপঢৌকনসহ সন্দেশপত্ৰ সহ সন্ধিৰ প্ৰস্তাৱ দি তেওঁক সৈন্যসহ ফ্ৰাণ্ডলৈ উভতি যাবলৈ অনুৰোধ জনাব লাগে, তেওঁৰ লগত ওল বা জামিন ৰূপে যাব একুড়ি ছাৰাচেন সম্ভ্ৰংশজাত কুমাৰ। লগতে জনাব যে মাইকেলমাছ উৎসৱত ছাৰাচেন সম্ৰাটে প্ৰভূত উপঢৌকনসহ চাৰ্লমেনৰ ৰাজধানীলৈ গৈ ফ্ৰাণ্ডৰ বশ্যতা স্বীকাৰ কৰি খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰিব। ব্লাকেন্দ্ৰিনৰ পৰামৰ্শ মানি ছাৰাগোছাৰ সম্ৰাট মাৰ্ছিলিয়ানে দহজন মুখিয়াল সৈন্যাধ্যক্ষ মন্ত্ৰীক আহ্বান কৰি অৱৰোধকাৰী সম্ৰাটৰ ওচৰলৈ শান্তিৰ প্ৰস্তাৱ পঠায় আৰু লগতে পঠায় বহু উপহাৰ আৰু জামিন স্বৰূপে দিয়া কুমাৰ কুৰিজন। কাৰ্ডোভা চহৰ অধিকাৰ কৰি আনন্দ উৎসৱত মগ্ন থকা অৱস্থাত ছাৰাগোছৰ সন্ধি প্ৰস্তাৱ বহনকাৰী ছাৰাচেন মুখিয়াল কেইজনে যথাৰীতি সম্ৰাটক লগ ধৰি সন্ধিৰ প্ৰস্তাৱ দাঙি ধৰে আৰু জামিন স্বৰূপে দিব খোজা যুৱক কেইজনক আগবঢ়াই দিয়ে। চাৰ্লমেনে প্ৰস্তাৱ শুনি পাছ দিনা উত্তৰ জনাব বুলি কৈ ছাৰাচেন দূতসকলক জিৰণি লবলৈ পঠাই দিয়ে। পাছদিনা নিজপক্ষৰ মুখ্য নায়ক অগিয়াৰৰ ডিউক, আৰ্কবিছপ টাৰ্পিন (টুৰ্পা) (Turpin), জ্যেষ্ঠ ৰিছাৰ্ড, তেওঁৰ ভতিজাক হেনৰি কাউণ্ট এচেলিন, মাইলছ লৰ্ড টিবেল্ড (Tibbald), গেৰিন, গেৰিয়াৰ, মহাবীৰ ৰোলাণ্ড (ৰোঁলা) তেওঁৰে সমকক্ষ অলিভাৰ আৰু সৰ্বশেষত গানেলোনকে (গানেলোঁ) প্ৰমুখ্য কৰি পাৰিষদ বৰ্গক মাতি আনি ছাৰচেনৰ সন্ধিৰ প্ৰস্তাৱ দাঙি ধৰি পৰামৰ্শ বিচাৰে। লগতে মাইকেলমাছৰ পৰ্বত ছাৰাচেন ৰজা আৰু অনুচৰ বৰ্গই ফ্ৰাণ্ডৰ ৰাজধানীলৈ আহি খ্ৰিষ্টধৰ্ম গ্ৰহণ কৰিবলৈ প্ৰতিশ্ৰুতি পঠাইছে সেই কথাও জনায়।

সম্রাটৰ কথা শুনি বীৰ ৰোঁলাই সাৱধানসূচক প্ৰত্যুত্তৰ দি কয় যে ছাৰাচেন-বিলাকে আগতে একাধিকবাৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰি বিশ্বাসঘাতকতা কৰি বিপদত পেলাইছিল। গতিকে সন্ধিৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰি যুদ্ধ চলাই যাব লাগে। ৰোঁলাৰ পাছত গানেলনে থিয় হৈ কয় যে উদ্ধত ডেকা ল'ৰাৰ কথাত সন্ধিৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰাটো সমীচীন নহ'ব। ছাৰচেন ৰজাই যদি ফ্ৰান্সৰ তলতীয়া ৰজাৰূপে স্পেইন দেশ শাসন কৰিব খোজে তেন্তে প্ৰস্তাৱটো গ্ৰহণ কৰা উচিত হ'ব। গানেলেনোঁৰ পৰামৰ্শ আন পাৰিষদবৰ্গই সমৰ্থন কৰাত সম্রাটে ছাৰাচেন ৰজাৰ ৰাজধানী ছাৰগোছালৈ সন্ধিৰ চৰ্তলৈ কোন যাব এই বিষয়ে সোধাত প্ৰথমতে আৰ্কবিছপ টাৰপিনে (টুৰ্পাই) নিজকে আগবঢ়াই দিয়াত সম্রাটে তেওঁক বহুৱাই থয়। তাৰ পাছত ৰোঁলা আৰু অলিভাৰে ক্ৰমে ছাৰগোছালৈ ৰাজদূত হৈ যাবলৈ ওলায় যদিও সম্রাটে তেওঁলোকক পঠাবলৈ অমান্তি হয়। এনে অৱস্থাত ৰোলাঁই প্ৰস্তাৱ কৰে যে তেওঁ সতীয়া পিতৃ (step-father) গানেলোনক ছাৰগোছালৈ পঠাব লাগে। এই প্ৰস্তাৱত নাইটজন জ্বলি উঠি ৰোলাঁক সম্বোধন কৰি কলে— "মই যদি মাৰ্ছিলিয়ানৰ ৰাজসভাৰ পৰা নিৰ্বিঘ্নে উভতি আহিব পাৰোঁ তেন্তে তোমাক জীৱনত পাঁহৰি নোযোৱাকৈ এশিকনি দিম"।

> If God but grant I ever thence come back
> I'll wreak on thee such ruin and such wreak,
> That thy life-long my vengeance shall not slack.

গানেলোনৰ (গানেলোঁ) কথাত ৰোঁলাই কেৱল এটা বিদ্ৰূপৰ হাঁহি মাৰিলে। গানেলোনে নাবালক পুত্ৰক সম্রাটক গটাই ক্ৰোধপৰৱশ হৈ ছাৰগোছালৈ যাবলৈ প্ৰস্তুত হ'ল। কিন্তু যোৱাৰ আগতে ৰোঁলা, অলিভাৰ আৰু তেওঁলোকৰ লগৰীয়াবোৰক ভৰ্ৎসনা কৰি নকৰি নাথাকিল। সম্রাটে ৰাজমোহৰ মৰা চিঠি আৰু ৰাজদূতৰ দণ্ড (wand) তেওঁৰ হাতত দি বিদায় দিয়ে। অনুচৰসকলক উপদেশ দি তেওঁ যাত্ৰা কৰি ছাৰগোছাৰ পৰা যোৱা সন্ধিকামী ছাৰাচেনদলৰ লগত আগবাঢ়ে। পথত ব্লাক কেন্দ্ৰিনৰ লগত গানেলোনৰ বন্ধুতা গঢ়ি উঠে আৰু দুয়ো ষড়যন্ত্ৰ কৰে কেনেকৈ ৰোঁলাক বধ কৰিব পৰা যায় তাৰ উপায় চিন্তে, কাৰণ ফ্ৰান্স বাহিনীৰ শক্তি-সামৰ্থ্য ৰোঁলাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল আছিল।

ছাৰগোছাত গানেলোনে মাৰ্ছিলিয়নৰ ৰাজসভাত সম্রাট চাৰ্লমেনৰ সন্ধিৰ চৰ্ত নিৰ্ভীকভাৱে ব্যক্ত কৰাত ছাৰাচেন ৰজা উত্তেজিত হৈছিল যদিও পাৰিষদবৰ্গৰ সময়োচিত উপদেশত নিজকে সংযত কৰে। ৰাজকীয় চাবমোহৰ মৰা চিঠিখন দিয়াৰ উপৰিও মুছলিম শাসকজনৰ ভয়াবহ পৰিণতিৰ কথা বঢ়াই বৰ্ণনা কৰে। মাৰ্ছিলিয়নৰ প্ৰশ্নৰ উত্তৰত সম্রাট চাৰ্লমেনৰ শক্তি পৰাক্ৰম, দুশ বছৰীয়া দীৰ্ঘ পৰমায়ু, ৰোঁলা, অলিভাৰ আদি বীৰ সেনাধ্যক্ষসকলৰ যুদ্ধনৈপুণ্য, বিশেষকৈ ৰোঁলাৰ বীৰত্বই যে ফ্ৰান্স সম্রাটৰ প্ৰধান আশ্ৰয়—এই সকলোবোৰ বিৱৰি কয়।

গানেলোনে আৰু কয়, যে সম্রাটৰ সন্ধিৰ চৰ্ত্ত আপাততঃ মানি ললে সম্রাট সৈন্যসহ নিজ ৰাজ লৈ উভতি যাব, যাওঁতে প্ৰধান বাহিনীক পীৰেনিজৰ গিৰিসংকটত আগবাঢ়িবলৈ দি ৰোঁলা আৰু অলিভাৰৰ নেতৃত্বত এদল সৈন্য পশ্চাদ্ ৰক্ষীৰূপে পাছে পাছে যাবলৈ নিৰ্দেশ দিব। এই পশ্চাদ ৰক্ষী বাহিনীক যদি আতৰ্কিতে বহু সৈন্য লৈ আক্ৰমণ কৰি ৰোঁলা, অলিভাৰ, টাৰপিন (টুৰ্পা) আদিক হত্যা কৰিব পৰা যায়, তেন্তে চাৰ্লমেনৰ শক্তি হ্ৰাস পাব আৰু দুনাই স্পেইন আক্ৰমণ কৰিবলৈ সাহস নকৰিব।

গানেলোনৰ বিশ্বাসঘাতক উক্তিয়ে ছাৰাচেন সম্রাট মাৰ্ছিলিয়ন আৰু ভেওঁৰ অনুচৰ বৰ্গক উৎফুল্লিত কৰে আৰু সহায়ৰ প্ৰতিদান স্বৰূপে বহুমূলীয়া উপহাৰ প্ৰদান কৰে। সন্ধিসূত্ৰৰ চৰ্ত্ত অনুসৰি প্ৰত্যাবৰ্ত্তনমুখী ফ্ৰেঞ্চ ৰাষ্ট্ৰদূতজনৰ লগত নানা উপঢৌকনসহ জামিন ৰূপে ফ্ৰাঞ্চৰ ৰাজধানীলৈ পঠাব খোজা ছাৰাচেন কুমাৰ সকলকো পঠোৱাৰ ব্যৱস্থা কৰে। যথাসময়ত মাৰ্ছিলিয়নৰ সজাঁতিদল উপঢৌকন সহ চাৰ্লমেনৰ ওচৰত উপস্থিত হয় আৰু গানেলোনে ছাৰাচেন ৰজাই দিয়া প্ৰতিশ্ৰুতি, অধীনতাস্বীকাৰ, খ্ৰিষ্টান ধৰ্মগ্ৰহণ কৰাৰ অভিলাষ আদি কথা বিবৰি কয় আৰু জামিন স্বৰূপে পঠোৱা যুবক কেইজনক চমজাই দিয়ে। চাৰ্লমেনে গানেলোনক (গানেলোঁক) পুৰস্কৃত কৰি নিজ ৰাজ্যলৈ উভতি যোৱাৰ ব্যৱস্থা হাতত লয় আৰু গানেলোনৰ উপদেশ মতেই সৈন্যবাহিনীক দুটা দলত বিভক্ত কৰি অগ্ৰামী দলটো অগিয়েৰ ডা- ডেনৰ অধীনত আৰু পশ্চাদগামী (rearguard) দলটো ৰোঁলাৰ নেতৃত্বত ফ্ৰেঞ্চবাহিনীক প্ৰত্যাবৰ্ত্তন কৰিবলৈ নিৰ্দেশ দিয়ে। কিন্তু ৰোলাঁক পাছৰ দলত এৰি যাব লগা হোৱাত সম্রাট আন্তৰিকভাৱে দুঃখিত হয়। ৰোঁলাৰ অলপীয়া সৈন্যৰ লগত কেবাজনো বিখ্যাত যশস্বী নায়কে যোগ দিয়ে। সেই সকলৰ ভিতৰত আছিল অলিভাৰ ওথন (Othon) বেৰেংগাৰ, এলছেইছ, এন্টৰ, জেৰাৰ্ড, জেইফাৰৰ ডিউক আৰু আৰ্কবিছপ টাৰ্পিন। ৰোঁলাই ৰেলটাৰ নামৰ সৈন্যাধ্যক্ষক এহেজাৰ বছা বছা সেনা দি গিৰিসংকট ৰক্ষাৰ ভাৰ প্ৰদান কৰে। চাৰ্লমেনৰ চাৰি লাখ সৈন্যৰ বিশ হেজাৰ সৈন্য আৰু ৰোঁলাকে প্ৰমুখ্য কৰি ১২ জন বীৰ তেজস্বী সেনানায়কক গিৰিসংকটত এৰি আহিব লগা হোৱাত আৰু ৰাতি দুঃস্বপ্ন দেখাত সম্রাটৰ মন চিন্তাত ভাৰাক্ৰান্ত হয়।

ইফালে মাৰ্ছিলিয়ানৰ আদেশক্ৰমে একলাখ সৈন্যৰ সমাবেশ হয়। এই বিৰাট বাহিনীৰ সৰ্বাধিনায়ক পতা হয় ৰজাৰ ভতিজাক এডেলৰথক। এওঁৰ লগত প্ৰসিদ্ধ বীৰ, সেনানায়ক বাৰজন লগ লাগে। এওঁলোকৰ প্ৰত্যেকজনেই বহু যুদ্ধৰ অভিজ্ঞ যোদ্ধা, সৈন্যাধ্যক্ষ আৰু দ্বন্দ্বযুদ্ধ আৰু বহু সৈন্যৰ মাজত সোমাই অকলশৰে আত্মৰক্ষা কৰাতো সুদক্ষ। এওঁলোক হ'ল ৰজা কোৰ্ছাব্লিছ, মেলপ্ৰমিছ বালাগুৱেটৰ আমীৰ, মৰিয়েনৰ অধিপতি আলমেঞ্জৰ, টটেলোছাৰ টুৰ্গিছ, ডালৰ্টানৰ এছক্ৰেমিজ, এন্টৰ্গেন, এষ্ট্ৰামাৰিন, ছেডাইলৰ মাৰ্গাৰিছ আৰু মুনিগাৰৰ

চার্নিউৱেছ। প্ৰত্যেক জনেই দৃঢ় প্ৰতিজ্ঞ হৈ ফ্ৰেঞ্চ সৈন্যক গিৰিসংকটৰ শলঠেকত পেলাই নিৰ্মূল কৰিবলৈ আগবাঢ়ি আহে।

ছাৰাচেনৰ বিউগলৰ ধ্বনি আৰু ৰণ-হুংকাৰ পৰ্বতত ঠেকা খাই প্ৰতিধ্বনিত হ'ল আৰু শব্দই পশ্চাদৰক্ষী ফ্ৰেঞ্চ সৈন্যক সচকিত কৰে। অলিভাৰে পৰ্বতৰ টিঙত উঠি চাই দেখিবলৈ পায় যে অসংখ্য ছাৰাচেন সৈন্য ঘোঁৰাত উঠি তেওঁলোকৰ ফালে আগবাঢ়ি অহা। অলিভাৰে আসন্ন বিপদৰ কথা অগ্ৰগামী প্ৰধান সৈন্য-বাহিনীক জনাবৰ কাৰণে বন্ধু ৰোলাঁক তেওঁৰ তীব্ৰনাদী শিঙাটো বজাবলৈ কেবাবাৰো অনুৰোধ কৰে, কিন্তু ৰোঁলাই তেওঁৰ স্বকীয় অভিমান আৰু বীৰত্বত আস্থা প্ৰকাশ কৰি সম্ৰাটৰ সহায় প্ৰাৰ্থনা জনাবলৈ অস্বীকাৰ কৰি কয়—

May never God allow
That I should cast dishonour on my house
Or on fair France bring any ill renown !
Rather will I with Durandal strike out
With this good sword, here on my boldrick bound ;
From point to hilt you'll see the blood ran down.

আৰ্কবিছপ টাৰ্পিনে ৰোঁলাৰ দৃঢ় মনোভাব লক্ষ্য কৰি সম্ৰাট আৰু খ্ৰীষ্টধৰ্মৰ গৌৰব ৰক্ষাৰ্থে যুদ্ধলৈ সাজু হবলৈ সৈন্যসকলক সকিয়াই দিয়ে। ফ্ৰেঞ্চ সৈন্য বাহিনীৰ ৰণধ্বনি 'মন্ট'জয়' (mountjoy) হুংকাৰত চাৰি দিশ মুখৰিত হৈ উঠিল ; বিজুলীবেগেৰে ছাৰচেন সৈন্যৰ ফালে ঘোঁৰা চেকুৰাই দিলে। ইয়াৰ পাছত আমাৰ মহাভাৰতত থকাৰ দৰে সেনাধ্যক্ষসকলৰ পাৰস্পৰিক দ্বৈত যুদ্ধৰ বিৱৰণ কাব্যখনত একাদিক্ৰমে বৰ্ণিত হৈছে। ৰোলাঁ-এদেলৰথ[১], অলিভাৰ-ফলছাৰণ[২], টাৰ্পিন, কৰ্ছাবিলছ[৩], গেৰিন-মেলপ্ৰিমিছ[৪], গেৰিয়াৰ-আমীৰ[৫], ছেমচন-আলমাঞ্জৰ[৬], এনছেইচ-টাৰ্গিছ[৭], এঞ্জেলিয়াৰ-এছক্ৰিমিজ[৮], ওথন-এষ্টৰ্গেণ্ট[৯], বেৰেংগাৰ-এষ্ট্ৰামাৰিন[১০] আদি আৰোহী যুদ্ধাসকল দ্বন্দ্বযুদ্ধত প্ৰবৃত্ত হয়, কিন্তু অচিৰেই ছাৰাচেন নায়কসকল নিহত হয়। ওপৰত উল্লেখ কৰা বীৰবিলাকৰ প্ৰতিযোদ্ধাৰ দ্বিতীয়জন ছাৰাচেন আছিল। যুদ্ধৰ প্ৰধান অস্ত্ৰ আছিল ঢাল, তৰোৱাল আৰু বৰ্শা বা যাঠী। কাব্যখনত প্ৰত্যেক দ্বন্দ্বযুদ্ধৰ বৰ্ণনাত একোটাকৈ স্তৱক (৭ শাৰীৰ পৰা ২০ শাৰী পৰ্যন্ত) ৰচনা কৰিছে। এই দ্বন্দ্বযুদ্ধৰ উপৰিও ফ্ৰেঞ্চ বীৰসকলে সৈন্যৰ মাজত সোমাই ছাৰচেনবিলাকৰ ধ্বংস সাধন কৰাৰ পুংখানুপুংখ বিৱৰণ দিছে। ইয়াৰ পৰা অনুমান হয় কবিজনৰ সেই সময়ৰ যুদ্ধৰ প্ৰত্যক্ষ অভিজ্ঞতা আছিল। ফ্ৰেঞ্চ

(1) Roland & Adelroth, (2) Oliver & Falsran (3) Terpin & Corsablis, (4) Gerin & Malprinis, (5) Gerier & Amir (6) Samson & Almanzor, (7) Anslis & Turgin, (8) Engelier & Eserimiz, (9) Othon—Estorgent (10) Berenger, Estramarin

নাইটসকলৰ ভিতৰত যি সকলে যুদ্ধত সৰ্বাধিক বীৰত্ব প্ৰদৰ্শন কৰি ছাৰাচেন সৈন্যৰ মাজত মৃত্যুৰ বিভীষিকা সৃষ্টি কৰিছিল সেই সকলৰ ভিতৰত ৰোলাঁ আছিল সৰ্বাগ্ৰণী। তেওঁৰ পাছতে উল্লেখযোগ্য বন্ধু অলিভাৰ আৰু আৰ্কবিছপ টাৰ্পিন। ছাৰচেন সৈন্যক্ৰমে হ্ৰাস হৈ যোৱাত তেওঁলোকৰ বাদশাহ মাৰ্ছিলিয়ানে বিৰাট ফৌজ এটা লৈ তেওঁৰ ক্ষীয়মান সৈন্যত যোগ দিয়াত যুদ্ধৰ গতিয়ে মোৰ সলায়। অৱস্থা চাই কোনো কোনো ফেণ্ডনায়কে পশ্চাদ-গমনৰ (retreat) পৰামৰ্শ দিয়াত আৰ্কবিছপে এইদৰে উত্তৰ দিছিল ঃ

Barons, my lords, these shameful thought put by ;
By God I charge you, hold fast and do not fly,
Lest brave men sing ill songs in your despite,
Better it were to perish in the fight.
Soon, very soon we are all marked to die
None of us here will see tomorrow's light ;
One thing there is I promise you outright ;
To you stand open the gates of paradise
There with the holy sweet innocence to bide.

"সন্মুখ যুদ্ধত মৰিলে স্বৰ্গ যুদ্ধ পৰিহাৰ কৰিলে অপযশ, মৃত্যু অনিবাৰ্য, গতিকে যুদ্ধ এৰি নিদিবা"—টাৰ্পিনৰ এই উপদেশ যেন গীতাৰ সদুৰ প্ৰতিধ্বনি।

যুদ্ধত এজন এজনকৈ ফ্ৰেঞ্চ বীৰ পশ্চাদঘাতী আক্ৰমণৰ ফলত নিহত হবলৈ ধৰে। এঞ্জেলিয়াৰৰ এই দৰেই যুদ্ধত মৃত্যু হোৱা দেখি ৰোঁলা আৰু অলিভাৰে মৰণত শৰণ দি ছাৰাচেন বীৰবিলাকক আক্ৰমণ কৰি বহুতকে ধৰাশায়ী কৰে। কিন্তু ক্ৰমক্ষীয়মান শক্তিৰে অজস্ৰ আৰু ক্ৰমবৰ্দ্ধমান ছাৰাচেন সৈন্য আৰু বীৰৰ লগত অসীম সাহসেৰে যুদ্ধ কৰি ফ্ৰেঞ্চ বীৰ গোঁৰন, বেৰেংগাৰ (Berenger) আৰু এণ্টৰেজৰ ডিউক নিহত হয়। ৰোঁলাই অকলেই এজন এজনকৈ দ্বন্দ্বযুদ্ধত কেবাজনো ছাৰাচেন নাইটক (knight) বধ কৰে। এইদৰে অলিভাৰ, টাৰ্পিন আদিয়েও বহুতো মুছলমান বীৰ আৰু সৈন্যক বধ কৰে যদিও পুনঃ পুনঃ আক্ৰমণত তেওঁলোকৰ মাত্ৰ ষাঠিজনমান বীৰ অৱশিষ্ট থকা দেখি উপায়ন্তৰ হৈ অলিভাৰৰ বাধা সত্ত্বেও শিঙা বজাই সম্ৰাটৰ অগ্ৰগামী সৈন্যদলক বিপদ সংকেত দিবলৈ স্থিৰ কৰে। অলিভাৰে প্ৰথম অৱস্থাতে বিপদ সংকেত দিবলৈ অনুৰোধ কৰা সত্ত্বেও ৰোঁলাই আত্মবিশ্বাস আৰু বীৰত্বাভিমানত সেই কথা শুনা নাছিল, এতিয়া জোৰ পুৰি হাত পোৱা অৱস্হাত বিপদ সংকেতে কাম নিদিব বুলিয়েই অলিভাৰে বাধা দিছিল। তথাপি ৰোঁলাই সমস্ত শক্তিৰে শিঙা ফুকে আৰু তাৰ প্ৰতিধ্বনি সম্ৰাটৰ কাণত নপাৰকৈ নাথাকে। বিপদৰ সংকেত ধৰিব পাৰি সম্ৰাটে সৈন্যদলক উভতিবলৈ নিৰ্দেশ দিয়ে আৰু কাউণ্ট গানেলোঁক বন্দী কৰি থয়।

ৰোলাঁ, অলিভাৰ আদিৰ দুৰ্দশাৰ কথা ভাবি চাৰ্লমেনে বেজাৰ কৰি খৰখেদাকৈ ওভতনি যাত্ৰা আৰম্ভ কৰে।

ইফালে ৰোঁলাই মৃতকসকলৰ শান্তিৰ অৰ্থে প্ৰাৰ্থনা জনাই, জীৱিতসকলক উৎসাহ জগাই ডুৰেণ্ডাল নামৰ প্ৰসিদ্ধ তৰোৱাল খুলি যুদ্ধলৈ ধাপলি মেলে। এই বাৰৰ যুদ্ধত ফ্ৰেঞ্চ নাইট আইভন, আইভৰ জেৰাৰ্ড আদি বীৰ কেবাজনো নিহত হয়। ৰোঁলাই মাৰ্ছিলিয়নৰ পুত্ৰেককে প্ৰমুখ্য কৰি কেবাজনো ছাৰাছেন বীৰক যুদ্ধত বধ কৰে। কিন্তু দলৰ পাছত নতুন দল ছাৰাচেন সৈন্য আহি নতুনকৈ যোগ দিয়াত অল্প সংখ্যক ফ্ৰেঞ্চ বীৰৰ পক্ষে বাধা দিয়া টান হৈ পৰে। ৰোঁলাই আত্মপক্ষীয় বীৰসকলক সম্বোধন কৰি শেষ বাণী শুনালে,—

"Here are we doomed to die,
Full well I know we cannot long survive
Fail not, for shame, right dear to sell your lives.
Lift-up my lord, your burnished blade a fight !
Come life come death, the foe shall pay the pride
lest we should bring fair France into despite !"

যুদ্ধত মৰ্গেনিছ নামৰ ছাৰচেন বীৰে অলিভাৰক পাছ ফালৰ পৰা মাৰাত্মক আঘাত হানিলেও নিৰ্বানমুখী দীপ এবাৰ জ্বলি উঠাৰ দৰে অলিভাৰে তেওঁক উৰ্ভতি তৰোৱালেৰে দোছোৱা কৰে। তেজেৰে ৰক্তাক্ত হৈ অলিভাৰে নিজৰ দলৰ সহায় বিচাৰি কোনোমতে আগবাঢ়োতে অন্ধপ্ৰায় চকুৰে ৰোঁলাকে শত্ৰু বুলি আঘাত কৰিছিল শেষত পৰমবান্ধৱ ৰোঁলা বুলি জানি ক্ষমা বিচাৰি শেষ শয়নৰ আশ্ৰয় লয়। বন্ধু বিয়োগত ৰোঁলা মূৰ্চ্ছা যায়; সম্বিত পাই জানিব পাৰে যে মাত্ৰ তিনিজন ক্ষত-বিক্ষত ফ্ৰেঞ্চ বীৰ তেতিয়াও জীৱিত, তেওঁ আৰ্কবিছপ টাৰ্পিন আৰু ৰেল্টাৰ, অলপ পাছতে ঢাল-তৰোৱাল দ্বিখণ্ডিত অৱস্থাত বুকত যাঠিৰ খোচ লৈ শেষ মুহূৰ্তলৈকে যুঁজি টাৰ্পিনেও ৰোঁলাৰ লগ লাগে। চাৰি হাজাৰ বছা বছা ছাৰাচেন বীৰে তেওঁলোকক ঘোৰ আক্ৰমণ চলায়। ৰোঁলাই শেষ বাৰৰ কাৰণে শিঙা বজাই বিপদ জাননি দিয়াত সম্ৰাট চাৰ্লমেনৰ ৬০ হেজাৰ শিঙাই প্ৰতিশব্দ কৰি সহাঁৰি দিয়াত ছাৰাচেন সৈন্যৰ মাজত আতংকৰ সৃষ্টি হয়। ৰোঁলাই মাৰাত্মকভাবে আহত হোৱা আৰ্কবিছপ টাৰ্পিনক ধৰি নি এঠাইত শুৱাই থৈ নিহত লগৰীয়া প্ৰধান নাইট কেইজনৰ মৃতদেহ সংগ্ৰহ কৰি একে ঠাইতে শুৱাই থয়। বীৰ অলিভাৰৰ মৃতদেহো উদ্ধাৰ কৰি দুখশোক আৰু আঘাতৰ বেদনাত মূৰ্চ্ছা যোৱাত মৃতপ্ৰায় আৰ্কবিছপে মৃতসকলৰ সদগতিৰ অৰ্থে ঈশ্বৰৰ ওচৰত মৌন প্ৰাৰ্থনা জনায় আৰু তাৰ পাছত ৰোঁলাক সচেতন কৰিবলৈ পানী বিচাৰি চুচৰি যাওঁতে বাটতে দুৰ্বলতাবশতঃ প্ৰাণ হেৰুৱায়। ইতিমধ্যে ৰোঁলাই চেতন পাই টাৰ্পিনক বিচাৰি পানীযুৱলিত মৃত অৱস্থাত পাই তেওঁৰ ধাৰ্মিক জীৱন আৰু বীৰত্বৰ গুণ বখানি ঈশ্বৰক প্ৰাৰ্থনা জনায়।

এতিয়া ৰোঁলা একমাত্র অৱশিষ্ট ফ্রেঞ্চ বীৰ। ক্ষত-বিক্ষত শৰীৰ প্ৰভূত ৰক্তক্ষৰণ আৰু দুৰ্বলতাই তেওঁৰো মৃত্যু ওচৰ চপাই আনে। পৰ্বতৰ ঢালুত তেওঁ শুই পৰে। তেওঁৰ মৃত্যু হোৱা বুলি ভাবি এজন পলৰীয়া ছাৰাচেন সৈনিকে তেওঁৰ প্ৰসিদ্ধ ডুৰেন্ডাল (Durendal) নামৰ তৰোৱালখন লৈ পলাব খোজোঁতে ৰোঁলাই গম পাই শিঙাটোৰে আঘাত কৰি তাক বধ কৰে। বহুদেশ-বিদেশ যিখন তৰোৱালেৰে জয় কৰিছিল সেইখন যাতে শত্ৰুৰ হাতত নপৰে সেই উদ্দেশ্যে তৰোৱালখন শিলত বাৰে বাৰে আঘাত কৰিও ভাঙিব নোৱাৰি পুনৰ বননিত ওচৰতে তৰোৱালখন আৰু শিঙাটো থৈ দীঘল দি পৰে। ভগৱানক শেষ প্ৰাৰ্থনা জনায়, মৃত বন্ধুসকলৰ সদগতি কামনা কৰে আৰু সম্ৰাট চাৰ্লমেনৰ জয় প্ৰাৰ্থনা কৰি শেষ নিশ্বাস ত্যাগ কৰে।

খন্তেক পাছত সসৈন্যে চাৰ্লমেন সেই ঠাইত উপস্থিত হৈ তেওঁৰ বাছকবনীয়া বহুদেশ আৰু বহুযুদ্ধত আগভাগ লোৱা ১২ জন নাইটৰ মৃতদেহ দেখি শোকদুখত অভিভূত হৈ পৰে। কেৱল তেওঁৱেই নহয়, সমস্ত ফ্রেঞ্চ বাহিনী ম্ৰিয়মান হয়। কোনো মতে শোকতম্ভাই দুজন বীৰক বীৰ বাৰজনৰ শৱ কেইটা ৰক্ষা কৰিবলৈ কি যুদ্ধক্ষেত্ৰলৈ আগবাঢ়ি যায়। আচৰিত কথা দিনটোও যেন দীঘল হৈ সম্ৰাটক প্ৰতিশোধ লবলৈ সুবিধা দিলে। সম্ৰাটৰ বিৰাট বাহিনীৰ আগত তিষ্ঠিব নোৱাৰি স্পেনিছ সৈন্য (ছাৰচেন সৈন্যক অনেক ঠাইত paynims বোলা হৈছে) পলাবলৈ ধৰে, এব্ৰো নদী পাৰ হওঁতে বহুতো পানীত ডুবি মৰে। সন্ধ্যা আগত দেখি ৰাতিটোৰ কাৰণে জিৰণি লওঁতে সম্ৰাটে কেবাটাও শুভসূচক স্বপ্ন দেখা পায়।

ছাৰাচেনৰ সম্ৰাট মাৰ্ছিলিয়নে ৰাজধানী ছাৰগোছাত এখন হাত যুদ্ধত এৰি আহি আশ্ৰয় লয়। তেওঁৰ সোঁহাতখন ৰোঁলাৰ তৰোৱালৰ আঘাতত ছিন্ন হয়। একমাত্ৰ পুত্ৰ যুদ্ধত ৰোঁলাৰ হাতত নিহত হয়। মুছলিম জগতৰ প্ৰধান সম্ৰাট বেবীলনৰ ৰজা বেলিগালে সহায় প্ৰাৰ্থনা কৰি দূত পঠাইছিল। সাত বছৰ ধৰি চাৰ্লমেনে স্পেইনৰ ইখনৰ পাছত সিখনকৈ নগৰ অধিকাৰ কৰিছিল। সেই সময়তে সহায় বিচাৰি লিখা চিঠিৰ উত্তৰত আলেকজেন্দ্ৰিয়াৰ পৰা বিৰাট নৌ বাহিনী লৈ আমিৰ বোলগাঁ আহি মাৰ্ছিলিয়নৰ দুৰ্যোগৰ মুহূৰ্ত্তত উপস্থিত হয়হি। দূত পঠাই তেওঁৰ উপস্থিতি জনোৱাত মাৰ্ছিলিয়নে আমিৰৰ অধীনতা স্বীকাৰ কৰি ফ্রেঞ্চ আক্ৰমণৰ পৰা তেওঁক ৰক্ষা কৰিবলৈ অনুৰোধ জনায় আৰু ছাৰাগোছা নগৰৰ চাবিও দূতৰ হাতত দি পঠায়। বেলিগাই পাছদিনা সকলো সৈন্যসামন্ত গেমালফিন নামৰ সৈন্যাধ্যক্ষৰ নেতৃত্বত ছাৰাগোছা কাষৰ বিস্তীৰ্ণ ক্ষেত্ৰত নমাই মাৰ্ছিলিয়নক দেখা কৰি তেওঁক আশ্বাস দান কৰি পোনে প্ৰোনেই নিজ সৈন্য বাহিনীক লগ ধৰে।

ইফালে সম্ৰাট চাৰ্লমেনে মৃত বীৰসকলক যথা সম্মান প্ৰদৰ্শন কৰি বিষণ্ণচিত্তে বীৰসকলৰ শৱোৰ বিশ্বস্ত অনুচৰক ৰক্ষাৰ ভাৰ দিয়ে। যাতে কোনো শত্ৰু সেনাই

শবোৰ অপসাৰণ কৰিব নোৱাৰে বা জীৱজন্তুৱে খাই দেহবোৰৰ ক্ষতিসাধন কৰিব নোৱাৰে। যুদ্ধৰ শেষত খ্ৰিষ্টিয়ান ৰীতিমতে তেওঁলোকৰ দেহবোৰ সমাধিস্থ কৰা হ'ব। সম্ৰাটৰ নিকট আত্মীয় ৰোঁলাৰ সহায়, পৰামৰ্শ আৰু সৰ্বোপৰি অসাধাৰণ বীৰত্বৰ কথা সুঁৱৰি সম্ৰাটে অশেষ শোক কৰে। অৱশেষত ধৈৰ্য ধৰি লগত থকা অৱশিষ্ট বীৰসকলক লৈ যুদ্ধ যাত্ৰা কৰে। ৰোলাৰ শিঙা আৰু তৰোৱালখন দুজন বিশ্বস্ত সৈন্যাধ্যক্ষক অৰ্পণ কৰি সম্ৰাটে বিৰাট বাহিনীটো ভাগে ভাগে উপযোগী স্থানত স্থাপন কৰে। দহটা দলত বিভক্ত কৰি উপযুক্ত সেনাপতিৰ অধীনত যুদ্ধ ব্যূহ সজ্জিত কৰি সম্ৰাটে আঠুকাঢ়ি ভগবানক প্ৰাৰ্থনা কৰে মৃতকৰ সদগতি আৰু যুদ্ধত জয় কামনা কৰে। খৃষ্টীয়ান সৈন্যৰ তীব্ৰ আক্ৰমণত ছাৰাচেন সৈন্য পলাই যাওঁতে কিছুমান এব্ৰ' নদীত ডুবি মৰে, কিছুমান নিহত হয় আৰু কিছুমানে ছাৰগোছা নগৰত আশ্ৰয় লয়। চাৰ্লমেনে ৰাতিটোৰ কাৰণে সৈন্যবোৰক জিৰণি লবলৈ দি নিজেও নিদ্ৰাৰ আশ্ৰয় লয়। টোপনিত আগন্তুক যুদ্ধৰ শুভসূচনাসূচক স্বপ্ন দেখা পাই সম্ৰাট আশ্বস্ত হয়।

বেলিগাণ্টে সৈন্যবাহিনীক ত্ৰিশটা বিভাগত বিভক্ত কৰি প্ৰত্যেক বিভাগত একোজন সৈন্যাধ্যক্ষ নিয়োগ কৰি পুতেক মালপ্ৰামিছক অগ্ৰগামী সৈন্যদলৰ নায়ক ৰূপে যুদ্ধক্ষেত্ৰলৈ পঠায় আৰু নিজেও খৃষ্টিয়ান সম্ৰাটৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰে। ইফালে যুদ্ধ যাত্ৰাৰ আগতে সম্ৰাট চাৰ্লমেনে ৰোঁলা, অলিভাৰকে আদি নিহত বাৰজন প্ৰধান বীৰৰ শৱদেহ নিৰীক্ষণ কৰি শোক বেজাৰত অভিভূত হৈ মূৰ্চ্ছা যায়। চেতন পাই তেওঁলোকৰ বিশেষকৈ ৰোঁলাৰ গুণবীৰত্ব সুঁৱৰি খেদ কৰে যদিও সম্মুখ সামৰিক কৰ্ত্তব্য চিন্তা কৰি যুদ্ধলৈ সদলবলে আগবাঢ়ি যায়।

ৰণপ্ৰাঙ্গণত দুয়োদল, সমুখাসমুখি হোৱাত ভীষণ যুদ্ধ আৰম্ভ কৰে। সম্ৰাট চাৰ্লমেনে সৈন্যসকলক ধৰ্মৰ নামত, দেশ আৰু বীৰত্বৰ নামত যুদ্ধত পিছুভাঁৰি নকৰিবলৈ উদ্দীপনা বাণীৰে উৎসাহিত কৰে। সেইদৰে আমীৰ বেলিগাণ্টেও তেওঁৰ সৈন্যসামন্তক উৎসাহিত কৰি সম্ৰাটক নিজেই বিচাৰি আক্ৰমণ কৰে আৰু আহত কৰে, কিন্তু আহত হৈয়ো চাৰ্লমেনে বেলিগাণ্টক যুদ্ধত নিহত কৰিবলৈ সক্ষম হয়। এই ভয়াবহ যুদ্ধত য'ত প্ৰায় দুই লাখ সৈন্য লিপ্ত হৈ পৰিছিল বেলিগাণ্টৰ ভায়েক আৰু পুতেকো নিহত হয়। আমীৰৰ মৃত্যুৰ লগে লগে তেওঁৰ সৈন্যবোৰ ভগ্নোৎসাহ হৈ পলাবলৈ ধৰে আৰু বহুতো নিহত হয়। খ্ৰিষ্টিয়ান সম্ৰাটে ছাৰাগোছা নগৰ অধিকাৰ কৰে। ৰাজপ্ৰাসাদত আগৰ যুদ্ধতে মাৰাত্মকভাৱে আহত হোৱা মাৰ্ছিলিয়নে যুদ্ধৰ বতৰা শুনি শেষ নিশ্বাস এৰে। তেওঁৰ ৰাণী ব্ৰামিমণ্ডাই চাৰ্লছৰ ওচৰত আত্মসমৰ্পণ কৰে। সম্ৰাটে ছাৰাগোছা জয় কৰি থানথিত লগাই ফ্ৰান্সলৈ প্ৰত্যাবৰ্ত্তন কৰে আৰু উভতি আহোঁতে ৰোঁলাকে আৰম্ভ কৰি নিহত প্ৰধান বীৰসকলৰ শৱদেহ লগতে লৈ আহে আৰু ফ্ৰান্সৰ সীমাৰ ভিতৰত প্ৰৱেশ কৰি খৃষ্টীয়ান ৰীতিমতে সমাধিস্থ কৰে। তাৰ পাছত নিজ ৰাজধানী

আইক্সত (Aix) উপস্থিত হৈ গানেলোঁৰ বিশ্বাসঘাতকতাৰ বিচাৰৰ ব্যৱস্থা কৰে। ৰোঁলাৰ বাগ্দত্তা কন্যা অডে (Aude) বা এলডিয়ে সম্রাটৰ সান্ত্বনা বাণী সত্ত্বেও প্ৰিয়তমৰ মৃত্যু শুনি শোকত প্ৰাণত্যাগ কৰে। গানেলোঁক বন্দী কৰি ৰখা হয় যদিও বিচাৰত তেওঁৰ বক্তব্য কবলৈ দিয়াত তেওঁ ৰোলাঁক হত্যা কৰাৰ ষড়যন্ত্ৰ স্বীকাৰ কৰে, কিন্তু দেশদ্ৰোহিতাৰ অভিযোগ অস্বীকাৰ কৰে। বিচাৰত এটা দলে তেওঁৰ পক্ষ সমৰ্থন কৰে আৰু আনটো পক্ষই তেওঁক দোষী সাব্যস্ত কৰি তেওঁক মৃত্যুদণ্ড দিয়া উচিত বুলি অভিমত দিয়ে। অৱশেষত দুয়ো পক্ষৰ দুজন নাইটে দ্বন্দ্ব যুদ্ধৰ দ্বাৰা বিষয়টো নিষ্পত্তি কৰিবলৈ আগবঢ়াত ৰজাই সন্মতি প্ৰদান কৰে। গানেলোঁৰ পক্ষলৈ যুদ্ধত নামে পিনাবেল আৰু তেওঁৰ প্ৰতিদ্বন্দ্বীৰূপে থিয় দিয়ে থিয়েৰী নামৰ নাইট এজন। যুদ্ধত পিনাবেল নিহত হয়। সম্রাটে থিয়েৰীক যথোচিত মৰ্যাদা দান কৰি গানেলোঁৰ পক্ষলোৱা কেইজন অনুচৰক মৃত্যুদণ্ড দি অৱশেষত বিশ্বাসঘাতক গানেলোঁক ঘোঁৰাৰ পাছ ঠেঙত বান্ধি ঘোঁৰা চেকুৰাই দিয়াত শৰীৰ ক্ষতবিক্ষত হৈ দুখলগা অৱস্থাত তেওঁৰ মৃত্যু হয়। মাছিলিয়ঁৰ পত্নী ব্ৰামিমুডাক খৃষ্ট ধৰ্মত যথাৰীতি দীক্ষিত কৰি ৰাজপ্ৰাসাদত ঠাই দিয়ে।

ছাৰাচেন আমিৰৰ ৰাণীক ফ্ৰান্সৰ ৰাজধানীলৈ লৈ আহিহে খৃষ্টধৰ্মত দীক্ষিত কৰে। ফ্ৰান্সলৈ উভতি অহাৰ পাছত ৰোলাঁৰ বাগ্দত্তা এল্ডীয়ে যেতিয়া তেওঁৰ প্ৰণয়ীৰ সংবাদ লৈ সম্রাটৰ পৰা মৃত্যুৰ খবৰ পায়, তেতিয়া সম্রাটে তেওঁক বোৱাৰী কৰি লব বুলি আশ্বাস দিয়াতো প্ৰিয়জনৰ শোকত অধীৰ হৈ মূৰ্চ্ছা যায় আৰু শেষ নিশ্বাস ত্যাগ কৰে।

Alde answered him, "That word to me is strange,
Never, Please God, His Angels and his saints,
When Rollant's dead shall I alive remain."
Her colour fails, at he feet of charlmain
She falls ; she is dead, Her soul Gods mercy awaits.
Barons of France weep therefore and complain.

["আপোনাৰ কথা (বিবাহৰ প্ৰস্তাব) আচৰিত। হে ঈশ্বৰ দেৱদূত আৰু সন্তসকল ৰোলাঁৰ মৃত্যুৰ পাছত জীয়াই থাকিম নে ?" তেওঁ শেতা পৰিল, চাৰ্লমেনৰ পদপ্ৰান্তত তেওঁ ধলি পৰিল ; মৃত্যুৱে তেওঁক আকোৱালি ললে : ঈশ্বৰৰ শেষ অনুগ্ৰহৰ কাৰণে তেওঁৰ আত্মাই অপেক্ষা কৰি থাকে। ফ্ৰান্সৰ ডা-ডাঙৰীয়াসকলে অভিযোগ আৰু শোকত মগ্ন হল]

খন্তেকৰ কাৰণে ভুমুকি মৰা এই নাৰীচৰিত্ৰটোৰ প্ৰেমৰ গভীৰতাই পাঠকৰো অন্তৰ স্পৰ্শ নকৰাকৈ নাথাকে। কাব্যখন ব্ৰামিমুডাৰ খৃষ্টধৰ্মলৈ ধৰ্মান্তৰিত কৰাৰ লগে লগে শেষ হৈছে বুলি কব পাৰি।

মহাকাব্যখন লোকগাথা নহলেও লোকগাথাৰ উপাদানৰ ভিত্তিতে প্ৰতিষ্ঠিত,

সেই কাৰণে লোকগাথাৰ (ballad) সৰলতা নিৰালংকাৰতা আৰু দ্ব্যৰ্থহীনতা (directness) এই কাব্যত বিদ্যমান। হোমাৰীয় উপমাৰ দৰে দীৰ্ঘ উপমা আৰু চিত্ৰ এই কাব্যত লক্ষ্য কৰা নাযায়. কিন্তু সেই বুলি হৃদয়গ্ৰাহী বৰ্ণনাৰ অভাৱ নাই। বীৰ নাইটসকলৰ সাজসজ্জা, তেওঁলোকৰ আবয়বিক লক্ষণ, চাল-চলন, গতি-প্ৰকৃতি, অস্ত্ৰ-শস্ত্ৰ আৰু উক্তি-প্ৰত্যুক্তি নিখুঁট বৰ্ণনা কাব্যখনত পোৱা যায়। যুদ্ধৰ বিৱৰণেও কাব্যখনৰ যথেষ্ট ঠাই আগুৰিছে। প্ৰাচীন মহাকাব্যত যুদ্ধৰ বৰ্ণনা কাব্যৰ এটা প্ৰধান অংগ আছিল। হোমাৰ, বাল্মীকি, ব্যাস, ভাৰ্জিল আদি প্ৰাচীন মহাকবিসকলৰ ৰচনাত যুদ্ধৰ বৰ্ণনাই প্ৰাধান্য লাভ কৰা দেখা যায়। সেই যুগটো আছিল বীৰত্বৰ যুগ (heroic age); সাহস, শৌৰ্য-বীৰ্যৰ যুগ, প্ৰেম-ভালপোৱাৰ কথা প্ৰাসঙ্গিকহে। ইউৰোপৰ সামন্ত-যুগৰ নাইটসকলেও একোজন মহাপ্ৰভুৰ (over-lord) অধীনত বীৰত্ব প্ৰকাশক কাৰ্য আৰু অভিযানত নিজৰ অনুগত অনুচৰসকলক লৈ যোগদান কৰিছিল। ৰোলাঁৰ গীততো সেই কাৰণেই বীৰত্বপ্ৰকাশক যুদ্ধৰ কাহিনীয়ে প্ৰধান স্থান অধিকাৰ কৰা দেখা পাওঁ।

এই মহাকাব্যখন এটা দিশৰ পৰা চালে কাচি জোনক হীনপ্ৰভ কৰি ক্ৰুশৰ প্ৰাধান্য বিস্তাৰৰ এক কাব্যিক ৰূপ। যিটো বিষয় টাছোৰ Jherusalem Delivered নামৰ মহাকাব্যত প্ৰত্যক্ষভাৱে ৰূপায়িত হৈছে, ইয়াত সেই বিষয়টোকে পৰোক্ষ ভাবে বৰ্ণিত হৈছে। ইছলামৰ ধৰ্মৰ অভ্যুত্থানৰ যুগত আৰববাসীসকলে উত্তৰ আফ্ৰিকাৰ পৰা স্পেইন পৰ্যন্ত অধিকাৰ কৰি ইছলাম ধৰ্মৰ বিজয় পতাকা উৰুৱাবলৈ সমৰ্থ হৈছিল। এই কাব্যত ফ্ৰান্সৰ তথা পশ্চিম য়ুৰোপৰ খৃষ্টিয়ান সম্ৰাট বহু কিংবদন্তি জনশ্ৰুতিৰ নায়ক আৰু খৃষ্টিয়ান ধৰ্মৰ প্ৰৱক্তাস্বৰূপ চাৰ্লমেনৰ লগত স্পেইনত ৰাজত্ব কৰা ইছলামধৰ্মী ছাৰাচেন শাসনকৰ্ত্তা আৰু তেওঁৰ অধিৰাজ মধ্যপ্ৰাচ্যৰ আমীৰৰ সংঘৰ্ষ, খৃষ্টিয়ানসকলৰ বিজয় আৰু ছাৰাগোছা অধিকাৰ, আমীৰ আৰু চুলতানৰ মৃত্যু, বেগমৰ খৃষ্টধৰ্ম গ্ৰহণ, ইছলাম ধৰ্মীয় দেৱতাৰ বিগ্ৰহৰ অপবিত্ৰীকৰণ আদি কাব্য বৰ্ণিত ঘটনাৱলীয়ে খৃষ্টধৰ্মৰ বিজয় প্ৰকাৰান্তৰে প্ৰতিষ্ঠা কৰিছে।

আন বহু প্ৰাচীন কাব্যৰ দৰে এই নৈসৰ্গিক বৰ্ণনা নাই বুলিলেও হয়। আমাৰ ৰামায়ণ মহাভাৰত গ্ৰীক মহাকাব্যদ্বয়ত নৈসৰ্গিক প্ৰকৃতিৰ বিভিন্ন ৰূপ যেনেকৈ পোৱা যায়, এই কাব্য সেই বিষয়ত মৌন বুলিয়ে কব পাৰি। দুই এঠাইত মাত্ৰ ঘটনাৰ পটভূমিৰূপে সূচিত হৈছে, যেনে ১৯২ নং স্তৱক আৰু ২৪০ নং স্তৱক আৰম্ভ হৈছে পুৱাৰ সূচনাৰে। ইয়াত পুৱাৰ চিত্ৰ সূচিত হৈছে মাত্ৰ ৬টা বাক্যৰে—

(1) Clear is the clay, the sun shines fair to see (192)
(2) Clear is the morn, bright shone the sun in heaven (240)
(3) High are hills, the Valleys darkend deep

Griskly the rocks and wonderous grim the steeps
Bright was the day and clearly the sun shone (814)

ঘটনা পৰম্পৰাৰ দ্ৰুত গতিয়ে এনে নৈসৰ্গিক শোভা চাবলৈ কবিক অৱসৰ দিয়া নাই।

কাব্যখনৰ বৰ্ণনাৰ লগত বহু ঠাইত জড়িত হৈ আছে নাটকীয় পৰিস্থিতি একোটি; চৰিত্ৰৰ উক্তি প্ৰত্যুক্তি, সংলাপ আৰু বীৰত্ব, উপদেশ, আলোচনা, আদেশ আদিৰে পৰিস্থিতিবোৰ সমুজ্জ্বল! এই প্ৰসংগত কাব্যখনৰ প্ৰাৰম্ভতে, দ্বিতীয় স্তৱকৰ পৰা পঞ্চম স্তৱকলৈ অৰ্থাৎ কাব্যৰ দশম লাইনৰ পৰা পঞ্চসপ্ততিতম লাইনলৈকে ছাৰাগোছাৰ চুলতান মাৰ্ছিলিয়ৰ ৰাজদৰবাৰৰ যি চিত্ৰ কবিয়ে অংকন কৰিছে তাত সম্ৰাট চাৰ্লমেনৰ আক্ৰমণত মাৰ্ছিলিয়ৰ ভয় শংকা আৰু উদ্বেগৰ লগ্নতে ৰাজদৰবাৰৰ পাৰিষদসকলৰ প্ৰতিক্ৰিয়া আৰু তেওঁলোকৰ সলা-পৰামৰ্শৰ চিত্ৰ কম পৰিসৰতে কবিয়ে প্ৰকাশ কৰিছে। এনেধৰণৰ পৰিস্থিতি কাব্যখনৰ বিভিন্ন স্থানত অংকিত হৈছে, কিন্তু অযথা বাক বাহুল্য দেখা নাযায়।

বীৰগাথা কাৰণেই কাব্যখনত প্ৰেম, দয়া, ক্ষমা আদি কোমল প্ৰবৃত্তিবোৰে প্ৰাধান্য লোৱা নাই যদিও এইবোৰক কবিয়ে আওকাণ কৰিব পৰা নাই। সম্ৰাটৰ অতিশয় স্নেহৰ পাত্ৰ ৰোঁলাৰ মৃত্যুত বৃদ্ধ সম্ৰাট মূৰ্চ্ছা গৈছে আৰু ৰোঁলাৰ গুণ সুঁৱৰি বিলাপ কৰা অৱস্থাটোৱে গোটেই পৰিৱেশটো গধুৰ কৰি তুলিছে। তলত উদ্ধৃত কৰা বৰ্ণনাটোৱে উক্ত শোকছায়াম্লান পৰিৱেশৰ কিছু আভাস দাঙি ধৰিব। কাব্যখনত চাৰ্লমেনৰ শোকৰ বৰ্ণনাই পঞ্চাশ লাইন আগুৰিছে তাৰে এছোৱা তুলি দিয়া হ'ল,—

Carlon the king out of his swoon revives,
Four barons hold him between their hands upright.
He looks to earth and sees his nephew lie,
His upturned eyes are shadowy with night,
By faith and love, Charles mourns him on thiswise :
"Roland, my fryind, God have thy soul on high
With the bright hollows in flowers of paradise.
Thy wretched lord sent thee to Spain to die !
Never shall day bring comfort to my eyes,
How fast must dwindle my joy now and my might.
None shall I have to keep my honour bright !
Methink I have not one friend left under the sky ;
Kinsmens I have but none that is like thee."
He tears his hair with both hands for despite.

By hundred thousand the French for sorrow sigh ;
There is none of them but utters grievous cries.
"Roland my friend to France I go again.
When I am at Laon within my own domain
Many will come of alien realm and race
Asking ; 'where is he, the great count capitayne' ?
And I must tell them that he lies dead in spain
All my life long in sorrow must I reign,
Nor any day cease grieving and complaint."

(Tr. by D. Sayers)

ইংৰাজী অনুবাদৰ অসমীয়া ৰূপান্তৰ নিষ্প্ৰয়োজন বুলি দিয়া নহ'ল।

মহাকাব্যখনৰ চকৰি ঘূৰিছে প্ৰতিশোধ প্ৰবৃত্তিৰ চৰিতাৰ্থ'ৰ প্ৰচেষ্টাত আৰু তাকে কৰিবলৈ যাওঁতে এজনৰ লগতে এটা সৈন্য বাহিনী আৰু এদল বাছকবনীয়া বীৰ নাইট নিহত হৈছে আৰু দেশ বা ৰজাৰ প্ৰতি দ্ৰোহ আচৰণ কৰি দেশদ্ৰোহীৰ ভয়াবহ পৰিণাম চিত্ৰিত হৈছে। গানেলোঁ দৰাচলতে দেশদ্ৰোহী নাছিল যদিও ৰোলাৰ ওপৰত ব্যক্তিগত আখেজ পূৰাবলৈ গৈ ৰজা আৰু বহুতৰে দ্ৰোহ আচৰণ কৰিলে। মাৰ্ছিলিয়ঁৰ ওচৰলৈ ৰাজদূত বা কটকী হৈ যোৱাত যে বিপদৰ সম্ভাৱনা আছিল সেই বিষয়ে কাৰো সন্দেহ নাছিল, তথাপি আৰ্চবিছপ টাৰ্পিনকে আৰম্ভ কৰি দুই-এজন উপযাচি নোলোৱাকৈ নাছিল তথাপি ৰোলাই যেতিয়া গানেলোঁৰ নাম কলে তেতিয়া তেওঁ ৰোলাক ভুল বুজি শত্ৰুতা কৰা বুলি ভাবি লৈ প্ৰতিশোধৰ হুমকি দিয়ে। কবিয়ে এই দৃশ্য সুন্দৰকৈ বৰ্ণনা কৰিছে।

Count Ganelon is furious out of hand ;
His great furred gown of murten he flings back
And stands before them in his silk bliant clad.
Bright are his eyes, hauty is his countenance
Handsome his body, and broad his bosoms span ;
Peers all gaze, his bearing is so grand
He says to Roland, "Fool, what has made thee mad
I am thy step-sire, and all these know I am,
And me thou namest to seek Marsilion's camp !
If God but grant I ever thence come back
I will wreak on thee such ruin and such wrack
That thy life long my vegeance shall not slack."

(কাউণ্ট গানেলোঁ খণ্ডত অধীৰ হৈ পৰিল, নোমৰ চোলাটো খুলি তেওঁ দলিয়াই

দি পাটৰ অঙ্গাৰবৰ্ণে থিয় দিলে। চকু তেওঁৰ জ্বলি উঠিল, মুখৰ চেহেৰাত ঔদ্ধত্য প্ৰকাশ পালে। তেওঁৰ শাৰীৰিক গঠন সুন্দৰ, বুকৰ ছাতি বহল। সকলো মহৎবংশীয় পাৰিষদে তেওঁৰ প্ৰতি দৃষ্টি পেলায়, তেওঁৰ ব্যক্তিত্বৰ গাম্ভীৰ্যই সকলোকে আকৰ্ষণ কৰে। তেওঁ ৰোলাঁক সম্বোধন কৰি কয়—'মূৰ্খ', 'কিহে তোমাক খলিয়া কৰিলে? মই তোমাৰ যে সতীয়া পিতৃ সেই কথা ইয়াৰ কোনে নাজানে অথচ মাৰ্ছিলিয়ঁৰ ওচৰলৈ যাবলৈ তুমি মোৰ নাম কৈছা? ঈশ্বৰৰ কৃপাত যদি মই তাৰ পৰা উভতি আহো মই তোমাৰ ওপৰত এনে প্ৰতিশোধ ল'ম, এনে তোমাৰ ধ্বংস সাধন কৰিম যি প্ৰতিশোধৰ ক্ষান্তি নাথাকিব।)

মহাকাব্যখনত তেওঁ শঠ চৰিত্ৰ ৰূপে প্ৰকাশ পালেও কবিয়ে নিৰপেক্ষ দৃষ্টিৰে তেওঁক চিত্ৰিত কৰিছে, ব্যক্তিত্ব আৰু সাহসে তেওঁক শেষলৈকে এৰা দিয়া নাই। অভিযোগৰ কাঠগড়াত থিয় হৈ নিভীকভাৱে কৈছিল—"ৰোলাঁকে প্ৰমুখ্য কৰি ১২ জন শ্ৰেষ্ঠ বীৰৰ মৃত্যুৰ দায়িত্ব মই অস্বীকাৰ নকৰোঁ। ৰোলাঁই সম্পত্তি আৰু খাটপামৰ ক্ষেত্ৰত মোক অন্যায় কৰে, সেই কাৰণে তেওঁৰ মৃত্যুৰ নিমিত্তে মই ষড়যন্ত্ৰ কৰা অভিযোগ মই অস্বীকাৰ নকৰোঁ। কিন্তু ৰাষ্ট্ৰৰ বিৰুদ্ধে মই একো কৰা নাই (I deny treason against the state) কিন্তু তেওঁ নিজৰ অভিসন্ধি গুপুত কৰি ফ্ৰান্সৰ বিপদ চপাইছিল।

কবিয়ে যে খৃষ্টিয়ানসকলৰ ক্ষেত্ৰতহে যে উদাৰতা প্ৰকাশ কৰিছে এনে নহয়। ছাৰাচেনবিলাকক বিধৰ্মী বুলি ঠায়ে ঠায়ে ইতিকিং কৰিছে যদিও আমীৰ আৰু মাৰ্ছিলিয়ঁৰ ব্যক্তিত্বক ৰূপ দিয়াত সমানেই উদাৰতাৰে গাম্ভীৰ্য, বীৰত্ব আৰু সাহস প্ৰদৰ্শন কৰিছে। আমীৰ বালিগাঁৰ পোছাক পৰিচ্ছদ, অস্ত্ৰ-শস্ত্ৰ বৰ্ণনা কৰি শেষত তেওঁৰ ব্যক্তিত্বৰ স্বৰূপ এনে ধৰণে প্ৰকাশ কৰিছে,—

Now Baligant mounts upon his horse ;
Stalwart is he, capacious is his fork ,
Large in the ribs lean in the flanks & small ;
Broad is his breast & beautifully formed,
His shoulders wide, his colour fresh withal,
warlike his bearing, his curling locks unshorn,
White as a flower upon a summer morn.
His valour proved in battle over and over ;
Where he but christian God ! what a warrior.
He spurs his steed till the bright blood runs forth,
And goes a gallop, over a dyke he vaults
Some fifty feet ; the paynims all applaud.

[বালিগাঁ ঘোঁৰাত জাঁপ মাৰি উঠে। শক্তিশালী তেওঁৰ দেহ, প্ৰশস্ত তেওঁৰ হাতৰ যাঠি। বুকুৰ হাড় ডাঙৰ, ক্ষীণ তেওঁৰ মধ্যদেহ। বুকু বহল আৰু

সুগঠিত। তেওঁৰ স্কন্ধদেশ প্ৰশস্ত আৰু গাৰ বং উজ্জ্বল। যুযুৎসু তেওঁৰ আচৰণ, চুলি বিন্যস্ত, জহকালি ফুলি থকা ফুলৰ দৰে শুভ্ৰ। বহু যুদ্ধত প্ৰমাণিত তেওঁৰ সাহস। তেওঁ যদি খৃষ্টিয়ান হ'লহেঁতেন, হে ভগৱান, কি যে অপূৰ্ব যোদ্ধা হ'লহেঁতেন। তেওঁ ঘোঁৰাটোক মুখৰ পৰা তেজ ওলাই যোৱাকৈ দৌৰাই ৫০ ফুট বহল খাল জপিয়াই পাৰ হৈ যায়।]

কাব্যখনৰ প্ৰধান চৰিত্ৰখিনিৰ শাৰীৰিক গঠন, পোছাক-পৰিচ্ছদ আৰু চাৰিত্ৰিক বৈশিষ্ট্য আৰু ব্যক্তিত্বক স্পষ্টৰূপত কবিয়ে দাঙি ধৰিছে। কোনো চৰিত্ৰই হেমলেট বা তেনে চৰিত্ৰৰ দৰে মানসিক দ্বন্দ্বত ভোগা নাই। সম্ৰাট চাৰ্লমেন বিশাল ৰাজ্যৰ অধিপতি যদিও পাৰিষদবৰ্গ আৰু অনুগামীসকলৰ লগত পৰামৰ্শ নকৰাকৈ স্বেচ্ছাচাৰীভাৱে একো কাৰ্য কৰা নাই। শুভ্ৰ চুলি আৰু দাড়িৰে শুভ্ৰ সম্ৰাটে নিজে যুদ্ধত নামি শত্ৰুক বধ কৰিছে। খৃষ্টিয়ান আদৰ্শৰ তেওঁ প্ৰতিনিধি। খৃষ্টিয়ান বৃহৎ পৰিয়ালৰ তেওঁ patriarch স্বৰূপ। কাব্যৰ নায়ক ৰোঁলা অমিতবিক্ৰমী, স্পষ্টবাদী, আত্মশক্তি সম্পৰ্কে অতিশয় সচেতন, সম্ৰাটৰ বিশ্বাসী অনুগত, সৰল কিন্তু কিছু উদ্ধত (orrogant)। এই আত্মবিশ্বাস আৰু উদ্ধত কাৰণেই নিজেও পশ্চাদঘাতী ছাৰাচেন সৈন্যৰ হাতত মৰা পৰিল আৰু লগৰীয়া-সকলকো মৃত্যুৰ মুখত পেলায়। ৰন্‌চিভক্সৰ (Roncevaux) যুদ্ধত যদি বন্ধু অলিভাৰৰ কথা শুনি প্ৰাৰম্ভতে তেওঁ ৰণশিঙাটো বজালেহেঁতেন, তেতিয়া আগবাঢ়ি যোৱা সম্ৰাটৰ বিৰাট সৈন্যবাহিনী উভতি আহি তেওঁলোকক ৰক্ষা কৰিব পাৰিলেহেঁতেন। কিন্তু ৰোঁলাই আত্মশক্তিত অযথা আস্থা ৰাখি, বিৰাট ছাৰচেন বাহিনীক ৰোধ কৰিবলৈ সমৰ্থ হব বুলি অলিভাৰৰ অনুৰোধ অগ্ৰাহ্য কৰি শিঙা নবজালে। কিন্তু যেতিয়া শেহান্তৰত মৃত্যুৰ সমুখাসমুখী হৈ শিঙা বজাব লগা হ'ল তেতিয়া বহুদূৰ আগবাঢ়ি যোৱা খৃষ্টিয়ান সম্ৰাটৰ বাহিনী উভতি আহি তেওঁলোকক ৰক্ষা কৰাৰ সময় নাছিল। বহু ছাৰচেন সৈন্যক বধ কৰি অৱশেষত লগৰীয়া অলিভাৰ, আৰ্চবিছপ টুৰ্পা (Turpin) কে প্ৰমুখ্য কৰি সকলোটিয়ে যুদ্ধত আত্মবিসৰ্জন কৰে। ৰোঁলাৰ আজন্ম বন্ধু অলিভাৰ ৰোঁলাৰ প্ৰায় সমকক্ষ বীৰ যদিও আগপাছ নগনি একাচেকা সিদ্ধান্ত লোৱা বীৰ নাছিল। সেই কাৰণেই তেওঁ ৰোঁলাক শেষমুহূৰ্তত শিঙা বজাবলৈ লওঁতে কবলৈ বাধ্য হৈছিল ঃ

Companion, you got us in this mess.
There is wise valour and there is recklessness ;
Prudence is worth more then foolhardiness
Through your over-weening you have destroyed the French :
Never shall we do service to charles again.
Had you but given some head to what I said
My lord had come, the battle had gone well

And king Marsile had been captured or dead
Your prowess, Roland, is a curse on our head.

আন এটা আকৰ্ষণীয় চৰিত্ৰ হৈছে ধৰ্ম যাজক টুৰ্পা (Arch bishop Turpin)। অমায়িকতা, ব্যৱহাৰিক জ্ঞান, বুদ্ধি আৰু বীৰত্বৰ অদ্ভুত সংমিশ্ৰণ এই চৰিত্ৰটো। ধৰ্মযাজকৰ গুণ আৰু কৰ্তব্য পৰিহাৰ নকৰি যুজৰ মাজতো তেওঁ শুভবাণী উচ্চাৰণ কৰিবলৈ পাহৰা নাই। শেষলৈকে তেওঁ ৰোঁলাৰ কাষত যুদ্ধ কৰিয়ে প্ৰাণ বিসৰ্জন দিছে।

"ৰোঁলাৰ গীত' কাব্যখন হোমাৰ বা ভাৰ্জিলৰ কাব্যৰ তুলনাত যথেষ্ট সৰু হ'লেও সুসংবদ্ধ, কাহিনীৰ বিকাশত সৰল, কিন্তু প্ৰধান চৰিত্ৰকেইটা প্ৰকাশৰ যথেষ্ট অনুকূল পৰিবেশ আৰু পৰিস্থিতি সৃষ্টি কৰিছে। কিন্তু তাকে কৰিবলৈ গৈ যাওঁতে কবিৰ সংযম মনকৰিব লগীয়া বৈশিষ্ট্য। ৰোঁলাৰ মৃত্যু দৃশ্য বৰ্ণনা কৰোঁতেহে দীঘলীয়া বৰ্ণনাৰ সহায় লৈছে, কাৰণ তেওঁৰ মৃত্যু কাব্যখনৰ গুৰুত্বপূৰ্ণ ঘটনা, প্ৰধান চৰিত্ৰৰ বীৰত্বপূৰ্ণ শেষ শয়ন। গানেলোঁৰ বিশ্বাস-ঘাতকতাই গিৰিসংকটত যুদ্ধৰ সৃষ্টি কৰে ; চাৰ্লমেনৰ প্ৰত্যাৱৰ্তন আৰু বিজয়, গানেলোঁৰ বিচাৰ আৰু শাস্তি বিশ্বাসঘাতকতাৰ স্বাভাৱিক পৰিণতি। আনকি ছাৰচেন সৈন্যবাহিনীক বিৰাট বাহিনী সহ তুৰ্কী ছুলতান বালিগাণ্টৰ আগমনো অবান্তৰ নহয়, অন্যথা চাৰ্লমেনে উপযুক্ত প্ৰতিযোদ্ধা নাপালেহেঁতেন।

কাব্যখনত খৃষ্টিয়ানসকলে নিজধৰ্মত অটল বিশ্বাস ৰাখি যুদ্ধত প্ৰবৃত্ত হৈছিল, আনকি টাৰ্পিনৰ (টুৰ্পা) দৰে আৰ্কবিশ্বপেও ধৰ্মৰক্ষাৰ কাৰণে অস্ত্ৰ ধাৰণ কৰি খৃষ্টিয়ান সৈন্যক উৎসাহিত কৰিছিল। তাৰ বিপৰীতে ছাৰাচেন বাহিনীয়ে নিজধৰ্ম আৰু দেৱতাত আস্থা হেৰুৱাই কেনেকৈ পৰাজয় গ্ৰহণ কৰিব লগা হ'ল তাক কবিয়ে প্ৰদৰ্শন কৰিবলৈ পাহৰা নাই। তেওঁলোকে পূজা কৰা দেৱতাৰ মূৰ্ত্তি ভাঙি পেলাইছে। ছাৰাচেনসকলে মূৰ্ত্তিত বিশ্বাস কৰা কথাটো কবিৰ কল্পনা, কাৰণ তেওঁলোক ইছলাম ধৰ্মাবলম্বী আছিল।

কাব্যখন পূৰ্ণমাত্ৰাই বীৰগাথা, প্ৰেম-প্ৰণয়ৰ কথা নাই বুলিলেও হয়। কেৱল ৰোঁলাৰ মৃত্যুত প্ৰণয়িনীয়ে শেষ নিশ্বাস ত্যাগ কৰা ঘটনাটোৰ উল্লেখ মাত্ৰ কৰি প্ৰকৃত প্ৰেমৰ আভাস দিছে।

কাব্যখনত ৰোঁলাৰ মৃত্যুৰ সময়ত প্ৰকৃতিয়েও প্ৰচন্ড ৰূপত ফ্ৰাণ্ডত তাৰ আগজাননি দিছিল তাৰ এটি সুন্দৰ চিত্ৰ কবিয়ে অংকন কৰিছে।

Throughout all France terrific tempest rise,
Thunder is heard, stormy winds blow high
Unmeasured rain and hail fall from the sky,
while thick and fast flashes the levin bright,
And true it is the earth quakes far and wide,
Far as from Saints to Michaels-of-the Tide,

From Besancon to wissant part you'd find
There is not a house but walls crack and rive
Right at hight noon a darkness falls like night
Save for the lightning there is not a gleam of light,
And many say "this is the latter time,
The world is ending and the Doom is nigh."
They speak not true, they connot read the sign,
To Roland's death calls forth this mighty cry.

কাব্যখনত কাহিনীৰ উৎকণ্ঠা শেষলৈকে অব্যাহত ৰখাৎ কবিয়ে সফলতা লাভ কৰিছে। শেষতহে মাৰ্ছিলিয় আৰু গানেলোঁৰ ষড়যন্ত্ৰ প্ৰকাশ পাইছে। অনুবাদিকা ছেয়াৰ্চে কাব্যখন সম্পৰ্কে অভিমত দি কৈছে,—It is a deliberate and masterly work of art, with a single shaping and constructive brain behind it, marshalling its episodes and its characterisation into an orderly and beautitul balanced whole.

অষ্টম শতাব্দীৰ ফ্ৰেঞ্চ ভাষাৰ উচ্চাৰণ কেনে আছিল জনা নাযায়। সেই কাৰণে প্ৰধান চৰিত্ৰবোৰৰ ইংৰাজী লিপ্যন্তৰ* দিয়া হ'ল।

Roland (F) ৰোঁলা ৰোলাণ্ড
Charlemagne (F) চাৰ্লমেন
Oliver (F) অলিভাৰ
Ganelon (F) গানেলোন (গানেলোঁ)
Marsilion (S) মাৰ্ছিলিয়ন (মাৰ্ছিলিয়ঁ)
Emir Baligant (S) বেলিগান্ট (বেলিগাঁ)
Arch bishop Turpin (F) টাৰ্পিন (টুৰ্পাঁ)
Baligant (S) বেলিগাঁ বেলিগাণ্ট
Valdabrun (S) বালদাব্ৰুঁ
Grandoyne (S) গ্ৰেণ্ডৰ্য়নে
Malquiant (S) মালকুইয়েঁ (মালকুইয়েণ্ট)
Gerin (F) গেৰিন (গেৰিঁ)
Gerier (F) গেৰিয়াৰ (গেৰিয়ে)
Guenes (F) গুৱেনেছ (গুৱেঁ)
Estorgan (S) এষ্টৰ্গান (এষ্টৰ্গাঁ)
Margaris (S) মাৰ্গেৰিছ (মাৰ্গেৰী)
Chernubles (S) চেৰনুব্লেছ (চৰনুব্লে)
Escremiz (S) এছক্ৰেমিজ
Almanzor (S) এলমেঞ্জৰ
Maloprim's (S) মেলপ্ৰিমিছ
Bramimonda (S) ব্ৰামিমেণ্ডো
Ogier (F) অজিয়াৰ
Naimon (নাইমঁ)

পৰিশিষ্ট ৎ 'ৰোলাঁৰ গীত'ৰ বিষয়বস্তুৰ সৈতে প্ৰায় একে দুখন ইটালীয় কাব্য (লেটিন নহয়) পঞ্চদশ-ষোড়শ শতাব্দীত বয়াৰ্ড" (Boiardo) আৰু এৰিঅস্ট' (Ariosto) নামৰ দুজন কবিয়ে দুখন ৰোমান্স-প্ৰধান মহাকাব্য ৰচনা কৰে। দুয়ো কবি যে ইটালীৰ ফেৰাৰাৰ ডিউকৰ পৃষ্ঠপোষকতা লাভ কৰিছিল কাৰণে তেওঁলোকৰ মহাকাব্যত ডিউক বংশৰ ঐতিহ্য আৰু গৌৰৱৰ প্ৰশস্তি পোৱা যায়।

* F (Trench), S (Sarcacen).

বয়াৰ্ড'’ৰ কাব্য Orlando Innamorato-ৰ বিষয়বস্তুৰ লগত এৰিঅ'ষ্টৰ কাব্য Orlando Furioso-ৰ বিষয় একে যদিও ৰূপায়নৰীতি (treatment) একে নহয়। অৱশ্যে প্ৰধান চৰিত্ৰ Orland-কে ধৰি (ৰোলাৰ গীতৰ Roland) দুয়োখন কাব্যৰে ভালেমান চৰিত্ৰ একে। ১৪৯৪ খৃষ্টাব্দত বয়াৰ্ড'’ৰ মৃত্যু হয়, আৰু তেওঁৰ কাব্যখনো আধৰুৱা হৈ ৰয়। এৰিঅ'ষ্টই (পূৰা নাম লুড'ফিক এৰিঅ'ষ্ট) বয়াৰ্ডৰ কাব্যখন নিশ্চয় পঢ়াৰ বা শুনাৰ সুযোগ পাইছিল, সেই কাৰণে বয়ৰ্ডৰ মৃত্যুৰ পোন্ধৰ বছৰৰ পাছত ৰচনা কৰা (১৫০৯) 'উন্মত্ত অলেণ্ড' কাব্যত পূৰ্ব কবিৰ প্ৰভাৱ পৰা একো অস্বাভাবিক নহয়। চৰিত্ৰৰ নামৰ সাদৃশ্যৰ বাহিৰেও ঘটনা আৰু পৰিস্থিতিৰ সাদৃশ্যও নথকা নহয়। বয়ৰ্ডৰ কাব্যৰ পৰিসৰ অনুমানসাপেক্ষ, কিন্তু এৰিঅ'ষ্টৰ কাব্যখন বৃহৎ। এই কাব্যত ৪৬ (ছয়ছল্লিশ) টা সৰ্গ (books) আৰু প্ৰায় চল্লিশ হাজাৰ লাইন আছে। গতিকে, অৱয়বৰ ফালৰ পৰা ইউৰোপীয় মহাকাব্যৰ ভিতৰত ই এখন বৃহত্তম কাব্য। অসংখ্য প্ৰাসংগিক উপাখ্যানে (episodes) কাব্যখনৰ গঠন এফালে যেনেকৈ বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিছে, আনফালে তেনেকৈ কোনটো আধিকাৰিক কাহিনী (principal plot) আৰু কোনবোৰ প্ৰাসংগিক কাহিনী বাছি উলিওৱা টান হৈ পৰে। অৱশ্যে এই বিষয়ত কাব্যখনৰ নামকৰণে আমাক Orlando-Angelica সংক্ৰান্ত কথাবস্তুৰ প্ৰধান ৰূপে গ্ৰহণ কৰাত সহায় কৰে। কাব্যখন সৰুবৰ চৰিত্ৰ ধৰিলে দুশৰো অধিক ব্যক্তিয়ে কাহিনীৰ বিকাশত অংশ গ্ৰহণ কৰিছে।

কাব্যখনত প্ৰাকৃতিক-অপ্ৰাকৃতিক ঘটনাৰ সমাবেশ ঘটিছে। প্ৰাকৃতিক-অপ্ৰাকৃতিৰ উপৰিও আকস্মিকতা আৰু strange co-incidence (বিস্ময়াৱহ সংযোগ) সহায়ত ঘটনাৰ বৈচিত্ৰ্য আৰু জটিলতা সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা দেখা যায়। যদিও এই কাব্যখন ৰেনাছাঁৰ যুগত ৰচিত হৈছিল, তথাপি তেতিয়া মৃতপ্ৰায় chivalrous ৰীতিৰ সঘন প্ৰয়োগ কৰা দেখা যায়। কাব্যত এৰিষ্টটেলিয়ান ঐক্য অনুসৰণ কৰা দেখা নাযায়। কেইটামান প্ৰাসংগিক উপবস্তু আৰু প্ৰধান কথাবস্তুৰ এটি চমু তালিকাৰ পৰা কাব্যখনৰ বিস্তৃতিৰ আভাস পাব পাৰি।

১। অৰ্লেণ্ড-এঞ্জেলিকা—(Orlando,Angelica)

২। ৰুগিয়েৰ'-ব্ৰেজমেনটী (Ruggiero-Bradamante)

৩। এৰিঅ'ডাণ্টে-গিনেভ্ৰা (Oriodante-Ginevra)

৪। পলিনেচ্ছ'-ডালিণ্ডা (Polinesso-Dalinda)

৫। ফিঅ'ডিলিগী-ব্ৰেণ্ডিমাৰ্টে (Fiordoligi-Brandimarte)

৬। আলম্পিয়া-বিৰেন' আৰু স্কটলেণ্ডৰ ৰজা (Olimpia-Bireno)

৭। ইছাবেলা-জেৰবিন' (Isabella-Zerbino)

৮। ডৰালিছা-ৰোডমণ্টে-মণ্ড্ৰিকাৰ্ড (Doralica-Rodomonte-Mandricardo)

৯। লুচিনা-লোৰাণ্ডিন' (Lucina-Norandino)

১০। গেব্ৰিনা-আৰ্জিঅ'-ফিলাণ্ড্ৰ' (Gabrina-Argeo-Filandro)

১১। অৰিগিলে-গ্ৰিফ'ন-মাৰ্টান' (Origelle-Grifono-Martano)

১২। অৰণ্টিয়-মাৰ্ফিছা (Orontea, Marfisa)—

ওপৰত মাত্ৰ কেইটামান উপকাহিনী উল্লেখ কৰা হৈছে, আৰু ভালেখিনি episode আছে। এইবোৰ কাহিনী উপকাহিনীৰ উপৰিও যাদুবিদ্যা, কুমন্ত্ৰ, মায়াৰূপধাৰণ, দুঃসাহসিক কাৰ্য, আশ্চৰ্য ঘটনা, নাৰী ধৰ্ষণ, নাৰীৰ ৰক্ষাৰ্থে আত্মনিয়োগ, দ্বন্দ্বযুদ্ধ, বীৰত্বৰ প্ৰতিযোগিতা, ছাৰাচেন-খৃষ্টিয়ান ধৰ্মযুদ্ধ খৃষ্টিয়ান সম্ৰাট চাৰ্লমেনৰ নেতৃত্বত খৃষ্টিয়ান বাহিনীৰ সমাবেশ আৰু সম্ৰাটৰ ৰাজধানী অৱৰোধ কৰা ছাৰাচেন (মুছলিম) বাহিনীৰ লগত যুদ্ধ, অৰ্লেণ্ডৰ বীৰত্ব কিন্তু শেষত এঞ্জেলিকাক নোপোৱাত মানসিক বিকৃতি, বীৰাংগনা ব্ৰেডামেণ্টী আৰু মাৰ্ফিছাৰ সাহস আৰু বীৰত্ব, পখীঘোৰাৰ অদ্ভুত কাম, মন্ত্ৰপূত বা যাদু ঘোৰা, যাদুশিঙা, যাদুশাস্ত্ৰ, যাদুজাল (magic net আদিৰ প্ৰয়োগ, আদি বাস্তৱ-অবাস্তৱ ঘটনা বা বৰ্ণনাই কাব্যখনক প্ৰকৃত মহাকাব্যৰ পৰ্যায়ৰ পৰা নমাই ৰজা আৰ্থাৰৰ ঘূৰণীয় মেলৰ বীৰসকলৰ কাহিনীৰ পৰ্যায়লৈ লৈ গৈছে। প্ৰেম, প্ৰেমৰ বিশ্বাসঘাতকতা, ছাৰাচেন আৰু খৃষ্টিয়ান বীৰসকলৰ পাৰস্পৰিক শত্ৰুতাৰ সমান্তৰাল ভাবে বন্ধুতাও প্ৰদৰ্শিত হৈছে। পেৰিছ নগৰ অৱৰোধকাৰী স্পেনীয় আৰু ছাৰাচেন বাহিনীৰ পৰাজয়ৰ লগতে ভালেমান পাগান বা অখৃষ্টিয়ান বীৰ-বীৰাংগনাৰ খৃষ্টিয়ান ধৰ্ম গ্ৰহণ কৰাও দেখুৱাইছে। কবি নিজে খৃষ্টিয়ান হ'লেও নিৰ্মোহভাবে শত্ৰুপক্ষৰ বীৰসকলৰ গুণাৱলী নেদেখুৱাকৈ থকা নাই। খৃষ্টিয়ান হ'লেও বহু পৰিমাণে এৰিঅ'ষ্ট ধৰ্মান্ধ নহয়, বেলাছাঁৰ মুক্তমনৰ পৰিচয় আছে।

যদিও অৰ্লেণ্ড' ইয়াৰ প্ৰধান চৰিত্ৰ বা মহাকাব্যখনৰ নায়ক বুলি ধাৰণা কৰা হয় তথাপি কাহিনীবিকাশত অৰ্লেণ্ডৰ ভূমিকা আৰু স্থানৰ প্ৰাধান্য দেখা নাযায়। প্ৰাসংগিক আখ্যানৰ নায়ক দুজনমানতকৈ অৰ্লেণ্ডৰ ভূমিকা শক্তিশালী নহয়। ছাৰাচেনৰ অসামান্য বীৰ ৰুগিয়েৰ খৃষ্টিয়ান ধৰ্মত দীক্ষা গ্ৰহণ কৰি খৃষ্টিয়ান দলৰ হৈ শত্ৰুবীৰ ৰোডমেণ্টৰ লগত যুদ্ধত প্ৰবৃত্ত হৈ ৰোডমেণ্টক বধ কৰি খৃষ্টিয়ান বাহিনীৰ জয় প্ৰতিষ্ঠা কৰে আৰু কাব্যৰো পৰিসমাপ্তি ঘটায়।

কাব্যখনত বিংশৰো অধিক নাৰীচৰিত্ৰক প্ৰবেশ ঘটোৱা হয়। এই সকলৰ ভিতৰত যুদ্ধত অসামান্য দক্ষতা প্ৰদৰ্শন কৰা ব্ৰেডামণ্টে (Bradamonte) আৰু মফিছা (Mafisa) বিশেষভাবে উল্লেখযোগ্য। টাছোৰ মহাকাব্যৰ ক্লৰিণ্ডাৰ চৰিত্ৰ সম্ভৱতঃ এৰিঅ'ষ্টৰ বীৰ ৰমণী উক্ত দুগৰাকী বীৰ নাৰীচৰিত্ৰক আদৰ্শতে ৰূপ দিয়ে।

পৰৱৰ্তী বহু কবিৰ কাব্যত 'অৰ্লেণ্ড ফিউৰিঅছ' প্ৰভাৱ লক্ষ্য কৰা যায়। স্পেনছাৰ, বায়ৰণকে প্ৰমুখ্য কৰি ইংৰাজ কবিৰ ওপৰত প্ৰভাৱ লক্ষ্য কৰা যায়। ১৫১৬ খৃষ্টাব্দত এৰিঅ'ষ্টৰ মহাকাব্যখন মুদ্ৰিত হয়। পঁচিশ বছৰৰ চেষ্টাৰ ফল এই কাব্যখন ১৫০৯ খৃষ্টাব্দত সম্পূৰ্ণ কৰা হয়। এইখন ইংৰাজী ভাষালৈ অনুবাদ কৰে জ'ন হেৰিংটনে আৰু মুদ্ৰিত হয় ১৫৯১ চনত। গতিকে এই সময়ৰ বা পৰৱৰ্তী ইংৰাজ কবি কেবাজনো প্ৰভাৱিত হোৱা দেখা যায়।

কবি এৰিঅ'ষ্টই বহুত ক্ষেত্ৰত পৰস্পৰবিৰোধী আৰু কেতিয়াবা পৰস্পাৰিক সাদৃশ্য থকা ঘটনা সংস্থাপন কৰি কাহিনীৰ বৈচিত্ৰ্য সম্পাদন কৰিছে। উদাহৰণ স্বৰূপে, অষ্টাদশ আৰু ঊনবিংশ সৰ্গত ফিল'মেটাৰ প্ৰেমৰ ক্ষেত্ৰত অনানুগত্য আৰু ইছাবেলাৰ আত্মত্যাগসূচক আনুগত্যই নাৰী প্ৰেমৰ দুটা বিপৰীত ৰূপ দাঙি ধৰিছে। সেইদৰে এঞ্জেলিকাৰ কাৰণে অৰ্লেণ্ড'ৰ মানসিক বিকৃতি আৰু ৰোডমণ্টেৰ ডোৰালিছেৰ নিমিত্তে পাগল অৱস্থাৰ চিত্ৰ সাদৃশ্যমূলক সমধৰ্মী ঘটনা। এনে ধৰণৰ সাদৃশ্য-বৈসাদৃশ্যৰ incid nts সংস্থাপন কৰি কাব্যখন সাধাৰণ পাঠকৰ আকৰ্ষণীয় কৰা হৈছে। ঘটনাৰ বাহুল্য আৰু বৈচিত্ৰ্য, ছদ্মবেশ, মায়াজালৰ প্ৰভাৱ, স্বদ্দ যুদ্ধ, ষড়যন্ত্ৰ প্ৰেমৰ বিচিত্ৰ প্ৰকাশ স্থান-কালৰ প্ৰতি ঔদাসীন্য, কেন্দ্ৰীয় প্লটৰ অভাৱ আদি কাৰণসমূহে কাব্যখনৰ সংহতি নষ্ট কৰিছে। যুদ্ধৰ বৰ্ণনা, নাৰীসৌন্দৰ্যৰ বৰ্ণনা, হোমাৰীয় উপমাৰ সঘন প্ৰয়োগ, chivalrous ব্যৱহাৰ, অদ্ভুত-আশ্চৰ্য্যৰ প্ৰতি অতিৰিক্ত মোহ, ঘটনাৰ অসংলগ্নতা আদি বহুত ক্ষেত্ৰত কাব্যখন সমৃদ্ধ যদিও কবিয়ে কল্পনাৰ লেকামডাল ঠায়ে ঠায়ে বেছিকৈ ধিলাই দিছে। কাব্যবৰ্ণিত অষ্টম শতিকাৰ সম্ৰাট চাৰ্লমেনৰ খৃষ্টিয়ান ধৰ্মৰক্ষা আৰু প্ৰসাৰৰ প্ৰচেষ্টাই কাব্যৰ ধৰ্মীয় আদৰ্শ সূচনা কৰে।

এৰিঅ'ষ্টৰ জন্ম হয় খৃষ্টীয় ১৪৭৪ চনত। তেওঁৰ ইটালীৰ ডিউকশাসিত ফেৰাৰে ৰাজ্যত ডিউকৰ অনুপ্ৰেৰণা লাভ কৰি কাব্য ৰচনা কৰে। ১৫৩৩ চনত তেওঁৰ মৃত্যু হয়।

কাব্যখন সম্পৰ্কে সমালোচকৰ দুটামান অভিমত তলত দাঙি ধৰা হ'ল।

It is essentially undefined and uncategorised ; the intermingling of serious and lightness…" (C P. Brand)

The *Orlando Furioso* has neither the primitive and robust spirit of the *Chanson de Roland*, nor the severe depth of the *Divine comedy* ; it is no real epic like the *Iliad*, it has not the national background of the *Arneid*, nor the symbolic pageantry of the *Faerie Queen*, but gave Ariosto's contemporaries exactly what they wanted. (M. W. Tillyard)

এৰিঅ'ষ্টৰ কবিপ্ৰতিভাৰ নিদৰ্শন স্বৰূপে খপকৰে বাছি লোৱা (selected at random) কুমাৰীৰ এটি চিত্ৰ উদ্ধৃত কৰি আলোচনা সামৰা হ'ব।

A virgin may be likened to a rose
Which on it slender stem by thorns defended,
Within a garden unmolested grows
To pluck it no despoiling hand's extended.
The morning dew, the brezze that gently blows
The rain, the earth, its loveliness has tended
No sweeter pledge young lovers yearns to wear,

Upon their breast or to adorn their heir.
But when from the maternal stalk men severe
The rose in bloom, far from it verdaut tree,
All narture of heaven and earth for ever,
Vanish and benisous no more can be.
Even so, the flower of maidenhood, whenever
Yielded, loses its cherished purity.
With a zeal a virgin should, more than her eyes,
More than her life itself, defend this prize.*

(I/42-43)

(এগৰাকী কুমাৰী এপাহ বসন্তকালীন কাঁইটেৰে আবৃত গোলাপ ফুলৰ দৰে। কাৰো দ্বাৰা অনিষ্ট নোহোৱাকৈ ফুলনিত ই বিকশিত হয়। ইয়াক ছিঙিবলৈ কাৰো হাত আগ নাবাঢ়ে। ৰাতিপুৱাৰ নিয়ঁৰ, মৃদু বতাহ, বৰষুণ পৃথিৱীয়ে ইয়াক লালন-পালন কৰে। কোনো ডেকা প্ৰেমিকে তেওঁলোকৰ চুলি অথবা বুকুৰ চোলাত শুৱনি কৰিবলৈ ইয়াত কি সৰ্বাধিক প্ৰেমৰ প্ৰতীক নিৰ্বাচাৰে। কিন্তু মাতৃস্বৰূপা ঠাৰিৰ পৰা মানুহে তাক ছিঙি আনে। তেতিয়া প্ৰকৃতিৰ সকলো সৌন্দৰ্য লয় পায়। সেই দৰে সুন্দৰী নাৰীৰ কুমাৰিত্ব লয় পালে ইয়াৰ সকলো সযতনে ৰখা পৱিত্ৰতা নষ্ট পায়। বৰ উৎসাহ যত্নেৰে এগৰাকী কুমাৰীয়ে নিজৰ চকু বা জীৱনকো ৰক্ষা কৰাৰ দৰে পৱিত্ৰতা ৰক্ষা কৰিব লাগে।)

* কাব্যখনৰ কাহিনীৰ ৰূপৰেখা প্ৰবন্ধটোত সন্নিবেশ কৰা সম্ভৱ নহয় কাৰণে দিয়া নহ'ল। উৎসুক পাঠকে Barbara Reynold-ৰ দুটা বৃহৎ খণ্ডত বিভক্ত অনুবাদ পঢ়ি চাব পাৰে।

অষ্টম অধ্যায়

নিবেলুঙ্গেন্ লিয়েট

অষ্টম অধ্যায়

নিবেলুঙ্গেনলিয়েট

নিবেলুঙ্গেনলিয়েট (Nibelungenliet) টিউটনিক ঐতিহ্যৰ মহাকাব্য। এই মহাকাব্যত প্ৰাক্ খৃষ্টীয় টিউটনিক দেৱবাদ আৰু ধৰ্মবিশ্বাসৰ লগত খৃষ্টীয় ধৰ্মবিশ্বাসৰ সংযোগ ঘটিছে। স্কেণ্ডিনেভিয়া (নৰৱে, ছুইডেন আইচলেণ্ড) আৰু জাৰ্মান দেশবাসীসকল প্ৰধানকৈ টিউটন জাতিৰ লোক। গ্ৰীক আৰু ৰোমান দেৱতাসকলৰ দৰে টিউটনসকলৰ মাজতো বহুদেৱতাৰ অস্তিত্ব স্বীকৃত হৈছিল। 'নিবেলুঙ্গেনলিয়েট'ত এই দেৱতাৰ প্ৰভাৱ দেখা যায়। 'নিবেলুঙ্গেনলিয়েট' মহাকাব্য সম্ভৱতঃ খৃষ্টীয় দ্বাদশ-ত্ৰয়োদশ শতিকামানত ৰচিত হয়। লিপিবদ্ধ হোৱাৰ আগতে বীৰগাথাৰূপে বহুকাল ভ্ৰমনশীল গায়কৰ (wandering ministrel) মুখে মুখে প্ৰচলিত আছিল বুলি ধাৰণা কৰা হয়। এই মহাকাব্য কেবাটাও পুৰাতন কাহিনীৰ সংমিশ্ৰনত গঢ়ি উঠে। এইবোৰৰ ভিতৰত 'এড্ডাৰ কাহিনী (Edda) আৰু ফলসুংসাগা (volsung saga) বিশেষভাৱে উল্লেখযোগ্য।

এই মহাকাব্যত দুগৰাকী নাৰীৰ প্ৰাধান্য লক্ষ্য কৰা যায়, প্ৰথম ছোৱাত ৰাজকুমাৰী ব্ৰুনহিল্ড আৰু দ্বিতীয় ছোৱাত কুমাৰী ক্ৰিয়েমহিল্ড। ক্ৰিয়েমহিল্ড বাৰ্গাণ্ডীয় ৰাজবংশৰ ৰাজকুমাৰী ৰূপে-গুণে অতুলনীয়া। ককায়েক গান্থাৰ ওমছৰ ৰজা আৰু ককায়েকৰ স্নেহৰ আশ্ৰয়ত ৰাজকুমাৰী ডাঙৰ দীঘল হয়। ছিয়েগফ্ৰিট দক্ষিণ ৰাইন অঞ্চলৰ ৰাজকুমাৰ, ৰূপ-গুণ, বীৰত্ব, সাহস আৰু উদাৰতাৰ কাৰণে প্ৰখ্যাত আছিল। ক্ৰিয়েমহিল্ডৰ ৰূপ-গুণৰ কথা শুনি ছিয়েগফ্ৰিটে তেওঁক পত্নীৰূপে পাবলৈ হাবিলাষ জন্মে। মাক-বাপেকৰ বাধা সত্ত্বেও তেওঁ ৰজা গান্থাৰৰ ৰাজধানী ওমছলৈ যাত্ৰা কৰে আৰু যথাসময়ত গান্থাৰৰ ৰাজসভাত উপস্থিত হয়। গান্থাৰৰ মন্ত্ৰী হেগেন। তেওঁ খল কুটচক্ৰান্তকাৰী আৰু পৰক উচতাই দি ৰং চোৱা মানুহ। ছিয়েগফ্ৰিটক দেখিয়েই চিনিব পাৰিলে যে ৰাজসভাত উপস্থিত হোৱা বীৰ যুৱকজন আন কোনো নহয় ৰাইনৰ ৰাজকুমাৰ খ্যাতিমান ছিয়েগফ্ৰিট। এখন কন্দল লগাবৰ উদ্দেশ্যে গান্থাৰৰ আগত ছিয়েগফ্ৰিটৰ গুণ-গৰিমা, বীৰত্ব, সাহস আৰু উদাৰতাৰ এনে জয়ঢোল বজাবলৈ ধৰিলে যে ৰজা গান্থাৰৰ অন্তৰ ঈৰ্ষাত জ্বলি উঠিল। গান্থাৰৰ ওচৰত ছিয়েগফ্ৰিটে যেনে আচৰণ,আৰু অভ্যৰ্থনা আশা কৰিছিল তেনে অভ্যৰ্থনাৰ বিপৰীতে গৰ্ব আৰু উদ্ধতপূৰ্ণ আচৰণ পাই ছিয়েগফ্ৰিটে গান্থাৰক দ্বন্দযুদ্ধলৈ আহ্বান কৰিবলৈ বাধ্য হ'ল। কিন্তু শেষ মুহূৰ্তত হেগেনৰ মধ্যস্থতাত তেওঁলোকৰ বিবাদৰ এটা আপোছ হ'ল আৰু ছিয়েগফ্ৰিটেও ক্ৰিয়েমহিল্ডৰ আশাত

গান্হাৰৰ ৰাজসভাত থাকিবলৈ সুযোগ পায়। তাৰ কিছুদিনৰ পাছত ডেন আৰু ছেক্সনবোৰে (Danes & Saxons) ওৰ্মছ ৰাজ্য আক্ৰমণ কৰে। গান্হাৰ আৰু হেগেনে ছিয়েগফ্ৰিটক কামত লগাবৰ এটা সুবৰ্ণ সুযোগ লাভ কৰে। গান্হাৰে ছিয়েগফ্ৰিটৰ সাহায্য প্ৰাৰ্থনা কৰে। গান্হাৰৰ অনুৰোধত তেওঁ শত্ৰুক প্ৰতিৰোধ কৰিবলৈ দায়িত্ব গ্ৰহণ কৰে। যুদ্ধৰ সেনাপতিত্ব কৰি ডেন আৰু ছেক্সনবিলাকক পৰাস্ত কৰি ওৰ্মছ ৰাজ্যৰ পৰা খেদি পঠায়। ইয়াৰ ফলত ছিয়েগফ্ৰিটৰ মৰ্যাদা আৰু সম্মান গান্হাৰৰ ৰাজসভাত বহুতো বৃদ্ধি পালে, তেওঁক ৰজায়ো থাকিবৰ কৰিবলৈ ধৰে। কিন্তু এই পৰ্যন্ত ছিয়েগফ্ৰিটে ক্ৰিয়েমহিল্ডৰ প্ৰতি তেওঁৰ অনুৰাগৰ কথা গান্হাৰক জনোৱা নাছিল।

এনেতে এটা নতুন পৰিস্থিতিয়ে দেখা দিলে। ইজেনষ্টাইল নামে ৰাজ্যত ব্ৰুনহিল্ড নামে এগৰাকী অসীম সাহসী ৰূপহী বীৰাঙ্গনা আছিল। তেওঁ পণ কৰিছিল যেয়ে তেওঁক যুদ্ধত পৰাস্ত কৰিব পাৰিব তেওঁকে স্বামীৰূপে বৰণ কৰিব। ব্ৰুণহিল্ডক লাভ কৰাৰ আশাত বহুতো ৰাজকোঁৱৰ আৰু বীৰে ৰাজকন্যাৰ লগত এখুন্দা যুজ দি চালে, কিন্তু কোনেও পৰাজয় কৰিব নোৱাৰি হতাশা হৈ নিজ নিজ ঠাইলৈ উভতি যায়। গান্হাৰে ব্ৰুণহিল্ডৰ কথা শুনি তেওঁক লাভ কৰিবলৈ মন মেলিলে। কিন্তু নিজৰ শক্তিৰ ওপৰত ভৰষা তেওঁৰ কম, সেই কাৰণে ছিয়েগফ্ৰিটৰ সহায় প্ৰাৰ্থনা কৰিলে। এই সুযোগতে ছিয়েগফ্ৰিটেও নিজৰ মনৰ কামনা পূৰণ কৰিবলৈ স্থিৰ কৰিলে। গান্হাৰক এটা চৰ্ত্তত তেওঁ সহায় কৰিবলৈ গাত ললে, যে সাহায্যৰ বিনিময়ত ক্ৰিয়েমহিল্ডক তেওঁলৈ বিয়া দিব লাগিব।

দুয়ো বন্ধুৱে শুভক্ষণত ইজেনষ্টাইনলৈ যাত্ৰা কৰিলে। দুয়োজনক ব্ৰুণহিল্ডে দেখা পালে। ছিয়েগফ্ৰিটৰ আকৰ্ষণীয় ব্যক্তিত্বই ব্ৰুণহিল্ডক মুগ্ধ কৰিলে, আৰু মনে মনে তেওঁকে স্বামীৰূপে পাবলৈ আকাঙ্ক্ষা কৰে। ছিয়েগফ্ৰিটৰ প্ৰতি ব্ৰুণহিল্ডৰ অনুৰাগ প্ৰকাশ পায় তেওঁৰ কথা-বাৰ্ত্তাত আৰু গান্হাৰক অৱজ্ঞা কৰি ছিয়েগফ্ৰিটৰ প্ৰতি অধিক মনোযোগ প্ৰদৰ্শন কৰাত। ছিয়েগফ্ৰিটে তেওঁলোকৰ অভিপ্ৰায় জনাই কলে যে বন্ধুৰ সহযোগী হিচাপেহে ইজেনষ্টাইনলৈ আহিছে, ব্ৰুণহিল্ডৰ পাণিপ্ৰাৰ্থীৰূপে নহয়। গান্হাৰহে ব্ৰুণহিল্ডৰ প্ৰতি আসক্ত, গতিকে গান্হাৰৰ লগতহে ব্ৰুণহিল্ডে যুদ্ধত নামিব লাগিব। গান্হাৰ দুৰ্বল আৰু ৰূপ-সৌন্দৰ্যত হীন নাছিল, তথাপি ছিয়েগফ্ৰিটৰ তুলনাত নিষ্প্ৰভ বুলি ব্ৰুণহিল্ডৰ ধাৰণা হয়। অনিচ্ছা সত্ত্বেও গান্হাৰৰ যুদ্ধৰ আহ্বান চৰ্ত্তানুসৰি গ্ৰহণ কৰে। হাতত যাঠি লৈ, ৰণৰ পোছাক পিন্ধি যেতিয়া ব্ৰুণহিল্ড গান্হাৰৰ কাষত থিয় দিলেহি তেতিয়া গান্হাৰৰ মুখ শুকাই গ'ল। কিন্তু ছিয়েগফ্ৰিটে আশ্বাস দি যুদ্ধত নামিবলৈ তেওঁক উৎসাহ দিলে। ছিয়েগফ্ৰিটে তেওঁৰ অলৌকিক শক্তিৰ বলত গান্হাৰৰ লগত অদৃশ্যভাৱে থাকিল আৰু ব্ৰুণহিল্ডৰ আক্ৰমণ প্ৰতিহত কৰাত সহায় কৰিলে। ব্ৰুণহিল্ড গান্হাৰৰ হাতত শেষত পৰাজিত হ'ল। পণ অনুসৰি ব্ৰুণহিল্ডৰ লগত গান্হাৰৰ লগত বিয়াহ হ'ল আৰু ছিয়েগফ্ৰিটে ক্ৰিয়েমহিল্ডক লাভ কৰিলে।

ব্ৰুণহিল্ডে গান্হাৰৰ বিজয়ৰ ঘটনাটোত কিবা ৰহস্য আছে বুলি সন্দেহ নকৰাকৈ নাথাকিল। তদুপৰি ছিয়েগফ্ৰিটৰ লগত ক্ৰিয়েমহিল্ডৰ বিয়া হোৱাত ছিয়েগফ্ৰিটক কিবা উপায়ে স্বামীৰূপে পোৱাৰ সকলো আশা আঁতৰ হ'ল। মনৰ মানুহজনক নোপোৱাৰ বেদনা তেওঁৰ অন্তৰত এটুকুৰা ক্ষতৰ দৰে বৈ গ'ল। ৰহস্য উদ্ঘাটনৰ কাৰণে উঠিপৰি লাগিল। ৰাজকুমাৰী ক্ৰিয়েমহিল্ডক এজন সাধাৰণ প্ৰজালৈ কিয় দিব লগা হ'ল—এই প্ৰশ্নটো তেওঁ বাৰে বাৰে তুলিবলৈ ধৰিলে আৰু সুবিধা বুজি ক্ৰিয়েমহিল্ডক ছিয়েগফ্ৰিটৰ মৰ্যাদা সম্পৰ্কে খোচা মাৰিবলৈকো আৰম্ভ কৰে। এই লৈয়ে এখন ভোজসভাত ব্ৰুণহিল্ড আৰু ক্ৰিয়েমহিল্ডৰ তুমুল বাক-বিতণ্ডা হয় আৰু খঙৰ চোটত নকবলগীয়া কথাকে কৈ পেলায় যে গান্হাৰে তেওঁৰ স্বামীৰ সহায়তহে ব্ৰুণহিল্ডক লাভ কৰিবলৈ সমৰ্থ হৈছিল। ছিয়েগফ্ৰিটৰ সহায় নোহোৱাহেঁতেন গান্হাৰে ব্ৰুণহিল্ডক লাভ কৰা সম্ভৱ নহ'লহেঁতেন। ৰহস্য উদ্ঘাটন হ'ল, ওমৰ্চ্ছ ৰাজ্য ক'লা ডাৱৰে আবৰি পেলালে।

ব্ৰুণহিল্ডৰ মানসিক অৱস্থা ভয়াৱহ, তেওঁ যিটো কথা অতদিনে সন্দেহ কৰি আহিছিল সেয়ে সত্যত পৰিণত হ'ল। সকলোতকৈ ক্ষোভ অভিমান আৰু খঙৰ পাত্ৰ হ'ল ছিয়েগফ্ৰিট, কাৰণ তেওঁক ব্ৰুণহিল্ডে অন্তৰেৰে স্বামীৰূপে পচন্দ কৰিছিল, অথচ সেইজনেই তেওঁক প্ৰৱঞ্চনা কৰিলে। ছিয়েগফ্ৰিটৰ ওপৰত প্ৰতিশোধ লবলৈ তেওঁ ঠিক কৰিলে। ব্ৰুণহিল্ডৰ প্ৰতিশোধস্পৃহাত ঘিউ ঢালিলে কুটচক্ৰী হেগেনে। ব্ৰুণহিল্ডে বিৱাহিত স্বামী গান্হাৰকো ছিয়েগফ্ৰিটক হত্যা কৰিবলৈ উচতাবলৈ ধৰিলে, কিন্তু গান্হাৰে ভগ্নীপতি আৰু বন্ধুক গোপনে হত্যা কৰিবলৈ বৰ উৎসাহ নেদেখুৱালে। এদিন সকলোৱে দলবান্ধি চিকাৰলৈ যায়। সমস্ত দিন চিকাৰত ব্যস্ত থাকি ভাগৰত যেতিয়া ছিয়েগফ্ৰিটে হাবিত এজোপা গছৰ তলত বিশ্ৰাম কৰিছিল, সেই সময়তে পাছফালৰ পৰা অতৰ্কিতে হেগেনে তেওঁক যাঠিৰে খুচি মাৰে। এইখিনিতে মহাকাব্যখনৰ প্ৰথম পাঁচটা সৰ্গৰ প্ৰথম খণ্ড শেষ হৈছে।

দ্বিতীয় খণ্ডত ব্ৰুণহিল্ডৰ বিশেষ কথা নাই। তেওঁক প্ৰকৃত পক্ষে কাহিনীৰ পৰা আঁতৰাই ৰখা হৈছে। এই খণ্ডৰ নায়িকা ক্ৰিয়েমহিল্ড। ক্ৰিয়েমহিল্ডৰ প্ৰতিশোধ গ্ৰহণৰ বিৱৰণ ইয়াত পোৱা যায়। এই খণ্ড আৰম্ভ হৈছে ক্ৰিয়েমহিল্ডৰ পতিৰ মৃত্যুত শোক আৰু বিলাপৰ যোগেদি আৰম্ভ হৈছে। ছিয়েগফ্ৰিটক যথা-যোগ্যভাৱে সমাধি দিয়া হয়। পতিহন্তা হেগেন আৰু গান্হাৰক ক্ৰিয়েমহিল্ডে ক্ষমা কৰিব নোৱাৰিলে। তেওঁ কি উপায়ে পতি হত্যাৰ প্ৰতিশোধ লব সেই বিষয়ে চিন্তা কৰি থাকে আৰু ককায়েক গান্হাৰ যে হত্যাকাণ্ডত লিপ্ত আছিল সেই কথাও ক্ৰিয়েমহিল্ডে নজনালৈ নাছিল। ছিয়েগফ্ৰিটে বীৰত্বৰ যোগেদি সংগ্ৰহ কৰা বিপুল ধনসোণ গান্হাৰৰ হাতত গচ্ছিত ৰাখিছিল, সেই সম্পদৰাজী সম্পৰ্কেও ক্ৰিয়েমহিল্ড অৱগত আছিল। সেই গচ্ছিত ধনসোণ আৰু সম্পত্তি হেগেনে অপহৰণ কৰি

নিয়ে। কিন্তু ঘৰত ৰাখিলে বিপদ হোৱাৰ আশঙ্কা কৰি এখন নদীৰ বুকুত নাৱত ভৰাই দি লুকুৱাই থৈছিল। ক্ৰিয়েমহিল্ডে এই কথাও জানিছিল।

ইতিমধ্যে ঘটনাৰ নতুন সূত্ৰপাত হয়। হুনবিলাকৰ ৰজা এটজেল। এসময়ত হুনবোৰে এছিয়াৰ পৰা আৰম্ভ কৰি ইউৰোপৰ বহু অঞ্চলত প্ৰাধান্য বিস্তাৰ কৰিছিল। উত্তৰ ইউৰোপৰ জাৰ্মান আৰু ৰাইন অঞ্চলতো এই দুৰ্ধৰ্ষ জাতিটোৱে অত্যাচাৰ আৰু প্ৰতিপত্তি বিস্তাৰ কৰিছিল। আমাৰ ভাৰততো হুণবোৰে এটা ৰাজবংশ খ্ৰিষ্টীয় অষ্টম শতিকামানত প্ৰতিষ্ঠা কৰিছিল। হুনৰাজাৰ প্ৰথম গৰাকী ৰাণী ঢুকুৱাৰ পাছত দ্বিতীয়বাৰ বিয়া কৰিবলৈ ইচ্ছা কৰে। আৰু ছিয়েগফ্ৰিটৰ বিধবা পত্নী ক্ৰিয়েমহিল্ডক তেওঁ পচন্দ কৰে ক্ৰিয়েমহিল্ড এট্‌জেলৰ প্ৰস্তাৱ গ্ৰহণ কৰে। এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ উদ্দেশ্য আছিল এট্‌জেলৰ সহায়ত ছিয়েগফ্ৰিটৰ হত্যাৰ প্ৰতিশোধ লোৱা। গান্হাৰ আছিল সৰল প্ৰকৃতিৰ, তাৰ সুবিধা লৈ ষড়যন্ত্ৰকাৰী আৰু কুটকৌশলী হেগেনে নিজৰ স্বাৰ্থ সিদ্ধি কৰিছিল। এট্‌জেলৰ লগত ক্ৰিয়েমহিল্ডৰ বিয়া হেগেনে সহজভাৱে লব পৰা নাছিল, সেই কাৰণে তেওঁ গান্হাৰক এই বিষয়ে সাৱধান কৰি দিছিল। এট্‌জেলৰ লগত ক্ৰিয়েমহিল্ডৰ বিয়া সম্পন্ন হয়। বিয়াৰ পাছত এট্‌জেলে, নতুন পত্নীৰ অনুপ্ৰেৰণাত গান্হাৰক অনুচৰবৰ্গৰ সৈতে তেওঁৰ ৰাজসভালৈ নিমন্ত্ৰণ জনায়। গান্হাৰে নিমন্ত্ৰণ গ্ৰহণ কৰে। কিন্তু হেগেনে বিপদৰ সম্ভাৱনা অনুমান কৰি গান্হাৰক সাৱধান কৰি দিয়ে আৰু তেওঁৰ উপদেশ মতেই সশস্ত্ৰ হৈ অনুচৰবৰ্গক লগত লৈ গান্হাৰ আৰু হেগেন এট্‌জেলৰ ৰাজসভালৈ বুলি যাত্ৰা কৰে। হুণৰাজ এট্‌জেলে তেওঁৰ ৰাজসভাত এটা অপ্ৰীতিকৰ ঘটনা হোৱাটো ইচ্ছা কৰা নাছিল, সেই কাৰণে ক্ৰিয়েমহিল্ডৰ গোপন অভিসন্ধিত তেওঁ প্ৰত্যক্ষভাৱে জৰিত হব নুখুজিলে। কিন্তু ক্ৰিয়েমহিল্ডে ধনৰ লগত লোভ দেখুৱাই ভালেখিনি সৈন্যক নিজৰ ফলীয়া কৰি লয়। তদুপৰি ওচৰচুবুৰীয়া ৰাজ্য বাৰ্লৰ অধিপতি ডিয়েট্ৰিখকো সেই ভোজসভালৈ নিমন্ত্ৰণ কৰা হৈছিল। ডিয়েট্ৰিখো অনুচৰ সহ এট্‌জেলৰ সভাত উপস্থিত হোৱাত ক্ৰিয়েমহিল্ডে তেওঁকো নিজৰ ফলীয়া কৰি লয়।

ভোজ আৰম্ভ হয়। কথাপ্ৰসংগত ক্ৰিয়েমহিল্ডৰ ল'ৰাটোৰ কথা উত্থাপন হোৱাত ছিয়েগফ্ৰিটৰ হত্যাৰ কথা ওলায়। কথাত কথা বাঢ়ি বাক-বিতণ্ডাৰ সৃষ্টি হয় আৰু সেয়ে কাজিয়াৰ সূত্ৰপাত। ক্ৰিয়েমহিল্ডৰ নিৰ্দেশ মতে ৰাজ প্ৰাসাদৰ পৰা ওলাই যাব পৰা দুৱাৰ কেইখন বন্ধ কৰি দিয়া হয়। তাৰ পাছতে কাজিয়া গৈ যুদ্ধত পৰিণত হয়। বাৰ্গাণ্ডীয় অনুচৰসহ গান্হাৰ যুদ্ধত নিহত হয়। এই যুদ্ধত ডিয়েট্ৰিখে ক্ৰিয়েমহিল্ডৰ পক্ষ অৱলম্বন কৰি কুটকৌশলী হেগেনক বন্দী কৰে। হেগেনক ক্ৰিয়েমহিল্ডৰ ওচৰত হাজিৰ কৰা হয়। ক্ৰিয়েমহিল্ডে বুদ্ধ হেগেনক ছিয়েগফ্ৰিটৰ ধনসোণ আৰু সম্পত্তি ক'ত ৰাখিছে বুলি বাৰে বাৰে সোধাত উত্তৰ নাপালে। খঙত ক্ৰিয়েমহিল্ডে তৰোৱালেৰে হেগেনৰ শিৰচ্ছেদ কৰে। এইদৰেই স্বামী হত্যাৰ

প্ৰতিশোধ লয়। কিন্তু এই একেই ঘটনাতে ডিয়েট্ৰিখৰ এজন অনুচৰে ক্ৰিয়েমহিল্ডৰ ৰণচণ্ডী মূৰ্তি দেখি বিভ্ৰান্ত হৈ ভুল বুজি ক্ৰিয়েমহিল্ডকো বধ কৰে। ক্ৰিয়েমহিল্ডৰ মৃত্যুৰ লগে লগে কাহিনীৰো সমাপ্তি হৈছে।

টিউটনিক আন কাহিনীৰ দৰেই বীৰত্ব, দ্বন্দ্বযুদ্ধ, প্ৰতিশোধ গ্ৰহণ আৰু ষড়যন্ত্ৰই এই মহাকাব্যত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। পুৰুষৰ দৰেই এই মহাকাব্যৰ দুগৰাকী নাৰীও জেদী, ষড়যন্ত্ৰপ্ৰৱণ, প্ৰকৃত বীৰত্বৰ প্ৰতি আকৃষ্টা, কিন্তু ভীষণ প্ৰতিশোধপৰায়ণ। "None but the brave deserves the fair"—এইটো আছিল সুন্দৰী নাৰীক লাভ কৰা প্ৰধান নীতি। প্ৰাচীন ভাৰতীয় মহাকাব্যত যেনেকৈ কিছুমান উচ্চ আদৰ্শ আৰু নীতিৰ প্ৰকাশ পোৱা যায়, পাশ্চাত্য মহাকাব্যত মহান আদৰ্শৰ অনুসৰণ আৰু তেনে আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত চৰিত্ৰ সৰহ চকুত নপৰে। 'নিবেলুঙ্গেনলিয়েট'ৰ কোনো এটা চৰিত্ৰকে আমি আদৰ্শ চৰিত্ৰ বুলি ক'ব নোৱাৰোঁ। তেজস্বীতা আৰু বীৰত্বৰ অভাৱ নাই, কিন্তু ক্ষমা, উদাৰতা, সহিষ্ণুতা আদি সুকুমাৰ বৃত্তিৰ অভিব্যক্তি দেখা নাপাওঁ। ব্ৰুনহিল্ড আৰু ক্ৰিয়েমহিল্ড দুয়োগৰাকী নাৰী তেজস্বিনী কিন্তু প্ৰতিশোধপৰায়ণা। বাইবেল'ৰ নতুন নিয়মৰ (New Testament) বিপৰীতে ইহুদীসকলে অনুসৰণ কৰা 'দাঁতৰ পৰিবৰ্তে দাঁত, চকুৰ বিনিময়ত চকু' কঢ়াৰ নীতি, আন কথাত প্ৰাক খৃষ্টীয় নীতিকে গ্ৰহণ কৰা এই মহাকাব্যত দেখা পাওঁ।

এই মহাকাব্যৰ সূচনা সম্ভৱতঃ খ্ৰিষ্টীয় পঞ্চম শতাব্দীমানতে হয়। পশ্চিম ইউৰোপৰ প্ৰাচীন বুৰঞ্জীমতে ওৰ্মছৰ বাৰ্গাণ্ডীয় ৰাজত্ব হুনবোৰে খ্ৰিষ্টীয় পঞ্চম শতিকাৰ মাজ ভাগত ধ্বংস কৰে। সম্ভৱতঃ এই ধ্বংসকাহিনীৰ পটভূমিতে ব্ৰুনহিল্ড, ক্ৰিয়েমহিল্ড আৰু ছিয়েগফ্ৰিডৰ লোকগাথা সৃষ্টি হয় আৰু পৰৱৰ্ত্তী কালত অৰ্থাৎ দ্বাদশ-ত্ৰয়োদশ শতিকাত কাব্য আকাৰে পুনৰ্নিৰ্মিত আৰু লিপিবদ্ধ হয়। খ্ৰিষ্ট-ধৰ্মৰ প্ৰাধান্যৰ যুগ লিপিবদ্ধ হলেও প্ৰাক্ খ্ৰিষ্টীয় টিউটনিক প্ৰভাৱ পূৰ্ণমাত্ৰাই ইয়াত বিৰাজমান।

কাব্যখন ৩৮টা সৰ্গত বিভক্ত। (১) ক্ৰিয়েমহিল্ড্, (২) ছিয়েগফ্ৰিড্, (৩) ছিয়েগফ্ৰিড কেনেকৈ বাৰ্গাণ্ডিলৈ আহিল, (৪) ছিয়েগফ্ৰিডৰ লগত ছেক্সনসকলৰ যুদ্ধ আৰু বিজয়, (৫) ছিয়েগফ্ৰিডে ক্ৰিয়েম্‌হিল্ডৰ ওপৰত দৃষ্টিপাত, (৬) বাৰ্গাণ্ডিৰ কোঁৱৰ গান্থাৰৰ ব্ৰুনহিল্ডক লাভ কৰিবলৈ আইচলেণ্ড যাত্ৰা, (৭) গান্থাৰে কেনেকৈ ব্ৰুনহিল্ডক লাভ কৰিলে, (৮) ছিয়েগফ্ৰিডে তেওঁৰ অনুচৰসকলক বাৰ্গাণ্ডিলৈ অনাৰ বিৱৰণ (৯) ছিয়েগফ্ৰিডৰ ৱৰ্মলৈ পুনৰাগমন (বাৰ্গাণ্ডিৰ ৰাজধানী ৱৰ্মছ) (১০) ব্ৰুনহিল্ডক ৱৰ্মছত কেনেকৈ অভ্যৰ্থিত হ'ল, (১১) ছিয়েগফ্ৰিডৰ ব্ৰুনহিল্ডৰ সৈতে নিজ ৰাজ্যলৈ প্ৰত্যাবৰ্ত্তন, (১২) ছিয়েগফ্ৰিডক গান্থাৰৰ নিমন্ত্ৰণ, (১৩) ছিয়েগফ্ৰিড আৰু ক্ৰিয়েমহিল্ডৰ নিমন্ত্ৰণ গ্ৰহণ কৰি ৱৰ্মছলৈ আগমন, (১৪) ক্ৰিয়েমহিল্ড আৰু ব্ৰুনহিল্ডৰ কন্দল আৰু পৰস্পৰক আক্ৰোশমূলক আক্ৰমণ, (১৫) আৰু (১৬) কেনেকৈ ছিয়েগফ্ৰিডক বিশ্বাসঘাতকতাৰ

দ্বাৰা হত্যা কৰা হ'ল, (১৭) ছিয়েগফ্ৰিডৰ মৃত্যুত ক্ৰিয়েমহিল্ডৰ শোক আৰু শৱসৎকাৰ, (১৮) ছিয়েগমণ্ডৰ গৃহপ্ৰত্যাৱৰ্ত্তন (১৯) কেনেকৈ ছিয়েগফ্ৰিডৰ নেবুলং-ধনৰত্ন ৱৰ্মছলৈ অনা হয়, (২০) হূনসম্ৰাট এট্‌জেলৰ ক্ৰিয়েমহিল্ডলৈ বিবাহৰ প্ৰস্তাৱ, (২১) প্ৰস্তাৱ গ্ৰহণ কৰি ক্ৰিয়েমহিল্ডৰ হাঙ্গেৰি যাত্ৰা, (২২) হাঙ্গেৰিত ক্ৰিয়েমহিল্ডৰ অভ্যৰ্থনা, (২৩) ক্ৰিয়েমহিল্ডৰ গান্থাৰ আৰু ৱৰ্মছবাসীক হাঙ্গেৰিলৈ নিমন্ত্ৰণ, (২৪) কেনেকৈ ৱাৰ্বেল আৰু শ্বিমেল নামৰ দূত দুজনে উদ্দেশ্যে সাধন কৰে, (২৫) বাৰ্গাণ্ডিয়ানসকলৰ হাঙ্গেৰি যাত্ৰাৰ বিৱৰণ, (২৬) ডানেৱার্টে কেনেকৈ গেলপ্‌ফ্ৰাটক হত্যা কৰে, (২৭) বাৰ্গাণ্ডিয়ান সৈন্যৰ পোখলাৰ্নত উপস্থিতি, (২৮) বাৰ্গাণ্ডিয়ানৰ হাঙ্গেৰিত প্ৰৱেশ, (২৯) হেগেনে ক্ৰিয়েমহিল্ডক থিয়হৈ অভ্যৰ্থনা নজনোৱাৰ কাৰণে তিৰস্কাৰ। (৩০) ফলকাৰ (Volker) আৰু হেগেনৰ এট্‌জেল-ক্ৰিয়েমহিল্ডৰ ওপৰত চোকা নজৰ, (৩১) বাৰ্গাণ্ডিয়ান গীৰ্জা-যাত্ৰা, (৩২) ডানকাৰ্টৰ দ্বাৰা ব্লেডেলিন হত্যা (how Duncart slew Bloedelin), (৩৩) বাৰ্গাণ্ডিয়ানসকলৰ লগত হূনৰ যুদ্ধ, (৩৪) বিৰাট হ'ল ঘৰত যুদ্ধ আৰু মৰা শবোৰ দলিয়াই দিয়া কাৰ্য, (৩৫) ক্ৰিয়েমহিল্ডৰ সক ল'ৰা ইৰিঙক হত্যা, (৩৬) ৰাণীয়ে বাৰ্গাণ্ডিয়ান থকা মণ্ডপঘৰত জুই লগাই দিয়াৰ বৰ্ণনা (৩৭) ৰুডিগাৰক কেনেকৈ হত্যা কৰা হ'ল, (৩৮) ডিয়েট্ৰিখৰ সৈন্যবোৰক বাৰ্গাণ্ডিয়ানবোৰে কেনেকৈ বধ কৰে, আৰু শেষত হেগেন, ক্ৰিয়েমহিল্ড, গান্থাৰ আদিৰ শেষ হত্যাৰ বিৱৰণ।

এই কাব্যৰ প্ৰধান চৰিত্ৰসমূহ হৈছে গান্থাৰ, হেগেন, ছিয়েগফ্ৰিড, ক্ৰিয়েমহিল্ড ব্ৰুনহিল্ড, ডিয়েট্ৰিখ, ৰুডিগাৰ, ফল্‌কাৰ এট্‌জেল আদি। কাব্যখন দুটা খণ্ডত বিভক্ত। প্ৰথমখণ্ড শেষ হৈছে ছিয়েগফ্ৰিডৰ হত্যা আৰু তেওঁৰ সৎকাৰৰ লগে লগে। আৰু দ্বিতীয় খণ্ড শেষ হৈছে ক্ৰিয়েমহিল্ডৰ প্ৰতিশোধ প্ৰবৃত্তি চৰিতাৰ্থত আৰু নিজৰো মৃত্যুত।

প্ৰথম সোতৰটা অধ্যায়ত গান্থাৰৰ বাৰ্গাণ্ডিত ৰাজসভা, প্ৰধান ৰাজপাৰিষদ আৰু ডিউক গান্থাৰক প্ৰদৰ্শন কৰিছে। তাৰ লগতে অন্যতমা নায়িকা ক্ৰিয়েমহিল্ড, গান্থাৰৰ সভালৈ সমকক্ষ প্ৰতিযোদ্ধা বিচাৰি অহা ছিয়েগফ্ৰিড আৰু ক্ৰিয়েমহিল্ডক দেখি প্ৰেমত পৰা বৰ্ণনা দাঙি ধৰিছে আৰু গান্থাৰে ব্ৰুনহিল্ডক কেনেকৈ লাভ কৰিলে আৰু অৱশেহত ছিয়েগফ্ৰিডৰ মৃত্যুত এই খণ্ড শেষ কৰিছে। পাছৰ বিংশাধিক অধ্যায়ত ক্ৰিয়েমহিল্ডে স্বামীহত্যাৰ পৰিশোধ কেনে ধৰণে ললে তাৰ বিশদ বিৱৰণ দিছে।

কাব্যখন প্ৰাসংঙ্গিক আখ্যানৰ দ্বাৰা ভাৰাক্ৰান্ত নহয়। কেৱল ছিয়েগফ্ৰিডৰ পৰিচয় আৰু বীৰত্ব দেখুৱাবৰ কাৰণে প্ৰথম খণ্ডত অলপ ফালৰি কাটি গৈছে। তেওঁৰ জন্ম ক'ত, নেবুলাং ধনৰত্ন ড্ৰেগনক বধ কৰি কেনেকৈ লাভ কৰিলে, আদি ঘটনা বৰ্ণনা প্ৰসংগত মাত্ৰ উল্লেখ কৰিছে। মধ্যযুগীয় ইটালীয়ান কাব্যৰ দৰে বহুশাখাবিশিষ্ট কাব্য নহয়, একপ্ৰকাৰ সুসংহত কাব্য। এইখন দ্বৈতীয়ক

(secondary) কাব্য নহয়, প্ৰাথমিক মহাকাব্যহে। মুখে মুখে চলি অহা কাহিনী গীতৰ আধাৰত এই কাব্য দ্বাদশ-ত্ৰয়োদশ শতিকামানত বৰ্ত্তমানৰ পূৰ্ণৰূপ পায়। ৰেনেছাঁ আৰু ৰিফৰ্মেছনৰ আগতে যিটো যুগ চলিছিল সেইটো আছিল chivalry-ৰ যুগ। প্ৰতিযোগিতামূলক ৰণাঙ্গনত ক্ৰীড়াপ্ৰদৰ্শন, বিপদত পৰা নাৰীক উদ্ধাৰ, কোনো সুন্দৰী নাৰীৰ প্ৰতি আনুগত্য প্ৰদৰ্শন, অবিচলিত বন্ধুত্ব, বীৰত্বৰ দ্বাৰা যশগৌৰৱ আকাংক্ষা, প্ৰতিশোধপৰায়ণতা, বীৰত্ব প্ৰদৰ্শনৰ কাৰণে পৰিভ্ৰমণ আৰু প্ৰত্যাহ্বান গ্ৰহণ আদি লক্ষণ চিভেলাৰাছ যুগৰ প্ৰধান বৈশিষ্ট্য। এই মহাকাব্যতো এইবোৰ পূৰ্ণমাত্ৰাই নহলেও প্ৰধানভাৱে এইবোৰৰ প্ৰকাশ ঘটিছে।

এই কাব্যৰ মূল উৎস বিচাৰিলে তলত দিয় উপাদানসমূহ পোৱা যায়।

(১) এড্ডা সম্পৰ্কীয় গাথা: ইয়াত নেবুলাং (Neflungs) বিলাকৰ পতন আৰু ছিগাৰ্ডৰ বীৰত্ব প্ৰদৰ্শিত হৈছে।

(২) থিঅ'ৰেক্স গাথা: ত্ৰয়োদশ শতিকামানত ৰচিত আমাৰ আলোচ্যমান কাব্যৰ সমসাময়িক। ঘটনা প্ৰায় একেই, কেৱল নামৰ অলপ হেৰফেৰ দেখা যায়, যথা— ছিয়েগফ্ৰিড>ছিগাৰ, হেগেন>হোগনি, ব্ৰুনহিল্ড>ব্ৰাইনিল্ড ইত্যাদি। ইয়াৰ বাহিৰেও নৰ্ছ (Norse) আৰু বাৰ্গেণ্ডেনেভিয়ান সকলৰ মাজত একে কাহিনীকে বেলেগ ৰূপত পোৱা যায়। পাঠকৰ সুবিধাৰ অৰ্থে Eddic story বা এড্ডাত থকা কাহিনীটো তলত দাঙি ধৰা হ'ল।

(৩) ফলছুংছাগা: আইচলেণ্ডত প্ৰচলিত প্ৰাচীন লোকগাথা।

'নিবেলুংগেটলিয়েট'ৰ উৎস প্ৰাচীনতৰ Volsung Saga আৰু Edda নামৰ পৰম্পৰাগত নৰ্ছ (Norse) আৰু টিউটনিক বীৰগাথা। এই বীৰগাথাদ্বয় নৰৱে, ছুইডেন, ডেনমাৰ্ক, জাৰ্মান আৰু আইচলেণ্ডৰ উমৈহতীয়া সম্পত্তি, কাৰণ এই অঞ্চলৰ প্ৰাচীন লোকসকল মূলতঃ একেটা প্ৰজাতিৰ অন্তৰ্ভুক্ত। গাথাদ্বয়ত বৰ্ণিত কাহিনী viking বা সমুদ্ৰ বীৰসকলৰ যুগৰ অৰ্থাৎ প্ৰাক্-খৃষ্টীয় কালৰ হ'লেও পৰৱৰ্তী কালত খৃষ্টধৰ্মৰ প্ৰভাৱ পৰি কিছু পৰিৱৰ্ত্তন লাভ কৰে। সেই কাৰণে এই কাব্য সংগ্ৰহ দুখনত pagan (অখৃষ্টীয়) আৰু খৃষ্টিয়ান ধৰ্মবিশ্বাস আৰু আচৰণৰ সংমিশ্ৰণ ঘটিছে। নিবেলুংলিয়েটৰ আদি অন্যতমা নায়িকা ব্ৰুনহিল্ডৰ কাহিনী স্কাণ্ডেনেভীয় সাহিত্যৰ গ্ৰন্থস্বৰূপ Edda নামৰ গ্ৰন্থদ্বয়ত Elder Edda, Younger Edda আৰু এই গ্ৰন্থৰে আইচলেণ্ডীয় Icelandic প্ৰতিৰূপ Volsung Sage তো উক্ত নায়িকাৰ কাহিনী ইফাল-সিফাল ৰূপত সংৰক্ষিত আছে। কিন্তু উপৰ্যুক্ত গ্ৰন্থ দুখনত নায়কৰ নাম ছিয়েগফ্ৰিড নহয়, ছিগুৰ্টহে। ছিগুৰ্ট পালিত হয় ৰেগিন নামৰ এক ব্যক্তিৰ দ্বাৰা আৰু ডাঙৰ হ'লত সেই ব্যক্তিৰ দ্বাৰা প্ৰৰোচিত হৈ ফাফনাৰ নামৰ এক ড্ৰেগনক বধ কৰি সেই ড্ৰেগনৰ দ্বাৰা ৰক্ষিত অজস্ৰ ধনসোণ লাভ কৰে। মৃত্যুৰ সময়ত ড্ৰেগনে

ছিগ্‌ৰ্টক জনায় যে ৰেগিন সম্বন্ধত তাৰ ভায়েক আৰু ধনৰ লোভত বিশ্বাস-ঘাতকতা কৰি তাক বধ কৰায়। মৃত্যুৰ সময়ত সি অভিসম্পাত দি যায় সে সেই সম্পত্তি কোনেও ভোগ কৰিব নোৱাৰিব। ড্ৰেগনৰ মত্যুৰ পাছত ৰেগিন আৰু ছিগ্‌ৰ্টৰ ধনসোণলৈ কাজিয়া হয় আৰু ৰেগিন যুদ্ধত নিহত হয়। ইয়াৰ পাছত এজোপা গছৰ তলত বিশ্ৰাম লওঁতে এহাল চৰাইৰ কথাবাৰ্ত্তাৰ পৰা ছিগ্‌ৰ্টে জানিব পাৰে যে ফাঙ্ক দেশৰ ৰাজকন্যা ব্ৰাইনহিল্ড (নেবুলেঙৰ ব্ৰুনহিল্ড) বহুকাল ধৰি শুই আছে আৰু তেওঁক জগাব পাৰিব একমাত্ৰ ছিগ্‌ৰ্টে। চৰাইৰ কথা অনুসৰি ছিগ্‌ৰ্ট ব্ৰাইনহিল্ডৰ ৰাজ্যত উপস্থিত হৈ ৰাজকন্যাক স্পৰ্শ কৰি জগায়। দুয়োৰে মাজত প্ৰণয়ৰ উন্মেষ হয়। কিন্তু সোণকালেই উভতি অহাৰ আশ্বাস দি ছিগ্‌ৰ্ট নব অভিযানত জয়যাত্ৰা কৰে।

তাৰ পাছত ছিগ্‌ৰ্ট গুইকি ৰাজ্যলৈ যায়। সেই ৰাণী আছিল যাদুবিদ্যাত পাৰদৰ্শিনী। তেওঁৰ উদ্দেশ্য আছিল ৰাজকুমাৰী গুড্‌ৰুণক ছিগ্‌ৰ্ট লৈ বিয়া দিয়া। কিন্তু ছিগ্‌ৰ্ট ব্ৰাইনহিল্ডৰ প্ৰণয়পাশত আবদ্ধ আছিল। গতিকে যাদুকৰী ৰাণীয়ে ছিগ্‌ৰ্টৰ ব্ৰাইনহিল্ডৰ চেতনা বিলুপ্ত কৰি দিয়ে। এই সুযোগতে গুড্‌ৰুণৰ লগত ছিগ্‌ৰ্টৰ বিয়া হয়। গুড্‌ৰুণৰ ককায়েক গুন্নাৰৰ লগত ঘটনাচক্ৰত ব্ৰাইন্‌হিল্ডৰো বিয়া হয়। কিন্তু ব্ৰাইন্‌হিল্ডে ছিগ্‌ৰ্টক পাহৰিব পৰা নাছিল। তেওঁ ঘটনাক্ৰমে জানিব পাৰে যে চক্ৰান্ত কৰিহে মন্ত্ৰপূত পানীয় খুৱাই ছিগ্‌ৰ্টৰ মনৰ পৰা ব্ৰাইনহিল্ডৰ স্মৃতি আঁতৰাই পেলাই গুড্‌ৰুণক তেওঁলৈ বিয়া দিয়া হৈছিল। সেই কাৰণে গুড্‌ৰুণৰ প্ৰতি ব্ৰাইনহিল্ড ঈৰ্ষাপৰায়ণ হৈ স্বামী গুন্নাৰক ছিগ্‌ৰ্টৰ বিৰুদ্ধে উত্তেজিত কৰি সুপ্ত অৱস্থাত ছিগ্‌ৰ্টক হত্যা কৰাই নিজেও ছিগ্‌ৰ্টৰ চিতাত জঁপিয়াই আত্মজাহ কৰে।

ছিগ্‌ৰ্টৰ মৃত্যুৰ পাছত গুড্‌ৰুণে হুনৰাজ আটিলাক বিয়া কৰে। ছিগ্‌ৰ্টে ড্ৰেগনক বধ কৰি পোৱা ধনৰত্নৰ প্ৰতি আটিলাক প্ৰলোভিত কৰি গুড্‌ৰুণে ককায়েক গুন্নাৰক সদলবলে অতিথি হবলৈ নিমন্ত্ৰণ কৰে। ইয়াৰ আচল উদ্দেশ্য হ'ল গুন্নাৰৰ ওপৰত প্ৰতিশোধ লোৱা। অতিথি শুশ্ৰূষাৰ চলেৰে, পূৰ্ব-নিৰ্দ্ধাৰিত চক্ৰান্তানুসাৰে গুন্নাৰক সদলবলে ভোজসভাত হত্যা কৰে। এই দৰেই ছিগ্‌ৰ্ট হত্যাৰ প্ৰতিশোধ লোৱা হয়।

এভ্ডা আৰু ফলছুংছাগাত বৰ্ণিত উপৰ্যুক্ত কাহিনীৰ লগত নিবেলুংলিয়েটৰ কাহিনীৰ প্ৰভেদ যৎসামান্য। চৰিত্ৰৰ নামত কিছু পৰিৱৰ্ত্তন ঘটিছে, যথা—ব্ৰাইন্‌হিল্ড > ব্ৰুন্‌হিল্ড, গুড্‌ৰুণ > ক্ৰিয়েমহিল্ড, ছিগ্‌ৰ্ট > ছিয়েগফ্ৰিট, গুন্নাৰ > গাম্হাৰ, আটিলা > এট্‌জেল। অৱশ্যে details-ত কিছু প্ৰভেদ লক্ষ্য কৰা যায় আৰু থকাটোও স্বাভাৱিক। নিবেলুংলিয়েটত অৱশ্যে অতিৰিক্ত চৰিত্ৰ সংযোজনা কৰি কাব্যখন পৰিপুষ্ট কৰা হৈছে।

নিবেলুংগলিয়েটৰ কাব্যিক সৌন্দর্য সম্পৰ্কে মতভেদ থাকিলেও ইয়াৰ ঐতিহাসিকতা সম্পৰ্কে মতভেদ বৰ দেখা নাযায়। এই সম্পৰ্কে তলৰ উদ্ধৃতিটো প্ৰণিধানযোগ্য ঃ

The lay has many shortcomings. It is full of contradictions, incongruities and inconsistencies. The author has only half-succeeds in clothing half-pagan ideas and episodes with the knightly Christian garb which he and other medieval pocts like to use. The poem is prolix and repetitious; it abounds in tedious and irrelevant descriptions of clothes, armour, festivals and the like."

"The merit of the poem, nevertheless, more than counterbalance it defects, Herein, better than anywhere else, perhaps can we see the ancient Teutonic people—their superstition, passion, courage, tenacity and fierce pride. We are made to sympathise with their ideals of loyalty, the normal theme of the poem. But the greatest merit of the lay is the bold delineation of the four main characters, Kriemhild, a fury whose thirst for vengeance leads her to exult in the slaughter of her native race including her own brother: Siegfried the innocent victim of a jealous woman's wrath: Rudigar, a blameless Knight torn between his obligation as a host and his duty as a vassal, and the greatest portrait of all—Hegen, a satanic villain hero whose loyalty to his overlord and his mistress leads knowingly into murder and his own death."

(R B. Trawick, World Literature, Vol.-1, P. 171-172)

নৈতিকতাৰ ফালৰ পৰা কাব্যখনত আনুগত্যৰ ওপৰতে বিশেষ গুৰুত্ব আৰোপ কৰা যেন ধাৰণা হয়, অন্য কোনো আদৰ্শ ইয়াত প্ৰকাশ পোৱা যেন নালাগে। কাব্যখনত প্ৰাক্-খৃষ্টীয় ধ্যান-ধাৰণাৰ লগত খৃষ্টীয় আদৰ্শৰ সংমিশ্ৰণ ঘটোৱাৰ প্ৰচেষ্টা চলোৱা, প্ৰাক্-খৃষ্টীয় প্ৰতিশোধপৰায়ণতা বিশ্বাসঘাতকতা আদিয়ে প্ৰাধান্য বিস্তাৰ কৰিছে। অৱশ্যে চৰিত্ৰবোৰক (হুনৰ বাদে) খৃষ্টিয়ান ধৰ্মানুসাৰী ৰূপেই উল্লেখ কৰিছে। খৃষ্টিয়ান chivalry আৰু ৰাজ সভাৰ আচৰণ (courtly ettiquette) আদিয়ে romance-ৰ সূচনা কৰে। ৰুডিগাৰ, ছিয়েগফ্ৰিড, ফলকাৰ (Volker) আদি চৰিত্ৰত knightly গুণ পৰিলক্ষিত হয়। স্ত্ৰীসুলভ ঈৰ্ষাপৰায়ণতা অভিমান আদিৰ উপৰিও দুয়োটা নাৰীচৰিত্ৰক প্ৰতিশোধপৰায়ণতা আৰু নিষ্ঠুৰতাই ভয়াবহ কৰি তুলিছে। ক্ৰিয়েমহিল্ডে হুণ ৰজা এট্‌জেলক বিয়া কৰাইছিল প্ৰেমৰ

কাৰণে বা সুখৰ ঘৰ-সংসাৰ এখন কৰিবৰ কাৰণে নহয়, কেৱল প্ৰতিশোধ প্ৰবৃত্তি চৰিতাৰ্থ কৰিবৰ উদ্দেশ্যে। আনকি কেচুৱা সন্তানকো প্ৰতিশোধৰ অগ্নিত আহুতি দিবলৈ কুণ্ঠা বোধ কৰা নাই। ব্ৰুনহিল্ডেও যেতিয়া তেওঁক ছলনা কৰি গান্হাৰে লাভ কৰাৰ কথাটো জানিব পাৰিলে আৰু সেই ছলনাৰ যন্ত্ৰী নহ'লেও ছিয়েগফ্ৰিড যন্ত্ৰ আছিল বুলি যেতিয়া গম পালে তেতিয়া এসময়ত তেওঁৰ উপযুক্ত পতি বুলি ভবা নাইট্‌জনৰ ওপৰত আক্ৰোশ চৰিল আৰু স্বামী গান্হাৰক, তেওঁৰ অনিচ্ছা সত্বেও বিশ্বাসঘাতকতাপূৰ্ণ হত্যাৰ সহযোগী হবলৈ বাধ্য কৰিছে। হেগেনৰ লগত কূট পৰামৰ্শ কৰি চিকাৰত ভাগৰ লাগি গছৰ তলত আশ্ৰয় লৈ থকা অৱস্থাত গোপনে ছিয়েগফ্ৰিডক হত্যা কৰোৱাত ব্ৰুনহিল্ড আৰু হেগেন প্ৰত্যক্ষভাবে আৰু পৰোক্ষভাবে গান্হাৰ দায়ী। ব্ৰুনহিল্ড শক্তিত 'ন শ কোঁৱৰক বন্দী কৰি ৰখা জনা গাভৰুৰ দৰে **Amazonian lady**, গান্হাৰতকৈ তেওঁৰ শক্তি বেছি। কিন্তু ৰাণীৰ পদত থকাৰ কাৰণে পোনপটীয় ভাবে সংঘৰ্ষত না নামি হেগেনৰ কূটবুদ্ধিৰ সহায় লৈছে।

সকলোতকৈ আকৰ্ষণীয় চৰিত্ৰ হৈছে হেগেন। প্ৰথম অৱস্থাত তেওঁ ছিয়েগফ্ৰিডৰ সাহস আৰু বীৰত্ব দেখি ৰাজ্য ৰক্ষাত সহায়ক হ'ব বুলি ভাবি বন্ধুত্বেৰে বীৰজনক গ্ৰহণ কীৰবলৈ উৎসাহিত কৰিছিল। কিন্তু পাছলৈ ছিয়েগফ্ৰিডৰ ক্ষমতা, বীৰত্ব আৰু সাহস বাঢ়ি যোৱা দেখি ৰাজ্যৰ ভবিষ্যত বিপদৰ মিছা আশংকা কৰি, আৰু ছিয়েগফ্ৰিডে ড্ৰেগনক বধ কৰি লাভ কৰা ধনৰত্নভাণ্ডাৰৰ আশাত ছিয়েগ-ফ্ৰিডৰ হত্যাৰ পৰিকল্পনা কৰে। হেগেন ও মৰ্ছ ৰাজ্যৰ হিতচিন্তাকাৰী কূটকৌশলী ৰাজনীতিজ্ঞ। এই কাৰণেই তেওঁ ক্ৰিয়েমহিল্ডৰ নিমন্ত্ৰণ প্ৰত্যাখান কৰাৰ পক্ষপাতী আছিল, অৱশেষত তেওঁৰ বাধা নিটিকা দেখি সসৈন্য যোৱাৰ চৰ্ত্তত অনুমতি দিয়ে। আকৌ পথত ক্ৰিয়েমহিল্ডৰ তলতীয়া সামন্ত ৰুডিগাৰক নিৰপেক্ষ কৰিবৰ উদ্দেশ্য ৰুডিগাৰৰ দুহিতাক গান্হাৰৰ ভায়েকলৈ বিয়া কৰায়, যদিও অৱশেষত এই চালে কাম নিদিলে। এটজেলৰ সভাত, ক্ৰিয়েমহিল্ড অভ্যৰ্থনা কৰিবলৈ আহোঁতেও তেওঁ থিয় হোৱা নাছিল, যাৰ ফলত ক্ৰিয়েমহিল্ডৰ প্ৰতিশোধপ্ৰবৃত্তি বৃদ্ধি পাইছিল। বাৰ্গাণ্ডীয়ানসকল এটজেলৰ ৰাজধানীত গীজালৈ যাওঁতেও হেগেনে সশস্ত্ৰ হৈ যাবলৈ উপদেশ দিছিল, কাৰণ পৰৰাজ্যত বিশেষকৈ হুন ৰাজ্যত বিনা অস্ত্ৰে ফুৰা নিৰাপদ নহয়। হত্যাৰ ভীতিয়েও তেওঁৰ সংকল্প টলাব নোৱাৰিছিল। বন্দী অৱস্থাত তেওঁক যেতিয়া ড্ৰেগনৰ ধনৰত্নৰ কথা সোধে তেতিয়াও তেওঁ কবলৈ অস্বীকাৰ কৰে। খণ্ডত অতিষ্ঠ হৈ ক্ৰিয়েমহিল্ডে নিজেই তেওঁক হত্যা কৰে। মুঠতে কৌশল, দূৰদৃষ্টি, শাসনকৰ্ত্তা বা প্ৰভুৰ প্ৰতি আনুগত্য, স্বাৰ্থপৰতা, নিষ্ঠুৰতা এই—ক্ষেত্ৰত সকলোবোৰৰ সংমিশ্ৰণ হেগেন চৰিত্ৰ। গান্হাৰ সৰল-সহজ, বহুত ক্ষেত্ৰেও আত্ম-বিশ্বাস কম যেন ধাৰণা হয়। হেগেন, ব্ৰুনহিল্ড, ছিয়েগফ্ৰিট চৰিত্ৰৰ কাষত তেওঁ

নিষ্প্ৰভ। ফলকাৰ (Volker) এক আকৰ্ষণীয় চৰিত্ৰ। এওঁ এহাতে গাথাগায়ক আনহাতে অস্ত্ৰধাৰী বীৰ। এহাতে বীণা, আনহাতত তৰোৱাল। গম্ভীৰ পৰিস্থিতিক গীতৰ সুৰে পাতল কৰিব পৰা ক্ষমতা তেওঁত বিদ্যমান। আন এটা উল্লেখযোগ্য, সংযত, নিৰপেক্ষ চৰিত্ৰ হৈছে ডিয়েট্ৰিখ। কোনো অৱস্থাতে মানসিক ভাৰসাম্য এওঁ হেৰুওৱা নাই।

কাব্যখন প্ৰাথমিক মহাকাব্য কাৰণে আগৰ কোনো প্ৰতিষ্ঠিত কাব্যৰ প্ৰভাৱ ইয়াত নাই। যি প্ৰভাৱ দেখা যায় সেই বিষয়ে আগতে উল্লেখ কৰি অহা হৈছে। ইবছেনৰ 'Warriors of Helegeland-ৰ ওপৰত Edda-ত থকা কাহিনীৰ প্ৰভাৱ এই প্ৰসংগত উল্লেখযোগ্য। উক্ত নাটৰ কাহিনীৰ ভেটিতে সুৰেশ গোস্বামীৰ 'কনৰ্মী' নাট ৰচিত হয়।

॥ দ্বৈতীয়ক মহাকাব্য ॥

নবম অধ্যায়

ভার্জিল ঃ ইনীড

নৱম অধ্যায়

ভাৰ্জিল ঃ ইনীড

খৃষ্টপূৰ্ব ২৭ অব্দত অক্টেভিয়ান চিজাৰে ৰোমান ৰাজ্যক প্ৰজাতন্ত্ৰ ৰূপে ঘোষণা কৰিলেও তেওঁৰ মৃত্যু পৰ্যন্ত (খ্ৰিঃ পূঃ ১৪ অব্দ) সম্ৰাট ৰূপেই কাৰ্য আৰু ক্ষমতা প্ৰয়োগ কৰিছিল। বহুতো ঐতিহাসিকে এই কালছোৱাক জাপি দিয়া শান্তিৰ কাল বুলি (enforced peace) অভিহিত কৰিছে যদিও এই কথা কোনেও অস্বীকাৰ কৰা নাই যে, অক্টেভিয়ানৰ নেতৃত্বৰ এই কালছোৱাত ৰোমান জাতিটোক আত্মমূল্যায়ন, অতীত গৌৰৱৰ উজ্জ্বল পটভূমিত বিচৰণ কৰিবলৈ হাবিয়াস আৰু ভৱিষ্যত সোণালী স্বপ্ন ৰচনা কৰিবলৈ প্ৰেৰণা যোগাইছিল। অক্টেভিয়ান চিজাৰ আগষ্টাছ সাহিত্য আৰু কলাৰ উৎসাহদাতা আছিল। বহুতো কলাকাৰ তেওঁৰ দ্বাৰা উপকৃত হৈছিল। গতিকে এই সময়ছোৱাত কাব্যসাহিত্যই ৰচনাৰ অনুকূল পৰিৱেশ পাই বিকাশ লাভ কৰিছিল।

উক্ত অক্টেভিয়ান আগষ্টাছ চিজাৰৰ দিনতে মহাকবি ভাৰ্জিলৰ উদ্ভৱ হয়। মহাকবি ভাৰ্জিলৰ পুৰা নামটো আছিল পাব্লিয়াছ ভাৰ্জিলিয়াছ মাৰ' খ্ৰিঃ পূঃ (৭০-১৯) আৰু তেওঁ মাত্ৰ আঢ়ৈ কুৰি বছৰ (৫১ বছৰ) জীৱিত আছিল। তেওঁ জন্ম লাভ কৰিছিল মান্টুৱাৰ কাষৰ এণ্ডেছ নামৰ গাঁও এখনত। জন্মলাভ কৰা পৰিয়ালটো অৱস্থাপন্ন খেতিয়ক আছিল। ভেৰোনা, মান্টুৱা আৰু ৰোমত তেওঁ ব্যাকৰণ, অলংকাৰ, দৰ্শন গ্ৰীক ভাষা সাহিত্য অধ্যয়ন কৰাৰ সুবিধা লাভ কৰিছিল। গ্ৰীক ভৌতিকবাদী দাৰ্শনিক এপিকিউৰাছৰ দৰ্শনৰ প্ৰতি ডেকা কালত বিশেষ ভাৱে অকৃষ্ট হৈছিল। অক্টেভিয়ান চিজাৰে কিবা কাৰণত অসন্তুষ্ট হৈ মান্টুৱাৰ ওচৰত থকা খাট-পাম বাজেয়াপ্ত কৰিছিল, কিন্তু মেচিনাছ নামৰ এগৰাকী প্ৰতিপত্তিশীল ৰাজনৈতিক নেতাৰ মধ্যস্থতাত সেই খাট-পাম ঘুৰাই পায়। এই মেচিনাছে ভাৰ্জিলক অধ্যয়ন আৰু সাহিত্য চৰ্চাত অনুপ্ৰেৰণা যোগাইছিল। বয়স বাঢ়ি যোৱাৰ লগে লগে আৰু অভিজ্ঞতাও পুৰঠ হোৱাত ভাৰ্জিলে যৌৱনৰ আকৰ্ষণীয় এপিকিউৰিয়ান মতবাদ সলনি কৰি ৰক্ষণশীল মনোভাৱ গ্ৰহণ কৰা যেন ধাৰণা হয়। স্বৰচিত 'ইনীড' মহাকাব্যৰ কিছু কথা ঘটনাৰ সত্যাসত্য নিৰ্ণয় কৰিবলৈ গ্ৰীচলৈ যাওঁতে খ্ৰিষ্টপূৰ্বাব্দ ১৯ বছৰত গ্ৰীচ দেশতে তেওঁৰ মৃত্যু হয়।

মহাকবি ভাৰ্জিলৰ নামত ভালেখিনি কাব্যকবিতা প্ৰচলিত আছে যদিও আৰু সৰহভাগ তেওঁৰ ৰচনা বুলি জনসমাজত প্ৰচলিত আছে যদিও মূল্যহীন বহু

ৰচনাই তেওঁৰ নহয় বুলি প্ৰমাণিত হৈছে। কিন্তু কবিতাৰ দুটা সমষ্টিয়ে তেওঁৰ অবিসম্বাদী ৰচনা বুলি স্বীকৃতি লাভ কৰিছে। এই কবিতা সংকলন দুটা হৈছে —(১) বিউকলিকছ্ (Bucolics) বা ইকলগে (Eclogae) আৰু (২) জৰ্জিকছ্ (Georgics)। প্ৰথমখন গ্ৰন্থ গ্ৰাম্যগীতিৰ আদৰ্শত ৰচনা কৰা দহোটা কবিতাৰ সমষ্টি (Pastoral poems)। এইখিনি কবিতা খ্ৰিঃ পূঃ ৪২-৩৯ অব্দত ৰচনা কৰিছিল বুলি ধাৰণা কৰা হয়। গ্ৰাম্য বিষয়ক কবিতাখিনিয়ে ভাৰ্জিলক কবিৰূপে প্ৰতিষ্ঠা কৰাত সহায় কৰে আৰু এই ৰচনাই মেচিনাছৰ অনুপ্ৰেৰণা আৰু পৃষ্ঠপোষকতা লাভ কৰাত সহায়ক হয়। এই কবিতাখিনি ৰচনা কৰোঁতে পূৰ্বসূৰী থিঅ'ক্ৰিটাছ আৰু আন গ্ৰীক গ্ৰাম্য কবিতাৰ দ্বাৰা ভাৰ্জিল কিছু পৰিমাণে প্ৰভাৱিত নোহোৱাকৈ থকা নাছিল। ভাৰ্জিলৰ দ্বিতীয়খন গ্ৰন্থ চাৰিটা খণ্ডত বিভক্ত এখন প্ৰচাৰধৰ্মী ৰচনাসংগ্ৰহ। ইটালীৰ বাহিৰত বসবাস কৰা মুক্ত ইটালিয়ানসকলক নিজ দেশত অৰ্থাৎ ইটালীত ছন পৰি থকা জনবসতিহীন অঞ্চলত বসতি কৰি দেশখন সমৃদ্ধ কৰিবলৈ আহ্বান জনাইছে। সাহিত্যৰ ফালৰ পৰা এই গ্ৰন্থৰ বৰ মূল্য নাই। পৃষ্টপোষক মেচিনাছৰ অনুৰোধ ৰক্ষা কৰিহে এই গ্ৰন্থ প্ৰণয়ন কৰিছিল বুলি জনা যায়। খ্ৰিঃ পূঃ ৩৬-৩০ অব্দৰ ভিতৰত এই গ্ৰন্থ ৰচনা কৰে।

এণ্ডেছ গাৱঁৰ প্ৰাকৃতিক গ্ৰাম্য পটভূমি, পৃষ্ঠপোষক মেচিনাছ আৰু তেওঁৰ সংগীসকলৰ সান্নিধ্য আৰ চিজাৰ অক্টেভিয়ানৰ দৰবাৰিক পৰিবেশ—এই তিনটাৰ প্ৰভাৱ 'ইনীড' মহাকাব্যৰ সৃষ্টিত অনুমান কৰা যায়। সাহিত্যিক উৎসৰ প্ৰতি লক্ষ্য ৰাখি ভাৰ্জিল বিশেষজ্ঞসকলে, হোমাৰ, পিছেণ্ডাৰ, গ্ৰীক-নাট্যকাৰ, বিশেষকৈ ইউৰিপিডিছ, এপল'নিয়াছ কেটুলাছ, আৰু লুক্ৰেচিয়াছৰ প্ৰভাৱ ভাৰ্জিলৰ ৰচনাৰ স্থান বিশেষত লক্ষ্য কৰিছে। কিন্তু, সকলোতকৈ মহাকবি হোমাৰৰ প্ৰভাৱ 'ইনীড্' কাব্যত স্পষ্ট আৰু গুৰুত্বপূৰ্ণ। হোমাৰৰ 'ওডিছি' কাব্যৰ প্ৰত্যক্ষ প্ৰভাৱ 'ইনীড'ৰ প্ৰথম ছয়টা কাণ্ডত আৰু 'ইলিয়াড'ৰ প্ৰভাৱ শেষৰ ছয়টা কাণ্ডত বিশেষজ্ঞ সকলে লক্ষ্য কৰিছে।

'ইনীড' ৰচনা কৰাৰ মুখ্য উদ্দেশ্য হৈছে ৰোমৰ তথা ইটালীৰ গৌৰৱময় প্ৰতিষ্ঠাৰ ইতিহাস উজ্জ্বল ৰূপত দাঙি ধৰা। ইয়াৰ স্থাপনকৰ্তাজন হৈছে এগৰাকী অৰ্ধদৈৱিক পুৰুষ, যাক ৰোমৰ জাতীয় বীৰ ৰূপে পূজা কৰা হয়। এওঁৱেই মহাকাব্যখনৰ নায়ক ইনিয়াছ, এজন ৰাজ্যস্থাপন প্ৰয়াসী ট্ৰজান ৰাজকোঁৱৰ। এই বীৰজন সাহসী আৰু জ্ঞানী, কিন্তু 'ইলিয়াড'ৰ একিলিছ বা হেক্টৰৰ সমপৰ্যায়ৰ বীৰ বা শৌৰ্যবান নহয়, জ্ঞানী যদিও 'ওডিছি'ৰ ইউলিছছৰ দৰে চতুৰ কৌশলীও নহয়। গ্ৰীকসকলে জীৱনত সাফল্যৰ কাৰণে 'অতিমাত্ৰা' বিপদজনক বুলিয়ে ভাবিছিল। ভাৰ্জিলে তেওঁৰ নায়কক ধৰ্মপৰায়ণ (pious) আৰ কৰ্ত্তব্য

পৰায়ণৰূপে চিত্ৰিত কৰিছে। সাহস, ধৈৰ্য, অধ্যৱসায়, কৰ্ত্তব্যপৰায়ণতা আৰু প্ৰজ্ঞা আদি ৰোমক জাতীয় গুণবোৰৰ প্ৰতীকৰূপে 'ইনীড'ৰ চৰিত্ৰবোৰক ৰূপ দিবলৈ চেষ্টা কৰিছে।

'ইনীড' আগাগোৰা গুৰু-গম্ভীৰ কাব্য, হাস্যৰস ইয়াত নাই বুলিলেও হয়। এক প্ৰকাৰ মৃদু বিষণ্ণতা গোটেই কাব্যৰ মাজত বিয়পি আছে। **"It is lacking entirety in the spirit of daring and adventure, of yaerning 'to sail beyond the sunset and the baths of all western stars' which one finds in the Iliad and Odyssey. (Glover, T. R. Virgil P. 222).** এই মন্তব্য আখৰে আখৰে মানি লোৱা টান। কাব্যখনত দুঃসাহসিক অভিযানৰ অভাৱ নোহোৱা নহয়, 'ওডিছি'ৰ তুলনাত হয়তো কম।

হোমাৰে প্ৰৱৰ্ত্তন কৰা মহাকাব্যিক পৰম্পৰাকে ভাৰ্জিলে অনুসৰণ কৰিছে। 'ইনীড' জাতীয় মহাকাব্য হলেও সাহিত্যিক বা ব্যক্তি বিশেষৰ কাব্যহে, বহুকালৰ বহু চাৰণ কবিৰ সঞ্চিত কাব্যৰ সংশ্লেষ ৰূপ নহয়, সেই কাৰণে বৰ্ণনাৰ পুনৰুক্তি ৰূঢ়িগত বৰ্ণনা, পৰস্পৰ বিৰোধী উক্তি, অবান্তৰ ঘটনা ইয়াত বৰ বেছি পোৱা নাযায়। এই কাব্য ভাৰ্জিলৰ একক প্ৰচেষ্টাৰ ফল আৰু একাধিক বাৰ পৰিশোধন কৰাও হয়। কবিয়ে নিজ কৃতিত্বত সন্তুষ্ট হব নোৱাৰি চিজাৰ অক্টেভিয়ানক তেওঁৰ মৃত্যুৰ পাছত ধ্বংস কৰিবলৈ নিৰ্দেশ দি গৈছিল। কিন্তু চিজাৰে ইয়াৰ সংৰক্ষণহে দিহা কৰে। মনত ৰাখিব লাগিব যে ভাৰ্জিলৰ সাময়িক মানসিক বিকৃতিও ঘটিছিল। ভাৰ্জিলৰ কাব্যৰ প্ৰভাৱ পৰবৰ্ত্তী ইউৰোপীয় কবিৰ ৰচনাত পৰিলক্ষিত হয়। ডাণ্টে, পেট্ৰাৰ্ক, বক্কাচ্চিঅ', এৰিঅ'ষ্ট, টাচ্ছোৰ পৰা আৰম্ভ কৰি ৰোমাণ্টিক যুগৰ কবিসকললৈকে বহুতো কবিক ভাৰ্জিলে প্ৰভাৱান্বিত কৰিছে। তলত কাব্যখনৰ বিভিন্ন সৰ্গৰ (Books) কাহিনীৰ ৰূপৰেখা দাঙি ধৰা হ'ল।

প্ৰথম সৰ্গ ঃ এই সৰ্গত ৭৫৬ লাইন বা চৰণ আছে। ইনিয়াছ নামৰ ট্ৰজান ৰাজকুমাৰৰ নেতৃত্বত ট্ৰয় নগৰ সমূলঞ্চে ধ্বংস হোৱাৰ পাছত মাতৃভূমি এৰি এদল ট্ৰয়নিবাসীয়ে কেনেকৈ নানা বিপদ-বিঘিনীৰ মাজেদি অৱশেষত সাগৰৰ ধুমুহাত বিপৰ্যস্ত হৈ আফ্ৰিকাৰ উত্তৰত অৱস্থিত নতুনকৈ পতা কাৰ্থেজ ৰাজ্যত আশ্ৰয় লব লগা হ'ল—তাৰ সবিশেষ বৰ্ণনা দিয়া হৈছে। দেৱৰাজ জিয়াছৰ পত্নী হেৰা বা জুন'ই ট্ৰয়ৰ এজন বীৰ ৰাজপুৰুষে মৃত্যুগ্ৰাস এৰাই অনুচৰবৰ্গৰ সৈতে অন্য দেশত থিতাপি লোৱাটো তেওঁ সহ্য কৰিব নোৱাৰি সাগৰত প্ৰচণ্ড ধুমুহা তুলি ইনিয়াছৰ নাওঁবোৰ খণ্ড-বিখণ্ড কৰি তেওঁলোকক সাগৰতে সলিল সমাধি দিবলৈ চেষ্টা কৰোঁতে অৱশেষত ভেনাছ দেৱীৰ অনুৰোধত সাগৰ দেৱতা পজেইডন বা নেপচুনে সাগৰ শান্ত কৰে। ইনিয়াছৰ নৌবাহিনীয়েও ভগা নাওবোৰ মেৰামত কৰিবলৈ আৰু তেওঁলোকবো পৰিশ্ৰান্ত দেহক বিশ্ৰাম দিবলৈ ভূমধ্য-

সাগৰৰ উত্তৰ কূলত অৱস্থিত নাও বা জাহাজ বন্ধাৰ উপযুক্ত ঠাই পাই তাতে আশ্ৰয় লয়। সেইখননো কি দেশ, কাৰ ৰাজ্য, জিৰাবৰ কাৰণে অনুকূল পৰিৱেশ পাব নাপায়, এইবোৰ কথা জানিবৰ কাৰণে ইনিয়াছে কেইজনমান সহচৰ সহ পাৰলৈ উঠি কিছুদূৰ যাওঁতেই তেওঁৰ দেৱী-মাতৃ-ভেনাচ বা এফ্ৰ'ডাইটে ছদ্মৱেশত উপস্থিত হৈ সেই ৰাজ্যৰ প্ৰতিষ্ঠাপিকা ৰাণী ডিড'ৰ ৰাজধানীলৈ পথ নিৰ্দেশ কৰি দিয়ে আৰু বাটত কোনেও যাতে তেওঁলোকক দেখা নাপায় সেই উদ্দেশ্যে তেওঁলোকক ঘন কুৱলীৰে আবৃত কৰি দিয়ে। ইপিনে ভেনাছৰ অনুৰোধত দেৱৰাজ জিউছে ৰাণী ডিড'ক সপোনত আগন্তুক অতিথিক অভ্যৰ্থনা কৰিবলৈ নিৰ্দেশ দিয়ে। সেই মতে যেতিয়া ইনিয়াছ ৰাণীৰ ৰাজপুৰীত উপস্থিত হয়, তেওঁক সাদৰ অভ্যৰ্থনা জনাই ভোজভাত সুৰাৰে আপ্যায়িত কৰি পৰিচয় লয়। ইনিয়াছৰ পৰা তেওঁৰ দুৰ্দশাৰ কথা সবিশেষ জানিবলৈ ইচ্ছা প্ৰকাশ কৰাত পৰৱৰ্ত্তী সৰ্গত ইনিয়াছে ট্ৰয় নগৰৰ ধ্বংস আৰু তেওঁলোকৰ ইটালী অভিমুখে যাত্ৰাৰ কথা বিৱৰি কয়।

দ্বিতীয় সৰ্গ: এই সৰ্গত সৰ্বমুঠ ৮০৪ চৰণ আছে। ট্ৰয় অভিযানকাৰী গ্ৰীক বাহিনীয়ে দহ বছৰ অৱৰোধ কৰিও ট্ৰয় অধিকাৰ কৰিব নোৱাৰি ছলনাৰ আশ্ৰয় লয়। ইউলিছিছৰ কুট পৰামৰ্শ অনুসৰি এটা বিৰাট কাঠৰ ঘোঁৰা সাজি তাৰ ভিতৰত বছা-বছা সৈন্য ৰাখি ট্ৰয়ৰ প্ৰাচীৰৰ কাষত এৰি আহে আৰু অভিযান সামৰি গ্ৰীচলৈ উভতি যোৱাৰ ভাও দেখুৱাই জাহাজবোৰ ট্ৰয় উপকূলৰ পৰা আঁতৰাই নি অলপ আঁতৰৰ এটা দ্বীপৰ আঁৰত লুকুৱাই থয়। চাইনড (Sinod) নামে এজন গ্ৰীক সৈন্যক ফটাছিটা মলিয়ন পোছাক পিন্ধাই পাছলৈ হাতদুখন বান্ধি ট্ৰয়ৰ উপকূলত এৰি যায়। ট্ৰজানবোৰে গ্ৰীক নৌবাহিনী উপকূল এৰি যোৱা দেখি আৰু প্ৰকাণ্ড কাঠৰ ঘোঁৰা এটা দেখা পাই উৎসুকবশতঃ ঘোঁৰাটো চোৱা দেখি ছাইনড সেই ঠাইত উপস্থিত হয়। তেওঁক গ্ৰীকবোৰে মিছা ভৱিষ্যদ্বক্তা কেলকাছৰ কথা মতে (কেলকাছক সেইদৰে কবলৈ শিকাই থোৱা হৈছিল বুলি কয়) দেৱতাৰ উদ্দেশ্যে ধৰি বান্ধি বলি দিবলৈ থোৱাত তেওঁ পলাই আহিছিল বুলি কোৱাত ট্ৰজানবোৰ তেওঁৰ কথাত পতিয়ন যায়। তেওঁ আৰু কয় যে, দেৱী এথেনীৰ নিৰ্দেশক্ৰমে কাঠৰ ঘোঁৰাটো নিৰ্মাণ কৰি ট্ৰয় নগৰৰ বাহিৰত এৰি গৈছে যাতে অধিক শক্তিশালী হৈ পুনৰ ঘূৰি আহি ঘোঁৰাটো দেখা পায়, কাৰণ দেৱীৰ মতে সেইটো সৌভাগ্যৰ প্ৰতীক। ট্ৰয় নগৰৰ দুৱাৰেদি সুমুৱাব নোৱৰাকৈ সেই কাৰণে ঘোঁৰাটো নিৰ্মাণ কৰে। ঘোঁৰাটোৰ কিবা অন্যায় কৰিলে এথেনীৰ ক্ৰোধত ট্ৰজানসকল পৰিব আৰু যদি কিবা উপায়ে নগৰৰ ভিতৰত সুমুৱাব পৰা যায় তেন্তে ট্ৰয়ৰ জয় সুনিশ্চিত হ'ব। ছিননৰ কথাত বিশ্বাস নকৰি লাওকুনে (Laocoon) ঘোঁৰাটো নষ্ট কৰিবলৈ কৈছিল যদিও এক আকস্মিক দৈৱিক ঘটনাই ছিননৰ কথাত প্ৰতীতি জন্মালে। সাগৰৰ মাজৰ পৰা দুটো প্ৰকাণ্ড সাপ ওলাই আহি লাওকুন আৰু

* চাইনডে ট্ৰজানবোৰক বিৰুদ্ধে চিনন বুলি পৰিচয় দিছিল।

তেওঁৰ সক ল'ৰা দুটাক মেৰিয়াই ধৰি চেপি-খুটি বধ কৰে। এনে ঘটনাত আশ্চৰ্য হৈ ছিননৰ কথা মতে জড়ি লগাই প্ৰাচীৰৰ ওপৰেদি বহুত মানুহ লগ লাগি ঘোঁৰাটো নগৰৰ ভিতৰ সুমুৱায়। এনেতে ৰাতি হৈঁৱাত সকলো ঘৰলৈ যোৱাত ছিননে বাহিৰৰ পৰা দুৱাৰখন খুলি দিয়াত গ্ৰীক সৈন্যবোৰ ওলাই আহি নগৰ আক্ৰমণ কৰি জুই জ্বলাই দিয়ে। জুই দেখি জাহাজত থকা সৈন্যবোৰো খোলা দুৱাৰেদি নগৰত প্ৰৱেশ কৰি অপ্ৰস্তুত নগৰবাসীক আক্ৰমণ কৰি অগ্নি সংযোগ আৰু হত্যাকাণ্ড সমানেই সংঘটিত কৰি নগৰখন ভস্মীভূত কৰে, বৃদ্ধ-যুৱা সকলোকে বধ কৰে, বাচি থকা নাৰীবোৰক বন্দী কৰে। ইনিয়াছে এদল সাহসী যোদ্ধালৈ প্ৰথম অৱস্থাত বাধা দিছিল যদিও শেষত মাতৃ এফ্ৰ'ডাইটৰ (ভেনাছ) উপদেশ মতে নতুন দেশৰ সন্ধানত বৃদ্ধ পিতা আৰু কোমল বয়সীয়া পুত্ৰক লৈ এদল অনুচৰৰ সৈতে নগৰ পৰিত্যাগ কৰে আৰু কিছুদিন পাহাৰত লুকাই থাকি বৃহৎ নাও কিছু নিৰ্মাণ কৰি সাগৰেদি বহু ধুমুহা-বৰষুণ, দুৰ্যোগ, নৌকাডুবি বিপদ সংকুল যাত্ৰা অতিক্ৰম কৰি সাময়িকভাবে থ্ৰেচ দ্বীপত বাস কৰি, কিন্তু সুবিধাজনক নেদেখি এফ্ৰ'ডাইটৰ নিৰ্দেশক্ৰমে নতুন দেশৰ সন্ধানত সাগৰত পাৰি দিয়ে। এইবাৰ জুন' বা হেৰাৰ চক্ৰান্তত সাগৰত ধুমুহা উঠি জাহাজ ভাঙি কাৰ্থেজৰ পোতাশ্ৰয়ত আশ্ৰয় লয়। প্ৰসংগক্ৰমে ৰজা প্ৰায়েম, ৰাণী হেকুবা, এন্দ্ৰমেকী, তেওঁৰ নিজৰ মাতৃ আদিৰ অৱস্থা কি হ'ল বৰ্ণনা কৰে। এনেতে সাগৰত ধুমুহাত জাহাজ ডুবি মৰা বুলি ভবা তেওঁৰ সহযাত্ৰী কেবাজনো তাত আহি উপস্থিত হয়। ৰাণী ডিড'ৰ নিৰ্দেশক্ৰমে আশ্ৰয়প্ৰাৰ্থীসকলক ভোজ ভাতেৰে অভ্যৰ্থনা জনোৱা হয় আৰু আশ্ৰয়দানৰ আশ্বাস দিয়ে। ভেনাছে সেই সুবিধাতে পুতেক কিউপিডৰ যোগেদি ৰাণীৰ অন্তৰত ইনিয়াছৰ প্ৰতি প্ৰেমৰ ভাব জাগ্ৰত কৰে।

চতুৰ্থ সৰ্গ ঃ এই সৰ্গত দেৱ-দেৱীৰ বিশেষকৈ জুন' আৰু ভেনাছৰ প্ৰভাৱত ইনিয়াছৰ প্ৰতি ডিড'ৰ প্ৰেমৰ গভীৰতা, দেৱতাৰ নিৰ্দেশত ট্ৰজান ৰাজকোঁৱৰজনৰ ৰাণীৰ প্ৰেমৰ ডোল ছিঙি ইটালীৰ উদ্দেশ্যে কাৰ্থেজ পৰিত্যাগ আৰু অৱশেষত বিৰহকাতৰা ডিড'ৰ আত্মহত্যা বৰ্ণনা কৰিছে। মানৱৰ ভাগ্য লৈ হেতালী খেলা দেৱ-দেৱীয়ে ইনিয়াছ আৰু ডিড'ক শান্তিৰে থাকিবলৈ নিদিলে। ডিড'ৰ আতিথ্য আৰু প্ৰেমে ইনিয়াছক কাৰ্থেজতে স্থায়ীভাবে বাস কৰা প্ৰবৃত্তি জগোৱাৰ ফলত তেওঁ আৰু সহযাত্ৰীসকলে নগৰ নিৰ্মাণত ডিড'ক সহায় কৰে। ইতিমধ্যে এদিন ট্ৰজান অভিযাত্ৰীসকলসহ ৰাণী ডিড' ইনিয়াছক লগত লৈ চিকাৰলৈ গৈ ধাৰাষাৰ বৰষুণ আৰু বতাহত উপায় নাপাই দুয়ো এটা গুহাত আশ্ৰয় লয় আৰু তাতে তেওঁলোকৰ মিলন হয় আৰু বিবাহ পাশত আৱদ্ধ হয়। এই কাৰ্য ঘটিছিল দেৱী জুন'ৰ চক্ৰান্তত, এজন ট্ৰজান ৰাজকুমাৰে ইটালীত গৈ এখন নতুন ৰাজ্য স্থাপন কৰি ভৱিষ্যত ৰোমান সাম্ৰাজ্যৰ ভেটি নিৰ্মাণ কৰাটো তেওঁ

নিবিচাৰিছিল। গতিকে তেওঁৰ উদ্দেশ্য আছিল ইনিয়াছক কাৰ্থেজতে আবদ্ধ ৰখা। কিন্তু দেৱী ভেনাছে পুতেক ইনিয়াছৰ ভৱিষ্যত গৌৰৱ কামনা কৰি দেৱৰাজ জিউছ বা জুপিটাৰৰ যোগেদি ইনিয়াছক কাৰ্থেজতে আবদ্ধ নাৰাখি ইটালী অভিমুখে যাবলৈ প্ৰৰোচিত কৰে। সেই মতে ইনিয়াছৰ নিৰ্দেশত ট্ৰজানসকলে পুনৰ অভিযানৰ অয়োজন কৰা দেখা পাই ডিড'ই ইনিয়াছক তেওঁলোকৰ বিবাহবন্ধন, প্ৰেম, ভৱিষ্যৎ সুখৰ কথা কৈ নানাৰূপে সাধ্য সাধানা কৰে সত্বেও ইনিয়াছৰ মন ঘূৰাব নোৱাৰিলে। ডিড'ৰ অজ্ঞাতে এদিন জাহাজ সমুদ্ৰ পথত এৰি দিলে। পাছত ডিড'ই গম পাই ব্যৰ্থ প্ৰেম, হতাশাত আত্মহত্যা কৰাৰ মানসেৰে বান্ধৱীসদৃশ ভনীয়েক আনাক এটা চিতা সাজিবলৈ কয় আৰু সেই চিতাত ইনিয়াছে এৰি যোৱা তৰোৱাল, পোছাক আৰু তেওঁলোকে শোৱা বিছনাখন ৰাখিবলৈ নিৰ্দেশ দিয়ে। চিতা নিৰ্মাণ কৰাৰ পাছত আনাৰ অজ্ঞাতে ডেড'ই সেই চিতাত আৰোহণ কৰি ইনিয়াছক বিশ্বাসঘাতকতা আৰু অকৃতজ্ঞতাৰ কাৰণে অভিশাপ দি ইনিয়াছৰ তৰোৱাল বুকুত সুমুৱাই দি আত্মহত্যা কৰে।

পঞ্চম সৰ্গ ঃ ইটালী অভিমুখে জাহাজ এৰি দিলে যদিও প্ৰতিকূল বতাহ ধুমুহাৰ বিৰুদ্ধে যাব নোৱাৰি ইনিয়াছে বিপৰীতমুখে অৱশেষত ছিচিলি দ্বীপৰ উপকূলত জাহাজৰ লংগৰ পেলালে। সেই দেশত নতুনকৈ ৰাজ্য পাতি এচেছটিছ (Acestes) নামে ট্ৰজানৰ বন্ধু ৰজাই ৰাজত্ব কৰিছিল। ইনিয়াছক ট্ৰজান বুলি চিনি পাই সাদৰ অভ্যৰ্থনা কৰি আশ্ৰয় দিলে। এনেতে সাগৰ যাত্ৰাত লগতে আহি যাত্ৰাপথত মৃত্যু হোৱা ইনিয়াছৰ বাপেক এনেকাইছেছৰ বছৰেক পূৰ হ'ল। বছৰেকীয়া পিণ্ড দানৰ উদ্দেশ্যে এডোখৰ ওখ ঠাইত দেবী স্থাপন কৰি সুৰা, বলধ, ভেড়া উছৰ্গা কৰি বলি দিয়ে। পিতৃক্ৰিয়াৰ ন দিনৰ পাছত অৰ্থাৎ দশম দিনত পিতৃৰ আনন্দৰ কাৰণে নাও খেল, দৌৰ, কাড়ৰ দ্বাৰা লক্ষ্যভেদ, মুষ্ঠিযুদ্ধ, ঘোড়াদৌৰ আৰু কৌশলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি বিজয়ীসকলক বঁটা প্ৰদান কৰে। যাতে ইনিয়াছে আকৌ ইটালী অভিমুখে যাব নোৱাৰে সেই উদ্দেশ্যে লগত যোৱা নাৰীবোৰক উচতাই জুন'ই জাহাজবোৰত সিহঁতৰ হতুৱাই জুই লগাই দিয়ে যদিও পুৰুষবোৰৰ চেষ্টাত কোনো বিশেষ ক্ষতি নোহোৱাকৈ জাহাজবোৰ ৰক্ষা কৰা হয়। স্বপ্নত বাপেকে ইনিয়াছক পুনৰ যাত্ৰা কৰিবলৈ উৎসাহ দিয়াত যিবোৰ নাৰী আৰু বয়সীয়া মানুহে সেই ঠাইতে থাকিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল তেওঁলোকক তাতে থৈ বাকী উৎসাহীসকলক লৈ ইনিয়াছে আকৌ যাত্ৰা আৰম্ভ কৰে।

ষষ্ঠ সৰ্গ ঃ এইবাৰ এপল' দেৱতাৰ দ্বাৰা পালিত আৰু সুৰক্ষিত ইঅ'বীয়ান অঞ্চলৰ উপকূলত জাহাজ বান্ধি ভৱিষ্যদ্বাণী কৰিব পৰা এপল' দেৱতাৰ পূজাৰিণী ছিবীলৰ নিৰ্জন গুহাৰ ফালে ট্ৰজানবিলাক যাত্ৰা কৰে। যথাসময়ত উক্ত স্থানৰ উপকূলত জাহাজ লংগৰ পেলাই গভীৰ অৰণ্যৰ মাজেদি বিপদসংকুল পথেদি গৈ

ছিবীলৰ (Sibyl) অন্ধকাৰ গুহাত উপস্থিত হয়। যথাৰীতি দেৱতালৈ বলিবিধান আগবঢ়াই ভৱিষ্যদ্ৰষ্টা ছিবীলক অনুৰোধ কৰাত তেওঁৰ শৰীৰত দেৱতা লম্ভি উন্মত্তাৰ দৰে গা-মূৰ জোকাৰি ট্ৰজানসকলক যে বহুত কষ্ট স্বীকাৰ কৰি যুদ্ধ বিগ্ৰহৰ মাজেদি অৱশেষত লেটিয়াম ৰাজকুমাৰীৰ লগত বিবাহ পাশত আৱদ্ধ হৈ এক উজ্জ্বল ভৱিষ্যতৰ পথ মুকলি কৰিব সেই কথা কয়। ইনিয়াছে ছিবীলক যমপুৰীলৈ ('প্লুট' বা হেড্‌ছৰ পাতালত থকা প্ৰেতপুৰী) যোৱাৰ পথ নিৰ্দেশ কৰিবলৈ প্ৰাৰ্থনা জনোৱাত ছিবীলৰ নিৰ্দেশক্ৰমে অৰণ্যত সোনালী শাখাৰ গছ আৱিষ্কাৰ কৰি আৰু সেই শাখা হাতত লৈ ছিবীলক পথ প্ৰদৰ্শকাৰূপে লগত লৈ বাপেকক লগ ধৰিবলৈ প্ৰেতপৰীলৈ অন্ধকাৰ গুহাৰ মাজেদি যাত্ৰা কৰে। কবি ভাৰ্জিলে প্ৰেতপুৰীলৈ যোৱা ভয়াৱহ পথ, প্ৰেতপুৰীত ইনিয়াছে লগ পোৱা অতীতৰ ৰজা-মহাৰাজা, বীৰ, অত্যাচাৰী, বিশ্বাসঘাতক, কামুক, সৎ-অসৎ আদি লোকসকলৰ নিবাস, অৱস্থা শাস্তি আদিৰ বিৱৰণ দিছে। দান্তেৰ Inferno আৰু purgatory-ৰ বিৱৰণ সম্ভৱতঃ ভাৰ্জিলৰ বিৱৰণৰে বিশদ আৰু সংশোধিত ৰূপ। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে গ্ৰীক-ট্ৰজানসকলে মৃতকৰ কাঠসংস্কাৰ বা অন্ত্যেষ্টিক্ৰিয়া অপৰিহাৰ্য বুলি ভাবিছিল। পলিনাৰাছ আৰু মিছেনাছ যি দুজন এসময়ত ইনিয়াছৰ সহচৰ আছিল, এই দুজনৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিব লগা অৱস্থাই ইয়াৰ গুৰুত্ব উপলব্ধি কৰা যায়। ছিবীলৰ লগ আৰু সোনালী শাখাৰ দণ্ড হাতত দেখি ইনিয়াছক কোনেও বাধা নিদিয়াত অৱশেষত ইলিছিয়ামত (সৎ-পৱিত্ৰ মৃতসকলৰ ক্ষেত্ৰ) বাপেক এনকাইছেছক লগ পায়। ইটালীত ইনিয়াছ কি অৱস্থাৰ সন্মুখীন হ'ব, কেনেকৈ ট্ৰজানৰ তেজৰ লগত ইটালীয় তেজ মিশ্ৰিত হৈ এটা দুৰ্ধৰ্ষ জাতি গঢ়ি উঠিব, বহু শতাব্দী জুৰি এক বিশাল সাম্ৰাজ্য স্থাপিত হ'ব আৰু চিজাৰ, আগষ্টছ আদি মহাবীৰৰ জন্ম হ'ব—এই সকলোবোৰ কথা বাপেক এনকাইছেছে বিবৰি কয়। বাপেকে অব্যৱহিত ভৱিষ্যতত ইনিয়াছৰ কৰ্ত্তব্য আৰু তাৰ লগত জড়িত বিপদৰ কথাও সোঁৱৰাই দিয়ে। শেষত ইনিয়াছক উভতি অহাৰ পথ নিৰ্দেশ কৰি বাপেক চকুৰ অগোচৰ হয়।

সপ্তম সৰ্গ : প্ৰেতপুৰীৰ পৰা উভতি অহি বাপেকৰ নিৰ্দেশমতে ইনিয়াছে সদলবলে জাহাজ এৰি দিয়ে লেটিয়াম অভিমুখে। সেই সময়ত ইটালী সৰু সৰু ৰাজ্যত বিভক্ত আছিল যদিও সকলোবোৰ ৰাজ্যৰ মাজত সংহতিও আছিল, একপ্ৰকাৰ Confederacy of states বুলিও ক'ব পাৰি। সেই ৰাজ্যবোৰৰে এখন লেটিয়াম আৰু ৰজা আছিল লেটিনাছ। তেওঁৰ পত্নী আমতা আৰু একমাত্ৰ সন্তান লেভিনিয়া। ওচৰৰে ৰাজ্য ৰুতুলিয়া, তাৰ ডেকা ৰজা টাৰ্নাছ মহাবীৰ, সাহসী, যুদ্ধলিপ্সু আৰু ইটালীয় জাতীয় ভাৱত গৌৰৱান্বিত। লেটিনাছৰ প্ৰাসাদ দুৰ্গতে ভৱিষ্যম্বাণী হৈছিল যে, বিদেশী আশ্ৰয়প্ৰাৰ্থী ৰাজকুমাৰৰ লগত লেভিনিয়াৰ বিবাহ হ'ব আৰু সেই বিবাহে ইটালীলৈ গৌৰৱ, প্ৰতাপ আৰু সমৃদ্ধি

কাঢ়িয়াই আনিব। এই ভৱিষ্যম্বাণীৰ অলপ দিনৰ পাছতে ইনিয়াছে লেটিয়ামত উপস্থিত হয় আৰু তেওঁৰে পৰ্যবেক্ষকৰ দল এটাই, উপঢৌকন সহ ৰাজদৰবাৰত ইনিয়াছৰ জলযাত্ৰাৰ সবিশেষ বিৱৰণ দি আশ্ৰয় ভিক্ষা কৰে। ৰজা লেটিনাছে তেওঁলোকক আশ্ৰয় দিয়াৰ আশ্বাস দি কন্যা লেভিনিয়াকো ভবিষ্যম্বাণী অনুসৰি বিৱাহ দিয়াৰ প্ৰস্তাৱ দাঙি ধৰে। লেটিনাছৰ আশ্বাস আৰু উপঢৌকন লৈ পৰ্যৱেক্ষকৰ দলটো শিৰিৰলৈ উভতি যায়।

ইফালে দেৱী জুন'ই ট্ৰজান ৰাজকুমাৰ এজনে ইটালীত খোপনি পুতি ৰাজ্য প্ৰতিষ্ঠা কৰাটো সহ্য কৰিব নোৱাৰি প্ৰেতপুৰীত নিবাস কৰা এজনী মায়াবিনী, কুটকুশলা, ভয়ংকৰী ডাইনীক (Fury আহ্বান কৰে সেই ডাইনীক প্ৰস্তাৱিত বিয়াখন ভাঙি ট্ৰজানবোৰে যাতে ইটালীত থিতাপি লব নোৱাৰে তাৰ উচিত ব্যৱস্থা লৱলৈকো নিৰ্দেশ দিয়ে। সেই মতে ডাইনীয়ে প্ৰথমতে ৰাণী আমতাক বিয়াখনৰ বিপক্ষে থিয় কৰাই শেষত আধাবলিয়া অৱস্থাত অৰণ্যলৈ পঠায় আৰু নগৰবাসী নাৰীবোৰকো উত্তেজিত কৰি ৰাণীৰ লগত উন্মত্ত হৈ ঘূৰি ফুৰায় আৰু লগতে ট্ৰজান আশ্ৰয়প্ৰাৰ্থীসকলৰ বিৰুদ্ধেও উত্তেজিত কৰে। লেভিনিয়াকো লগত নি হাবিত লুকুৱাই থয়। এইখিনি কৰি নৰকৰ ডাইনীজনীয়ে ৰুতুলিয়া ৰাজ্যলৈ গৈ তাৰ ৰজা টাৰ্নাছকো ইনিয়াছৰ বিৰুদ্ধে অপশক্তিৰ বলত উত্তেজিত কৰি তোলে। লেভিনিয়া টাৰ্নাছৰ বাগদত্তা আছিল। গতিকে তেওঁ ডাইনীৰ প্ৰৰোচনাত ট্ৰজান বিৰোধী হৈ যুদ্ধ কৰি ট্ৰজানক খেদিবলৈ আৰু লেভিনিয়াক বিয়া কৰাৰ সংকল্প লয়। ডাইনীৰ কাম ইয়াতেই শেষ হোৱা নাই। এইবাৰ ট্ৰজান আৰু লেটিনিয়ামবিলাকৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰাত ব্যস্ত হয়। ইনিয়াছৰ পুতেক এস্কেনিয়াছে লগৰীয়াবিলাকক লৈ চিকাৰ কৰিবলৈ গৈ বনৰীয়া শৰপহু বুলি লেটিয়াম চহৰৰ ঘৰচীয়া পহু এটাক শৰবিদ্ধ কৰাত লেটিয়ামবাসীয়ে ডাইনীৰ প্ৰভাৱ ফলত উত্তেজিত হৈ ট্ৰাজনসকলক আক্ৰমণ কৰি কেইজনমানক বধো কৰে। ইতিমধ্যে সদলবলে টাৰ্নাছ লেটিয়ামত উপস্থিত হৈ ট্ৰজানবোৰক খেদি পঠোৱাৰ মানসেৰে সকলোকে যুদ্ধলৈ আহ্বান কৰে। এই আহ্বানত ইটালীৰ সমূহৰ সকলো ৰাজ্যৰ পৰা আৰু বীৰপুৰুষসকল যুদ্ধকামী হৈ লেটিয়াম চহৰত উপস্থিত হয়। এই সৰ্গৰ প্ৰায় দুশৰো অধিক লাইন বা শাৰী সমবেত ৰজাসকলৰ পৰিচয় দিয়াত কবিয়ে কল্পনাক নিয়োগ কৰিছে। বীৰসকলৰ মাজত কেমিল্লা নামৰ এগৰাকী বীৰাংগনাৰো পৰিচয় দিছে। তেওঁলোকৰ স্থান পৰিচয়ৰ লগতে তেওঁলোকৰ হেচেৰা অৱয়ৱ, পোছাক, অস্ত্ৰ-শস্ত্ৰও বৰ্ণনা কৰিছে। টাৰ্নাছে সকলোকে ট্ৰজান বিৰোধী যুযুৎসু মনোবৃত্তি জগাই তোলে।

অষ্টম সৰ্গ ঃ এই সৰ্গত প্ৰধানকৈ আগন্তুক যুদ্ধত সহায় বিচাৰি ইনিয়াছৰ আৰ্কেডিয়া (**Arcadia**) যাত্ৰা বৰ্ণনা কৰিছে। টাইবেৰিয়া নদীৰ জলদেৱতাই

ইনিয়াছক স্বপ্নত দেখা দি কেনেকৈ দেৱী জুনʼক সন্তুষ্ট কৰি ইটালীয়ানৰ সংযুক্ত শক্তিক প্ৰতিৰোধ কৰিবৰ কাৰণে আৰ্কেডিয়া ৰাজ্যৰ সহায় বিচাৰি যাব লগিব তাৰ নিৰ্দেশ দিয়ে। সেই মতেই কাৰ্য কৰি ইনিয়াছ গৈ আৰ্কেডিয়া ৰাজ্যত উপস্থিত হয়গৈ। ৰজা ইভেণ্ডাছে তেতিয়া সেই ৰাজ্যক এসময়ত এটা অত্যাচাৰী দৈত্যৰ পৰা ৰক্ষা কৰা হাৰ্কিউলিছৰ উৎসৱ পালন কৰি আছিল। ইনিয়াছক আদৰ অভ্যৰ্থনা জনাই সবিশেষ পৰিচয় লয় আৰু ইনিয়াছৰ পৰিয়ালৰ ইভেণ্ডাছৰ পৰিয়ালৰ দূৰ সম্পৰ্কও অৱগত হয়। তেওঁ ইনিয়াছক সহায় কৰিবলৈ গাত লয় আৰু লগতে ওচৰচুবুৰীয়া মিত্ৰৰাজ্য এট্ৰুৰিয়াৰ লগতো ইনিয়াছৰ বন্ধুতা স্থাপন কৰি দিয়ে। মিত্ৰসৈন্যবোৰক লৈ ইনিয়াছ নিজ শিৱিৰলৈ প্ৰত্যাৱৰ্তনৰ পথত আগবাঢ়ে। প্ৰসংগক্ৰমে উল্লেখযোগ্য এট্ৰুৰিয়াৰ অত্যাচাৰী ৰজা মেজেণ্টিয়াছক প্ৰজাসকলে খেদি দিওঁতে টাৰ্নাছে তেওঁক আশ্ৰয় দিছিল। প্ৰত্যাৱৰ্তনৰ পথত মাতৃ ভেনাছে দেৱমিস্ত্ৰী ভালকনৰ দ্বাৰা নিৰ্মিত অস্ত্ৰ-শস্ত্ৰ, যুদ্ধ কবচ আদি দান কৰে। তেওঁ দিয়া নিৰ্মিত ঢালখনত ইনিয়াছৰ বংশ আৰু ৰোমৰ কীৰ্ত্তিগাথা চিত্ৰিত আছিল। এই সৰ্গতে ইভেণ্ডাছে ইনিয়াছৰ ৰাজধানী ভৱিষ্যত ৰোমৰ স্থানো নিৰ্দেশ কৰিছে।

নৱম সৰ্গ ঃ দেৱী জুনʼৰ আদেশত আইৰিছে টাৰ্নাছক ট্ৰজান শিবিৰ ইনিয়াছৰ অনুপস্থিতিত আক্ৰমণ কৰিবলৈ নিৰ্দেশ দিয়ে। নিৰ্দেশানুসাৰে সংযুক্ত সৈন্য-বাহিনীলৈ ট্ৰজানবোৰৰ সাগৰদাঁতিৰ নতুনকৈ খাৰৈ দি চাৰিওফালে প্ৰাচীৰ তুলি স্থাপন কৰা শিবিৰ আক্ৰমণ কৰে। উপকূলত বান্ধি থোৱা জাহাজবোৰত জুই দিবলৈ চেষ্টা কৰি ব্যৰ্থ হয়, কাৰণে দেৱাধিপ জুপিটাৰে ভেনাছৰ অনুৰোধত সাগৰযাত্ৰাৰ পাছত অক্ষত অৱস্থাত থকা জাহাজবোৰ ৰক্ষা কৰিবলৈ আশ্বাস দিছিল। উক্ত চেষ্টাত বিফল হৈ ইনিয়াছৰ শিৱিৰ আক্ৰমণ কৰিবলৈ সৈন্যবোৰক শিবিৰৰ চাৰিওকাষে নিয়োগ কৰে। কিন্তু সুদৃঢ় গড় সহজে ভেদ কৰি চাৰিও-ফালে চাউনি পাতি ৰাতি শুই থাকোঁতে দুজন কমবয়সীয়া বীৰ ট্ৰজান যুৱকে ৰাতি গড়ৰ পৰা ওলাই লেটিয়াম-ৰুতুলীয়ান সৈন্যৰ চাউনিত প্ৰৱেশ কৰি শুই থকা বা টোপনিয়াই থকা সৈন্যবোৰক হত্যা কৰি ওলাই আহোঁতে এদল আগবাঢ়ি অহা শত্ৰুসৈন্যৰ হাতত পৰি যুদ্ধত নিহত হয়। এই কোমল বয়সীয়া ডেকা দুজনৰ নাম আছিল নিচাছ (Nisus) আৰু ইউৰিয়ালাছ (Euryalus)। ইয়াৰ পাছতেই টাৰ্নাছৰ নেতৃত্বত ইটালীৰ সংযুক্ত বাহিনীয়ে ট্ৰজান কোঠ চাৰিওফালৰ পৰা আক্ৰমণ কৰে আৰু ট্ৰজানবোৰেই প্ৰাচীৰৰ ওপৰৰ পৰা যাঠি জোং পাথৰ দলিয়াই আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰে। অৱশেষত কোঠৰ দুৱাৰ মুকলি কৰি ট্ৰজান বিলাক মুকলি যুদ্ধলৈ ওলাই অহাত ভীষণ যুদ্ধ হয়। টাৰ্নাছে বহুতো ট্ৰজানক যুদ্ধত বধ কৰে যদিও অৱশেষত ট্ৰজানবোৰে পাল্টা আক্ৰমণৰ দ্বাৰা ইটালীয়ান সৈন্যক পাছ হুহকি যাবলৈ বাধ্য কৰে।

দশম সৰ্গ ঃ দশম সৰ্গ আৰম্ভ হৈছে দেৱলোকত। দেৱৰাজ জুপিটাৰৰ দেৱ সভাত জীয়েক ভেনাচে ট্ৰজানসকলৰ দুৰ্দশা আৰু দেৱী জুন'ৰ বিদ্বেষৰ অভিযোগ তুলি আশ্ৰয় প্ৰাৰ্থী ডাৰ্ডানৰ (ট্ৰজান) প্ৰতি কৰুণা প্ৰদৰ্শন কৰিবলৈ প্ৰাৰ্থনা কৰোঁতে জুন'ই আত্মকাৰ্য সমৰ্থন কৰি প্ৰত্যুত্তৰ দিয়ে। জুপিটাৰে যাৰ ভাগ্যত যি আছে সেই হ'ব বুলি মোৰ্খনি মাৰি সভা ভংগ কৰে। ইয়াৰ পাছত টাৰ্নাছে বিশ্ৰাম লৈ পুনৰ ইনিয়াছৰ কোঠ আক্ৰমণ কৰে আৰু দুয়ো দলৰ মাজত তুমুল সংঘৰ্ষ হৈ বহুতো আগশাৰীৰ বীৰ (সেইবোৰৰ নাম আৰু বীৰত্ব কাব্যত বহলাই বৰ্ণনা কৰিছে) নিহত হয়। ইতিমধ্যে ইনিয়াছে আৰ্কেডিয়ান আৰু এট্ৰাস্কান ৰাজ্যৰ সৈন্য আৰু ৰণসম্ভাৰ লৈ নৌপথেদি নিজ শিবিৰ অভিমুখে যাত্ৰা কৰে। বাটত জলকুৱৰীসকলে তেওঁলোকক উৎসাহিত কৰে আৰু শেহান্তৰত ইনিয়াছৰ জয়ৰ নিৰ্ভয়বাণী শুনায়। ইনিয়াছে নৌবাহিনী লৈ টাৰ্নাছে বাধা দিয়াৰ আগতেই উপকূলত নামে আৰু তাতে ভীষণ যুদ্ধ হয়। দুয়োপক্ষৰ বহুতো শক্তিশালী বীৰ যাঠিৰ খোচ আৰু তৰোৱালৰ আঘাতত ধৰাশায়ী হয়, টাৰ্নাছে অদ্ভুত বীৰত্ব প্ৰদৰ্শন কৰি বহুতো ট্ৰজান বীৰক বধ কৰে। সেইদৰে ইনিয়াছেও ৰুতুলীয়ান আৰু লেটিয়াম সৈন্যৰ মাজত ত্ৰাসৰ সঞ্চাৰ কৰি বহুতো সৈন্য আৰু বীৰক বধ কৰে। এই যুদ্ধত ইটালীয় সৈন্যৰ সপক্ষে যুদ্ধ কৰা এট্ৰাস্কানৰ পৰা নিৰ্বাসিত অত্যাচাৰী দুৰ্দ্ধৰ্ষ বীৰ মেজেণ্টিয়াছ আৰু ট্ৰজান পক্ষক সহায় কৰিবলৈ অহা এভেণ্ডাৰৰ পুত্ৰ যুৱৰাজ পালাছৰ বীৰত্বপূৰ্ণ মৃত্যু হয়। ইনিয়াছৰ পৰাক্ৰমত থাৰিব নোৱাৰা দেখি দেৱী জুন'ই টাৰ্নাছক ছল কৰি যুদ্ধ ক্ষেত্ৰৰ পৰা আঁতৰাই নিজ ৰাজধানী পোৱায়গৈ। টাৰ্নাছৰ পলায়ন (স্বেচ্ছাই পলোৱা নাছিল, জুন'ই ছল কৰি তেওঁক যাবলৈ বাধ্য কৰিছিল) আৰু মেজেণ্টিয়াছৰ মৃত্যুত ভগ্নোৎসাহ হৈ সিমানতে যুদ্ধ এৰে, সন্ধ্যাও আগত পায়।

একাদশ সৰ্গ ঃ একাদশ সৰ্গৰ আৰম্ভ মৃত বীৰসকলৰ অন্ত্যেষ্টিক্ৰিয়া আৰু যথাৰীতি তৰ্পণৰ পৰিসমাপ্তিৰ যোগেদি। আৰ্কেডিয়াৰ যুৱৰাজ বীৰ পালাছৰ (Pallas) শৱদেহ তাতে দাহন নকৰি সম্মান সহকাৰে, লগত তেওঁ ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰ, যুদ্ধৰ পোছাক আৰু ইনিয়াছে ট্ৰজানৰ হৈ দিয়া উপহাৰ প্ৰদান কৰি নিজ ৰাজ্যলৈ সৎকাৰৰ নিমিত্তে এদল সৈন্যৰ তত্ত্বাৱধানত পঠাই দিয়ে। ইয়াৰ পাছত লেটিয়াম ৰাজ্যৰ মৃত সৈন্যসকলৰ আত্মীয় স্বজনসকল আহি ইনিয়াছক মৃতদেহবোৰ সৎকাৰ অৰ্থে প্ৰাৰ্থনা কৰাত ইনিয়াছে উদাৰচিত্তেৰে তেওঁলোকক অনুমতি দান কৰে আৰু লগতে ১২ দিনৰ কাৰণে যুদ্ধ বন্ধ ৰাখিবলৈ দুয়োপক্ষ সম্মত হয়। আৰ্কেডিয়াত পালাছৰ শৱদেহ পোৱাৰ লগে লগে ইভাণ্ডাৰৰ ৰাজপুৰীত আৰু ৰাজ্যত শোকৰ বিননি উঠে। ইফালে লেটিয়াম চহৰতো বীৰসকলৰ মৃত্যু আৰু ৰণত পৰাজয় দেখি সকলোৱে টাৰ্নাছকে ইয়াৰ কাৰণে দায়ী বুলি ভাবি যুদ্ধত টাৰ্নাছে ইনিয়াছৰ লগত দ্বন্দ্ব যুদ্ধ কৰি সমস্যাৰ সমাধান ঘটাবলৈ মত প্ৰকাশ

কৰে। ৰজা লেটিনাছৰ আগত ড্ৰানচেছে নামে এগৰাকী যুদ্ধ বিৰোধী নাগৰিক লেটিনাছক এই সিদ্ধান্ত জনায়। ইতিমধ্যে ডায়মেডৰ ওচৰলৈ সহায় বিচাৰি পঠোৱা কটকীসকলো উভতি আহি ৰজা ডায়মেডৰ ওচৰত সহায় প্ৰাৰ্থনাৰ প্ৰত্যাখান বাতৰি দিয়েহি। এনে অৱস্থাত লেটিনাছে প্ৰস্তাৱ আগবঢ়ায় যে ইটালীৰ দক্ষিণ অঞ্চল এটাত ট্ৰজানক বসবাস কৰিবলৈ এৰি দিব লাগে আৰু শান্তি স্থাপন কৰিব লাগে। ড্ৰানচাছেও এই কথাত জোৰ সমৰ্থন দিয়ে। কিন্তু ওজস্বিনী, তেজোদ্দীপ্ত বক্তৃতাৰ দ্বাৰা যুদ্ধ কৰি বিদেশী ট্ৰজানবোৰক ইটালীৰ উপকূলৰ পৰা খেদি দিয়াৰ প্ৰবল যুক্তি দাঙি ধৰি টাৰ্নাছে নাগৰিকবোৰক দ্বিধাগ্ৰস্ত কৰি তোলে, টাৰ্নাছৰ কথাত পতিয়ন গৈ সংযুক্ত ইটালীয়ান সৈনাই যুদ্ধৰ কাৰণে কৃতনিশ্চয় হৈ-যুদ্ধযাত্ৰা কৰে। তেওঁলোকৰ মাজত ভলাশ্চিয়ান বীৰাংগনা কামিল্লাও অন্যতম। শান্তি ভংগ কৰি ইটালীয়ান সৈন্যবাহিনী আগবঢ়া দেখি ইনিয়াছে নিজৰ সৈন্যদল সুবিধা অনুসৰি সজাই নগৰ অৱৰোধ কৰিবলৈ জয়যাত্ৰা কৰে। প্ৰসংগক্ৰমে কবিয়ে কামিল্লাৰ ইতিবৃত্ত বৰ্ণনা কৰিছে। ইয়াৰ পাছৰ চোৱা দুই দল সৈন্যৰ মাজত তুমুল যুদ্ধৰ বিশদ বিৱৰণ দিছে। এই যুদ্ধত টাৰ্নাছৰ বাহিৰেও কামিল্লাই ঘোঁৰাত উঠি বহুতো সৈন্য আৰু বীৰক বধ কৰি জনৈক সৈন্যই চোৰাংভাৱে নিক্ষেপ কৰা যাঠিৰ মাৰাত্মক আঘাতত মৃত্যু বৰণ কৰে। ইফালে ইনিয়াছৰ নেতৃত্বত ট্ৰজান আৰু মিত্ৰবাহিনীয়েও শত্ৰু সৈন্যৰ আক্ৰমণ প্ৰতিহিত কৰি আগবাঢ়ে। ইটালীয়ান সংযুক্ত দল শত্ৰুৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি নগৰৰ প্ৰৱেশ দ্বাৰ বন্ধ কৰি দিয়ে।

দ্বাদশ সৰ্গ ঃ সংযুক্ত ইটালীয়ান সৈন্যৰ দ্বিতীয়বাৰ পৰাজয়ে সৈন্যবোৰক নিৰুৎসাহ কৰে আৰু ৰজা লেটিনাছেও যুদ্ধৰ ভয়াৱহ পৰিণতিলৈ লক্ষ্য ৰাখি আৰু দেৱতা আৰু ভৱিষ্যদ্বক্তাৰ বাণী মনত ৰাখি টাৰ্নাছক যুদ্ধৰ পৰা বিৰত হবলৈ অনুৰোধ কৰে। টাৰ্নাছে ইনিয়াছৰ লগত দ্বৈতযুদ্ধ কৰিবলৈ আগবঢ়োৱা প্ৰস্তাৱো তেওঁ সমৰ্থন নকৰি শান্তিৰ প্ৰস্তাৱ মানি লবলৈ পুনৰ অনুৰোধ কৰা সত্ত্বেও মদগৰ্বী টাৰ্নাছে অকলে ইনিয়াছৰ লগত যুদ্ধ কৰিবলৈ সাজু হয়। ৰাণী আমাতাৰ চকুলোৱেও তেওঁক টলাব নোৱাৰিলে। অৱশেষত দুয়োদলৰ মাজত ভাগ্য নিৰ্ণয় টাৰ্নাছ আৰু ইনিয়াছৰ জয়-পৰাজয়ৰ যোগেদি স্থিৰ কৰাৰ সিদ্ধান্ত লৈ এডোখৰ মুকলি ৰণাঙ্গনৰ দুয়োফালে দুয়োপক্ষ থিয় হৈ যথাৰীতি দেৱতালৈ সুৰা বলি উছৰ্গা কৰি নিজ নিজ দলৰ জয় প্ৰাৰ্থনা কৰে আৰু লগতে ৰজা লেটিনাছে আৰু ইনিয়াছে চৰ্ত্ত ধাৰ্য কৰি যুদ্ধ বিৰতিও ঘোষণা কৰে।

ইফালে দেৱী জুনই টাৰ্নাছক ৰক্ষা কৰাৰ মানসে জলকুৱৰী জুতৰ্নাক (এওঁ টাৰ্নাছৰ ভনী) টাৰ্নাছক যিকোনো উপায়ে সহায় কৰিবলৈ নিৰ্দেশ দিয়ে। সেই মতে জতুৰ্নাই এজন বয়সস্থ বীৰৰ ছদ্মবেশ ধাৰণ কৰি, ইটালীয়ান সৈন্যৰ মাজত ট্ৰজান সম্পৰ্কে মিছা জনৰব তুলি অযথা সন্দেহৰ ভাব জগাই ট্ৰজানবিলাকৰ মাজলৈ

বৰ্শা নিক্ষেপ কৰি শান্তিৰ চুক্তি ভঙ্গ কৰে। যুদ্ধ আকৌ আৰম্ভ হয়। টাৰ্নাছ আৰু মেছাপাছ (Messapus) আদি ৰুতুলীয়ান বীৰসকলে ট্ৰজান আৰ্কেডিয়ান এট্ৰাস্কান সৈন্যৰ মাজত বিভীষিকা সঞ্চাৰ কৰি বহুতো শত্ৰু সৈন্য বধ কৰে। আনকি আচম্বিতে কোনোবা ফালৰ পৰা মাৰি পঠিওৱা এপাট শৰে ইনিয়াছকো আংশিক ঘাইল কৰে যদিও ভেনাছৰ কৃপাত সোনকালে নিৰাময় হৈ যুদ্ধত প্ৰবেশ কৰে। ইনিয়াছৰ পুনৰ যুদ্ধত প্ৰবেশৰ লগে লগে ট্ৰজান আৰু মিত্ৰ শক্তিয়ে নতুন উদ্দীপনাৰে যুদ্ধত ইটালীয়ানবোৰক খেদি নিয়ে, বহুত ইটালীয়ান সৈন্য মৰা পৰাত তেওঁলোক যেনি তেনি পলাবলৈ ধৰে। জৰ্টুনাই টাৰ্নাছৰ ৰথৰ সাৰথিৰ ছদ্মবেশ ধাৰণ কৰি ৰথৰ বাঘজৰি ধৰি টাৰ্নাছক ইনিয়াছৰ পৰা দূৰে দূৰে আঁতৰাই অন্য ঠাইত যুদ্ধত প্ৰবৃত্ত কৰি ৰাখিছিল। ইনিয়াছে যুদ্ধত আগবাঢ়ি লেটিয়াম ৰাজধানীৰ গড়-প্ৰাচীৰ ভাঙি প্ৰাচীৰত জুই জ্বলাই নগৰখন ধ্বংস কৰিবলৈ আয়োজন কৰে। ৰাণী আমাতাই টাৰ্নাছক দেখা নাপাই যুদ্ধত মৰিল বুলি ভাবি চিপজৰি লৈ আত্মহত্যা কৰে আৰু ৰজা লেটিনাছে ৰাণীৰ মৃত্যুত অভিভূত হৈ নিজকে দোষী বুলি ভাবি ব্যথাতুৰ হৈ পৰে।

ইফালে টাৰ্নাছক ধ্বংসমুখী নগৰৰ পৰা আঁতৰাই ৰাখি জতুৰ্নাই টাৰ্নাছক যুদ্ধৰ অন্যফালে ৰথ নিব খোজাত টাৰ্নাছে ছদ্মবেশী ভনীয়েকক চিনিব পাৰি তেওঁক এনে অপচেষ্টাৰ পৰা বিৰত কৰি ৰথৰ পৰা জপিয়াই নগৰ অভিমুখে ঢাপলি মেলে। সংকটপূৰ্ণ মুহূৰ্ত্তত তেওঁ নগৰ ৰক্ষাৰ পৰা নিজকে আঁতৰাই ৰখা বীৰোচিত কাৰ্য নহয় বুলি বিবেচনা কৰে, লাগে যুদ্ধত মৃত্যুৱেই হওঁক। অৱশেষত ইনিয়াছে টাৰ্নাছক দেখা পাই প্ৰচণ্ড শক্তি আৰু তীব্ৰ গতিত টাৰ্নাছৰ প্ৰতি ধাবিত হয়। কাৰণ তেওঁ জানিছিল যে টাৰ্নাছক পৰাজয় কৰা মানে ৰুতুলীয়ান সৈন্যবাহিনীৰ পৰাজয়। যুদ্ধাস্ত্ৰৰ ঝনঝনানি, বীৰ দুজনৰ যুদ্ধ কৌশল দেখি কাৰ হাৰজিত হয় অনুমান কৰা টান হৈ পৰে। অৱশেষত টাৰ্নাছৰ হাতৰ তৰোৱাল ভগাত আৰু হাততে পোৱা অস্ত্ৰও শেষ হোৱাত পলাবলৈ বাধ্য হয়। তেওঁ অস্ত্ৰ বিচাৰি ৰণাঙ্গনৰ চাৰিওফালে ইনিয়াছৰ দ্বাৰা পশ্চাৎ অনুধাবিত হৈ ঘূৰিবলৈ ধৰে। কিন্তু ইনিয়াছৰ ভয়ত তেওঁক অস্ত্ৰ দি সহায় কৰা কোনো নোলালা। দেৱৰাজ জুপিটাৰেও পত্নীক যুদ্ধত হেতাওপৰা কৰিবলৈ বাধা দিলে। অৱশেষত ইনিয়াছৰ হাতত টাৰ্নাছ নিহত হ'ল। লেটিনাছে ইনিয়াছৰ লগত সন্ধি স্থাপন কৰে। সন্ধিৰ চৰ্ত্ত মতে ট্ৰজানসকলক বসবাস কৰি ৰাজ্য স্থাপন কৰিব পাৰিব কিন্তু ইটালীয় ভাষা-ৰীতি নীতি গ্ৰহণ কৰি ইটালীৰ সুখ-দুখৰ লগত জড়িত হব লাগিব। সন্ধি আৰু সম্প্ৰীতি দৃঢ় কৰিবৰ উদ্দেশ্যে ৰাজকুমাৰী লেভিনিয়াক ইনিয়াছেলৈ বিৱাহ দিয়ে। ইটালীত শান্তি প্ৰতিষ্ঠা হয়, দুটা জাতিৰ সংমিশ্ৰণত এটা নতুন বীৰ্যবান জাতি গঢ়ি উঠে।

পৰ্যালোচনা: ভাৰ্জিলৰ কাব্যখন বাৰটা সৰ্গত (*12 Books*) বিভক্ত। ইয়াৰ

বিভিন্ন সৰ্গত থকা সৰ্বমুঠ লাইন বা শাৰী ন হেজাৰ আঠ শ ছয়ান্নবৈ (৯৮৯৬)। প্ৰত্যেক সৰ্গ বা কাণ্ডত গড়ে আঠ শ মান লাইন আছে। মহাকাব্যখনৰ প্ৰধান বিষয় হৈছে আদিম ইটালীয়ান আৰু ট্ৰজানৰ সংমিশ্ৰণত গঢ়ি উঠা ৰোমান জাতিৰ উদ্ভৱ বিকাশ আৰু গৌৰৱ প্ৰতিষ্ঠাৰ কাহিনী। ট্ৰয় নগৰৰ ধ্বংসস্তূপৰ পৰা আত্মৰক্ষা কৰি ট্ৰজান ৰাজপুৰুষ, বীৰ নায়ক ইনিয়াছে সদলবলে সাগৰ পথেদি অশেষ দুৰ্যোগ অতিক্ৰম কৰি ৰাণী ডিড'ৰ প্ৰেম প্ৰত্যাখান কৰি অৱশেষত ৰুতুলীয়ান-ইটালীয়ানসকলৰ সংযুক্ত বাধা অপসাৰণ কৰি ইটালীত ভৱিষ্যত ৰোমান ইতিহাসৰ পাতনি মেলাৰ কাহিনী কাব্যখনৰ প্ৰধান বিষয়বস্তু। ভাৰ্জিলে মহাকাব্যখন ৰচনা কৰোঁতে সততে পাশ্চাত্য সাহিত্যৰ আদি কবি হোমাৰক আদৰ্শ স্বৰূপে অনুসৰণ কৰিছে। কাব্য কাহিনীৰ ঐক্য ৰক্ষাৰ প্ৰতি সততে দৃষ্টি ৰাখিছে। ঠায়ে ঠায়ে প্ৰাসংগিক ঘটনা বা চমু উপকথা (episode) সংযোগ কৰিছে যদিও অবান্তৰ নহয় আৰু মূল বা প্ৰধান কাহিনীৰ লগত অসংপৃক্ত নহয়। মধ্যকালীন ইটালীয় মহাকাব্য প্ৰণেতা টাছো (Tasso) বা এৰিঅ'ষ্টৰ (Ariosto) দৰে ভাৰ্জিলে কল্পনাক ইচ্ছামতে পাখি মেলিবলৈ নিদি সংযত নিৰংকুশ বৰ্ণনাৰে কাব্যকাহিনী আগবঢ়াই নিছে। বীৰত্ব প্ৰধান কাব্যৰূপে শেষৰ ফালে যুদ্ধৰ বিৱৰণে প্ৰাধান্য লাভ কৰিছে। বিভিন্ন বীৰৰ শাৰীৰিক অৱয়ব, দেহ ৰক্ষাৰ কাৰণে পিন্ধা শিৰস্ত্ৰাণ, বক্ষাকবচ, জংঘাত্ৰাণ, অস্ত্ৰ-শস্ত্ৰ, বীৰৰ জন্মস্থান, বংশ, গতি-প্ৰকৃতি, বীৰত্বৰ নিদৰ্শন আদিৰ পুংখানুপুংখ বিৱৰণ হোমাৰৰ "ইলিয়াড'ত থকাৰ দৰেই ইয়াতে পোৱা যায়।

এইখিনিতে হোমাৰৰ প্ৰভাৱ সম্পৰ্কে কিছু আলোচনাৰ প্ৰয়োজন। এই কাব্যৰ কাব্যিক সৌন্দৰ্যৰ অন্যতম প্ৰধান আকৰ্ষণ হোমাৰীয় (Homeric) উপমা যাক মহাকাব্যিক উপমা (epic simile) বুলিও কোৱা হয়। এইবোৰে প্ৰাকৃতিক জগত আৰু মানৱ জগতৰ নানান দিশ, ঘটনা, পৰিস্থিতি, পৰিৱেশ আদিৰ পৰা সংগ্ৰহ কৰা সূক্ষ্ম পৰ্যৱেক্ষণৰ পৰিচয় দিয়ে। প্ৰত্যেকটোৱেই একোটা পূৰ্ণাঙ্গ চিত্ৰ দাঙি ধৰে। ভাৰতীয় জাতীয় মহাকাব্য দুখনত সৰ্বসাধাৰণ সামাজিক জীৱনৰ পৰা আহৰণ কৰা পূৰ্ণ চিত্ৰ বৰ বেছি পোৱা নাযায়। পূৰ্ণাঙ্গ চিত্ৰ বা উপমাৰ এটি দৃষ্টান্ত দাঙি ধৰিলে এনে উপমাৰ কিছু আভাস পোৱাত কিছু সহায়ক হব। উৰা বাতাৰিৰ প্ৰকৃতি কেনেকুৱা সেই বিষয়ে কবিয়ে তলত দিয়া ধৰণে বৰ্ণনা দিছে। কাব্যাংশৰ গদ্যানুবাদ তলত দিয়া হ'ল।

"At once Rumour raced through Africa's great cities. The rumour is of all pests the swiftest. In her freedom of movement lies her power and she gathers new strength from her going. She begins as a small and timorous creature, but then she grows till she towers into air, and though she walks on the ground she hides

her head in the clouds. Men say that Earth, Mother of All, brought her to birth whern provoked to anger against the gods. She is her last child, the younger sister to Cocus and Enceladus. Rumour is fleet of food and swift are her wings; she is a vast, fearful monster with a watchful eye miraculously set under every feather which grows on her and for every one of them a Tongue in a mouth which is loud of speech and an ear ever elert. By night she flies hissing throught the dark in the space between earth and sky, and never droops her eye-lids in contented sleep. In the day light she keeps watch, sometimes perched on the roof tops of a house and sometimes on the tall towers of a palace. And she strikes dread throughout great cities, for she is as retentive of news which is false and wicked as she is ready to tell what is true.

[আফ্ৰিকাৰ নগৰসমূহলৈ উৰা বাতৰিয়ে পাখি মেলিলে। সকলো অপকাৰী উৰণীয়া পোকপৰুৱাতকৈ উৰাবাতৰি অধিক বেগী। গতি-স্বাধীনতাই তাইৰ শক্তি আৰু যিমানেই আগবাঢ়ে সিমানেই তাইৰ গতি-শক্তিও বাঢ়ি যায়। অতি সামান্য ক্ষুদ্ৰ প্ৰাণী হিচাপে তাই জন্ম লাভ কৰি ক্ৰমে বৃদ্ধি পাই আকাশলঙ্ঘী হয়। মাটিত খোজ পেলাই গতি কৰিলেও ডাৱৰৰ মাজত মুখখন ঢাকি ৰাখে। মানুহে কয় আই বসুমতীয়ে দেৱতাৰ ব্যৱহাৰত ক্ৰোধান্বিত হৈ উৰাবাতৰি জন্ম দিছিল, ক'ৱাছ (Cocus) আৰু এনছিলাডাছৰ (Enceladus) তাই সৰু ভনী। উৰাবাতৰি খোজত খৰটকীয়া, উৰণত তীব্ৰ বেগী। তাই এক ভয়ানক দানবী, তাইৰ প্ৰত্যেকডাল পাখিতে তীক্ষ্ণদৃষ্টিসম্পন্ন চকু আছে। উচ্চ ভাষাযুক্ত এখন মুখ আৰু সততে সজাগ হৈ থকা এখন কাণ তাইৰ। ৰাতিৰ আন্ধাৰত ফোচফোচাই আকাশেদি তাই বিচৰণ কৰে আৰু নিশ্চিন্তভাৱে কেতিয়াও শুই নাথাকে। ঘৰৰ মুধচত নাইবা ৰাজপ্ৰাসাদৰ শিখৰত বহি তাই চাৰিওফালে দৃষ্টি ৰাখি বৃহৎ নগৰ চহৰত ভীতিৰ সঞ্চাৰ কৰে। অসৎ আৰু মিছা বাতৰি মনত ৰখা স্মৰণ-শক্তি যেনেকৈ প্ৰখৰ তেনেকৈ সঁচা ঘটনা প্ৰকাশ কৰাতো সদায় সক্ষম]

ওপৰত অনুবাদসহ 'উৰা বাতৰি'ৰ চিত্ৰটো মহাকাব্যিক উপমা নহয় যদিও ভাৰ্জিলৰ পৰ্যবেক্ষণ আৰু চিত্ৰাত্মক বৰ্ণনা শক্তিৰ এক প্ৰকৃষ্ট নিদৰ্শন। হোমাৰিক উপমাৰ প্ৰয়োগো অপৰ্যাপ্ত। হোমাৰিক উপমাৰ এটিবো নিদৰ্শন দাঙি ধৰা হ'ল। টাৰ্ছন আৰু ভেনুলাছ নামৰ দুজন বিপৰীত পক্ষৰ বীৰৰ যুদ্ধ প্ৰসংগত (১১শ সৰ্গ) ট্ৰজান বীৰ টাৰ্ছেনৰ দৃঢ় কবলৰ পৰা এৰাবলৈ ইটালীয়ান বীৰ ভেনুলাছে কেনেকৈ চেষ্টা কৰিছিল তাৰ চিত্ৰ এটা মহাকাব্যিক উপমা এটাৰ দ্বাৰা প্ৰকাশ কৰিছে।

"As a golden eagle flying high will carry a snake which it has seized with feet entwined and talons lightly gripping and the snake, though wounded continues to writhe in coils, lifts stiffening scales, and holds itself erect its mouth still hissing, but the eagle none the less, uses its hooked beak to harass it while it struggles, and all the time beats the high air with its wings; so Turchen on bore his prey in triumph from the Tiburtine line" (XI 750-58)

[সোণালী ঈগল পক্ষীয়ে উচ্চ আকাশত উৰি যাওঁতে যেনেকৈ ঠেঙৰ নখত এটা সাপ খামুচি ধৰি গতি কৰে আৰু সাপটোৱে ঠেঙত মেৰিয়াই কেৰমেৰ কৰি থাকে, বাকলিবোৰ তাৰ থিয় কৰি ফোঁচফোচাই মূৰটো থিয় কৰে, কিন্তু ঈগলটোৱে চোকা ঠোটেৰে খুটিয়াই তাক ব্যতিব্যস্ত কৰি পাখি দুখনেৰে কুবিয়াই তাৰ গতি অব্যাহত ৰাখে, ঠিক তেনেকৈ ট্ৰজান বীৰ টাৰ্ছনে টাইবাৰ্টন নদীৰ পাৰৰ ভেনুলাছক উদ্যত অস্ত্ৰেৰে টেটুত চেপি ধৰি মৃত্যুৰ দুৱাৰলৈ টানি নিয়ে]

ওপৰত দিয়া চিত্ৰটো হোমাৰিক পূৰ্ণাংগ উপমাৰ এটা চানেকি মাত্ৰ। এনে ধৰণৰ চিত্ৰই কাব্যখনৰ বিভিন্ন পৰিস্থিতি আৰু অৱস্থা উজ্জ্বল আৰু চাক্ষুষবৎ কৰাত সহায় কৰিছে।

ভাৰ্জিলে ইনিয়াছৰ সাগৰ পৰিভ্ৰমণৰ বৰ্ণনা দিওঁতে 'ওডিছি'ৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। হোমাৰৰ 'ওডিছি'ত উল্লেখ থকা ওডিছিউছে সন্মুখীন হ'ব লগীয়া সাগৰ পথৰ বিপদ সমূহৰ উল্লেখ 'ইনীড'তো পোৱা যায়। 'কেলিপ্স' বা চাৰ্চীয়ে ওডিছিক পতি বা প্ৰেমিক ৰূপে বন্দী কৰি ৰাখিবলৈ প্ৰয়াস কৰাৰ দৰে ৰাণী ডিড'ই ইনিয়াছক প্ৰেমিক ৰূপে ৰাখিবলৈ কৰা প্ৰযত্ন তুলনীয়। হেক্টৰ আৰু একিলিছৰ লগত ক্ৰমে টাৰ্নাছ আৰু ইনিয়াছৰ দূৰ সাদৃশ্য নথকা নহয়। ট্ৰয়ৰ প্ৰতি দেবী হেৰাৰ বিদ্বেষ আৰু এফ্ৰ'ডাইৰ শুভদৃষ্টি আৰু জিউছৰ নিৰপেক্ষতা আৰু বিচাৰ 'ইনীড'তো সমান ভাৱেই প্ৰদৰ্শন কৰিছে। গ্ৰীক আৰু ট্ৰজানৰ মাজত হোৱা যুদ্ধ বিৰতি পেণ্ডাৰাছে দেৱতাৰ প্ৰৰোচনাত ভংগ কৰাৰ দৰে 'ইনীড'তো ট্ৰজান মিত্ৰবাহিনী আৰু ইটালীয়ান ৰুতুলীয়ান বাহিনীৰ মাজত হোৱা সাময়িক যুদ্ধ বিৰতি চুৰ্ন্তি দেবী জুন'ৰ প্ৰৰোচনাত ৰুতুলীয়ান সৈন্যৰ ছদ্মৰূপত ভংগ কৰি প্ৰবৃত্ত কৰায়। হোমাৰিক উপমাৰ প্ৰয়োগ সম্পৰ্কে আগতে কৈ অহা হৈছে।

গ্ৰীকসকলে যিবোৰ দেৱদেৱীত বিশ্বাস কৰিছিল ৰোমানসকলেও ভিন্ন নামত একেবোৰ দেৱদেৱীত বিশ্বাস কৰিছিল (পৰিশিষ্ট চাওঁক)। গ্ৰীকসকলে ভাগ্যত বিশ্বাস কৰিছিল আৰু ভালেই হওক বা বেয়াই হওক দুয়োবিধৰ মহাতিৰিক্ত দুৰ্ভাগ্যৰ কাৰণ বুলি বিশ্বাস কৰিছিল। ৰোমানসকলে বিশ্বাস কৰিছিল পৌৰুষত আৰু সুসংহত জীৱনত কিন্তু দেৱদেৱীৰ প্ৰভাৱ অস্বীকাৰ কৰা নাছিল। আনকি

গুহা-গহ্বৰ, নদনদী, পৰ্বত-কন্দৰতো উপদেৱতা বা দেৱী থকা বুলি বিশ্বাস কৰি পূজা দিছিল। উদাহৰণ স্বৰূপে টাইবাৰ নদীয়ে ইনিয়াছক উৎসাহ দিয়া, নদ-নদীৰ উপদেৱী জতুৰ্নাই জুনৰ কথামতে টাৰ্নাছক যুদ্ধত সহায় কৰা আদি অলৌকিক ঘটনা কাব্যখনৰ বহু ঠাইত পোৱা যায়। দেৱদেৱী আৰু মানৱৰ মাজত যৌন সম্পৰ্ক ঘটি সন্তান হোৱাৰ উদাহৰণ হোমাৰৰ কাব্যদুখনত আৰু ভাৰ্জিলৰ এই কাব্যত লক্ষ্য কৰা যায়। 'ইনীড'ৰ নায়ক ইনিয়াছ স্বয়ং দেৱী ভেনাছ আৰু মানৱ এনকাইচেছৰ সংসৰ্গত জন্ম লাভ কৰা অৰ্ধ দৈৱিক পুৰুষ। 'ইলিয়াড'ত ট্ৰজান পক্ষৰ হৈ যুদ্ধ কৰা ছাৰ্পেডন (Sarpedon) দেৱৰাজ জিউছৰ (জুপিটাৰ) সন্তান আছিল।

ভৱিষ্যদ্বাণী, ভৱিষ্যদ্বক্তাৰ (oracles) উক্তি, চৰাইৰ গতি, ধুমুহা, ডাৱৰ আদিৰ পৰিচলনৰ গতিপ্ৰকৃতিত সম্ভাব্য সম্পদ-বিপদৰ আগজাননি বুলি বিশ্বাস কৰি তাৰ প্ৰতিকাৰক বা অনুকূল ব্যৱস্থা গ্ৰহণ কৰিছিল। ৰজা প্ৰায়েমৰ এগৰাকী কন্যা কেছেন্দ্ৰা আৰু ডেলফিৰ এপ'ল মন্দিৰৰ পুৰোহিত, ইঅ'বীয়ান এ'পল মন্দিৰ গুহাৰ পূজাৰিণী ছিবীলৰ (Sibyl) এনে ভৱিষ্যদ্বক্তা বা oracles ৰ বাণী নিৰ্ঘাত সত্য বুলি গ্ৰীক-ৰোমানসকলে মানি লৈছিল। মৃত পূৰ্ব পুৰুষে বা দেৱ-দেৱী, উপদেৱতা-উপদেৱীয়ে স্বপ্নত দেখা দি নায়ক-নায়িকা বা অন্য চৰিত্ৰক কৰ্তব্যাকৰ্তব্য সম্পৰ্কে উপদেশ-নিৰ্দেশ দিয়া হোমাৰ আৰু ভাৰ্জিলৰ কাব্যত সঘনে দেখা যায়। ডিড'ৰ হাউলীত থাকোঁতে সাগৰযাত্ৰাত মৃত হোৱা এনকাইছাছে পুতেক ইনিয়াছক স্বপ্নত দেখা দি ভৱিষ্য কৰ্তব্য সম্পৰ্কে উপদেশ-নিৰ্দেশ দিয়া কথাটোকে কাহিনী বিকাশৰ এক গৌণ কৌশল ৰূপে দেখুৱাব পাৰি।

ট্ৰজান আৰু গ্ৰীকসকলে মৃতকক দাহ কৰি অস্থি সংগ্ৰহ কৰি যথাৰীতি মৃতকলৈ সুৰা আৰু বলি উছৰ্গা কৰি সেই ঠাইত অস্থি পুতি মৈদাম বা স্মৃতিস্তূপ নিৰ্মাণ কৰাৰ উদাহৰণ হোমাৰ আৰু ভাৰ্জিলৰ কাব্য ৰচনাত দেখা যায়। শৱসংকাৰ আৰু তৰ্পণৰ পাছত খেলধেমালিৰ প্ৰতিযোগিতা পতাৰ উদাহৰণ 'ইলিয়াড', পেট্ৰক্লিয়াছাৰ শৱসংকাৰৰ পাছত বন্ধু একিলিছে আয়োজন কৰিছিল।

'ওডিছি'ত আমি ইউলিছিছৰ প্ৰেতপুৰীলৈ গৈ মৃত গ্ৰীকসকলৰ ছায়ামূৰ্তি লগপোৱাৰ লগতে নিজৰো ভৱিষ্যত জানিব পাৰিছিল। তেনেদৰেই 'ইনীড'তো ইনিয়াছে প্ৰেতপুৰীত উপস্থিত হৈ প্ৰয়াত মিত্ৰ-শত্ৰুক লগ পাইছে আৰু তাৰ পাছত ইলিছিয়ামত বাপেকৰ ছায়ামূৰ্তিক লগ পাই নিজৰ ভৱিষ্যত আৰু লেটিয়াম ট্ৰজানৰ সংমিশ্ৰণত ভৱিষ্যতে উৎপত্তি হ'ব লগা ৰোমান গৌৰৱৰ ইঙ্গিতো পাইছে। আজিৰ বিজ্ঞান আৰু যুক্তিৰ যুগত প্ৰাচীন মহাকাব্যবোৰত থকা, সাধাৰণ যুক্তিয়ে ঢুকি নেপোৱা, আপাত দৃষ্টিত অবাস্তৱ অলৌকিক বা অতিপ্ৰাকৃত যেন লগা ঘটনাসমূহৰ অন্তৰ্নিহিত তাৎপৰ্য নথকা নহয়; এইবোৰৰ বাহ্যিক প্ৰকাশৰ অন্তৰালত নৈতিক, আধ্যাত্মিক আৰু মনস্তাত্ত্বিক গূঢ়াৰ্থ বিচাৰি পোৱা যায়। আমাৰ 'ৰামায়ণ' আৰু

'মহাভাৰত'তো এনে ধৰণৰ অতিপ্ৰাকৃত ঘটনাৰ অভাৱ নাই। বিৰাট ব্ৰহ্মাণ্ডৰ অজস্ৰ প্ৰক্ৰিয়া আমাৰ সীমিত শক্তিযুক্ত ইন্দ্ৰিয়ৰ অভিজ্ঞতাৰে বুজিব নোৱাৰিলেও মহাকবিসকলৰ আৰ্ষদৃষ্টিত দেখি থকা জগতখনৰ উপৰিও আধ্যাত্মিক জগত এখনে ধৰা দিয়ে। হোমাৰ, ব্যাস, বাল্মীকি, ভাৰ্জি'ল, ডাণ্টে আদিৰ ৰচনাত এনেবোৰ নৈতিক আধ্যাত্মিক সত্য প্ৰতিভাত হৈছে।

'ইনীড' কাব্যৰ বিকাশত পৰিকল্পিত গাঁথনিৰ পৰিচয় পোৱা যায়। একোটা সুন্দৰ গীৰ্জাসৌধ বা দেৱমন্দিৰ নিৰ্মাণৰ অন্তৰালত শিল্পীৰ ধৰ্মীয়-নৈতিক চেতনা, শিল্পচেতনা, সৌন্দৰ্যবিচাৰ, মন্দিৰৰ সামগ্ৰিক ৰূপৰ এক ধাৰণা, অঙ্গসমূহৰ পাৰস্পৰিক সম্বন্ধ আৰু প্ৰধান সৌধৰ লগত সেইবোৰৰ আনুপাতিক গুৰুত্ব, মন্দিৰৰ অলংকৰণ আদিৰ পৰিচয় যেনেকৈ পোৱা যায়, তেনেকৈ ভাৰ্জি'লৰ মহাকাব্যখনে কবিৰ শিল্প প্ৰতিভা আৰু কল্পনাৰ স্বাক্ষৰ বহন কৰিছে। উদাহৰণ স্বৰূপে, ৰাণী ডিড'ৰ উপকাহিনীটোকে বিচাৰ কৰি চালে ওপৰত কৰা উক্তিৰ আংশিক উত্তৰ পোৱা যাব। কাব্যখনৰ প্ৰধান বিষয়বস্তু হৈছে জ্বলন্ত ট্ৰয় নগৰৰ পৰা বীৰত্ব প্ৰদৰ্শন কৰিও নগৰ ৰক্ষাৰ কোনো সম্ভাৱনা নেদেখি ইনিয়াছে বৃদ্ধ পিতৃ আৰু অনুচৰসকলক লগত লৈ মাতৃ এফ্ৰ'ডাইটৰ তথা জিউছৰ ইচ্ছানুসাৰে ইটালিয়াম (ইটালী) ৰাজ্যত ট্ৰজান উপনিবেশ স্থাপনৰ উদ্দেশ্যে সাগৰত পাৰি দিয়ে, মাজতে দুই এঠাইত (Thrace) সাময়িক জিৰণি লৈ সাগৰত উত্তাল তৰংগমালা-ধুমুহাত বিপৰ্যস্ত হৈ অৱশেষত ৰাণী ডিড'ৰ কাৰ্থেজত উপস্থিত হৈ ডিড'ৰ প্ৰেমত পৰি জিউছৰ ইচ্ছা পাহৰি গৈছিল। মৃত পিতাক আৰু ভেনাছে মনত পেলাই দিয়াত ডিড'ৰ প্ৰেম প্ৰত্যাখ্যান কৰি ইটালী অভিমুখে যাত্ৰা কৰে। এই প্ৰত্যাখ্যানৰ যোগেদি কবিয়ে তিনিটা উদ্দেশ্য সাধন কৰিছে। প্ৰথম কথা, ধুমুহাবিধ্বস্ত ইনিয়াছৰ নৌবাহিনীক সাময়িক জিৰণি দি ভগা জাহাজবোৰৰ সংস্কাৰ সাধন কৰা, দ্বিতীয়তে ইনিয়াছক ডিড'ৰ লগত সংযোগ ঘটাই কিছুদিনৰ কাৰণে মানসিক আনন্দ দান কৰি শৰীৰ আৰু মনক পুনৰুজ্জীৱিত কৰা, যাতে তেওঁ দেৱ-ঈপ্সিত লক্ষ্যস্থানত উপনীত হব পাৰে। তৃতীয়তে প্ৰেম প্ৰতাৰিতা ডিড'ৰ আত্মহত্যাৰ আগতে দিয়া অভিশাপৰ ফলস্বৰূপে ইনিয়াছৰ ৰাজ্য স্থাপনত বিপুল বাধা আৰু কাৰ্থেজ আৰু ৰোমৰ বহুদিন ব্যাপি চলা যুদ্ধৰ ভৱিষ্যদ্বাণী। গতিকে দেখা যায় ডিড' সংক্ৰান্ত episode-ৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে।

এই কথা অৱশ্যে নুই কৰিব নোৱাৰি যে ভাৰ্জি'লে স্থানবিশেষে একো একোটা ঘটনা বা পৰিস্থিতিৰ একাধিকবাৰ দোহাৰিছে। উদাহৰণ স্বৰূপে ট্ৰয় ধ্বংসৰ বিবৰণ আৰু ইনিয়াছৰ উদ্দেশ্য প্ৰণোদিত পলায়ন দ্বিতীয়-তৃতীয় সৰ্গত বহলাই বৰ্ণনা কৰাৰ উপৰিও আন ঠাইতো চমুকৈ হলেও বৰ্ণনা নকৰাকৈ থকা নাই। ৰজা লেটিনাছ আৰু আৰ্কেডিয়াৰ ৰজা ইভাণ্ডাছৰ আগত সহায় বিচাৰোঁতে পুনৰ বৰ্ণনা কৰিছে। এতে পুনৰুক্তিৰ অৱশ্যে প্ৰয়োজন নোহোৱাও নহয়।

ভাৰ্জিলৰ পৰ্যবেক্ষণ আছিল তীক্ষ্ম আৰু দিগন্তপ্ৰসাৰী। তেওঁৰ বৰ্ণনাত সাগৰৰ বিভিন্ন আৱহাওৱা, অৰণ্যৰ শ্বাপদসংকুল গভীৰতা, নিবিড়তা আৰু অতিপ্ৰাকৃত ভয়াৱহতা, মানবৰ বিভিন্ন পৰিস্থিতিত সৃষ্টি হোৱা মানসিক অৱস্থা, যুদ্ধৰ প্ৰত্যক্ষবৎ বৰ্ণনা আৰু সৰ্বশেষত অসীম দেশপ্ৰেমৰ প্ৰকাশ 'ইনীড' মহাকাব্যৰ বিশেষত্ব। ৰোমান জাতিৰ উৎপত্তি, ইতিহাস আৰু গৌৰৱৰ স্বাক্ষৰ এই কাব্যই বহন কৰিছে। খৃষ্টীয় প্ৰথম শতাব্দীত খৃষ্টীয়ান ধৰ্মই খোপনি পুতিব পৰা নাছিল। কিন্তু বাইবেলৰ পাপ-পুণ্য পাৰলৌকিক ধাৰণাৰ লগত কিছু পৰিচয় থকা যেন অনুমান হয়। ডান্টেৰ 'ডিভাইন কামেডি' ৰ ওপৰত বিশেষকৈ ভাৰ্জিলৰ প্ৰেতপুৰীৰ বিৱৰণে প্ৰভাৱ নেপেলোবাকৈ থকা নাই। ভাৰ্জিল আছিল গ্ৰীক আৰু ৰোমান ঐতিহ্যৰ বাহক। কিন্তু হোমাৰৰ দৃষ্টিভংগীৰ লগত ভাৰ্জিলৰ সকলো ক্ষেত্ৰতে মিল নাছিল। উদাহৰণ স্বৰূপে দুয়োজন মহাকবিৰে যুদ্ধৰ পৰিণতি সম্পৰ্কে ধাৰণা একে নাছিল। হোমাৰে যুদ্ধৰ লগত যে শান্তি আপোচ (reconciliation) আৰু সমন্বয় জৰিত হব পাৰে এই বিষয়ে চিন্তা বা ধাৰণা কৰা নাছিল, কিন্তু তাৰ বিপৰীত ভাৰ্জিলে যুদ্ধত প্ৰদৰ্শন কৰা ভয়াৱহতাৰ লগত বন্ধুত্ব, আপোচ, শান্তি আৰু জাতীয় সমন্বয়ৰ কথাও কাব্যখনত দাঙি ধৰিছে। ৰোমানসকল আইন শৃংখলা আৰু বিজয় অভিযান আৰু গৃহ-যুদ্ধৰ (civil war) লগত অভ্যস্ত আছিল। ইয়াৰ প্ৰতিধ্বনি বা প্ৰতিফলন আমি 'ইনীড'ত পাওঁ। ইনিয়াছৰ লগত লেভিনিয়াৰ বিবাহৰ যোগেদি শান্তি স্থাপিত হয়। কিন্তু হোমাৰৰ কাব্যত প্ৰসিদ্ধ ট্ৰয় নগৰ সমূলে ধ্বংস হয় আৰু ইনিয়াছৰ লগত নগৰ পৰিত্যাগ কৰি যোৱা দলটোৰ বাহিৰে ল'ৰা-বুঢ়া, ডেকা-গাভৰু কোনেও অব্যাহতি পোৱা নাই। ধুনীয়া গাভৰুবোৰক বন্দিনী কৰি, হয় লিগিৰী ৰূপে নহয় অবৈধ পত্নীৰূপে গ্ৰীকসকলে নিজ ৰাজ্যলৈ লৈ যায়। ট্ৰয় ধ্বংসস্তূপত পৰিণত হয়, ভাৰ্জিলৰ যুদ্ধ ধাৰণা সম্পৰ্কে টিলয়াৰ্ডে (E. M. Tillyard) এই প্ৰসংগত লিখিছে,—

"Virgil's horror of war is the negative side of his dearest moral principle, his belief in the ordered life......war in fact, was for virgil not just an accepted activity that raised man to the haight of his activities through involving horrible things, but something so fraught with evil men could conceive even if they did not put in action a positive revolt against it." (P. 75)

ৰোমানসকল খেতিয়ক আছিল আৰু যুদ্ধবিদ্যাতো প্ৰশিক্ষিত আছিল, আনহাতে গ্ৰীকসকল প্ৰধানকৈ মেষপালক, চিকাৰী আৰু নৌবিদ্যাত পাৰ্গত। সেই কাৰণে এটা কৃষিভিত্তিক settled life নথকাত হোমাৰৰ শৃংখলাবদ্ধ সংযত সমাজৰ চিত্ৰ কম কিন্তু ভাৰ্জিলৰ সৃষ্টিত এনে জীৱনৰ প্ৰতি আকৰ্ষণ অধিক।

উদাহৰণ স্বৰূপে ইনিয়াছৰ অনুপস্থিতিৰ সুবিধা লৈ টাৰ্নাছে যেতিয়া ট্ৰজান কোঠ অৱৰোধ কৰে তেতিয়া ট্ৰজানসকলে নেতা ইনিয়াছৰ কোঠৰ বাহিৰ হৈ যুদ্ধ নকৰিবলৈ কৰা নিষেধাজ্ঞা আখৰে আখৰে অনুগত শৃংখলাবদ্ধ সৈন্যৰ দৰে পালন কৰি আত্মৰক্ষা কৰিব পাৰিছিল। সংযম, কৌশল, নিয়মানুবৰ্তিতা আপোচৰ ভাব বীৰত্বৰ কাৰণেই শেষত ইনিয়াছ বিজয়ী হবলৈ সক্ষম হৈছে। তাৰ বিপৰীতে টাৰ্নাছ বীৰ আৰু দেশপ্ৰেমিক হোৱা সত্ত্বেও উদ্ধত, অহংকাৰী আত্মবলত মাত্ৰাধিক্য আস্থা আৰু আপোচহীন মনোভাবৰ কাৰণেই শেষত পৰাজয় হৈ মৃত্যুবৰণ কৰিব লগীয়া হয়।

ভাৰ্জিলৰ চৰিত্ৰাৱলীৰ ভিতৰ ইনিয়াছৰ পাছতে লেখত লব-লগীয়া চৰিত্ৰ হৈছে প্ৰধানকৈ তেওঁৰ প্ৰতিদ্বন্দ্বী টাৰ্নাছ আৰু তেওঁৰ পাছতে ক্ৰমে ট্ৰেজিক নায়িকা ৰাণী ডিড', পিতৃ এনকাইছেছ, লেটিয়ামৰ ৰজা লেটিনাছ, তেওঁৰ পত্নী আমতা, কন্যা লেভিনিয়া, আৰ্কেডিয়ামৰ ৰজা এভান্ডাৰ আৰু তেওঁৰ বীৰপুত্ৰ পালাছ। এইবোৰ মানৱ চৰিত্ৰ, দুই এজনৰ গাত দেৱতাৰ তেজ আছে যদিও তেওঁলোকৰ কাৰ্যাৱলী আৰু ব্যৱহাৰ মানৱোচিত। উদাহৰণ স্বৰূপে ইনিয়াছৰ বাপেক এনকাইছেছ মানৱ কিন্তু মাক দেৱী ভেনাছ। কিন্তু ইনিয়াছৰ ব্যৱহাৰ কাৰ্য আৰু চৰিত্ৰ সম্পূৰ্ণ মানবীয়। প্ৰধানকৈ তিনিজন দেৱতাই কাহিনীৰ বিকাশত অংশ গ্ৰহণ কৰিছে। ভেনাছ, জুন' আৰু জুপিটাৰ, কিন্তু শেষৰ জনৰ তুলনাত আগৰ দেৱী দুগৰাকীৰ পাৰস্পৰিক প্ৰতিযোগিতা আৰু মানৱৰ ভাগ্যলৈ হেতাওপৰা অধিক ৰূপত কাব্যত প্ৰদৰ্শন কৰিছে। অৱশ্যে শেষত দেৱৰাজ জুপিটাৰৰ সিদ্ধান্তই শেষ সিদ্ধান্ত ৰূপে মানি লব লগাত পাৰিছে। এইখিনিতে প্ৰশ্ন হয় যে দেৱৰাজে মানৱৰ ভাগ্য নিয়ন্ত্ৰণ কৰেনে, আন এটা শক্তি যাক জুপিটাৰেও তেওঁৰ সিদ্ধান্তৰ দুই চাৰি ঠাইত 'ফে'ট' (Fate) বা ভাগ্যৰ অনিবাৰ্য প্ৰভাৱ স্বীকাৰ কৰিছে। ইয়াৰ পৰা দেৱৰাজে ভাগ্য নিৰ্ণয় কৰে নে ভাগ্য বুলি এটা স্বতন্ত্ৰ অদৃশ্য শক্তি আছিল বুলি গ্ৰীক আৰু ৰোমানসকলে বিশ্বাস কৰিছিল সেই কথা সঠিক ভাগে নিৰ্ণয় কৰা টান। কিন্তু গ্ৰীক মহাকাব্য দুখনত দেৱৰাজ জিউছক কেৱা ঠাইতো দৈৱতৰ্জুত জুখি ভাগ্য নিৰ্ণয় কৰাৰ উল্লেখ পাওঁ। মুঠতে কবলৈ গলে দেৱৰাজেই ভাগ্য নিয়ন্তা নে স্বতন্ত্ৰ কিবা এটা অদৃশ্য ভাগ্যনিৰ্ণায়ক শক্তি আছিল সেই বিষয়ে সঠিক সিদ্ধান্তও দিয়া টান কাৰণেই সমালোচক টিলয়াৰ্ডে লিখিছে—

"We should accept the double function of Jupitor who certainly derives from Homer's Zeus and who at the same time is either Fate itself or one who knows Fate's working." (P. 83)

দেৱচৰিত্ৰই কাহিনী জটিল কৰাত আৰু লগতে ঘটনা আগবঢ়াই নিয়াত যথেষ্ট অৰিহণা যোগাইছে। গ্ৰীক মহাকাব্য দুখনতো এনে হোৱা আগতে উল্লেখ কৰি

অহা হৈছে। গতিকে দেৱতাৰ অমানবীয় চৰিত্ৰ আলোচনা নকৰি মানৱ চৰিত্ৰ কেইটাৰ ভূমিকা আৰু চৰিত্ৰৰ মাজতে আমাৰ আলোচনা আৱদ্ধ ৰাখিব খোজোঁ।

প্ৰথমতে আহে কাব্যৰ নায়ক, ৰোমান জাতিৰ ভেটি স্থাপন কৰোঁতা ইনিয়াছ। ইনিয়াছ ট্ৰয়যুদ্ধত অংশ গ্ৰহণ কৰা গ্ৰীক বীৰ হ'লেও ভাৰ্জিলে তেওঁৰ চৰিত্ৰত ৰোমানসকলৰ চাৰিত্ৰিক বৈশিষ্ট্যৰেও বিভূষিত কৰিছে। যুক্তি, নিয়মানুবৰ্ত্তিতা, বীৰত্ব, ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা আৰু কৰ্ত্তব্যনিষ্ঠা তেওঁৰ চৰিত্ৰত প্ৰদৰ্শন কৰিছে। ৰাণী ডিড'ৰ প্ৰেমাকৰ্ষণত সাময়িকভাবে আদৰ্শ বা লক্ষ্যভ্ৰষ্ট হোৱাৰ সম্ভাৱনাই দেখা দিলেও বাপেকৰ স্বপ্নাদেশে ডিড'ৰ প্ৰেমপাশ ছিঙি নতুন ৰাজ্যস্থাপনৰ আদৰ্শই তেওঁক লক্ষ্যস্থানলৈ যাত্ৰা কৰিবলৈ সাহস দিছে। ইটালীয়ানসকলৰ লগত সংঘৰ্ষত লিপ্ত হোৱাৰ উদ্দেশ্য তেওঁৰ নাছিল, সেই কাৰণেই লেটিনাছৰ ওচৰলৈ দূত পঠাই বসতিস্থাপন কৰিবলৈ এডোখৰ স্থান প্ৰাৰ্থনা কৰিছিল। কিন্তু দেৱী জুন'ৰ চক্ৰান্তত সন্ধি সম্ভৱ নহ'ল, বাধা দান কৰিলে ৰাণী আমতা আৰু ৰুতুলিয়ান ৰজা লেভিয়ানৰ পাৰ্ণিপ্ৰাৰ্থী টাৰ্নাছে। বুদ্ধিমান ইনিয়াছে নিজ দলৰ সামৰিক দুৰ্বলতা উপলব্ধি কৰি গ্ৰীক উপনিৱেশৰ ৰজা এভাণ্ডিছ আৰু এট্ৰাস্কান ৰাজ্যৰ সহায় প্ৰাৰ্থনা কৰি সাফলকাম হৈ অৱশেষত টাৰ্নাছৰ সংমিলিত সৈন্যবাহিনীক পৰাস্ত কৰি প্ৰতিদ্বন্দী টাৰ্নাছক যুদ্ধত নিহত কৰিবলৈ সক্ষম হয়। ইনিয়াছৰ সহযোগী আৰু সমদুখভাগী যিসকল মৃত্যুমুখত পতিত হ'ল, সেই সহকৰ্মীসকলৰ অন্ত্যেষ্টি ক্ৰিয়াদি সম্পন্ন কৰি কৃতজ্ঞতাৰ চিন প্ৰদৰ্শন কৰিছে। কেতিয়াবা ভুল কৰিছে যদিও শুধৰাবলৈ কুণ্ঠা বোধ কৰা নাই। যুদ্ধত মৃত্যু হোৱা শত্ৰুপক্ষৰ সৈনিককো অন্ত্যেষ্টি ক্ৰিয়া কৰিবলৈ মৃতদেহ দান কৰি যুদ্ধবিৰতি ঘোষণা কৰিছে। ভাৰ্জিলে ইনিয়াছক গ্ৰীক ৰোমান আদৰ্শৰ এক সামন্বয়িক চৰিত্ৰ ৰূপে চিত্ৰিত কৰিছে।

ইনিয়াছৰ বিপৰীতে টাৰ্নাছ আৱেগ প্ৰধান দেশপ্ৰেমিক, প্ৰচণ্ড যোদ্ধা। বিদেশী এজনে তেওঁৰ বাগ্দত্তা কন্যাক বিয়া কৰাই নিজ দেশত থিতাপি লোৱা তেওঁ নিবিচাৰিছিল। তেওঁক অধিক জ্বলাই তুলিছিল ট্ৰজানৰ ধ্বংসকামী জুন'ৰ এজেন্ট এলেটা নামৰ ডাইনীয়ে, যিজনী ডাইনীয়ে ৰাণী আমতা আৰু একশ্ৰেণীৰ ইটালীয়ান নেতা আৰু প্ৰজাক ট্ৰজানবিদ্বেষী কৰি তুলিছিল। টাৰ্নাছ অহংকাৰী যুক্তিনমনা আকোঁৰগোজ মনোভাবৰ হ'লেও নিজৰ দায়িত্ব সম্পৰ্কে সচেতন আছিল আৰু অযথা সৈন্যক্ষয় নকৰি অকলে টাৰ্নাছৰ লগত দ্বন্দ্ব যুদ্ধত অৱতীৰ্ণ হৈ সংঘৰ্ষৰ এক নিষ্পত্তি কৰিবলৈ আগবাঢ়ি যুদ্ধত মৃত্যু বৰণ কৰিছে। তেওঁৰ অৱিহনে বৃদ্ধ পিতাকলৈ মনত পৰি টাৰ্নাছে শেষত তেওঁ যুদ্ধত নিৰস্ত্ৰ হৈ ইনিয়াছক প্ৰাণভিক্ষা কৰা কাৰ্যই তেওঁৰ স্বাভাৱিক বীৰত্বৰ ভাব আৰু গৰ্বত কিছু চেকা পেলাইছে যদিও বীৰজনৰ গৌৰৱ শেষলৈকে অম্লান হৈ আছে। দেৱতাই

তেওঁক ত্যাগ কৰিলে। জুনʼই জুপিটাৰৰ নিৰ্দেশত টাৰ্নাছৰ পক্ষ এৰিব লগা হোৱাত টাৰ্নাছৰো ভাগ্যচক্ৰ ঘূৰিল। ৰাণী ডিড' আৰু টাৰ্নাছ চাৰিত্ৰিক মহত্ত্বৰ অধিকাৰী হৈয়ো আৰু তেওঁলোকৰ ইচ্ছাশক্তি থকা সত্ত্বেও মৃত্যু মুখত পৰিল অতিশয় আৱেগ আৰু অভিলাষক প্ৰাধান্য দিয়াৰ কাৰণে। তেওঁ এজন **tragic hero**, হেক্টৰৰ সমগোত্ৰীয়।

যদিও কাব্যৰ নায়ক দেখাত ইনিয়াছ, দৰাচলত ভাৰ্জিলে ৰোম আৰু ৰোমানকহে কাব্যৰ প্ৰকৃত নায়ক ৰূপে উপস্থাপন কৰিছে। ট্ৰজান বীৰ হʼলেও ইনিয়াছে ৰোম আৰু ৰোমান চৰিত্ৰক প্ৰতিনিধিত্ব কৰিছে। হোমাৰৰ বীৰসকল আছিল ৰক্তপিপাসু, নিষ্ঠুৰ, গৰ্বোদ্ধত আৰু যশস্পাৰ্থী। ইনিয়াছ মূলতঃ হোমাৰৰ সৃষ্টি যদিও ভাৰ্জিলৰ হাতত নতুন ৰূপ পৰিগ্ৰহ কৰিছে। তেওঁ ৰোমানৰ চাৰিত্ৰিক বৈশিষ্ট্যৰে কাব্যত আত্মপ্ৰকাশ কৰিছে। ভাৰ্জিলৰ মতে আদৰ্শ চৰিত্ৰ হৈছে সবলতা দুৰ্বলতা, বীৰত্ব, উদাৰতা, ধৰ্মনিষ্ঠা-কৰ্তব্যপৰায়ণতা ভুলত্ৰুটি সহিতে ইনিয়াছ। তাৰ বিপৰীতে টাৰ্নাছক হোমাৰীয় বীৰৰ আদৰ্শত কিয়ৎ পৰিমাণে গঢ় দিছে যদিও হোমাৰীয় বীৰৰ নিষ্ঠুৰতা তেওঁ মৃতসৈনিকৰ ওপৰত কৰা নাই, বৰং ইনিয়াছৰ দৰে সৎকাৰ কৰিবলৈ অনুমতি দিছে। ইনিয়াছৰ নিষ্ঠুৰতা প্ৰকাশ পাইছে কেৱল টাৰ্নাছক প্ৰাণভিক্ষা কৰা সত্ত্বেও হত্যা কৰাত, ৰাণী ডিডʼৰ অনুনয়-বিনয়, প্ৰণয়, আতিথ্য উপেক্ষা কৰি অহাত। কৰ্তব্যৰ আহ্বান, দেৱৰাজৰ নিৰ্দেশ আৰু মৃত পিতৃৰ আদেশ পালনৰ আকাঙ্খাৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰিলে তেওঁক নিষ্ঠুৰ বুলিব নোৱাৰি। দৰাচলতে তথাকথিত বিয়াখনো স্বাভাৱিক নাছিল।

ভাৰ্জিলৰ অনবদ্য শোকাৱহ নাৰী চৰিত্ৰ ৰাণী ডিড' (Dido)। এই আত্ম-প্ৰতিষ্ঠাশীল, সাহসী নাৰীগৰাকীৰ শেষ পৰিণতি যেনেকৈ শোকাৱহ তেনেকৈ আশ্চৰ্যজনকো। ফ্ৰিজিয়া দেশৰ কোনো এখন ৰাজ্যৰ ৰজা আছিল তেওঁৰ স্বামী, কিন্তু ভায়েকে তেওঁক হত্যা কৰি তেওঁৰ অজস্ৰ ধনৰত্ন গ্ৰাস কৰিব খোজাত এদল বিশ্বাসী অনুচৰ সহ সেই ৰাজ্য এৰি উত্তৰ আফ্ৰিকাৰ কাৰ্থেজত নতুন নগৰ নিৰ্মাণ কৰি তাত দেৱতাৰ মন্দিৰো প্ৰতিষ্ঠা কৰে। জাহাজ বিধ্বস্ত ইনিয়াছক আশ্ৰয় দি উদাৰতাৰ পৰিচয় দি আতিথ্য সৎকাৰৰ অপূৰ্ব চানেকি দাঙি ধৰে। ইনিয়াছক পাই নতুন প্ৰণয়ৰ উন্মেষ হৈ ট্ৰজান বীৰজনক স্বামীৰূপে পাবলৈ বাঞ্ছা কৰি চিকাৰলৈ গৈ এটা গুহাত আশ্ৰয় লৈ এখন বিয়া পাতি স্বামী স্ত্ৰীৰূপে বাকী সময় কটায় যদিও দেৱতাৰ নিৰ্দেশত ইনিয়াছে মনে মনে যাত্ৰাৰ আয়োজন কৰি ডিডʼক প্ৰতাৰণা কৰে। পলমকৈ গম পাই ৰাণীয়ে অনুনয়-বিনয়, বিলাপ-বিনানি, ভৱিষ্য সুখ সম্ভোগৰ সম্ভাৱনা, বিবাহৰ পবিত্ৰতাৰ দোহায় এই সকলোবোৰ অস্ত্ৰ প্ৰয়োগ কৰিও নিৰস্ত্ৰ কৰিব নোৱাৰি ইনিয়াছৰ প্ৰস্তাৱিত ৰাজ্যৰ লগত কাৰ্থেজৰ মাৰাত্মক শত্ৰুতাৰ ভৱিষ্যদ্বাণী কৰি আত্মহত্যা কৰে। ভনীয়েকৰ পৰা মাৰাত্মক সংকল্প

গোপন কৰি ৰাখি ইনিয়াছে এৰি যোৱা তৰোৱাল বুকত সুমুৱাই আত্মহত্যা কৰে। বাওৰাই আবেগাতিৰিক্ত কাৰণেই ডিড'ৰ পতন বুলি অভিমত প্ৰকাশ কৰিছে। দৰাচলতে ডিড' চৰিত্ৰটো বৰ করুণ, too deep for tears.

'ইনীড' দ্বৈতীয়ক (secondary) কাব্য হ'লেও এই কাব্যই অক্টেভিয়ান চিজাৰৰ দিনত ৰোম আৰু ৰোমান জাতিৰ ঐতিহ্য, গৌৰব, সামৰিক সামৰ্থ্য, আইন-শৃঙ্খলা এই সকলোবাৰৰ ইঙ্গিত বহনকাৰী, কাব্যগুণমণ্ডিত দৃঢ়বন্ধ অসাধাৰণ কাব্য। এই কাৰণেই ডান্টে, টাছো এৰিঅষ্ট, বয়াড', কেমোচ (Camoes) মিল্টন আদি কবি সকল বহু পৰিমাণে ভাৰ্জিলৰ দ্বাৰা প্ৰভাৱিত আৰু অনুপ্ৰাণিত হোৱা দেখা যায়।

দশম অধ্যায়

চিলপ্পদিকরম্

দশম অধ্যায়

চিলপ্পদিকৰম্

দক্ষিণ ভাৰতত দ্ৰাবিড় ভাষাগোষ্ঠীৰ প্ৰধান শাখা তামিল। এই ভাষা সাহিত্যত সমৃদ্ধ; সংস্কৃত ভাষাৰ সমান পুৰণা নহ'লেও আধুনিক ভাৰতীয় ভাষা সাহিত্যৰ ভিতৰত নিঃসন্দেহে প্ৰাচীনতম। ইয়াৰ ইতিহাস অন্ততঃ পোন্ধৰ শ বছৰীয়া প্ৰাচীন। এই ভাষাৰ সাহিত্যৰ প্ৰথম স্তৰক সংগম সাহিত্য বোলে। এই সংগম সাহিত্য খৃষ্টীয় প্ৰথম কেই শতিকামানত ৰচিত বুলি সমালোচক বহুতেই কয়। শেষস্তৰৰ সংগম যুগত ৰচনা কৰা এখন প্ৰসিদ্ধ মহাকাব্য হৈছে সন্যাস গ্ৰহণ কৰা চেৰ ৰাজ্যৰ ৰাজপুত্ৰ ইলাংগো আড়িগলৰ দ্বাৰা ৰচিত 'চিলপ্পদিকৰম'। কেৱল তামিল সাহিত্যৰে নহয়, সমস্ত ভাৰতীয় সাহিত্যতে ইয়াৰ স্থান আগশাৰীত। প্ৰাচীন দক্ষিণ ভাৰতৰ সাংস্কৃতিক জীৱনৰ ই পূৰ্ণ প্ৰতিফলন বুলি কব পাৰি। তামিল ভাষাত 'চিলম্বু' মানে ভৰিত পিন্ধা নেপুৰ, গতিকে কাব্যখনৰ অৰ্থ নেপুৰৰ (নুপুৰ) কথা বা কাব্য। কাব্যখনৰ পৰিণতিৰ পথত নেপুৰে বিশিষ্ট ভূমিকা পালন কৰা কাৰণেই উক্ত নাম দিয়া হৈছে।

প্ৰাচীন তামিল ভাষাত সংস্কৃত সাহিত্যত থকাৰ দৰে পাঁচখন মহাকাব্যৰ নাম পোৱা যায়, যথা 'চিলপ্পদিকৰম', 'মণিমেকলাই,' 'জীৱকচিন্তামণি,' 'ৱলেয়াপতি' আৰু 'কুণ্ডলকেশী' শেষৰ দুখনৰ খণ্ডিত ৰূপহে উদ্ধাৰ হৈছে। সংস্কৃত সাহিত্যতো সেইদৰে পাঁচখন মহাকাব্য পণ্ডিত সমাজত পৰিচিত; এই পাঁচখন মহাকাব্য হৈছে কালিদাসৰ 'ৰঘুবংশ', 'কুমাৰসম্ভৱ', মাঘৰ 'শিশুপাল বধ', ভাৰবিৰ 'কিৰাতাৰ্জুনীয়', শ্ৰীহৰ্ষৰ 'নৈষধচৰিত'। 'চিলপ্পদিকৰম' আৰু 'মণিমেকলাইক' যঁজা কাব্য বোলা হয়, কাৰণ প্ৰথমখনৰ পৰৱৰ্তী ঘটনা পাছৰখনত বৰ্ণিত কৰা কবি দুজনো আছিল সমসাময়িক আৰু পৰম বন্ধু। 'চিলপ্পদিকৰম'ৰ কবি ইলাংগো আছিল চেৰৰাজ্যৰ ৰজা চেৰলাউট্টানৰ কনিষ্ঠ পুত্ৰ। কথিত আছে এদিন এজন জ্যোতিষীয়ে ৰাজকুমাৰ দুজনৰ জন্ম পত্ৰিকা বিচাৰ কৰি কৈছিল যে জ্যেষ্ঠ ৰাজকুমাৰ চেংগুট্টুৱান ৰজা হ'ব নোৱাৰিব, কনিষ্ঠজনৰ জন্ম পত্ৰিকাইহে ৰজা হোৱাৰ লক্ষণ সূচনা কৰে। এই ভৱিষ্যবাণী শুনি ইলাংগোৱে ককায়েকৰ পথ পৰিষ্কাৰ কৰিবৰ উদ্দেশ্যে সন্যাস গ্ৰহণ কৰে আৰু আশ্ৰমত বাস কৰিবলৈ ধৰে।

এই মহাকাব্যখন এখন চম্পু কাব্য, গদ্য আৰু ছন্দ মিলিত কাব্য, অৱশ্যে সৰহ অংশই ছন্দোবদ্ধ। কাব্যখন দ্বিতীয় শতাব্দীত ৰচিত হয় বুলি সৰহভাগ সমালোচকৰে অভিমত। সেই কথা যদি মনা হয় তেন্তে কালিদাসতকৈ ইলাংগো

আড়িগল আগৰ কবি হ'ব। অৱশ্যে একেশ্ৰেণীৰ সমালোচকে ইয়াক খৃষ্টীয় ৬ষ্ঠ-৭ম শতিকামানতহে ৰচিত বুলিহে কব খোজে। কাব্যখনত থকা আভ্যন্তৰীণ প্ৰমাণৰ ভিত্তিত পাছৰটো মতেই অধিক সমীচীন যেন লাগে। কাব্যখন অলংকৃত (ornate) আৰু বৰ্ণনাবহুল। তিনিটা কাণ্ড বা খণ্ডত বিভক্ত কাব্যখন সেই সময়ৰ সামাজিক অৱস্থাৰ দাপোণ স্বৰূপ। কাব্যখনৰ প্ৰধান বৈশিষ্ট্যসমূহৰ আলোচনা কৰাৰ আগতে কাহিনীটোলৈ এবাৰ চকু ফুৰোৱা যক। তিনিটা কাণ্ড বহুতো অধ্যায়ত বিভক্ত।

কাব্যখন আৰম্ভ হৈছে কাৱেৰী নদীৰ মোহনাত অৱস্থিত কাৱেৰীপত্তিনম বা পুহাৰ নামৰ বৈদেশিক আৰু আন্তৰ্দেশীয় বাণিজ্যিক নগৰখনৰ বৰ্ণনাৰে। এই নগৰত অৱস্থিত বন্দৰত দেশী-বিদেশী বণিকসকলৰ উপৰিও নানা জাতি-ব্যৱসায়ী আৰু গোষ্ঠীয়ে শৃংখলাবদ্ধভাৱে নিবাস কৰিছিল। দক্ষিণ-পূৰ্ব এছিয়া, আৰব আৰু ৰোমান বণিকসকলেও বাণিজ্যৰ কাৰণে ইয়ালৈ আহিছিল আৰু তেওঁলোকে নিৰ্দিষ্ট পাৰা বা অঞ্চলত বাস কৰি ক্ৰয়-বিক্ৰয় কৰিছিল। এই নগৰখন আছিল চোল ৰজাসকলৰ ৰাজধানী। কাহিনীৰ সময়ত ৰাজত্ব কৰিছিল দিগ্বিজয়ী ৰজা কাৰিকলে। কাব্যখনত নগৰখনৰ এক সুন্দৰ বিৱৰণ দিছে। সেই নগৰৰে শ্ৰেষ্ঠীসকলৰ অঞ্চলত বাস কৰিছিল মহানায়ক মনাইক্কম নামে এজন সদাগৰ। অতুল ঐশ্বৰ্যৰ গৰাকী এই শ্ৰেষ্ঠী গৰাকীৰ একমাত্ৰ আদৰৰ কন্যা কন্নকী। বহুত দান-দক্ষিণা, পূজা-অৰ্চনা ফলত কন্নকীৰ জন্ম হয়। সেই নগৰৰে আন এজন সদাগৰ আছিল নাম মাছখুবান। চোল ৰজাই কোনো এবাৰ আকাল হওঁতে এই সদাগৰে বহু খাদ্যবস্তুৰে সহায় কৰা কাৰণে যথেষ্ট সন্মান কৰি উচ্চ মৰ্যাদা দান কৰিছিল। এওঁৰে পুত্ৰৰ নাম কোৱালম, বয়সত কন্নকীতকৈ চাৰি বছৰ ডাঙৰ। ল'ৰাজন দেখাত যেনেকৈ অনুপম, চৰিত্ৰতো আছিল আদৰ্শনীয়। সংগীতাদি কলা বিদ্যাতো পাৰদৰ্শিতা অৰ্জন কৰিছিল। যথাসময়ত এওঁলোকৰ পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালী হালক বিৱাহপাশত আবদ্ধ কৰি মিত্ৰতাৰ সূত্ৰ দৃঢ় কৰিবলৈ বৰ আৰু কন্যাৰ মত লৈ অশেষ ধুমধামেৰে বিৱাহ কাৰ্য সম্পন্ন কৰে। মংগলসূত্ৰবন্ধন, সপ্তপদীগমনকে প্ৰমুখ্য কৰি সকলো শাস্ত্ৰীয় বিধিনিয়ম পালন কৰা হয়।

বিৱাহৰ পাছত মাছখুবানে পুতেক বোৱাৰীয়েকৰ সুখ-সুবিধাৰ উদ্দেশ্য এটা পৃথক সুন্দৰ ঘৰ নিৰ্মাণ কৰি দাস-দাসী আৰু বিলাসব্যসনৰ সকলো সুবিধাৰ ব্যৱস্থা কৰি তাত থাকিবলৈ পঠাই দিয়ে। কন্নকীয়ে স্বকীয় শাৰীৰিক আৰু চাৰিত্ৰিক সৌন্দৰ্যৰ দ্বাৰা নগৰবাসীৰ প্ৰশংসা আৰু আদৰ লাভ কৰিবলৈ সমৰ্থ হয়। তিনি বছৰ মহাসুখেৰে নৱদম্পতীৰ জীৱন অতিবাহিত হোৱাৰ পাছত তেওঁলোকৰ দাম্পত্য জীৱনকালত কলীয়া ডাৱৰে দেখা দিলে। সেই নগৰতে চিত্ৰপতি নামে গণিকাৰ মাধৱী নামে এজনী পৰমা সুন্দৰী ষোড়শী কন্যা আছিল, নৃত্যবাদ্যতো

সমানেই তেওঁক কুশলা কৰি তোলা হৈছিল। মাধৱীক শাপভ্ৰষ্টা স্বৰ্গৰ উৰ্বশী বুলি নগৰবাসীসকলে বিশ্বাস কৰিছিল। দেশী, মাৰ্গী, ৰাগম্ ভাৱম্ আৰু তালম্ আদি নৃত্য গীতৰ সকলো দিশতে মাধৱী পাৰ্গতা আছিল। কোৱালমে মাজে মাজে চিত্ৰপাতিৰ ঘৰত আয়োজন কৰা সংগীতৰ আছৰলৈ গৈছিল আৰু নগৰৰ আন বিলাসী-যুবকৰ লগত সেই নৃত্যগীত উপভোগ কৰি আনন্দ লাভ কৰিছিল। কেতিয়াবা কন্নকীকো লগত নিছিল, কিন্তু সৰলা, পতিপ্ৰাণা কন্নকীৰ মনত কোন ধৰণৰ সন্দেহ জন্মা নাছিল। কোৱালমৰ মন মাধৱীৰ সৌন্দৰ্য আৰু নৃত্যগীতে আকৰ্ষণ কৰিছিলে যদিও পত্নীৰ প্ৰেম, পাতিব্ৰত্য আদিলৈ চাই কিছুদিন চিত্ৰপাতিৰ আছৰলৈ যোৱাৰ পৰা বিৰত থাকিল।

কিন্তু সেই সংযম সৰহ দিন নিটিকিল, মাধৱীৰ আকৰ্ষণে আকৌ তেওঁক বিব্ৰত কৰি তুলিলে। তেনেতে আৰম্ভ ৰজাঘৰীয়া শক্ৰোত্থান বা ইন্দ্ৰোৎসৱ য'ত যোগ দিবলৈ নগৰৰ সকলো শ্ৰেণীৰ লোকে বিভিন্ন বাহনত উঠি ৰাজহাউলীলৈ ঢাপলি মেলিলে। কোৱালানো য'াও নাযাওঁ কৈ ৰাজহাউলীৰ ফালে খোজ দিলে, কাৰণ তেওঁৰ প্ৰধান আকৰ্ষণ আছিল ইন্দ্ৰপূজা নহয়, তাত অনুষ্ঠিত হব লগীয়া মাধৱীৰ নৃত্যগীতহে। এই খিনিতে কবিয়ে ইন্দ্ৰোৎসৱৰ বিশদ বিৱৰণ দাঙি ধৰিছে আৰু সেই উৎসৱত অপ্সৰাৰ দৰে নৃত্য কৰা মাধৱীৰ নৃত্যৰ বৰ্ণনাও দিছে। ৰজাই সন্তুষ্ট হৈ এধাৰ বহুমূলীয়া মালা দিছিল। সেই ধাৰ পৰিচাৰিকাৰ হাতত দি ৰাজবাটত থিয়েই এহেজাৰ সোণাৰ মুদ্ৰা কিনিব তেওঁকে দিবলৈ নিৰ্দেশ দিয়ে। মাধৱীয়ে জানে যে কোৱালনৰ বাহিৰে আনে ইমান মূল্য দি হাৰডাল নিকিনে। সচাঁকৈয়ে কোৱালনে সেই মূল্য দি মাধৱীৰ কাষ চাপে। দুয়ো পৰস্পৰ আলিংগনত আৱদ্ধ হৈ সকলো পাহৰি যায়।

মাধৱীক পাই কোৱালনে সতী, সাধ্বী আৰু পৰমাসুন্দৰী পত্নীক পাহৰি যায়। কালক্ৰমত মাধৱী অন্তঃসত্ত্বা হ'ল। মাধৱীৰ বাপেক আছিল এজন ব্ৰাহ্মণ। তেওঁ গৰ্ভস্থ সন্তানৰ মংগলৰ কাৰণে কি কি কৰিব লাগে সেই বিষয়ে সদুপদেশ দি মাধৱীক সাৱধানে থাকিবলৈ কয়। কোৱালনে নিজৰ ঘৰ সংসাৰ পাহৰি, পত্নীকো আওকাণ কৰি, সমস্ত ধন-সোণ, বহুমূলীয়া সম্পদৰে মাধৱীৰ সন্তোষ বিধান কৰিবলৈ ধৰে। ইফালে অকলশৰে কন্নকীয়ে বিৰহত কাল কটাইছিল। স্বামীয়ে সকলো ধন সম্পত্তি নি গণিকাক সন্তুষ্ট কৰা দেখিও পতিৰ সুখেই তেওঁৰো সুখ বুলি ভাবি নিৰৱে সকলো মনোবেদনা আৰু দাৰিদ্ৰ্য কষ্ট সহ্য কৰি দুখত কাল কটাবলৈ ধৰে। কোৱালনক শোষণ কৰি মাধৱীয়ে সৰ্বস্বান্ত কৰে, আনকি কন্নকীৰ অলংকাৰখিনিও গণিকাক সন্তুষ্ট কৰিবলৈ সমৰ্পণ কৰে। কেৱল মাত্ৰ বাকী ৰয় নেপুৰযোৰ। কোৱালনক কংকালসাৰ কৰি, শোষণ কৰাৰ আৰু সম্ভাবনা নেদেখি, চিত্ৰপাতিৰ নিৰ্দেশমতে মাধৱীয়েও লাহে লাহে কোৱালনক অৱজ্ঞা কৰিবলৈ ধৰে। অৱজ্ঞা অৱহেলাৰ চূড়ান্ত অৱস্থাত কোৱালনৰ হুঁচ আহে। শিৱ মন্দিৰত

স্তুতিগীত আৰু আধ্যাত্মিক গীত শুনি তেওঁ অতিশয় অনুতপ্ত হৈ ঘৰলৈ আহে, কিন্তু মাধৱীয়ে সৰ্বসাধাৰণ পত্নীৰ দৰে তিৰস্কাৰ নকৰি বৰং সহৃদয়তাৰে সকলো দোষ মৰষি স্বামীক আকোঁৱালি লয়। দহ বছৰৰ মূৰত নিঃস্ব স্বামীক-ঘূৰাই পালে। কোৱালনে কন্নকীৰ শুকাই-খীণাই যোৱা অস্থিচৰ্মসাৰ শৰীৰটো দেখি নিজকে ধিক্কাৰ দিবলৈ ধৰে। কিন্তু সতী কন্নকীয়ে স্বামীৰ সকলো দোষ মৰ্ষণ কৰি ভৰিৰ পৰা বিৰহত খুলি থোৱা নেপুৰযোৰ উলিয়াই দি কলে, "এইযোৰ বিক্ৰি কৰি পোৱা ধনেৰে ব্যৱসায় আৰম্ভ কৰাঁ, পূৰ্বৰ আৰ্থিক অৱস্থা ঘূৰাই আনিব পাৰিবা। নৰ্ত্তকীৰ প্ৰেম ভোমাৰাই ফুলৰস-পান কৰাৰ দৰে, পুৰুষৰ ধন থাকে মানেহে তেওঁলোকৰ প্ৰেমো থাকে, কিন্তু প্ৰকৃত প্ৰেম সকলো স্বাৰ্থৰ উৰ্দ্ধত।" কোৱালনে কন্নকীৰ অনুৰোধ এৰাব নোৱাৰি অনিচ্ছা সত্বেও অলংকাৰ ললে যদিও নিজ ঠাই এৰি মাদুৰাই চহৰত নতুন জীৱন আৰু ব্যৱসায় আৰম্ভ কৰিবলৈ থিক কৰে। তেওঁলোকে ৰাতি নৌ পুৱাওঁতেই কাৱেৰী পট্টিনম চহৰ এৰি মাদুৰাই অভিমুখে যাত্ৰা কৰে। কবিয়ে এই খিনিতে তেওঁলোকে কোন পথেদি কোন মন্দিৰ আশ্ৰম অতিক্ৰম কৰি, কি বাধাৰ সম্মুখীন হৈ দীৰ্ঘপথ পাৰ হৈছিল তাৰ বহল বৰ্ণনা দিছে। বাটত তেওঁলোকৰ লগ লাগে কবুন্দী নামৰ জৈন সন্যাসিনীয়ে, তেওঁ মাদুৰাই চহৰত প্ৰসিদ্ধ জৈন অৰ্হতৰ পৰা ধৰ্ম সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰে। কাৱেৰীৰ পাৰে পাৰে নানা গ্ৰাম্য সৌন্দৰ্য, দৃশ্য, কৃষিকাৰ্য, মন্দিৰ-আশ্ৰম দৰ্শন কৰি তেওঁলোক অৱশেষত মাদুৰাই চহৰত উপনীত হয়। গোটেই সন্যাসিনী গৰাকীয়ে কোৱালন আৰু কন্নকীক ধৰ্ম; নীতি আৰু আধ্যাত্মিক উপদেশ দি শান্তিৰ প্ৰলেপ সানি গৈছিল।

মাদুৰাই চহৰ পাণ্ড্য ৰজা নেদুন জেলিয়ানৰ ৰাজধানী আছিল। নেদুন জেলিয়ান বীৰত্ব, ন্যায়পৰায়ণতা আৰু প্ৰজানুৰঞ্জক ৰজা আছিল। মাদুৰাই অভিমুখী তিনি গৰাকী যাত্ৰীয়ে তীৰ্থযাত্ৰী ব্ৰাহ্মণক সুধি মাদুৰাইলৈ যোৱা সহজ পথটো সুধি লয়। প্ৰসংগক্ৰমে ব্ৰাহ্মণে তিনিটা পথৰ সন্ধান দি প্ৰত্যেকটো পথৰ বৈশিষ্ট্য বৰ্ণনা কৰে। তেওঁলোকে যিটো পথ বাছি ললে সেই বাটত মাৰাৱা জনজাতীয় লোকসকলৰ নৃত্য, তেওঁলোকৰ মাজতে অনুষ্ঠিত হোৱা দেওধনী নাচ আৰু ভৱিষ্যৎ বাণী, ভক্ত সকলে নিজৰ শৰীৰৰ তেজ কাটি কালীক অৰ্পণ কৰা, তেওঁলোকৰ কালীদেৱীক জীৱজন্তু বলিদান দিয়া আদি দেখা পায়। দুই এঠাইত ব্ৰাহ্মণসকলে বেদ পাঠ এৰি নৃত্য-গীতৰ ব্যৱসায় ৰূপে গ্ৰহণ কৰাও দেখা পালে। তেওঁলোক মাদুৰাই পোৱাৰ আগতে মাধৱীৰ বাপেক কৌশিকৰ ব্ৰাহ্মণে জীয়েকৰ এখন অনুতাপ ভৰা পত্ৰ দি তেওঁলোকক পুনৰ ঘুৰাই নিবলৈ চেষ্টা কৰে, কিন্তু কোৱালনে মাধৱী আৰু মনিমেকলাইৰ প্ৰতি শুভ কামনা জনাই উভতি যাবলৈ অসম্মতি প্ৰকাশ কৰে। অৱশেষত কাৱেৰী নদী পাৰ হৈ মাদুৰাইত উপস্থিত হয়। কবুন্দীৰ এগৰাকী শিষ্যা মাদাৰীয়ে কোৱালন-কন্নকীক নগৰৰ ভিতৰত এটা ঘৰ

বন্দবস্ত কৰি দিয়াত তাতে কন্নকীক থৈ এপাট নেপুৰ বেচিবলৈ নগৰলৈ ওলাই যায়।

তেওঁ ওলাই গৈ যিজন সোণাৰীক লগ ধৰে—সেইজন ৰাণীৰ এপাট নেপুৰ চুৰ কৰা অভিযোগত অভিযুক্ত আছিল। ৰজাঘৰীয়া সোণাৰীজনে ৰাণীৰ নেপুৰ পাট চুৰ কৰি এজন বিদেশীক বিক্ৰী কৰি দিছিল। চুৰিৰ অভিযোগত অভিযুক্ত সোণাৰীজনে ৰাণীৰ নেপুৰপাটৰ লগত মিলি যোৱা কোৱালনৰ নেপুৰপাট পাই হাততে সৰগ ঢুকি পোৱাদি পালে আৰু লাহেকৈ নেপুৰৰ প্ৰকৃত চোৰ ধৰা পৰিছে বুলি খবৰ দিয়াত কটোৱাল আহি কোৱালনক ধৰি লৈ যায়। তেওঁৰ হাতত নেপুৰ পাই চোৰ বুলি ভাবি ৰজাই মৃত্যুদণ্ড বিহে। ৰাণীয়ে হেৰোৱা নেপুৰ পাই সন্তোষ লাভ কৰে, যদিও সেইপাট নেপুৰ প্ৰকৃততে তেওঁৰ যে নহয় সেই কথা গম নাপায়।

কন্নকীয়ে ইফালে বাট চাই, নানা অমঙ্গলসূচক দৃশ্য দেখা পাই অধীৰ হৈ পৰে। সেই অমঙ্গল আঁতৰ কৰাৰ মানসে মাদৰীয়ে বলৰাম আৰু কৃষ্ণক সন্তুষ্ট কৰিবলৈ 'কুৰবৈ' নৃত্যৰ আয়োজন কৰে। এই নৃত্য নাৰীসকলৰ দ্বাৰা অনুষ্ঠিত হয়। নৃত্যৰ অন্তত তেওঁলোকে কাবেৰীত স্নান কৰিবলৈ যাঁওতে কোৱালনৰ চুৰিৰ অপৰাধত ৰজাই মৃত্যুদণ্ড দিয়া বুলি শুনিবলৈ পাই কন্নকীক খবৰ দিয়েহি। খবৰ শুনি কন্নকী শোক আৰু খঙত জ্বলি উঠে। নিৰ্দোষ মানুহ এজনক বিচাৰ নকৰাকৈ দণ্ডবিধান কৰাই এই ৰজাৰ ধৰ্ম আৰু ন্যায়পালন নে? মই যদি সতী-শান্তী হওঁ, পৃথিৱীত যদি ধৰ্ম এতিয়াঁও আছে তেন্তে এই নগৰ জুই লাগি ধ্বংস হ'ব।" এই বুলি তেওঁৰ হাতত থকা নেপুৰ পাট লৈ বধ্যভূমিৰ ফালে ঢাপলি মেলে। তেওঁৰ মূৰ্ত্তি দেখি নগৰবাসীয়োও কোৱা মেলা কৰিবলৈ ধৰে যে, ৰজাই ন্যায়বিচাৰ নকৰি নিৰ্দোষী এজনকহে অনুচিত ভাবে বধ কৰাৰ আদেশ দিয়ে। তেতিয়াও কোৱালনৰ শেষ নিঃশ্বাস যোৱা নাছিল, কিন্তু দুই এষাৰ সান্ত্বনাসূচক কথা কৈয়ে মৃত্যুৰ গৰাহত পৰে।

সেই দিনা ৰাতি ৰজা নেদুন জেলিয়ান আৰু ৰাণীয়েও দুঃস্বপ্ন দেখি চিন্তিত হৈ পৰে। পাছদিনা ৰজাক দুৱৰীয়ে জনায় যে এজনী সুন্দৰী শোকসন্তপ্তা নাৰীয়ে ৰাজদুৱাৰত মহাৰাজক দেখা কৰিবলৈ অনুজ্ঞা বিচাৰিছে। ৰাজসভালৈ আনিলত কন্নকীয়ে ৰজাৰ প্ৰশ্নৰ উত্তৰত কবলৈ ধৰে, "হে অনীতিপৰায়ণ মহাৰাজ, মই সেইখন ৰাজ্যৰ পৰা আহিছোঁ যিখন দেশৰ ৰজাই নিৰিহ কপৌ এটা শেনচৰাইৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ নিজৰ বুকুৰ মাংস কাটি দিছিল, যিখন দেশৰ ৰজাই অনাহকত ৰথৰ চকাৰ তলত চেপি গৰু এটা মৰাৰ কাৰণে নিজ পুত্ৰক ৰথৰ তলত চেপি মাৰিবলৈ আদেশ দিছিল, আৰু যিখন দেশৰ ৰাজধানী কাবেৰীপট্টিনম নামে প্ৰসিদ্ধ; কিন্তু এই দেশৰ ৰজাই বিনা বিচাৰে, প্ৰমাণ নোহোৱাকৈ মোৰ স্বামীক চুৰিৰ অপৰাধত মৃত্যুদণ্ড বিহিলে। ৰজাই উত্তৰ দি কলে "তোমাৰ স্বামীয়ে

ৰাণীৰ হেৰোৱা নেপুৰ এটা বিক্ৰী কৰিবলৈ ধৰোঁতে ধৰা পৰে আৰু সেই অলংকাৰ ৰাণীৰ হেৰোৱা অলংকাৰৰ লগত হুবহু মিল দেখা পোৱাত মৃত্যুদণ্ড বিহা হৈছে। এই ক্ষেত্ৰত অন্যায় ক'ত দেখা পালা? কন্নকীয়ে প্ৰত্যুত্তৰ দিলে—"মোৰ স্বামী চোৰ নহয়, আপুনিহে পৰৰ দ্ৰব্য নিজৰ বুলি অপহৰণ কৰাৰ দোষত দোষী।" কন্নকীৰ কথাত ৰজাই খণ্ডেৰে কাষতে ৰাহি থকা ৰাণীৰ পৰা অলংকাৰপদ আনি কন্নকীৰ আগত দাঙি ধৰে। কন্নকীয়ে পৰীক্ষা কৰি সেইপাট অলংকাৰ যে তেওঁৰ ধৰিব পাৰি ৰজাক ৰাণীৰ অলংকাৰৰ ভিতৰত কিবা বহুমূলীয়া পাথৰ আছিল নে প্ৰশ্ন কৰাত মুক্তা আছিল বুলি কয়। কন্নকীয়ে তেওঁৰ অলংকাৰৰ ভিতৰত প্ৰৱাল আছিল বুলি কৈ নেপুৰডাল ভিত্তিত খুন্দিয়াই ভাঙি দিয়াত প্ৰৱালৰ টুকুৰা চিটিকি পৰিল।

নেদুন জেলিয়ান আচম্বিত আৰু স্তম্ভিত হৈ নিজকে দোষী বুলি সাব্যস্ত কৰি চিঞৰি উঠে—"মই পাপী, মই চোৰ, মই হত্যাকাৰী। মই ন্যায়দণ্ড ধৰিবৰ অযোগ্য।" এই বুলি চেতনহীন হৈ পৰি যায়, চেতন আৰু ঘূৰাই নাপালে। নেদুন জেলিয়ানৰ পতিব্ৰতা ৰাণীয়েও স্বামীক অনুসৰণ কৰে। প্ৰসংগক্ৰমে কন্নকীয়ে পতিব্ৰতা নাৰীৰ অসামান্য শক্তিৰ উদাহৰণো দাঙি ধৰি নিজৰ বাঁও স্তন মুছৰি ছিঙি মাদুৰাই চহৰলৈ দলিয়াই দিয়ে আৰু লগে লগে সমস্ত চহৰত জুই জ্বলি অচিৰেই ভস্মসাৎ হৈ যায়। যিসকল সেই অগ্নিকাণ্ডৰ মাজতো জীয়াই থাকে তেওঁলোকেও কন্নকীত দোষাৰোপ নকৰি পাপৰ উপযুক্ত প্ৰায়শ্চিত্ত বুলিহে কবলৈ ধৰে। কিন্তু সৎলোক, ধৰ্মপৰায়ণ, ব্ৰাহ্মণ, পতিব্ৰতা নাৰী এইসকলক অগ্নিয়ে ৰেহাই দিয়ে। এনেতে নগৰদেৱতা কন্নকীৰ আগত আৱিৰ্ভাব হৈ সান্ত্বনাৰ সুৰত কয়, "হে পতিব্ৰতা নাৰী, তোমাৰ শোকত ময়ো সমভাগী। এই চহৰত কোনো দুখী নাছিল; শাস্ত্ৰ-অধ্যয়ন, বেদচৰ্চা, ধৰ্মানুষ্ঠান পালন এই চহৰৰ নিত্যক্ৰিয়া আছিল। পাণ্ড্য ৰজাসকলো ধৰ্মনিষ্ঠ, ন্যায়পৰায়ণ আৰু পৰাক্ৰমী আছিল। কিন্তু সদ্যহতে ঘটা ন্যায়দণ্ডৰ বিচ্যুতি, ঘটাবলৈ এক কাৰণো আছে। পূৰ্বজন্মকৃত কৰ্মৰ ফলতে এনে দুৰ্যোগ ঘটিবলৈ পালে। তোমাৰ স্বামীয়ে পূৰ্বজন্মত এজন নিৰ্দোষ, অপাপবিদ্ধ বণিকক শত্ৰু পক্ষৰ গুপ্তচৰ বুলি ধৰি নি ৰজাৰ হতুৱাই মৃত্যুদণ্ড দিয়াইছিল। সেই বণিকৰ পত্নীয়ে পতিৰ অন্যায় বধত ক্ৰোধান্বিতা হৈ সেই জন্মৰ তোমাৰ স্বামী ভাৰতনক এনে ধৰণে অন্যায় বিচাৰত মৃত্যুদণ্ডেৰে দণ্ডিত হ'ব বুলি শাপ দিছিল। সেই ভাৰতনেই তোমাৰ এই জন্মৰ স্বামী কোৱালন। তুমিও উক্ত ভাৰতনৰ পত্নী আছিলা।"

নগৰদেৱতা অন্তৰ্ধান হ'ল। কন্নকীয়ে বিধবা ব্ৰত গ্ৰহণ কৰি হাতৰ কংকন কোৰৱৈ মন্দিৰত টুকুৰা টুকুৰা কৰি ভাঙি পেলালে, আৰু নগৰৰ পশ্চিম দুৱাৰেদি ওলাই বৈ যোৱা নদীৰ পাৰে পাৰে গৈ মুৰুগান পৰ্বতত চৌধ্যদিন ধৰি অনাহাৰে অনিদ্ৰাই ব্ৰত আচৰণ কৰাৰ পাছত দেৱতাসকলৰ লগত কোৱালনক দেখা পালে। দেৱতাসকলে কন্নকীকো ৰথত তুলি স্বৰ্গলৈ যাত্ৰা কৰিলে।

ইয়াৰ পাছৰ ছোৱা ঘটনা তৃতীয় কাণ্ডৰ কথা। 'ৰামায়ণ'ৰ উত্তৰাকাণ্ডৰ দৰে, অথবা 'মহাভাৰত'ৰ সৌপ্তিক পৰ্বৰ পাছৰ ছোৱাৰ দৰে কোৱালন-কন্নকীৰ মৃত্যুৰ পাছৰ ঘটনাৱলী বৰ্ণনা কৰিছে। চেৰ ৰাজ্যৰ ৰজা চেংগুট্টুৱানে মৃগয়া কৰিবলৈ পেৰিয়াৰ নদীৰ পাৰত সৈন্য-সামন্ত আৰু ৰাণী-ৰাজকুমাৰীৰ লৈ শিবিৰ পাতি কিছুদিন আছিল। তাত তেওঁলোকে পৰ্বতীয়া সৌন্দৰ্য আৰু পাহাড়ী যুৱতীৰ বিভিন্ন প্ৰকাৰ নৃত্য উপভোগ কৰাৰ লগতে নানা উপঢৌকন লাভ কৰে। ৰজাই পাহাড়ী লোকসকলৰ উপহাৰৰ বিনিময়ত তেওঁলোকক কাপোৰ, চাউল, লোণ আদি দান কৰে। সেই প্ৰসংগতে পৰ্বতীয়া লোকসকলে ৰজাক কন্নকীৰ স্বৰ্গাৰোহণৰ অদ্ভুত দৃশ্য দেখাৰ কথা কয়। সেই সময়ত ৰাজশিবিৰত কবি ছাট্টান (Sattan) উপস্থিত আছিল। তেওঁ জনজাতীয় লোকসকলৰ আশ্চৰ্য কাহিনী আৰু কন্নকীৰ অভূতপূৰ্ব সতীত্বৰ মহিমা প্ৰকাশ কৰে। চেৰ ৰাজে নিজ ৰাজধানীৰ এগৰাকী মহিমাময়ী সতীৰ কথা শুনি বিস্ময় আৰু আনন্দত অভিভূত হয়। তেওঁ সতীৰ নাম চিৰস্থায়ী আৰু মহিমা প্ৰকাশৰ উদ্দেশ্যে কন্নকীৰ এটা প্ৰতিমূৰ্ত্তি নিৰ্মাণ কৰি মন্দিৰ এটাত প্ৰতিষ্ঠা কৰিবলৈ মনস্থ কৰে। সেই উদ্দেশ্যে দেৱতাত্মা হিমালয়ৰ পৰা শিল কাটিয়াই আনি মূৰ্ত্তি আৰু মন্দিৰ নিৰ্মাণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত সভাসদসকলেও অনুমোদন জনায়। উত্তৰ ভাৰতৰ ৰজাসকললৈ এই কাৰ্যত সহায় কৰিবলৈ অনুৰোধ জনাই পত্ৰসন্দেশ দিয়ে যদিও তেওঁলোকে শত্ৰুতা প্ৰদৰ্শন কৰাত সসৈন্যে চেৰৰাজ চেংগুট্টুৱান হিমালয়লৈ যাত্ৰা কৰে আৰু বাধা প্ৰদান কৰা উত্তৰ ভাৰতৰ ৰজাসকলক যুদ্ধত পৰাস্ত কৰি হিমালয়ত চেৰৰাজৰ ৰাজচিহ্ন স্থাপন কৰে। হিমালয়ৰ শিল কাটিয়াই আনি গংগাৰ দক্ষিণ পাৰে এখন বৃহৎ দৰবাৰ পাতি হিমালয়ৰ শিলৰ চটা, গংগাৰ পৱিত্ৰ পানীত শাস্ত্ৰানুমোদিতভাবে পখালিলে। এনেতে মাদলন নামে এজন ব্ৰাহ্মণে দৰবাৰত উপস্থিত হৈ মাদুৰাই আৰু পুহাৰ (কাৱেৰীপট্টিনম্) নগৰত ঘটা পৰৱৰ্ত্তী ঘটনাৱলীৰ সংবাদ প্ৰদান কৰে। কাবুন্দীৰ শিষ্যা মাদাৰীয়ে তেওঁৰ তত্ত্বাৱধানত ৰাখিবলৈ দিয়া কোৱালন-কন্নকীক ৰক্ষা কৰিব নোৱাৰা কাৰণে অগ্নিত প্ৰৱেশ কৰি আত্মজাহ কৰে, কাবুন্দীয়ে জৈন ধৰ্মানুসাৰে অনশন কৰি দেহত্যাগ কৰে। কোৱালনৰ পিতৃ মাছথুৱানে পুত্ৰশোকত বৌদ্ধ শ্ৰমণ হয় আৰু বৃদ্ধা মাকৰ পুত্ৰশোকত মৃত্যু হয়। কন্নকীৰ মাকো জীয়েকৰ শোকত বিহ্বল হৈ দেহ পৰিত্যাগ কৰে আৰু বাপেকেও সকলো ধনসম্পত্তি দুখীয়াক দান কৰি আজীৱক সম্প্ৰদায়ত প্ৰৱেশ কৰে। সুন্দৰী মাধৱীয়েও বৌদ্ধ বিহাৰত ভিক্ষুণীৰ বেশ পৰিধান কৰে, লগতে কোৱালনৰ কন্যা মনিমেখলাইকো উপাসিকাৰূপে বৌদ্ধ ধৰ্মত দীক্ষিত কৰায়। নেদুন জেলিয়ানৰ ভ্ৰাতৃ ৱেৰ চেলিয়ান ৰাজপাটত উঠি সকলো অসৎ সোণাৰীক পত্তিনী দেৱীৰ (পতিব্ৰতা ধৰ্মৰ দেৱী) বেদীত বলি দিয়ে।

মাদলনৰ কথাশুনি চেংগুট্টুৱান নিজ ৰাজধানীলৈ হিমালয়ৰ পাথৰ সহ উভতিবলৈ ইচ্ছা কৰে। তেওঁ পাণ্ড্য আৰু চোল ৰাজলৈ বিজয়ৰ বাৰ্ত্তা পাঠায়, কিন্তু

দুৰ্য়োধন ৰাজ্যৰ ৰজাই দক্ষিণ ভাৰতৰ গৌৰৱ ৰক্ষাৰ কাৰণে চেৰৰাজক প্ৰশংসা কৰাৰ বিপৰীতে অনাহক যুদ্ধত নৰহত্যা কৰা কাৰণে নিন্দাহে কৰে। চেংগুট্টুৱানে মাদলনৰ উপদেশমতে তেওঁলোকক এশিকনি দিয়াৰ পৰা বিৰত থাকে।

যথাসময়ত কন্নকীৰ প্ৰতিমূৰ্ত্তি নিৰ্মাণ কৰি মন্দিৰত প্ৰতিষ্ঠা কৰে। সেই উপলক্ষে যাগযজ্ঞ দান আদি কৰাৰ উপৰিও প্ৰজাক খাজনা কৰৰ পৰা ৰেহাই দিয়ে।

এই উপলক্ষে কন্নকীৰ ধাত্ৰী মাৰকদম, কন্নকীৰ সখী দেৱন্দী, সহচৰী বিশালাক্ষী আদিও তাত উপস্থিত হয়। সকলোৱে মহাসতী কন্নকীৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ পাছত আকাশমাৰ্গত বিদ্যুতৰ দৰে উজ্জ্বল, সোণৰ নেপুৰ, মেখলা, কংকন আৰু কুণ্ডল পৰিহিতা কন্নকীক দেখা পায় আৰু লগতে শুনিবলৈ পায়—"পাণ্ড্যৰাজ নিৰ্দোষ, তেওঁ মোৰ পিতৃ-প্ৰতিম। এতিয়া তেওঁ ইন্দ্ৰলোকত নিবাস কৰিছে।" এইদৰে কৈ তেওঁ অন্তৰ্ধান হয়। ৱাঞ্জীনগৰৰ যুৱতীসকলে কন্নকীলৈ শ্ৰদ্ধা জনাই নৃত্যগীত কৰে। এনেতে দেৱন্দীৰ গাঁত ভৱিষ্যদ্বক্তা, কবি ছাত্তানাৰৰ মহিমা (কালিকা) লম্ভে, তেওঁ কঁপি'বলৈ ধৰে, খোপাৰ ফুল খহি পৰে, মুখত এক অদ্ভুত হাঁহি, কথাবোৰ অস্বাভাৱিক, চকু ৰঙা। হাত দাঙি তেওঁ কবলৈ ধৰে "উপস্থিত লোকসকলৰ মাজত সোঁ তিনিজনী দুবছৰীয়া ছোৱালী দেখা পাইছা সেই তিনিজনীৰ গাত মংগলদেৱীৰ পৱিত্ৰ জল ছটিয়াই দিয়া, হে মাদলন।" মাদলনে সেই মতে পৱিত্ৰ জল ছিতায়াই দিয়াত ছোৱালী কেইজনীৰ পূৰ্বজন্মৰ কথা মনত পৰি তেওঁলোক যে পূৰ্বজন্মত কন্নকী, কোৱালনৰ মাতৃ আছিল আনজনী যে মাদাৰী আছিল সেই কথা প্ৰকাশ কৰে আৰু লগতে কৰ্মফলৰ প্ৰভাৱ বৰ্ণনা কৰে। ৰজা আৰু সভাসদসকল আশ্চৰ্য হয় আৰু পতিব্ৰতাধৰ্মৰ দেৱী কন্নকীৰ মন্দিৰত নিয়মিত পূজা-অৰ্চনাৰ কাৰণে মাটি বৃত্তি আৰু সেৱায়ত দান কৰে। তাৰ পাছত তেওঁলোক যজ্ঞমণ্ডপত প্ৰৱেশ কৰে। দেৱন্দীৰ শৰীৰত আকৌ দেৱতা লম্ভি কবলৈ ধৰে—"হে মহাৰাজ আৰু উপস্থিত প্ৰজাবৃন্দ, আপোনালোকে সুখ আৰু দুখৰ মানসিক অৱস্থাৰ পৰা ঊৰ্দ্ধত উঠিবলৈ চেষ্টা কৰক, ভগৱানক জানিবলৈ যত্নবান হওক, মাছ মাংস আহাৰ পৰিত্যাগ কৰক, আনক অপকাৰ কৰাৰ পৰা বিৰত থাকক, দুখীয়াক দান কৰক, তপস্যাব্ৰত আচৰণ কৰক, মিছা সাক্ষী নিদিব, আনৰ উপকাৰ কেতিয়াও পাহৰি নাযাব, অসৎ বন্ধুক পৰিত্যাগ কৰক, অধৰ্মক লাই নিদিব, ধাৰ্মিক আৰু সৎ লোকৰ আশ্ৰয় লওক, সত্যানুসৰণ কৰক, পৰপত্নীৰ লগত ব্যভিচাৰত লিপ্ত নহব, নিৰাশ্ৰয়-অসহায়ক আশ্ৰয় দান কৰক, চৌৰ্যবৃত্তি, মদ্যপান, মিথ্যাচৰণৰ পৰা আঁতৰত থাকক। যৌৱন, ধনদৌলত আৰু শৰীৰ চিৰদিন নাথাকে, সেই কাৰণে স্বৰ্গপথ মুকলি কৰক। ভগবান জীৱৰো জীৱন, মৃত্যুৰো অন্তক। তেওঁ অপৰিৱৰ্ত্তনীয়, সৎ আৰু অপৰিচ্ছিন্ন, সেই ভগৱানৰ লগত এক হবলৈ, পৰমাত্মাৰ লগত মিলি যাবলৈ চেষ্টা কৰক। তোমালোক জাগ্ৰত হোৱা, লক্ষ্যপ্ৰাপ্তিৰ প্ৰতি *ধাৱমান হোৱা।"* শেষত সকলোৱে পত্তিনী দেৱীক স্তুতি কৰি উৎসৱ সমাপ্ত *কৰে।*

কাব্যৰ পৰ্যালোচনা ঃ কবিৰ নাম ইলাংগো আড়িগল বুলি প্ৰথমতে কৈ অহা হৈছে। আচলতে এইটো তেওঁৰ প্ৰকৃত নাম নহয়। ইলাংগো মানে কনিষ্ঠ আৰু আড়িগল শব্দই সাধুসন্তক বুজায়। কবি শেৰাকী বয়সত কনিষ্ঠ ৰাজকুমাৰ আছিল কাৰণে ইলাংগো বুলি পৰিচিত আছিল আৰু সন্যাস গ্ৰহণ কৰি সন্তজীৱন যাপন কৰা কাৰণে আড়িগল বিশেষণেৰে বিভূষিত হৈছিল। 'মণিমেকলাই' নামৰ অন্যতম মহাকাব্যৰ প্ৰণেতা ছাত্তানাৰ তেওঁ বন্ধু আছিল। ৰাজকুমাৰ হৈ জন্ম-গ্ৰহণ কৰি সমাজৰ উচ্চ-অভিজাত শ্ৰেণীৰ বিলাসী জীৱনৰ লগত তেওঁৰ যেনেকৈ পৰিচয় আছিল, সন্যাস গ্ৰহণ কৰি ভোগবিলাসৰ পৰা আঁতৰত থাকি সাধাৰণ জনতাৰ বিভিন্ন স্তৰৰ জীৱনো দেখাৰ সুযোগ তেনেকৈ লাভ কৰিছিল। উক্ত কাৰণেই কবিয়ে দাক্ষিণাত্যৰ, বিশেষকৈ তামিল অঞ্চলৰ এখন সম্পূৰ্ণ চিত্ৰ কাব্যখনত ৰূপদান কৰিবলৈ সক্ষম হৈছে। দাক্ষিণাত্যৰ চোল, চেৰ আৰু পাণ্ড্য ৰাজ্যক সাঙুৰি গোটেই অঞ্চলটোৰ এক সৰ্বাত্মক দৃষ্টি মহাকাব্যখনত আপতিত হৈছে। সেই কালৰ পৰা এই দেড় হাজাৰ বছৰৰ আগতে ৰচনা কৰা এই তামিল কাব্যখনে মহাকাব্যীয় ভূমিকা সাৰ্থক ভাবে পালন কৰিছে। নগৰ, গাওঁ, জনজাতীয় জীৱন, ধৰ্মীয় জীৱন, হিন্দু-জৈন-বৌদ্ধ ধৰ্মৰ সমান্তৰাল অৱস্থিতি, বিভিন্ন দেৱ দেৱীত বিশ্বাস আৰু পূজাৰ্চনা, কৰ্মফলবাদ, গণিকাবৃত্তি, নাগৰক জীৱন (নাগৰিক নহয়); পতিব্ৰতাধৰ্মৰ মাহাত্ম্য, ন্যায়-অন্যায় বিচাৰৰ প্ৰতিক্ৰিয়া, বাণিজ্য, সংগীত (নৃত্যগীত), অলৌকিকতাত বিশ্বাস, প্ৰকৃতি বৰ্ণনা, শঠতা আৰু ন্যায়-পৰায়ণতা আদি দক্ষিণৰ সমাজৰ সকলো দিশ কাব্যখনে সামৰি লৈছে। চমুকৈ হলেও এই-বোৰ কেনেদৰে কাব্যখনত প্ৰতিফলিত হৈছে চোৱা যাওক।

কাব্যখনৰ মূলবস্তু হৈছে সতী-পত্নীৰ মাহাত্ম্য প্ৰদৰ্শন কৰা আৰু লগতে প্ৰেমৰ গৌৰৱ ঘোষণা কৰা। দাম্পত্য জীৱন যদি গভীৰ প্ৰেমৰ ওপৰত প্ৰতিষ্ঠিত হয়, পতিৰ সাময়িক স্খলন হলেও তেওঁ সম্বিত পাই পুনৰ পতিব্ৰতা পত্নীৰ ওচৰলৈ ঘূৰি আহে আৰু পত্নীয়েও বিনাদ্বিধাই তেওঁক আদৰি লয়। গভীৰ দাম্পত্যপ্ৰেম ছিঙিব নোৱাৰা এনাজৰি, ইহকাল-পৰকালতো এই সম্পৰ্ক বিচ্ছিন্ন নহয়—এনে আদৰ্শ আগত ৰাখিয়েই কাব্যখন ৰচনা কৰা হৈছে। কাব্যখনত কন্নকী-কোৱালনে ইন্দ্ৰলোকত পুনৰ মিলিত হোৱা প্ৰদৰ্শন কৰিছে। সীতা-সাবিত্ৰীৰ দৰে পতিব্ৰতা হলেও কন্নকীৰ চৰিত্ৰত পত্যনুৰাগৰ লগতে দহন শক্তিও নিহিত আছে, যাৰ ফলত এখন নগৰ অগ্নিদগ্ধ হ'ল, পাণ্ড্যৰাজ্য নেদুন জেৰিয়াৰ আৰু ৰাণীৰ মৃত্যু হ'ল। সীতা বা সাবিত্ৰীয়ে ৰাৱণক বা যমক শাপি ভস্ম কৰা নাই, নাইবা আমাৰ বেউলায়ো মনসাক প্ৰত্যাহ্বান কৰা নাই। বেউলা আৰু সাবিত্ৰীয়ে সতীত্বৰ দ্বাৰা মৃত স্বামীক পুনৰ সঞ্জীৱিত কৰিছে, কিন্তু কন্নকীয়ে নগৰ ধ্বংস কৰি, গভীৰ অৰণ্যত চৌদ্ধ দিন অনাহাৰে অনিদ্ৰাই ব্ৰত আচৰণ কৰি দেৱীত্ব লাভ কৰি স্বৰ্গত স্বামীক লাভ কৰিছে। এক হিচাপে কাব্যখন শোকাৱহ যদিও কন্নকীৰ দেৱত্ব লাভ, তেওঁৰ মূৰ্ত্তি-মন্দিৰ নিৰ্মাণ, পত্তিনী দেৱীৰূপে প্ৰতিষ্ঠা আদি কাৰণেই

শোকাবহ বিষাদময় পৰিৱেশ লাঘৱ কৰি ট্ৰেজেডি হোৱাৰ পৰা কাব্যখন ৰক্ষা কৰিছে। কোৱালনৰ চৰিত্ৰত কামসূত্ৰৰ নাগৰকৰ গুণ কিছু পৰিমাণে দেখা যায় যদিও অৱশেষত তেওঁ অপমানিত আৰু অনুতপ্ত হৈ সাধ্বী ভাৰ্যাৰ কাষত আশ্ৰয় লৈ পুনৰ গণিকাৰ কৱলত পৰে বুলি পুহাৰ (কাৱেৰীপট্টিনম্) নগৰ পত্নীসহ পৰিত্যাগ কৰি পাণ্ড্য ৰাজধানী মাদুৰাইলৈ যাত্ৰা কৰিছে। কোৱালনে গণিকাৰ কৱলত পৰি নিজৰ অজস্ৰ সম্পত্তি মাধবীক সন্তুষ্ট ৰাখিবলৈ ফুতে উৰুৱাই দিলে। তেওঁ যে কন্নকীৰ প্ৰতি অন্যায় কৰিছিল সেই বিষয়ে সচেতন আছিল যদিও মাধৱীৰ ৰূপযৌৱন, নৃত্যগীত, প্ৰণয়সূচক হাব-ভাব, বিলাস-বিভ্ৰমৰ আকৰ্ষণে সাময়িকভাৱে তেওঁক পথচ্যুত কৰিছিল। 'মৃচ্ছকটিকম্' নাটৰ নায়ক চাৰুদত্তৰ চাৰিত্ৰিক বৈশিষ্ট্য, তেওঁৰ দানশীলতা, সুকুমাৰ কলাৰ প্ৰতি আকৰ্ষণ আৰু গণিকা-প্ৰীতিৰ লগত কোৱালনক তুলনা কৰিব পাৰি। চাৰদত্তক বন্ধু মৈত্ৰেয়ই তেওঁক গণিকাপ্ৰীতি আৰু চৰিত্ৰস্খলনত অভিযুক্ত কৰোতে উত্তৰ দিছিল—"এইটো মোৰ চৰিত্ৰৰ দোষ নহয়, যৌৱনৰ দোষহে।" কোৱালনৰ ক্ষেত্ৰতো এই উক্তি খাটে। কোৱালনৰ সাময়িক অধঃপতনত মাধৱীয়েও সহাঁৰি নিদিয়াকৈ নাছিল। দৰাচলতে মাধবীয়ে কোৱালনক আন্তৰিকতাৰে ভাল পাইছিল আৰু তাৰ ফলস্বৰূপে তেওঁলোকৰ এটি কন্যাসন্তানৰো জন্ম হয় যাৰ নাম দিয়া হৈছিল মণিমেকলাই (মণিমেখলা) আৰু যি ছাত্তানাৰৰ মহাকাব্যৰ নায়িকাৰূপে প্ৰতিষ্ঠা লাভ কৰে। মাধৱীৰ ছলনাতকৈ মাক চিত্ৰপতিৰ কূটকৌশল, ধনলিপ্সা আৰু মাধৱীৰ ওপৰত প্ৰভুত্বই কোৱালনক বিপথে নিয়াত অধিক ক্ৰিয়া কৰিছিল। চিত্ৰপতিয়ে মাধৱী অন্তঃসত্বা হোৱা ভালচকুৰে চাব পৰা নাছিল, কাৰণ সন্তানৰ মাক হোৱা মানে যৌৱন আৰু সৌন্দৰ্যৰ হ্ৰাসপ্ৰাপ্তি আৰু গণিকাবৃত্তিৰো বজাৰ মন্দা হয়। চিত্ৰপতিৰ অবিবাহিত স্বামী, নামত ব্ৰাহ্মণ কিন্তু কামত ধূৰ্ত্ত শিয়াল কৌশিকাৰৰ লগত মন্ত্ৰণা কৰি মাধৱী-মণিমেকলাইৰ ভৱিষ্যনিধিৰ সুব্যৱস্থাৰ্থে কোৱালনক শোষণ কৰাৰ দিহা কৰে। ইয়াত মাধৱী যন্ত্ৰ মাত্ৰ। কিন্তু চিত্ৰপতি আৰু পৰিচাৰিকাৰ কথা মতে দৰিদ্ৰতাপ্ৰাপ্ত কোৱালনৰ প্ৰতি অৱজ্ঞা প্ৰদৰ্শন কৰি প্ৰকাৰন্তৰে কোৱালনক সৎ পথলৈ আৰু পতিব্ৰতা পত্নী কন্নকীৰ কাষলৈ প্ৰত্যাগমন কৰিবলৈ সুবিধা কৰিহে দিলে। মাধৱীৰ কাষত থাকোঁতেও কোৱালনৰ মন মাজে মাজে কন্নকীৰ প্ৰতি উৎকণ্ঠা আৰু সহানুভূতিৰে উপচি পৰিছিল যদিও মাধৱীৰ মোহপাশত আবদ্ধ হৈ বান্ধ ছিঙি মুক্ত হবলৈ অৱকাশ উলিয়াব পৰা নাছিল। গণিকাপত্নীৰ কন্যা হলেও মণিমেকলাইৰ প্ৰতি কোৱালনৰ পিতৃস্নেহ মহাকাব্যখনত প্ৰদৰ্শন কৰিছে। প্ৰকৃততে ক'বলৈ গলে ধূৰ্ত্ত সোণাৰীৰ শঠতাৰ যোগেদি কোৱালনৰ ওপৰত কবিয়ে যি নৃশংস শাস্তি বিধান কৰিছে সেই শাস্তি প্ৰকাৰন্তৰে পতিব্ৰতা পত্নীক কৰা অৱমাননাৰ ফল বুলি কলেও বোধকৰো ভুল নহ'ব। ভাৰতীয় নাৰীৰ সতীত্বৰ জ্বলন্ত প্ৰতীক কন্নকী। কন্নকীৰ পাতিব্ৰত্যই তামিল প্ৰান্তত সতীপূজাৰ প্ৰথা আজি হাজাৰ বছৰ ধৰি প্ৰচলিত হৈ আহিছে।

মহাকাব্যখনত খল চৰিত্ৰই প্ৰধান ভূমিকা গ্ৰহণ কৰা নাই, সোণাৰীৰ ভূমিকা খলস্বভাৱযুক্ত হলেও সি পাৰ্শ্বচৰিত্ৰহে। পাণ্ড্য ৰজাঁয়ো নিজৰ ভুলৰ কাৰণে মৃত্যু আকোৱালি লৈছে, ন্যায়দণ্ডডাল বেকা হবলৈ দিয়া নাই। মাধৱী অৰু মণিমেকলাই কোৱালন-কন্নকীৰ শোকাৱহ ঘটনা শুনি অহিংস বৌদ্ধ ধৰ্মত শৰণ লৈছে। যাৰ আশ্ৰয়ত সন্যাসিনী কাবুন্দীয়ে মাদুৰাইত কোৱালন-কন্নকীক থাকিবলৈ দিছিল সেই মাদাৰীয়েও আশ্ৰিতক ৰক্ষা কৰিব নোৱাৰি দুখত অগ্নিত প্ৰাণ বিসৰ্জ্জন দিছে। কাহিনীৰ লগত প্ৰত্যক্ষভাৱে জড়িত কোনোৱে হয়তো সংসাৰ পৰিত্যাগ কৰিছে আৰু কোনোৱে আত্মবিসৰ্জ্জন বা মৃত্যুৰ মুখত পৰিছে। সেই ফালৰ পৰা আৰু নায়ক-নায়িকাৰ পাৰ্থিৱ জীৱনৰ শেষ দশাৰ ফালে দৃষ্টি কৰিলে মহাকাব্যখনক tragedy বুলি কবৰ যথেষ্ট যুক্তি আছে। ভাৰতীয়সকলে পাৰলৌকিক জীৱনত বিশ্বাস কৰে, পাৰলৌকিক জীৱনতহে অধিক মূল্য আৰোপ কৰে। গতিকে পাৰলৌকিক দৃষ্টিৰে চালে ই ট্ৰেজেডি নহয়।

কবিজনে যি দক্ষতাৰে বাণিজ্যচহৰ পুহাৰৰ (কাৱেৰীপাট্টিনম্) বৰ্ণনা দিছে, বিভিন্ন অঞ্চলত বাস কৰা লোকসকলৰ পৰিচয়, অৱস্থা আৰু আচাৰ ব্যৱহাৰৰ বৰ্ণনা দিছে সেয়া কল্পনাবিলাসী কবিৰ সৃষ্টি নহয়, ই যেন প্ৰত্যক্ষদৰ্শী কবিৰ বাস্তৱ অভিজ্ঞতা আৰু আত্মস্থ কল্পনাৰ অমৃতমন্থন। পাণ্ড্য ৰাজ্যৰ ৰাজধানী মাদুৰাই চহৰ আৰু উপকণ্ঠ বৰ্ণনাও তদ্ৰূপ সজীৱ আৰু বাস্তৱভিত্তিক। সেই সময়ৰ বিশ্বাস অনুসৰি প্ৰতিখন চহৰ বা ৰাজধানীৰ চাৰি দিশ চাৰিজন অধিস্থাতা দেৱতা বা ভুত থাকে যিসকলে নগৰ ৰক্ষা কৰাৰ উপৰিও নগৰৰ ভাল বেয়াৰ বিচাৰ কৰে। শ্বেতকায়, কুশহস্ত, কমণ্ডলুহস্ত ব্ৰাহ্মণভূতম্, প্ৰৱলকায় ছত্ৰধাৰী, শূলপাণি ক্ষত্ৰিয়ভূতম্, তুলাদণ্ডধাৰী, শস্য, পানী আৰু বীণাহস্ত বৈশ্যভূতম আৰু কৃষ্ণকায়, হলধৰ, শূদ্ৰভূতমে কোৱালনক অন্যায়ভাৱে বধ কৰাৰ কাৰণে নগৰ পৰিত্যাগ কৰাৰ বৰ্ণনা কাব্যখনত পোৱা যায়।

কাহিনীটো চোল ৰাজ্যত আৰম্ভ হৈছে, পাণ্ড্যৰাজ্যত শীৰ্ষবিন্দুত উপনীত হৈছে আৰু চেৰ ৰাজ্যত পৰিসমাপ্তি ঘটিছে। দাক্ষিণাত্যৰ তিনিওখন প্ৰসিদ্ধ ৰাজ্য সাঙুৰি লোৱা কাৰণে দ্ৰাবিড় সংস্কৃতিৰ এক পূৰ্ণাংগ চিত্ৰ মহাকাব্যখনত অংকিত হোৱা দেখা যায়।

এই মহাকাব্যখনত এটা লক্ষণীয় বিষয় হৈছে যে ইয়াত সংস্কৃত মহাকাব্যসমূহৰ বিপৰীতে সাধাৰণ মানুহক প্ৰাধান্য দিয়া হৈছে। "ৰামায়ণ" আৰু "মহাভাৰত"— এই দুখন জাতীয় মহাকাব্যৰ বাহিৰেও যি পাঁচখন অলংকৃত মহাকাব্য ৰচিত হৈছিল তাৰ নায়ক-নায়িকাকে প্ৰমুখ্য কৰি আন চৰিত্ৰসমূহো হয় ৰজা-মহাৰাজা, নহয় দেৱজাত ব্যক্তি। কিন্তু তামিল মহাকাব্যখনৰ নায়ক-নায়িকা যোত্ৰৱান বণিকবংশৰ, কিন্তু ভাগ্যবিপৰ্য্যয়ত দৰিদ্ৰ হৈ দেশত্যাগী হ'ব লগা হৈছে। আন চৰিত্ৰৰ ভিতৰত সৰহভাগেই গণিকা, সন্যাসিনী, পৰ্যটক ব্ৰাহ্মণ, আশ্ৰমবাসী জৈন বা বৌদ্ধ ভিক্ষু,

অৰণ্য পৰ্বত নিবাসী জনজাতি। যি দুজন ৰজাক ইয়াত স্থান দিয়া হৈছে তেওঁলোকৰ এজনে কোৱালক মৃত্যুদণ্ড দিলেও প্ৰধান চৰিত্ৰ বুলি কব নোৱাৰি। ছেংগুট্টুৱানৰ ভূমিকা কাহিনীৰ পৰিসমাপ্তিৰ পাছত হে দেখা যায়। সাধাৰণ চৰিত্ৰবোৰ আকৌতেও কবিয়ে সহানুভূতিৰ দৃষ্টিৰে তেওঁলোকক চাইছে। 'মৃচ্ছকটিকম্' নাটত নাট্যকাৰ শূদ্ৰকে যেনেকৈ বসন্তসেনাক অত্যন্ত সহানুভূতিৰে অংকন কৰিছে তেনেকৈ ইলাংগোৱে মাধৱী চৰিত্ৰও সহানুভূতিৰে অংকন কৰিছে মাধবীয়ে কোৱালনক মাকৰ প্ৰৰোচনাত পৰি শোষণ কৰিছিল যদিও কোৱালনক অন্তৰেৰে ভাল পাইছিল। কোৱালন কন্নকীৰ কাষলৈ উভতি অহাৰ পাছতো নিজৰ ব্যৱহাৰৰ কাৰণে অনুতাপ প্ৰকাশ কৰি কোৱালনক মাতি পঠাইছিল আৰু কোৱালনৰ মৃত্যুৰ সংবাদ পাই সন্ন্যাসিনী ব্ৰত গ্ৰহণ কৰি গণিকাবৃত্তি পৰিত্যাগ কৰিছিল। গণিকাৰ লগত সম্পৰ্ক ৰখাটো প্ৰাচীন ভাৰতৰ অভিজাত সম্প্ৰদায়ত দূষণীয় বুলি গণ্য কৰা নাছিল, বৰং নাগৰিক সংস্কৃতিৰ ই এক স্বাভাৱিক বৈশিষ্ট্য বুলিয়ে গ্ৰহণ কৰিছিল। 'মৃচ্ছকটিক'ৰ নায়ক চাৰুদত্ত গণিকাপ্ৰেমৰ কাৰণে নিন্দিত হোৱা নাছিল বৰং সদ্‌গুণাৱলীৰ কাৰণে সকলোৰে প্ৰশংসাৰ পাত্ৰহে হৈছিল। পালি সাহিত্যত অভিজাত ৰজা-ৰাজপুৰুষ আৰু নাগৰিকসকলৰ দ্বাৰা সাদৃতা একাধিকা গণিকাৰ উল্লেখ পোৱা যায়। বাসৱদত্তা, অম্বাপল্লী আদি গণিকা নগৰৰ সমূহীয়া সম্পত্তি আছিল যদিও সকলোৱে তেওঁলোকক লৈ গৌৰববোধ কৰিছিল, মাধৱী চৰিত্ৰ নাট্যকাৰ শূদ্ৰকৰ 'ৱসন্তশোভেৰ ৱসন্তসেনা'ৰ দৰে আকৰ্ষণীয়।

এটা মন কৰিবলগীয়া কথা হৈছে ব্ৰাহ্মণ কৌশিকাৰে গণিকা চিত্ৰপতিক পত্নীৰূপে গ্ৰহণ কৰিও আৰু চিত্ৰপতিৰ লগত সহবাস কৰি সন্তান জন্ম দিও জাতিভ্ৰষ্ট হোৱা নাই বৰং কন্যাৰ সন্তানসম্ভৱা অৱস্থাত যথেষ্ট যত্ন লোৱা দেখা যায়। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেই কালত গণিকাগমন ব্যভিচাৰ বুলি গণ্য নহৈছিল।

গণিকা মাধৱীৰ অলংকাৰ আৰু সাজপোছাকৰ বৰ্ণনাৰ পৰা সেই সময়ৰ বিত্তবানলোকৰ সাজপোছাক, আয়-অলংকাৰ আৰু সংগীতবাদ্যাদিৰ কিছু সম্ভেদ পোৱা যায়। বিভিন্ন সুগন্ধী বনৌষধীৰ পৰা প্ৰস্তুত কৰা সুগন্ধ তৈল, ধূপ-ধুনা আদিৰ ধোৱাৰে নাৰীৰ চুলি সুবাসিত কৰা হৈছিল। চুলিৰ খোপা আৰু বেণীত মৃগনাভিও প্ৰয়োগ কৰিছিল। ভৰি আৰু হাতৰ তলুৱা হেনাৰে (জেতুকা) ৰঞ্জিত কৰা হৈছিল। ভৰিত নূপুৰ অথবা নূপুৰহাৰ (chain anklets)। কৰ্কালত বা কুটি প্ৰদেশত কেবাধৰীয়া চন্দ্ৰহাৰ মণি মুক্তা লগোৱা মেখলা, বাহুত বাহুটি বা টাৰ আৰু বুকুত বহুমূলীয়া পাথৰ খজা সোণাৰ হাৰ বা সাতসৰী বা পেচন্দাৰ, ডিঙিত বিভিন্ন ধৰণৰ হাৰ, পাঁচ আঙুলীত বিভিন্ন পাথৰ লগোৱা আঙঠি, হাতৰ ঠাৰিত কংকন, কেয়ুৰ, কাণত কুণ্ডল, নাকৰ পাহিত নাক-

ফুল, কপালত কপালী, সেওঁতাত সিঁথিপাতি, কবৰী বান্ধনত বিবিধ জুই (যুতি) জাতি আদি সৌৰভযুক্ত শুভ্ৰ ফুল, শৰীৰত বিভিন্ন কাৰুকাৰ্য কৰা বিভিন্ন ধৰণৰ পট্টবস্ত্ৰ, বুকত কাঞ্চুলি আদিৰে মাধৱীয়ে সাজ-সজ্জা আৰু প্ৰসাধন কৰাৰ বহল বিৱৰণ কাব্যখনত পোৱা যায়। মহামূল্যবান অলংকাৰ সাজপোছাকৰ সৰহভাগেই আছিল অৱশ্যে কোৱালনৰ উপহাৰ।

কাব্যখনত সংগীত নৃত্যৰ বৰ্ণনা কেবাঠাইতো কবিয়ে দক্ষভাৱে বৰ্ণনা কৰিছে। ইহাৰ পৰা অনুমান কৰিব পাৰি যে কবিগৰাকীৰ সংগীতৰ লগত ভাল পৰিচয় আছিল। মাধবীয়ে ইন্দ্ৰপূজা বা শক্ৰোত্থান উৎসৱ উপলক্ষে কৰা বিবিধ প্ৰকাৰ ধৰ্মীয় আৰু লৌকিক নৃত্যই হাজাৰ হাজাৰ দৰ্শকৰ আনন্দ বিধান কৰিছিল। তদুপৰি মাধৱীয়ে স্বভৱনতো বিভিন্ন প্ৰকাৰৰ গীত নৃত্যৰে কোৱালনকে প্ৰমুখ্য কৰি তেওঁৰ ৰূপগুণমুগ্ধ শ্ৰোতাদৰ্শকক আপ্লুত কৰিছিল। জগত সংহাৰকাৰী শিৱই শ্মশানত মহাকালীৰ সহিতে কৰা 'কোদুকোত্তি' নৃত্য তেওঁৰে ব্ৰহ্মা-বিষ্ণুৰ আগত কৰা 'পাণ্ডুৰংগ' নৃত্য পালন কৰ্তা বিষ্ণুৱে কৃষ্ণৰূপত কংস বধ কৰি কৰা 'আলিয়া' নৃত্য, বানাসুৰক বধ কৰাৰ পাছত কৰা 'মল্লু' নৃত্য, দেৱসেনাপতি সুব্ৰহ্মণ্যৰ 'টুড়ি' আৰু 'ছত্ৰ' নাচ, বিষ্ণুৰ 'ঘটনৃত্য' কামদেৱৰ 'পেড়ি' নৃত্য মহিষাসুৰক বধ কৰি দুৰ্গাদেবীয়ে কৰা 'মাৰকল' নাচ, লক্ষ্মী আৰু শচীৰ (ইন্দ্ৰানী) বিভিন্ন উপলক্ষে কৰা যথাক্ৰমে 'পৱাই' আৰু 'কাডয়ম' নাচৰ বৰ্ণনাই কাব্যখনৰ এক অধ্যায়ত বহলাই কবিয়ে বৰ্ণনা কৰিছে।

এই ইন্দ্ৰোৎসৱৰ লগতে জড়িত নগৰৰ মধ্যস্থিত উদ্যানত অনুষ্ঠিত হোৱা নগৰৰক্ষী দেৱতাৰ পূজাত মাৰৱা জনজাতিয়ে বিভিন্ন নৃত্যৰে উৎসৱ মুখৰিত কৰি ৰাজ্য, ৰজা আৰু প্ৰজাৰ মংগল আৰু উন্নতি কামনা কৰা দৃশ্য চিত্ৰিত কৰিছে। তেওঁলোকৰ নৃত্য শৃঙ্গাৰসাত্মক আছিল। এনে দুই প্ৰকাৰ নৃত্যৰ নাম যথাক্ৰমে 'তুন্নগৈ' আৰু 'কুৰবৈ'। ইন্দ্ৰপূজা ৰাজানুষ্ঠান হলেও সমস্ত নগৰৰ প্ৰজাই ইয়াত যোগদান কৰি ৰাজধানী উৎসৱমুখী কৰি তুলিছিল। কাবেৰী নদীৰ সাগৰ সংগমৰ পৰা আনুষ্ঠানিক ভাবে পানী তুলি ইন্দ্ৰপূজাৰ লগতে শিৱ, সুব্ৰহ্মণ্য, কৃষ্ণ-বলৰামৰ প্ৰতিও পূজা আগবঢ়াইছিল। কেৱল সেয়ে নহয়, বৌদ্ধ আৰু জৈন বিহাৰতো সেই পূজাৰ আয়োজন হৈছিল। ইন্দ্ৰ, কাৰ্ত্তিকেয় (সুব্ৰহ্মণ্য) নটৰাজ শিৱ বংশীবদন কৃষ্ণ আৰু বলৰাম বিষ্ণু, দুৰ্গা আদি পৌৰাণিক দেব-দেবীসকলৰ উল্লেখ আৰু পূজাৰ বৰ্ণনা কাব্যখনৰ ঠায়ে ঠায়ে দেখা যায়। বৌদ্ধ আৰু জৈন ধৰ্মৰ লগত হিন্দু ধৰ্মৰ সহ অৱস্থানো কাব্যখনত মন কৰিবলগীয়া বিশেষত্ব। ইলাংগো নিজেই জৈন সন্যাসী আছিল। কাব্যখনৰ আন এটা চকুত লগা বৈশিষ্ট্য হৈছে কাবেৰী নদীৰ প্ৰতি অসীম শ্ৰদ্ধা আৰু গুণগান প্ৰকাশ। আমাৰ প্ৰাচীন ৰাজসকলৰ তাম্ৰশাসনাৱলীত যেনেকৈ লৌহিত্য নদক শ্ৰদ্ধাই প্ৰশস্তি আৰম্ভ কৰা দেখা যায়, তেনেকৈ এই মহাকাব্যতো মাধৱী, কোৱালন আৰু তেওঁলোকৰ লগৰীয়াই

সাগৰ সংগমৰ তীৰত বহি কাৱেৰীৰ প্ৰশস্তিবাচক গীত গাইছে। বীণাজাতীয় বাদ্য বজাই তেওঁলোকে গীত গাইছিল।

নৃত্যৰ ক্ষেত্ৰত মহাকাব্যখনত থকা উল্লেখ আগতে কৰি অহা হৈছে। বিভিন্ন প্ৰকাৰ নৃত্যভংগী, মুদ্ৰা আৰু প্ৰকাৰভেদৰ লগত কবিজনৰ ঘনিষ্ঠ থকাৰ প্ৰমাণ কাব্যখনে দাঙি ধৰে। মাধৱীয়ে কোৱালনক ঘূৰাই পাবৰ কাৰণে বসন্তমালাৰ হাতত দি পঠোৱা চিঠি পাই নায়কজনে মাধবীয়ে জনা নৃত্যৰ এটা পৰিচয় দিছে, কিন্তু শেষত বিনয়পূৰ্বক উভতি যাবলৈ অস্বীকাৰ কৰিছে। সেই প্ৰসংগত আঠ প্ৰকাৰ নৃত্য আৰু মুদ্ৰাৰ উল্লেখ কৰিছে—'কুণ্ডুকুড়ুৱৰি', 'কল্বৰি', 'উলৱৰি', 'পুৰৱৰি', টেচ্চিৰ্ৰৰি', 'কটচিৰৱৰি', 'এডুট্ৰুকোলৱৰি', 'কিলৱৰি'। এইবোৰ হৈছে বিভিন্ন ভাৱ প্ৰকাশ কৰিবলৈ কৰা অংগ সঞ্চালন আৰু মুদ্ৰাৰ প্ৰকাৰ ভেদৰ ভিত্তিত নামকৰণ হৈছে। ভৰতৰ নাট্যশাস্ত্ৰৰ লগত এই নৃত্যবোৰৰ কিবা সম্বন্ধ আছেনে নাই সিয়ো বিচাৰ্যৰ বিষয়।

কাব্যখনত লোকবিশ্বাস, লোকদৰ্শন আৰু গ্ৰাম্যদৃশ্যৰ চিত্ততোষিনী বৰ্ণনাৰ দ্বাৰা সমৃদ্ধ। বিপদ বা সম্পদৰ আগজাননিৰূপে স্বপ্নদৰ্শন কাব্যখনৰ কেবা ঠাইতো দেখুৱাইছে। উদাহৰণ স্বৰূপে কোৱালনৰ মৃত্যুৰ আগে আগে কন্নকীয়ে ভয়াবহ মৃত্যুসূচক স্বপ্ন দেখিছে। সেইদৰে পাণ্ড্যৰাজ্য নেদুন জেলিয়ানৰ পত্নীয়ে কন্নকীৰ ৰাজসভাত প্ৰৱেশ কৰাৰ আগে আগে দুঃস্বপ্নত ৰাজছত্ৰ অৰু দণ্ড পৰি যোৱা, ৰাতি ৰামধেনুৰ উদয় আৰু দিনত পৰ্ণীয়া তৰা খহা দেখা পাইছিল। কাব্যখনত কৰ্মফলবাদত বিশ্বাস কৰাৰ উদাহৰণ বিভিন্ন ব্যক্তিৰ উক্তি আৰু কাৰ্যত দেখা যায়। কবিগৰাকী যিহেতুকে জৈন সন্যাসী আছিল সেই কাৰণে কৰ্মফলবাদৰ প্ৰভাৱ কাব্যখনৰ অনেক ঠাইত প্ৰদৰ্শন কৰিছে। কোৱালন-কন্নকীয়ে চোল ৰাজ্য এৰি পাণ্ড্যৰাজধানী মাদুৰাইলৈ যাওঁতে বাটত অনন্তশায়ী ৰংগনাথৰ মন্দিৰত সেৱা জনাই গন্তব্যপথত আগবাঢ়োতে যিজন জৈন সন্ন্যাসীক লগ পাইছিল তেওঁ উপদেশ দিয়াৰ চলতে কৰ্মফলৰ প্ৰভাৱ ব্যাখ্যা কৰিছে। সেইদৰে সৰ্বভাৰতীয় জন্মান্তৰবাদত বিশ্বাসৰ নিদৰ্শন কাব্যখনৰ বহুঠাইত উল্লেখ কৰিছে। দৰাচলতে কৰ্মফলবাদ আৰু জন্মান্তৰবাদ একেটা মোহৰৰ দুটা পিঠি মাত্ৰ। কোৱালনৰ মৃত্যুৰ পাছত কন্নকীক আশ্বাস দিবলৈ দেৱতা মধুৰপতি আৱিৰ্ভাব হৈ কোৱালনৰ পূৰ্বজন্মৰ কথা আৰু কৃতকৰ্মৰ ফলতে যে অন্যায়ভাৱে দণ্ডিত হ'ল সেই কথা বিৱৰি কৈছে। দৈৱৰ প্ৰভাৱো কাব্যখনৰ বহু ঠাইত প্ৰদৰ্শিত হৈছে। দেৱবাদত বিশ্বাস, দেৱদেৱী কালী, দশভুজা, ইন্দ্ৰ, শিৱ, বিষ্ণু, কাৰ্ত্তিকেয়, গণেশ আদি দেৱতাত বিশ্বাস আৰু পূজা, অপদেৱতা, ভূত-প্ৰেত আদিত বিশ্বাস কাব্যখনৰ বিভিন্নত ঠাইত লক্ষ্য কৰা যায়। তিৰুপতিৰ ৱেঙ্কটেশ্বৰ, শ্ৰীৰংগমৰ ৰংগনাথ, মাদুৰাইৰ মীনাক্ষী মন্দিৰৰ উল্লেখে মন্দিৰৰ প্ৰাচীন ঐতিহ্য সোঁৱৰাই দিয়ে।

কোৱালন আৰু কন্নকী মাদুৰাই অভিমুখে যাওঁতে দেখা পোৱা বিভিন্ন দৃশ্যৰ

সুন্দৰ বৰ্ণনা ঠায়ে ঠায়ে কাব্যখনত পোৱা যায়। বিস্তৃত ধাননি পথাৰ, পথাৰলৈ পানী বোৱাই নিয়া জলসিঞ্চনৰ খাল, নদীৰ পাৰৰ বান্ধ বা মথাউৰি, জলসঞ্চয়ৰ কাৰণে খনা বিৰাট বিৰাট জলাশয়। পানীকাউৰী, সৰালি, বগলি, ৰঙাঠেঙীয়া ৰাজহাঁহ, চিলনি, বনৰীয়া কুকুৰা, মৎস্যৰক্ষ আদি বিভিন্ন জাতীয় চৰাই, ঘোলাপানীত লেও লৈ থকা ম'হ, পথাৰত বোকাপানী খচি কাম কৰি থকা খেতিয়ক, খোপাত ধানৰ সিঁহ পিন্ধি ধাননি নিৰাই থকা দ্ৰাবিড়ী নাৰী, হালবাই চহ কৰি থকা অথবা মৰণা মাৰি থকা কৰ্মঠ কৃষি-বনুৱা আৰু ঠায়ে ঠায়ে গ্ৰাম্যগীত গাই আত্মবিনোদন কৰা গ্ৰামীন গায়ক (minstrels), যজ্ঞৰ ধোৱাৰে ধূসৰিত বৈদিক ব্ৰাহ্মণৰ গাঁও, কুঁহিয়াৰ খেতি আৰু কুঁহিয়াৰ পেৰি ৰস উতলাই গুৰ পগাই থকা কাৰ্য, বৈদিক ক্ৰিয়াকাণ্ড এৰি গান্ধৰ্ব বিদ্যাক ব্যৱসায় ৰূপে লোৱা ব্ৰাহ্মণৰ গাঁও আদি বহু দৃশ্যৰ প্ৰোজ্জ্বল দৃশ্য কাব্যখনত চিত্ৰিত হৈছে। এই প্ৰসংগত তীৰ্থযাত্ৰী এজন ব্ৰাহ্মণে কোৱালন-কন্নকীক মাদুৰাৰলৈ যোৱা পথৰ সন্ধান দিওঁতে দাক্ষিণাত্যৰ বিশেষকৈ তামিলনাডুৰ ভৌগোলিক বিৱৰণ, তীৰ্থস্থান আদিৰ বিৱৰণ দিওঁতে তিৰুপতি, ৰামেশ্বৰ, শ্ৰীৰঙ্গম, মীনাক্ষী মন্দিৰ, কন্যাকুমাৰী আদিও উল্লেখ কৰিছে। পৰ্বতত বাস কৰা শবৰ জাতীয় 'মাৰৱ' জনজাতিয়ে কেনেকৈ খেতি নকৰি চুৰি ডকাইতি কৰি আৰু বনৰীয়া পশু চিকাৰ কৰি জীৱন নিৰ্বাহ কৰিছিল তাৰ উল্লেখ তীৰ্থযাত্ৰী ব্ৰাহ্মণৰ পথ বৰ্ণনাত পোৱা যায়। কোৱালনে চুটি পথ বুলি 'মাৰৱ' থকা দিশটোৰেদি যাত্ৰা কৰি সেই জনজাতিয়ে 'আয়ৈ কুমাৰী' বা কালীদেৱীক বলিবিধানেৰে পূজা কৰা দেখিবলৈ পায়। সিঁহতৰ পূজাত দেওধনী উঠি সিহঁতৰ ভৱিষ্যৎ কোৱা দেখা পাইছিল। তাই পিন্ধিছিল বাঘৰ ছাল, ডিঙিত বাঘৰ দাঁতৰ মালা আৰু দেও লম্ভি উন্মত্ত হৈ নৃত্য কৰি মাজে মাজে তাইলৈ আগবঢ়োৱা ফলমূল, উপচাৰ বস্তু আৰু তেজ খাই মাৰৱসকলৰ বাপতিসাহোন বৃত্তি এৰি নপুংসক নহবলৈ সাৱধান বাণী শুনাইছিল। কেইজনমান ডেকাই নিজৰ অংগক্ষত কৰি তেজ আগবঢ়াই দিয়াত দেওধনীয়ে ভৱিষ্যৎ ভাল হ'ব বুলি আশ্বাস দিয়ে। কোৱালন-কন্নকীয়ে গান্ধৰ্ব বিদ্যা চৰ্চা কৰা বৈদিক আচাৰ অনুসৰণ কৰা ব্ৰাহ্মণৰ দ্বাৰা অৱহেলিত ব্ৰাহ্মণ গাঁৱত জিৰণি লৈ পুনৰ যাত্ৰা আৰম্ভ কৰিছিল।

কাব্যখনত ভক্তিবাদৰো প্ৰশংসা মন কৰিব লগীয়া বিশেষত্ব। শ্ৰীৰংগম মন্দিৰৰ ওচৰত লগ পোৱা জৈনসিদ্ধই কোৱালন-কন্নকীক বিভিন্ন জন্মত প্ৰাৰব্ধ কৰ্মৰ ফল, সচ্চিদানন্দ-ব্ৰহ্মৰ একমাত্ৰ সত্যতা আৰু একশৰণীয়া উপাসনাৰ ফল ব্যাখ্যা কৰিছিল। "যিজন সৃষ্টি পালন সংহাৰ কৰ্ত্তা, নিৰ্গুণ হৈয়ো সগুণ, যিজনে ভক্তৰ কামনা ধ্বংস কৰি পুনৰ্জন্মৰ পৰা নিষ্কৃতি দিয়ে, যিজন অষ্টগুণ সম্পন্ন সেইজনৰ চৰণত আশ্ৰয় ললে সংসাৰ সাগৰ অনায়াসে পাৰ হ'ব পাৰি সেইজনক সেৱা নকৰিলে নিৰ্বাণ সম্ভৱ নহয়।" কাবুন্দীয়ে পথত তেওঁলোকক উপদেশ দিছিল। নিষ্কাম কৰ্মৰ প্ৰশংসাও ঠায়ে ঠায়ে নকৰাকৈ থকা নাই। কবিজন জৈনধৰ্মী হলেও

বৌদ্ধ আৰু হিন্দু ধৰ্মীয় বিশ্বাস আচৰণ, সাধন প্ৰণালী আৰু দৰ্শনক নিৰপেক্ষ আৰু সমভাৱাপন্ন দৃষ্টিৰে চাইছে।

মহাকাব্যখনৰ মাজে মাজে বিভিন্ন চৰিত্ৰই, বিশেষকৈ উপদেশদাতাই নিজৰ বক্তব্য প্ৰতিষ্ঠা কৰিবলৈ সৰু সৰু গল্পকথা অৱতাৰণা কৰিছে। এইবোৰে কিন্তু মূল কাহিনীক বিক্ষিপ্ত কৰা নাই। মাদুৰাইৰ পথত যাঁওতে অতিক্ৰম কৰা 'ৰৰণম্' নামে ঠাইখনৰ সেই নাম কিয় হল কাবুন্দীয়ে এটা কাহিনী কৈছে। সেই দৰে অগ্নিদগ্ধ মাদুৰাই নগৰ দেৱতা মধুৰ পতিয়ে কোৱালনৰ পূৰ্বজন্মৰ কাহিনী কৈছে।

কাব্যখনৰ শেষৰ ফালে চেৰৰাজ ছেংগুট্টুৱানক পৰ্বতীয়া জনজাতিয়ে কিছুমান উপহাৰ দিছে, এইবোৰৰ ভিতৰত আছিল হাতীৰ দাঁত, পহুছাল, চোঁৱৰ, মৌৰ কলহ, চন্দন কাঠৰ টুকুৰা, সেন্দুৰ, অঞ্জন, বনজালুক, এৰাবুটৰ গুৰি, নাৰিকল, আম, বনৌষধিৰ ঠানি, ইলাচি, নাৰিকল, কঠাল, কুঁহিয়াৰ, তামোল, কল, সিংহ আৰু বাঘৰ পোৱালি, হৰিণ, নেউল, ম'ৰা চৰাই, জহামাল, বনৰীয়া কুকুৰা বিবিধ ৰঙৰ ভাটো চৰাই ইত্যাদি। ৰজাই উপহাৰত সন্তুষ্ট হৈ বিনিময়ত দিছিল কাপোৰ, লোণ, জলকীয়া, চাউল, সাগৰীয় শংখ, তালৰ গুৰ আদি পৰ্বতত নোপোৱা বস্তু। এই উপহাৰ তালিকাই সেই সময়ত উৎপন্ন হোৱা বস্তুৰ এটা ধাৰণা দাঙি ধৰে।

তামিল সাহিত্যিকসকলৰ মতে কাব্যসম্পদতো মহাকাব্যখন যথেষ্ট চহকী। নৈসৰ্গিক প্ৰকৃতিৰ বিভিন্ন ঋতুসৌন্দৰ্য, পৰ্বত-পাহাৰ বনানিৰ মনোলোভা আৰু ভয়াবহ দুয়োটা ৰূপ, সাগৰৰ বৰ্ণনা, চৰিত্ৰৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া, পুহাৰ আৰু মাদুৰাই চহৰৰ ঐশ্চৰ্য-বিভূতি, বিলাস-ব্যসন, বৈদেশিক-বাণিজ্য, গ্ৰাম্য-জীৱনৰ বাস্তৱ চিত্ৰ, গীত-নৃত্য-বাদ্যৰ যথোচিত প্ৰয়োগ, গভীৰ জ্ঞানোপদেশ, মহৎ আদৰ্শ আৰু দক্ষিণ ভাৰতৰ এক সৰ্বাত্মক চিত্ৰই কাব্যখনক দ্ৰাবিড় জাতীয় মহাকাব্য ৰূপে প্ৰতিষ্ঠা কৰিছে। সৰ্বভাৰতীয় সংস্কৃতি সম্পৰ্কেও কবিজনৰ গভীৰ জ্ঞান থকাৰ পৰিচয় কাব্যখনে দাঙি ধৰে। অলৌকিক ঘটনা অৱশ্যে যথেষ্ট আছে, সেই সময়ৰ মানুহে অৱশ্যে অলৌকিকতাত বিশ্বাসো কৰিছিল। আজিৰ ভৌতিকবাদী আৰু যুক্তিবাদী পাঠকে এনে অলৌকিক ঘটনা বিশ্বাস কৰিবলৈ কুণ্ঠাবোধ কৰিব।

কাব্যখনত বিভিন্ন প্ৰকাৰৰ গীত পৰিবেশ অনুসৰি প্ৰয়োগ কৰা দেখা যায়। কোৱালন, কন্নকী আৰু সহচৰীসকলৰ গীতৰ উপৰিও আম্মনৈ গীত (ছোৱালী-বোৰে ওপৰলৈ বল (কুন্দক) দলিয়াই খেলোঁতে গোৱা গীত), দোলন-ক্ৰীড়া গীত (swing song), ধান বানোতে গোৱা উড়ুখল গীত, গোৱালনীয়ে গাখীৰ মথোঁতে গোৱা গীত, ধান গছ নিৰাওতে খেতিয়ক-নাৰীয়ে গোৱা গীত, ধান বা আন শস্য সিচোঁতে বা ৰোপন কৰোঁতে গোৱা গীত আৰু শস্য চপাওঁতে গোৱা গীতকে ধৰি ভালেখিনি নগৰ আৰু গ্ৰাম্য গীতৰ সুপ্ৰয়োগ কাব্যখনত কৰা দেখা যায়। এই গীতবোৰে কবিৰ সৰ্বেক্ষণ প্ৰতিভাৰ চিনাকি দিয়ে।

আগতে উল্লেখ কৰি অহা হৈছে যে, কাব্যখনে কেৱল কাব্যৰসৰ আস্বাদনেই দি নিবৃত্ত হোৱা নাই ; ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰূপ চতুৰ্বৰ্গ লাভৰ পথো নিৰ্দেশ কৰিছে। এই ক্ষেত্ৰত কবিগৰাকী প্ৰসিদ্ধ সিদ্ধ পণ্ডিত তিৰুৱল্লুৱৰৰ 'কুৰল'ৰ দ্বাৰা অনেক ঠাইত প্ৰভাৱিত হৈছে। কিছুমান জ্ঞানগৰ্ভ আৰু নীতিগৰ্ভ বচন 'কুৰল'ৰ বচনৰ লগত ভাষাগত অৰ্থগতভাৱে মিলি যায় বুলি তামিল পণ্ডিতে অভিমত দাঙি ধৰিছে। মহাভাৰতৰ দৰে প্ৰধানকৈ ছন্দত ৰচিত হলেও স্থান-বিশেষে গদ্যও প্ৰয়োগ কৰিছে। সেইফালৰ পৰা সংস্কৃতৰ 'চম্পূকাব্য'ৰ লগত ইয়াৰ গঠনৰ সাদৃশ্য আছে। সংস্কৃত কাব্য যেনেকৈ মংগলাচৰণ বা নান্দীৰে দেৱতাক প্ৰণাম জনাই কাব্য আৰম্ভ কৰি সকলোৰে মংগল কামনা কৰি পৰিসমাপ্তি কৰে, এই কাব্যতো সেই ৰীতি অনুসৰণ কৰিছে। অৱশ্যে এই কাব্যত ঈশ্বৰক প্ৰণাম নকৰি সূৰ্য, চন্দ্ৰ আৰু ডাৱৰৰ প্ৰশস্তি গাই চোল, চেৰ আৰু পাণ্ড্য ৰজাৰ লগত তুলনা কৰিছে। সেইদৰে সকলোকে নৈতিক আৰু ধাৰ্মিক জীৱন যাপন কৰিবলৈ উপদেশ দি মহাসতী কন্নকীৰ প্ৰশস্তি আৰু স্তুতিৰে পৰিসমাপ্তি কৰিছে। সংস্কৃত পঞ্চ মহাকাব্য যদিও কাব্যশ্ৰী আৰু নীতিধৰ্মৰ দিশত উচ্চমানবিশিষ্ট 'চিলপ্পদিকৰম'ৰ দৰে সমাজ আৰু দেশৰ সকলো দিশ সামৰি লব পৰা নাই। দেশপ্ৰেম আৰু চোল, চেৰ আৰু পাণ্ড্যৰাজ্য আৰু ৰজাৰ গুণানুকীৰ্তন কৰা কাব্যখনৰ অনেক ঠাইত দেখা পোৱা যায়[1]। এনে দেশানুৰাগ আন প্ৰাচীন ভাৰতীয় কাব্যত বিৰল।

১। কাব্যখনৰ সম্পূৰ্ণ ইংৰাজী অনুবাদ ড° ৰামচন্দ্ৰ দীক্ষিতাৰে মাদ্ৰাজ বিশ্ববিদ্যালয় পৰা ১৯৪০ চনত প্ৰকাশ কৰে।

একাদশ অধ্যায়

ডিভাইন কমেডি

একাদশ অধ্যায়

ডিভাইন কমেডি

কৃষ্ণকান্ত সন্দিকৈদেৱে তেখেতৰ সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত ইউৰোপীয় সাহিত্যৰ এটি দ্ৰুত সমীক্ষণ দাঙি ধৰি ডাণ্টেৰ দিব্য কাব্য 'ডিভাইন কমেডি' সম্পৰ্কে এটি চমু অথচ তাৎপৰ্যপূৰ্ণ মন্তব্য দাঙি ধৰি কৈছিল যে প্ৰাচীন আৰু মধ্যযুগৰ প্ৰাতীচ্যৰ সকলো জ্ঞান-বিজ্ঞান, কাব্য-কলাৰ সামগ্ৰিক উপাদানক সামৰি লৈ খৃষ্টীয় চতুৰ্দশ শতাব্দীৰ প্ৰাৰম্ভত ডাণ্টেই অমৰ মহাকাব্য 'ডিভাইন কমেডি' ৰচনা কৰে। তিনিটা খণ্ডত বিভক্ত 'নৰক' (Inferno) শুদ্ধীকাৰক নৰক (Purgatory) আৰু 'স্বৰ্গ' (Paradiso), আৰু এশটা সৰ্গত বিভক্ত 'ভিডাইন কমেডি' এখন মহাকাব্যই কেৱল নহয়, ই খৃষ্টিয়ান জগতৰ মধ্যযুগীয় ইতিহাস, খৃষ্টপূৰ্ব জগতৰ সম্ভেদ-আকৰ আৰু এগৰাকী মহৎ কবিৰ মানসিক দিব্য-আলোক যাত্ৰা। এই মহাকাব্যৰ সকলো দিশ খৰ্চি মাৰি ইয়াৰ গভীৰ তাৎপৰ্য উপলব্ধি কৰা পণ্ডিতৰ সংখ্যা ভাৰতত নালাগে ইউৰোপতো সীমাবদ্ধ। মেকলে (Mecauley), টি. এছ. এলিয়ট আদি মনীষীসকলেও দুৰূহ কাব্য বুলি অভিমত দাঙি ধৰিছে'। 'ডিভাইন কমেডি'ৰ ভিতৰত ভুমুকি মাৰি চোৱাৰ আগতে ইয়াৰ স্ৰষ্টাজনৰ বিষয়ে কিছু কথা জনা প্ৰয়োজন, কাৰণ মহাকাব্যখনৰ ওপৰত কবিৰ ব্যক্তিগত জীৱন আৰু অভিজ্ঞতাৰ যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয় আৰু তেওঁ জনা, সান্নিধ্যলৈ অহা আৰু স্বল্প-পৰিচিত বহু ব্যক্তি আৰু ঘটনাই মহাকাব্যখনত স্থান লাভ কৰিছে।.

খৃষ্টীয় ১২৬৫ অব্দত ইটালীৰ ফ্ল'ৰেণ্চ চহৰত ডাণ্টে এলিঘিয়েৰিৰ জন্ম হয়। অভিজাত পৰিয়ালত জন্ম গ্ৰহণ নকৰিলেও সম্ভ্ৰান্ত বংশতে তেওঁ জন্ম লাভ কৰে। সেই সময়ত ইটালীৰ কিছুমান নগৰ-গণৰাজ্যৰ সমষ্টি মাত্ৰ আছিল। এই নগৰ-গণৰাজ্যবোৰে ৰোম সাম্ৰাজ্যৰ লগত প্ৰতি শিথিলভাৱে আনুগত্য প্ৰকাশ কৰিছিল, এই আনুগত্যৰ ভেটি আছিল ৰাজনৈতিক কাৰণতকৈ ধৰ্মীয় সম্পৰ্ক আৰু পৰম্পৰাগত ৰোমীয় আইন বা বিধিবিধান। ৰাজ্যবোৰৰ মাজত সঘনে যুদ্ধ বিগ্ৰহ চলিছিল। যুদ্ধ বিগ্ৰহৰ আন আন স্থানীয় কাৰণৰ উপৰিও দুটা ৰাজনৈতিক দলৰ বিৰোধেই প্ৰধান কাৰণ বুলি জনা যায়। এটা দল অভিজাত সম্প্ৰদায়ৰ, এই দল ঘিবেলাইন নামে ইতিহাসত জনাজাত। এই দলটোৱে সম্ৰাটৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছিল। আনটো দল আছিল সাধাৰণত জনতাৰ, দলটো গুৱেল্ফ (Guelfs)

নামে পৰিচিত আছিল। এই দলত সাধাৰণৰ খেতিয়ক-বণুৱা শ্ৰেণীৰ উপৰিও ব্যৱসায়ী আৰু নিম্নবিত্তৰ সম্ভ্ৰান্ত ব্যক্তিও জড়িত আছিল। এই দলটোৰ সৰহভাগেই ইটালীৰ আদিম বাসিন্দা। তেওঁলোকৰ দলৰ মুখ্য আদৰ্শ আছিল পৌৰ স্বাধীনতা (civic liberty)। এই দল দুটাৰ আদৰ্শগত, সীমাগত, বংশগত বিৰোধৰ সুবিধালৈ ইউৰোপীয় শক্তিসমূহে সুবিধা বুজি হেতাওপৰা কৰিছিল আৰু ঘোলা পানীত মাছ মাৰিছিল।

কিন্তু এই সময়টো আছিল ইউৰোপীয় ইতিহাসৰ বিশেষ সময়। ৰিনাছাঁৰ উন্মেষ, বাণিজ্যৰ প্ৰসাৰ, শিল্পী-ব্যৱসায়ী সংঘৰ (guilds) প্ৰতিপত্তি, প্ৰাচীন ধ্ৰুপদী গ্ৰীক সাহিত্য, জ্ঞানবিজ্ঞানৰ পুনৰ আৱিষ্কাৰ আৰু সাংস্কৃতিক সমাজৰ অভ্যুত্থানে, সংগীত, চিত্ৰকলা, ভাস্কৰ্য আদিত ইন্ধন আৰু অনুপ্ৰেৰণা যোগোৱাত অন্ধকাৰ যুগৰ অৱসান ঘটাই নতুন আলোকসঞ্চাৰী যুগৰ আৱিৰ্ভাব কৰে। এই সময়ৰ পৰাই পণ্ডিতসকলে জ্ঞানবিকীৰণকাৰী মহাবিদ্যালয়-বিশ্ববিদ্যালয়সমূহ প্ৰতিষ্ঠা কৰিবলৈ আৰম্ভ কৰে। এই আলোৰণকাৰী যুগৰে সন্তান ডান্টে এলিঘিয়েৰি।

ডান্টেৰ পৰিয়ালটোৰ আৰ্থিক অৱস্থা স্বচ্ছল আছিল, কিছু মাটিবৃত্তিও আছিল। পাঁচ বছৰ বয়সত তেওঁ মাতৃহাৰা হয় আৰু বাৰ বছৰ বয়সত পিতৃৰো পৰলোকপ্ৰাপ্তি ঘটে। শৈশৱ অৱস্থাতে তেওঁৰ এনে এটা অভূতপূৰ্ব অভিজ্ঞতা হয় যিটোৰ প্ৰভাৱে তেওঁৰ সমস্ত জীৱনৰ গতি নিৰ্ণয় কৰি জীৱনজলধিত আলোকস্তম্ভৰূপে দিক্ নিৰ্ণয়ত সহায় কৰে। ন বছৰ বয়সত পিতাকে ফল্‌ক' পৰ্টিনাৰি (Folco Portinari) নামে এগৰাকী আঢ্যবন্ত বন্ধুৰ ঘৰলৈ মে দিৱস উপলক্ষ্যে ডান্টেক লৈ যায়। সেই বন্ধুজনৰ ঘৰত এজনী ৮/৯ বছৰীয়া ছোৱালীক লগ পোৱাৰ সৌভাগ্য ঘটে। প্ৰথম দেখাই কিশোৰ ডান্টেৰ মনত এনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, যেন তেওঁৰ সমস্ত শৰীৰত বিজুলীৰ সোঁতহে প্ৰৱাহিত হয়। তেওঁৰ দেহত কপনিৰ ঢৌ উঠে আৰু লগে লগে অনুভৱ কৰে তেওঁৰ জীৱনৰ শান্তিৰ প্ৰতীক যেন সন্মুখত থিয় দি আছে। এই ছোৱালীজনীয়েই বিয়েট্ৰিছ। ১২৮৭ চনত ছাইমন ডে বাৰ্ডি নামৰ এজন সম্ভ্ৰান্ত বংশীয় যুৱকৰ লগত বিয়েট্ৰিছৰ বিৱাহ সম্পন্ন হয়। কৈশোৰতে চুম্বকৰ দৰে বিয়েট্ৰিছৰ প্ৰতি আকৃষ্ট হোৱা ডান্টেৰ আকৰ্ষণত কোনো যৌন ভাব নাছিল, বিয়া কৰিবলৈকো হাবিয়াস নাছিল অথবা কিবা স্বৰূপে নিজৰ কৰি লোৱাৰো কোনো দুৰভিসন্ধি নাছিল। তেওঁ কেৱল মাত্ৰ বিয়েট্ৰিছক একোবাৰ ঘৰৰ পৰাই চাই মনত এক অভাৱনীয় শান্তি আৰু সন্তুষ্টি লভিবৰ উদ্দেশ্যেই অলে তলে ওলাই গৈছিল। বিয়েট্ৰিছৰ দৰ্শন তেওঁৰ কাৰণে আছিল একো একোটা 'সৰগ বতৰা' (revelation)। ওঠৰ বছৰ বয়সত *এদিন আকস্মিকভাৱে বাটত বিয়েট্ৰিছে তেওঁক দেখা পাই নমস্কাৰ জনাই দুই-চাৰিবাৰ কথা হোৱাত ডান্টে এনে অভিভূত হৈছিল যে (I seemed to behold*

the uttermost bounds of bliss) বুলি কৈছিল। ১২৯০ চনত বিয়েট্রিছৰ অকাল মৃত্যু হয় আৰু তেওঁৰ মৃত্যুত ডাণ্টে ইমান মৰ্মাহত হৈছিল যে অনুভব কৰিছিল যে জীৱনৰ বন্তি চিৰদিনৰ কাৰণে নিৰ্বাপিত হ'ল আৰু ফ্লৰেঞ্চ নগৰো যেন শূন্য হ'ল।

বিয়েট্রিছৰ মৃত্যুৰ কিছুদিনৰ পাছত ডাণ্টেই ৰচনা কৰা কবিতাখিনি গোটাই এখন গ্ৰন্থ প্ৰণয়ন কৰে, এই কাব্যগ্ৰন্থই হ'ল 'নতুন জীৱন' (La Vita Nouva)। এই কাব্যগ্ৰন্থৰ এটা গদ্যটীকাও লগতে সন্নিৱিষ্ট কৰি তেওঁ লিখিছিল যে মৃতা বিয়েট্রিছৰ ঈশ্বৰানুকূল ৰূপ (God-bearing Image) আৰু তেওঁক ঈশ্বৰৰ কৰুণা (grace) আৰু মহিমাৰ বাহক ৰূপে ৎন্ময়ভাৱত দেখা পাইছিল।

'নৱ-জীৱন' কিছুমান ছনেট কবিতাৰ সমষ্টি। এই ছনেটবোৰত ডাণ্টেৰ আত্মজীৱনৰ যথেষ্ট সমল আছে যদিও ই আত্মজীৱনী নহয়। এই কবিতাবোৰত বিয়েট্রিছৰ প্ৰতি ডাণ্টেৰ দৃষ্টিভঙ্গিৰ পৰিচয় পোৱা যায়, সেই প্ৰসংগত এই কথাও জনা যায় যে দহ বছৰৰ পৰা পঁচিশ বছৰৰ ভিতৰৰ কালছোৱাত তেওঁ বিয়েট্রিছৰ প্লেটনিক প্ৰেম কবিতাৰ ছনেট কবিতা ৰচনা কৰি ফ্লৰেঞ্চৰ শিক্ষিত সমাজত বিলাই দিছিল, আৰু এক শোকপ্ৰেমানুভূতিৰ পৰা অন্য শোকানুভূতিৰ সংকটলৈ পৰিসৰ্পণ কৰিছিল। পঁচিশ বছৰ বয়সত গুৱেলেফ্ দলৰ ফলীয়া হৈ ঘিবেলাইন দলৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈছিল। পৰম্পৰাগত শত্ৰুভাৱ বশৱৰ্ত্তী দুটা শক্তিশালী বংশৰ বিৰোধৰ ভিত্তিত এই যুদ্ধ সংঘটিত হৈছিল। এই যুদ্ধ প্ৰায় আঠৈ কুৰি বছৰ ব্যাপি চলিছিল। ১২৮৯ চনত ডাণ্টে যুদ্ধলৈ যায় আৰু নিজৰ দলৰ হৈ যুদ্ধও কৰে। ইয়াৰ পাছৰ দহ বছৰ তেওঁ প্ৰধানকৈ অধ্যয়নত নিবিষ্ট থাকে। তেওঁ ইটালীয় ভাষাত কবিতা ৰচনা ৰীতিৰ লগত ঘনিষ্ঠভাৱে পৰিচিত আছিল। লেটিন ভাষা নিয়াৰিকৈ আয়ত্ব কৰে আৰু দৰ্শন, বিজ্ঞান, ধৰ্মীয় শাস্ত্ৰ (Theology), জ্যোতিষ আৰু ধ্ৰুপদী কাব্য গভীৰভাৱে অধ্যয়ন কৰে। ১২৯৮ চনত গেমা নামৰ এগৰাকী গাভৰুক বিয়া কৰে আৰু বিবাহৰ ফলত তেওঁ চাৰিটি সন্তানৰ পিতৃ হয়। কলা, সাহিত্য, ধৰ্মশাস্ত্ৰ আৰু বিজ্ঞান চৰ্চাত আত্মনিয়োগ কৰাৰ উপৰিও, গৃহস্থালিৰ কাৰ্য আৰু স্থানীয় ৰাজনীতিত তেওঁ সংশ্লিষ্ট আছিল। সেই সময় ছোৱাত ফ্লৰেঞ্চ নগৰ এজন ন্যায়াধীশ আৰু ছয়জন 'প্ৰায়ৰ' (Priors) দ্বাৰা শাসিত হৈছিল। প্ৰত্যেকজনক দুমাহৰ কাৰণে নিৰ্বাচিত কৰা হৈছিল। ডাণ্টে যেতিয়া 'প্ৰায়ৰ' আছিল সেই সময়তে গুৱেলফ দলৰ মাজত বিৰোধ ঘটি কৃষ্ণ আৰু শ্বেত দুটা উপদলত বিভক্ত হয়। 'প্ৰায়ৰ' কেইজনে দুটা দলৰ নেতা কেইজনক নগৰৰ পৰা নিৰ্বাসিত কৰে। ভেলইৰ চাৰ্লছে হস্তক্ষেপ কৰি ডাণ্টেক আৰু তেওঁৰ লগৰীয়া শ্বেত উপদলৰ নেতা কেইজনকো মৃত্যুদণ্ডৰ ভয় দেখুৱাই জন্মভূমিৰ পৰা ১৩০২ চনত নিৰ্বাসন দিয়ে। অন্যৰ মতামত সহজে গ্ৰহণ কৰিব নোৱাৰা স্বভাৱ, আনৰকথাত অসহিষ্ণু আৰু মিলিব নোৱাৰা প্ৰবৃত্তি,

শানিত জিহ্বা, আদিয়ে তেওঁৰ ৰাজনৈতিক জীৱনৰ উন্নতিত বাধা সৃষ্টি কৰিছিল। যদিও ৰাজনৈতিক ভাবে তেওঁ প্লেবিয়ান গুৱেলফ্ দলৰ সদস্য আছিল, পেট্ৰিচিয়ান ঘিবেলাইন দলৰ উদাৰ মন, কলা সাহিত্যৰ প্ৰতি অনুৰাগ, আভিজাত্য আদিৰ গুণৰ প্ৰতি তেওঁ আকৃষ্ট আছিল। ভেটিকান পোপে সামাজিক তথা ঐহিক বিষয়ত হেতাওপৰা কৰাটো তেওঁ পচন্দ নকৰিছিল, বৰং ৰোমান সাম্রাজ্যৰ অধীনত ঐক্যবদ্ধ ইটালী ৰাজ্যৰ পৰিপোষক আছিল। নগৰ ৰাষ্ট্ৰবোৰৰ পোপবিৰোধী বা সম্রাটবিৰোধী মনোভাবক তেওঁ নঞাৰ্থক বুলি ভাবিছিল, কাৰণ পোপ বা সাম্রাজ্যৰ সমৰ শক্তি উলংঘা কৰিব পৰা শক্তি কোনো এখন ইটালীয় ৰাজ্যৰ নাছিল।

নিৰ্বাসনৰ পাছত ডাণ্টে ইখন ঠাইৰ পৰা সিখন ঠাইলৈ পৰিভ্ৰমণ কৰি ফুৰিছিল। এই সময়ছোৱাতে তেওঁ 'কন্‌ভিভিঅ' (Convivio) অৰ্থাৎ ভোজমেল, নামৰ পোন্ধৰটা খণ্ডত বিভক্ত এখন বিৰাট গ্ৰন্থৰ পৰিকল্পনা কৰে আৰু তাৰে চাৰিটা খণ্ড লিখি শেষ কৰে। এই বিৰাট গ্ৰন্থখন প্ৰধানকৈ দৰ্শন বিষয়ক আছিল। ইয়াৰো ভাষা আছিল ইটালীয়, কথিত ভাষা, লেটিন ভাষা নহয়। লিখি থৈ যোৱা চাৰিটা খণ্ডত তেওঁৰ ৰচিত চৌধ্যটা অ'ড (Ode) জাতীয় কবিতাৰ দাৰ্শনিক ভিত্তি আৰু বিচাৰ বিশ্লেষিত হৈছে। এই যাযাবৰী কালছোৱাত মানসিক অৱস্থা তেওঁৰ কেনে আছিল সেই বিষয়ে তেওঁ এইদৰে লিখি গৈছে, "Verily I have been a ship without sail or rudder driven to various harbours and shores…"

'কন্‌ভিভিঅ'ত তেওঁ এটা ঘটনাৰ উল্লেখ কৰিছে যিটো প্ৰসংগক্ৰমে উল্লেখ কৰা প্ৰয়োজন। বিয়েট্ৰিছৰ মৃত্যুত শোকসন্তপ্ত হৈ ঘূৰি ফুৰোঁতে খিৰিকিৰ ফাকেৰে ডাণ্টেলৈ সহানুভূতিৰ দৃষ্টিৰে চোৱা এগৰাকী মহিলাৰ প্ৰতি তেওঁ সাময়িকভাৱে আকৃষ্ট হৈছিল। এই ধিচ্যুতিৰ কাৰণে নিজকে বিয়েট্ৰিছৰ প্ৰতি অহৰহ প্ৰৱাহিত প্ৰেমৰ অৱমাননা হোৱা বুলি পাছত সন্তপ্ত হৈছে আৰু অনুশোচনা কৰিছে। উক্ত গ্ৰন্থত কবিয়ে ৰাহসিক ভক্তিভাৱত সকলোৰে 'মহিলাৰূপী দৰ্শনক' (Lady Philosophy) পূজা কৰিব লাগে বুলি কৈছে, কাৰণ তেওঁৰ মতে দৰ্শন বিয়েট্ৰিছৰ প্ৰতীক। ডাণ্টেই বিশ্বৰাষ্ট্ৰৰ সপোন দেখিছিল। তেওঁৰ মতে সমগ্ৰ বিশ্ব এখন ৰাষ্ট্ৰত পৰিণত হব লাগে, য'ত এজন ৰজাই বিশ্বজনীন বিধি বা আইনৰ দ্বাৰা শান্তি আৰু ন্যায় প্ৰতিষ্ঠা কৰিব আৰু এই বিশ্বৰাষ্ট্ৰৰ পবিত্ৰ ৰোমান সাম্রাজ্যক কেন্দ্ৰ কৰিয়ে গঢ়ি উঠিব। তেওঁৰ এখন লেটিন গ্ৰন্থ 'মনাৰ্কিয়া'ত (Monarchia) উক্ত ৰাজনৈতিক ধাৰণাটো ব্যাখ্যা কৰি কৈছে—"Him from whom, as from a single point, the power of Peter and of Caesar brancheth." ৰাজশক্তিৰ নিমিত্তে যুক্তি বিচাৰ আৰু আধ্যাত্মিক শক্তিৰ নিমিত্তে দৈৱবাণী বা ঐশিক বাৰ্তাৰ প্ৰয়োজন বুলি তেওঁ ধাৰণা কৰিছিল। সেই কাৰণেই তেওঁ ৰোমান সম্রাট অষ্টম হেনৰিৰে

পৰিকল্পিত বিশ্বৰাষ্ট্ৰৰ ৰজাৰ ভূমিকাত অৱতীৰ্ণ হব পাৰিব বুলি আশা কৰিছিল। গীৰ্জাই ৰাজনীতিত অনধিকাৰ প্ৰবেশ নকৰি মানুহৰ সৎপ্ৰবৃত্তিবোৰ জগাই দি চৰিত্ৰ গঠনত সহায় কৰিব লাগে যাতে তেওঁলোক বিশ্বৰাষ্ট্ৰৰ সৎ নাগৰিক হৈ প্ৰকৃত খৃষ্টিয়ান জীৱন যাপন কৰিব পাৰে।

ডাণ্টেৰ ওপৰত উল্লেখ কৰা ধাৰণাসমূহে ফ্লৰেঞ্চবাসীক অসন্তুষ্ট কৰে, ফলত ১৩১৪ খৃষ্টাব্দত তেওঁৰ নিৰ্বাসন দণ্ডৰ ম্যাদ বঢ়াই দিয়া হয়। তেওঁৰ দুজন পুতেক পিয়েত্ৰ' আৰু জেকবকো জন্মভূমিৰ পৰা নিৰ্বাসিত কৰে। এওঁলোকেও ৰেভেনাত বাপেকৰ লগ লাগে। সাংসাৰিক সুখ-সম্পত্তি, যৌৱন, প্ৰেম, গৃহস্থালিৰ শান্তি, জন্মভূমিৰ নাগৰিকত্ব, ন্যায়বিচাৰ আৰু সুশৃংখলতাপূৰ্ণ জগতৰ সপোন হেৰুৱাই তেওঁৰ মন উৰ্ধ্বমুখী হৈ পৰিছিল। গীৰ্জাৰ দুৰ্নীতি, সাম্ৰাজ্যৰ শোষণ-উৎপীড়ন আৰু মানৱমনৰ কলুষতা—এই সকলোবোৰে ডাণ্টেৰ কল্পনানুভূতিত নৰকৰ চিত্ৰ প্ৰতিফলিত কৰিছিল। এই ভয়াবহ নৰক-যন্ত্ৰণাৰ পৰা মানৱৰ উদ্ধাৰকল্পে তেওঁ শুদ্ধিকৰণ নৰক আৰু দিব্যলোকাৰোহণৰ বিচিত্ৰ ৰূপ আৰু দৃশ্য দিব্যভাৱানুভূতিৰে উপলব্ধি কৰিছে। তদুপৰি এই আভ্যন্তৰিক অন্বেষণত জীৱনৰ অধিষ্ঠাত্ৰীস্বৰূপা প্ৰেমৰ দেৱী বিয়েট্ৰিছো অঙ্গাঙ্গীৰূপে জড়িত হৈ পৰিছে। সকলোৰে সংযোগত 'ডিভাইন কমেডি' এখন বিৰাট ৰূপক-মহাকাব্যত পৰিণত হৈছে। সাধাৰণ মহাকাব্যৰ ৰূপ আৰু সুৰৰ পৰা এই মহাকাব্যৰ ৰূপ আৰু সুৰ ভিন্নমুখী।

খৃষ্টীয় ১৩২১ অব্দত ছাপন্ন বছৰ বয়সত ডাণ্টেৰ মৃত্যু হয়। নাতিদীৰ্ঘ বয়সৰ শেষৰ কেই বছৰমান ভেৰোনাৰ ইম্পিৰিয়েল ভাইকাৰৰ কৰ্তৃত শান্তি আৰু স্বাচ্ছন্দ্যত অতিবাহিত কৰে। ১৩১৭ চনত ৰেভেনাৰ পলেণ্টাৰ কাউণ্টৰ আহ্বানক্ৰমে ৰেভেনালৈ উভতি যায়। ইয়াতে 'পাৰ্গেতৰি' আৰু 'পেৰেডিছ' সম্পূৰ্ণ কৰে আৰু সুকুমাৰ কলা আৰু কাব্যৰ ওপৰত বক্তৃতা দি জীৱননিৰ্বাহৰ সমল সংগ্ৰহ কৰিছিল। ৰেভেনাতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ পাছত তেওঁৰ খ্যাতি যেতিয়া সমস্ত ইটালীত বিয়পি পৰে তেতিয়া ফ্লৰেঞ্চবাসীয়ে তেওঁক পুনৰ ঘোৰা শৰাধাৰটো দাবী কৰে, কিন্তু তেওঁক আশ্ৰয় দিয়া ৰেভেনাবাসীয়ে দিবলৈ অস্বীকাৰ কৰে।

'ডিভাইন কমেডি' তিনটা খণ্ডত বিভক্ত বুলি আগতেই কৈ অহা হৈছে—নৰক, শুদ্ধীকাৰক নৰক আৰু স্বৰ্গ। প্ৰত্যেক খণ্ডত তেত্ৰিশটাকৈ সৰ্গ (Canto), কিন্তু প্ৰথম খণ্ডত এটা অতিৰিক্ত প্ৰাৰম্ভিক সৰ্গ সংযোগ হোৱাৰ কাৰণে সৰ্বমুঠ এশটা সৰ্গ গ্ৰন্থখনত সন্নিবিষ্ট আছে। সৰ্গবোৰত এশত্ৰিশৰ পৰা এশ পঞ্চাশলৈ লাইন বা শাৰী দেখা যায়।

প্ৰথম খণ্ডৰ প্ৰথম সৰ্গত ডাণ্টেই বৰ্ণনা কৰিছে যে প্ৰকৃত পথৰ পৰা পথভ্ৰষ্ট হৈ তেওঁ এখন গভীৰ অন্ধকাৰ অৰণ্যত প্ৰৱেশ কৰে। তেওঁ অৰণ্যৰ পৰা ওলাই আহিবলৈ এটা সুন্দৰ পাহাৰ অতিক্ৰম কৰিব খোজোঁতে প্ৰথমতে এটা নাহৰফুটুকা

বাঘে, দ্বিতীয় চেষ্টাত এটা সিংহই আৰু তৃতীয় বাৰত এজনী নৰখাদক কুকুৰনেচীয়া বাঘে বাধা দিয়ে। উপায়হীন হৈ পুনৰ অৰণ্যখনলৈ উভতি আহিবলৈ পথ বিচাৰোঁতে মহাকবি ভাৰ্জিলৰ ছায়ামূৰ্ত্তি আবিৰ্ভাব হৈ কয় যে কুকুৰনেচীয়া বাঘিনীক চেৰাই তেওঁ পাহাৰটো বগাই পাৰ হৈ যাব নোৱাৰে। গতিকে কবিয়ে (ডাণ্টে) ভাৰ্জিলৰ ওপৰত সম্পূৰ্ণ ভৰষা কৰি তেওঁক অনুসৰণ কৰি বাট বুলিলেহে এটা দীৰ্ঘ পথেদি, নৰক আৰু বিশুদ্ধীকৰণ নৰকৰ মাজেদি গৈ প্ৰকৃত পথত উপণীত হবগৈ পাৰিব আৰু তাৰ পাছত ভাৰ্জিলতকৈ অধিক সমৰ্থা বিয়েষ্ট্ৰিছে তেওঁক পুণ্যাত্মাসকলে বাস কৰা মহাশান্তিলোকলৈ ডাণ্টেক পথ দেখুৱাই লৈ যাব। ভাৰ্জিলক পথপ্ৰদৰ্শক ৰূপে লৈ ডাণ্টেই মহাযাত্ৰা বা দিব্যযাত্ৰা আৰম্ভ কৰে। ভাৰ্জিলে ডাণ্টেক আশ্বস্ত কৰে যে মেৰীৰ দ্বাৰা অনুপ্ৰেৰিত হৈ বিয়েট্ৰিছে নৰকলৈ নামি আহি তেওঁক (ভাৰ্জিলক) ডাণ্টেৰ সহায় অৰ্থে পঠিয়াই দিছে।

ডাণ্টেৰ কাব্যত নৰক ৯টা ঘেৰা বা মণ্ডলত (Circle) বিভক্ত। কোনো কোনো মণ্ডল আকৌ কেবাটাও কুণ্ডত বিভক্ত। ইয়াৰ বিভিন্ন মণ্ডলত বিভিন্ন শ্ৰেণীৰ পাপীক শাস্তি বিধান কৰা হয়।. ভাৰ্জিলৰ লগত ডাণ্টে গৈ নৰকৰ জপনামুখত থিয় হয়, তাৰ মাজেদি সৰ্বকি 'একিৰণ' নদীৰ পাৰ পোৱাত ঘাটে চাৰণে ভাৰ্জিলৰ অনুৰোধক্ৰমে তেওঁলোকক পাৰ কৰি দিয়ে। নদী পাৰ হৈ নৰক কুণ্ডৰ প্ৰথম ঘেৰা বা মণ্ডলত খৃষ্ট-ধৰ্মত দীক্ষিত নোহোৱা প্ৰাচীন সাধু পুৰুষ কিছুক দেখা পায়। এওঁলোক নৰকত বাস কৰিলেও শাস্তি ভোগ কৰা নাছিল। এওঁলোক খৃষ্ট ধৰ্মত দীক্ষিত নহলেও সৎ আৰু প্ৰতিভাশালী লোক আছিল। এনে লোকৰ ভিতৰত ইহুদী মহাপুৰুষ মোজেছ, নোৱা আদি, হোমাৰ, ছক্ৰেটিছ, প্লেট', গ্ৰীকবীৰ হেক্টৰ, ইনিয়াছ আদি। তাৰ পিছত নৰকস্থানৰ দ্বিতীয় মণ্ডলৰ কাষ পায়গৈ। ইয়াত অনবৰতে প্ৰলয়ংকৰ ধুমুহাই ঘটালি থকা কামুক স্ত্ৰী-পুৰুষক কষ্ট ভোগ কৰা দেখা পায়, তেনে স্ত্ৰী-পুৰুষৰ নমুনা হ'ল ৰাণী ডিডো (Dido), ছেমিৰামেছ (Semirames)। তৃতীয় ঘেৰাত খকুৱাবোৰক প্ৰবল বৰষুণে অনবৰতে খুন্দি থকা দেখা পায়। চতুৰ্থ ঘেৰাত কৃপণ আৰু মজুতকাৰীবোৰে প্ৰকাণ্ড শিল ইটোৱে সিটোৰ গালৈ দলিয়াই থকা দেখা যায়। তাৰ পাছত ভাৰ্জিল আৰু ডাণ্টে পঞ্চম মণ্ডলত উপস্থিত হয়। এই মণ্ডল ষ্টীক্স নদীৰ পিতনিৰে আবৃত। ইয়াৰ পিতনিত খঙালবোৰ আকণ্ঠ ডুবি থাকি কষ্ট পায়। ষ্টীক্স নদীৰ পাৰত থকা পৰ্যবেক্ষণ স্তম্ভৰপৰা ভাৰ্জিল আৰু ডাণ্টেক নদীখন পাৰ কৰাই দিয়ে আৰু তাৰ ডিছপুৰৰ (City of Dis of Satam) কাষত তেওঁলোকক কিছু সময় ৰখা হয়। তেওঁলোকে স্বৰ্গীয় সহায় প্ৰাৰ্থনা কৰে। এজন দেৱদূত আহি ডিছ নগৰৰ দুৱাৰ মুকলি কৰি দিয়ে। কবি আৰু ভাৰ্জিলে খৃষ্টধৰ্মত অবিশ্বাসী (heretics) সকলৰ জ্বলন্ত সমাধিবোৰ দেখিবলৈ পায়। তেওঁলোক নগৰ অতিক্ৰম কৰি যাওঁতে ভোগবাদীসকলক (epicureans) লগ পায়, তাৰে এজনে ডাণ্টেৰ জন্মভূমিৰ পৰা নিৰ্বাসনৰ ভৱিষ্যদ্বাণী কৰে। ইয়াৰ পাছত

ষষ্ঠ ঘেৰা পাৰ হৈ সপ্তম মণ্ডলত উপস্থিত হয়। এই ঘেৰাত হিংসাবাদ, প্ৰবঞ্চনা, ইন্দ্ৰিয়পৰায়ণতা, সুদলৈ ধন ধাৰে দিয়া কাৰ্য আৰু প্ৰকৃতি বিৰুদ্ধ অপকৰ্ম আদিত লিপ্ত থকাসকলৰ শাস্তিৰ বিভিন্ন বিভাগৰ কথা ভাৰ্জিলে ডাণ্টেক বুজাই দিয়ে। প্ৰথমতে উতলি থকা তেজৰ নৈ ফেলেগেথন দেখা পায় য'ত ওচৰচুবুৰীয়াক হিংসা আৰু মাৰধৰ কৰা পাপীবোৰক ডুবাই ৰখা হয় আৰু এই নদীৰ পাৰ অৰ্ধমানৱ আৰু অৰ্ধ ঘোৰা আকৃতিৰ চেণ্টুৰবোৰে পহৰা দি থাকে। ভাৰ্জিলৰ অনুৰোধত চেণ্টুৰপ্ৰধানজনে তেওঁলোকক নদীখন পাৰ কৰাই দিয়ে. পথত স্বেচ্ছাচাৰী ৰজাসকলক (tyrrants) আৰু প্ৰসিদ্ধ দস্যু কিছুমানক শাস্তিভোগ কৰি থকা দেখা পায়। তাৰ পাছত কবি দুজন এখন বাট-পথ নোহোৱা অৰণ্যত প্ৰৱেশ কৰে। তাত তেওঁলোকে আত্মহত্যা কৰাসকলে শেষ বিচাৰৰ নিমিত্তে তেজ পৰি থকা গছত পৰিণত হৈ শেষ বিচাৰৰ নিমিত্তে অপেক্ষা কৰি থকা দেখা পায়। তপত বালিময় মৰুভূমিত অগ্নিবৰ্ষণত দগ্ধ হৈ থকা কিছুমান লোকক দেখা পায়, এওঁলোক ঈশ্বৰ, প্ৰকৃতি আৰু কলাৰ ধ্বংসোকাৰী লোক। এওঁলোকক এৰি কবি দুজন উতলি থকা ৰঙা সোঁতৰ নদীৰ দাঁতি পায়, এইখনো নৰকৰ নদী ফেলেগেথন, এইখিনিতে প্ৰকৃতি বা স্বাভাৱিক নীতিৰ বিৰুদ্ধে যোৱা লোকসকলক জিৰণি নোহোৱাকৈ দৌৰি থকা দেখা পায়। ইয়াতে ডাণ্টেই তেওঁৰ শিক্ষাগুৰু ব্ৰুনেটো লেটিনিক লগ পায়। এটা জলপ্ৰপাতৰ তলৰ গভীৰ খাদলৈ ভাৰ্জিলে ডাণ্টেৰ কমৰবন্ধনিডাল দলিয়াই দিয়াত তাৰ পৰা এক অদ্ভুত প্ৰাণী ওলাই আহি তেওঁলোকক সপ্তম ঘেৰাৰ পৰা নি অষ্টম ঘেৰাৰ কাষ পোৱায়গৈ। এই অষ্টম ঘেৰা বা মণ্ডলতো দহটা বেলেগ খাল দেখিবলৈ পায়, এইবোৰত প্ৰবঞ্চক, প্ৰলুদ্ধকাৰী (seducers) আৰু অবৈধ প্ৰণয়দূত (Panders) আদিক শাস্তি দিয়া দেখিবলৈ পায়। তৃতীয় খাল বা গাঁতটোত শিলৰ ফাটত মূৰ সুমুৱাই ওপৰলৈ ভৰি দুখন দাঙি থকা ঘুচখোৰ ধৰ্মযাজক বা গীৰ্জাধিকাৰীবোৰ দৃষ্টিগোচৰ হয়। তেওঁলোকক দেখি ডাণ্টেই ৰোমৰ পেপেচিৰ (পোপৰ ধৰ্মীয় ৰাজ্য) লোভ নিন্দা কৰে। চতুৰ্থ খাল বা গাঁতত যাদুকাৰী বা ডাইনীবিদ্যা চৰ্চা কৰা লোকক মূৰটো মোচৰ খাই পৰি থকা দেখা পায়। পঞ্চম খালত চৰকাৰী অফিচ বা দপ্তৰক ব্যৱসায় কেন্দ্ৰ বা লাভজনক প্ৰতিষ্ঠানলৈ পৰিণত কৰাবোৰক উতলা পানীত চটফটাই থকা দেখিবলৈ পায়। কিছু দূৰত ষষ্ঠ কুণ্ডত ব'লগ্নাৰ ফ্ৰায়াৰকে (যাজক) প্ৰমুখ্য কৰি ভণ্ড ধৰ্মধ্বজী কেইজনমানক সীহৰ লাইনিং লগোৱা বনকৰা প্ৰাবাৰক (cloak) পিন্ধি থকা অৱস্থাত তেওঁলোকৰ চকুত পৰে। সপ্তম কুণ্ডত ভয়াবহ সৰীসৃপৰ মাজত চোৰবোৰৰ ছায়ামূৰ্তি দেখে আৰু তাৰে এটা ছায়ামূৰ্তিক সাপে দংশন কৰাত তেওঁ মানৱৰূপ ধৰি দান্তে আৰু ভাৰ্জিলৰ আগত দেখা দি ফ্লৰেন্সৰ শ্বেতদলৰ পৰাজয়ৰ ভৱিষ্যদ্বাণী কৰে। তেওঁৰ লগতে ডাণ্টেও ফ্লৰেন্সৰ নিন্দাবাদ কৰে। তাৰপাছত তেওঁলোক এখন ওখ দলঙৰ

উঠি গাত জ্বই জ্বলি থকা অৱস্থাত ঠগ-প্ৰৱঞ্চনাৰ পৰামৰ্শদাতাবোৰক তলৰ কুণ্ডত ঘূৰি ফুৰা দেখা পায়। এই সকলৰ ভিতৰত ট্ৰয়-অভিযানকাৰী ইউলিছিচ আৰু ডায়মেডৰ উপস্থিতি আৰু তেওঁলোকৰ কাহিনী উপস্থাপিত কৰা হয়। এওঁলোক অষ্টম কুণ্ডত শাস্তি ভোগ কৰিছিল। নৱম কুণ্ডৰ ওপৰত থকা দলঙৰ পৰা কবিদ্বয়ে বিৰোধ কন্দলৰ বীজ শিচি ফুৰা পিশুনসকলক এটা দৈত্য যেন যমদূতে তৰোৱাল এখনেৰে ঘাপিয়াই থকা দেখা পায়। বিৰোধ বা কন্দল তিনি প্ৰকাৰৰ-ধৰ্মীয় বিৰোধ (schism), গৃহযুদ্ধ (civil strife) আৰু পৰিয়াল-কন্দল। এইবোৰৰ বীজ শিচোঁতাবিলাকৰ অৱস্থা নৱম কুণ্ডত বৰ্ণিত হৈছে। নৱমৰ পৰা দশম কুণ্ডলৈ নামি প্ৰতাৰক, মিথ্যাবাদীবিলাকক বিভিন্ন মাৰাত্মক ৰোগত ভুগি কষ্টত চটফটাই থকা দেখে। এওঁলোকৰ ভিতৰত আছিল আনৰ ব্যক্তিত্বৰ ভুৱা ৰূপ গ্ৰহণকাৰী (impersonator), মিথ্যাবাদী আৰু জালমুদ্ৰা তৈয়াৰ কৰা লোক। ইয়াৰ পাছত নৰকৰ অতল গহ্বৰৰ তলত থকা কুণ্ডটো দেখা পায়। এই কুণ্ডটোক ঘেৰি দৈত্যাকাৰ প্ৰাণী কিছুমানে পহৰা দি আছিল। তেওঁলোকৰ এজনে কবি দুজনক কুণ্ডটোৰ পাৰৰ পৰা নমাই দিয়াত তেওঁলোক নৱম ঘেৰ বা মণ্ডলৰ দুৱাৰত উপস্থিত হয়। এই ঘেৰটো এখন বৰফৰ হ্ৰদ বুলি কব পাৰি। ইয়াৰ নাম কচীটাছ (Cocytus)। এই ঘেৰা বিশ্বাসঘাতকৰ শাস্তিৰ স্থান। ইয়াৰ কাষৰ অঞ্চলত নিজৰ আত্মীয়জনক বিশ্বাসঘাতকতা কৰা প্ৰাণীয়ে ডিঙিলৈকে হিমশীতল বৰফত ডুবি কষ্টভোগ কৰি আছিল। ইয়াত চিনাকি দুই-এজনকো ডাণ্টেই দেখিবলৈ পাইছিল। ইয়াৰ পৰা অলপ ভিতৰলৈ দেশদ্ৰোহী বা দেশক বিশ্বাসঘাতকতা কৰা স্থান টলমেকা (Ptolomaca) দৰ্শন কৰে, ইয়াত দেশদ্ৰোহী আৰু অতিথিক বিশ্বাসঘাতকতা কৰা পাপীবোৰক শাস্তি দিয়া হয়। ইয়াৰ পাছত স্বামী বা প্ৰভুক বিশ্বাসঘাতকবিলাকৰ যন্ত্ৰণাৰ স্থান যুডেকালৈ (Judecaa) তেওঁলোক আগবাঢ়ি যায়। বৰফত ডুবি থকা যুডাচ (যি যিশুক বিশ্বাসঘাতকতা কৰিছিল) আৰু ব্ৰুটাছ আৰু কেছিয়াছৰ ছায়ামূৰ্তি (যি জুলিয়াছ চীজাৰৰ হত্যাত লিপ্ত আছিল) আদিক ছয়তানে (satan) গিলি থকা অৱস্থাত দেখা পায়। নৰক দৰ্শন ইয়াতে শেষ হৈছে।

ভূলোকৰ কেন্দ্ৰবিন্দু পাৰ হৈ তেওঁলোক এটা শিলাময় গুহাত উপনীত হয়। ইয়াৰ পৰাই লেঠে নদী ওলাই উৰ্ধমুখে গতি কৰিছে। সেই নদীয়েদি গৈ গোলোকৰ বিপৰীত বিন্দুত অৱস্থিত (antipodes) শুদ্ধিকৰণ নৰকৰ শৃংগত উপস্থিত হয়। ইয়াতে চতুস্ত্ৰিংশ সৰ্গ শেষ হৈছে। ইয়াৰ পাছত আৰম্ভ হৈছে 'শুদ্ধীকৰণ-নৰক' খণ্ড (Purgatory)। যিটো পৰ্বতৰ শৃংগত পাপক্ষয়কাৰী নৰক অৱস্থিত সেইটো সাতোটা স্তৰত বিভক্ত আছিল। একেবাৰে তুঙ্গত আছিল স্বৰ্গৰ দিব্য উপবন ইডেন (Garden of Eden)। কিন্তু তালৈ পোনে পোনে যোৱাৰ উপায় নাই আৰু পথো তেওঁলোকে চিনি নাপায়। এনে সময়তে তেওঁলোকৰ আগত উপস্থিত হ'ল দেশপ্ৰেমিক, স্বদেশৰ কাৰণে জীৱন আহুতি দিয়া ৰোমান

বীৰ কেটো। কেটোৱে তেওঁলোক দুয়োজনকে নম্ৰতাৰ প্ৰতীক নল-খাগৰিৰে নিজকে আবৃত কৰিলবলৈ উপদেশ দি যায়। এই দৰে সুৰক্ষিত হৈ তেওঁলোকে বিভিন্ন স্তৰ বা খলপ অতিক্ৰম কৰি ওপৰলৈ যাত্ৰা আৰম্ভ কৰে। পাপ-মোচনকাৰী নৰকৰ দুৱাৰ মুখত ধৰ্মদ্বেষী, অবাবত বা অসৎ কাৰ্যত কালকটোৱা পাপী বহুতকে তেওঁলোকে দেখা পালে। এওঁলোক পাপমোচনকাৰী নৰকত প্ৰৱেশ কৰিবলৈ অপেক্ষা কৰি আছিল। আত্মাক বিশুদ্ধ কৰা সাত খলপীয়া নৰকৰ প্ৰত্যেক স্তৰত বিভিন্ন পাপত লিপ্ত জীৱবোৰক শাস্তিৰ মাজেদি, জুইত পুৰি সোণ পৰিষ্কাৰ কৰাৰ দৰে, শুদ্ধ কৰা হয়। এই প্ৰসঙ্গত উল্লেখযোগ্য সাত খলপাত সাত বিধ পাপৰ শাস্তি বিধানৰ ব্যৱস্থা ডান্টে আৰু ভাৰ্জিলে দেখা পায়। এই সাত বিধ পাপ হ'ল—অহংকাৰ, অসূয়া বা ঈৰ্ষাপৰায়ণতা, ক্ৰোধ, লোভ, এলাহ, অমিতব্যয়িতা, খক বা অমিতভোজন, আৰু ইন্দ্ৰিয়পৰায়ণতা। প্ৰথম খলপত উঠাৰ আগতেই এজন দেৱদূতে ডান্টেৰ কপালত সাতোটা আখৰ চাপ মাৰি দিয়ে। প্ৰথম P আখৰটো লেটিন peccata শব্দৰ প্ৰথম আখৰ। 'পেকেটা' মানে পাপ। দান্তেও পাপ ক্ষালন কৰি ওপৰলৈ উঠিব পাৰিব। গতিকে প্ৰত্যেকটো স্তৰতে প্ৰৱেশ কৰি পাপক্ষালনকাৰী নৰকৰ অভিজ্ঞতা লৈ কপালৰ লিখন আখৰ কেইটা ডান্টেই মুছিব লাগিব। প্ৰথম খলপাত অহংকাৰী জীৱই পিঠিত গধুৰ শিলৰ একোটা বোজা কঢ়িয়াই থকা দেখিবলৈ পালে। তাৰ মাজতে ডান্টেই তেওঁৰ চিনাকি বন্ধু কিন্তু অত্যন্ত অহংকাৰী কবি আৰ্ভোৰ্ৰছিক লগ পায়। শাস্তিয়ে তেওঁৰ অহংকাৰ ধুই বিনম্ৰ কৰাত তেওঁ আন কবিৰ প্ৰতিভাৰ শ্ৰেষ্ঠতাও স্বীকাৰ কৰে। এই প্ৰথম স্তৰৰ তলৰ ভিত্তিত আৰু প্ৰাচীৰত অহংকাৰী নৰনাৰী আৰু নম্ৰতাৰ প্ৰতিমূৰ্তি স্বৰ্গপ্ৰয়াসী লোকক কবি দুজনে দেখা পাইছিল।

প্ৰথম খলপাটো অতিক্ৰম কৰি যোৱাৰ পাছত এজন দেৱদূতে ডান্টেৰ কপালত অংকিত প্ৰথম P আখৰটো মচি পেলায়, অৰ্থাৎ তেওঁৰ যি সামান্য আত্মাভিমান আছিল ক্ষালন হ'ল। এই দৰে দ্বিতীয়ৰ পৰা সপ্তম স্তৰলৈকে অসূয়া বা পৰশ্ৰী-কাতৰতা, ক্ৰোধ, লোভ আদি ওপৰত উল্লেখ কৰা পাপত লিপ্ত লোকসকলৰ প্ৰেতাত্মা-বোৰৰ শাস্তিৰ মাজেদি পাপমুক্ত হোৱা দৃশ্য দেখিবলৈ পায়। সেইসকলৰ মাজত তেওঁৰ চিনাকি আৰু অতীতৰ ভালে কেইজন প্ৰসিদ্ধ পুৰুষ আৰু মহিলাক দেখা পায়, আৰু দুই-চাৰিজনৰ লগত কথাও হয়। বিভিন্ন খলপা অতিক্ৰম কৰি যোৱাৰ পাছত এটা-এটাকৈ তেওঁৰ কপালৰ সাতোটা আখৰো দেৱদূতে মচি দিয়ে। প্ৰত্যেক খলপাতে দেৱদূতসকলে ঈশ্বৰৰ গুণগান আৰু অসৎ প্ৰবৃত্তিবোৰৰ বিপৰীতে সৎপ্ৰবৃত্তিবোৰৰ প্ৰশংসাসূচক গীত গাই যীশুৰ বাণীৰ পবিত্ৰতাৰ ফালে পাপী-সকলক আগুৱাই যোৱাত সহায় কৰে। এইদৰে চাৰিটা স্তৰ অতিক্ৰম কৰি যোৱাৰ পাছত ডান্টে আৰু তেওঁৰ পথপ্ৰদৰ্শক ভাৰ্জিল পুৱাৰ কাৰণে অপেক্ষা কৰিলে। পাছ দিনা তেওঁলোক আৰু দুটা খলপাৰ দৃশ্য চাই পাৰ হ'ল। ইয়াতো

তেওঁলোকে শান্তি আৰু পাপমুক্তিৰ দৃশ্যৰ লগতে দেৱদূতসকলে 'বাইবেল'ৰ গীত গাই পাপীক শোধন কৰি স্বৰ্গপথত আগুৱাই নিয়া দেখিবলৈ পায়। শেষৰ অৰ্থাৎ সপ্ত খলপতে ইডেন উদ্যান অৱস্থিত। ইয়াতে একুৰা প্ৰচণ্ড জুইৰ মাজেদি বিভিন্ন খলপাৰ পৰা অহা পাপীবোৰক সৰকাই পাপাত্মাবোৰক শোধন কৰি ইডেন উপবনলৈ পঠাই দিয়া হয়। এই জুইকুৰা এৰাই আগবাঢ়িবৰ উপায় নাই। ভাৰ্জিলৰ লগত অহা কাৰণে ডাণ্টেই এই পৰ্যন্ত নৰক বা পাপমোচনকাৰী নৰকৰ শাস্তি ভোগ কৰিব লগা হোৱা নাছিল। এইবাৰ কিন্তু জুইৰ মাজেদি নগলে ডাণ্টে সিমানতে ৰৈ যাব লাগিব। এই জুইকুৰা বিষয়ভোগকাৰীসকলৰ বিবেকৰ প্ৰতীক। জুইকুৰাৰ মাজেৰে কোনো কষ্ট নোপোৱাকৈ ডাণ্টে পাৰ হৈ যোৱাত তেওঁৰ কপালত আঁকি দিয়া শেষ P আখৰটোও মোছ খালে। এইদৰে পৰিশুদ্ধ হৈ ইডেন উপবনৰ দিব্য সৌন্দৰ্যৰ মাজত স্বৰ্গীয় আভাৰে উদ্ভাসিত প্ৰেমৰ প্ৰতিমূৰ্ত্তি স্বৰূপা বিয়েট্ৰিছক নামি অহা দেখা পালে। বিয়েট্ৰিছে ডাণ্টেক স্বৰ্গলৈ বাট দেখুৱাই নিবলৈ আহিছিল। ভাৰ্জিলে ইমানদূৰ তেওঁক বাট দেখুৱাই আহিছিল, কিন্তু খৃষ্টিয়ান ধৰ্মত দীক্ষিত নাছিল। সেই কাৰণে ঈশ্বৰৰ কাষলৈ বিভিন্ন গ্ৰহ-নক্ষত্ৰমণ্ডলৰ মাজেদি পথ নিৰ্দেশ কৰিবলৈ তেওঁ অক্ষম আছিল। তদুপৰি মানৱজ্ঞানৰ সীমিত শক্তিৰে ভূস্বৰ্গ ইডেন উপবনলৈ যোৱা সম্ভৱ আৰু পাপক্ষালন কৰাও সম্ভৱ, কিন্তু ঈশ্বৰৰ দিব্যলোকৰ ৰহস্য জ্ঞানেৰে ঢুকি পোৱা সম্ভৱ নহয়, ইয়াৰ কাৰণে প্ৰয়োজন দিব্যানুভূতি আৰু ঐশ্বৰিক প্ৰেম। লিথি নামৰ নদী এখনত স্নান কৰি শুচি হৈ ডাণ্টেই বিয়েট্ৰিছৰ লগত বিভিন্ন দিব্য লোক দৰ্শন কৰি ঈশ্বৰাভিমুখী হৈ মহাযাত্ৰা আৰম্ভ কৰিছে। ইয়াতেই 'পাৰ্গেটৰিজ' খণ্ড শেষ হৈছে।

ইডেন উদ্যানত থাকোঁতেই River of Good Remembrance নামৰ পানী খাই ললে। তাৰ পাছত সূৰ্যৰ ফালে চাওঁতে চাৰিও দিশে স্বৰ্গীয় সংগীত শুনিবলৈ পায় আৰু আলোক-সাগৰে তেওঁলোকক ঢৌৱাই দিয়ে। বিয়েট্ৰিছে ডাণ্টেক পৃথিবীৰ পৰা উৰ্দ্ধমুখী হৈ যাত্ৰা আৰম্ভ কৰা বুলি জনায়। ডাণ্টেৰ স্বৰ্গৰ ধাৰণামতে দিব্যলোক (paradise) ৯টা আৱৰ্ত্তমান মণ্ডলৰ সমষ্টি। এই মণ্ডলবোৰ ক্ৰমে চন্দ্ৰ মণ্ডল, বুধমণ্ডল, শুক্ৰমণ্ডল, সূৰ্যমণ্ডল, মঙ্গলৰ মণ্ডল, বৃহস্পতি মণ্ডল, শনিমণ্ডল, নক্ষত্ৰমণ্ডল, শক্তিমণ্ডল (primum mobile)। দৰাচলতে primum mobile শ্ৰেষ্ঠ আৰু সৰ্বোচ্চ স্বৰ্গমণ্ডলৰে অংগ। আৰু শেষ মণ্ডলত সৰ্বোচ্চ আৰু শ্ৰেষ্ঠ স্বৰ্গ (Empyrean)। প্ৰত্যেকটো মণ্ডলেই দিব্যলোকৰ বা পেৰেডাইজ'ৰ অংশবিশেষ। চন্দ্ৰমণ্ডলত চন্দ্ৰৰ কলংক বা ছায়াঘন অংশ বা ঘন পাতল অংশ দেখি ডাণ্টেৰ মনত সেই বিষয়ে জানিবৰ ইচ্ছা হোৱাত বিয়েট্ৰিছে কয় যে চন্দ্ৰমণ্ডল ঈশলোকৰ (Empyrean) পৰা দূৰতম হোৱাৰ কাৰণে দৈৱপুৰুষ বা দেৱদূত স্থানীয় পুৰুষসকলৰ শক্তিৰ প্ৰভাৱ সকলোতে সমানে নপৰে,

ফলত পোহৰৰ তাৰতম্য ঘটে। বিয়েট্ৰিছে আৰু কয় যে ঐশী পুৰুষসকলৰ শক্তিৰ প্ৰভাৱতে নখন স্বৰ্গমণ্ডলে গতি লাভ কৰিছে। চন্দ্ৰই ৰূপকাৰ্থত স্থৈৰ্যহীনতা (inconsistancy) বুজায়. সেই কাৰণে এই লোকত দেখা পোৱা আত্মাসকল সৎলোক আছিল যদিও ব্ৰতভঙ্গ কৰি স্থৈৰ্যহীনতাৰ দোষত পৰিছিল। সাম্ৰাজ্ঞী কনষ্টেনছ আৰু পিকাৰ্ডা (Piccarda) প্ৰথমতে মঠৰ সন্যাসিনী আছিল. পাছ বিবাহপাশত আবদ্ধ হয়। ডান্টেই তেওঁলোকক চন্দ্ৰলোকত দেখা পায়। চন্দ্ৰলোকত পৰা কাড়ৰ দৰে বিয়েট্ৰিছৰ লগত ডান্টে বুধৰ চক্ৰত প্ৰবেশ কৰে আৰু তাত ৰোমান সম্ৰাট জাষ্টিনিয়ানক লগ পায়। জাষ্টিনিয়ানে ৰোম সাম্ৰাজ্যৰ আতিগুৰি, ৰোমান শাসনবিধিৰ প্ৰবৰ্ত্তন, জেৰুজালেম উদ্ধাৰ, ৰোমান সাম্ৰাজ্যৰ মহিমা আদি বৰ্ণনা কৰে। প্ৰসঙ্গক্ৰমে যে বুধৰ মণ্ডলত থকাসকলে সৎ আৰু মহত্ত্বপূৰ্ণ কাৰ্য কৰিছিল যদিও তেওঁলোক যশস্যা লাভ আৰু উচ্চাকাঙ্ক্ষাৰ পৰা মুক্ত হ'ব পৰা নাছিল। ইয়াৰ পাছত বিয়েট্ৰিছে পুনৰুত্থানৰ ৰহস্য (mystery of resurrection) আৰু ঈশ্বৰৰ ন্যায়সঙ্গত বিচাৰৰ মহিমা ব্যক্ত কৰে। ইয়াৰ পাছত তেওঁলোকে বুধলোক এৰি দ্ৰুতগতিত শুক্ৰৰ মণ্ডলত সোমায়। ডান্টেই লক্ষ্য কৰে যে যিমানেই ওপৰলৈ উধাই গৈছে সিমানেই বিয়েট্ৰিছৰ উজ্জ্বলতা বাঢ়ি গৈছে। এই মণ্ডলত প্ৰেমিক জীৱসকলক দেখা যায়। এতিয়া এওঁলোকৰ প্ৰেম সংযত আৰু বিশুদ্ধ হৈ মধুৰ ঈশগীত গোৱাত নিমগ্ন। ইয়াতে ডান্টেই তেওঁৰ বন্ধু চাৰ্লছ মাৰ্টেলক আৰু দুই চাৰিজন প্ৰেমৰ বশৱৰ্তী হোৱা পুৰুষ-মহিলাক লগ পাই কথা হয়। শুক্ৰমণ্ডলৰ পৰা সূৰ্যমণ্ডললৈ তেওঁলোক যায়। এই চক্ৰ বা মণ্ডলৰ উজ্জ্বল পোহৰত প্ৰজ্ঞাবানসকলে ডান্টে আৰু বিয়েট্ৰিছক মাজত লৈ ঘূৰি ঘূৰি অপূৰ্ব স্বৰ্গীয় গীত গাবলৈ ধৰে। ইয়াতে ছেইণ্ট টমাছ একুইনাছে তেওঁৰ লগৰীয়া বাকী কেইজনকো চিনাকি কৰি দিয়ে। কথা প্ৰসঙ্গত একুইনাছে ছেইণ্ট ফ্ৰান্সিছৰ দাৰিদ্ৰ্যৰ গুণকীৰ্ত্তন কৰে। সৰ্বমুঠ ২৪ জন খৃষ্টধৰ্মৰ সন্ত প্ৰচাৰকে ডান্টে আৰু বিয়েট্ৰিছক সূৰ্যমণ্ডলত লগ ধৰে আৰু ডান্টেৰ মনত উদয় হোৱা খৃষ্টধৰ্ম আৰু দৰ্শন সম্পৰ্কে সন্দেহ দূৰ কৰে। তাৰ পাছত বিয়েট্ৰিছে কবিজনক মঙ্গলৰ চক্ৰলৈ লৈ যায়। ইয়াত তেওঁলোকে দুটা স্ফটিকধৱল পোহৰৰ ধাৰাত ক্ৰুশৰ আকৃতিত আৱিৰ্ভাৱ হৈ যীশুৰ ৰূপ গ্ৰহণ কৰা দেখা পায়। এই মঙ্গলৰ মণ্ডলত বীৰসকলৰ আত্মাক দেখা পায়। এই বীৰসকলৰ মাজৰ পৰা ডান্টেৰ এজন পূৰ্বপুৰুষে পৰিচয় দি দ্বাদশ শতাব্দীৰ ফ্ল'ৰেন্স নগৰৰ নাগৰিকসকলৰ গুণানুকীৰ্ত্তন কৰে আৰু লগতে ত্ৰয়োদশ শতিকাৰ ফ্ল'ৰেন্সৰ অধঃপতনৰ কাৰণে দুখ কৰে। পূৰ্ব-পুৰুষজনে, নাম কেচিয়াগুইডা, ডান্টেৰ জীৱনৰ ভৱিষ্যম্বাণীও কৰে। ৰোলাণ্ড (Roland) আদি খৃষ্টিয়ান বীৰসকলক স্বৰ্গীয় আভা আৰু সংগীতৰ মাজত দেখা পাই দুয়ো ন্যায়বিচাৰৰ অধিপতি বৃহস্পতিৰ (Jupiter) চক্ৰলৈ আৰোহণ কৰে য'ত ৰোমান সাম্ৰাজ্যৰ প্ৰতীক ঈগল চৰাই এটাৰ গঠনত ন্যায়পৰায়ণ ৰজা আৰু ৰাজপুৰুষক দেখা পায়। খৃষ্টধৰ্মত দীক্ষিত নোহোৱা সৎ ৰজাসকলক তাত দেখা

নাপাই প্ৰশ্ন কৰাত তেওঁলোকে কলে ঈশ্বৰৰ ইচ্ছাৰ মহিমা ক্ষুদ্ৰ বুদ্ধিৰ মানুহে প্ৰশ্ন কৰি লাভ নাই। তেওঁলোকে ডাণ্টেক ভালকৈ চাবলৈ কোৱাত ৰজা দেভিদ, ৰোমান সম্ৰাট কনষ্টেণ্টাইনকে ধৰি কেবাজনো অখৃষ্টিয়ান ন্যায়পৰায়ণ ৰজাক ঈগলৰ চকুৰ মণিত দেখা পায়। ইয়াৰ পাছত শনিৰ চক্ৰত ধ্যানী, চিন্তাশীল আৰু দাৰ্শনিকসকলক ঈশ্বৰৰ ওচৰলৈ উঠি যোৱা জখলাৰ ওচৰত থুপ খাই থকা দেখা যায়। জখলাৰ ৰহস্য বুজোৰ পাছত ছেইণ্ট বেনেডিক্ট (St. Benedict), পিটাৰ ডমিনিকান আদি খৃষ্টধৰ্মৰ সন্তৰ লগত কথা পাতে, তেওঁলোকে যাজকসকলৰ অধঃপতনত দুখ প্ৰকাশ কৰে। অষ্টম চক্ৰ নক্ষত্ৰৰ। ইয়াত গীৰ্জাৰ সন্তসকল (saints of the church) স্বৰ্গীয় জ্যোতিৰে প্ৰকাশমান হৈ যীশুখৃষ্টক মুখ্য কৰি দেখা দিয়ে। তেওঁলোকৰ জ্যোতিয়ে ডাণ্টেৰ চকু চাঁতমাৰি ধৰিলেও বিয়েট্ৰিছৰ দৃষ্টিৰ বলত ভালকৈ চাব পৰা হয়। কুমাৰী মেৰী আৰু এপষ্টলসকলকো (apostles) যীশুৰ লগতে দেখা পায়। তেওঁলোকে ডাণ্টেৰ প্ৰজ্ঞাগুণ শক্তি পৰীক্ষা কৰি তেওঁৰ নৰম স্বৰ্গলৈ যাব পৰা অৰ্হতাৰ স্বীকৃতি দিয়ে যদিও স্বৰ্গীয় জ্যোতিৰ প্ৰচণ্ড উজ্জ্বলতাত একো দেখা নোপোৱা হয়, কিন্তু সন্তসকলৰ মহিমাৰ বলত দৃষ্টিশক্তি বৃদ্ধি পায়। প্ৰথম মানৱ আডামে সন্তসকলৰ লগতে দেখা দিয়ে। স্থিৰ নক্ষত্ৰৰ মণ্ডল এৰি আদ্যমণ্ডলত (Primus Mobile) প্ৰৱেশ কৰে। এই মণ্ডলৰ আদ্যা শক্তিৰ বলতে বিশ্বব্ৰহ্মাণ্ড, গ্ৰহ-নক্ষত্ৰ আৰু বিভিন্ন স্বৰ্গই গতি লাভ কৰে। এই চক্ৰত বিয়েট্ৰিছৰ চকুত পৰমেশ্বৰৰ স্বৰ্গীয় অস্তিত্ব এটা উজ্জ্বল বিন্দুত প্ৰতিভাত হোৱা দেখা পায়, সেই বিন্দুক কেন্দ্ৰ কৰি এটা পোহৰৰ ঘেৰ। এই জ্যোতিৰ্ময় ঘেৰ কেইটা ঈশ্বৰক কেন্দ্ৰ কৰি থকা নৃত্যগীতৰত দেৱদূতসকল। এই প্ৰসঙ্গত ডাণ্টেই খৃষ্টিয়ান ত্ৰিতত্ত্বৰ (Trinity পৰম পিতা, যীশু আৰু পৱিত্ৰ আত্মা) অস্তিত্বও অনুভৱ কৰে। ডাণ্টেক বিয়েট্ৰিছে সৃষ্টিৰ ৰহস্য, ব্ৰহ্মাণ্ডৰ লগত দেৱদূতৰ আৰু পৰমপিতাৰ সম্পৰ্ক ভালকৈ বুজাই দিয়ে, ঈশ্বৰতত্ত্বৰ অবিচ্ছিন্নতা (Unity of Godhead) সম্বন্ধেও ব্যাখ্যা কৰে। ইয়াৰ পাছত ঈশ্বৰনিৱাস এম্পিৰিয়ানত (Empyrean) প্ৰৱেশ কৰে য'ত দেৱদূত আৰু পৰম শান্তি লাভ কৰাসকলে (souls of the blessed) সোঁশৰীৰে ঈশ্বৰৰ সান্নিধ্যত কাল কটায়। এক পোহৰৰ বিদ্যুৎ চমকে তেওঁক মুহূৰ্ত্তৰ কাৰণে অন্ধ কৰি দিয়ে। তাৰ পাছত তেওঁ খৃষ্টিয়ান সন্তসকলক বৰফ-শ্বেত গোলাপ ফুলৰ আকৃতিত সজাই থোৱা আসনত বহি থকাও দেখা পায়। প্ৰত্যেক পাহিয়েই একোখন আসন। ইয়াতেই বিয়েট্ৰিছ নোহোৱা হয় আৰু তেওঁৰ ঠাইত ছেইণ্ট বাৰ্ণাৰ্ড ডাণ্টেক ঈশ্বৰৰ কাষলৈ নিবলৈ আগবাঢ়ি আহে। বিয়েট্ৰিছক গোলাপৰ এটা পাহিৰ আসনত দেখিবলৈ পায়। বাৰ্ণাৰ্ডৰ নিৰ্দেশ মতে তেওঁ ওপৰলৈ চাওঁতে কুমাৰী মেৰীকো মহিমান্বিতা ৰূপত দেৱদূতসকলে সেৱা কৰি থকা অৱস্থাত দেখা পালে। বাৰ্ণাৰ্ডে গোলাপৰ পাহিৰ আসনত বহি থকা পৰম শক্তি লাভ কৰা মহাত্মাসকলৰ পৰিচয় দিয়ে।

বার্ণ'ডে' ডাণ্টেক দিব্যদৃষ্টিৰে অনুগ্ৰহ কৰিবলৈ প্ৰাৰ্থনা কৰাত কুমাৰী মেৰীয়ে ওপৰলৈ দৃষ্টি কৰাত ডাণ্টেও সেই ফালে চোৱাত সৃষ্টিৰ একত্ব, ত্ৰিতত্ত্বৰ একত্ব আৰু যীশু আৰু পৰমেশ্বৰৰ একত্ব উপলব্ধি কৰে। ইয়াতেই স্বৰ্গখণ্ড শেষ হৈছে আৰু কাব্যৰো সামৰণি পৰিছে।

ওপৰত মহৎ কাব্যখনৰ এটা স্থূল চমু বিৱৰণ দাঙি ধৰা হ'ল। সৰ্বসাধাৰণ মহাকাব্যৰ দৰে বাহ্যিক ঘটনাৰ স্থূল বাস্তৱ পৰিৱেশত প্ৰতিষ্ঠিত আৰু কোনো বিশেষ নায়ক-নায়িকাক কেন্দ্ৰ কৰি, দুটা বিপৰীত শক্তি বা দলৰ মাজত হোৱা বাহ্যিক সংঘৰ্ষ ইয়াত নাই। সেই কাৰণেই প্ৰসিদ্ধ সমালোচক চি এম. বাওৰা (C. M. Bowra) আৰু টিলয়াৰ্ডে এই কাব্যখনৰ ওপৰত বহল আলোচনা দাঙি ধৰা নাই। 'ডিভাইন কমেডি'য়ে পৰৱৰ্তী কবিসকলক বিশেষ প্ৰভাৱিত কৰা দেখা নাযায়। "Whereas Homer led to Virgil to a great European form of poetry, Dante created no school" (Tillyard, P. 147) ইয়াৰ প্ৰধান কাৰণ ডাণ্টেৰ কল্পনা আৰু কবিত্ব গুণৰ অভাৱ বুলি নহয়, বৰং মহাকাব্যখনৰ ৰূপকাত্মক ৰূপ আৰু আধ্যাত্মিক গভীৰতা বুলিহে কব পাৰি। এনে আধ্যাত্মিক গভীৰ উপলব্ধি, সৰ্বাত্মক দৃষ্টিৰ লগত কল্পনাৰ অপূৰ্ব সংযোগ ঘটোৱা সৰ্বসাধাৰণ কবিৰ পক্ষে একপ্ৰকাৰ অসম্ভৱ আছিল, সেই কাৰণে তেওঁক অনুগমন কৰা কবিৰ সংখ্যাও নিতান্ত নগণ্য। এই প্ৰসংগত সমালোচক টিলয়াৰ্ডে 'ডিভাইন কমেডি'ৰ বিশদ আলোচনালৈ নগৈও কবলৈ বাধ্য হৈছে যে "The Divine Comedy has never been questioned as the voice of its age and of Italy. Its subject is the great contemporary one ; the pilgrimage of the human soul : not indeed through a realistically conceived journey but from a mental Hell through a mental Purgatory to a mental Paradise. Dante took much from the great poetic master Virgil ; and yet except for the formal epic simile he refrained from imitating him. চমুকৈ ওপৰৰ উদ্ধৃতিটোৰ অৰ্থ হ'ল যে মহাকাব্যখন সমসাময়িক যুগৰ তথা ইটালীৰ বাণী বহন কৰে। ই মানৱাত্মাৰ ঊৰ্দ্ধমুখী আধ্যাত্মিক বা মানসিক যাত্ৰাৰ কাহিনী, অন্ধকাৰ নৰকৰ পৰা পৰিশুদ্ধি বা প্ৰায়শ্চিত্তৰ স্তৰেদি আগুৱাই গৈ মানসিক দিব্যলোকত আৰোহণ কৰাৰ ই ইতিহাস। ডাণ্টে 'পূৰ্বকবিৰ অপ্ৰমাদী' ভাৰ্জিলৰ দ্বাৰা অনুপ্ৰেৰিত হ'লেও তেওঁ পূৰ্বসূৰীজনক অন্ধ অনুকৰণ কৰা নাই, মাত্ৰ হোমাৰীয় উপমাৰ প্ৰয়োগৰ ক্ষেত্ৰত ভাৰ্জিলৰ কিছু প্ৰভাৱ লক্ষ্য কৰা যায়।

এই মহাকাব্যখনত কবিয়ে অন্ধকাৰ অৰণ্যত বাট খেপিয়াই ফুৰা মানৱৰ প্ৰতিনিধিৰূপে নিজকে কল্পনা কৰিছে, যাৰ সূৰ্যালোকদীপ্ত মুক্ত জীৱনলৈ উত্তীৰ্ণ হোৱাৰ সম্ভাৱনা নাছিল। এই অন্ধকাৰ, হিংস্ৰ শ্বাপদসংকুল গভীৰ অৰণ্য

মানৱজীৱনৰ অজ্ঞানতাৰ অন্ধকাৰ, যি অন্ধকাৰে চিৰকাল মানুহক প্ৰকৃত সত্যৰ পৰা দিব্যলোকৰ পৰা বঞ্চিত কৰি ৰাখে। কাব্যখনত পথপ্ৰদৰ্শকৰূপে 'ইনীড' মহাকাব্যৰ কবি ভাৰ্জিলক দেখুওৱা হৈছে। কিন্তু ভাৰ্জিল যি হেতুকে খৃষ্টধৰ্মত দীক্ষিত হোৱা নাছিল সেই কাৰণে তেওঁ দিব্যলোকৰ দুৱাৰমুখলৈহে ডাণ্টেক আগুৱাই নিবলৈ সক্ষম হোৱা বুলি কাব্যখনত বৰ্ণিত হৈছে। দিব্যলোকৰ জপনাৰ পৰা পাছৰ ছোৱা যাত্ৰাত বিয়েট্ৰিছে কবিক পথপ্ৰদৰ্শন কৰি আগুৱাই নিছে। ভাৰ্জিল হৈছে যুক্তিবাদৰ প্ৰতীক, তেওঁ নিজস্ব পদ্ধতিত পথভ্ৰান্ত কবিক নৰকৰ দ্বাৰ খুলি পাপ, অন্যায় অত্যাচাৰ, ইন্দ্ৰিয়পৰায়ণতা আদিৰ বিষময় কৰ্মফল প্ৰদৰ্শন কৰি, পৰিশুদ্ধি আৰু প্ৰায়শ্চিত্তৰ স্তৰৰ মাজেদি অৱশেষত স্বৰ্গদ্বাৰত উপনীত কৰায়। এই জীৱনক প্ৰতিনিধিত্ব কৰিছে মেটিলদাই, য'ত সুখ আৰু শান্তিৰ অভাৱ নাই, কিন্তু জীৱনৰ পূৰ্ণতা ইয়াত পোৱা নাযায় বা উপলব্ধি কৰা নাযায়। একমাত্ৰ প্ৰেম, বিশ্বাস, সত্যইহে মানৱজীৱনক স্বৰ্গীয় আনন্দ দান কৰিব পাৰে, এই প্ৰেম আৰু বিশ্বাসৰ প্ৰতীক হৈছে বিয়েট্ৰিছ। কবিয়ে এই বক্তব্য প্ৰকাশ কৰিবলৈ অতীত বৰ্ত্তমানৰ, তেওঁৰ সময়ৰ সমস্ত ইউৰোপৰ ইতিহাস, খৃষ্টিয়ান আৰু খৃষ্ট-পূৰ্ব জগতৰ অসংখ্য চৰিত্ৰ আৰু তেওঁলোকৰ কাৰ্যকলাপ থোৰতে প্ৰকাশ কৰিছে। তেওঁৰ নিজৰ জীৱনৰ ঘটনাও স্থান বিশেষে ইয়াত প্ৰতিফলিত হৈছে। ত্ৰয়োদশ-চতুৰ্দশ শতিকাত ইউৰোপত যি নবোন্মেষৰ সূচনা হৈছিল সেই নবোন্মেষক সম্পূৰ্ণ প্ৰতিনিধিত্ব কৰে ডাণ্টেই। গ্ৰীক-ৰোমান যুগৰ পৰা আৰম্ভ কৰি খৃষ্টীয় ত্ৰয়োদশ শতিকালৈকে যি ঐতিহাসিক বিৱৰ্ত্তন, জ্ঞান-বিজ্ঞান-দৰ্শন, জ্যোতিষ আৰু ধৰ্মীয় বিকাশ ইউৰোপত সংঘটিত হৈছিল সেই সকলোবোৰৰ লগত ডাণ্টেৰ পৰিচয় থকাৰ প্ৰমাণ 'ডিভাইন কমেডি'য়ে দাঙি ধৰে। আনকি, এছিৰিয়ান সভ্যতাৰ লগতো কিছু পৰিচয় তেওঁৰ আছিল। প্ৰথম পৰ্বৰ অৰ্থাৎ ইনফাৰ্নৰ পঞ্চম সৰ্গৰ ৫৯ নং পদত (verse 59) খৃঃ পূঃ দুহেজাৰ বছৰৰ আগৰ নিনেভ নগৰৰ এছিৰিয়ান সম্ৰাট নিনাছ আৰু তেওঁৰ বীৰাংগনা ৰাণী ছেমিৰামিছৰ উল্লেখ পোৱা যায়। খৃষ্টিয়ান ধৰ্ম-বিশ্বাস আৰু দৰ্শনৰ দ্বাৰা ডাণ্টে গভীৰ ভাৱে প্ৰভাৱান্বিত আছিল যদিও তেওঁৰ স্বকীয় অনুভৱ আৰু দৃষ্টিত প্ৰাক্-খৃষ্টীয় প্লেট-এৰিষ্টটল, প্লটিনাছ আদি গ্ৰীক দাৰ্শনিকৰ প্ৰভাৱো নুই কৰিব নোৱাৰি। হোমাৰ, প্লেট', এৰিষ্ট'টল, ভাৰ্জিলৰ দৰে অখৃষ্টীয় কিন্তু বিশ্বৰ ভাৱজগতত গভীৰভাৱে সাচ বহুৱা মনীষীসকলৰ প্ৰতি শ্ৰদ্ধা থকাৰ কাৰণেই কবি-দাৰ্শনিক ডাণ্টেই তেওঁলোকক নৰকত শাস্তি ভোগ কৰিবলৈ দিয়া নাই, বৰং ভাৰ্জিলক তেওঁৰ আধ্যাত্মিক যাত্ৰাৰ প্ৰথম দুটা স্তৰত পথপ্ৰদৰ্শক ৰূপেই গ্ৰহণ কৰিছে। বাকীবোৰে নিজ নিজ পাপকৰ্মৰ গুৰুত্ব বা লঘুত্ব অনুসৰি বিভিন্ন নৰককুণ্ডত শাস্তি ভোগ কৰিছে। ইয়াৰ ভিতৰতে যিবিলাকে পাপকাৰ্যৰ কাৰণে অনুতপ্ত হৈছে সেইবোৰে পৰিশুদ্ধিৰ আগলি ভৱনত (ante-chambør) অপেক্ষা কৰিবলৈ সক্ষম হোৱা দেখা গৈছিল পৰিশুদ্ধিৰ (Purgatory) স্তৰটো নৰকৰ দৰে গভীৰ কুণ্ড নহয়, ৯ টা পৰ্বতৰ শিখৰৰ দৰে

ধাপে ধাপে বগাই গৈছে পাৰ্থিৱ স্বৰ্গত (Earth Paradise) বা ইডেন উদ্যানত উপস্থিত হব পৰা যায়। যদিও এই কাব্যত দেখুওৱা নৰক, পৰিশুদ্ধি আৰু দিব্য জীৱনৰ যি চিত্ৰ অংকন কৰিছে সেই জীৱন মৃত্যুৰ পাছতহে সাধাৰণতে সম্ভৱপৰ, তথাপি ৰূপকাৰ্থত এই পাৰ্থিৱ জীৱনতে এনে পৰিৱৰ্তন অসম্ভৱ নহয়।

'ডিভাইন কমেডি'ত অজস্ৰ নামবাচক বিশেষ্যৰ উল্লেখ আছে, তাৰে কিছু ভৌগোলিক আৰু ঐতিহাসিক আৰু সৰহভাগেই প্ৰাচীন আৰু মধ্যযুগৰ কাব্য আৰু ইতিহাসৰ ব্যক্তি। এনে ব্যক্তিৰ সংখ্যা কেৰা শ হব। সেই সকলৰ ভিতৰত বহুতৰে লগত ডাণ্টেৰ পৰিচয় হোৱাৰ লগতে তেওঁলোকৰ কুকৰ্মৰ চমু পৰিচয়ো আছে। ইয়াৰ দ্বাৰা ডাণ্টেৰ বিশ্বকোষসদৃশ জ্ঞানৰ উমান পোৱা যায়। বিশ্ব-ব্ৰহ্মাণ্ড সম্পৰ্কে বা বিভিন্ন গ্ৰহ নক্ষত্ৰৰ অৱস্থিতি আৰু গতিবিধি সম্পৰ্কে ডাণ্টেৰ কাব্যত যি প্ৰকাশ ঘটিছে সেইয়া টলেমিৰ জ্যোতিৰ্বিজ্ঞানৰ ভিত্তিত কল্পিত হৈছে। এওঁৰ কাব্যত ৭টা গ্ৰহৰ হে উল্লেখ আছে, ইউৰেণাছ নেপচুন আৰু 'প্লুটো' তেতিয়াও আৱিষ্কৃত হোৱা নাছিল।

ডাণ্টেৰ নৰকত পাপৰ শাস্তি, 'পাৰগেটৰী' পৰিশুদ্ধি আৰু অনুতাপ, আৰু দিব্যলোক চিৰশান্তি দিব্যানন্দৰ প্ৰতীক। প্ৰাক্ পৰিশুদ্ধিৰ স্তৰতে পাৰ্থিৱ জগতৰ নৈসৰ্গিক পৰিৱেশৰ অৱসান ঘটিছে আৰু পৰৱৰ্তী পৰিৱেশ সম্পূৰ্ণ পৃথক, কোনো পাৰ্থিৱ শোভা তাত নাই কিন্তু শান্তি, নীৰৱতা, আৰু নিৰ্জনতাৰ (Tranquility, serenity, solitude and silence) পৰিৱেশ পৰিশুদ্ধিৰ স্তৰত অনুভৱ কৰা যায়।

যদিও বিয়েট্ৰিছৰ শুভকামনা আৰু অনুকম্পাই ডাণ্টেক দিব্যলোক দৰ্শন কৰাত সহায় কৰিছে, এই ক্ষেত্ৰত ভাৰ্জিলৰ অৱদানো উপেক্ষণীয় নহয়। ভাৰ্জিল পাৰ্থিৱ প্ৰজ্ঞানৰ (wisdom) প্ৰতীক। ডাণ্টেৰ দৰে ভাৰ্জিলেও ন্যায়, সত্যনিষ্ঠা আৰু ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত এখন বৃহৎ ৰোমান বিশ্বৰাজ্যৰ সপোন দেখিছিল। পাৰ্থিৱ প্ৰজ্ঞাই দিব্যানুসন্ধান দিব পাৰে, কিন্তু দিব্যলোকত উপস্থিত কৰাব নোৱাৰে, সেই কাৰণে ইডেন উদ্যানৰ পৰা পথ প্ৰদৰ্শক হৈছিল বিয়েট্ৰিছ। তদুপৰি ভাৰ্জিল খৃষ্টিয়ান নাছিল, গতিকে তেওঁৰ গন্তব্য সীমাবন্ধা আছিল। তথাপি পাৰ্থিৱ প্ৰজ্ঞা, নীতি, দৰ্শন, কলা আদিৰ অসামান্য প্ৰতিভাৰে কলুষিত মানৱক প্ৰকৃত পথৰ সন্ধান দিব পাৰে, দিব্যানুভূতি জগাব পাৰে। আনহাতে নামত পৃথিৱীৰ এগৰাকী সৰলা পাপকলুষে স্পৰ্শ নকৰা এগৰাকী কুমাৰী হ'লেও ডাণ্টেৰ কমেডিৰ বিয়েট্ৰিছ দিব্যজ্ঞান লাভ, ঈশ্বৰৰ সংগলাভ কৰা, যিশুখৃষ্ট কুমাৰীৰ প্ৰায় একান্ত, ঈশ্বৰানুগ্ৰহ (Divine Grace) লাভ কৰা স্বৰ্গীয়া দিব্যাংগনা। তেওঁ ভগৱৎ প্ৰেম, দিব্যজ্ঞান আৰু ঈশ্বৰানুগ্ৰহৰ প্ৰতীক। ডাণ্টেৰ নৰক (Inferno), পৰিশুদ্ধীকৰণ নৰক Purgatory) এবং স্বৰ্গ (Paradise) খৃষ্টিয়ান বিশ্বাসৰ

ওপৰত প্ৰতিষ্ঠিত হ'লেও এই তিনিস্থানৰ বিশদ বিৱৰণ ডাণ্টেৰ নিজস্ব প্ৰতিভানিসৃত। আমাৰ হিন্দু বিশ্বাসত স্বৰ্গ আৰু নৰকৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে, Purgatory বুলি তৃতীয় স্থানৰ উল্লেখ পোৱা নাযায়। অপাপবিদ্ধা বিয়েট্ৰিছক (জীৱিতকালত ৮।৯ বছৰ) পথপ্ৰদৰ্শক ৰূপে লোৱা মানেই সাংসাৰিক কলুষতাই স্পৰ্শ নকৰা আত্মাহে ভগৱানৰ প্ৰিয়।

ডিভাইন কমেডি ধৰ্মীয় জ্ঞান-প্ৰজ্ঞানপূৰ্ণ এটা ৰূপকৰ (allegory) প্ৰকাশেই নহয়, মধ্যযুগৰ সমস্পৰ্শধী নোহোৱা এখন মহাকাব্যত য'ত কবিৰ কল্পনা, মহাকাব্যিক উপমা, অতীত আৰু সমসাময়িক দৰ্শন, নিজস্ব চিন্তা, ৰাজনৈতিক ধাৰণা, অতীত জগতৰ আৰু সমসাময়িক ইতিহাস—এই সকলোবোৰৰ মথন কৰি অমৃত সৃষ্টি কৰিছে। অৱশ্যে টি. এছ. এলিয়টৰ দৰে ৰসজ্ঞ কবিয়েও Divine Comedy অভ্যন্তৰত প্ৰৱেশ কৰি সকলোবোৰ বৰ্ণনা অনুসৰণ কৰা সহজ নহয় বুলি স্বীকাৰ কৰিছে। বিশ্বকোষসম জ্ঞান নাথাকিলে এই কাব্যৰ সকলো কথা অনুধাৱন কৰা কঠিন।

অতীত জগতখনৰ চিত্ৰ দাঙি ধৰাৰ লগতে মধ্যযুগীয় ইউৰোপৰ ই দাপোণ স্বৰূপ। Dorothy Sayers ভাষাত কবলৈ গলে—The whole of middle ages moves before us in Dante's thumbnail sketches: the shipbuilders in the Venice arsenal, the cooks and scullions prodding the stew with long forks, the labourers resting on a hill side of an evening and watching the fire flies flickering down the valley, the shephered dispairing in the long continued frost, the peasant girl pursued in the dreamland by her daily task of gleaning, the overworked ostler hurrying to get his horses groomed, the Romans inventing a system of traffic-control for the handling of holiday crowds, green logs sizzling on the hearth, a night alarm of fire and the mother fleeing naked with her child clutched in her arms, beggars in the street and the Savage watchdogs rushing out upon them, the sounds and smells of a medieval hospital; the pleasures of hawking, hunting, bathing, gambling; the bustle of tilt and tournament, the noise and vicissitudes of war. (গোটেই মধ্যযুগটো ডাণ্টেৰ নখদৰ্পণত আছিল —ভেনিছৰ ৰণপোতত জাহাজ নিৰ্মাণ কাৰ্য, ৰান্ধুনি আৰু তেওঁৰ সহায়কে দীঘল কাঁটা লৈ মাছৰ টুকুৰা ভজা, পাহাৰৰ কাষত, গধূলি শ্ৰমিকসকলে জিৰণিলৈ জোনাকি চাই আনন্দ উপভোগ কৰা, দিনৰ বহুত পৰলৈ কুঁৱলীৰে ঢাকি থকা বতৰ দেখি ভেৰাৰখীয়াৰ অৱসাদ, আহাৰ সংগ্ৰহকাৰী গাঁৱলীয়া তিৰোতাৰ দিবাস্বপ্ন, অতিথি-

শালাৰ ভাগকৰা ঘোৰাৰখীয়াৰ ঘোৰাসাজ কৰাৰ খদমদম, ৰোমানবিলাকৰ ৰাস্তাৰ যাত্ৰী-যানবাহন নিয়ন্ত্ৰণ কৰাৰ নতুন কৌশল উদ্ভাৱন—জুইশালত কেচা খৰিৰ ধোঁৱা, ৰাতি জুই লগাৰ বিপদসংকেত শুনি কোলাহল কৰি অহা আৰবি সংঘৰ মাকৰ অগ্নিলগা ঠাইৰ পৰা পলায়ন, ৰাস্তাত অৰ্ধলগ্ন ভিক্ষুক দেখি কুকুৰ খেদা, মধ্যযুগীয় চিকিৎসালয়ৰ শব্দ আৰু দৰবৰ গন্ধ, শেনচৰাইৰ খেল, চিকাৰ, জুৱাখেল, স্নান, প্ৰতিযোগিতামূলক বীৰত্ব প্ৰদৰ্শন, আৰু যুদ্ধাদিৰ বিভিন্ন দৃশ্য কেইটামান নৰকখণ্ডৰপৰা উল্লেখ কৰা হৈছে। তিনিওটা খণ্ডত এনে বিবিধ বিষয়ক দৃশ্য অজস্ৰ সিচৰতি হৈ আছে। ইয়াৰ পৰা বুজা যায় ডাণ্টেৰ তীক্ষ্ণ পৰ্যবেক্ষণ শক্তি আৰু অধ্যয়নৰ বিস্তৃতি।

সমালোচকসকলে মহাকাব্য আলোচনা কৰোঁতে প্ৰায়ে Divine Comedyৰ বহুল আলোচনাত প্ৰবৃত্ত হোৱা নাই, কাৰণ সোমালে চক্ৰব্যূহত সোমোৱা যেন হয়। কেৱল মোটামুটি মন্তব্য দি কাব্যখনৰ এটা সাধাৰণ বিহংগাৱলোকন কৰাহে দেখা যায়। অৱশ্যে কেৱল এইখন মহাকাব্যকে লৈ যিসকলে আলোচনা কৰিছে তেওঁলোকৰ কথা সুকীয়া, মধ্যযুগীয় জ্ঞানভাণ্ডাৰ ৰূপে এই কাব্যৰ পৃথিৱীব্যাপি যি খ্যাতি কবি প্ৰতিভাৰ স্বাক্ষৰবহনকাৰী কাব্যৰূপেও ইয়াৰ সমানেই খ্যাতি। মৰ্ত্যৰ মানৱ হৈয়ো দিব্যলোকৰ যি আলোকসন্ধানী পোহৰময় বৰ্ণনা দিছে সেই বৰ্ণনা যি কোনো সামান্য কবিপ্ৰতিভাসম্পন্ন কবিৰ পক্ষে সম্ভৱ নহয়, মহৎ জ্ঞান আৰু অলৌকিক কবিপ্ৰতিভা ভাস্বৰ কবিৰ পক্ষেহে সম্ভৱ। কাব্যখনৰ নাম Divine Comedy এই কাৰণেই দিয়া হৈছে যে পাপ-অন্ধকাৰত আৰম্ভ হৈ দিব্য-আলোকৰ প্ৰশান্তিত শেষ হৈছে।

দ্বাদশ অধ্যায়

টাছো

জেৰুছালেম-উদ্ধাৰ

দ্বাদশ অধ্যায়

টাছো

জেৰুছালেম-উদ্ধাৰ

এই মহাকাব্য বেনেছাঁৰ উন্মেষৰ পাছত প্ৰায় ১৫৭৫ খৃষ্টীয় অব্দত ইটালীত ৰচিত হয়। মহাকাব্যখনৰ কৱি হৈছে টাৰকুৱাট' টাছো (Torquato Tasso)। এই কাব্য ৰচনা কৰা সময়ত ইংলণ্ডত এলিজাবেথীয় যুগ চৰম অৱস্থা বা শীৰ্ষবিন্দুলৈ অহা নাছিল। তেওঁ ১৫৪৪ খৃষ্টাব্দত ইটালীৰ ছৰেণ্ট' (Sorrento) চহৰত জন্মলাভ কৰে আৰু জেছুইট প্ৰচাৰকসকলে নেপলচ্, পাডুৱা আৰু বলনা (Bologna) বিশ্ববিদ্যালয়ত পঢ়াৰ সুবিধা কৰি দিয়ে। তেওঁ ছনেট ৰচনা কৰাৰ উপৰিও বাপেকৰ অনুপ্ৰেৰণাত 'ৰিনাল্ড' (Rinaldo) নামে এখন কাব্য ১৫৬২ চনত ৰচনা কৰে। বাপেকো সেই সময়ত এজন নাম থকা কৱি আছিল। এই কাব্যখন ফ্ৰান্সৰ প্ৰসিদ্ধ সম্ৰাট চাৰ্লমেনৰ সভাসদ আৰু বীৰসকলক লৈ ৰচনা কৰিছিল। টাছোৱে ফেৰাৰাত ঘৰত কৱি ডিউক দ্বিতীয় আলফনছোৰ (Alfonso II) পৃষ্ঠপোষকতা লাভ কৰিবলৈ সমৰ্থ হয়। ইয়াতে তেওঁ ১৫৭৫ চনত (Jerusalem Delivered) সম্পূৰ্ণ কৰে। প্ৰথম ক্ৰুছেদৰ (First Crusade) ঘটনা অৱলম্বন কৰি মহাকাব্যখন ৰচনা কৰে। এই মহাকাব্যই পৰৱৰ্তী ইউৰোপীয় কাব্যৰীতিৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। ১৫৭৫ চনৰ পাছৰ দহ বছৰ মানসিক বিকৃতি ঘটি কিছুদিন তেওঁ কাৰাবাসত আবদ্ধ আছিল। ১৫৮৬ চনত আৰোগ্য লাভ কৰি পুনৰ কাব্য আৰু কাব্যপৰিক্ৰমা সম্পৰ্কীয় ৰচনা লিখিবলৈ ধৰে। ১৫৯৪ চনত ইটালীৰ সৰ্বশ্ৰেষ্ঠ কৱি ৰূপে ৰোমৰ কেপিটলত (Capitol, ৰাজধানী নহয়) অভিষিক্ত কৰিবলৈ আমন্ত্ৰিত হয়। কিন্তু অভিষেকৰ দিন বিশেষ কাৰণত পিছুৱাই দিয়াত সেই সন্মান লবলৈ নোপাওঁতেই ১৫৯৫ চনত তেওঁ মৃত্যুৰ মুখত পৰে।

(Jerusalem Delivered (Garusalemme Liberata) ৰেনেছাঁৰ শেষ বাগুলী কিৰণছটা বুলিব পাৰি। প্ৰকৃততে এই মহাকাব্য মধ্যযুগীয় এখন মহৎ মহাকাব্যৰূপে প্ৰশংসিত হৈ আহিছে। কল্পনাৰ সৌষ্ঠৱ, বৰ্ণনাৰ বৈভৱ আৰু স্থান বিশেষে গীতিকবিতাৰ মাধুৰ্যৰে এই কাব্য মহিমান্বিত। তেওঁ এনে এক সময়ত কব্যখন ৰচনা কৰে যিটো সময়ত মানৱিকতাৰ ঠাইত পণ্ডিতম্মন্যতাই প্ৰাধান্য লাভ কৰিছিল, যেতিয়া এৰিষ্টটলৰ কাব্য জিজ্ঞাসা আৰু গীৰ্জাৰ শাসনাৱলীৰ

একাধিপত্যই কবি সাহিত্যিকৰ পক্ষছেদন কৰি ৰাখিছিল তেনে এটা সময়ত নিজৰ শক্তি সমৰ্থ্যৰ ওপৰত আত্মপ্ৰত্যয় নথকা কবি টাছো সকলো সময়তে সন্ত্ৰস্ত হৈ থাকিব লগা হৈছিল আৰু ইয়াৰ ফলতে মানসিক বিকাৰত ভুগিব লগা হৈছিল। তেওঁৰ কাব্য আৰু আন ৰচনাৰ ওপৰত চাৰ্চৰ কোপদৃষ্টি পৰে বুলি বৰ সাৱধানে কাব্যাকাশত উৰিব লগাত পৰিছিল। ট্ৰেণ্টৰ ধৰ্মীয় অনুশাসনে ইটালীত খৃষ্টধৰ্মৰ নতুন সংস্কাৰ (Reformation movement) প্ৰৱেশ কৰিবলৈ নিষেধাজ্ঞা জাৰি কৰিছিল। তথাকথিত আলংকাৰিক আৰু ব্যাকৰণবিদৰ বিৰূপ সমালোচনাৰ বলি হৈ গীৰ্জাৰ কোপদৃষ্টিত পৰে বুলিও সন্দেহত থাকিব লগা হৈছিল। এইবোৰ কাৰণেই তেওঁ যিমানখিনি সাহিত্যিক অৱদান দিয়াৰ প্ৰতিভা আছিল সিমানখিনি দিবলৈ সক্ষম নহ'ল।

'জেৰুছালেম উদ্ধাৰ' নামৰ মহাকাব্যখন ৰচনা কৰাৰ আগতে কাব্য বা মহাকাব্যৰ লক্ষণ, বৈশিষ্ট্য ৰীতি আৰু গঠন সম্পৰ্কে তেওঁ কিছু ধাৰণা কৰি লৈছিল। সেই ধাৰণাসমূহ 'Discorsi dell are poetica' নামৰ গ্ৰন্থত লিপিবদ্ধ কৰি গৈছে। সেই গ্ৰন্থ বা অভিমতসমূহৰ মতে মহাকাব্যত বীৰত্ব প্ৰধান উপাদান হ'লেও ধৰ্মীয় সাহিত্যৰ পৰা বিশেষকৈ খৃষ্টিয়ান আৰু হিব্ৰু ধৰ্মগ্ৰন্থৰ পৰা অৰ্থাৎ New Testament বা old Testament-ৰ পৰা বিষয়বস্তু বাছি লব লাগে। সত্য বা বাস্তৱৰ লগত বিস্ময়জনক ঘটনাৰ সংযোগ ঘটাব লাগে। তদুপৰি বাছি লোৱা ঘটনা বা বিষয় লেখকৰ সময়ৰ পৰা বহু আঁতৰো হ'ব নালাগে, বৰ ওচৰো হ'ব নালাগে। ঘটনাৰ বৈচিত্ৰ্য সম্পাদন কৰোতে সামগ্ৰিক ঐক্যৰ প্ৰতি সততে দৃষ্টি ৰাখিব লাগে। বিষয়বস্তু বিস্তাৰত কৰিবয়ে পাঠক বা শ্ৰোতাৰ স্মৃতিশক্তিৰ সামৰ্থ্যলৈ দৃষ্টি ৰাখিব লাগে অৰ্থাৎ চুটিও হব নালাগে, বৰ বিৰাট পৰিসৰকো আগুৰি লব নালাগে। টাছোৰ মতে কেবাটাও প্লটৰ ক্ষীণ সংলগ্ন কৰি কাব্য ৰচনতকৈ একমুখী প্লট অধিক প্ৰভাৱশীল হয়। তেওঁ ভগৱানসৃষ্টি ব্ৰহ্মাণ্ডখনৰ চন্দ্ৰ, সূৰ্য, তাৰকামণ্ডলী, বিভিন্ন প্ৰাণী, নদ-নদী, ফুলফল এই সকলোবোৰক লৈ যি বৈচিত্ৰ্যৰ মাজত ঐক্য লক্ষ কৰা যায় মহাকাব্যতো তেনে ধৰণে বৈচিত্ৰ্যৰ মাজত সমন্বয়ৰ প্ৰধান সুৰ ধ্বনিত হ'ব লাগে।' টাছোৰ নিজস্ব এই উক্তিৰ তাৎপৰ্য্য পাৰ্যমানে তেওঁৰ মহাকাব্যখনত ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে। ঠায়ে ঠায়ে প্ৰধান বা মূল বিষয়ৰ পৰা আঁতৰি গৈছে যদিও মূলৰ লগত আঁত হেৰুৱাই পেলোৱা নাই। মহাকাব্যখনৰ বিষয়ে আলোচনা কৰাত আগতে ইয়াৰ দীৰ্ঘত্ব আৰু বিভিন্ন সৰ্গত বিস্তাৰ ঘটোৱা কাহিনীৰ এটা চমু বিৱৰণ নিদিলে সকলো অসমীয়া পাঠকৰ পক্ষে আলোচনা অনুধাৱন কৰা অসুবিধা হ'ব পাৰে। সেই কাৰণে সৰ্গ অনুসৰি কাহিনীৰ এক ৰূপৰেখা দাঙি ধৰা হ'ল। কিন্তু তাৰ আগতে দুটামান আগতীয়া কথা কোৱা প্ৰয়োজন বুলি ভাবো।

1 M. W. Tillyard, *The English Epic & Its Background*, p. 231—232.

মহাকাব্যখনৰ কাহিনী প্ৰথম ক্ৰুছেদ অভিযানৰ ঐতিহাসিক পটভূমিত প্ৰতিষ্ঠিত। খৃষ্টীয়ানসকলৰ পবিত্ৰ ভূমি, য'ত যীশুখৃষ্ট ক্ৰুছবিদ্ধ কৰা হৈছিল সেই জেৰুছালেম নগৰ ইছলাম ধৰ্মাৱলম্বী তুৰ্কীসকলৰ অধীনত আছিল আৰু তাত বাস কৰা বা তীৰ্থ কৰিবলৈ যোৱা খৃষ্টিয়ানসকল বহুতো অসুবিধা, বিপদ আৰু অত্যাচাৰো সহ্য কৰিব লগা হৈছিল। সেই কাৰণে ইউৰোপৰ বিভিন্ন ৰজা বা ডিউকসকলৰ প্ৰচেষ্টাত জেৰুছালেম উদ্ধাৰ কৰিবৰ কাৰণে একাদশ শতিকাৰ পৰা ত্ৰয়োদশ শতিকাৰ ভিতৰত তিনিটা অভিযান চলাব লগা হৈছিল। প্ৰথম অভিযান বুলনৰ সামন্তনেতা গডফ্ৰেৰ (Godfrey of Bouillon) অধীনত চল্লিশ হাজাৰ সৈন্য আৰু নাইটে (knights,) জেৰুছালেম উদ্ধাৰ কৰিবলৈ যাত্ৰা কৰে। বাইজেনটাইন খৃষ্টিয়ান সাম্ৰাজ্যৰ ৰাজধানী কনষ্টেণ্টিনপলত নামি অৱশেষত জেৰুজালেম অৱৰোধ কৰে। ১০৯৬ চনত পশ্চিম ইউৰোপৰ পৰা যাত্ৰা কৰি ১০৯৯ চনত জেৰুছালেম অধিকাৰ কৰিবলৈ সক্ষম হয়। "From movable wooden towers and scalling ladders the Crusaders clambered onto the walls and fell upon the defenders, mercilessly killing vast numbers of them. At the church of the Holy Sepulcher, they fell on their knees in joy and thanks giving".[2]

মহাকাব্যখন প্ৰথম অভিযানৰ ভিত্তিত ৰচিত। কাব্যখন বিশ (২০) টা সৰ্গত বিভক্ত। প্ৰত্যেক সৰ্গত (books) গড়ে ৯৬ টা আঠ শাৰীয়া স্তবক (stanza) আছে। সৰ্বমুঠ কাব্যখনত ১৫৩৬০ টা লাইন আছে। সেই ফালৰ পৰা ৰোলাণ্ডৰ গীত' (The song of Roland), 'বেৱাল্ফ' (The Bewalf) আদিতকৈ ই যথেষ্ট ডাঙৰ। এই কাব্যখনৰ প্ৰথম সম্পূৰ্ণ ইংৰাজী কাব্যানুবাদ যোড়শ শতিকাৰ শেষ দশকত প্ৰথম ছপা সংস্কৰণ খৃষ্টীয় ১৬০০ অব্দত প্ৰকাশ পায়। অনুবাদক কবিজন হ'ল এডৱাৰ্ড ফেয়াৰফেক্স (Edward Fairfax) ইয়াৰ পাছত অৱশ্যে একাধিক ইংৰাজী অনুবাদ হৈছে, কিন্তু মূল কাব্যৰ সৌন্দৰ্য আৰু কবিত্ব প্ৰকাশ কৰাত ফেয়াৰফেক্সক কোনেও চেৰ পেলাব পৰা নাই। কিন্তু চাৰি শ বছৰৰ আগতে অনূদিত হোৱা কাব্যখনত বহুতো অধুনা অপ্ৰচলিত শব্দৰ প্ৰয়োগ হোৱাত ইংৰাজী মাতৃভাষা নোহোৱাসকলৰ পক্ষে কিছু অসুবিধা হোৱাটো স্বাভাৱিক। এইবোৰ সৰ্বসাধাৰণ ইংৰাজী অভিধানত পোৱা নাযায়, কিন্তু অনুধাৱন কৰাত বিশেষ বাধা পোৱা নাযায়। এই আলোচনাত ফেয়াৰফেক্সৰ অনুবাদক অনুসৰণ কৰা হৈছে।[3]

2. Britannica Junior Encyclopaedia, Vol. IV, p. 242.

3. *Jerusalem Delivered*. Centaur Classics, 1962. (First ed. 1600 A.D)

কাহিনীৰ ৰূপৰেখা ঃ

প্ৰথম সৰ্গ ঃ এই সৰ্গত ৯০ টা অষ্টপদী স্তৱক আছে। কেবাবছৰ যুদ্ধ কৰি অবসাদগ্ৰস্ত হোৱা ক্ৰুছেদাৰ বীৰসকলক উৎসাহ যোগাৰৰ কাৰণে ভগৱানে দেৱদূত গেব্ৰিয়েলক জেৰুছালেমৰ কাষত শিবিৰ পাতি থকা খৃষ্টিয়ান বাহিনীৰ অন্যতম বীৰনায়ক গড্‌ফ্ৰেৰ ওচৰলৈ তেওঁৰ বাণী প্ৰকাশ কৰিবৰ উদ্দেশ্যে পঠাই দিয়ে। সেই মতে দেৱদূতে ঈশ্বৰৰ বাণী গডফ্ৰেৰ ওচৰত প্ৰকাশ কৰি সোনকালে বীৰসকলে এজন সেনাপতি বাছি জেৰুছালেম উদ্ধাৰ কৰিবলৈ কয়। দেৱদূতৰ আদেশ অনুসৰি গড্‌ফ্ৰেই বিভিন্ন দেশৰ পৰা যোৱা বীৰসকলৰ সভা আহ্বান কৰি দৈৱবাণীৰ কথা কোৱাত সকলোৱে গড্‌ফ্ৰেক সৰ্বাধ্যক্ষ নিৰ্বাচন কৰি প্ৰতিৰক্ষাদৃঢ় পৱিত্ৰ নগৰ আক্ৰমণ কৰিবলৈ সাজু হয় আৰু সেই প্ৰসংগত প্ৰধান প্ৰধান বীৰসকলৰ পৰিচয় প্ৰদান কৰিছে, ডুডন, ৰেমণ্ড, ৰিনাল্ড', টেনক্ৰিড্, ইউষ্টাছ গাৰ্নেণ্ড, ৰাজিমণ্ডকে আদি কৰি প্ৰধান নাইটসকলৰ চেহাৰা, স্বকীয় দেশ আৰু বীৰত্বৰ বৰ্ণনা দিয়ে। গড্‌ফ্ৰেই সূৰ্য উদয় হোৱাৰ লগে লগে জেৰুছালেম অভিমুখে যোৱাৰ থিক কৰি গ্ৰীচ, ক্ৰীট আদি খৃষ্টিয়ান ৰাজ্যলৈ সহায় প্ৰাৰ্থনা কৰি দূত প্ৰেৰণ কৰে, কাৰণ ইজিপ্তৰ মুছলমান সম্ৰাটে পঠাবলৈ স্থিৰ কৰা সৈন্য আহি পালে অভিযানকাৰী বিপদত পৰাৰ সম্ভাৱনা আছে। ইফালে জেৰুছালেমৰ চুলতান আলাদিনে খৃষ্টিয়ান বাসিন্দাবোৰক বধ কৰাৰ অভিসন্ধি কৰে, যাতে অভিযানকাৰীক কোনো সহায় দিব নোৱাৰে।

দ্বিতীয় সৰ্গ ঃ অখৃষ্টিয়ান (Pagan ইয়াত মুছলমান) যাদুকৰ ইছমেনে ছাৰাচেনৰাজক পেলেষ্টাইনত থকা পৱিত্ৰ মেৰীৰ প্ৰতিমূৰ্তিটো স্বস্থানৰ পৰা মনে মনে আঁতৰাই নি কোনো মছজিদত লুকুৱাই থবলৈ পৰামৰ্শ দিয়ে যাতে প্ৰতিমূৰ্ত্তিৰ চুৰিৰ অজুহাতত পেলেষ্টাইন বা জেৰুছালেমবাসী খৃষ্টিয়ানবিলাকক অত্যাচাৰ কৰিবলৈ সুবিধা পায়। সেইমতে প্ৰতিমূৰ্ত্তি চুৰ কৰি স্থানান্তৰত ৰাখি চুৰিৰ অপৰাধত খৃষ্টিয়ানবিলাকক দোষাৰোপ কৰি অকথ্য অত্যাচাৰ আৰু হত্যাকাণ্ড আৰম্ভ কৰা দেখি ছফ্ৰনিয়া আৰু অলিন্দ নামৰ প্ৰণয়ীযুগলৈ সহধৰ্মীসকলক ৰক্ষা কৰিবলৈ চুৰিৰ দায়িত্ব নিজে গাত পাতি লৈ মৃত্যুদণ্ডৰে দণ্ডিত হয়, কিন্তু ছাৰাচেনবিলাকৰ বীৰাঙ্গনা ক্লৰিণ্ডাৰ মধ্যস্থতাত তেওঁলোকৰ জীৱন ৰক্ষা পৰে আৰু খৃষ্টিয়ানসকলে আশ্ৰয় বিচাৰি পৱিত্ৰ নগৰৰ পৰা ওলাই যায়। ছাৰচেনসকলৰ দুজন দূত, ইজিপ্তৰ বাসিন্দা, কিন্তু আত্মশক্তি আৰু বীৰত্বত বিশ্বাসী আৰ্গেণ্টিছে এজন সহকৰ্মী বীৰক লগত লৈ গড্‌ফ্ৰেৰ নাইটসকলৰ সভাকক্ষত উপস্থিত হৈ দম্ভ অহংকাৰ, শক্তিৰ গৌৰৱ ঘোষণা কৰি গড্‌ফ্ৰেক ভীতি প্ৰদৰ্শন কৰি ছাৰাচেনৰ লগত সন্ধি কৰি নিজ নিজ ৰাজ্যলৈ উভতি যাবলৈ উপদেশ পৰামৰ্শ দিয়ে। গড্‌ফ্ৰেই দূত দুজনৰ প্ৰস্তাৱ যুক্তিসহকাৰে বিনয়পূৰ্বক প্ৰত্যাখ্যান কৰে।

তৃতীয় সৰ্গ ঃ গড্‌ফ্ৰেৰ নেতৃত্বত ক্ৰুছেদ অভিযানকাৰী সৈন্য বাহিনীৰ জেৰুছালেম অৱৰোধপূৰ্বক পৱিত্ৰনগৰৰ সন্মুখত উপস্থিত আৰু ছাৰাচেন

সৈন্যৰ লগত নগৰৰ বাহিৰৰ মুকলি ঠাইত যুদ্ধ আৰম্ভ হয়। এই যুদ্ধৰ অন্যতম বৈশিষ্ট্য হৈছে খৃষ্টিয়ান বাহিনীৰ অন্যতম প্ৰসিদ্ধ বীৰ নাইট টানক্ৰেদৰ লগত ছাৰাচেন বীৰাংগনা ক্ল'ৰিণ্ডাৰ যুদ্ধ আৰু সেই সংক্ৰান্তত দুয়ো সামুহিক ৰণথলিত পৰা আঁতৰি দ্বন্দ্ব যুদ্ধ কৰিবলৈ গৈ (তেওঁলোক পূৰ্বৰ পৰা পৰিচিত আছিল) পাৰম্পৰিক ভাববিনিময় কৰিবলৈ লওঁতেই অজ্ঞাত পলৰীয়া সৈনিকৰ হাতত অসাৱধান থকা অৱস্থাত ক্ল'ৰিণ্ড সামান্য ভাৱে আহত হয় যদিও সুস্থ হৈ পুনৰ যুদ্ধত প্ৰৱেশ কৰে। এই যুদ্ধত খৃষ্টিয়ান বাহিনীৰ অধিনায়ক দুদোঁ (Dudon) আৰ্গেণ্টিছৰ হাতত নিহত হয়। ছাৰাচেন ৰাজকুমাৰী আৰ্মেনিয়াই জেৰুছালেমৰ প্ৰাচীৰত পৰা চুলতানক খৃষ্টিয়ান সৈন্যাধ্যক্ষসকলক চিনাক্ত কৰি দিয়ে। মৃত খৃষ্টিয়ান সৈন্যাধ্যক্ষ দুদোঁক সন্মানপূৰ্বক কবৰ দিয়া হয়। জেৰুছালেমৰ প্ৰাচীৰ আৰু দুৱাৰ ভাঙিবলৈ উপযুক্ত যন্ত্ৰ নিৰ্মাণ কৰিবলৈ খৃষ্টানসকলে কাষত থকা চেদাৰ (cedar) অৰণ্যত সোমাই প্ৰয়োজনীয় কাঠ কাটি বহন কৰি আনে।

চতুৰ্থ সৰ্গ : চতুৰ্থ সৰ্গ আৰম্ভ হৈছে নৰকত বাস কৰা ছয়তান (Satan) সভাত। ছয়তান জেৰুছালেম উদ্ধাৰ কৰিবলৈ যোৱা খৃষ্টিয়ানসকলক কেনেকৈ বিপথগামী কৰি অভিযান ব্যৰ্থ কৰিব পাৰে তাৰ সলাপৰামৰ্শ বিচৰাত ডামাস্কছৰ (Syria) ধূৰ্ত্ত খৃষ্টিয়ানবিদ্বেষী ৰজা হিদ্ৰাৱৰ্তৰ সহায় লোৱাই স্থিৰ কৰে। এই ছয়তানৰ অনুচৰবোৰৰ কিম্ভূত কিমাকাৰ ৰূপৰ বৰ্ণনা কৰাৰ লগতে তেওঁলোকে খৃষ্টানসকলৰ মাজত বিভেদ সৃষ্টি কৰি তেওঁলোকৰ উদ্দেশ্য কেনেকৈ বিফল কৰিব তাৰ উপায় ছয়তানে অনুচৰবৰ্গক বিবৰি কয়। ছয়তানৰ নিৰ্দেশমতে হিদ্ৰাৰ্তৰ (Hidraort) ভতিজা জীয়েক (niece) আৰ্মিডাক খৃষ্টিয়ান বীৰ নাইটসকলৰ মাজত বিভেদ, সন্দেহ সৃষ্টি কৰিবলৈ নিয়োগ কৰে। আৰ্মিডা আছিল অসামান্যা সুন্দৰী, দুষ্টবুদ্ধিসম্পন্না আৰু যাদুকৰী। তাই অপৰূপা, লজ্জাৱতী, বিপদগ্ৰস্তা নাৰীৰ বেশত খৃষ্টিয়ান শিবিৰত প্ৰৱেশ কৰি গডফ্ৰেৰ আগত মনেসজা দুখ দুৰ্গতি বৰ্ণনা কৰি তেওঁৰ হৃত ৰাজ্য উদ্ধাৰ কৰিবলৈ অনুৰোধ কৰে। গডফ্ৰে বিপদগ্ৰস্তা ৰমণীক সহায় কৰিবলৈ অনিচ্ছুক নাছিল যদিও প্ৰধান উদ্দেশ্য তল পেলাই আন কাৰ্যত সময় নষ্ট কৰাৰ পক্ষপাতী নাছিল, কিন্তু কেইজনমান নাইটক আৰ্মিডাৰ সৌন্দৰ্য, লাস্য-বিলাস আৰু হাৱভাৱে এনেকৈ আকৃষ্ট কৰে যে তেওঁলোকে আৰ্মিডাৰ ৰাজ্য উদ্ধাৰ কৰি সেই ৰাজ্যৰ সহায় অধিকন্তু লাভ কৰি পবিত্ৰ নগৰ উদ্ধাৰ কৰাৰ প্ৰস্তাৱ দাঙি ধৰে আৰু গডফ্ৰেই নাইটসকলৰ মাজত সেই লৈ বিভাজন সৃষ্টি কৰিব নুখুজি ইচ্ছুক নাইটসকলক উপযুক্ত নেতা নিৰ্বাচন কৰি আৰ্মিডাৰ লগত যাবলৈ অনুমতি দিয়ে। আৰ্মিডাৰ কৃপাদৃষ্টি লাভ কৰিবলৈ নাইটসকলৰ মাজত আঁৰিয়াআঁৰি লাগে।

পঞ্চম সৰ্গ : এই সৰ্গ আৰম্ভ হৈছে ডেনমাৰ্কৰ নাইট গাৰ্নাণ্ড' আৰু ইটালীৰ অতিপ্ৰৱল নাইট ৰিনাল্ডৰ সংঘৰ্ষৰ বৰ্ণনাৰে। গাৰ্নাণ্ড' দ্বন্দ্ব যুদ্ধত নিহত হয় আৰু ৰিনেল্ড'ই গডফ্ৰেৰ শাস্তিমূলক প্ৰতিকাৰলৈ ভয় কৰি দলত্যাগ কৰে আৰু

আগতে খৃষ্টিয়ানসকলে অধিকাৰ কৰা এণ্টিয়ক ৰাজ্যত আশ্রয় লয়। তেওঁলোকৰ মাজত যুদ্ধৰ কাৰণ হ'ল আৰ্মিডাক অনুগমন কৰিবলৈ ইচ্ছুক সৈন্যবাহিনীৰ নেতৃত্ব কোনে কৰিব—এই লৈ। গাৰ্নাণ্ডে' ৰিনাল্ডৰ বীৰত্বৰ অপমানসূচক মন্তব্য কৰা কাৰণে দৈবত যুদ্ধত গাৰ্নাণ্ড' নিহত হয়। গাৰ্নাণ্ডৰ নিজা সৈন্যদলে গড্‌ফ্রেক ৰিনাল্ড'ৰ বিৰুদ্ধে সঁচাই-মিছাই অভিযোগ কৰে। ফলত ৰিনাল্ডক বিচাৰ কৰি শাস্তিমূলক ব্যৱস্থা লব খোজা দেখি বন্ধু টানক্ৰিডৰ পৰামৰ্শ মতে এণ্টিয়কলৈ পলাই যায়। আৰ্মিডাৰ অসামান্য সৌন্দৰ্য, প্রণয়সূচক হাৱভাৱত মুগ্ধ হৈ তেওঁক ত্ৰাণ কৰিবলৈ যোৱা নাইটসকলে নিজৰ হিতাহিত জ্ঞান হেৰুৱাই পেলায়। দহজন নাইটক আৰ্মিডাৰ সহায়ৰ কাৰণে বছা হৈছিল যদিও আৰু বহুখিনিয়ে তেওঁক অনুসৰণ কৰে। ধৰ্মযুদ্ধত খৃষ্টিয়ানসকলৰ সহায়ৰ কাৰণে পঠোৱা ৰছদ-পাতি আৰু অন্যান্য যুদ্ধৰ সমল বাটতে মিছৰ সৈন্যই জব্দ কৰা শুনি সৈন্যাধ্যক্ষ গড্‌ফ্রে চিন্তিত হৈ পৰে।

ষষ্ঠ সৰ্গ: এই সৰ্গত প্ৰথমতে ছাৰাচেনসকলে তেওঁলোকৰ প্ৰতিৰক্ষা ব্যৱস্থা সুদৃঢ় কৰাৰ প্ৰচেষ্টা প্ৰদৰ্শন কৰিছে। তাৰ পাছতে দেখা গৈছে আৰ্গেণ্টিছক, তেওঁ ছাৰাচেনৰ ৰজাক নগৰদুৰ্গতে সৈন্য বাহিনীক আবদ্ধ নাৰাখি নগৰৰ বাহিৰৰ মুকলি ঠাইত খৃষ্টিয়ানসকলক আক্ৰমণ কৰিবলৈ পৰামৰ্শ দিয়ে আৰু লগতে তেওঁ খৃষ্টিয়ানসকলে বাছি দিয়া তেওঁলোকৰ যিকোনো বীৰৰ লগত দ্বন্দ্বযুদ্ধ কৰিবলৈ প্ৰত্যাহ্বান কৰে। ছুলতানে সেইমতে গড্‌ফ্রেলৈ দূত পঠাই আৰ্গেণ্টিছৰ দৈৱত যুদ্ধৰ আহ্বান জনোৱাত গড্‌ফ্রেই সেই প্ৰত্যাহ্বান গ্ৰহণ কৰি টানক্ৰিডক দৈৱত যুদ্ধলৈ আগবঢ়ায় দিয়ে। আৰ্গেণ্টিক প্ৰয়োজন হ'লে সহায় কৰিবলৈ বীৰাংগনা ক্লৰিণ্ডাৰ লগত কিছু সৈন্য দিও পঠায়। যুদ্ধৰ কাৰণে সুসজ্জিত হৈ ওলাই গৈ অদূৰত কল'ৰিণ্ডাক দেখি টানক্ৰেড পুষ্পবাণৰ দ্বাৰা আহত হৈ মুগ্ধ দৃষ্টিৰে চাই ৰ'ল, উদ্দেশ্য পাহৰি গ'ল। পলম কৰা দেখি তেওঁৰ ঠাই পুৰালে ডেকা নাইট অথ'ই, কিন্তু প্ৰবীণ যোদ্ধা আৰ্গাণ্টিছৰ হাতত নিহত হয়। তেনেতে টানক্ৰিডে সম্বিত পাই আত্মধিক্কাৰ দি আৰ্গাণ্টিছক আক্ৰমণ কৰে। দুয়ো সমান বীৰ, দুয়োজন ক্ষতবিক্ষত হয়, কিন্তু হাৰ নামানে। অৱশেষত যুদ্ধ স্থগিত হয়। ষষ্ঠ দিনা আকৌ যুদ্ধত নামিবলৈ স্থিৰ কৰি নিজ স্থানলৈ উভতি যায়। এই খিনিতে সৰ্গটোৱে মোৰ সলাই প্ৰণয়স্ৰোতত আগবাঢ়ি এৰ্মিনিয়া আৰু টানক্ৰিডৰ কাহিনী আৰম্ভ কৰিছে। ক্ৰুছেদাৰবিলাকে টানক্ৰেডৰ অধীনত জেৰুছালেম অভিমুখে যাত্ৰা কৰোঁতে এণ্টিয়ক নগৰ অধিকাৰ কৰি তাৰ চুলতান বা ৰজাক বধ কৰে কিন্তু ৰাজকুমাৰী এৰ্মিনিয়াক সসম্মানে মৰ্যাদা ৰক্ষা কৰি অন্ন-অলংকাৰসহ সম্পূৰ্ণ মুক্ত কৰি দিয়ে। টানক্ৰেডৰ উদাৰতা আৰু বীৰত্বত মুগ্ধ হৈ এৰ্মিনিয়া খৃষ্টিয়ান বীৰগৰাকীৰ প্ৰতি প্ৰণয়াসক্ত হৈ পৰে। তেওঁ মাকৰ সৈতে জেৰুছালেমৰ ৰাজপ্ৰাসাদত আশ্রয় লয় যদিও টানক্ৰেডৰ প্ৰতি আসক্তি হ্ৰাস পাওক ছাৰি বাঢ়িহে

পাইছিল। দ্বন্দ্ব যুদ্ধত ক্ষতবিক্ষত হোৱা ট্ৰানক্ৰেডক সুস্থ কৰিবলৈ উদ্বাউল হৈ ৰাতি ক্ল'ৰিণ্ডাৰ বেশত ৰাতি দুৰ্গৰ পৰা ওলাই খ্ৰীষ্টিয়ান শিবিৰত প্ৰবেশ কৰি টানক্ৰেডৰ অনুমতি বিচাৰি বাহিৰত অপেক্ষা কৰি থাকোঁতে শিবিৰপৰীয়াই ক্ল'ৰিণ্ডা বুলি ভাবি আক্ৰমণ কৰিব খোজাত এৰ্মিনিয়া ভয়ত পলাই হাবিত সোমায় আৰু অৱশেষত ভয় চিন্তা আৰু ভাগৰত এহাল ভেৰাৰখীয়া বুঢ়াৰ ঘৰত আশ্ৰয় লয়। ইফালে টানক্ৰেডে তেওঁক বিচাৰি ক্ল'ৰিণ্ডা অহা বুলি শুনি অসুস্থ শৰীৰে শিবিৰৰ পৰা ক্ল'ৰিণ্ডাৰ অনুসন্ধানত ৰাতিয়েই পলাই যায়।

সপ্তম সৰ্গ ঃ ক্ল'ৰিণ্ডা বুলি ভাবি টানক্ৰেডে তেওঁক অনুসৰণ কৰি গৈ অৱশেষত খৃষ্টধৰ্ম এৰা দলত্যাগী ৰিম্বেণ্ড'ৰ দলটোৰ মাজত সোমোৱাত দলটোৱে তেওঁক আক্ৰমণ কৰি আবদ্ধ কৰি থয়। আবদ্ধ কৰি থোৱা দুৰ্গটো আৰ্মিডাৰ মায়াজালেৰে আবৃত এক কুহকী অৱস্থান। ৰিম্বেণ্ড' আৰ্মিডাৰ সেৱক হৈ পৰিছিল আৰু মায়াদুৰ্গত আৰ্মিডাৰ আদেশ মতে কাৰ্য সম্পন্ন কৰিছিল। ইফালে ষষ্ঠ দিনা আগৰ কথা মতে আৰ্গাণ্টিছে টানক্ৰিডৰ লগত দ্বন্দ্বযুদ্ধ পুনৰ আৰম্ভ কৰিবলৈ যোৱাত ৰেইমণ্ড নামৰ আন এজন প্ৰসিদ্ধ নাইটে টানক্ৰেডৰ সলনি যুদ্ধত নামে। দুয়োৰে মাজত তয়াময়া যুদ্ধ হয়। অৱশেষত আৰ্গাণ্টিছৰ অৱস্থা শোচনীয় হৈ পৰাত ক্ল'ৰিণ্ডাই সহায় কৰি তেওঁক ৰক্ষা কৰে আৰু খৃষ্টিয়ান বাহিনীক স্বকীয় শিবিৰলৈ উভতি যাবলৈ বাধ্য কৰে।

অষ্টম সৰ্গ ঃ ছয়তানৰ আদেশক্ৰমে অনুচৰ এলেক্টই ইটালীয় সৈন্যৰ মাজত বিদ্ৰোহৰ ভাব জগাই দিয়ে। সিহঁতৰ মাজৰ ৰিনেল্ডক গডফ্ৰেই নিৰ্বাসন দি অৰণ্যত গুপ্তহত্যা কৰে বুলি প্ৰত্যয় জন্মায়, কাৰণ খাদ্য সংগ্ৰহ কৰিবলৈ পঠোৱা এটা দলে মুণ্ডহীন যুৱকৰশৰীৰ দেখা পায় আৰু ভগা অস্ত্ৰ, ৰক্ষাকৱচ আদি কাষত পৰি থকাৰ পৰা বুটলি আনি গডফ্ৰেক সকলোৰে সন্মুখত চমজাই দিয়ে। আৰ্গিলেনো নামৰ ইটালীদেশীয় নাইটে ছয়তানৰ অনুচৰে দেখুওৱা সপোনত ৰিনেল্ড'ৰ প্ৰেতাত্মাই তেওঁৰ হত্যাৰ প্ৰতিশোধ লবলৈ উচতাই দিয়ে। সপোনৰ কথাকে সচা মানি ইটালী দেশীয় সৈন্যবোৰে বিদ্ৰোহ কৰি নিজ দেশলৈ উভতি যাবলৈ ওলাওঁতে গডফ্ৰেই সিহঁতক দমন কৰি আৰ্গিলানোক বন্দী কৰি থয়। ইতিপূৰ্বে ডেনমাৰ্কৰ যুৱৰাজ শ্বেনো সসৈন্যে ক্ৰুছেদ অভিযানত যোগ দিবলৈ আহোঁতে ছাৰাচেন সৈন্যই হঠাতে আক্ৰমণ কৰি সকলোকে বধ কৰাৰ সংবাদেও গডফ্ৰেক বিমৰ্ষ কৰি তোলে।

নৱম-দশম সৰ্গ ঃ ছয়তানৰ অনুচৰ এলেক্টই জেৰুছালেমৰ চুলতানক খৃষ্টিয়ান অভিযানকাৰীৰ ওপৰত নৈশ অভিযান চলাবলৈ উৎসাহ যোগোৱাত সেইমতে আৰ্গাণ্টিছ, ক্ল'ৰিণ্ডাকে প্ৰমুখ্য কৰি ছাৰাচেনসকলে ৰাতি খৃষ্টিয়ান শিবিৰ আক্ৰমণ কৰে। আকস্মিক আক্ৰমণত খৃষ্টিয়ান অভিযানকাৰীদল প্ৰথম অৱস্থাত দুৰ্যোগৰ সন্মুখীন হ'লেও ঈশ্বৰপ্ৰেৰিত দূতসকলৰ দ্বাৰা ছয়তানৰ অনুচৰবোৰ

বিতাৰিত হোৱাত শেষত গড্‌ফ্ৰেৰ সৈন্যদলে ছাৰাচেন মুছলমানবিলাকৰ যুদ্ধত ঘটুৱাই পুনৰ নগৰ দুৰ্গত আশ্ৰয় লবলৈ বাধ্য কৰে। ইফালে ছালাদিনে ৰাতি খৃষ্টিয়ানৰ প্ৰতিআক্ৰমণত থাৰিব নোৱাৰি পলাই যাওঁতে নগৰত প্ৰৱেশ কৰাৰ পৰিৱৰ্ত্তে কোনোক অচিন ঠাইত আঘাত পাই আৰু ভাগৰত পৰি থাকোঁতে যাদুকৰ ইচমেনে তেওঁৰ যাদুৰ প্ৰভাৱত সুস্থ কৰি এটা সুৰঙ্গ পথেদি নি আলাদিনৰ সভাকক্ষত উপস্থিত কৰায় য'ত পৰৱৰ্ত্তী পন্থা কি লোৱা উচিত সেই বিষয়ে আলোচিত হৈছিল। আৰ্গাণ্টিছ, ছালাদিন আৰু ক্ল'ৰিণ্ডাই যুদ্ধ চলাই যোৱাৰ সপক্ষে দৃঢ় মত দাঙি ধৰাত বৃদ্ধ আলাদিনে ছালাদিনৰ হাতত নেতৃত্ব দি সন্মান দিয়ে। ছালাদিন আছিল তুৰ্কীস্তানৰ চুলতান আৰু আলাদিন পৱিত্ৰ জেৰুছালেম বা পেলেষ্টাইনৰ ৰজা।

ইফালে আৰ্মিডাই নি খৃষ্টিয়ান বীৰসকলক আৰু পাছত পথহেৰুওৱা টানক্ৰেডক নি এখন জলাতক বিলৰ মাজত অৱস্থিত মনোৰম মায়াময় অট্টালিকাৰ মাজত আৱদ্ধ কৰি থৈ যাদুবিদ্যাৰ দ্বাৰা তেওঁলোকক ভেকুলি, মাছ আদিলৈ পৰিৱৰ্ত্তন কৰি পুনৰ মানৱৰূপ দি সিহঁতক পেপুৱা লগাই ইজিপ্তলৈ লৈ যাওঁতে বাটত বিনেল্ডই পাই আৰ্মিডাৰ অনুচৰবোৰক বধ কৰি মুকলি কৰি জেৰুছালেমৰ খৃষ্টিয়ান শিবিৰত ওচৰত এৰি এণ্টিয়কলৈ উভতি যায়। হেৰোৱা বীৰসকলক পুনৰ পাই পৰৱৰ্ত্তী কাৰ্যপন্থা হাতত লয়।

একাদশ সৰ্গ ঃ এই সৰ্গত খৃষ্টিয়ান বীৰ আৰু সৈন্যসকল অৱৰুদ্ধ পৱিত্ৰ নগৰ উদ্ধাৰ কল্পে নগৰপ্ৰাচীৰ আৰু দ্বাৰসমূহ চাৰিও দিশৰ পৰা আক্ৰমণ কৰা, যান্ত্ৰিক উপায়েৰে প্ৰাচীৰ দুৱাৰ ভাঙি বা বগাই ভিতৰ সোমাবলৈ চেষ্টা কৰা আৰু সেই প্ৰসংগত দুয়োটা দলৰ বীৰসকলৰ মাজত হোৱা যুদ্ধৰ বিশদ বিৱৰণ দাঙি ধৰি ক্ল'ৰিণ্ডা, আৰ্গাণ্টিছ, ছালাদিন আদি এফালে আৰু আনফালে গড্‌ফ্ৰে, টানক্ৰেড্, ৰেইমণ্ড আদিৰ বীৰত্ব প্ৰদৰ্শন কৰিছে। গড্‌ফ্ৰে আহত হৈছিল, ঐশ্বৰিক অনুকম্পাত সোনকালে সুস্থ হয়। আইডা পৰ্বতৰ পৰা বনৌষধি আনি লগোৱাত তেওঁ নিৰাময় হয়।

দ্বাদশ সৰ্গ ঃ এই অংশত ক্ল'ৰিণ্ডা আৰু আৰ্গাণ্টিছৰ খৃষ্টিয়ান সৈন্য আৰু যুদ্ধসৰঞ্জামৰ ওপৰত চলোৱা নৈশ অভিযান বৰ্ণনা কৰা হৈছে। সৈন্যশিবিৰ আৰু অস্ত্ৰাগাৰত জুই দেখি টানক্ৰেডৰ নেতৃত্বত খৃষ্টিয়ান সৈন্য খেদি অহাত আৰ্গাণ্টিছ আৰু কল'ৰিণ্ডাই আত্মৰক্ষাৰ্থে নগৰত সোমাবলৈ ঢাপলি মেলে। কিন্তু আৰ্গাণ্টিছ সোমোৱাৰ পাছতে দুৰ্গৰ দুৱাৰ বন্ধ কৰি দিয়াত ক্ল'ৰিণ্ডা সোমাব নোৱাৰি দুৰলৈ পলাই যাবলৈ চেষ্টা কৰে যদিও টানক্ৰেডে তেওঁক আগচি ধৰে। তুমুলয়া যুদ্ধত ক্ল'ৰিণ্ডা মাৰাত্মকভাৱে আহত হয়। অৰ্দ্ধমৃত অৱস্থাত প্ৰেমাস্পদ ক্ল'ৰিণ্ডাক চিনিব পাৰি টানক্ৰেড শোকত বিহ্বল হয়। মৃত্যুৰ আগমুহূৰ্ত্তত মুমূৰ্ষুৰ ইচ্ছানুসাৰে ক্ল'ৰিণ্ডাক খৃষ্টধৰ্মত দীক্ষিত কৰে আৰু খৃষ্টিয়ান ৰীতিমতে তেওঁক সৎকাৰ কৰা হয়।

ত্ৰয়োদশ সৰ্গ ঃ উতপ্ত পৰিৱেশত প্ৰখৰ সূৰ্যৰ তাপত পানীৰ অভাৱত কষ্ট পোৱা অভিযানকাৰীবিলাকক পানীৰ যোগান ধৰাৰ মনসে গড্ফ্ৰেই অদূৰত থকা অটব্য অৰণ্যলৈ পানীৰ সন্ধানত এজন এজনকৈ কেবাজনো বীৰক পঠায়, কিন্তু যাদুকৰ ইছমেনৰ যাদুৰ প্ৰভাৱত অৰণ্যত নানা বিভীষিকা দেখি কোনেও অৰণ্যৰ ভিতৰলৈ যাবলৈ সাহ কৰিব নোৱাৰিলে। আনকি টানক্ৰেডৰ দৰে অমিত বিক্ৰমী নাইটেও বহুতদূৰ সোমাই উভতি আহিব লগা হয়। খৃষ্টিয়ানবিলাকৰ দুৰ্দশা দেখি সৃষ্টিকৰ্ত্তাই ধাৰাষাৰে বৰষুণ দি পানীৰ কষ্ট লাঘৱ কৰে।

চতুৰ্দশ সৰ্গ ঃ সৃষ্টিকৰ্ত্তাই সপোনৰ যোগেদি ৰিনেল্ডৰ সকলো দোষ মৰ্ষণ কৰি তেওঁক পুনৰ বিচাৰি আনি জেৰুছালেম উদ্ধাৰ কাৰ্যত নিয়োগ কৰিবলৈ গড্ফ্ৰেক নিৰ্দেশ দিয়ায়, কাৰণ ছফিয়াপত্ৰ ৰিনেল্ডৰ বীৰত্ব অবিহনে পবিত্ৰ নগৰ উদ্ধাৰ কঠিন। ৰাতিপুৱা অন্যতম নেতা গুৱেল্ফই ঈশ্বৰপ্ৰেৰিত হৈ গড্ফ্ৰেক ৰিনেল্ডক অন্বেষণ কৰিবলৈকো অনুৰোধ জনায়। গড্ফ্ৰেই ৰাতিৰ সপোন, ৰাতিপুৱা লৰ্ড গুৱেল্ফৰ অনুৰোধ অনুসৰি দুজন ডেকা সেনানায়কক এই কাৰ্যৰ ভাৰ দিয়ে আৰু এই কাযত তেওঁলোকে সন্ত পিটাৰক লগ ধৰি তেওঁৰ উপদেশ মতে কামত আগবাঢ়িবলৈ নিৰ্দেশ দিয়ে। তেওঁলোকে গৈ গড্ফ্ৰেৰ নিৰ্দেশ অনুসৰি সন্ত পিটাৰক লগ পায় তেওঁৰ অপাৰ্থিব শক্তিৰে দুয়োকে আশ্চৰ্যজনক পৰিস্থিতিৰ মাজেদি অচিন ঠাইলৈ লৈ যায়।

ইফালে ৰিনেল্ডই বন্দী খৃষ্টিয়ান বীৰসকলক আৰ্মিডাৰ অনুচৰসকলৰ কবলৰ পৰা মুক্ত কৰি দি যুদ্ধত ভগা অস্ত্ৰ কৱচ সেই ঠাইতে পেলাই ছদ্মবেশত এণ্টিয়কলৈ উভতি যাওঁক সকলো সুখসৌন্দৰ্য উপভোগৰ সমল যোগাই আৰ্মিডাই মোহিনী ৰূপত তেওঁক আদৰ্শভ্ৰষ্ট কৰিবলৈ চেষ্টা চলায়। আৰ্মিডাই কাৰাচাজি কৰি ৰিনেল্ড' মৰিল বুলি মিছা প্ৰমাণ গড্ফ্ৰেলৈ প্ৰেৰণ কৰিছিল। আৰ্মিডা ৰিনেল্ডৰ যৌৱন, শক্তি আৰু পৰাক্ৰমত মুগ্ধ হৈ, তদুপৰি পবিত্ৰ নগৰ উদ্ধাৰকামী-সকলৰ অহিত চিন্তা কৰি, ৰিনেল্ডক প্ৰেমপাশত বান্ধিবলৈ যত্নৰ কোনো ত্ৰুটি নকৰিলে। সকলো মানৱ সমাজৰ পৰা বহু আঁতৰত অগম্য মৰুভূমিৰ মাজৰ এক মৰুদ্যানৰ সুবিস্তৃত, অথচ অলংঘ্য প্ৰাসাদলৈ তেওঁক লৈ যায়। এই প্ৰাসাদ সকলো বিলাস-ব্যসনৰে পৰিপূৰ্ণ আছিল যদিও তাৰ পৰা ওলাব বা সোমাব পৰা সহজ নাছিল।

পঞ্চদশ সৰ্গ ঃ একান্তবাসী সন্ত পিটাৰৰ নিৰ্দেশ উপদেশক্ৰমে খৃষ্টিয়ান নাইট (Knights) দুজনে সজ্জিত নাৱত উঠি অনুকূল বতাহত শান্ত সাগৰ অতিক্ৰম কৰি মিছৰ (Egypt) অভিমুখে যাত্ৰা কৰে। আৰ্মিডাৰ বহু চলচাতুৰি, প্ৰলোভন আৰু মায়াজাল এৰাই অৱশেষত তেওঁলোকৰ্নিজৰ্ন দ্বীপসদৃশ মৰুদ্যানৰ মণিময় প্ৰাসাদত উপস্থিত হয়। সৰ্গটোত যাত্ৰাৰ বিশদ বিৱৰণ আৰু মায়াপ্ৰাসাদৰ নিৰ্ম্মাণ কৌশল আৰু অলংঘনীয়তাৰ চমৎকাৰ বিৱৰণ কৰিয়ে দক্ষতাৰে দাঙি ধৰিছে।

ষোড়শ সৰ্গ ঃ এই সৰ্গৰ আদি ভাগৰ কেইটামান অষ্টকত মায়াপ্ৰাসাদৰ চক্ৰবেহুৰ দৰে প্ৰৱেশ-নিষ্ক্ৰামনৰ দুৰ্বাতিক্ৰম্যতা, প্ৰাসাদৰ কাৰুকাৰ্য, বিচিত্ৰ উদ্যান, ফল-ফুল বিবিধ চৰাইৰ সুমধুৰ কাকলি বৰ্ণনা কৰি তাৰ মাজত আৰ্মিডা ৰিনেল্ড'ৰ প্ৰেমবিলাস ক্ৰীড়া প্ৰদৰ্শন কৰিছে। ইয়াৰ পাছতে আৰ্মিডাৰ সাময়িক অনুপস্থিতিৰ সুবিধা লৈ খৃষ্টিয়ান বীৰ দুজনে ৰিনেল্ডক আদৰ্শৰ কথা সোঁৱৰাই দি গড্ফ্ৰেৰ আহ্বানৰ কথা জনায়। ৰিনেল্ডেই নিজ কাৰ্যৰ অনৌচিত্য আৰু আদৰ্শভ্ৰষ্টতাৰ কাৰণে অনুতপ্ত হৈ নাইট দুজনৰ লগত প্ৰাসাদ পৰিত্যাগ কৰে। তেওঁ ওলাই যোৱাৰ সংবাদ পাই আৰ্মিডাই বাটত নানা অনুনয় বিনয়পূৰ্বক প্ৰলোভন দেখুৱাই যদিও ৰিনেল্ড'ই কৰ্তব্য সুঁৱৰি তেওঁক এৰি বীৰ দুজনৰ লগত যাত্ৰা কৰে। আৰ্মিডাই প্ৰতিশোধ লবলৈ প্ৰতিজ্ঞা কৰি মিছৰৰ সৈন্য বাহিনীত যোগ দিবলৈ মায়াপ্ৰসাদ চকুৰ পচাৰতে নোহোৱা কৰি গুচি যায়।

সপ্তদশ সৰ্গ ঃ এই সৰ্গৰ প্ৰথম ছোৱাত আলাদিনক সহায় কৰিবলৈ পঠোৱা মিছৰ বাহিনীৰ বীৰ নায়ক আৰু সৈন্যবোৰৰ পৰিচয় দিছে। মিছৰৰ সম্ৰাটৰ অধীনত থকা বিভিন্ন দেশৰ পৰা অহা দলবোৰ, সিহঁতৰ পোছাকপৰিচ্ছদৰ পৰিচয় আৰু নেতাৰ নাম আদিও উল্লেখ কৰিছে। আৰ্মিডাই মিছৰৰ সংযুক্ত বাহিনীৰ সৰ্বাধিনায়কৰ আগত উপস্থিত হৈ যুদ্ধত তেওঁ যোগ দিয়াৰ বাসনা প্ৰকাশ কৰে আৰু লগতে যেয়ে ৰিনেল্ড'ক বধ কৰিব পাৰিব তেওঁকে বিয়া কৰাবলৈ প্ৰতিশ্ৰুতি দিয়ে। আৰ্মিডাৰ লোভত সকলোৱে ৰিনেল্ডক বধ কৰাৰ ইচ্ছা প্ৰকাশ কৰে। ইফালে তিনিজন খৃষ্টিয়ান বীৰ সাগৰ পাৰ হৈ কোন যাব চিন্তা কৰোঁতেই আগৰ সন্তজন আবিৰ্ভাৱ হৈ তেওঁলোকক যোৱাৰ পথ দেখুৱাই যাত্ৰাপথ সুগম কৰি দিয়ে। সন্তজনে ইটালীৰ ইতিহাসত বীৰসকলৰ কাৰ্য আৰু ৰিনেল্ড' পৰিয়ালৰ বীৰত্বৰ কাৰ্য সোঁৱৰাই তেওঁক উৎসাহিত কৰে। ডেনৰজাই এৰি যোৱা বিখ্যাত তৰোৱালখন চাৰ্লছ নামৰ বীৰজনে তেওঁক উপহাৰ দিয়ে। সন্ত জনে তেওঁৰ লগতে ৰথত বহুদূৰ আহি খৃষ্টিয়ান শিবিৰৰ ওচৰত নমাই দিয়ে।

অষ্টাদশ সৰ্গ ঃ এই সৰ্গৰ প্ৰথম ছোৱাত ৰিনেল্ডৰ সন্ত পিটাৰৰ উপদেশ নিৰ্দেশ অনুসৰি নিজৰ সাময়িক স্খলনৰ কাৰণে অনুতাপ কৰি আৰু ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই কালিকালগা বনলৈ যাত্ৰা কৰে। যাত্ৰাৰ প্ৰথম অৱস্থাত ভুতপ্ৰেতৰ ভীতিলৈ ভয় নকৰি আগবাঢ়ি যোৱাত আৰ্মিডাই নতুন কৌশল অৱলম্বন কৰি অকাল বসন্তৰ সৃষ্টি কৰি নিজে মোহিনীৰূপ ধাৰণ কৰি ৰিনেল্ডক কৰ্তব্যচ্যুত কৰিবলৈ চেষ্টা চলায়, কিন্তু সেইবোৰলৈ পিঠি দি বীৰজনে গছ কটাত ভূতপ্ৰেত আৰু মায়াবাদু সকলো আঁতৰি যায়। অৰণ্যখন এইদৰে ভূতপ্ৰেতৰ দৌৰাত্ম্যৰ পৰা মুক্ত হোৱাত খৃষ্টিয়ান সৈন্যই তাৰ পৰা কাঠ আনি প্ৰাচীৰ বগাবলৈ আৰু নগৰলৈ অস্ত্ৰ নিক্ষেপ কৰিবলৈ বিবিধ সৰঞ্জাম আৰু যন্ত্ৰ তৈয়াৰ কৰি লয়। তাৰ পাছত নগৰৰ চাৰি দিশে বিভিন্ন বীৰৰ নেতৃত্বত সৈন্য সংস্থাপন কৰি আক্ৰমণ

চলায়। ভীষণ যুদ্ধৰ পাছত ৰিনেল্ডৰ বীৰত্ব সহায়ত খৃষ্টিয়ান অভিযানকাৰীসকল নগৰত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। স্বৰ্গীয় দেৱদূত মাইকেলৰ নেতৃত্বত দেৱদূত-সকলেও অভিযানকাৰীসকলক সহায় কৰে।

উনবিংশ সৰ্গ ঃ নগৰত সোমালেও যুদ্ধ চলি থাকে। টানক্ৰেডৰ হাতত আৰ্গান্টিছ নিহত হয়। আলাদিন আৰু ছালাদিনে দেভিদৰ স্মৃতিসৌধত আশ্ৰয় লয়। ইপিনে এৰমিনিয়াই খৃষ্টিয়ান শিবিৰৰ গুপ্তচৰ ভেলফ্ৰাইনক মিছৰীয় শিবিৰৰ কিছু খবৰ দি তেওঁৰ লগতে ঘোৰাত উঠি নগৰৰ পৰা ওলাই যায়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি ভেলফ্ৰাইনক গডফ্ৰেই মিছৰীয় সৈনাৰ গতিবিধি লক্ষ্য কৰিবলৈ গুপ্তচৰ ৰূপে পঠাইছিল। তাতে এৰমিনিয়াই চিনি পাই আৰ্মিডাৰ ষড়যন্ত্ৰ আৰু মিছৰীয় সৈন্যৰ সংবাদ দি তেওঁৰ লগতে প্ৰিয়তম টানক্ৰেডক লগ পাবলৈ পলাই আহে। টানক্ৰেড আৰু আৰ্গান্টিছৰ দ্বন্দ্ব যুদ্ধ নগৰৰ বাহিৰত হৈছিল। সেই যুদ্ধত ছাৰাচেন বীৰ আৰ্গান্টিছ টানক্ৰেডৰ হাতত নিহত হয় যদিও খৃষ্টিয়ান বীৰজনো বেয়াকৈ জখম হয়। তেওঁ অতিশয় ৰক্তক্ষৰণৰ ফলত দুৰ্বল হৈ কিছুদূৰ আহি মাটিত শুই পৰে আৰু অৰ্ধচেতন অৱস্থাত মৃত্যুৰ ক্ষণ গণি থাকোঁতে ভেলফ্ৰাইনৰ লগত অহা এৰমিনিয়াই দেখা পায়। এৰ্মিনিয়াৰ শুশ্ৰূষাত টানক্ৰেডে চেতন পায়, তেওঁক অনুসৰণ কৰি অহা অনুচৰবৰ্গও ইতিমধ্যে উপস্থিত হৈ ধৰাধৰি কৰি বীৰজনক শিবিৰলৈ লৈ যায় আৰু আৰ্মিনিয়াকো ওচৰতে থকাৰ সুবিধা কৰি দিয়ে। ভিলফ্ৰাইনে মিছৰীয়সকলৰ শিবিৰত শুনি অহা খৃষ্টিয়ান সৈন্যৰ ছদ্মবেশত ছাৰচেন সৈন্যই হত্যা কৰিবলৈ কৰা ষড়যন্ত্ৰৰ কথা কৈ নেতাজনক সাৱধান কৰি দিয়ে।

বিংশ সৰ্গ ঃ এই সৰ্গ যথেষ্ট দীঘল, ১৪৫টা অষ্টক আছে, কাহিনীৰ পৰিসমাপ্তি ঘটাবলৈ যাওঁতে বহুতো ঘটনাৰ সমাৱেশ কৰিব লগা হৈছে। বিৰাট মিছৰীয় সৈন্য পৱিত্ৰ নগৰৰ ফালে আগবাঢ়ি অহা দেখি গডফ্ৰেই আলোচনা কৰি থিৰ কৰে যে সিহঁতক নগৰত প্ৰৱেশ কৰিবলৈ সুবিধা নিদি মুকলি প্ৰাংগণত ভেটা দি আক্ৰমণ চলাব। সেই মতে সৈন্য সজাই যুদ্ধৰ কাৰণে প্ৰস্তুত কৰি ৰখা হয়। এইখিনিতে গডফ্ৰেৰ সৰ্বাধিনায়কৰ কৌশল প্ৰকাশ পাইছে। সৈন্যসজ্জাৰ পাছত গডফ্ৰেই সকলো সৈন্যক সম্বোধন কৰি উৎসাহিত কৰে আৰু তেওঁলোকক পৱিত্ৰ আদৰ্শ সোঁৱৰাই দি শেষ যুদ্ধৰ কাৰণে মানসিক প্ৰস্তুতিত ইন্ধন যোগায়। সংযুক্ত মিছৰীয় বাহিনীৰ সৰ্বাধিনায়ক আমীৰেও (Emiron) তদ্ৰূপভাৱে নিজৰ অধীনৰ বীৰ আৰু সৈন্যসকলক অনুপ্ৰেৰিত কৰে। যুদ্ধৰ আৰম্ভতে খৃষ্টিয়ান বীৰাঙ্গনা গিলডিপেছে (Gildippes) অদ্ভুত সাহস আৰু ৰণকৌশল প্ৰদৰ্শন কৰিছে। স্বামী-স্ত্ৰী উভয়ে বহুতো বীৰ আৰু শত্ৰুসৈন্যক বধ কৰি মৃত্যু বৰণ কৰে। সেইদৰে বিপৰীত পক্ষৰ আৰ্গিমবে ৰণপাৰ্গতালি প্ৰদৰ্শন কৰি খৃষ্টিয়ান নাইট কেবাজনকো বধ কৰে। ছদ্মবেশত গডফ্ৰেক বধ কৰিবলৈ প্ৰতিজ্ঞা কৰা অৰ্মণ্ডও

খ্ৰিষ্টিয়ান সৈন্যৰ হাতত নিহত হয়। দুয়ো পক্ষৰ বিভিন্ন বীৰৰ ৰণকৌশল আৰু বীৰত্ব ভাগে ভাগে প্ৰদৰ্শন কৰি প্ৰধান বীৰ ৰিনেল্ডৰ অসাধাৰণ বিক্ৰম বিশেষ ভাৱে বৰ্ণনা কৰিছে। তেওঁ অকলেই মিছৰীয় কেবাজনো প্ৰসিদ্ধ বীৰক বধ কৰি অৱশেষত সৰ্বাধিনায়ক আমীৰকো বধ কৰি খ্ৰিষ্টিয়ান বাহিনীক জয়যুক্ত কৰাত সহায় কৰে। অজেয় বীৰ চুলতান ছালাদিনে (Soldan) আৰু শেষত আলাদিন আদি নিহত হোৱাত সেই যুদ্ধৰ গতিবিধি চাই থকা প্ৰতিশোধপৰায়ণা আৰ্মিডাই যুদ্ধক্ষেত্ৰ পৰিত্যাগ কৰি হতাশ অৱস্থাত আত্মহত্যা কৰিবলৈ কি কৰিব একো থিৰাং কৰিব নোৱাৰি বেজাৰ আৰু অসহায় অৱস্থাত গছৰ তলত জিৰণি লওঁতেই ৰিনেল্ডেই তেওঁক লগ ধৰে। ৰিনেল্ডই তেওঁক সান্ত্বনা দি কৰ্ত্তব্যৰ আৰু আদৰ্শৰ প্ৰেৰণাত আৰ্মিডাৰ প্ৰতি পুহি ৰখা তুঁহু জুইৰ দৰে অন্তৰত নিষ্প্ৰভ হৈ জ্বলি থকা প্ৰেমৰ কথা ব্যক্ত কৰে। শেষমুহূৰ্ত্তত শান্তিৰে আৰ্মিডাই পেগান ধৰ্ম এৰি নতুন জীৱন আৰম্ভ কৰে। টানক্ৰেডে ৰুগ্ন অৱস্থাতে কোনো এক বিষম পৰিস্থিতিত যুদ্ধৰ সোঁত অনুকূলে ঘোৱাই দিবলৈ সক্ষম হৈছিল। এইদৰে বিৰাট মিছৰীয় আৰু ছাৰচেন সৈন্যবাহিনীক পৰাজয় কৰি গডফ্ৰেৰ নেতৃত্বত জেৰুছালেম উদ্ধাৰ কৰে।

কাব্যৰ পৰ্য্যালোচনা ঃ টাছোই তেওঁৰ 'পয়েটিকা' নামৰ গ্ৰন্থত মহাকাব্যৰ যি লক্ষণ দাঙি ধৰিছে সেই লক্ষণসমূহ স্বৰচিত মহাকাব্যখনত প্ৰতিফলিত কৰিবলৈ যথাসাধ্য চেষ্টা কৰা দেখা যায়। বৈচিত্ৰ্যৰ মাজত ঐক্য, ঐতিহাসিক বা ধৰ্মীয় বিষয়বস্তু, নাতিদূৰবৰ্তী কাহিনী, বীৰত্বব্যঞ্জক-বিস্ময় সৃষ্টিকাৰী ঘটনাৰ সংযোগ ৱা সমাৱেশৰ লগতে কল্পনাৰ পৰিস্ফুৰণ, প্ৰাকৃতিক বা নৈসৰ্গিক শোভা আৰু পৰিৱেশৰ লগত মানৱীয় ঘটনাৱলীৰ সংযোগ-সম্বন্ধ মহাকাব্যখনত পৰ্যাপ্ত পৰিমাণে লক্ষ্য কৰা যায়। ইলিয়াডৰ দৰে কাহিনীয়ে সৰলগতিত একমুখী হৈ পৰিণতিৰ পথত আগবঢ়া নাই, অকোৱা পকোৱা গতিৰে বহু মেৰপাকলৈ শেষত গন্তব্যস্থলত উপনীত হৈছে। মূল বা প্ৰধান কাহিনী হৈছে খ্ৰিষ্টিয়ানসকলৰ পৱিত্ৰভূমি জেৰুছালেম নগৰ ছাৰাচেন (মুছলমান) অধিকাৰৰ পৰা মুক্ত কৰিবৰ কাৰণে চলোৱা প্ৰথম অভিযান। কিন্তু এই অভিযানৰ লগত সাঙুৰি দিছে ছয়তান প্ৰৰোচিত অনুচৰবিলাকৰ যাদুবিদ্যাৰ অস্বাভাৱিক কাৰ্যকলাপ, প্ৰেম পাশত আবদ্ধ হোৱা নাৰীৰ অভাৱনীয় ব্যৱহাৰ, কাৰ্য আৰু বীৰত্ব, নাইট বা পৱিত্ৰ উদ্দেশ্যে আত্মোৎসৰ্গ কৰা বীৰসকলৰ অসাধাৰণ শক্তি আৰু যুদ্ধকৌশল আৰু নিজ ধৰ্মৰ ৰক্ষা আৰু প্ৰতিষ্ঠাৰ কাৰণে কৰা প্ৰচেষ্টা। মহাকাব্যখনত বৰ্ণিত অভিযান ধৰ্মীয় অভিযান, দুটা ধৰ্মৰ সংঘৰ্ষ ইয়াত বৰ্ণনা কৰা হৈছে আৰু খ্ৰিষ্টিয়ান 'ধৰ্মৰ জয় শেষত ঘোষিত হৈছে। সেইফালৰ পৰা চালে ই এখন ধৰ্মীয় কাব্য। সেয়ে হ'লেও ধৰ্মগ্ৰন্থ ৰূপে ইয়াক কবিয়ে ৰূপদান কৰা নাই, কাব্যৰূপেহে চিত্ৰিত কৰিছে, কল্পনা, ইতিহাস, পৰম্পৰাগত ধাৰণাৰ সংমিশ্ৰণ ঘটাই। ইলিয়াড, ইনীড, মহাভাৰতৰ দৰে

জাতীয় মহাকাব্যৰ শাৰীত ই হয়তো নপৰে, কাৰণ ইয়াক ইটালীয় সমাজ বা ঐতিহ্যৰ প্ৰতিভূ বুলি কব নোৱাৰি, বৰং **Prereformed** (প্ৰটেষ্টাণ্ট সংস্কাৰৰ পূৰ্বকালীন) খৃষ্ট ধৰ্মীয় ধাৰণা বিশেষকহে কাব্যখনে প্ৰতিনিধিত্ব কৰে বুলি কব পাৰি।

ইলিয়াডৰ দৰে মহাকাব্যখন দৃঢ়বন্ধ নহয়। চমৎকাৰিত্ব সৃষ্টি কৰিবলৈ এনে কিছুমান অতিপ্ৰাকৃত অলৌকিক দৃশ্যৰ সংযোজনা কৰিছে যিবোৰ আধুনিক পাঠকৰ পক্ষে অবিশ্বাস্য, কিন্তু ষোড়শ শতাব্দীত এনেবোৰ কথা অবিশ্বাস্য বুলি পৰিগণিত নহৈছিল, কাৰণ আমি সেই সময়তে ইউৰোপত বুঢ়ী মাইকীমানুহ বহুতকে ডাইনী যখিনী বুলি জুইত পেলাই মৰা ঐতিহাসিক উল্লেখ পাওঁ। মহাকাব্যখনত ইছমেন আৰু আৰ্মিডাৰ ঐন্দ্ৰজালিক বা যাদুকৰী কাৰ্যই বহুখিনি ঠাই আগুৰি আছে। জেৰুছালেম অৱৰোধ আৰু দখলৰ ঘটনা-পাৰম্পৰ্যত এই বিস্ময়জনক অপ্ৰাকৃত ঘটনাৱালীৰ প্ৰত্যক্ষ সম্বন্ধ আছে বুলি কব নোৱাৰি, পৰোক্ষভাৱে কাহিনীৰ বৈচিত্ৰ্য সম্পাদন কৰিছে। কাব্যখনত চাৰিগৰাকী অসাধাৰণ নাৰীক স্থান দিয়া হৈছে, তেওঁলোক হ'ল—(১) ক্লৰিণ্ডা, (২) আৰ্মিডা, (৩) এৰ্মিনিয়া, আৰু (৪) গিলডিস্পেছ। আগৰ তিনি গৰাকী ছাৰাচেন শিবিৰৰ আৰু শেষৰ গৰাকী খৃষ্টিয়ান অভিযানকাৰীসকলৰ লগত যোৱা বিৱাহিতা ৰমণী। আগৰ তিনিগৰাকীৰ ভূমিকাই মহাকাব্যখনৰ কেবাটা সৰ্গত প্ৰাধান্য লাভ কৰিছে। কিন্তু শেষৰ গৰাকী বীৰাংগনাই আকস্মিকভাৱে বিংশ সৰ্গত (শেষ সৰ্গ) আবিৰ্ভাৱ হৈ অসীম সাহস আৰু বীৰত্ব প্ৰদৰ্শন কৰি স্বামীৰ লগতে যুদ্ধক্ষেত্ৰত শেষ শয়ন কৰে। আগৰ তিনিটা চৰিত্ৰ কিছু জটিল আৰু বৈচিত্ৰ্যপূৰ্ণ। ক্লৰিণ্ডাৰ জন্ম হৈছিল খৃষ্টিয়ান পৰিয়ালত, কিন্তু বেপ্টাইজ হোৱাৰ পূৰ্বেই দৈৱদুৰ্বিপাকত আহি মুছলমান পৰিবেশত ডাঙৰ দীঘল হৈ যুদ্ধ বিদ্যা আয়ত্ব কৰি জেৰুছালেমৰ চুলতানৰ প্ৰিয়পাত্ৰ হৈ ৰাজনিবাসতে থাকিবলৈ লয়। ক্লৰিণ্ডাৰ লগত খৃষ্টিয়ান নাইট, অসাধাৰণ বীৰ টানক্ৰেডৰ কি সূত্ৰত পৰিচয় হৈছিল সেই বিষয়ে কাব্য নিমাত যদিও টানক্ৰেডৰ ক্লৰিন্ডাৰ প্ৰতি দুৰ্বলতা বা আন কথাত ভাল পোৱা যুদ্ধৰ বিৱৰণত (তৃতীয় সৰ্গ) প্ৰকাশ পাইছে। কিন্তু ক্লৰিণ্ডাই স্পষ্ট ভাষাত বা কাৰ্যত টানক্ৰেডৰ প্ৰতি কোনো আসক্তি প্ৰদৰ্শন কৰা নাই। নিয়তিৰ পৰিহাসত সেই টানক্ৰেডৰ হাততে কাব্যৰ দ্বাদশ সৰ্গত ক্লৰিণ্ডা মাৰাত্মকভাৱে আহত হৈ মৃত্যুৰ আগমুহূৰ্ত্তত খৃষ্টিয়ান ধৰ্মত দীক্ষিত হৈ শেষ নিশ্বাস ত্যাগ কৰে। শেষৰ কথাটোৱে ক্লৰিণ্ডা চৰিত্ৰৰ মহত্ব বঢ়োৱা নাই, কাৰণ মৃত্যুৰ আগমুহূৰ্ত্তত ধৰ্মগ্ৰহণে কবিৰ খৃষ্টিয়ান মনোবৃত্তিহে প্ৰকাশ কৰিছে। অৱশ্যে কবিয়ে ক্লৰিণ্ডাৰ খৃষ্টধৰ্মৰ প্ৰতি উদাৰতা দ্বিতীয় সৰ্গত মৃত্যুদণ্ডেৰে দণ্ডিত খৃষ্টিয়ান দম্পতীক চুলতানক কৈ মুক্ত কৰি নিয়া কাৰ্যৰ যোগেদি সূচনা নকৰাকৈ থকা নাই। আন এটি উপঘটনাৰ **(episode)** সৃষ্টি হৈছে এৰ্মিনিয়াক কেন্দ্ৰ কৰি। তেওঁ এণ্টিয়কৰ ৰাজকুমাৰী। খৃষ্টিয়ান

অভিযানকাৰীসকলে জেৰুছালেন অভিমুখে আহোঁতে সেই ৰাজ্য দখল কৰে। ৰজাৰ মৃত্যু হয়, ৰাজকুমাৰীক কোনো অপমান নকৰি ধনসোণসহ টানক্ৰেডে তেওঁক মুক্ত কৰি য'লৈকে ইচ্ছা যাবলৈ সুবিধা কৰি দিয়ে। টানক্ৰেডৰ এই উদাৰতাত মুগ্ধ হৈ এৰ্মিনিয়া তেওঁৰ প্ৰতি আসক্ত হয়। জেৰুছালেমৰ চুলতানৰ ৰাজপ্ৰাসাদত আশ্ৰয় ললেও টানক্ৰেডক তেওঁ পাহৰিব পৰা নাছিল। ইলিয়াডত হেলেনে ট্ৰয় নগৰৰ সুউচ্চ অট্টালিকাৰ প্ৰাচীৰত থিয় হৈ ৰজা প্ৰায়েমক গ্ৰীক বীৰসকলৰ চিনাকি দিয়াৰ দৰে, এৰ্মিনিয়াই জেৰুছালেমৰ উচ্চ প্ৰাচীৰৰ পৰা চুলতানক খৃষ্টিয়ান বীৰসকলৰ পৰিচয় দিছে। আৰ্গাণ্টিছৰ লগত দ্বন্দ্ব যুদ্ধ কৰি টানক্ৰেড্ আহত হৈ শিবিৰত পৰি থাকোঁতে ক্লৰিণ্ডাৰ বেশত নগৰৰক্ষকক ভুৰা দি ৰাতি বাহিৰ ওলাই প্ৰেমাস্পদক বনৌষধি দি শীঘ্ৰে আৰোগ্য কৰাৰ বিফল প্ৰচেষ্টাত এৰ্মিনিয়াৰ টানক্ৰেডৰ প্ৰতি গভীৰ আকৰ্ষণ প্ৰকাশ পাইছে। আৰ্গাণ্টিছৰ লগত শেষ যুদ্ধত টানক্ৰেডে ছাৰাচেন সেনাপতিক বধ কৰিলে যদিও নিজেও আহত হৈ পৰি থাকোঁতে ভিলফ্ৰেইনৰ লগত মিছৰীয় শিবিৰৰ পৰা পলাই অহা এৰ্মিনিয়াই টানক্ৰেডক পথত মৃতকল্প অৱস্থাত পাই শুশ্ৰূষা কৰি সংজ্ঞা ঘূৰাই আনে আৰু খৃষ্টিয়ান শিবিৰত থাকি তেওঁক পৰিচৰ্যা কৰে। এইবোৰ উদাহৰণে এৰ্মিনিয়াৰ নিৰ্ভেজাল প্ৰেমৰ চানেকি দাঙি ধৰে। কিন্তু আশ্চৰ্যৰ কথা যে কবিয়ে এৰ্মিনিয়াৰ প্ৰেমৰ প্ৰতিক্ৰিয়া টানক্ৰেডৰ ওপৰত কিবা হৈছিল নে নাই সেই বিষয়ে মৌন হৈ ৰ'ল। বৰং মধ্যযুগৰ ৰোমাণ্ডৰ নাইটসকলে কোনো এক আভিজাত্যসম্পন্ন যুৱতীৰ প্ৰতি আসক্ত হোৱাৰ দৰে টানক্ৰেডকো ক্লৰিণ্ডাৰ প্ৰতি আসক্ত হোৱাহে দেখুৱাইছে। কিন্তু এৰ্মিনিয়াৰ বিপৰীতে ক্লৰিণ্ডাই টানক্ৰেডৰ প্ৰতি কোনো ঠাইতে আসক্তি বা দুৰ্বলতা প্ৰকাশ কৰা নাই। আন কথাত কবলৈ গলে ক্লৰিণ্ডা আৰু এৰ্মিনিয়া পৰস্পৰ পৰিপূৰক চৰিত্ৰ।

ইলিয়াডত অভিযানকাৰী গ্ৰীকবাহিনীৰ যেনেকৈ আগামেমনন সৰ্বাধিনায়ক আছিল তেনেকৈ ফ্ৰাণ্ডৰ ডিউক গড্ফ্ৰে খৃষ্টিয়ান অভিযানকাৰীসকলৰ প্ৰমুখ্য নেতা আছিল। কিন্তু ইলিয়াডৰ নায়ক একিলিছহে, আগামেমনন্ নহয়, সেইদৰে এই কৃত্ৰিম মহাকাব্যৰো প্ৰকৃত নায়ক গড্ফ্ৰে বা টানক্ৰেড নহয়, ইটালীয় নাইট ৰিনেল্ড'হে। ইলিয়াডত আগামেমননৰ লগত মনোমালিন্য ঘটি একিলিছ সাময়িক-ভাৱে যুদ্ধৰ পৰা আঁতৰি থকাৰ দৰে ৰিনেল্ড'ও গড্ফ্ৰেৰ লগত সংঘৰ্ষৰ সম্ভাৱনা দেখি যুদ্ধ ক্ষেত্ৰৰ পৰা সাময়িক ভাৱে আঁতৰি আহে। শেষত একিলিছৰ দৰেই যুদ্ধত পুনৰ নামি খৃষ্টিয়ান অভিযান সফল কৰি তোলে। খৃষ্টিয়ান বাহিনীত তেওঁৰ সমকক্ষ যোদ্ধা দ্বিতীয় এজন নাছিল বুলিলেও হয়। টানক্ৰেড্, ৰেইমণ্ড, গড্ফ্ৰে আদিও বীৰত্ব, সাহস আৰু যুদ্ধ কৌশলত কম নাছিল। ৰিনাল্ড, আৰ্মিডা **episode**টো কাব্যখনৰ এক উল্লেখযোগ্য **episode**। আৰ্মিডা কুহকিনী, যাদুবিদ্যা-পাৰদৰ্শিনী আৰু ছয়তানৰ হৈ কাম কৰা ইছমেন যাদুকৰৰ শিষ্য। খৃষ্টিয়ান

বিদ্বেষ তাইৰ মজ্জাগত। খৃষ্টিয়ান বীৰসকলৰ মাজত তিলোত্তমাৰ দৰে সৌন্দৰ্য প্ৰদৰ্শন কৰি বিভেদ সৃষ্টি কৰি এদলক বিপথে পৰিচালিত কৰি মৃত্যুৰ মুখলৈ ঠেলি দিওঁতে ৰিনেল্ড'ই দৈবক্ৰমে সিহঁতক মুক্ত কৰি দিওঁতে আৰ্মিডাৰ কবলত পৰে। ৰিনেল্ড' সাময়িকভাৱে আৰ্মিডাৰ ৰূপসৌন্দৰ্য আৰু যাদুৰ প্ৰভাৱত মতিচ্ছন্ন হয়, শেষত খৃষ্টিয়ান বীৰ দুজনৰ সংস্পৰ্শত আত্মস্থ হৈ কুহকিনীৰ জালৰ পৰা আত্মৰক্ষা কৰিবলৈ সমৰ্থ হয়। আৰ্মিডাৰ চৰিত্ৰ আৰু কাৰ্যকলাপত ওডিছীৰ চাচী' (Circe), ভাৰ্জিলৰ ডিডো (Dida) চৰিত্ৰৰ কিছু প্ৰভাৱ থকা যেন ধাৰণা হয়। তেওঁ কামৰূপিনী, ৰূপৱতী মোহনয়ী, নিষ্ঠুৰা, প্ৰতিশোধ পৰায়ণা অথচ ৰিনেল্ড'ৰ প্ৰণয়প্ৰাৰ্থিনী। ৰিনেল্ড'ক তেওঁৰ প্ৰেমপাশত বান্ধি ৰাখিবৰ কোনো কাৰ্যপন্থাকে তেওঁ নীচ বুলি নাভাবে। দুটা উদ্দেশ্য আগত ৰাখি ৰিনেল্ড'ক খৃষ্টিয়ান শিবিৰৰ পৰা আঁতৰাই ৰাখিবলৈ অশেষ চেষ্টা চলাইছিল। প্ৰথমটো হৈছে খৃষ্টিয়ান অভিযানকাৰী বীৰসকলৰ সৰ্বশ্ৰেষ্ঠ ৰিনেল্ডক ৰাখি খৃষ্টিয়ান শক্তিক দুৰ্বল কৰা আৰু দ্বিতীয়টো হৈছে ৰেনেল্ড'ক প্ৰণয়ীৰূপে লাভ কৰা। ৰিনেল্ড'ই তেওঁক এৰি আহোঁতে তেওঁক আকৰ্ষণ কৰি ৰাখিবৰ কাৰণে সকলো প্ৰকাৰে চেষ্টা চলাই বিফল হৈ দলিত সৰ্পিনীৰ দৰে ৰিনেল্ডৰ প্ৰতি প্ৰেম আৰু তাৰ বিপৰীতে প্ৰতিশোধৰ ভাবে তেওঁৰ মনৰ দ্বিধাবিভক্ত হোৱাও লক্ষ্য কৰা যায়। শেষ যুদ্ধত ৰণক্ষেত্ৰত উপস্থিত থাকি ছাৰাচেন সৈন্যক উৎসাহিত কৰিও যেতিয়া পৰাজয় দেখা পালে তেতিয়া মনৰ বেজাৰত ৰণক্ষেত্ৰত পৰা আঁতৰি গৈ আত্মহত্যা কৰিব নে কি কৰিব এইবোৰ চিন্তা কৰি ধূলিধূসৰিত অৱস্থাত পৰি থাকোঁতে ৰিনেল্ডৰ শেষমুহূৰ্তত লগ ধৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য প্ৰতিশোধ ভাৱৰ বশৱৰ্তী হৈ ৰিনেল্ড'ৰ প্ৰতি যাদুস্পৰ্শী কাড় নিক্ষেপো কৰিছিল যদিও সেই কাড়ে ৰিনেল্ড'ক বিশেষ আঘাত হানিব পৰা নাছিল। সকলো চেষ্টা বিফল হোৱাত যুদ্ধক্ষেত্ৰৰ পৰা পলাই হতাশজনক অৱস্থাতে ৰিনেল্ড'ই লগ পায় আৰু তেওঁৰ অন্তৰত ইমান দিনে পুহি ৰখা প্ৰেম ব্যক্ত কৰে।* আৰ্মিডাই নতুন জীৱন পায়, ৰিনেল্ডক স্বামী লাভ কৰে আৰু খৃষ্টধৰ্মত শৰণ লয়। ৰিনেল্ডৰ চৰিত্ৰৰ যোগেদি কৰ্তব্য আৰু প্ৰেমৰ সংঘাত প্ৰদৰ্শন কৰাইছে। Tillyard-ৰ ভাষাত কবলৈ গলে " Tasso's Armida is a great temptress, living in a realm of magic beauty, who for a time held Rinaldo, the Achilles of the poem, from his duty. She turms into another Dido, craving revenge when he leaves her, but at the very end of the poem, submits herself body and soul to the conqueror." (P. 408) মুঠতে কাব্যখনত আৰ্মিডা চৰিত্ৰ এটা অসামান্য চৰিত্ৰ। কাব্যখনত Counter Reformation Movement-ৰ প্ৰভাৱৰ কাৰণে নাৰীচৰিত্ৰ কেইটাক খৃষ্টধৰ্মত দীক্ষিত হোৱা দেখুৱাইছে।

আগামেমননৰ আদৰ্শত গডফ্ৰে চৰিত্ৰ সৃষ্টি কৰিছে যদিও গডফ্ৰেক খৃষ্টিয়ান

আদৰ্শত গঢ়াৰ কাৰণে অধিক আদৰ্শনিষ্ঠ, ন্যায়বিচাৰশীল আৰু যুদ্ধৰ কৌশল স্থিৰ কৰাত আগামেমননতকৈ আগবঢ়া যেন ধাৰণা হয়। বিদ্ৰোহী দলটোক অকলেই তেওঁ শাসনৰ অধীনলৈ আনিবলৈ সক্ষম হৈছে।

টাছোৰ কবিত্ব প্ৰতিভা সন্দেহাতীত। এৰিষ্ট'টলৰ কাব্যজিজ্ঞাসাত প্ৰাধান্য দিয়া পুতৌ আৰু ভয় (pity and fear) ভাৱৰ পৰিৱৰ্ত্তে বিস্ময়ৰ ভাব উদ্ৰেক কৰাহে কাব্যৰ উদ্দেশ্য বুলি তেওঁৰ অন্যতম ৰচনা (Discorsi)ত উল্লেখ কৰিছে। জেৰুছালেম অভিযানকাৰী খৃষ্টিয়ানসকলৰ গৌৰৱপূৰ্ণ অভিযানক কাব্যখনত প্ৰাধান্য দিলেও ছাৰাচেন বীৰসকলৰ প্ৰতি অবিচাৰ কৰা নাই। আৰ্গেন্টিছ ছলডম ছলমন, আলাদিন, ক্লৰিণ্ডা আদিৰ সাহস আৰু যুদ্ধকৌশল প্ৰদৰ্শন কৰিবলৈ কবিয়ে কাৰ্পণ্য কৰা নাই। কিন্তু বীৰসকলৰ কাৰ্যৰ অন্তৰালত দুটা বিপৰীতমুখী কাৰ্যই অহৰহ কাৰ্য কৰি থকা দেখা যায়। এটা খৃষ্টিয়ান ঈশ্বৰৰ অনুচৰ, দেৱদূত আৰু সন্তসকলে চলোৱা দৈৱিক প্ৰচেষ্টা আৰু আনটো ইছলামধৰ্মী আৰু আন পেগান (Pagan) সকলে চলোৱা চয়তানৰ অনুগামী ইছমেন, আৰ্মিডা আদিৰ **black magic** আৰু অন্য অসাধু উপায়ৰ দ্বাৰা খৃষ্টিয়ানৰ বিৰুদ্ধে বিভেদকামী কাৰ্য আৰু অভিযান ব্যৰ্থ কৰাৰ প্ৰচেষ্টা। অৱশেষত খৃষ্টিয়ান আদৰ্শৰ জয় প্ৰতিষ্ঠিত হৈছে। মিল্টনে **Paradise Lost** কাব্যত ঈশ্বৰ আৰু চয়তানৰ মাজত যি সংঘৰ্ষ প্ৰদৰ্শন কৰিছে, এই কাব্যতো স্পষ্টভাবে নহ'লেও পৰোক্ষভাবে খৃষ্টিয়ান ঈশ্বৰ আৰু অনুগামীৰ লগত অখৃষ্টিয়ান পেগান তথা চয়তানৰ দলৰ সংঘৰ্ষ আৰু চয়তান-অনুগামীসকলক পৰাজয় দেখুৱাইছে।

টাছোৰ কবিত্ব সম্পৰ্কে সন্দেহৰ অৱকাশ নাই। তেওঁৰ কল্পনা সাধাৰণতে সংযত, কিন্তু কোনো কোনো ঠাইত অসংযত উৰণীয়া **fancy**-ৰ সহায়ো নোলোৱাকৈ থকা নাই। বীৰসকলৰ শাৰীৰিক সৌষ্ঠৱ, পৰিচ্ছদ, ব্যৱহাৰ, মানসিক আৰু দৈহিক গুণ-ৰূপ বৰ্ণনাত, যুদ্ধৰ বিশদ বিৱৰণত, অপ্ৰাকৃতিক, ঐন্দ্ৰজালিক আৰু ভয়াল পৰিৱেশ সৃষ্টি কৰাত, উভয় পক্ষৰ নিজ নিজ শিবিৰত, সংকটপূৰ্ণ মুহূৰ্ত্তত হোৱা সলা-পৰামৰ্শৰ চিত্ৰ, কুহকিনীৰ মায়াজালৰ প্ৰভাৱ-প্ৰদৰ্শনত, সৎ-অসৎৰ চিৰন্তন বিৰোধ আৰু শেহান্তৰত সৎৰ বিজয়-ঘোষণাত প্ৰেমৰ অদ্ভুত প্ৰভাৱচিত্ৰণত টাছোৱে বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে। সপ্তদশ সৰ্গত বৰ্ণনা কৰা মিছৰ সম্ৰাটৰ বিপুল সৈন্যবাহিনীৰ অন্তৰ্ভুক্ত বিভিন্ন দেশৰ পৰা যোৱা বিভিন্ন সৈন্যদলৰ বেহৰূপ আৰু সেনাপতিসকলৰ পৰিচয় প্ৰসংগত সিন্ধু-গঙ্গা উপত্যকাৰ সৈন্যৰো উল্লেখ কৰিছে। তৃতীয় সৰ্গত ছাৰাচেন কুঁৱৰী এৰ্মেনিয়াই দুৰ্গপ্ৰাচীৰৰ ওপৰৰ পৰা চুলতানক খৃষ্টিয়ান বীৰসকলৰ (**Knight**) পৰিচয় কৰি দিয়া দৃশ্যৰ লগত 'ইলিয়াড'ত হেলেনে ৰজা প্ৰায়েমক প্ৰাচীৰৰ ওপৰৰ পৰা গ্ৰীক বীৰসকলৰ পৰিচয় দান কৰাৰ দৃশ্যৰ লগত তুলনা কৰিব পাৰি।

টাছোৰ প্ৰাকৃতিক বৰ্ণনাও আকৰ্ষণীয়। তলত উদ্ধৃত কৰা অতি চমু অথচ

আৱেদনক্ষম ৰাতিপুৱাৰ বৰ্ণনাটোলৈ দৃষ্টি পেলালেই তেওঁৰ সংযত কল্পনাৰ আভাস পোৱা যায়।

The purple morning left her crimsŏn bed,
And don'd her robes of pure vermilion hue,
Her amber locks she crowned with roses red,
In Eden's flowery gardens gathered new.

(III stanza)

ত্ৰয়োদশ সৰ্গৰ কালিকা লগা অৰণ্যৰ ভয়াল সৌন্দৰ্যই কবিৰ প্ৰাকৃতিক পৰ্যবেক্ষণ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। চৰিত্ৰাচিনাকি দিয়াৰ প্ৰসংগত কেৱল ক্লৰিণ্ডাৰ পৰিচয়েই অন্যান্য চৰিত্ৰপৰিচয়ৰ নিদৰ্শন ৰূপে গ্ৰহণ কৰিব পাৰি। কবিয়ে বীৰাংগনা ক্ল'ৰিণ্ডাৰ প্ৰথম পৰিচয় এনেদৰে দিছে।

A warrior bold unwares approached near,
In uncouth arms yeclad, and strange disguise,
From countries far but new arrived there,
A savage tigress on her helmet lies,
The famous badge Clorinda used to bear
That wonts in every warlike stour to win,
By which bright sign well-known was that fair inn.
She scorned the arts those seely women used,
Another thought her nobler humour fed ;
Her lofty hand would of itself refuse
To touch the dainty needle or nice thread.
She hated chambers, closets, secret mews,
And in broad fields preserved her maidenhood,
Proud were her looks, yet sweet, though stern and stout,
Her dame a dove thus brought an eagle out.

(Fairfax. book II)

ক্ল'ৰিণ্ডাৰ বৰ্ণনা পৰৱৰ্তী অষ্টকলৈকে বিস্তৃত হৈছে। এনেদৰে আন প্ৰধান চৰিত্ৰৰ ক্ষেত্ৰতো কবিয়ে তেওঁলোকৰ একোটা প্ৰতিকৃতি পাঠকৰ চকুত দাঙি ধৰিছে।

হোমাৰৰ পৰৱৰ্তী মহাকাব্য ৰচকসকলৰ সৰহ ভাগেই আদি গ্ৰীক কবিজনক অনুসৰণ কৰি হোমাৰীয় উপমা ব্যৱহাৰ কৰা দেখা যায়। ভাৰ্জিল, ডাণ্টে, টাছো, এৰিঅ'ষ্ট বয়াৰ্ড, মিল্টনকে প্ৰমুখ্য কৰি মহাকাব্যৰ কবিসকলে অন্যান্য অলংকাৰ (*figures of speech*) *ব্যৱহাৰ কৰাৰ লগতে হোমাৰীয় পুৰ্ণোপমা ব্যৱহাৰ কৰি* কাব্যক চিত্ৰোজ্জ্বল কৰা দেখা যায়। টাছোৱেও অনেক ঠাইত এনে চিত্ৰপ্ৰধান

উপমা ব্যৱহাৰ কৰি কাব্যখনৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। তলত নিদৰ্শন স্বৰূপে টাছোৱে ব্যৱহাৰ কৰা এটা মহাকাব্যিক বা হোমাৰীয় উপমা ইংৰাজী অনুবাদৰ পৰা (Fairfax) দাঙি ধৰা হ'ল।

But when the gliding sun was mounted high,
Jerusalem, behold, appeared in sight,
Jerusalem, they view, they see, they spy ;
Jerusalem, with merry noise they greet
With Joyful shouts and acclamation sweet.
As when a troop of jolly sailors row
Some new-found land and country to descry ;
Through dangerous seas and under stars unkown,
Thrall to the faithless waves and trothless sky,
It once the wished shore begin to show,
They all salute it with a joyful cry,
And each to other shew the land in haste
Forgetting quite their pains and perils past.

সূৰ্য যেতিয়া ওপৰলৈ উঠি আহিল, জেৰুছালেম দৃষ্টিপথত উদয় হ'ল। তেওঁলোকে জেৰুছালেমলৈ দৃষ্টি নিক্ষেপ কৰিলে, দূৰৰ পৰা চাই পঠালে আৰু কোনোৱে গুপ্তচৰৰ দৰে গোপনে নিৰীক্ষণ কৰিলে। আনন্দৰ ধ্বনিৰে তেওঁলোকে জেৰুছালেমক অভিবাদন কৰিলে। বিপদসংকুল সাগৰ, অবিশ্বাস্য ঢৌ, সীমাহীন আকাশৰ অচিন তৰাৰ তলত এদল নাবিকে দিশহাৰা হৈ স্থলভাগ অন্বেষণ কৰি দূৰত উপকূল দেখি আনন্দোল্লাসে সকলো দুখকষ্ট পাহৰি স্থলভাগলৈ যেনেকৈ আঙুলিয়াই অভিবাদন জনায়। (৩।৩-৪)

টাছোৰ পূৰ্বসূৰী ইটালীয়ান কবি এৰিঅ'ষ্ট। তেওঁৰ পূৰা নাম লুডভিক' এৰিঅ'ষ্ট (Ludovico Ariosto ১৪৭৪—১৫৩৩)। এওঁৰ নাম এই কাৰণেই উল্লেখ কৰা হৈছে একে ডিউক পৰিয়ালৰ পৃষ্ঠপোষকতাত টাছো আৰু এৰিঅ'ষ্টই কাব্য ৰচনা কৰে। এৰিঅ'ষ্টৰ মহাকাব্য Orlando Furioso এখন বৃহৎ কাব্য, ৪৬ (চয়ছল্লিছ) টা সৰ্গত বিভক্ত। এই কাব্যৰ প্ৰভাৱ টাছোৰ মহাকাব্যৰ ৰিনেল্ড' চৰিত্ৰৰ ওপৰত অৰ্লেণ্ডৰ প্ৰভাৱ, ক্ল'ৰিণ্ডাৰ ওপৰত ব্ৰেডামেণ্টৰ (Bradamante) প্ৰভাৱ, মায়া, ইন্দ্ৰজাল আদিৰ প্ৰয়োগ আদি কিছু উপাদানৰই সাদৃশ্য দুয়োখন কাব্যৰ উল্লেখযোগ্য বৈশিষ্ট্য। কিন্তু এৰিঅ'ষ্টতকৈ টাছো অধিক সংযত, কাব্যিক ঐক্য সম্বন্ধে সচেতন আৰু আগৰজন কবিৰ দৰে কল্পনাক ইচ্ছামতে উৰিবলৈ স্বাধীনতা দিয়া নাই।

ত্ৰয়োদশ অধ্যায়

মিল্টন : পেৰেডাইজ লষ্ট

ত্রয়োদশ অধ্যায়

মিল্টন ঃ পেৰেডাইজ লষ্ট

ইংৰাজী সাহিত্যত মহাকবি মিল্টনৰ Paradise Lost নামৰ মহাকাব্যখন শ্ৰেষ্ঠ মহাকাব্য বুলি বহুতে গণ্য কৰে। অৱশ্যে এই বিষয়ে যে একেবাৰে মতভেদ নাই এনে নহয়। যিবোৰ গুণ বা লক্ষণে এখন কাব্যক মহাকাব্যৰ উচ্চ স্তৰলৈ লৈ যায় সেইবোৰ লক্ষণ, যেনে—পৰিসৰৰ বিস্তীৰ্ণতা, বিষয়বস্তুৰ গাম্ভীৰ্য, উদাত্ত প্ৰকাশভংগি, ক্ৰিয়াশীলতা আদি বহু গুণেৰে মহিমান্বিত 'পেৰেডাইজ লষ্ট' (ভ্ৰষ্ট বা হৃত স্বৰ্গ) যে কেৱল ইংৰাজী সাহিত্যৰে নহয়, বিশ্বসাহিত্যৰ এখন লেখত লবলগীয়া মহাকাব্য। মহাকাব্যখনৰ পৰিচয় দিয়াৰ আগতে কবিজনৰ কথা অলপ জানি থোৱা ভাল।

'পেৰেডাইজ লষ্ট' মহাকাব্যৰ স্ৰষ্টা জ'ন মিল্টন। ১৬০৮ চনৰ ডিচেম্বৰ মাহত লণ্ডন চহৰত জন্ম হয়। তেওঁৰ পিতাক গুণবান লোক আছিল আৰু সংগীতত বিশেষ বুৎপত্তি আছিল। সেই সূত্ৰে পুতেকেও সংগীতৰ কিছু জ্ঞান লাভ কৰিবলৈ সমৰ্থ হৈছিল। ১৬২৫ চনত মিল্টন কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত ছাত্ৰৰূপে ভৰ্তি হয় আৰু ক্ৰাইষ্ট কলেজৰ ছাত্ৰ হিচাপে বিশেষ কৃতিত্বৰ পৰিচয় দিয়ে। তেওঁৰ সুন্দৰ চেহেৰা, অমায়িক ব্যৱহাৰ, নম্ৰতা আৰু আন ছাত্ৰতকৈ তুলনামূলকভাৱে চাপৰ কাৰণে 'ক্ৰাইষ্ট কলেজৰ মহিলা' (The Lady of Christ) বুলি নগৰৰ নগৰীয়াবোৰে অভিহিত কৰিছিল। নাৰীসুলভ দুই চাৰিটা গুণ তেওঁৰ চৰিত্ৰত প্ৰকাশ পালেও পুৰুষোচিত সাহস, দৃঢ় পদক্ষেপ, অটল শৰীৰৰ তেওঁ অধিকাৰী আছিল। উচ্ছৃংখলতা, সুৰাসক্তি আদি সেই সময়ৰ ডেকাসকলৰ দোষৰ পৰা তেওঁ মুক্ত আছিল। বিদ্ৰোহী মনোভাৱৰ কাৰণে তেওঁ কলেজৰ পৰা কিছুদিন বহিষ্কৃত হৈছিল যদিও ১৬৩২ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা এম এ ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছৰ ৬ বছৰ কোনো অৰ্থকৰী ব্যৱসায়ত নোসোমাই হৰ্টন নামে স্থানত পঢ়াশুনাতে আত্মনিয়োগ কৰি থাকে আৰু এই সময়ছোৱাতে কবিতা লিখিবলৈকো আৰম্ভ কৰে। এই হৰ্টন চহৰতে (বাকিংহামছায়াৰৰ এখন সৰু ঠাই) তেওঁ দুখন কাব্য L' Allegro আৰু L' Penseroso ৰচনা কৰে। প্ৰথমটোৱে আনন্দময় মানৱ আৰু দ্বিতীয়টোৱে চিন্তাশীল মানৱৰ ৰূপ দাঙি ধৰিছে। এই কবিতা দুটা এফালে যেনেকৈ সহজ, অকৃত্ৰিম, আনফালে তেনেকৈ জনপ্ৰিয়ও। গ্ৰাম্য জীৱনৰ সৰস বাস্তৱভিত্তিক বিৱৰণে কবিতা দুটা সুখ পাঠ্য কৰি তুলিছে। ১৬৩৩ চনত দীঘলীয়া কবিতা দুটা প্ৰকাশ হয়। ইয়াৰ পৰৱৰ্তী বছৰতে প্ৰধান, ৰূপকধৰ্মী

আৰু নাটকীয় সাঁচত ঢলা ক'মাচ (Comus) ৰচনা কৰে। ১৬৩৭ চনত শোক কবিতা 'লিচিডাছ' (Lycidas) ৰচনা কৰে। বন্ধু এডৱাড কিঙৰ (Edward King) অকাল মৃত্যুত শোকাভিভূত হৈ এই শোককবিতা ৰচনা কৰিছিল যদিও প্ৰকৃততে অকাল মৃত্যুৱে তেওঁৰ অসীম সম্ভাৱনা ধ্বংস কৰি দিয়ে বুলি মানসিক অশান্তিৰ প্ৰকাশ বুলিও কব পাৰি। গ্ৰাম্য শোক গীত (pastoral elegy) ডঃ জ'নছনে বিৰূপ সমালোচনা কৰিলেও সৰহভাগ সমালোচকে এই শোক কবিতাটো ইংৰাজী সাহিত্যতে এটা কৃৎকৃষ্ট ৰচনা বুলি ক'ব খোজে, "Lycidas is probably the most perfect piece of pure literature in existence because every word and phrase and line is sonorus, ringing and echoing in music".

মিল্টনৰ সাহিত্যিক জীৱনৰ দ্বিতীয় স্তৰত (১৬৪০-১৬৫৪) কবিতাতকৈ গদ্যৰ প্ৰাধান্য লক্ষ্য কৰা যায়। মাজে সময়ে দুই এটা ছনেট জাতীয় কবিতা ৰচনা কৰিলেও সৰহভাগ সৃষ্টি যুক্তিতৰ্ক প্ৰধান গদ্য ৰচনা। সেই সময়ৰ ৰজা প্ৰথম চাৰ্লছ (Charls I) আৰু পাৰ্লিয়ামেন্টৰ মাজত চলা বিৰোধৰ মাজত মিল্টন ভালকৈ লিপ্ত হৈ পৰে আৰু ক্ৰমৱেলৰ দলৰ সপক্ষে চোকা কলম ব্যৱহাৰ কৰিছিল। মিল্টন নিষ্ঠাশীল, ধৰ্মৰ সংশোধনকামী প্ৰটেষ্টাণ্ট আছিল। আনফালে ৰজা আৰু তেওঁৰ অনুগামী সকল আছিল ৰোমান কেথ'লিক। ৰাজপক্ষীয় সকলক বোলা হৈছিল কেভেলিয়াৰ আৰু পিউৰিটান প্ৰটেষ্টাণ্টসকলক বোলা হৈছিল 'ৰাউণ্ড হেড', কাৰণ তেওঁলোকে চুলি খুৰাই নিজৰ বিশেষত্ব প্ৰকাশ কৰিছিল।

১৬৩৮ চনত মিল্টন ভ্ৰমণ কৰিবলৈ ইংলণ্ডৰ পৰা ওলাই গৈ ইটালীত কেইমাহমান কটায়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে লেটিন ভাষাত মিল্টনৰ বিশেষ দক্ষতা আছিল আৰু বিদ্ৰোহৰ সময়ত পাৰ্লিয়ামেণ্ট আৰু ক্ৰমৱেলৰ পক্ষ সমৰ্থন কৰি ৰচনা কৰা প্ৰচাৰপুস্তিকাসমূহৰ ভিতৰত বহু কেইখনেই লেটিন ভাষাত ৰচিত। কেৱল যে ৰাজনৈতিক প্ৰচাৰ পুস্তিকাই তেওঁ ৰচনা কৰিছিল, সেইটো নহয়, প্ৰেছৰ স্বাধীনতা, ধৰ্মযাজক সম্পৰ্কীয় মতবাদ বিবাহ বিচ্ছেদ, ইংৰাজ জনতাৰ সমৰ্থন (Defence of English Peoplo) আদি বিভিন্ন বিষয়ক পুস্তিকা যুক্তি-তৰ্ক সহকাৰে শক্তিশালী ভাষাত ৰচনা আৰু প্ৰকাশ কৰিছিল।

১৬৪৩ চনত তেওঁতকৈ ভালেখিনি সৰু মেৰী পাৱেল এগৰাকী যুৱতী বিয়া কৰায়, কিন্তু কেইমাহমানৰ পাছতে তেওঁ মাকৰ ঘৰলৈ গৈ উভতি নাহিল। ১৬৫৩ চনত ঘৈণীয়া মেৰীৰ মৃত্যু হয়, তাৰ তিনি বছৰ পাছত কেথেৰিন উড্‌ককৰ লগত বিবাহ পাশত আৱদ্ধ হয়, কিন্তু ১৬৫৮ চনত দ্বিতীয়া পত্নীৰো মৃত্যু হোৱাত তৃতীয় দাৰ পৰিগ্ৰহ কৰে ১৬৬৪ চনত। তেতিয়া তেওঁৰ বয়স ছাপন্ন (৫৬) বছৰ আৰু প্ৰায় অন্ধ। ১৮৫২ চনতে তেওঁ চকুৰে দেখা নোপোৱা হয় আৰু অলপ দিনৰ পাছতে সম্পূৰ্ণ অন্ধ হৈ যায়।

অন্ধ অৱস্থাতে 'পেৰেডাইজ লষ্ট' মহাকাব্যখন ১৬৫৮ চনত আৰম্ভ কৰি ১৬৬৫ চনত শেষ কৰে আৰু তাৰ দুবছৰ পাছত (১৬৬৭) প্ৰকাশ কৰে। দুবাৰ পত্নী বিয়োগৰ উপৰিও আৰ্থিক, ৰাজনৈতিক আৰু পাৰিবাৰিক বিপৰ্যয়ৰ কাৰণে বাসস্থান কেবাবাৰো পৰিবৰ্তন কৰিব লগা হয়। জীৱনৰ আৰম্ভণিৰ পৰা ক্ৰমান্বয়ে লণ্ডন (১৬০৮—১৬৩২), হৰ্টন (১৬৩২—১৬৩৯), চাৰ্চয়াৰ্ড (১৬৩৯—১৬৪৭), লিনকলন্ ইন (১৬৪৭—১৬৪৯), হোৱাইট হল (১৬৪৯—১৬৫১), গাৰ্ডেন হাউছ, ৱেষ্টমিনিষ্টাৰ (১৬৫১—১৬৬০), হলবৰ্ন, জেউইন ষ্ট্ৰীট, (১৬৬০—১৬৬৪) আৰ্টিলেৰি গ্ৰাউণ্ড, বাৰ্নহিল (১৬৬৪—১৬৭৪)। লণ্ডন চহৰত মহামাৰী প্লেগ হওঁতে সাময়িকভাৱে গ্ৰাউণ্ড বাৰ্নহিলৰ পৰা আঁতৰি আছিল। ১৬৭৪ চনত আৰ্টিলেৰি গ্ৰাউণ্ড বাৰ্নহিলৰ ঘৰত তেওঁৰ মৃত্যু হয়।

১৬৬০ চনত মৃত্যুদণ্ডেৰে দণ্ডিত হোৱা প্ৰথম চাৰ্লছৰ নিৰ্বাসিত পুত্ৰ দ্বিতীয় চাৰ্লছক ক্ৰমৱেলৰ মৃত্যুৰ পাছত ১৬৬০ চনত ফ্ৰান্সৰ পৰা আমন্ত্ৰিত কৰি অশেষ ধুমধামেৰে ৰাজসিংহাসনত স্থাপন কৰা হয়। ক্ৰমৱেলৰ দলৰ লোকসকল লগে লগে বিপদৰ সন্মুখ হ'ব লগা হয়। মিল্টনো কিছুদিন লুকাই থাকি অৱশেষত ধৰা পৰি আটক বন্দী হৈ জৰিমনা ভৰি মুকলি হয় যদিও বহুতো সম্পত্তি হেৰুৱাব লগা হয়। তেওঁৰ জীৱনৰ শেষৰ দহ-বাৰ বছৰত Paradise Lost সম্পূৰ্ণ কৰাৰ উপৰিও Paradise Regained নামৰ পৰিপূৰক চাৰিটা সৰ্গৰ সৰু কাব্যখন আৰু প্ৰাচীন নিয়মত (Old Testament) থকা ছেমছন-ডিলাইলা কাহিনীৰ ভিত্তিত Samson Agonistes কাব্য ৰচনা কৰে।

মিল্টন প্ৰধানকৈ ধৰ্মৰ কবি। তেওঁৰ সৰহভাগ ৰচনাতে ধৰ্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা পাও। এডৱাৰ্ড এলবাৰ্টে তেওঁৰ 'ইংৰাজী সাহিত্যৰ বুৰঞ্জী'ত মিল্টনৰ ৰচনাৰ প্ৰধান বৈশিষ্ট্য চাৰিটা বুলি উল্লেখ কৰিছে। এই কেইটা হৈছে—(১) ধৰ্মীয় বিষয় বাছনি, বিশেষকৈ শেষস্তৰৰ ৰচনাত, (২) নৈতিক-বোধ আৰু উত্তৰ দায়িত্ব সম্পৰ্কে সচেতন ভাৱৰ প্ৰকাশ, (৩) আদৰ্শ প্ৰচাৰ আৰু উপদেশদানৰ প্ৰৱণতা আৰু (৪) দৃষ্টিভঙ্গিৰ সংকীৰ্ণতা, ধৰ্মীয় গোঁড়ামি আৰু নাৰী আৰু নিম্নশ্ৰেণী সম্পৰ্কে অৱজ্ঞাৰ তথা তুচ্চ মনোভাৱ। এই কেইটা সীমাবদ্ধতা মানিলৈও মিল্টনক এজন শ্ৰেষ্ঠ কবি, ধ্ৰুপদীসাহিত্যৰ অন্যতম মহীয়ান ধাৰক-বাহক ৰূপে স্বীকৃতি নিদি নোৱাৰি। এলিজাবেথৰ যুগ আৰু ড্ৰাইডেনৰ যুগৰ মাজত কলচাছৰ দৰে মিল্টন থিয় হৈ আছে। তেওঁৰ 'হৃত স্বৰ্গ' (Paradise Lost) ইংৰাজী সাহিত্যৰ বেদীত এপাহ সোণৰ ফুল বুলি মুক্ত কণ্ঠে সমালোচকে স্বীকাৰ কৰে। অৱশ্যে এই কথাও নুই কৰিব নোৱাৰি যে মিল্টন সমালোচকসকলৰ মাজত এগৰাকী তৰ্ক-বিতৰ্কৰ কবি (a controvertial poet)। কোনোৱে তেওঁৰ কাব্যত দোষ খুচৰি উলিয়াই কাব্যৰ অসংগতি প্ৰদৰ্শন কৰিছে, আন কোনোৱে তেওঁৰ কাব্য কবিতাৰ প্ৰসংশাত পঞ্চমুখ হোৱা দেখা যায়। বিশ্ব

শতাব্দীৰ সমালোচনাৰ দৃষ্টিত মিল্টনৰ কাব্য আৰু কাব্যপ্রতিভা সম্পৰ্কে মতভেদ কোনো কোনো ক্ষেত্ৰত দেখা যায় যদিও এই কথা নিঃসন্দেহে কব পাৰি যে 'পেৰেডাইজ লষ্ট' ইংৰাজী সাহিত্যৰ শ্ৰেষ্ঠ মহাকাব্য। এই বিষয়ে বহলাই আলোচনা কৰাৰ আগতে কাব্যখনৰ বিষয়বস্তু আৰু বৰ্ণনাৰ লগত পৰিচয় হোৱা প্রয়োজন।

মিল্টনে ৰজা আৰ্থাৰ আৰু তেওঁৰ সভাৰ উদাৰ বীৰ (Knights) সকলৰ কাহিনীক কেন্দ্ৰ কৰি এখন মহাকাব্য ৰচনাৰ পৰিকল্পনা কৰিছিল যদিও শেহান্তৰত সেই পৰিকল্পনা বাদ দি বাইবেলৰ প্ৰাচীন নিয়মতে (Old Testament) সৃষ্টি খণ্ডত (Genesis) থকা 'মানৱৰ পতন' শীৰ্ষক খৃষ্টিয়ান ইহুদী জগতৰ অতি পৰিচিত কাহিনীটোকে ভিত্তি কৰি নিজ সৃষ্টিশীল প্রতিভা আৰু ধ্ৰুপদী পাণ্ডিত্যৰ সমন্বয়ত সকলো মানৱ জাতিক স্পৰ্শ কৰিব পৰা বিষয়টো মহাকাব্যৰ কাৰণে বাছি লয়। ৰজা আৰ্থাৰ সম্বন্ধীয় কাহিনীৰ আবেদন প্ৰধানকৈ ইংৰাজ জাতিৰ মাজতে আবদ্ধ, কিন্তু 'মানৱৰ স্বৰ্গচ্যুতি' বা পতনৰ এক বিশ্বজনীন আবেদন আছে। তদুপৰি মিল্টনৰ ধৰ্মভাৱ আছিল প্ৰবল। তেওঁ ইংলণ্ডৰ 'এপিছকপেল' (episcopal) খৃষ্টিয়ান সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত আছিল আৰু সংস্কাৰকামী (puritan) প্ৰটেষ্টাণ্ট ৰূপে ক্ৰমৱেলৰ ৰাজনৈতিক দলৰ সভ্য আছিল, তেওঁৰ আছিল ধৰ্মত গভীৰ বিশ্বাস। এইবোৰ কাৰণেই 'বাইবেল'ৰ কাহিনীটো কাব্যৰ কাৰণে উপযুক্ত বিষয় বিবেচনা কৰে। মহাকাব্যখনৰ কাহিনী বিকাশৰ এটা চমু বিৱৰণ তলত দাঙি ধৰা হৈছে। কাব্যখনত ১২ টা সৰ্গ আছে। প্ৰথমতে কবিয়ে দহোটা সৰ্গতে (Ten Books) শেষ কৰিছিল, পাছত তেওঁ নিজেই আৰু দুটা সৰ্গ সংযোগ কৰি দিয়ে। শেষত চাৰিটা সৰ্গত বিভক্ত Paradise Regained (পুনৰ স্বৰ্গ প্ৰাপ্তি) নামৰ সৰু কাব্যখন ৰচনা কৰে। এই কাব্য আগৰখন কাব্যৰ পৰিপূৰক বুলি কব পাৰি।

প্ৰথম সৰ্গ : স্বৰ্গীয় কলা-কল্পনা দেৱীক (Heavenly Muse) কাব্যানুপ্ৰেৰণা দান কৰিবলৈ প্ৰাৰ্থনা কৰি কবিয়ে বিষয়বস্তুৰ সূচনা কৰিছে। ঈশ্বৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰি সানুচৰবৰ্গৰ সৈতে ছয়তান কেনেকৈ নৰকৰ জ্বলন্ত অগ্নিকুণ্ডত নিক্ষিপ্ত হৈ জ্বালাময় গন্ধকৰ ঢৌৰ আস্ফালনত অসহ্য বেদনাত তেওঁলোক ওপঙি আছিল আৰু সেই অৱস্থাতো ধৈৰ্য নেহেৰুৱাই তেওঁ ওচৰতে কষ্টত ছেলপোঙা দি পৰি থকা প্ৰধান অনুচৰ বিলজেবুব আৰু অনুচৰবৰ্গৰ শোচনীয় অৱস্থা লক্ষ্য কৰি উৎসাহ উদ্দীপনাময় বাক্যৰে সকলোকে উদ্দীপ্ত কৰি তোলে। ঈশ্বৰৰ লগত যুদ্ধ কৰি পৰাজিত আৰু নিগ্ৰহিত হ'লেও ছয়তানে ভগৱানৰ বিৰুদ্ধে চিৰকাল যুদ্ধ আৰু বিদ্ৰোহ কৰিবলৈ সংকল্প প্ৰকাশ কৰে। স্বৰ্গত ঈশ্বৰৰ দাসত্ব কৰাতকৈ নৰকত স্বাধীনভাৱে ৰাজত্ব কৰাও ভাল, কাৰণ মনেহে স্বৰ্গ-নৰক সৃষ্টি কৰে। তেওঁ নৰকৰ ভয়াবহ অৱস্থাৰ লগত নিজকে খাপ খুৱাই লবলৈ অনুচৰবিলাকক

উপদেশ দিয়ে আৰু নিজেও গন্ধক জুইৰ বিলৰ মাজৰ পৰা সাতুঁৰি জুই যেন গৰম, দগ্ধ মাটিৰ দৰে শুকান পাৰত উঠি বাকীবোৰকো উৎসাহিত কৰি পাৰলৈ আনে। ছয়তানকে প্ৰমুখ্য কৰি ঈশ্বৰ বিদ্ৰোহীদল পৰাজিত আৰু দণ্ডিত হ'লেও তেওঁলোকো এসময়ৰ স্বৰ্গবাসী কাৰণে অমৰত্বৰ অধিকাৰী আছিল, গতিকে মৃত্যু নাই। এওঁলোকৰ ভিতৰত খৃষ্টপূৰ্ব বিধৰ্মীসকলে পূজা কৰা ৰক্তপায়ী, যৌন ব্যভিচাৰী দেৱতাবোৰো জড়িত আছিল। কাব্যত মলচ (Moloch), চেমছ (Chemos), বালিম (Baalim), থাম্মুছ (Thammus), এষ্টৰেথ (Astoreth) আদি পেগান (Pagan, অখৃষ্টীয়) দেৱতাবোৰো ছয়তানৰ দলভুক্ত বুলি কাব্যখনত উল্লেখ কৰিছে। এই দেৱ-দেৱী (?) বিলাকৰ প্ৰকৃতি, বাসস্থান আৰু কোন মানৱ গোষ্ঠীৰ দ্বাৰা আসুৰিক ভাৱে পূজিত হৈছিল তাৰ বিৱৰণে প্ৰথম সৰ্গৰ ভালেখিনি ঠাই আগুৰিছে। নৰককুণ্ডৰ শুকান ধূসৰ পাৰত সমবেত হোৱা অনুচৰ বৰ্গৰ উৎসাহ বঢ়াবৰ কাৰণে বিদ্ৰোহৰ পতাকা উত্তোলন কৰে আৰু ৰণবাদ্য-সংগীতৰ দ্বাৰা নৰক নিনাদিত হয়। ছয়তানৰ অস্ত্ৰশস্ত্ৰযুক্ত সৈন্যবাহিনীৰ তুলনাত ট্ৰয়ৰ যুদ্ধৰ সৈন্যবাহিনী আৰু তাৰ পৰৱৰ্তী যিবোৰ ৰণ-অভিযানৰ সৈন্যৰ উল্লেখ পোৱা যায় সেইবোৰ অতি নগণ্য আছিল। অনুচৰ সৈন্যদলৰ মাজত শাৰীৰিক সৌষ্ঠৱ শক্তি আৰু ব্যক্তিত্বৰ দ্বাৰা ছয়তান তালগছৰ দৰে জিলিকি আছিল। তেওঁ সৈন্যবাহিনীক সম্বোধন কৰি তেওঁলোকক দুগুণ উৎসাহেৰে ঈশ্বৰ বিৰুদ্ধ কাৰ্যত আত্মনিয়োগ কৰিবলৈ উদ্দীপনা যোগায়। তেওঁ প্ৰস্তাৱ দিয়ে যে ঈশ্বৰৰ স্বৰ্গৰাজ্য দুনাই আক্ৰমণ কৰিবলৈ নগৈ ঈশ্বৰে যি নতুন সৃষ্টিৰ পাতনি মেলিছে তাত তেওঁলোকৰ প্ৰতিপত্তি স্থাপনৰ চেষ্টা চলাব লাগে। প্ৰথমতে সেই নতুন সৃষ্টি ক'ত সেইটো অনুসন্ধান কৰি উলিয়াই লব লাগে। অনুসন্ধানৰ বিপদসংকুল অভিযান চলাবলৈ ছয়তানে নিজকে আগবঢ়াই দিয়ে। উৎসাহিত সৈন্যদলে অস্ত্ৰৰ ঝনঝননি তুলি ওচৰতে থকা সুপ্ত আগ্নেয়গিৰিৰ সদৃশ পাহাৰটোক কেন্দ্ৰ কৰি প্ৰতিৰক্ষাৰ ব্যৱস্থা কৰাত লাগি যায় আৰু ধনলোভী মেম্মনে (Mammon) ইয়াত নেতৃত্ব কৰে। তেওঁলোকে সোণ, লো আদিৰ আকৰখানি এক বিৰাট প্ৰাসাদ দুৰ্গ নিৰ্মাণ কৰে যিটোৰ সৌন্দৰ্য, কাৰুকাৰ্য আৰু প্ৰশস্ততা কবিয়ে কাব্যখনত বৰ্ণনা কৰিছে। নিৰ্মাণ সম্পূৰ্ণ হোৱাত কাৰ্যৰ আঁচনি আলোচনা কৰিবলৈ এখন সভা আহ্বান কৰা হয়। সভাঘৰটো অলেখ সৈন্যৰ কাৰণে যথোপযুক্ত নোহোৱাত নিজৰ দেহবোৰ ক্ষুদ্ৰকায় কৰি সমস্যা সমাধান কৰে।

দ্বিতীয় সৰ্গ ঃ ৰজাৰ মৰ্যাদাৰে ছয়তানে সিংহাসনত বহি উপস্থিত অনুচৰবিলাকক সম্বোধন কৰি নৰকৰ যন্ত্ৰণা সহ্য কৰিবলৈ অনুৰোধ কৰাৰ লগতে কেনেকৈ ঈশ্বৰৰ ওপৰত প্ৰতিশোধ লব পাৰিব তাৰ উপায় চিন্তিবলৈ কয়। পুনৰ বাৰ যুদ্ধ কৰা ভাল হবনে, শঠতা কুটনীতিৰ সহায় লৈ অন্যপ্ৰকাৰে ঈশ্বৰক প্ৰতিৰোধ কৰিব সেই বিষয়ে পৰামৰ্শ আগবঢ়াবলৈ অনুৰোধ কৰে। ছয়তানৰ

বক্তব্য শেষ হোৱাৰ লগে লগে মলচ (Moloch) থিয় হৈ পুনৰবাৰ সম্পূৰ্ণ সমৰসজ্জাৰে শক্তিশালী হৈ যুদ্ধত নামিবলৈ অভিমত প্ৰকাশ কৰে। নৰককুণ্ডত শাস্তি খাই দুৰ্বলৰ দৰে নিষ্ক্ৰিয় হৈ পৰি থকাতকৈ বীৰত্ব প্ৰকাশ কৰি হেৰোৱা মৰ্যাদা ঘূৰাই লবলৈ প্ৰচেষ্টা কৰা ভাল বুলি মত প্ৰকাশ কৰে। মলচৰ বক্তৃতা দীঘলীয়া, যুক্তিপূৰ্ণ আৰু বীৰত্বসূচক। তেওঁৰ পাছত বেলিয়লে ঈশ্বৰৰ বিৰুদ্ধে যুদ্ধ কৰি পৰাজিত হৈ অধিক ভয়াৱহ শাস্তি মাতি অনাৰ প্ৰতিকূলে তেওঁৰ মত প্ৰকাশ কৰে। বৰং কষ্ট সহ্য কৰি থাকি অভ্যস্ত হৈ পৰিৱেশৰ লগত খাপখুৱাই লোৱাৰ পৰামৰ্শ আগবঢ়ায়। এনে কৰিলে হয়তো শেহান্তৰত ঈশ্বৰৰ সন্তুষ্ট হৈ শাস্তি লাঘৱো কৰি দিব পাৰে। বেলিয়লৰ পাছত মেম্মনে পূৰ্বৱৰ্তী বক্তাৰ মত আংশিক ভাবে সমৰ্থন কৰি কয় যে যিহেতু তেওঁলোক অমৰ আৰু দেৱকুলৰ প্ৰায় সমানেই শক্তিশালী তেন্তে ভয়াৱহ পৰিণতিৰ সম্ভাৱনা থকা যুদ্ধলৈ নগৈ নৰককো বাসোপযোগী কৰি তোলাই মংগলজনক হ'ব। শেষত ছয়তানৰ সোঁহাত স্বৰূপ বিলজেবুব থিয় হৈ কয় যে ঈশ্বৰে আমাক স্বাধীনভাবে ৰাজ্য স্থাপন কৰিবলৈ নিদিয়ে। তেওঁ সদায় আমাৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিব, যুদ্ধ কৰিও আমাৰ লাভ নহব। শুনিছো ঈশ্বৰে এখন নতুন জগত সৃষ্টি কৰিছে, সেইখনৰ প্ৰতিৰক্ষা স্বৰ্গৰ দৰে সুদৃঢ় নহয়। সেই নতুন জগতৰ সন্ধান লৈ তাত আমাৰ প্ৰভুত্ব বিস্তাৰ কৰিব পাৰোঁ। বিলজেবুবৰ প্ৰস্তাৱ সকলোৱে সমৰ্থন কৰাত ছয়তানে তাকে কৰা উচিত বুলি ভাবি নিজকে সেই জগতৰ অনুসন্ধানত যাবলৈ আগবঢ়ায় দিয়ে। সেই অভিযানত যথেষ্ট বিপদৰ সম্ভাৱনা থকা বুলি জানিও নেতাৰ কৰ্ত্তব্য ভাবি আনক সুবিধা নিদি নিজেই যাবলৈ ওলায়। ইয়াৰ পাছত সভা ভংগ হয়। ছয়তানৰ অনুচৰ বৰ্গই ইচ্ছানুসাৰে ইফালে সিফালে যাবলৈ ধৰে। তেওঁলোকৰ গতিত উৎসাহৰ স্ফুৰণ দেখা যায়।

ছয়তানে নিজ শক্তিৰে বাহুত পাখি লগাই অন্ধকাৰৰ মাজেদি নৰকৰ দুৱাৰৰ ফালে আগবাঢ়ি যায় আৰু নৰকৰ সীমা পাৰ হৈ ওলাই যোৱা দুৱাৰত উপস্থিত হয়। দুৱাৰ ৰখীয়া পাপ (Sin) আৰু মৃত্যু (Death) দুয়ো বাধা দিলেও অৱশেষত তেওঁলোক অবৈধ যৌনসম্পৰ্কত পৰস্পৰে অন্বিত বুলি জানি ছয়তানক বাট এৰি দিয়া। প্ৰাক্-সৃষ্টিৰ বিশৃংখল শূন্য পথেদি ভাহি, ধূমুহা-বৰফ-বৰ্ষণ অতিক্ৰম কৰি অৱশেষত স্বৰ্গৰাজ্যৰ পৰিসীমাত ভূমুকি মাৰি সমস্ত বিশ্বব্ৰহ্মাণ্ডৰ বিভিন্ন দূৰত্ব আৰু স্বৰ্গ আৰু নৰকৰ অপৰিসীম ব্যৱধান বুজিব পাৰে।

তৃতীয় স্বৰ্গ : স্বৰ্গত ঈশ্বৰে ছয়তানৰ কাৰ্যকলাপ লক্ষ্য কৰি থাকে। সি যে নতুন সৃষ্টি পেৰেডাইজৰ সন্ধানত নৰকৰ দুৱাৰ খুলি বাহিৰলৈ 'কেয়চ' (chaos)-ৰ মাজেদি ওলাই আহিছে এই কথা মনত ৰাখি ওচৰতে নম্ৰভাবে বহি থকা ঈশ্বৰৰ পুত্ৰ যীশুক সম্বোধন কৰি কয় যে ছয়তানে যি উদ্দেশ্যে নৰকৰ দুৱাৰ খুলি ওলাই আহিছে সেই উদ্দেশ্য তেওঁৰ সফল হ'ব। ঈশ্বৰৰ ন্যায় বিচাৰ

আৰু প্ৰজ্ঞা (wisdom) সম্পৰ্কে যাতে সন্দেহৰ থল নাথাকে সেই উদ্দেশ্যে আদম-ইভক বিবেকশক্তি দান কৰিছে আৰু মুক্তভাৱে সিদ্ধান্ত লব পৰা ক্ষমতা দিছে। চয়তানৰ প্ৰলোভন তেওঁলোকে এৰাব পাৰিব বুলি তেওঁ আশা কৰে। তথাপিও যদি নাজানি, দোষহীনভাৱে প্ৰলোভনত পৰি নিজৰ পতন মাতি আনে তথাপিও তেওঁৰ পুষ্টি বা প্ৰসাদৰ পৰা সিহঁত বঞ্চিত নহয়। যিশুৱে মানৱৰ প্ৰতি কৰুণা প্ৰকাশ কৰা কাৰণে পিতৃ ঈশ্বৰক প্ৰশংসা কৰে। ঈশ্বৰে স্বকীয় মন্তব্য ব্যাখ্যা কৰি কয় যে, স্বৰ্গীয় ন্যায় বিচাৰৰ প্ৰতি দৃষ্টি ৰাখিহে grace বা প্ৰসাদ মানৱৰ প্ৰতি বৰ্ষিত হ'ব। মানৱে যদি ঈশ্বৰৰ ন্যায় বিধান অমান্য কৰি ঈশ্বৰত্বৰ প্ৰতি দুৰাশা কৰে, তেনেহ'লে মানৱ মৃত্যুৰ অধীন হব লাগিব; আদি মানৱ মানবী আদাম আৰু ইভৰ সন্তান-সন্ততি সকলো মৃত্যুৰ বশগত হব লাগিব। কিন্তু কোনোবাই যদি মানৱৰ পাপৰ দায়িত্ব লৈ শাস্তি গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে তেন্তে মানৱে পুনৰ স্বৰ্গ লাভ কৰিব পাৰিব। ঈশ্বৰ পুত্ৰই উপযাচি মানৱৰ কল্যাণাৰ্থে আত্মোৎসৰ্গ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত ভগৱানে স্বীকৃতি দান কৰে আৰু পাৰ্থিৱীত অৱতাৰ গ্ৰহণ কৰিবলৈ অনুমতি প্ৰদান কৰে আৰু স্বৰ্গবাসী দেৱদূতসকলোৰে ওপৰত তেওঁৰ স্থান প্ৰদান কৰে। সকলো দেৱদূত আৰু স্বৰ্গবাসীক ঈশ্বৰ পুত্ৰক সন্মান কৰিবলৈ নিৰ্দেশ দিয়ে। ঈশ্বৰানুচৰসকলে সেই মতে প্ৰভু আৰু প্ৰভুপুত্ৰৰ গুণগান কীৰ্তন কৰিবলৈ ধৰে।

ইফালে চয়তানে 'নেৰেছ'ৰ মাজেদি নৰকৰ কাষত থকা 'লিম্ব' (limbo-region)-ৰ পৰা আৰম্ভ কৰি মহাশূন্য বা মহাকাশৰ বিভিন্ন মণ্ডল আৰু নক্ষত্ৰ পৰিভ্ৰমণ কৰি আনকি স্বৰ্গৰ জখলাতো ভৰি দি অৱশেষত সূৰ্য মণ্ডলৰ কাষ চাপে। তাৰ পৰিধিত বিচৰণ কৰা এগৰাকী এঞ্জেলৰ পৰা ঈশ্বৰৰ নৱসৃষ্টি 'পেৰেডাইজ'-ৰ খবৰ সংগ্ৰহ কৰে। চয়তানে নিম্ন পৰ্যায়ৰ ঈশ্বৰানুচৰৰ বেশত উৰিয়েল (Uriel) নামৰ সবিতৃমণ্ডলৰ ৰক্ষকজনৰ পৰা সংবাদলৈ নৱসৃষ্টিৰ ফালে নিজ ৰূপত ধাৱমান হয়।

চতুৰ্থ স্বৰ্গ : ইউৰিয়েলৰ সমাচাৰৰ ওপৰত ভিত্তি কৰি চয়তানে নৱসৃষ্টি পেৰেডাইজৰ ফালে গতি পৰিবৰ্তন কৰে। মানৱ আৰু ঈশ্বৰৰ বিৰুদ্ধাচৰণ কৰিবলৈ গৈ তেওঁ প্ৰথমতে মানসিক সংকটত পৰে যদিও অৱশেষত মন স্থিৰ কৰি লক্ষ্যৰ ফালে গতি কৰে। পেৰেডাইজৰ ইডেন উদ্যানৰ উচ্চতম জীৱন বৃক্ষৰ ওপৰত এটা সাগৰীয় চৰাইৰ ৰূপত স্থিতি লয়। গছৰ ওপৰৰ পৰা পেৰেডাইজ আৰু ইডেন উদ্যানৰ সৌন্দৰ্য দেখি বিমোহিত হয়। তাত বসতি আৰু বিচৰণ কৰা প্ৰথম মানৱ দম্পতিৰ বসনভূষণহীন সৌন্দৰ্য, ৰূপগুণ দেখি চয়তান বিস্ময় হয় যদিও সবিশেষ জানিবৰ উদ্দেশ্যে থাকি গোপনে আদাম আৰু ইভৰ দম্পতি সুলভ কথা-বতৰাৰ পৰা জানিব পাৰে যে ঈশ্বৰে দম্পতি যুগলক উদ্যান পালন-পোষণ কৰাৰ ভাৰ দিয়াৰ লগতে এজোপা গছৰ ফলৰ বাহিৰে বাকী সকলো গছৰ ফল খাবলৈ অনুমতি প্ৰদান কৰিছিল। নিষেধ কৰা গছজোপা হ'ল জ্ঞানবৃক্ষ।

ছয়তানে জ্ঞানবৃক্ষৰ ফল খাবলৈ প্ৰথম মানৱ দম্পতিক প্ৰৰোচনা কৰিবলৈ সিদ্ধান্ত লয়। কিন্তু তাৰ আগতে পেৰেডাইজৰ বিষয়ে আৰু অধিক সমাচাৰ সংগ্ৰহ কৰিবৰ উদ্দেশ্যে অন্য উৎস বিচাৰিবলৈ যত্নশীল হয়।

ইতিমধ্যে ইউৰিয়েলে ছয়তানক লক্ষ্য কৰি তেওঁৰ দুৰভিসন্ধি আৰু ছদ্মবেশ বুজিব পাৰি পেৰেডাইজত পহৰা দিয়া দেৱদূত গেব্ৰিয়েলক ছায়তানৰ গতিবিধি সম্পৰ্কে সাৱধান কৰি দিয়ে। নৰকৰ পৰা কোনোবা এটা ঈশ্বৰবিদ্বেষীয়ে ছদ্মৰূপত পেৰেডাইজত প্ৰৱেশ কৰাৰ সন্ধানো দিয়ে। গেব্ৰিয়েলে অনুসন্ধান কৰিবলৈ যত্নপৰ হৈ দেবানুচৰ নিয়োগ কৰে। ইতিমধ্যে পোহৰ আঁতৰি যায়, অন্ধকাৰ নামি আহে। আদাম আৰু ইভো সন্ধ্যাৰ লগে লগে নিজ কুটীৰলৈ উভতি আহি জিৰণি লবলৈ শয্যা গ্ৰহণ কৰে। শোৱাৰ আগতে যথাবিহিত ঈশ্বৰোপাসনা কৰে। ছয়তানে এটা ভেকোলাৰ (toad) ৰূপত কুটীৰৰ চুকত আশ্ৰয় লৈ স্বপ্নৰ সহায়ত ইভক প্ৰৰোচনা কৰি বিপথগামী কৰিবলৈ চেষ্টা কৰোঁতে গেব্ৰিয়েলৰ পৰীয়াক হাতত ধৰা পৰে আৰু ততালিকে বন্দী কৰি গেব্ৰিয়েলৰ ওচৰত হাজিৰ কৰা হয়। গ্ৰেব্ৰিয়েলৰ প্ৰশ্ন আৰু জেৰাৰ উত্তৰত ছয়তানে গৰ্বপূৰ্ণ আৰু উদ্ধত বাক্য প্ৰয়োগ কৰি প্ৰত্যাহ্বান কৰাত তেওঁক যথোচিত শাস্তি বিধান দিবলৈ আয়োজন কৰোঁতে স্বৰ্গৰ পৰা বিপৰীত ইঙ্গিত পাই ছয়তানক বন্ধনৰ পৰা মুক্ত কৰি পেৰেডাইজ এৰি যাবলৈ নিৰ্দেশ দিয়ে।

পঞ্চম স্বৰ্গ : ৰাতি পুৱাৰ লগে লগে আদামে মধুৰ কথাৰে ইভক টোপনিৰ পৰা জগায়। ইভে সাৰ পাই ৰাতি দেখা স্বপ্নৰ কথা কয় আৰু জ্ঞান বৃক্ষৰ প্ৰতি তেওঁক কেনেকৈ প্ৰলোভিত কৰা হৈছিল তাকো কয়। আদামে তেওঁক সান্ত্বনা দি ৰাতিপুৱাৰ প্ৰাৰ্থনা গীত গাই নিত্য কৰ্ত্তব্যৰ কামত ওলাই যায়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে যিজনে জ্ঞানবৃক্ষৰ গুটি খাবলৈ প্ৰলোভিত কৰিছিল তেওঁক আদামৰ ৰূপতে দেখা পাইছিল। ঈশ্বৰে আগনিশাৰ সকলো কথা গম পাই ৰাফেল নামৰ দেৱদূতক পেৰেডাইজলৈ আদাম-ইভক শত্ৰুৰ পৰা সাৱধান কৰিবলৈ পঠায় দিয়ে। এই সাৱধান বাণী উলংঘা কৰিলে তেওঁলোক অক্ষমনীয় দোষত দোষী হ'ব। ঈশ্বৰাদেশ অনুসাৰে ৰাফেল পেৰেডাইজত উপস্থিত হয়, তেওঁৰ দিব্যজ্যোতিয়ে পেৰেডাইজ উদ্ভাসিত হৈ পৰে। আদামে কুটীৰৰ দুৱাৰ মুখৰ পৰাই চিনিব পাৰি যথাবিহিত অভ্যৰ্থনা কৰে। ৰাফেলে আদামক ঈশ্বৰৰ সাৱধান বাণী শুনাই কয় কেনেকৈ ছয়তানে তেওঁলোকক ঈশ্বৰ নিৰ্দিষ্ট পথৰ পৰা নানা ছদ্ম-ছলনাৰে অপচালিত কৰিবলৈ চেষ্টা কৰিছে। কথাপ্ৰসংগত্ৰ আদামে ঈশ্বৰ আৰু ছয়তানৰ বিৰোধ ঘটে ৰাফেলক প্ৰশ্ন কৰে। ঈশ্বৰৰ পৰাই যে স্বৰ্গ, আৰু পেৰেডাইজৰ সকলো গছ-গছনি, তৰু-তৃণ বিভিন্ন প্ৰকাৰ জীৱ আৰু স্বৰ্গীয় বাসীন্দাৰ সৃষ্টি হয় সেই কথা বিৱৰি কয়। কিন্তু ঈশ্বৰৰ ন্যায় বিচাৰ আৰু দয়াৰ কথা পাহৰি তেওঁৰেই সৃষ্টি এদল স্বৰ্গবাসীয়ে ছয়তানৰ নেতৃত্বত ঈশ্বৰৰ স্থান লবলৈ বিদ্ৰোহ আচৰণ কৰি

স্বৰ্গৰাজ্য অধিকাৰ কৰিবলৈ প্ৰয়াস কৰে সেই কথা আদামক কয়। আবদিয়েল নামৰ দেৱদূতে প্ৰথমতে ছয়তানক বিদ্ৰোহাচৰণৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰি বিফল হৈ ছয়তানৰ দল পৰিত্যাগ কৰে। পেৰেডাইজত উৎপন্ন হোৱা ফলমূলেৰে ৰাফেলৰ অভ্যৰ্থনাও কৰা হয়।

ষষ্ঠ স্বৰ্গ ঃ আদমৰ অনুৰোধত ৰাফেলে ছয়তানৰ বিদ্ৰোহ ঈশ্বৰৰ বিৰুদ্ধে যুদ্ধযাত্ৰা আৰু যুদ্ধৰ সবিশেষ বিৱৰণ দাঙি ধৰে। ছয়তানৰ বিদ্ৰোহী দলক দমন কৰিবলৈ ঈশ্বৰে মাইকেল আৰু গেব্ৰিয়েলৰ নেতৃত্বত দেৱসৈন্য পঠায়। আবদিয়েলৰ (Abdiel) মুখৰ পৰা ছয়তানৰ উদ্দেশ্য আৰু কাৰ্য কথা গম পাই ঈশ্বৰে তেওঁক প্ৰশংসা কৰি ওপৰত উল্লেখ কৰা প্ৰতিবিধানৰ নিৰ্দেশ দিয়ে। দুয়ো দলৰ মাজত প্ৰথম দিনৰ যুদ্ধ অসীমাংসিত ভাৱে শেষ হয়। যুদ্ধত ছয়তান আঘাত প্ৰাপ্ত হৈছিল যদিও দেৱোচিত কাৰণে সহজে নিৰাময় হয়। উল্লেখযোগ্য যে এই সৰ্গটোত যুদ্ধৰ যি বিৱৰণ দিছে সেই বিৱৰণ পাৰ্থিৱ জগতৰ যুদ্ধত ব্যৱহাৰ হোৱা অস্ত্ৰ-শস্ত্ৰ, কবচ, ৰথ, ঘোৰা আদিকে দেখা পাওঁ। বিভিন্ন বীৰৰ মাজত হোৱা বাক্-যুদ্ধও মন কৰিব লগীয়া। এই যুদ্ধত গেব্ৰিয়েল আৰু মাইকেলৰ বীৰত্ব প্ৰকাশ কৰাৰ লগতে শত্ৰু সেনানায়ক ছয়তান, মলচকে প্ৰমুখ্যে কৰি বীৰ আহত হোৱা দেখুৱাইছে। ৰাতিৰ ভিতৰতে এক নতুন যুদ্ধাস্ত্ৰ (devilish engines) তৈয়াৰ কৰি ছয়তানে দ্বিতীয় দিনৰ যুদ্ধত দেৱসৈন্যক বিপাঙত পেলায়। অৱশেষত সেই অস্ত্ৰ প্ৰতিৰোধ কৰিবলৈ দেৱসেনাই পৰ্বত উঘালি শত্ৰুপক্ষলৈ দলিয়াব লগা হয়, কিন্তু যুদ্ধৰ জয়-নিজয় দ্বিতীয় দিনাও নহ'ল। তৃতীয় দিনা ঈশ্বৰৰ পুত্ৰ ঈশ্বৰৰ শুভকামনা শিৰত লৈ যুদ্ধলৈ ওলায়। বজ্ৰসহ যুদ্ধাস্ত্ৰলৈ সেনাপতিৰূপে ঈশ্বৰ পুত্ৰই ছয়তানৰ দুৰ্দ্ধৰ্ষ দলক বজ্ৰ নিক্ষেপ কৰি চেদেলি ভেদেলি কৰি দিয়ে। আহত আৰু পৰাজিত ছয়তানৰ দলক স্বৰ্গৰ পৰা সৃষ্টিৰ অধস্তলৰ নৰকলৈ নিক্ষেপ কৰে। স্বৰ্গৰ এদিন নহয়, দুদিন নহয়, ন দিন দিব্যমাৰ্গৰ পৰা সিহঁত তললৈ তীব্ৰ গতিত আহি নৰকৰ জ্বালাময় কুণ্ডত পৰি আবদ্ধ হ'ব লগা হয়।

সপ্তম সৰ্গ ঃ এই সৰ্গত ৰাফেলে ভগৱানে কেনেকৈ নতুন সৃষ্টি 'পেৰেডাইজ' ৰূপ দিলে তাৰ বিৱৰণ আদামৰ আগত দাঙি ধৰিছে। ছয়তানৰ দলক নৰকলৈ নিক্ষেপ কৰি স্বৰ্গৰাজ্য নিষ্কণ্টক কৰাৰ উদ্দেশ্যে এক নতুন সৃষ্টি ৰচনা কৰাৰ মানসে ঈশ্বৰ-পুত্ৰৰ ওপৰত নিজৰ সকলো শক্তি আৰু মহিমা আৰোপ কৰি নতুন এক সৃষ্টিপাতন কৰিবলৈ নিৰ্দেশ দিয়ে, এই নতুন সৃষ্টিৰ জীৱই যাতে সৎ পথত থাকি আধ্যাত্মিক জখলাত উঠাই শেহান্তৰত বিপথে যোৱা ছয়তানৰ অনুচৰ সকলে কৰা খালি ঠাই পূৰণ কৰিব পাৰে সেই উদ্দেশ্যে নতুন সৃষ্টিৰ প্ৰকল্পনা কৰা হয়। ঈশ্বৰ প্ৰেৰিত ঈশ্বৰমহিমান্বিত পুত্ৰই প্ৰথম দিনা chaos-ত পোহৰ সৃষ্টি কৰি প্ৰাক সৃষ্টিৰ ধূৱলি কুঁৱলি অৱস্থা অন্ত কৰে। দ্বিতীয় দিনা আকাশ বা অন্তৰীপ সৃষ্টি কৰি বায়ু প্ৰবাহৰ ব্যৱস্থা কৰে। পৃথিৱী সৃষ্টি হ'ল

যদিও পানীৰ তলত, সেই কাৰণে তৃতীয় দিনা মাটি আৰু পানী বিভাগ কৰি পানীভাগ সাগৰ আৰু মাটিভাগ মানৱ বসতিৰ উপযোগী কৰে। স্থলভাগত পৰ্বত-ভৈয়াম, নদ-নদীৰ উদ্ভৱ হয়। গছ-গছনি, তৰু-লতা ফলফুলে নতুন ঈশ্বৰৰ আদেশত উদ্ভৱ হৈ পৃথিৱী জকমকীয়া হৈ পৰে। চতুৰ্থ দিনা পোহৰ আৰু আন্ধাৰ পৃথক কৰি দিন আৰু ৰাতি সৃষ্টি কৰি ঋতু, মাহ, তৰালি আকাশ, গ্ৰহ-নক্ষত্ৰ আৰু সূৰ্য-চন্দ্ৰৰ পোহৰৰ ব্যৱস্থা কৰে। তাৰ পাছ দিনা অৰ্থাৎ পঞ্চম দিনা পানীৰ বিভিন্ন প্ৰকাৰ জীৱ-জন্তু, উৰি ফুৰা বিভিন্ন চৰাই চিৰিকতি সৃষ্টি কৰি সেইবোৰ দেখি সুখী হয়। ষষ্ঠ দিনা স্থলভাগত উৎপন্ন হোৱা সৰীসৃপ, জন্তু কীট-পতঙ্গ আদি সৃষ্টি কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত সেইমতে সেইবোৰৰ উদ্ভৱ হোৱাত ভগৱানে সৃষ্টিৰ উৎকৃষ্ট সৃষ্টি মানৱৰ কথা ভাৱে। কাৰণ, মানৱ হ'ব লাগিব এনে এক জীৱ যি স্ৰষ্টাৰ গুণগান কৰিব পাৰিব। ভগৱানৰ যেই ইচ্ছা সেই মতে কাম। নিজৰ আদৰ্শত মানৱক তেওঁ সৃষ্টি কৰে আৰু সকলো জীৱজন্তু, উদ্ভিদ, ফলফুলৰ ওপৰত প্ৰভুত্বও দান কৰিলে। এই সকলোবোৰ সৃষ্টি কৰি সৃষ্টি কৰ্তাই সপ্তম দিনা জিৰণি ললে আৰু তাৰ লগে লগে সপ্তাহৰ সৃষ্টি হ'ল।

অষ্টম সৰ্গ : আদামে সৃষ্টিৰ অপৰিৱৰ্ত্তিত, অখণ্ডনীয়, শৃঙ্খলাবদ্ধ আৰু সুসংহত ৰীতিৰ ৰহস্য জানিবলৈ ইচ্ছা প্ৰকাশ কৰে। মাহ-ঋতু, দিন-ৰাতি, সূৰ্য-চন্দ্ৰৰ উদয়াস্ত গ্ৰহ-নক্ষত্ৰৰ নিয়মিত গতি এই সকলোবোৰৰ ৰহস্য জানিব জোখাত ৰাফেলে আদামক যি জানিছে তাতে সন্তুষ্ট হৈ থাকিবলৈ নিৰ্দেশ দিয়ে। ৰাফেলে এই কথাও জনায় যে সৃষ্টি প্ৰক্ৰিয়াৰ সময়ত তেওঁক ছয়তানক নিক্ষেপ কৰা নৰককুণ্ড পৰিদৰ্শন কৰিবলৈ পঠোৱাত সৃষ্টিতত্ত্বৰ ৰহস্য তেওঁ জনাৰ সুবিধা নহ'ল। আদামে তেওঁৰ স্বপ্নত দেখা ঈশ্বৰৰ উপস্থিতি, তেওঁৰ আদামক দিয়া নিৰ্দেশ উপদেশ, বাধানিষেধ আৰু সকলো জীৱ-জন্তু উদ্ভিদৰ ওপৰত মানুহৰ প্ৰভুত্ব দান কৰাৰ লগতে আদামৰ নিঃসঙ্গতা আঁতৰ কৰিবলৈ ইভক কেনেকৈ সৃষ্টি কৰিলে তাৰ কথা কয় আৰু আদাম-ইভৰ মাজত পতি-পত্নীৰ প্ৰেমৰ সম্বন্ধ স্থাপন কৰি দিলে সেই কথাও ৰাফেলে বহুলাই বিৱৰি কয়। ৰাফেলে পতি-পত্নীৰ সম্বন্ধ কেনে হোৱা উচিত আৰু ইভক কেনেদৰে আদামে চোৱা উচিত সেই বিষয়ে উপদেশ দিয়ে। প্ৰসংগক্ৰমে আদামে ইভৰ গুণগান কৰি তেওঁৰ (ইভৰ) সান্নিধ্যই ঈশ্বৰৰ ওচৰ চপাত সহায় হব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ পাছত ৰাফেলে তেওঁলোকৰ পৰা বিদায় লয়।

নৱম সৰ্গ : গেব্ৰিয়েলে খেদি দিয়াত ছয়তানে সমস্ত সৃষ্টি আৰু বিসৃষ্টি (chaos) ঘূৰি অৱশেষত কুৱলীৰ আঁৰত পেৰেডাইজ প্ৰৱেশ কৰি ইডেন উদ্যানত থকা এটা সাপৰ অন্তৰত প্ৰৱেশ কৰে। তেতিয়া ৰাতি পুৱাও পুৱাও যেন হৈছে। অলপ পাছতে ৰাতি পুৱায়। আদাম আৰু ইভ দৈনন্দিন ঈশ্বৰনিৰ্দিষ্ট

উদ্যান পালন পোষণৰ কামত থাবলৈ ওলায়। কিন্তু ইভে প্ৰস্তাব কৰে যে সদায় দুয়ো একে ঠাইতে বাগানৰ কাম কৰাতকৈ ঠাই আৰু প্ৰয়োজন বাছি বেলেগ বেলেগ কামত যোৱা ভাল। এই প্ৰস্তাৱত আদামে প্ৰথমতে আপত্তি কৰিছিল। তেওঁ ইভক যুক্তিৰে বুজাই কৈছিল যে যিহেতুকে শত্ৰুৱে বিশেষকৈ ঈশ্বৰৰ শত্ৰুৱে আমাৰ কাৰ্যৰ মাধ্যমেদি পোতক চালিবলৈ চল বিচাৰি ফুৰিছে, এনে পৰিস্থিতিত দুয়ো পৃথক হৈ কাম কৰা বিপদজনক। কিন্তু ইভে আঁকোৰ গজালি হৈ নিজ প্ৰস্তাৱত লাগি থকাত অৱশেষত নিৰুপায় হৈ আদামে ইভক পৃথক ঠাইত কাম কৰিবলৈ অনুমতি প্ৰদান কৰে। কিন্তু যোৱাৰ আগতে সাৱধান কৰি দিয়ে যাতে ইভে ঈশ্বৰৰ নিষেধাজ্ঞা মনত ৰাখি ন্যায় বিচাৰেৰে কামৰ সিদ্ধান্ত লয়। সাপৰ বেশত চয়তানে সুযোগ বিচাৰি অৱশেষত ইভক অকলশৰে পাই নীচ স্বাৰ্থ পূৰণ কৰিবলৈ স্থিৰ কৰে। সি সৰ্পৰূপত ইভক সম্বোধন কৰি তাইৰ ৰূপ আৰু গুণৰ প্ৰশংসা কৰি মনটো কোমলাই লয়। ৰূপ গুণ গালে নাৰী সাধাৰণতে গলি যায়। ধূৰ্ত্ত চয়তানেও প্ৰথমতে তাকেই কৰে। সাপৰ মুখত ভাষা আৰু কথা-বতৰাত জ্ঞানৰ পৰিচয় পাই ইভ আচৰিত হৈ সেইটো ভাষা আৰু জ্ঞানৰ অধিকাৰী হ'ল প্ৰশ্ন কৰাত সৰ্পৰূপী চয়তানে ঈশ্বৰে নিষেধ কৰা জ্ঞান বৃক্ষলৈ আঙুলিয়াই সেই বৃক্ষৰ ফল খাই তেওঁ মানুহৰ দৰে কথা কব পৰা হল আৰু ভাল-বেয়া বিচাৰ কৰিব পৰা ক্ষমতা আৰু জ্ঞান লাভ কৰিবলৈ সমৰ্থবান হৈছে। প্ৰথমতে ইভে ঈশ্বৰৰ নিষেধ আজ্ঞা লংঘন কৰিবলৈ ইতস্ততঃ কৰিছিল যদিও চয়তানৰ ফুচুলনিত শেষত জ্ঞান গছৰ সুস্বাদু ফল খাই তৃপ্তি পাই তাৰে এটা আদামৰ কাৰণে লৈ আহে। আদামক ফলটো দিয়াৰ লগতে কেনেকৈ আৰু কোনে সেই ফলগছৰ ওচৰলৈ নি খাবৰ কাৰণে অনুৰোধ কৰে সেই কথাও আদামক জনায়। আদামে ইভক কাৰ্যত অসন্তোষ প্ৰকাশ কৰি নাৰী জাতিৰ চপল প্ৰকৃতিক গৰিহনা দিয়ে। জ্ঞানবৃক্ষৰ গুটি খাই তেওঁলোকৰ যে পতন হৈ মৃত্যুৰ অধীন হব সেই কথা জানিও ইভৰ প্ৰতি থকা প্ৰেমৰ বশীভূত হৈ তেওঁৱো ফলটো খায়। অধঃপতন অনিবাৰ্য্য জানি পৰস্পৰে দোষাৰোপ কৰি জ্ঞানফল ভক্ষণৰ ফলস্বৰূপে প্ৰথমে নিজ নগ্ন অৱস্থা ঢাকিবলৈ বাকলি বসন পৰিধান কৰে। উল্লেখযোগ্য সৰ্পৰূপী চয়তানে ইভক প্ৰলোভিত কৰিবলৈ যথেষ্ট যুক্তি, বাগ্মিতা, ফুচুলনি প্ৰয়োগ কৰিব লগা হৈছিল।

দশম সৰ্গ ঃ—ঈশ্বৰৰ নিষেধাজ্ঞা উলঙ্ঘন কৰা কাৰণে পেৰেডাইজত সংৰক্ষক-ৰূপে থকা দেৱদূতৰ কেইজনে সেই স্থান এৰি ভগৱানক খবৰ দিবলৈ স্বৰ্গধামলৈ যাত্ৰা কৰে। তেওঁলোকে পেৰেডাইজত সদায়তে ঘটা সকলো কথা ভগৱানক জনায়। ভগৱানে তেওঁৰ পুত্ৰ যিশুক এই বিষয়ে অনুসন্ধান কৰি যথাৰ্বিহিত ব্যৱস্থা কৰিবলৈ ক্ষমতা আৰু নিৰ্দেশ দি পেৰেডাইজলৈ প্ৰেৰণ কৰে। ঈশ্বৰ পুত্ৰই আদাম-ইভক মাতি আনি সকলো কথা সোধাত তেওঁলোকে লাজ, ভয় আৰু অনুতাপত সকলো দোষ স্বীকাৰ কৰি কয় যে, সৰ্পৰূপী চয়তানে তেওঁলোকক

ঈশ্বৰৰ বিৰোধী কাৰ্য কৰিবলৈ প্ৰৰোচিত কৰে। আদামে লগতে ইভকো ইয়াৰ কাৰণে দায়ী বুলি কয়। ঈশ্বৰৰ পুত্ৰই ঈশ্বৰৰ আজ্ঞা উলংঘন কৰা কাৰণে পেৰেডাইজৰ পৰা নিৰ্বাসিত কৰাৰ লগতে পৃথিবীত কষ্ট কৰি জীৱন নিৰ্বাহ কৰি শেষত জৰা-ব্যাধিৰ দ্বাৰা আক্ৰান্ত হৈ মৃত্যুমুখত পৰিব বুলি ঈশ্বৰৰ দণ্ডবিধান জাৰি কৰে। লগতে সাপক অভিশাপ দিয়ে যে পেটেৰে চুচৰি যাব লাগিব আৰু মাটি খাই জীৱন ধাৰণ কৰিব; সি মানৱৰ ভৰিত খুটিব আৰু মানবে তাৰ মূৰ থেতালি তাক মাৰিব। ইভক অভিশাপ দিয়ে যে নাৰীয়ে গৰ্ভ ধাৰণৰ কষ্ট সহ্য কৰি সন্তান জন্ম দিব আৰু সদায় পুৰুষৰ অধীনত থাকিব লাগিব। এই দৰে শাস্তি বিধান কৰি আদাম আৰু ইভক বসন পিন্ধাই স্বৰ্গধামত ঈশ্বৰক সকলো কথা কয়।

ইফালে নৰকৰ দ্বাৰত থকা মৃত্যু আৰু পাপে (Sin) ছয়তানৰ সাফল্যৰ কথা গম পাই নতুন সৃষ্টি পৃথিবীৰ লগত সহজ সংযোগ স্থাপনৰ উদ্দেশ্যে এক সেতু নিৰ্মাণ কৰে। ইফালে ছয়তানে গোপনে পেৰেডাইজৰ পৰা পলায়ন কৰে। তেওঁ পাপ আৰু মৃত্যুৰ পৃথিবীৰ লগত সংযোগসূত্ৰ স্থাপন কৰাত সন্তোষ প্ৰকাশ কৰি তেওঁলোকৰ কাৰ্যৰ প্ৰশংসা কৰে। যথাসময়ত ছয়তানে অদৃশ্য ভাৱে নৰক ৰাজ্যৰ আলোচনাৰ সভাকক্ষত প্ৰৱেশ কৰি আত্মগৌৰবেৰে নিজৰ অপকীৰ্ত্তিৰ কথা অনুচৰবৰ্গৰ আগত ব্যাখ্যান কৰে। কিন্তু আচৰিত কথা, হৰ্ষ ধ্বনিৰ পৰিৱৰ্তে পৰিপূৰ্ণ সভাস্থলীৰ পৰা কেৱল সাপৰ দৰে ফোচ-ফোচনিহে শুনা গ'ল। লাহে লাহে দেখা গ'ল ছয়তানকে প্ৰমুখ্য কৰি সমস্ত ছয়তানৰ দল সৰ্পাকৃতিত পৰিণত হয়। ভগৱানে সিহঁতক পৰিহাস কৰিবৰ উদ্দেশ্যে জ্ঞানবৃক্ষৰ ফলৰ দৰে এজোপা ফলেৰে পৰিপূৰ্ণ গছ সিঁহতৰ ওচৰত সৃষ্টি কৰে। ছয়তানৰ অনুচৰবৰ্গই ধুনীয়া সুস্বাদু ফল বুলি ভাবি গছত বগাই গৈ খাই মাটি আৰু ছাইৰ স্বাদহে লাভ কৰে। ক্ষুধা-তৃষ্ণাৰ নিবৃত্তি নহ'ল। যাহঁওক পাপ আৰু মৃত্যুৱে পেৰেডাইজত (পৃথিবীত) খোপনি পুতি লয়। ইফালে ভগৱানে মানৱৰ পতনৰ পাছত ভগৱানানুচৰসকলক কৰ্ত্তব্য বিভাগ কৰি বিভিন্ন গ্ৰহ-নক্ষত্ৰৰ গতি, গতি পৰিৱৰ্ত্তন, মাহ ঋতু আদিৰ নিৰ্দিষ্ট নিয়ম বান্ধি দিয়ে। মিল্টনৰ সময়ত আৱিষ্কৃত হোৱা গ্ৰহানুপুঞ্জ, পৃথিবীৰ বিভিন্ন ভাগ আদিৰো বিৱৰণ এই প্ৰসংগতে পোৱা যায়। কিন্তু সৃষ্টিকৰ্ত্তাই যিশুৰ আত্মোৎসৰ্গৰ যোগেদি মানৱে পাপ ক্ষালন আৰু মৃত্যুক জয় কৰিব পাৰিব বুলি কয়। ইফালে আদামে আত্মশোচনাত নিজকে ধিক্কাৰ দিয়াৰ লগতে ভগৱানৰ প্ৰতি প্ৰাৰ্থনা জনাই ক্ষমাভিক্ষা খোজে। একোবাৰ মনৰ অস্থিৰ অৱস্থাত নিজকে ধ্বংস কৰিবলৈ মন মেলে। ইভৰ চাঞ্চল্য, লোভ আৰু নিষেধাজ্ঞা উলংঘনৰ তীব্ৰ গৰিহণা দিয়ে আৰু নৱবিধান মানি লয়। ইভেও আদামৰ ভৰিত ধৰি নিজৰ দোষৰ কাৰণে অনুতাপ প্ৰকাশ কৰি আদাম আৰু সৃষ্টি-কৰৰ ওচৰত ক্ষমা খোজে। মানৱ সন্তানৰ ভৱিষ্য দুখকষ্ট, যন্ত্ৰণা-মৃত্যুৰ কথা ভাবি

সন্তান প্ৰসৱ নকৰিবলৈ অথবা আত্মহত্যা কৰি সকলো ভৱিষ্য দুখৰ অৱসান ঘটনাবলৈ প্ৰস্তাৱ কৰাত আদামে তেওঁক ক্ষমা খুজি ঈশ্বৰক প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ কৰে।

একাদশ সৰ্গ : ঈশ্বৰপুত্ৰই আদাম আৰু ইভৰ অনুতাপ আৰু প্ৰাৰ্থনাৰ কথা ঈশ্বৰত জনাই দোষ মৰিষণ কৰিবলৈ কয়। তেওঁৰ অনুৰোধ ভগৱানে শুনি দৈবানুচৰসকলক (angels, archangels cherubim etc.) মাতি আজ্ঞা শুনাই দিয়ে যে আদাম আৰু ইভক পেৰেডাইজত থাকিবলৈ দিব নোৱাৰি, তেওঁলোকক মৰতলৈ নিৰ্বাসন দিব লাগিব। কাৰণ এতিয়া অনুতপ্ত হলেও কেতিয়াবা জ্ঞান গছৰ গুটি খোৱাৰ দৰে প্ৰলোভনত পৰি জীৱনবৃক্ষৰ ফল খাই অমৰত্ব লাভ কৰিবলৈ চেষ্টা কৰিব। এই দৰে কৈ মাইকেলক আদেশ পালন কৰিবলৈ কোৱাত মাইকেলে বহুতো অনুচৰ লগত লৈ পেৰেডাইজত উপস্থিত হয়। ইতিমধ্যে প্ৰাৰ্থনা আৰু অনুশোচনা প্ৰকাশৰ দ্বাৰা আদামে কিছু শান্তি লাভ কৰি ইভকো মানৱজাতিৰ আদিমাতৃ বুলি আশ্বস্ত কৰে। কিন্তু কিছুমান অমংগলৰ চিন দেখা পাই আদাম শংকিত হৈ পৰে। এনেতে দেৱসেনা সহিত মাইকেল উপস্থিত হৈ ভগৱানে ক্ষমা কৰাৰ কথা কৈ তেওঁলোকক পেৰেডাইজৰ পৰা উলিয়াই পঠোৱাৰ নিৰ্দেশ প্ৰকাশ কৰে। গছৰ আঁৰৰ পৰা ইভে ভগৱানৰ নিৰ্দেশ শুনি বেজাৰ কৰে, আদামো ম্ৰিয়মান হয় আৰু তাত থাকোঁতে কেনেকৈ ভগৱানৰ উপস্থিতি অনুভৱ কৰি শান্তি লাভ কৰিছিল সেই স্মৃতি সুঁৱৰি দুখ কৰে। মাইকেলে আদামক সমস্ত পৃথিৱীৰ ওপৰত তেওঁৰ আৰু তেওঁৰ বংশধৰসকলৰ আধিপত্য প্ৰদান কৰি পেৰেডাইজৰ পৰা প্ৰথম মানৱ দম্পতিক পৃথিৱীলৈ পঠায় দিয়ে। পঠোৱাৰ আগতে আদামৰ চকুত সমস্ত পৃথিৱীৰ ভৌগোলিক চিত্ৰ, মানৱৰ ভৱিষ্যত, জৰাব্যাধি, হিংসা-অসূয়া, প্ৰেমপ্ৰীতিৰ এক সামগ্ৰিক চিত্ৰ দাঙি ধৰে আৰু তাৰ লগতে সৃষ্টিকৰ্তাৰ সৰ্বত্ৰ উপস্থিতিৰ কথাও কয়। মাইকেলে শেষত মহাপ্ৰলয় (Great flood) পৰ্যন্ত ঘটিব লগা মানৱ কাৰ্যৰ চমু আভাস দিয়ে। সুখী দাম্পত্য জীৱন আৰু ব্যাভিচাৰী দাম্পত্য জীৱনৰ পৰিণতিও বৰ্ণনা কৰে।

দ্বাদশ সৰ্গ : শেষ সৰ্গত মহাপ্ৰলয়ত নোৱাৰ নাৱত পৃথিৱীৰ সকলো জীৱজন্তু উদ্ভিদৰ বীজ কেনেকৈ সংৰক্ষণ হব আৰু তাৰ পাছত আব্ৰাহামৰ পৰা মানৱ জাতি বৃদ্ধি পাব সেই কথা মাইকেলে বৰ্ণনা কৰে। এই প্ৰসংগত (Old Testment)-ত থকাৰ দৰে ইহুদি জাতিৰ ইতিহাস চমুকৈ কৈছে। অৱশেষত মানৱ জাতিৰ উদ্ধাৰৰ অৰ্থে যিশুৰ অৱতাৰ, তেওঁৰ ধৰ্মসংস্কাৰ, ক্ৰচি কাঠত আত্মোৎসৰ্গ, পুনৰুজ্জীৱন (resurrection) স্বৰ্গাৰোহণ আৰু মানৱৰ প্ৰতি ঈশ্বৰৰ প্ৰেমৰ কথা কয়। ইমান পৰে ইভ টোপনিত আছিল, মাইকেলে জগাই দিয়ে। টোপনিয়ে তেওঁৰ মনলৈ শান্তি ঘূৰাই আনে। সন্তুষ্টিৰে তেওঁ আদামৰ লগৰীয়া হৈ পেৰেডাইজ এৰিবলৈ সাজু হয়। মাইকেলে পৃথিৱীত কেনেকৈ

Virtue (সজগুণ) Patience (ধৈৰ্য) Temperance (সংযম) Love (প্ৰেম) Charity (উদাৰতা, দানশীলতা) আদি কৰ্ষণ কৰি ঈশ্বৰত মতি ৰাখি চলিব লাগিব সেই বিষয়ে উপদেশ দি সদলবলে পেৰেডাইজৰ পূব দুৱাৰেদি আদাম আৰু ইভক উলিয়াই পঠায়।

পৰ্যালোচনা ঃ আগতে উল্লেখ কৰি অহা হৈছে যে মিল্টনে প্ৰথম সংস্কৰণত প্ৰথম দহোটা সৰ্গ-ৰচনা কৰি কাব্যৰ পৰিসমাপ্তি ঘটাইছিল, কিন্তু পাছত শেষৰ দুটা সৰ্গ সংযুক্ত কৰি যিশুৰ আগমনৰ সূচনা কৰি যায়। বোধকৰো এনে ধৰণে ধৰ্ম বিষয়ক বিষয়বস্তুক মহাকাব্য ৰচনা কৰা কবিৰ ভিতৰত মিল্টন প্ৰথম নহলেও প্ৰধান। সাধাৰণতে পৃথিবীৰ মহাকাব্যবোৰৰ প্ৰধান বা মৌল বিষয়বস্তু ঐহিক জগতৰ ঘটনাৰ লগত জড়িত হৈ কবিৰ হাতত পল্লৱিত হয়। 'ৰামায়ণ,' 'মহাভাৰত,' 'জেৰুছালেম ডেলিভৰ্ড,' 'অৰ্লেণ্ডো ফিউৰিঅ'ছ' আদি কাব্যত ধৰ্মৰ প্ৰভাৱ নথকা নহয়, কিন্তু প্ৰধান বিষয় বস্তুৰ বিকাশত ঐহিক জীৱনৰ প্ৰেম-প্ৰীতি, বীৰত্ব ন্যায়-অন্যায় আদি ভাবৰ বিকাশ আৰু পৰিণতিহে লক্ষ্য কৰা যায়। অৱশ্যে এই কথা পাশ্চাত্য মহাকাব্যৰ ক্ষেত্ৰত অধিক ভাৱে প্ৰযোজ্য। আনকি আমাৰ ৰামায়ণ মহাভাৰতৰো প্ৰধান বিষয় ঐহিক, বহুতো ধৰ্মীয় কথা পাছৰ সংযোজনা, ঈশ্বৰক প্ৰত্যক্ষ ভাবে ঘটনাৰ লগত জড়িত কৰি কোনো মহাকাব্য ৰচিত হোৱা দেখা নাযায়। মিল্টনৰ কাব্যৰ অন্যতম প্ৰধান চৰিত্ৰ সৃষ্টিকৰ্ত্তা ঈশ্বৰ। যদি আমি ছয়তানক নায়ক বুলি ধৰো, তেন্তে ঈশ্বৰ প্ৰতিনায়ক। ডাণ্টেৰ 'ডিভাইন কমেডি'ৰ বিষয়বস্তুও দেখাত ধৰ্মীয়, ঈশ্বৰ, যিশু, মেৰী আদি দৈৱিক চৰিত্ৰ কাব্যৰ শেষৰ ফালে অৱতাৰণা নকৰি থকা নাই কিন্তু এইবোৰ চৰিত্ৰই ঘটনাত প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰা নাই। তদুপৰি ডাণ্টেৰ কাব্য ৰূপকধৰ্মী (allegory), ই এক আধ্যাত্মিক যাত্ৰাৰ বিৱৰণ। ঈশ্বৰক কাব্যত প্ৰত্যক্ষভাবে জড়িত কৰা কেৱল দুৰন্ত মানসিক সাহসেই নহয়, সেই অনুপাতে কবি প্ৰতিভাৰো প্ৰয়োজন। মিল্টন এই দুয়োটাৰে অধিকাৰী আছিল যদিও কিমানদূৰ সফলতা লাভ কৰিছে সেই বিষয়ে সমালোচকৰ মতভেদ দেখা যায়। চি. এছ. লিৱিছে (C. S. Lewis) এই প্ৰসংগত কৰা মন্তব্য প্ৰণিধানযোগ্য। তেওঁ লিখিছে "Milton's presentation of God the father has always been felt to be unsatisfactoay. Here again it is easy to look too deep for the causes. I very much doubt whether the failure is due to Milton's religious defects or whether it chiefly consists in giving us a cold merciless or tyrannical Deity." (A preface to Paradise Lost, P, 130) অৰ্থাৎ "পিতৃ ঈশ্বৰৰ চৰিত্ৰ সৃষ্টিত মিল্টন অসফল হোৱা বুলি ধাৰণা হয়। ইয়াৰ কাৰণ নিৰ্ণয় কৰিবলৈ যথেষ্ট অসুবিধাও আছে। মিল্টনৰ ধৰ্মবিষয়ক ন্যূনতা বা দোষৰ কাৰণে ঈশ্বৰচৰিত্ৰসৃষ্টিত এই অক্ষমতা, নে ক্ষমাহীন, স্বেচ্ছাচাৰী, অনুভূতিহীন দেৱতা এজন দিয়াই তেওঁৰ উদ্দেশ্য এই সম্পৰ্কে

মোৰ গভীৰ সন্দেহ আছে।" পাৰ্থিৱ জগতৰ দুজন ক্ষমতা-লিপ্সু ৰজা বা নায়কে ৰাজ্য বা সাম্ৰাজ্যলৈ কৰা সংঘৰ্ষৰ আদৰ্শত যেন নায়ক আৰু প্ৰতিনায়কৰ প্ৰতিমূৰ্তি ৰচনা কৰা হৈছে বুলি ধাৰণা হয়। এজন বিদ্ৰোহী, ক্ৰুৰ প্ৰতিশোধপৰায়ণ, অ সমনীয় আৰু কূটকৌশলী আৰু আনজন নিজ ক্ষমতা অব্যাহত ৰখাত আৰু নতুন ৰাজ্য সংস্থাপনৰ দ্বাৰা ক্ষমতাবিস্তাৰত আগ্ৰহী; বিদ্ৰোহীৰ কঠিন শাস্তি দিবলৈ অপৰাজেয় আৰু অনুগতসকলক প্ৰশংসা আৰু প্ৰতিদানেৰে সম্মান বিধান কৰাৰ প্ৰয়াস দেখা দেখা। যি হেতুকে পাৰ্থিৱ জগতৰ উপাদান লৈয়ে এক দৈৱিক জগত সৃষ্টি কৰা হৈছে সেই কাৰণে ইহজগতৰ ছায়া-প্ৰচ্ছায়া পৰা একো আচৰিত নহয়। ছয়তানৰ সৈন্যবাহিনীৰ লগত ঈশ্বৰৰ সৈন্যবাহিনীৰ যুদ্ধত যি অস্ত্ৰ-শস্ত্ৰ আৰু যান বাহন ব্যৱহাৰ কৰিছে সিও পাৰ্থিৱ যুদ্ধৰে আহিলা। গ্ৰীকসকলৰ দেৱৰাজ, বজ্ৰধাৰী জিউছে যেন নতুন ৰূপত মিল্টনৰ 'স্বৰ্গ'ত ঈশ্বৰ ৰূপে দেখা দিছে।

কাব্যখনৰ ছয়তানকে প্ৰমুখ্য কৰি যি বিদ্ৰোহীৰ দল সৃষ্টি হ'ল – সেই দল অমৰ আৰু একেজন ঈশ্বৰৰে প্ৰথম সৃষ্টি। তেওঁলোক ঈশ্বৰৰ সান্নিধ্য লাভ কৰিও কিয় বিদ্ৰোহী হ'ল সেই বিষয়ে কাব্যখনত প্ৰতীতিযোগ্য কাৰণ প্ৰদৰ্শন কৰা নাই; স্বৰ্গৰাজ্যত, ঈশ্বৰৰ সান্নিধ্যত ছয়তানৰ মনত অসৎ ভাব উদয় হ'বলৈ কেনেকৈ পালে? যদি ত্ৰাণকৰ্ত্তা যিশুক angel সকলৰ মাজত প্ৰমুখ স্থান দিয়াৰ কাৰণে ঈশ্বৰৰ সমদৃষ্টিৰ অভাৱ বুলি বিদ্ৰোহৰ ভাব জাগিছিল তেন্তে তেওঁৰ নিজৰ দলতো এনে শ্ৰেণীভেদ কিয় সৃষ্টি হৈছিল। এই কাৰণেই সমালোচক লিৱিছে এনেকৈ লিখিছে—'His (Satan's) is entangled in contradictions from the very outset, and he cannot even raise the banner of liberty and equality without admitting in a tell-tale parenthesis that 'Orders and Degrees' jarr not with liberty (V. 789). He wants hierchy and does not want hierchy. Throughout the poem he is engaged in sawing off the branch he is sitting on,...a creature revolting against a creator is revolting against the source of his own power (Ibid p. 96), অৰ্থাৎ প্ৰথমৰ পৰাই ছয়তান পৰস্পৰ বিৰোধী অসংগতিৰ লগত জোটপোট খাইছে। স্তৰ বিভাগৰ বা মৰ্যাদাদানৰ অসংগতি আৰু সাম্য, স্বাতন্ত্ৰ্যৰ কথা কৈ তেওঁ নিজেই সেই অসাম্য মানি লৈছে। গোটেই কাব্যখনত তেওঁ নিজে বহি থকা গছৰ ডালতে কৰত লগাইছে, সৃষ্টই স্ৰষ্টাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি স্বকীয় শক্তি ক্ষমতাৰ উৎসৰ বিৰুদ্ধেই তেওঁ যুদ্ধ ঘোষণা কৰিছে। তেওঁক স্তৰীকৃত শৃংখলা লাগেও নালাগেও। ই. এম. টিলয়াৰ্ডেও ছেতান চৰিত্ৰৰ অসংগতি (absurdity আলোচনা কৰি তেওঁ চৰিত্ৰৰ শ্লেষাত্মক দুঃখজনক পৰিণতি দেখুৱাইছে। তেওঁক মেকবেথৰ লগত তুলনা কৰিছে, ইয়াগোৰ লগত নহয়। কাৰণ মেকবেথে আমাৰ সহানুভূতি আকৰ্ষণ কৰে, ইয়াগোৱে নকৰে। লিৱিছে ছেতান বা ছয়তানৰ চৰিত্ৰৰ ক্ৰম বিবৰ্ত্তন দেখুৱাই কৈছে, "From hero to general, from general

to politician, from politician to secret service agent and thence to a thing that peers in at a bed room or bathroom windows and thence to a toad and finally to a snake—such is the progress of satan'' (p. 99) অৰ্থাৎ ছেতান বীৰৰ পৰা সেনানায়ক, সেনানায়কৰ পৰা ৰাজনৈতিক পুৰুষ, তাৰপৰা চোৰাংচোৱা আৰু তাৰ পৰা শোৱনী কোঠা বা স্নানাগাৰত, লুকাই ভুমুকি মাৰোঁতা, তাৰপৰা ভেকোলা আৰু সাপলৈ পৰিণত হৈছে। কি চূড়ান্ত অধঃপতন! তথাপিও কব লাগিব যে 'পেৰেডাইজ লষ্ট'ত সকলোতকৈ শক্তিশালী চৰিত্ৰ ছেতান। শেষ পৰিণতি যিয়েই নহওঁক কোনো অৱস্থাতে তেওঁ অদম্য স্পৃহা, নিজ শক্তিৰ ওপৰত আস্থা, অনুগত বিলাকৰ ওপৰত কৰ্তৃত্ব, প্ৰতিশোধপৰায়ণ ভাৱ হেৰুৱা নাই। বাক্ শক্তিৰে অনুচৰবোৰক নিঃস্ব অৱস্থাতো জগাই তুলিবলৈ তেওঁ সক্ষম। প্ৰথম দুটা সৰ্গৰ ছেতানৰ মহিমা পাছৰ সৰ্গবোৰত হ্ৰাস পালেও এই চৰিত্ৰটোৰ সৃষ্টিৰ ওপৰত মিল্টনে আত্মপ্ৰতিভা বিশেষ ভাবে নিয়োগ কৰা যেন ধাৰণা হয়।

আদামৰ চৰিত্ৰত আদিম মানৱৰ দৰে বনৰীয়া, জ্ঞানহীন, সহজাত প্ৰবৃত্তি অনুসৰণ কৰা জন্তু পৰ্যায়ৰ বৈশিষ্ট্য দেখা নাপাওঁ। ভগৱানে তেওঁক সৃষ্টি কৰোঁতেও যুৱক ৰূপেই সৃষ্টি কৰিছে। সেইদৰে তেওঁৰ কামিহাৰ পৰা ইভক যুৱতী ৰূপে সৃষ্টি কৰি স্বামী-স্ত্ৰী সম্পৰ্কও ঘটাই দিছে। ইভৰ সৌন্দৰ্য আৰু সাহচৰ্যই আৰু পেৰেডাইজৰ প্ৰাকৃতিক পৰিৱেশে আদামক স্বৰ্গভ্ৰষ্ট নোহোৱা পৰ্যন্ত ঈশ্বৰাণুগৃহীত সুখী জীৱন যাপন কৰিবলৈ প্ৰেৰণা যোগাইছে। জ্ঞানবৃক্ষৰ ফল খোৱাৰ আগতেই আমি তেওঁৰ কথা আৰু কাৰ্যত ভাল-বেয়া বিচাৰ কৰিব পৰা শক্তিৰ স্ফুৰণ হোৱা দেখা পাওঁ। দেৱানুচৰ ৰাফেলৰ (পঞ্চম-ষষ্ঠ-সপ্তম সৰ্গ) লগত হোৱা আলোচনা আৰু ইভে ছয়তানৰ দ্বাৰা প্ৰণোদিত হৈ বেলেগে কাম কৰিবলৈ যোৱাৰ অনুমতি প্ৰাৰ্থনা কৰা প্ৰসংগত ইভক দিয়া উপদেশৰ পৰা তেওঁ যে জ্ঞানৰ কিছু অধিকাৰী আছিল সেই কথা জানিব পাৰোঁ। প্ৰসংগক্ৰমে উল্লেখ-যোগ্য যে ঈশ্বৰে আদাম আৰু ইভক অনন্তকাল দুজন মানৱ-মানৱীৰূপে ৰখাৰ পৰিকল্পনা কৰা নাছিল, বৰং তেওঁলোকৰ যোগেদি এটা বৃহৎ মানৱ জাতি সৃষ্টি কৰাৰ পাৰ্তান হে তৰিছিল, যি মানৱে ঈশ্বৰাভিমুখী হৈ আধ্যাত্মিক সোপান বগাই স্বৰ্গৰ খালি ঠাই পূৰণ কৰিব। আদাম আৰু পেৰেডাইজৰ জীৱনকাল আনন্দ-মুখৰ ৰূপেই কবিয়ে বিত্ৰিত কৰিছে,

Our first two parants, yet the only two
Of mankind, in the happy garden placed.
Reaping immortal fruits of joy and love
Uninterrupted joy, unrival love
In blissful solitude (iii, 65-69)

আদাম আৰু ইভৰ সুখী জীৱন, প্ৰলোভনৰ ফলত সৰহ দিন নিটিকিল। ইয়াৰ

কাৰণে ইভক জগৰীয়া কৰিব পাৰি। ঈশ্বৰে নিষেধ কৰা কাৰ্য কৰিবলৈ ইভৰ মনত প্ৰদমিত আকাংক্ষা নিশ্চয় আছিল আৰু সুপ্ত আকাংক্ষা জগাই তুলিছিল ছয়তানে। পঞ্চম সৰ্গত ইভে ৰাতিপুৱা আদামৰ আগত যি স্বপ্নৰ বৰ্ণনা দিছে সেই স্বপ্নত নিষিদ্ধ ফল খোৱাৰ পূৰ্বাভাস আছে। ঈশ্বৰৰ নিষেধাজ্ঞা লংঘন কৰাৰ অপৰাধত প্ৰধানকৈ ইভক জগৰীয়া কৰিব পাৰি যদিও আংশিক ভাবে আদামো জগৰীয়া। নৱম সৰ্গত ৰাতিপুৱা ইভে আদামৰ পৰা আঁতৰি বেলেগ ঠাইত কাম কৰিবলৈ প্ৰস্তাৱ কৰোঁতে আদামে প্ৰথমতে সজ উপদেশেৰে বাধা প্ৰদান কৰিছে যদিও শেষত ইভৰ প্ৰেমত সেই বাধা উটি গৈছে। অৱশেষত ছেতানৰ প্ৰলোভনত ইভে নিষিদ্ধ ফল খোৱা জানি ইভক আৰু নাৰী-জাতিক চপলতাৰ কাৰণে তিৰস্কাৰ কৰিও দোষৰ সমভাগী হবৰ কাৰণে নিজেও নিষিদ্ধ ফল খাইছে। ইয়াৰ মাজেদি স্বামী-স্ত্ৰীৰ প্ৰেম আৰু আদৰ্শ প্ৰকাশ হৈছে যদিও আদামৰ ইভৰ প্ৰতি দুৰ্বলতাও সূচিত হৈছে। পঞ্চম স্বৰ্গতে কাহিনী শীৰ্ষ স্তৰলৈ (crisis) আগুৱাই গৈ নৱম স্বৰ্গত শীৰ্ষস্তৰ অতিক্ৰম কৰি denouement স্তৰত প্ৰৱেশ কৰিছে। ষষ্ঠৰ পৰা অষ্টম সৰ্গত কবিয়ে ৰাফেলৰ আদামৰ কুটীৰত উপস্থিতি আৰু সৃষ্টিপ্ৰক্ৰিয়াৰ লগতে ছেতানৰ লগত সংঘৰ্ষৰ বিৱৰণ flasback উপায়ৰ মাধ্যমেদি প্ৰকাশ কৰিছে। মানৱৰ স্বৰ্গচ্যুতিৰ কাৰণ প্ৰদৰ্শন কৰাৰ লগতে মানৱ জাতিৰ বিকাশ আৰু পুনৰ স্বৰ্গ-লাভৰ সংকেতো ৰাফেলৰ (৬ষ্ঠ-৮ম সৰ্গ) আৰু মাইকেলৰ উক্তিত দাঙি ধৰিছে। মিল্টনৰ খৃষ্টিয়ান ধৰ্মতত্ব (theology) সম্পৰ্কে স্বকীয় ধাৰণা আৰু গ্ৰহ-নক্ষত্ৰৰ সংস্থান সম্পৰ্কেও তেওঁৰ জ্ঞান সপ্তদশ শতিকাৰ পটভূমিত প্ৰতিষ্ঠিত। টলেমি আৰু কপাৰ্নিকাছৰ জ্যোতিৰ্বিজ্ঞানৰ লগত তেওঁৰ পৰিচয় আছিল যদিও কোনজনৰ সিদ্ধান্ত শুদ্ধ আৰু গ্ৰহণীয় সেই বিষয়ে স্পষ্ট ধাৰণা তেওঁৰ নাছিল।

মিল্টনসৃষ্ট ঈশ্বৰ, ভাৰতীয় দৰ্শনৰ ব্ৰহ্ম বা ঈশ্বৰৰ দৰে নিৰ্বিকাৰ, নিৰ্বিকল্প বা সৃষ্টিৰ উৰ্দ্ধত নহয়। সৃষ্টি ৰাজ্য স্থাপনকাৰী ৰূপে সেই ৰাজ্যৰ সাৰ্বভৌমত্ব আৰু বিস্তাৰত তেওঁ ঘনিষ্ঠভাৱে জড়িত হৈ আছে। সৃষ্টি আৰু সৃষ্টৰ আনুগত্য তেওঁ আশা কৰে, কিন্তু তাৰ বিপৰীতে গলে কঠোৰ শাস্তি বিধান কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। তেওঁ ভক্তৰ অনুগ্ৰহকাৰী আৰু অভক্তৰ নিগ্ৰহকাৰী।

মিল্টনৰ এই মহাকাব্যৰ ৰচনাশৈলীক সমালোচক বহুতেই grand style (মহৎ শৈলী) বুলি অভিহিত কৰিছে। লিৱিছে মহাকাব্যক প্ৰাথমিক (primary) আৰু দ্বৈতীয়ক (secondary) দুই শ্ৰেণীত বিভক্ত কৰি দ্বিতীয় বিধৰ ৰচনাশৈলী অধিক জটিল আৰু কৃত্ৰিম (artificial) আৰু অলংকৃত বুলি মত প্ৰকাশ কৰিছে। মিল্টনৰ কাব্যও দ্বিতীয় শ্ৰেণীত পৰে। এই কাব্যৰ ৰচনাশৈলীৰ মহত্ব তিনিটা গুণৰ ওপৰত প্ৰতিষ্ঠিত বুলি লিৱিছে উল্লেখ কৰিছে—(১) অপৰিচিত শব্দ, বাক্য গঠন আৰু অপ্ৰচলিত শব্দ (the use of slightly unfamiliar word and construc

tion including archaism), (২) কেৱল ধ্বনি বৈভৱেই নহয় তেওঁ ব্যৱহাৰ কৰা বহুতো নাম সুদূৰান্বয়ী ব্যঞ্জনাত্মক, উজ্জ্বল, ভয়ানক, ইন্দ্ৰিয়স্পৰ্শী আৰু প্ৰসিদ্ধ (the use of proper names not solely nor chiefly for their sound because they are the names of splendid, remote voluptnous or celebrated things), (৩) আমাৰ ইন্দ্ৰিয়ানুভূতি জগাই দিব পৰা অজস্ৰ বস্তুৰ উল্লেখ, যথা আন্ধাৰ পোহৰ, ধুমুহু বৰষুণ, ফুল-ফল, মণিমুক্তা, যৌনপ্ৰেম আদি। মিল্টনৰ গভীৰ পাণ্ডিত্যৰ পৰিচয় পোৱা যায় কাব্যত ব্যৱহাৰ কৰা সমসাময়িক আৰু প্ৰাচীন সাহিত্য আৰু সাংস্কৃতিৰ লগত জড়িত প্ৰাসঙ্গিক উল্লেখ (allusions) সমূহৰ পৰা। হোমাৰীয় উপমাসমূহে তেওঁৰ ৰচনাৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰিছে। বৈপৰীত্য, সাদৃশ্য, লঘুত্ব গুৰুত্ব, ব্যঙ্গ আদি নানা অৱস্থা প্ৰকাশ কৰিবলৈ চিত্ৰবোৰ প্ৰয়োগ কৰা হৈছে। উপমাবোৰত কৱিত্বৰ লগতে পাণ্ডিত্যৰ সমন্বয় লক্ষ্য কৰা যায়।

বিষয়বস্তুৰ গাম্ভীৰ্যৰ লগত খাপ খোৱাকৈ ভাষা, শব্দ, ছন্দ, চিত্ৰ, সাংগীতিক লয় প্ৰয়োগ কৰিছে। পূৰ্বৱৰ্ত্তী কাব্যকাৰ স্পেনছাৰ আৰু দ্ৰাইডেনৰ ছন্দসজ্জা তেওঁ অনুসৰণ নকৰি অমিত্ৰাক্ষৰ ছন্দ (heroic black verse) কাব্যত প্ৰৱৰ্ত্তন কৰিছে। অৱশ্যে বাক্যবিন্যাস (syntax) ৰীতি কিছু জটিল আৰু দীৰ্ঘায়তন। দীৰ্ঘায়তন হোমাৰীয় উপমাৰ উপৰিও বিভিন্ন শ্ৰেণীৰ অলংকাৰৰ প্ৰয়োগে তেওঁৰ কাব্যশৈলীক গাম্ভীৰ্যময় কৰাৰ লগতে আবেদনশীলো কৰিছে। অৱশ্যে অপ্ৰচলিত, অচিনাকি, দূৰান্বয়ী, প্ৰাসংগিক উল্লেখসমূহে (obscure and unfamiliar allusions) সাধাৰণ পাঠকক বিপাঙত নেপেলাই নাথাকে। তথাপি এই কথা স্বীকাৰ নকৰি নোৱাৰি যে, মিল্টনৰ আগতে আৰু পাছত ৰচিত হোৱা দীৰ্ঘাৱয়বী কাব্যসমূহৰ ভিতৰত ‘পেৰেডাইজ লষ্টে’ শীৰ্ষস্থান লাভ কৰি আছে।

কাব্যৰ নায়ক বিচাৰ:—‘পেৰেডাইজ লষ্ট’ত অংশ গ্ৰহণ কৰা চৰিত্ৰাৱলীৰ ভিতৰত উল্লেখযোগ্য আৰু আলোচনাযোগ্য চৰিত্ৰসমূহ হৈছে—ঈশ্বৰ (God), ঈশ্বৰৰ পুত্ৰ (যিশু), আদাম, ইভ আৰু ছয়তান (Satan)। ইয়াৰ বাহিৰেও বিভিন্ন স্তৰৰ দেৱদূত আৰু ছয়তানৰ প্ৰধান অনুগামী কেইজনমানৰ কাৰ্য-ভাষণ আদি কাব্যখনত আছে। চৰিত্ৰ আলোচনাৰ লগতে কাব্যখনৰ নায়ক কোন সেই প্ৰশ্ন স্বাভাৱিকতে আছে। এই প্ৰশ্ন সহজে সমাধান কৰা টান, কাৰণ বিভিন্ন দৃষ্টি-কোণৰ পৰা বিচাৰ কৰিলে সৃষ্টিকৰ্ত্তা ঈশ্বৰ, আদাম আৰু ছয়তান বা ছেতান (Satan) এওঁলোকৰ কোনোৱা এজনক নায়ক বুলি অভিমত দিবৰ যুক্তি প্ৰদৰ্শন কৰিব পাৰি। প্ৰথম প্ৰাক্ সৃষ্টিৰ অস্থিৰ বিশৃঙ্খল (chase) অৱস্থাৰ পৰা ঈশ্বৰৰ সৃষ্টিপাতন, ছয়তানৰ বিদ্ৰোহ আৰু ঈশ্বৰৰ দ্বাৰা শাস্তিবিধান, পেৰেডাইজৰ সৃষ্টি আৰু আদিম মানৱ-মানৱীৰ সহিত জীৱ জন্তুৰ সৃষ্টি, শাস্তিৰূপে নৰকত নিক্ষেপিত সানুচৰ সহ ছয়তানৰ ষড়যন্ত্ৰ আৰু মানৱক বিপথগামী কৰাৰ প্ৰচেষ্টা,

বিপথগামী মানৱ-মানৱীৰ ওপৰত ঈশ্বৰৰ শাস্তি বিধান, ছয়তনৰ পুনৰ বিদ্ৰোহ আৰু পৰাজয়, সিহঁতক সৰীসৃপলৈ পৰিৱৰ্ত্তন আৰু শাস্তি ঈশ্বৰদ্বাৰা সৃষ্টি চলনচক্ৰৰ প্ৰৱৰ্ত্তন (world order) ইত্যাদি ভগৱানৰ কাৰ্যাৱলীয়ে কাব্যৰ নায়ক ৰূপে প্ৰতীয়মান কৰায়। কিন্তু কাব্যখনত ঈশ্বৰৰ প্ৰত্যক্ষ ভূমিকা কম, পৰোক্ষ ভূমিকাহে সৰহ। দেৱদূত এঞ্জেল, আৰ্কেঞ্জেল, ঈশ্বৰপুত্ৰ আদিৰ যোগেদি বেছি ভাগ সম্পন্ন কৰাইছে। সেই কাৰণে ঈশ্বৰক নায়ক বুলি কোৱা টান। তদুপৰি ঈশ্বৰক সৰ্বশক্তি মান পুৰুষ ৰূপে বৰ্ণনা কৰিছে যদিও তেওঁৰ ব্যক্তিত্ব ছেতানৰ দৰে সমুজ্জ্বল ৰূপত প্ৰকাশ পোৱা নাই। প্ৰকৃততে ইশ্বৰক কোনো কাব্যৰ নায়ক ৰূপে চিত্ৰিত কৰা টান। যিহেতুকে ঈশ্বৰ 'হৃত স্বৰ্গৰ' বহুত ক্ষেত্ৰত যন্ত্ৰী হলেও তেওঁৰ আলেখ্য অস্পষ্ট। গতিকে তেওঁক কোনো প্ৰকাৰে নায়ক আখ্যা দিব নোৱাৰি। ইশ্বৰক কোনো কাব্যৰ নায়ক ৰূপে ললে মানবীয় আৱেদনো হ্ৰাপ পায়, কাৰণ ঈশ্বৰৰ কাৰ্য, ব্যক্তিত্ব, ক্ষমতা শক্তিৰ লগত সহানুভূতি বা সমানুভূতি স্থাপন কৰা টান।

আদামক আমি নায়ক ৰূপে গ্ৰহণ কৰিব পাৰোনে ? কাব্যখনৰ মূল বস্তু হৈছে মানৱৰ পতন আৰু এই পতন ঘটিছে প্ৰথম মানৱ আদাম আৰু প্ৰথমা মানৱী ইভৰ। C. M. Bowra-ই তেওঁৰ *From Virgil to Milton* নামৰ গ্ৰন্থত লিখিছে—
"Adam is the central figure of the Paradise Lost ; his actions give unity to if and his fate is the chief subject. He takes the place of Aeneas. Like him he is not perfect, but like him, when he errs, his errors lead to grave results. In creating him Milton attempts a very peculiar task. Adam the father of mankind, is almost without human experience. Milton has to present a figure who appeals imaginatively and poetically and his natural magnificance that fits him to be the hero of the epic. (চমুকৈ কবলৈ গলে আদামে কাব্যখনৰ কেন্দ্ৰস্থ চৰিত্ৰ ৰূপে আৰু তেওঁৰ ভাগ্য বিপৰ্যয়ৰ প্ৰধান বিষয়বস্তু ৰূপে কাব্য খনৰ ঘটনাৱলীৰ ঐক্য সাধন কৰিছে। ভাৰ্জিলৰ নায়ক ইনিয়াছৰ দৰে আদামেও ভুল কৰিছে তাৰ বিষম ফলো ভোগ কৰিছে। মানৱ অভিজ্ঞতাহীন আদামেও ভুল কৰিছে, তেওঁৰ কাৰ্য আৰু পৰিণতিৰ আমাৰ অনুভূতিৰ প্ৰতি আৱেদন আছে। তেওঁৰ স্বাভাৱিক মহিমাই তেওঁক নায়ক পদত অধিষ্ঠিত কৰিছে।) কবিৰ নিজৰ ভাষাত ক'বলৈ গলে,—

"Adam the goodliest man of men." (Book IV) কিন্তু আদাম চৰিত্ৰত নায়কজনোচিত ব্যক্তিত্ব, আত্মপ্ৰত্যয়, ক্ৰিয়াশীলতা (dynamism) আদি-গুণ দেখা নাপাওঁ। তেওঁ সবল, কৃতকৰ্মৰ কাৰণে অনুতপ্ত, ঈশ্বৰৰ বিচাৰৰ (divine dispensation) প্ৰতি আস্থাশীল,। ইভৰ প্ৰেম-প্ৰৰোচনাত মুগ্ধ হৈ

পতন মাতি আনি নাৰী সম্পৰ্কে সাময়িক ভাৱে উষ্মা প্ৰকাশ কৰিছে যদিও, পত্নীক স্নেহৰ দৃষ্টিৰে আকোৱালী লৈছে। তথাপি নায়কৰ ব্যক্তিত্ব আৰু কাৰ্যকলাপত যি মহত্ব বীৰ্য আদি আমি সাধাৰণতে বিচাৰো সেইখিনি আদামৰ চৰিত্ৰৰ অভিব্যক্তিত আমি দেখা নাপাও*। কিন্তু, ধৈৰ্য্য, বিচাৰ শক্তি, ঈশ্বৰত আৰু পতনৰ পাছতো আশাৰ ভৱিষ্যত-কল্পনা কৰা আদাম আকৰ্ষণীয়.চৰিত্ৰ।

তেন্তে আমি ঈশ্বৰপুত্ৰ যিশুক কাব্যখনৰ নায়ক বুলিব পাৰোনে কি? আদামৰ ক্ষেত্ৰত দেখা দিয়া একে নহলেও ভিন্ন প্ৰকাৰ অসুবিধাৰ আমি সম্মুখীন হ'ব লগাত পৰোঁ। ঈশ্বৰপুত্ৰ ৰূপে যিশু দৈৱিক শক্তিৰ অধিকাৰী আৰু বহুতো ক্ষেত্ৰত ঈশ্বৰৰ কৰিব লগীয়া কৰ্ত্তব্য, নিজে মূৰ পাতি লৈছে। ছয়তানৰ লগত পোনপটীয়া সংঘৰ্ষত নামি ভৱিষ্যতে পৃথিৱীত ছয়তানৰ প্ৰভাৱ নিৰ্মূল কৰিবলৈ তেওঁ আত্মোৎসৰ্গ কৰিছে। আদামৰ জুপুৰিত উপস্থিত হৈ সান্ত্বনা দিছে, ঈশ্বৰৰ অভিপ্ৰেত কাৰ্যক ৰূপ দিছে। জ'ন পিটাৰ নামে সমালোচকৰ ভাষাত ক'বলৈ গ'লে **It is something puzzle to see why an Arian like Milton should have given such dignity and refinement in his compasion with the father to the son."** তথাপি কব লাগিব, যিশু কাব্যখনৰ নায়ক নহয় এই কাৰণেই যে তেওঁ ঈশ্বৰৰ প্ৰতিনিধি মাত্ৰ, ঈশ্বৰক বাদ দি তেওঁৰ স্বতন্ত্ৰ সত্তা নাই। ঈশ্বৰ যন্ত্ৰী আৰু যিশু যন্ত্ৰ মাত্ৰ। তেওঁৰ আত্মোৎসৰ্গ, মানৱ প্ৰীতি, ঈশ্বৰানুৰক্তি প্ৰশংসনীয় ৰূপত মিল্টনে প্ৰকাশ কৰিছে যদিও কাব্যখনত তেওঁৰ ভূমিকা যৎসামান্য।

বাকী থাকিল ছয়তান। ব্যক্তিত্ব, কৰ্মকুশলতা, মনোবল বাগ্মিতা, কুটকৌশল, আত্মপ্ৰত্যয়, জেদ, উচ্চাভিলাষ আদি গুণ দোষেৰে বিভূষিত ছয়তান চৰিত্ৰ মহাকাব্যখনৰ নায়ক বুলি সৰহ ভাগ সমালোচকৰ অভিমত। অৱশ্যে প্ৰথম দুটা সৰ্গত ছয়তানৰ যি বিশাল ব্যক্তিত্বৰ পৰিচয় দিছে পৰৱৰ্তী সৰ্গসমূহত তেওঁৰ ব্যক্তিত্বৰ উজ্জ্বলতা ক্ৰমে ম্লান হৈ গৈছে। শেষ সৰ্গত ভগবানৰ অনুচৰসকলৰ হাতত পৰাজয় হোৱাৰ পাছতো সৰ্পাকৃতিলৈ পৰিৱৰ্ত্তিত হৈয়ো তেওঁ বিদ্ৰোহৰ বাসনা পৰিত্যাগ কৰা নাই। ভগবান সৃষ্টি মানৱ সমাজত অদৃশ্য ভাবে ক্ৰিয়া কৰি নিজৰ প্ৰভাৱৰ দ্বাৰা ভগৱানৰ উদ্দেশ্য ব্যৰ্থ কৰাৰ সংকল্প হৈছে। অৱশ্যে এইটো নুই কৰিব নোৱাৰি উদ্দেশ্য সাধনৰ কাৰণে যি কোনো হীন প্ৰচেষ্টা চলাবলৈ তেওঁৰ কুণ্ঠা নাই। ঈশ্বৰহে তেওঁৰ প্ৰতিদ্বন্দ্বী, ঈশ্বৰৰ ওপৰত পোতক তুলিবলৈ আনবোৰৰ লগত সংঘৰ্ষ কৰিব লগা হৈছে। তেওঁৰ ব্যক্তিত্ব আৰু নেতৃত্বৰ ইমানেই প্ৰভাৱ যে যুদ্ধত মৃত্যুমুখী অনুচৰবো তেওঁৰ মাত শুনিলে শক্তি সঞ্চাৰিত হয়।

Leader of those armies bright
Which but the omnipotent none could have foild,

If once they hear that voice, their loveliest pledge,
Of hope in fears and dangers, heard so oft
In worst extreme, and on the perilous edge
Of bettle when it raged, in all assaults
Their surest signal, they will soon resume
New courage & revive (1/272—78)

বিংশ শতাব্দীৰ সমালোচক এম্পচন (Empson), বাওৰা (Bowre) আদি সমালোচকে যদিও ছয়তানক নায়কৰ মৰ্যাদা দিব নোখোজে তথাপি অষ্টাদশ-ঊনবিংশ শতিকাৰ আৰু বিংশ শতাব্দীৰো এচামে ছয়তানকে নায়ক ৰূপে স্বীকৃতি দান কৰিছে, ছেতানৰ পতন নে আদিতম মানৱযুগলৰ পতন এই প্ৰশ্নটো বিচাৰ কৰিলে দেখা যায় যে মানৱৰ পতনহে কাব্যৰচনাৰ প্ৰধান উদ্দেশ্য। এয়ে যদি হয় ছয়তান বা ছেতান নায়ক হব নোৱাৰে কাৰণ তেওঁৰ পতন প্ৰাসংগিকহে। দৰাচলতে কাব্যখনৰ প্ৰকৃত নায়ক কোন সেই বিষয়ে সৰ্বজনগ্ৰাহ্য শেষ সিদ্ধান্ত কোনেও দিব পৰা নাই।

সকলোবোৰ দিশৰ পৰা চালিজাৰি চালে আদামকে নায়ক বুলি ভাবিবৰ যথেষ্ঠ থল থকা যেন লাগে। প্ৰথম কথা হৈছে কাব্যখনৰ উদ্দেশ্য হৈছে স্বৰ্গৰাজ্যৰ পৰা আদাম তথা মানৱৰ পতন প্ৰদৰ্শন কৰা। তাকে কৰিবলৈ যাওঁতে ছয়তানৰ ঈশ্বৰবিদ্ৰোহ আৰু মানৱৰ প্ৰলোভনৰ চিত্ৰ অংকন কৰিব লগা হৈছে। দ্বিতীয় কথা মিল্টনৰ পৰৱৰ্তী কাব্যত (Paradise Regained) মানৱৰ পুণৰ স্বৰ্গ প্ৰাপ্তিৰ বিৱৰণকে দাঙি ধৰিছে যিশু খৃষ্টৰ যোগেদি। ইয়াৰ পৰা ধৰিব পাৰি যে মানৱৰ ভাগ্যই হৈছে মিল্টনৰ কাব্যৰ বিষয়বস্তু। সেই হিচাপে আদাম মহাকাব্যখনৰ কেন্দ্ৰস্থ ব্যক্তি। আদামৰ ছয়তানৰ দৰে ব্যক্তিত্ব নাই স'চা, ঈশ্বৰ পুত্ৰৰ দৰে মহত্বও নাই। কিন্তু সৰলতা, বিনয়, জ্ঞানস্পৃহা, কৃত অপকৰ্মৰ বাবে অনুতাপ, ঈশ্বৰৰ প্ৰতি ভক্তি আৰু ইভৰ প্ৰতি প্ৰেম মিল্টনে আদামৰ চৰিত্ৰত প্ৰকাশমান হোৱা দেখুৱাই তেওঁকেই নায়কৰ স্থান দিয়া বুলি কলে অশোভন নহব।

'পেৰেডাইজ লষ্ট'ৰ পাছত চাৰিটা সৰ্গত বিভক্ত 'পেৰেডাইজ ৰিগেইণ্ড' (পুণৰ স্বৰ্গপ্ৰাপ্তি) ৰচনা কৰে, এই চমু কাব্যখনত ঈশ্বৰপুত্ৰ যিশু খৃষ্টৰ মানৱৰ কল্যাণ আৰু পুনৰ স্বৰ্গপ্ৰাপ্তিৰ পথ সুগম কৰিবৰ কাৰণে ক্ৰুশবিদ্ধ হৈ আত্মোৎসৰ্গৰ কাব্যিক ৰূপ এটা দাঙি ধৰিছে। আগৰখন মহাকাব্য, কিন্তু এইখন মহাকাব্যৰ পৰ্যায়লৈ উঠা নাই। আগৰখনৰ মূল বিষয়বস্তু Old Testament ৰ পৰা লৈছে যদিও কিছু উপাদান New Testament-ৰ পৰা নোলোৱা কৈ থকা নাই। কিন্তু পিছৰখন New Testament-ৰ ওপৰত প্ৰতিষ্ঠিত। মিল্টনৰ কাব্যিক প্ৰতিভা ইয়াত কিছু স্তিমিত হোৱা দেখা যায়।

সহায় লোৱা বাছকনবীয়া চমু গ্ৰন্থপঞ্জী

(1) Primary Works :

1. *Orlando Furioso*, 2 Volumes, verse, translated by Barbara Reynold, Penguin Series 1981.
2. *Song of Roland*, verse translated, by Dorothy Sayers, 1984.
3. Homer's *Iliad*, verse translation, by Robert Fitzerald, World Classics, 1984.
4. " *Odyssey*, verse translation, by R. V. Ricu, Penguin Pub. 1984.
5. *The Epic of Gilgamesh*, verse translation, by N. K. Sanders, 1984 (Penguin)
6. Virgil's *Aeneid*, prose, translated by W. F. Jackson Knight, Penguin, 1985.
7. *Beowulf*, verse tr., by Michael Alexander, 1973.
8. Dante's *Divine Comedy*, 3 volumes, verse tr., by Dorothy Sayers, Mark Musa, Barbara Reynold,
9. Milton's *Paradise Lost*, ed. by Christopher Ricks, Signet classics, New American Libray, 1968.
10. T. Tasso's' *Jerusalem Delivered*, Verse tr., by Edward Fairfax, newly introduced by Roberto Weiss, Centaur classics, 1962.
11. *Ramayana*, Published by the Gita Press, Gorakhpur 1960.
12. *Mahabharta*, ed. by Haridas Siddhantavagisha, Visvavani Prakashani, Calcutta.
13. Ilango Adigal's : *Chilappadikaram*, Eng. tr. by Ramchandra Dikshitar, Madras University, 1947.
14. A. S. P. Ayyar : *Kovalan* & *Kannaki*, Allianec Company, 1947.

(2) **Secondary Works :**

15. C. M. Bowra : *The Heroic Poetry*, Macmillam 1964.

16. ,, *From Virgil to Milton*, Macmillan.

17. ,, *Homer*, 1962.

18. C. S. Lewis : *A Preface to Milton's Paradise Lost*, Oxford Paperback, 1960.

19. W. Empon : *Milton's God*, London, Chatto Windus 1961.

20. O. P. Malaviya, *Paradise Lost*, Book I & II, New Delhi, 1980.

21 R. W. Chambers, *Bewulf*, *An Introduction*, London, 1963.

22. W. P. Ker, *Epic & Romance*, London, 1908.

23. E. W. Tillyard, *The English Epic and Its Background*, Oxford University Press, 1954.

———

পৰিশিষ্ট

বিষয় নিৰ্দেশক সূচী

১। গিলগামেছ কাব্য, ১—১৩

(১) খ্ৰীষ্টপূৰ্ব কেবা শতাব্দীৰ পূৰ্বে মধ্যপ্ৰাচ্যত ৰাজত্ব কৰা জাতি আৰু সভ্যতা, ১—২
(২) প্ৰখ্যাত নগৰসমূহ, ১
(৩) গিলগামেছ মহাকাব্যৰ উদ্ধাৰ,
হোৱা বিভিন্ন পাঠাংশ, ২, ১০—১১
(৪) গিলগামেছৰ কাহিনী আৰু চৰিত্ৰ, ২—৬, ৭
(৫) এনকিদুৰ লগত বন্ধুত্ব, ৩
(৬) এনকিদুৰ মৃত্যুত গিলগামেছৰ শোক, ৮—৯
(৭) গিলগামেছৰ মৰণজয়ৰ উপায় বিচাৰি ব্যৰ্থ অভিযান, ৪—৫
(৮) মহাপ্লাৱনৰ কথা, ৬, ৯—১০
(৯) গিলগামেছৰ চৰিত্ৰ আৰু সমাধি, ১১—১২
(১০) কাব্যখনৰ বিশেষত্ব, ১২

২। ইলিয়াড্, ১৬—৩৮

(১) মহাকবি হোমাৰৰ চমু পৰিচয়, ১৭—১৮
(২) কাব্যখন ৰচনাৰ সাম্ভাব্য সময়, ১৭
(৩) কাব্যবৰ্ণিত ঘটনাৰ প্ৰাক-কথা, ১৮—১৯
(৪) বিভিন্ন সৰ্গৰ (২৪টা) ঘটনাৰ চমু পৰিচয়, ১৯—২৩
(৫) কাব্যখনত প্ৰতিফলিত হোৱা গ্ৰীক সমাজ, সভ্যতা ভূপ্ৰকৃতি, ।২৩—২৪
(৬) গ্ৰীক দেব-দেৱী, ২৫—২৬, ৩৩—৩৪
(৭) গ্ৰীক ৰণনীতি আৰু ভাৰতীয় ৰণনীতি, ২৬—২৭
(৮) গ্ৰীক যুদ্ধ পোছাক আৰু অস্ত্ৰ-শস্ত্ৰ, ২৭—২৮
(৯) নৃত্য গীত, বাদ্যযন্ত্ৰ, ক্ৰীড়া প্ৰতিযোগিতা, ২৮—২৯
(১০) কাহিনীৰ সংহৃত ৰূপ, ২৯—৩৩
(১১) গ্ৰীকবীৰসকলৰ পৰিচয় আৰু চৰিত্ৰ, ৩৩—৩৩
(১২) নাৰীচৰিত্ৰ, ৩৪—৩৫, ৩৭
(১৩) ট্ৰজান বীৰৰ পৰিচয় চৰিত্ৰ, ৩৬—৩৮

৩। ওডিছি, ৩৯—৬০

(১) কাহিনীৰ সূচনা, ৪১
(২) বিভিন্ন সৰ্গৰ কাহিনীৰ চমু পৰিচয়, ৪১—৪৮
(৩) কাহিনীৰ বৈশিষ্ট্য, স্তৰ, ৪৮
(৪) দেৱ-দেৱীৰ প্ৰভাৱ, ৪৯
(৫) নাৰীৰ দৈনন্দিন কাম, ৪৯—৫০
(৬) প্ৰধান নাৰী-পুৰুষ চৰিত্ৰ, ৫০—৫২
(৭) গৌণ চৰিত্ৰ, ৫২—৫৩
(৮) দুয়োখন মহাকাব্যৰ প্ৰকাশ পোৱা বিশেষত্বসমূহ, ৫৬—৬০
(ক) মহাকাব্যীয় উপমা, ৫৭—৫৮
(খ) হোমাৰেো ভুল ৫৮
(গ) মানবৰ চেষ্টা আৰু দেবতাৰ প্ৰভাৱ, ৫৮
(ঘ) দুয়োখন কাব্যৰ চমু বিশেষত্ব, ৫৮ – ৫৯

৪। ৰামায়ণ, ৬১—৭৭

(১) আদি কাব্য, ৬৩
(২) বাল্মীকি সম্পৰ্কে উপকথা, ৬৩—৬৪
(৩) কাণ্ড অনুসৰি ৰামায়ণৰ কাহিনী, ৬৪—৭১
(৪) আদি আৰু উত্তৰকাণ্ডৰ প্ৰক্ষিপ্ততা, ৭১—৭২
(৫) ৰামায়ণৰ পাঠভেদ, ৭২
(৬) সপ্তকাণ্ড ৰামায়ণৰ ৰচনাকাল, ৭২—৭৪
(৭) দ্বৈতীয়ক মহাকাব্যৰ সংজ্ঞা নিৰ্ণয়ত ৰামায়ণৰ প্ৰভাৱ, ৭৪
(৮) ৰামায়ণৰ কাব্যিক মহত্ত্ব, ৭৫—৭৬
(৯) ৰামায়ণৰ কাব্যিক সৌন্দৰ্য, ৭৬—৭৭
(১০) পৰৱৰ্ত্তী সাম্প্ৰদায়িক ৰামায়ণ, ৭৭

৫। জয়কাব্য মহাভাৰত, ৭৮—১০১

(১) মহাভাৰতৰ ৰচয়িতা, ব্যাস, ৮১
(২) মহাভাৰত বিকাশৰ বিভিন্ন স্তৰ, ৮১—৮২
(৩) কাহিনীৰ উপৰিও আন উপাদানসমূহ, ৮২
(৪) মহাভাৰত বিকাশত ভাৰ্গৱসকলৰ অৱদান, ৮৩
(৫) বিভিন্ন পৰ্বৰ শ্লোকসংখ্যা আৰু পাঠ, ৮৪
(৬) মহাভাৰতৰ কাহিনীৰ অন্তৰালত তাৎপৰ্য বা তত্ত্ব আৰু ইয়াৰ বিশালত্ব, ৮৪—৮৫

(৭) বিভিন্ন পৰ্বৰ (১৮টা) চমু পৰিচয়, ৮৬—৯৭
(৮) মহাভাৰত আৰু ৰামায়ণৰ তুলনামূলক প্ৰাচীনতা আৰু মহাভাৰত বিকাশৰ সাম্ভাব্য কাল, ৯৭—৯৮
(৯) মহাভাৰতৰ প্ৰধান চৰিত্ৰাৱলী, ৯৮—৯৯
(১০) শেষৰ সাতোটা পৰ্বৰ প্ৰয়োজনীয়তা আৰু শিক্ষা, ৯৯—১০১
(১১) ৰামায়ণ আৰু মহাভাৰতৰ তুলনামূলক বিচাৰ, ১০৩—১১০
(১২) ৰামায়ণ আৰু ইলিয়াডৰ চমু তুলনা, ১১১—১১৩

৬। বেওৱাল্ফ, ১১৭—১৩০

(১) ইংৰাজী ভাষাৰ আদিম ৰূপ আৰু কাব্য, ১১৯—১২০
(২) বেওৱাল্ফ কাব্যৰ উৎপত্তি আৰু সময়, ১২০, ১২৬
(৩) কাহিনীৰ ঐতিহ্য আৰু পৰিচয়, ১২০—১২২
(৪) কাব্যখনৰ বৈশিষ্ট্য, ১২২—১২৩
(৫) বেওৱাল্ফৰ চৰিত্ৰ, ১২৩
(৬) প্ৰাসংগিক কাহিনী ১২৩—১২৫,
(৭) কাহিনীৰ ৰূপকাত্মকতা, ১২৬—১২৭, ১২৯
(৮) গৌণ চৰিত্ৰৰ ভূমিকা, ১২৮—১২৯

৭। ৰোলাঁৰ গীত, ১৩১—১৫০

(১) কাব্যৰ ঐতিহাসিক পটভূমি, ১৩৩—১৩৪
(২) কাব্যৰ চমু বিষয়বস্তু, ১৩৫—১৪২
(৩) কাব্যখনত লোকগাথাৰ সুৰ, ১৪৩
(৪) খ্ৰিষ্টধৰ্মীয় প্ৰভাৱ, ১৪৩
(৫) কাব্যখনৰ ৰূপায়ণৰ বিশেষত্ব, ১৪৩—১৪৬
(৬) বৰ্ণনাৰ নিৰপেক্ষতা, ১৪৬
(৭) চৰিত্ৰসৃষ্টি, ১৪৭—১৪৮
(৮) কাহিনীৰ সৰলতা আৰু সুসম্বন্ধতা, ১৪৮
(৯) মানৱৰ বিপদসূচনাত প্ৰকৃতিৰ প্ৰভাৱ, ১৪৮—১৪৯
(১০) পৰিশিষ্ট, ১৪৯—১৫০

৮। নিবেলুঙেনলিয়েট, ১৫৩—১৬৭

(১) পৰিচয়াত্মক মন্তব্য, ১৫৭
(২) কাহিনীৰ চমু বিৱৰণ, ১৫৭—১৬১
(৩) ৰচনাৰ কাল, ১৬১

(৪) সৰ্গৰ সংখ্যা আৰু প্ৰত্যেক সৰ্গৰ বিষয়, ১৬১—১৬২
(৫) কাহিনীৰ স্তৰ বিভাগ, ১৬২
(৬) কাহিনীৰ বৈশিষ্ট্য, ১৬৩—১৬৫
(৭) কাব্যখনৰ উৎস, ১৬০—১৬৪
(৮) প্ৰধান চৰিত্ৰাৱলীৰ চৰিত্ৰ, ১৬৫—১৬৭

৯। ইনীড্, ১৬৯—১৯২

(১) ইনীডৰ মহাকবি ভাৰ্জিলৰ পৰিচয়, ১৭১—১৭৩
(২) কাব্যখনৰ বিভিন্ন সৰ্গৰ কাহিনী পৰিচয়, ১৭৩—১৮২
(৩) কাব্যখনৰ বৈশিষ্ট্য, ১৮৩
(৪) হোমাৰৰ প্ৰভাৱ, ১৮৩—১৮৬
(৫) কাব্যখনৰ সংহতি, ১৮৭—১৮৮
(৬) ভাৰ্জিলৰ চৰিত্ৰাৱলী, ১৮৯—১৯০
(৭) নায়ক, প্ৰতিনায়ক, ডিড' ১৯০—১৯১
(৮) ভাৰ্জিলৰ পাছৰ কাব্যত প্ৰভাৱ, ১৯২

১০। চিলপ্পদিকৰম, ১৯৩—২১১

(১) তামিল ভাষাৰ ঐতিহ্য, ১৯৫
(২) মহাকাব্যখনৰ কবিপৰিচয়, ১৯৫—১৯৬
(৩) ৰচনাৰ সময়, ১৯৬
(৪) মহাকাব্যখনৰ চমু কাহিনী, ১৯৬—২০২
(৫) দক্ষিণ ভাৰতীয় জীৱনৰ সৰ্বাত্মক চিত্ৰ, ২০৩
(৬) কাব্যখনৰ প্ৰধান চৰিত্ৰাৱলীৰ চমু পৰ্যালোচনা, ২০৩—২০৫
(৭) কাব্যৰ পটভূমি বৰ্ণনা, ১৯৬—২০৬
(৮) মহাকাব্যখনৰ চৰিত্ৰাৱলী, ২০৫—২০৬
(৯) প্ৰতিফলিত হোৱা সমাজ, ২০৬—২১০
(১০) কাব্যৰ বৰ্ণনাৰ বিশেষত্ব, ২১০—২১১

১১। ডিভাইন কমেডি, ২১৩—২৩১

(১) কবি ডাণ্টেৰ পৰিচয়, ২১৫—২১৯
(২) সৰ্গ আৰু খণ্ড, ২১৯
(৩) বিভিন্ন সৰ্গৰ চমু পৰিচয়, ২১৯—২২৭
(৪) কাব্যখনৰ বিশিষ্টতা, ২২৭—২৩০
(৫) মধ্যযুগৰ বিশ্বকোষ সদৃশ কাব্য, ২৩০

(৬) কাব্যৰূপে মূল্য, ২২৭—২৩০
(৭) সাধাৰণ কাব্যৰ পৰা পাৰ্থক্যতা, ২১৯, ২২৭, ২২৯
(৮) ডাণ্টেৰ দিব্যলোকৰ চিত্ৰ আৰু ধাৰণা, ২২৪—২২৬

১২। জেৰুছালেম উদ্ধাৰ, ২৩৩—২৪২

(১) কবি আৰু কাব্যৰ চমু পৰিচয় ২৩৫—২৩৬
(২) কাব্যৰ পটভূমি, ২৩৭
(৩) সৰ্গ অনুসৰি কাহিনীৰ ৰূপৰেখা, ২৩৮—২৪৬
(৪) মহাকাব্য সম্বন্ধে কবিৰ স্বকীয় অভিমত, ২৪৬—২৪৭
(৫) চৰিত্ৰাবলী গড্‌ফ্ৰে, টানক্ৰেড্‌, ক্লৰিণ্ডা, ৰিনেল্ড' ইত্যাদি ২৪৭—২৫০
(৬) কাব্যখনত প্ৰেমৰ চিত্ৰণ, ২৪৭—২৪৯

১৩। পেৰেডাইজ লষ্ট্‌, ২৫৩—২৭৬

(১) মিল্টনৰ চমু জীৱনী আৰু কবি পৰিচয়, ২৫৮
(২) বিভিন্ন সৰ্গৰ চমু বিৱৰণ, ২৫৮—২৬৭
(৩) ধৰ্মবিষয়ক কাব্যৰূপে ইয়াৰ মূল্য, ২৬৮—২৬৯
(৪) পাৰ্থিব জগতৰ ছায়া-প্ৰচ্ছায়া, ২৬৯
(৫) ছয়তানৰ চাৰিত্ৰিক পৰিচয়, ২৬৯—২৭০
(৬) আদামৰ চাৰিত্ৰিক বিশেষত্ব, ২৭০—২৭১
(৭) মিল্টনৰ ঈশ্বৰ, ২৭১
(৮) মিল্টনৰ 'গ্ৰেন্ড ষ্টাইল', ২৭২
(৯) মহাকাব্যখনৰ নায়ক বিচাৰ, ২৭২—২৭৫
(ক) ঈশ্বৰ ? ২৭২—২৭৩
(খ) আদাম ? ২৭৩
(গ) যিশু ? ২৭৪
(ঘ) ছয়তান ? ২৭৪—২৭৫